ভাষাতত্ত্বৰ বিচিত্ৰ কথা

সম্পাদিকা
ড০ দীপ্তি ফুকন পাটগিৰি

আদৰণী সমিতি
অসম সাহিত্য সভাৰ দ্বিষষ্টিতম অধিবেশন
বোকাখাত : অসম

"Bhasatattar Bichitra Katha": A collection of Articles written by a number of scholars edited by Dr. Dipti Phukan Patgiri and published by Guwahati City Committee of Assam Sahitya Sobha 62nd Bokakhat Session, Reception Committee, on behalf of publication sub-committee.
Price : Rs. 80.00 (Eighty) only.

ভাষাতত্ত্বৰ বিচিত্ৰ কথা

সম্পাদিকা : ড° দীপ্তি ফুকন পাটগিৰি
২৪ ফেব্ৰুৱাৰী, ১৯৯৬ খ্ৰীঃ

প্ৰকাশক : গুৱাহাটী মহানগৰ সমিতি, (প্ৰকাশন উপ-সমিতিৰ হৈ)
অসম সাহিত্য সভাৰ দ্বিষষ্টিতম বোকাখাত অধিবেশন
বোকাখাত-৭৮৫৬১২

তত্ত্বাৱধায়ক : হেম চন্দ্ৰ বৰা, পবিত্ৰ কুমাৰ শৰ্মা, দিলীপ পাটগিৰি,
অঞ্জানিতা দাস দত্ত

মূল্য : ৮০.০০ (আশী টকা মাত্ৰ)

মুদ্ৰক : শৰাইঘাট লেজাৰ প্ৰিণ্ট, শিলপুখুৰী, গুৱাহাটী-৩

ডি.টি.পি. কম্পোজ : পিক্ লেজাৰচ্ অফচেট্ আৰু শৰাইঘাট লেজাৰ প্ৰিণ্ট

ভাষাতত্ত্বৰ বিচিত্ৰ কথা

বিষয় সূচী

■ সম্পাদিকাৰ চ'ৰা

অসমীয়া ভাষা

■ ভাৰতীয় আৰ্য্য ভাষাৰ পটভূমিত অসমীয়া উচ্চাৰিত ধ্বনিৰ স্বতন্ত্ৰতা ১
ড° নগেন ঠাকুৰ

■ অসমীয়া আখৰ জোঁটনিৰ ঐতিহাসিক পৰ্য্যালোচনা ২৪
ড° লীলাৱতী শইকীয়া বৰা

■ অসমীয়া ভাষা : ঐতিহ্য বিচাৰ ৩৮
বসন্ত কুমাৰ ভট্টাচাৰ্য্য

■ অসমীয়া ভাষাৰ দুটা প্ৰবাহ : কল্পনা নে বাস্তৱ ৪৮
ড° ৰমেশ পাঠক

■ অসমীয়া ভাষাৰ মাগধী উপাদান ৫৯
বিশ্বেশ্বৰ হাজৰিকা

■ ব্ৰজবুলি আৰু সম-সাময়িক পূৰ্ব ভাৰতৰ কাব্যৰ ভাষা ৭২
ড° নাৰায়ণ দাস

■ অসমীয়া ভাষাৰ শব্দমালা : নতুন শব্দ ৮৫
ড° কৃষ্ণ কুমাৰ মিশ্ৰ

■ কীৰ্তনৰ শব্দ-সম্ভাৰ ৯১
ভবেন্দ্ৰ কলিতা

■ অসমীয়া জতুৱা শব্দ আৰু অসমৰ থলুৱা ভাষাৰ উপাদান ১০৩
উপেন ৰাভা হাকাচাম

■ অসমীয়া বাক্যতত্ত্ব ১২১
গীতাঞ্জলি হাজৰিকা মিশ্ৰ

ভাষা আৰু উপভাষা

■ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত ব্যৱহৃত শব্দৰ উৎস
আৰু ভৌগোলিক জৰিপ ১৩৩
ড° অমলেন্দু চক্ৰৱৰ্ত্তী

■ উজনি অসমৰ চাহ বাগিছা অঞ্চলৰ কথিত অসমীয়া ১৫২
(ৰূপ তাত্ত্বিক বিশ্লেষণ)
মৃদুল বৰা

■ নামনি অসমৰ চৰ অঞ্চলৰ কথিত অসমীয়া — ১৬৪
নগেন্দ্ৰ নাৰায়ণ দেৱান

তুলনামূলক অধ্যয়ন

■ সংস্কৃত আৰু দ্ৰাবিড়-গোষ্ঠীৰ তামিল ভাষা : এক সমীক্ষা — ১৭৫
ড° অশোক কুমাৰ গোস্বামী

■ হিন্দী আৰু অসমীয়া ভাষা — ১৮০
ড° ভুপেন্দ্ৰ ৰায়চৌধুৰী

■ অসমীয়া আৰু পূৰ্ববঙ্গৰ উপভাষা : সাদৃশ্য-বৈসাদৃশ্য — ২০০
ড° সুধাংশু শেখৰ তুঙ্গ

■ অসমীয়া আৰু কাৰবি ভাষা : এটি তুলনামূলক অধ্যয়ন — ২১৬
ড° অৰ্পনা কোঁৱৰ

বৈদিক ভাষা

■ বৈদিক ভাষাৰ বুৎপত্তি—এক পৰ্য্যালোচনা — ২৩৩
ড° নলিনী দেৱী মিশ্ৰ

■ বৈদিক ভাষাৰ বৈশিষ্ট্য — ২৪২
ড° মঞ্জুলা দেৱী

আৰ্য্য-ভিন্ন ভাষা আৰু অন্যান্য

■ বড়ো ভাষাৰ অৰ্থতত্ত্ব — ২৪৯
শ্ৰীপ্ৰিয়দিনী ব্ৰহ্ম

■ মিচিং ভাষাৰ শব্দসম্ভাৰ — ২৫৪
ড° কৈলাশ চন্দ্ৰ তালুকদাৰ

■ লোকভাষা প্ৰসঙ্গ — ২৬৯
ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী

■ ভাষাতাত্ত্বিক মিতব্যয়িতা — ২৭৫
(অসমীয়া, বঙলা, উৰিয়া আৰু হিন্দী ভাষাৰ প্ৰসঙ্গত)
ড° ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা

■ বড়ো ভাষা : এটি আলোকপাত — ২৮৬
ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

■ বড়ো সম্বন্ধবাচক শব্দ — ২৯১
মধুৰাম বড়ো

সম্পাদিকাৰ চ'ৰা

ভাষা মানৱ সংস্কৃতিৰ এক অপৰিহাৰ্য্য উপাদান। মনৰ ভাব আদান-প্ৰদানৰ বাবেই ভাষাৰ জন্ম। মানুহে মুখেৰে (বাক্ ইন্দ্ৰিয়ৰ দ্বাৰা) উচ্চাৰণ কৰা যাদৃচ্ছিক ধ্বনি প্ৰতীকেই হ'ল ভাষা যি প্ৰণালীবদ্ধভাৱে অৰ্থ প্ৰকাশ কৰে। মননশীলতা বা মনোভাব প্ৰকাশৰ বিশেষ ক্ষমতা মানুহৰ মাজতেই বিদ্যমান, যাৰ বাবে মানুহ সকলো প্ৰাণীতকৈ শ্ৰেষ্ঠ আৰু স্বতন্ত্ৰ। মানুহৰ সভ্যতা সংস্কৃতিৰ কেইবাটাও ঢাপ পাৰ হোৱাৰ পিছতহে ভাষাৰ জন্ম আৰু ক্ৰমবিকাশৰ দিশ উন্মোচিত হয়। ভাষাৰ বিজ্ঞানসম্মত আৰু শৃঙ্খলাবদ্ধ অধ্যয়নেই হৈছে ভাষাতত্ত্ব বা ভাষাবিজ্ঞান। ভাষা অধ্যয়নৰ মূলত আছে ভাষাজ্ঞানৰ অদম্য স্পৃহা আৰু বৌদ্ধিক কৌতূহল। ভাষাৰ বিজ্ঞানসম্মত আৰু শৃঙ্খলাবদ্ধ অধ্যয়নৰ ফলত পৃথিবীৰ ভাষাসমূহৰ বিষয়ে সম্যক্ জ্ঞান আহৰণৰ লগে লগে ভাষা বিষয়ৰ বিভিন্ন নতুন তথ্য আবিষ্কাৰ হৈছে। প্ৰাচীন কালৰে পৰা ভাষাৰ বিজ্ঞানসম্মত অধ্যয়ন অব্যাহত আছে। প্ৰাচ্য আৰু পাশ্চাত্য উভয়তে ভাষাৰ অধ্যয়নত বিভিন্ন পণ্ডিতে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। ভাষাৰ অধ্যয়ন এক সুকীয়া বিষয় হলেও সাহিত্যৰ গতিধাৰাত ইয়াৰ জ্ঞানৰ একান্ত আৱশ্যক। যিকোনো জাতিৰ ভাষাৰ আলোচনা নহ'লে সাহিত্যৰ গতি-প্ৰকৃতি নিৰ্ণয় কৰা সম্ভৱ নহয়। গতিকে সাহিত্যৰ মূল মন্দিৰত পদাৰ্পন কৰাৰ আগতে ভাষাৰ সম্যক্ জ্ঞানৰ একান্ত প্ৰয়োজন।

অসমীয়া ভাষাটো আৰ্য্যমূলীয়। ভাৰতবৰ্ষৰ আধুনিক ভাৰতীয় আৰ্য্য ভাষাকেইটাৰ ভিতৰত ইয়াৰ বিশেষ স্থান আছে। বৈদিক সংস্কৃতৰ পৰা উদ্ভৱ হৈ বৰ্তমানৰ স্তৰত অৱতৰণ কৰা এই ভাষাটিৰ বৈশিষ্ট্যৰাজি বৈচিত্ৰপূৰ্ণ। এই ভাষাৰ ইতিহাস অনুধাৱন কৰিলে দেখা যায় যে ই অতি প্ৰাচীন ভাষা। এই ঐতিহ্যপূৰ্ণ ভাষাটিও অন্যান্য ভাষাৰ (আৰ্য্য-ভিন্ন) উপাদানে অৰিহণা আগবঢ়াইছে। অসমত প্ৰধানকৈ 'অসমীয়া' ভাষাৰ প্ৰচলন যদিও অন্যান্য আৰ্য্য-ভিন্ন ভাষাৰ প্ৰচলনো মনকৰিবলগীয়া। অসমীয়া ভাষালৈ এই ভাষাসমূহৰ অৱদান যথেষ্ট। আনহাতে এই ভাষাসমূহলৈও অসমীয়া ভাষাৰ অৱদান কম নহয়। আৰ্য্যভিন্ন ভাষাসমূহৰ ভিতৰত চীন-তিব্বতীয় গোষ্ঠীৰ ভাষাসমূহ অন্যতম। অসমীয়া ভাষাৰ অধ্যয়নত এই ভাষাসমূহৰ আলোচনা অপৰিহাৰ্য্য। দ্বিতীয়তে অসমীয়া ভাষাটোৰ কেবাটাও উপভাষা (Dialect) আছে যিবোৰৰ অধ্যয়নে মূল ভাষাৰ প্ৰবাহত অধিক তথ্যৰ সন্ধান দিব পাৰিব। ভাৰতবৰ্ষৰ অন্যান্য আধুনিক ভাৰতীয় আৰ্য্যভাষাসমূহৰ লগতো অসমীয়া ভাষাৰ তুলনামূলক অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। তদুপৰি ভাৰতবৰ্ষৰ অন্যান্য ভাষাৰ ভিতৰত দ্ৰাবিড় গোষ্ঠীৰ ভাষাৰ লগতো তুলনামূলক অধ্যয়নৰ প্ৰতি মনোযোগ দিয়াৰ অৱকাশ আছে। প্ৰকৃততে অসমীয়া ভাষাৰ অধ্যয়নৰ ক্ষেত্ৰখন অতি বিশাল। এই ভাষাৰ মূল আৰু মূল প্ৰবাহ, বিভিন্ন উপভাষা, আৰ্য্য-ভিন্ন ভাষা আদিৰ আলোচনাই অসমীয়া ভাষা সম্বন্ধে অধিক তথ্যৰ যোগান ধৰিব। ভাৰতবৰ্ষৰ অন্যান্য ভাষাসমূহৰ লগত ইয়াৰ সাদৃশ্য বৈসাদৃশ্য নিৰূপন কৰাৰ জৰিয়তে তুলনামূলক অধ্যয়নৰ দিশ মুকলি হোৱাৰ উপৰিও হয়তো বহু নতুন মূল্যৱান সমল পোৱা যাব। অসমীয়া ভাষাৰ অধ্যয়নৰ ক্ষেত্ৰত এই কেউটি দিশৰ প্ৰতি লক্ষ্য ৰাখিয়ে 'ভাষাতত্ত্বৰ বিচিত্ৰ কথা' শীৰ্ষক প্ৰবন্ধ সংকলনটি আগবঢ়োৱা হৈছে।

'ভাষাতত্ত্বৰ বিচিত্ৰ কথা'ৰ পিতানকেইটি এনেদৰে সজোৱা হৈছে— অসমীয়া ভাষা, ভাষা আৰু উপভাষা, তুলনামূলক অধ্যয়ন, বৈদিক ভাষা, আৰ্য্য-ভিন্ন ভাষা

আৰু অন্যান্য। প্ৰথম শিতানত অসমীয়া ভাষাৰ ধ্বনি, ৰূপ, শব্দ, বাক্যৰ আলোচনা সন্নিবিষ্ট কৰাৰ উপৰিও অসমীয়া ভাষাৰ ঐতিহ্য, মাগধী উপাদান, প্ৰবাহ আদিৰ আলোচনাও অন্তৰ্ভুক্ত কৰা হৈছে। দ্বিতীয় শিতানত অসমীয়া ভাষা আৰু ইয়াৰ উপভাষা সম্পৰ্কে আলোকপাত কৰা প্ৰবন্ধ কেইটি যুগুতোৱা হৈছে। তৃতীয় শিতানত তুলনামূলক অধ্যয়নৰ প্ৰবন্ধ আগবঢ়োৱা হৈছে। বৈদিক ভাষাৰ দুটি প্ৰবন্ধ চতুৰ্থ শিতানত সন্নিবিষ্ট কৰা হৈছে। শেষৰ শিতানত আৰ্য্য-ভিন্ন ভাষাৰ চাৰিটা প্ৰবন্ধ দাঙি ধৰা হৈছে; লগতে 'লোকভাষা প্ৰসঙ্গ' আৰু 'ভাষাতাত্ত্বিক মিতব্যয়িতা' এই দুটি প্ৰবন্ধ আগবঢ়োৱা হৈছে।

অসম সাহিত্য সিদ্ধান্ত মৰ্মে সভাৰ দ্বিষষ্টিতম বোকাখাত অধিবেশনৰ আদৰণী সমিতিৰ প্ৰকাশন, ভাষণাৱলী ছপোৱা আৰু বিতৰণ উপসমিতিৰ সিদ্ধান্তক্ৰমে 'ভাষা সম্বন্ধীয় প্ৰবন্ধ সংকলন' এটি সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰি 'ভাষাতত্ত্বৰ বিচিত্ৰ কথা' আগবঢ়োৱা হ'ল। অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠান এটিৰ উন্নতিকল্পে প্ৰকাশনৰ শিতানটোৰ গুৰুত্ব মহত্ত্বপূৰ্ণ।

সমিতিয়ে আমাক এই প্ৰবন্ধ সংকলনটিৰ দায়িত্ব অৰ্পণ কৰি আপোন ভাষা-সাহিত্যৰ সেৱা কৰাৰ এধানমানি সুযোগ দিয়াৰ বাবে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আদৰণী সমিতিৰ সভাপতি চিদানন্দ শইকীয়া, কাৰ্য্যকৰী সভাপতি মহেন্দ্ৰ নাথ শইকীয়া আৰু সাধাৰণ সম্পাদক সুৰেন্দ্ৰনাথ গগৈ, লগতে প্ৰকাশন উপসমিতিৰ সম্পাদিকা নিজৰা বৰঠাকুৰ এই কেইগৰাকী বিশিষ্ট ব্যক্তিৰ প্ৰতি আমি বিশেষভাবে কৃতজ্ঞ। তদুপৰি আদৰণী সমিতিৰ অন্তৰ্গত গুৱাহাটী মহানগৰ সমিতিৰ বিশেষ উদ্যোগ আৰু তৎপৰতা অবিহনে গ্ৰন্থখনিয়ে প্ৰকাশৰ মুখ দৰ্শন নকৰিলেহেঁতেন। এই সমিতিৰ সভাপতি হেম শইকীয়া, সম্পাদক হেম বৰা আৰু কাৰ্য্যালয় সম্পাদক পবিত্ৰ কুমাৰ শৰ্মাৰ লগতে অন্যান্য বিষয় ববীয়াসকললৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। প্ৰবন্ধ সংকলনটি নিচেই কম সময়ৰ ভিতৰত যুগুতাব লগা হোৱাৰ বাবে পৰিকল্পনা কৰা মতে উলিয়াব পৰা নগ'ল। ফলত বিষয়সূচীৰো কিছু সাল সলনি কৰিব লগা হ'ল। দুটিমান প্ৰবন্ধ ইয়াত সন্নিবিষ্ট কৰিব পৰা নগ'ল। তাৰ বাবে আমি ক্ষমা বিচাৰিছোঁ। বৰ্ণাশুদ্ধিকে আদি কৰি অজ্ঞাতে বৈ যোৱা ত্ৰুটীৰ বাবেও সম্পাদিকাই ক্ষমা বিচাৰিছে।

এই গ্ৰন্থখনিলৈ প্ৰবন্ধৰাজি আগবঢ়াই যিসকল লেখকে আমাক মূল সহযোগিতা আগবঢ়ালে তাৰবাবে আমি পৰম কৃতজ্ঞ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ অধ্যাপক ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামীদেৱৰ দিহা পৰামৰ্শৰ বাবে তেখেতলৈ কৃতজ্ঞতা নিবেদন কৰিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° শৈলেন ভৰালীদেৱৰ সুপৰামৰ্শৰ বাবে তেখেত, আমাৰ কৃতজ্ঞতা পাত্ৰ। লগতে এই বিভাগৰে অধ্যাপিকা ড° লীলাৱতী শইকীয়া বৰাকে প্ৰমুখ্যে কেবাগৰাকীও অধ্যাপক, অধ্যাপিকালৈও আমাৰ কৃতজ্ঞতা যাচিলো। বেটুপাতৰ শিল্পী জ্ঞানেন্দ্ৰ বৰকাকতীলৈ শলাগ আগবঢ়ালোঁ। মৰমৰ ছাত্ৰ হাবীবুৰ ৰহমান আৰু ছাত্ৰী গীতাঞ্জলি হাজৰিকা আমাৰ স্নেহ আৰু ধন্যবাদৰ পাত্ৰ। চিন্তা আৰু পৰিশ্ৰমৰ একান্ত সমভাগী দিলীপ পাটগিৰিলৈও কৃতজ্ঞতা যাচিলোঁ। শেষত শৰাইঘাট লেজাৰ প্ৰিন্টৰ কৰ্মীবৃন্দ আৰু পিক্ লেজাৰচ্ অফচেটৰ কৰ্মীবৃন্দলৈ শলাগ যাচিলোঁ।

সমন্বয় ভূমি বোকাখাত
২৪ ফেব্ৰুৱাৰী
১৯৯৬ খ্ৰীষ্টাব্দ।

দীপ্তি ফুকন পাটগিৰি
সম্পাদিকা 'ভাষাতত্ত্বৰ বিচিত্ৰ কথা'

অসমীয়া ভাষা

ভাৰতীয় আৰ্য ভাষাৰ পটভূমিত অসমীয়া উচ্চাৰিত ধ্বনিৰ স্বতন্ত্ৰতা

ড° নগেন ঠাকুৰ

ঐতিহাসিক বিৱৰ্তনেৰে বিকাশ হৈ বৰ্ত্তমানৰ ৰূপ লাভ কৰা কোনো ভাষাৰ ধ্বনি - সংস্থানৰ স্বতন্ত্ৰতা বিচাৰ কৰিবলৈ যাওঁতে প্ৰাথমিক পৰ্যায়ত দুটা কথাত চকু দিব লগা হয় :

(ক) মূল ভাষাৰ ধ্বনি সংস্থান কেনে ধৰণৰ আছিল;

(খ) একে মূলৰ পৰা উদ্ভৱ হোৱা অন্যান্য সগোত্ৰীয় বা সহোদৰ স্থানীয় ভাষাবোৰত ধ্বনিৰঅৱস্থান কেনেধৰণৰ হৈছে।

অসমীয়া ভাষা ঐতিহাসিক বিৱৰ্তনেৰে বিকাশ হোৱা ভাষা, ই সংস্কৃত- মূলীয় ভাষা বা প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ সন্ততি।। এই ভাষা উদ্ভৱ হোৱাৰ সমকালতে একে মূলৰ পৰা স্থানগত ব্যৱধানেৰে অন্যান্য ভাষা কিছুমানৰো উদ্ভৱ হৈছিল; এনে ভাষাসমূহৰ কিছুমান অসমীয়া ভাষাৰ নিকট আত্মীয় বা সহোদৰ স্থানীয়, যেনে বাংলা, উড়ীয়া আদি; আনহাতে কিছুমান দূৰ আত্মীয় বা সগোত্ৰ- জাত, যেনে- মাৰাঠী, গুজৰাটী, হিন্দী, পাঞ্জাবী আদি। এই সকলোবোৰ ভাষা একে মূল প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ পৰা ঐতিহাসিক বিৱৰ্তনেৰে উদ্ভৱ হোৱাৰ কাৰণে অসমীয়া ভাষাৰ বৰ্ত্তমান ৰূপৰ উচ্চাৰিত ধ্বনিৰ স্বতন্ত্ৰতা বিচাৰত এইবোৰধ্বনিৰ তুলনামূলক আলোচনাৰো আৱশ্যক। বিশেষকৈ, ওচৰ আত্মীয় দুই প্ৰধান ভাষা বাংলা আৰু উড়ীয়াৰ ধ্বনি -বিচাৰ প্ৰধানকৈ আৱশ্যক, কাৰণ তেতিয়াহে অসমীয়া ভাষাৰধ্বনিৰ স্বতন্ত্ৰতাৰ ছবিখন স্পষ্ট হৈ পৰিব।

আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ জননী সংস্কৃত (বা বৈদিক - সংস্কৃত) ভাষাও এক বিৱৰ্তিত ভাষাহে। তাৰ মূলতে আছে 'ইণ্ডো-ইউৰোপীয়' নামক ৰূপেৰে এক ভাষাৰ অস্তিত্ব। যদিও ইণ্ডো-ইউৰোপীয় এটা অনুমিত ভাষাহে, পূনৰ্গঠনৰ দ্বাৰাহে তেনে এটি মূল

ভাষাৰ অস্তিত্বৰ ধাৰণা সম্ভৱপৰ হৈছে, তথাপিতো তাৰ অস্তিত্বৰ বাস্তৱতা অস্বীকাৰ কৰিব নোৱাৰি। প্ৰাচীন সাহিত্য- সম্পদৰে, সমৃদ্ধ উন্নত ভাষা কিছুমানৰ সজাতীয়(cognet) শব্দ কিছুৰ ধ্বনিব্যৱহাৰৰ তুলনাৰ ভিত্তিত আদিম বা মূল ইণ্ডো- ইউৰোপীয়ৰ(Primitive Indo-European) ধ্বনি-সমস্থান নিৰূপন কৰা হৈছে। সেই হিচাপে মূল ইণ্ডো- ইউৰোপীয়ত ৩১ টা স্বৰধ্বনিআছিল বুলি সিদ্ধান্ত কৰা হৈছে, ইয়াৰে ১১ টা মূল বা মৌলিক স্বৰ , ৮টা অৰ্ধ- ব্যঞ্জন আৰু ১২ টা যৌগিক স্বৰ। এই ৩১ টা স্বৰধ্বনিৰপৰাই সংস্কৃতত ১৪ টাস্বৰধ্বনিৰ উৎপত্তি হয়। অৱশ্যে সংস্কৃতত অৰ্ধ- ব্যঞ্জন(Sonant) 'ঌ'- ৰ দীৰ্ঘ ৰূপ ব্যৱহাৰ নথকাত সংস্কৃতত স্বৰধ্বনিৰ সংখ্যা ১৩ টা বুলিও ধৰা হয়। কিন্তু ব্যৱহাৰ নথকা সত্বেও 'অক: সৱৰ্ণে দীঘ: এনে সূত্ৰ অনুসৰি পানিনিৰ সময়ৰ পৰাই সংস্কৃতত ১৪ টা স্বৰধ্বনিকস্বীকৃতি দিয়া হৈছিল বুলি ক'ব পাৰি।

মূল ইণ্ডো- ইউৰোপীয়ত স্বৰধ্বনিত কৈ ব্যঞ্জনৰ সংখ্যা সীমিত আছিল যদিও বৈচিত্ৰ যথেষ্ট আছিল। প্ৰধান ব্যঞ্জনৰ সংখ্যা ৪০ টা আছিল। ইয়াৰে 'কন্ঠ্য' (guttural) শ্ৰেণীৰ 'তালব্য' (palatal), 'পশ্চাৎ-কন্ঠ্য' বা 'কন্ঠ্য'(velar) আৰু 'কন্ঠৌষ্ঠ্য' (labio- velar) এই তিনি প্ৰকাৰৰধ্বনিআছিল। ইয়াৰে কন্ঠ্য আৰু কন্ঠৌষ্ঠ্যধ্বনিসমূহ একীভূত হৈ সংস্কৃতত 'কন্ঠ্য' (বা পশ্চ- তালব্য) ক- বৰ্গৰ ধ্বনিসমূহ হ'ল, আনহাতে এই ধ্বনিসমূহৰপৰাই গৌণ উৎসৰে চ- বৰ্গৰ নতুন এক তালব্য শ্ৰেণীৰধ্বনিসমূহৰউদ্ভৱ হয়, মূৰ্ধন্যধ্বনিসমূহসংস্কৃতত নতুন কৈ আৱিৰ্ভাৱ হোৱাধ্বনি,মূলৰ পৰা যথাযথভাৱে ৰক্ষিত হ'ল। নাসিক্য ধ্বনিৰধ্বনিসমূহহে মূলৰ পৰা যথাযথভাৱে ৰক্ষিত হ'ল। নাসিক্যধ্বনিৰভিতৰত ন, ম, মূল ইণ্ডো- ইউৰোপীয়ৰ উৎসৰ পৰাই আহিছে যদিও 'ঙ' আৰু 'ঞ' মূলৰ নহয়; এইদুইধ্বনি'ন'-ধ্বনিৰেই অৱস্থানভেদ বুলি অনুমান কৰা হৈছে, মাত্ৰ সমধৰ্মী স্পৰ্শব্যঞ্জনৰ লগত যোগ হ'ল, অৰ্থাৎ ঙ +কন্ঠ্যবৰ্ণ, ঞ +তালব্য বৰ্ণ। উষ্মধ্বনিৰভিতৰত 'স' মূলৰ পৰা পোনে পোনে আহিছে যদিও 'শ'- ধ্বনিমূলৰ তালব্য (palatal) 'ক'-ধ্বনিৰপৰা বিকাশ হোৱা ধ্বনি। 'হ' উষ্মৰূপে ব্যৱহাৰ হয়। অন্তঃস্থ য়, ৰ, ল, ৱ মূলৰ পৰাই অহা ধ্বনি, মাত্ৰধ্বনিগুণৰকিছু তাৰতম্য ঘটিছে।

তলত সংস্কৃতৰ স্বৰ আৰু ব্যঞ্জনধ্বনিসমূহক ৰোমান্ প্ৰতিলিপি সহ দেখুৱা হ'লঃ

<u>বিশুদ্ধ স্বৰঃ</u>		<u>স্বৰ ধ্বনি</u>

হ্ৰস্ব ঃ	অ, ই, উ
a, i, u
দীৰ্ঘ ঃ	আ, ঈ, ঊ
ā, ī, ū

<u>অৰ্ধ- ব্যঞ্জন ঃ</u>

ঋ, ঌ, (হ্ৰস্ব) ; ৠ, ৡ (দীৰ্ঘ)
ṛ, ḷ,	ṝ, ḹ

<u>যৌগিক স্বৰ ঃ</u>

এ, ও, ঐ, ঔ
e, o, ai, au

<u>ব্যঞ্জন ধ্বনি</u>

কন্ঠ্য বা পশ্চ- তালব্য		ঃ ক্, খ্, গ্, ঘ্, ঙ্ k, kh, g, gh, ṅ
তালব্য	ঃ	চ্, ছ্, জ্, ঝ্, ঞ্ c, ch, i, jh, n
মূৰ্ধণ্য	ঃ	ট্, ঠ্, ড্, ঢ্, ণ্ ṭ, ṭh, ḍ, ḍh, ṇ
দন্ত্য	ঃ	ত্, থ্, দ্, ধ্, ন্ t, th, d, dh, n
ওষ্ঠ্য	ঃ	প্, ফ্, ব্, ভ্, ম্ p, ph, b, bh, m
অন্তঃস্থ	ঃ	য, ৰ্, ল্, ব্ y, r, l, v
উষ্ম(শিশ্- উষ্ম)	ঃ	শ্, ষ্, স্ ś, ṣ, s
কণ্ঠনলীয়া উষ্ম বা কণ্ঠ্য- উষ্ম	ঃ	হ্ = মুঠ ৩৩ টা h

মূল ইণ্ডো- ইউৰোপীয়ৰ প্ৰধান ৪০ টা ব্যঞ্জনৰ পৰা সংস্কৃতত ক, খ, গ, ঘ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ৰ, ল, য়, ৱ, ধ্বনিসমূহ প্ৰত্যক্ষভাৱে উৎপত্তি হয়, চ, ছ, জ, ঝ, ঞ, ঙ, শ, হ এই কেইটা পৰোক্ষভাৱে উৎপত্তি হয়, বাকী, ট, ঠ, ড, ঢ, ণ, ষ সংস্কৃতত নতুনকৈ আবিৰ্ভূত হয়।

সংস্কৃতৰ এই ৩৩ প্ৰধান ব্যঞ্জনৰ লগতে অনুস্বাৰ (ং) আৰু বিসৰ্গৰ (ঃ) ব্যৱহাৰ আছে যদিও ব্যঞ্জনৰ তালিকাভুক্ত নহয়। ব্যৱহাৰ আছে, কিন্তু তালিকাৰ অন্তৰ্গত নহয় কাৰণে অযোগ- ৱাহ বা অযোগৱাহ বৰ্ণ বুলি কোৱা হয়। অনুস্বাৰ স্বৰধ্বনিৰ অনুনাসিক আৰু বিসৰ্গ স্বৰধ্বনিৰ অঘোষ বিস্তাৰ। স্বৰধ্বনিৰ পাছতেই ইহঁতৰ অৱস্থান। বিসৰ্গ (ঃ) শ্ৰুতি- সংস্থানৰ দিশৰ পৰা অঘোষ 'হ' বহু ঠাইত অন্ত্য 'ম'-ৰ পৰিৱৰ্তে অনুস্বাৰ আৰু অন্ত্য 'স' বা 'ৰ' - বৰ্ণৰ পৰিৱৰ্তে বিসৰ্গৰ প্ৰয়োগ হয়।

সংস্কৃতৰ এই ধ্বনি বা বৰ্ণসমূহ (সংস্কৃতত বৰ্ণ আৰু ধ্বনিৰমাজত পাৰ্থক্য নাছিল, সি ধ্বনি উচ্চাৰিত হৈছিল সিয়ে বৰ্ণৰ মৰ্যাদা পাইছিল আৰু ব্যৱহাৰ হৈছিল। দীৰ্ঘ ৯ - কাৰৰ উচ্চাৰণ নাছিল কাৰণে প্ৰয়োগো মুঠেই পোৱা নাযায়। বৰ্ণমালা খনত (alphabet) হ্ৰস্ব- দীৰ্ঘৰ সামঞ্জস্য ৰক্ষাৰ বাবেহে ইয়াক স্থান দিয়া হৈছিল)। মধ্য ভাৰতীয় আৰ্য স্তৰৰ ভাষা পালি, প্ৰাকৃত আৰু অপভ্ৰংশৰ মাজেদি এহেজাৰ বছৰৰো অধিক কাল আৰু পৰৱৰ্তী আধুনিক ভাষা সমূহৰ উদ্ভৱ কালৰ পৰা বৰ্তমান পৰ্যন্ত এই প্ৰায় হেজাৰ বছৰীয়া কালৰ মাজত উচ্চাৰণগত না- না পাৰ্থক্যই দেখা দিছে; কিছুমান ধ্বনিলুপ্ত হৈছে, কিছুমানৰ পৰিবৰ্তন হৈছে আৰু কিছুমান নতুনকৈ দেখা দিছে। অৰ্ধ- ব্যঞ্জন কেইটাৰ উচ্চাৰণ লোপ হৈছে, যৌগিক স্বৰ কেইটাই যৌগিকত্ব গুণ হেৰুৱাই পেলাইছে আৰু সৰল স্বৰ কেইটাৰ গুণগত পৰিবৰ্তন হোৱাৰ উপৰিও নতুন কেইটা মান স্বৰৰো আত্মপ্ৰকাশ ঘটিছে। অধিকাংশ ক্ষেত্ৰতে 'অ' আৰু 'এ' স্বৰে দুই জাতীয় উচ্চাৰণেৰে দেখা দিছে। সংস্কৃত স্বৰৰ যি হ্ৰস্ব- দীৰ্ঘৰ ধ্বনিমানগত বা বৰ্ণগত (phonemic) বৈশিষ্ট্য ৰক্ষিত আছিল, সি হিন্দী, পাঞ্জাবী, সিন্ধী, কিছু পৰিমাণে ৰক্ষিত যদিও অসমীয়া, বাংলা, গুজৰাটী, মাৰাঠীত লোপ পালে, উড়ীয়াতো লোপ পোৱা বুলি ক'ব পাৰি, কেৱল সীমিত ক্ষেত্ৰত 'আ' ধ্বনিৰহ্ৰস্ব- দীৰ্ঘৰ

বৈপৰীত্য পোৱা যায়। পূৰ্বাঞ্চলীয় আৰ্যভাষাসমূহৰ ভিতৰত বিহাৰী ভাষাকেইটাত হ্ৰস্ব- দীৰ্ঘৰ ভেদ অতি প্ৰকট, হ্ৰস্ব- দীৰ্ঘ- অতি দীৰ্ঘ এনে ভেদ লক্ষ্য কৰা যায়,- যি সংস্কৃতৰ পৰা সুকীয়া ধৰণৰ। অনুনাসিকতা বৰ্ণগত বা অৰ্থ পাৰ্থকসূচক হিচাপে প্ৰায় সকলো ভাষাতে পোৱা যায় যদিও অন্যতম প্ৰধান ভাষা মাৰাঠীত ই বৰ্ণগত নহয়।

স্বৰ ধ্বনিঃ সংস্কৃতৰ 'অ' ধ্বনি আধুনিক আৰ্য ভাষা সমূহত অনেক পৃথক ধৰণেৰে উচ্চাৰিত হয়, অসমীয়াত ই অধিক পৃথক ধৰণৰ। সংস্কৃতত এই ধ্বনি পশ্চ-বিবৃত নিম্ন ধ্বনি, পশ্চ- বিবৃত নিম্ন 'আ' ধ্বনিৰ হ্ৰস্ব ৰূপে। ইয়াৰ উচ্চাৰণ ইংৰাজী 'mutton' শব্দৰ 'u' ধ্বনি উচ্চাৰণৰ দৰে আছিল। বৰ্তমান আধুনিক আৰ্যভাষা-বোৰত পশ্চ-বিবৃত মধ্য ও (ɣ), পশ্চ- বিবৃত নিম্নাভাস অ' (Λ) পশ্চ- সংবৃত নিম্নাভাস অ' (ɔ), পশ্চ- সংবৃত নিম্ন অ (D) কেন্দ্ৰীয়- মধ্য অৰ্ধ- সংবৃত (ə) এনেদৰে কেইবাটাও ধৰণেৰে উচ্চাৰিত হোৱা পোৱা যায়। ইয়াৰ পৰা ইয়াৰ উচ্চাৰণ সংবৃত (close) আৰু বিবৃত (open) দুই ধৰণৰ বৈশিষ্ট্য লক্ষ্য কৰা যায়।

মাৰাঠীত পশ্চ-বিবৃত মধ্য ও ৰূপে উচ্চাৰিত হয়, বাংলা- উড়ীয়া- গুজৰাটীত পশ্চ- সংবৃত মধ্যাভাস অ' ৰূপে আৰু মৈথিলী - মগহী ভোজপুৰীত পশ্চ- সংবৃত নিম্নাভাস অ' আৰু পশ্চ বিবৃত নিম্নাভাস, অ' দুই ধৰণেৰে উচ্চাৰিত হয়। আদৰ্শ হিন্দীত বিবৃত অ' ৰূপে উচ্চাৰিত হয় যদিও সংবৃত নিম্নাভাস অ' ধ্বনিও উচ্চাৰিত হয় আৰু এনে সংবৃত অ' ৰ উচ্চাৰণ দীৰ্ঘ। পাঞ্জাবী আৰু সিন্ধীত সংবৃত অ' উচ্চাৰিত হয়, এই উচ্চাৰণ হিন্দীৰ দৰে দীৰ্ঘ , যাক ধ্বনিলিপিত (phonetic script) /ə:/ এনেদৰে দেখুৱাব পাৰি। কেন্দ্ৰীয়- মধ্য অৰ্ধ- সমবৃত (Central mid half- close) অতি হ্ৰস্ব ə , যাক ক'ব পাৰি নিৰপেক্ষস্বৰ (Neutral vowel/ schwa) এনে, উচ্চাৰণ সিন্ধী, গুজৰাটী, পাঞ্জাবী, মাৰাঠী, মৈথিলী, মাগহী, ভোজপুৰী, অৱধী, কোশলী আৰু উড়ীয়া ভাষাত উচ্চাৰিত হয়। অৱশ্যে এই সকলো ভাষাতে বিশিষ্ট স্বৰধ্বনি বুলি স্বীকৃত নহয়, সিন্ধী, পাঞ্জাবী আৰু অৱধী- কোশলীতহে বিশিষ্ট।

অসমীয়াত এই 'অ'ৰ উচ্চাৰণত আন ভাৰতীয় ভাষাসমূহৰ ভিতৰত স্বকীয়তা আছে। ইয়াৰ উচ্চাৰণ সংবৃত আৰু উচ্চাৰিত হয় দুই ধৰণেৰে ঃ (ক) পশ্চ সংবৃত নিম্নাভাস অ' (ɔ) (খ) পশ্চ- সংবৃত

নিম্ন অ (D) ৰূপে। বাংলা- উড়ীয়াত সংবৃত অ-ৰ সাধাৰণ উচ্চাৰণ পশ্চ- সংবৃত নিম্নাভাস অ', কিন্তু অসমীয়াত সাধাৰণ উচ্চাৰণ পশ্চ- সংবৃত নিম্ন অ আৰু লগতে নিম্নাভাস অ'। ধ্বনিগুণৰ ফালৰ পৰা ই উচ্চাভাস 'ও' ধ্বনিৰ লগত মিলে আৰু দুইটাৰ মাজত শ্রুতিগুণৰ পাৰ্থক্য বৰ কম। এক অক্ষৰীয়া শব্দত অ'ৰ উচ্চাৰণ আন্ধবনিতকৈ কিছু দীৰ্ঘ আৰু ওপৰত এটা কমাৰে (') ইয়াক চিহ্নিত কৰা হয়। 'অ' ৰ এই দুই প্ৰকাৰ উচ্চাৰণেই অসমীয়াত বিশিষ্ট উচ্চাৰিতস্বৰধ্বনি (vowel phoneme) বুলি স্বীকৃত।

সংস্কৃতৰ 'আ', 'অ'ধ্বনিৰদীৰ্ঘ ৰূপ, অৰ্থাৎ পশ্চ বিবৃত নিম্ন, মাত্ৰ দীৰ্ঘ। ইয়াৰ উচ্চাৰণ ইংৰাজী father শব্দৰ 'a' ৰ দৰেই, কেৱল উচ্চাৰণত দীৰ্ঘ। সংস্কৃতত ইয়াৰ উচ্চাৰণধ্বনিলিপিত /ɑ/ এনেদৰে দেখুৱাব পাৰি। কিন্তু আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহত ইয়াৰ উচ্চাৰণ কেন্দ্ৰীয় নিম্ন বিবৃত 'আ' (a) আৰু ইয়ে দীৰ্ঘ 'আ'-ৰ সূচনা কৰে। অসমীয়াতো ই কেন্দ্ৰীয় নিম্ন বিবৃত ধ্বনিআৰু 'আ'-ৰ সাধাৰণ উচ্চাৰণ। বাংলা- উড়ীয়াতো 'আ'-ৰ উচ্চাৰণ অসমীয়াৰ দৰেই যদিও বাংলাত কেন্দ্ৰৰ পৰা কিছু পাৰ্চলৈকে প্ৰসাৰিত, প্ৰায় সংস্কৃতৰ দৰে উচ্চাৰিত হোৱা লক্ষ্য কৰা যায় ; কিন্তু বিশিষ্টধ্বনি হিচাপে (a) কে স্বীকৃতি দিয়া হয়। উড়ীয়াৰ 'আ'-ৰ উচ্চাৰণ বাংলাৰ দৰেই যদিও ক্ষেত্ৰ বিশেষে আ-ৰ হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণৰ পাৰ্থক্য লক্ষ্য কৰা যায় আৰু বৰ্ণগত হৈ পৰে।

সংস্কৃতৰ ই, ঈ, উ, ঊ, এ, ও, ধ্বনিকেইটাৰ ভিতৰত ই আৰু উ হ্ৰস্ব, আন কেইটা দীৰ্ঘ। 'ই' সন্মুখ-সংবৃত উচ্চ স্বৰ আৰু 'ঈ' তাৰে দীৰ্ঘ ৰূপ। এনেদৰে 'উ' পশ্চ-সংবৃত উচ্চ- স্বৰ, 'ঊ' তাৰে দীৰ্ঘ ৰূপ। এই 'ই' আৰু 'উ' ডেনিয়েল জোনছে (Danial Jones; ১৮৮১- ১৯৬৭ খ্ৰী ঃ) নিৰ্ধাৰণ কৰা ১নং আৰু ৮নং মুখ্য মান স্বৰৰ (Primary Cardinal Vowels) সদৃশ আছিল বুলি অনুমান কৰা হৈছে। উচ্চাৰণৰ দিশৰ পৰা সংস্কৃত দীৰ্ঘ আৰু হ্ৰস্ব স্বৰৰ মাত্ৰা আছিল সুস্পষ্ট, সম্পূৰ্ণৰূপে ধ্বনিমানকবা বৰ্ণগত (phonemic)। এটাৰ ঠাইত আন এটা বহুৱাব নোৱাৰি আৰু বহুৱালে অৰ্থ বিভ্ৰাট হয়। সংস্কৃতৰ এনে ধ্বনিমানক বা বৰ্ণগত ভেদ অৰ্থাৎ হ্ৰস্ব- দীৰ্ঘৰ মাত্ৰাৰ ভেদ আধুনিক ভাষাবোৰত হিন্দী, পাঞ্জাবীৰ বাহিৰে আনবোৰ ভাষাত প্ৰায় নাইকিয়া হৈ পৰিছে, বিশেষকৈ বাংলা - অসমীয়া মাৰাঠী, গুজৰাটীত, একেবাৰে

নাই। সিন্ধী- উড়ীয়া, ভোজপুৰীত সীমিত ক্ষেত্ৰতহে বৰ্ণগত অৰ্থাৎ অৰ্থৰ সালসলনি কৰে। পাঞ্জাবীত স্বৰৰ দৈৰ্ঘ্য অৰ্থসূচক হ'লেও সকলো অৱস্থানতে নহয়। কেৱল আদৰ্শ হিন্দীত স্বৰ হ্ৰস্ব- দীৰ্ঘৰ ভেদ কিছু প্ৰকট আৰু অৰ্থান্তৰ ঘটায়।

অসমীয়াৰ লিপিমালাত ই, ঈ, উ, ঊ, ৰক্ষিত যদিও আৰু বানানতো ব্যৱহাৰ কৰা হয় যদিও সিয়ে হ্ৰস্বত্ব আৰু দীৰ্ঘস্বৰ সূচনা নকৰে, অৰ্থাৎ উচ্চাৰণত কোনো ভেদ নাই। ই, ঈ,/ উ, ঊ- ৰ উচ্চাৰণ যথাক্ৰমে সন্মুখ উচ্চ /ই/ আৰু পশ্চ- উচ্চ /উ/ অৱশ্যে সংস্কৃতৰ দৰে হ্ৰস্ব- দীৰ্ঘ ভেদে শব্দৰ অৰ্থ সলনি কৰিব নোৱাৰে যদিও একেটা স্বৰে অৱস্থান আৰু পৰিবেশ ভেদে দীৰ্ঘ উচ্চাৰিত হ'ব পাৰে। এনেকি হ্ৰস্ব দীৰ্ঘ ভেদ নথকা ধ্বনিও অসমীয়াত অৱস্থান অনুসৰি দীৰ্ঘ হ'ব পাৰে। নিম্নভাস অ' ধ্বনিএক অক্ষৰীয়া শব্দত আনধ্বনিতকৈ দীৰ্ঘ। গতিকে ক'ব পাৰি বৰ্ণগত পাৰ্থক্য(phonemic contrast) সৃষ্টি নকৰাকৈ অৱস্থানগত (positional) অনুসৰি স্বৰৰ হ্ৰস্ব- দীৰ্ঘ উচ্চাৰণ হয়। বাংলাতো অসমীয়াৰ দৰে একে বৈশিষ্ট্য ৰক্ষিত।

'এ' আৰু 'ও' ধ্বনিৰ ক্ষেত্ৰত 'ও' ধ্বনি প্ৰায় সকলো আৰ্যভাষাতে পশ্চ-মধ্যসম সংবৃতধ্বনিৰূপে উচ্চাৰিত হয়। কিন্তু 'এ' ধ্বনিয়ে ভাৰতীয় ভাষাবোৰত কেইবাটাও উচ্চাৰণৰে আত্মপ্ৰকাশ কৰিছে। অন্তত ঃ তিনিধৰণৰ উচ্চাৰণ বৈশিষ্ট্য লক্ষ্য কৰা যায়ঃ (ক) সন্মুখ মধ্যসম- বিবৃত এ' (e); (খ) সন্মুখ - মধ্যাভাস বিবৃত এ (ɛ); (গ) সন্মুখ- নিম্নাভাস বিবৃত এ্যা (æ)। সংস্কৃতত 'এ' আৰু 'ও' আছিল দীৰ্ঘ। 'ও' ধ্বনি আধুনিক স্তৰত হ্ৰস্ব 'ও' হয় আৰু প্ৰায় সকলোবোৰ আধুনিক আৰ্যভাষাত তেনেধৰণেৰে উচ্চাৰিত হয়। 'এ' ধ্বনিৰো উচ্চাৰণ হ্ৰস্ব হ'ল যদিও উচ্চাৰণৰ দিশত বৈচিত্ৰ্যই দেখা দিলে আৰু এনে বৈচিত্ৰ 'অ'- ধ্বনিৰ লগতহে তুলনীয়; অৰ্থাৎ 'অ' ধ্বনিয়ে যেনেদৰে কেইবাপ্ৰকাৰ ধ্বনিৰে আধুনিক ভাষাসমূহত আত্মপ্ৰকাশ কৰিলে, এ- ধ্বনিয়েও তেনেদৰে কৰিলে। সন্মুখ মধ্যাভাস বিবৃত এ- ধ্বনি উচ্চাৰিত হয় পাঞ্জাবী, হিন্দী, সিন্ধী, গুজৰাটী, আৰু অসমীয়া ভাষাত; এই ভাষাকেইটাত মধ্যসম বিবৃত এ' ধ্বনিও উচ্চাৰিত হয়। নিম্নাভাস বিবৃত 'এ্যা' উচ্চাৰিত হয় মৈথিলী- মগহী আৰু বাংলা ভাষাত। এনে উচ্চাৰণ অসমীয়াৰ প্ৰধান উপভাষা কামৰূপীতো লক্ষ্য কৰা যায়।

সংস্কৃতৰ ঋ, ঋৃ, ঌধ্বনি কেইটা হ'ল স্বৰৰূপে উচ্চাৰিত ৰ্ আৰু ল্ ধ্বনি। ব্যঞ্জন- আশ্ৰিত স্বৰ জাতীয় উচ্চাৰণ কাৰণে এই কেইটা 'অৰ্ধ- ব্যঞ্জন'। দীৰ্ঘ ঌ- কাৰৰ উচ্চাৰণ সংস্কৃততে নাছিল, হ্ৰস্ব ঌ- কাৰৰ উচ্চাৰণো আছিল অত্যন্ত সীমিত আৰু প্ৰয়োগো প্ৰায় নাছিল বুলি ক'ব পাৰি। মধ্যভাৰতীয় আৰ্য স্তৰতে এই কেইটাৰ উচ্চাৰণ লোপ হৈছিল আৰু বিভিন্ন স্বৰধ্বনিলৈ পৰিবৰ্তন হৈ পৰিছিল। আধুনিক ভাষাবোৰৰ কোনো এটাতে ইহঁতৰ উচ্চাৰণ নাই। কিন্তু উচ্চাৰণ নথকা সত্বেও সংস্কৃতৰ সামঞ্জস্যৰে ঋ বা ঌ- কাৰক বৰ্ণমালাত স্থান দিয়া ৰীতি প্ৰচলিত হৈ আহিছে আৰু সংস্কৃত- মূলৰ বানানতো ব্যৱহাৰ কৰা হয়, বিশেষকৈ ঋ- কাৰক। কিন্তু ঋ- কাৰ প্ৰায় সকলোবোৰ আধুনিক ভাষাকে উচ্চাৰণ কৰা হয় 'ৰ' বা 'ৰি' ৰূপে; কেৱল উড়ীয়া আৰু মাৰাঠী ভাষাত উচ্চাৰণ হয় 'ৰু' ৰূপে। এনেদৰে ঌ- কাৰৰ উচ্চাৰণ উত্তৰ- ভাৰতৰ সকলোবোৰ ভাষাতে 'লৰি' বাংলা- অসমীয়াত 'লি' উড়ীয়া- মাৰাঠীত 'লু' হয়। এটা ব্যঞ্জন আৰু এটা স্বৰ লগ লাগি এই দুটা উচ্চাৰণ হয় কাৰণে কোনো ভাষাতে এই দুইটা অৰ্ধ- ব্যঞ্জন একক ধ্বনিমহয়।

সংস্কৃতৰ ঐ, ঔ, এই দুই যৌগিক স্বৰ আধুনিক উচ্চাৰণ সুকীয়া হৈ পৰিছে; সংস্কৃতৰ দৰে বৰ্ণগত যৌগিক স্বৰ নহয়। বানানত ব্যৱহাৰ থাকিলেও বাংলা- উড়ীয়াত 'ওই', 'ওউ' অসমীয়াত অ'ই, অ'উ এনেদৰে উচ্চাৰিত হয়। আন ভাষাবোৰতো দ্ব্যাক্ষৰিক স্বৰ সংযতি হিচাপে আত্মপ্ৰকাশ কৰিছে। মন কৰিবলগা কথা হ'ল যে সংস্কৃতত দ্ব্যাক্ষৰিক স্বৰ সংযুতি হিচাপে এই দুটাই আছিল প্ৰধান; কিন্তু আধুনিক ভাষাসমূহত দ্ব্যাক্ষৰিক স্বৰ সংযুতিৰ উচ্চাৰণ- অনেক বেছি ধৰণৰ পোৱা যায়।

ওপৰৰ এই আলোচনাৰ ভিত্তিত অসমীয়াৰ সহোদৰ স্থানীয় বাংলা আৰু - উড়ীয়াৰ লগত অসমীয়াৰ স্বৰ ধ্বনিম্মা বিশিষ্ট স্বৰ ধ্বনিৰ তাৰতম্য পৰিলক্ষিত হয় এনে তাৰতম্যই অসমীয়া স্বৰ- সংস্থানৰ স্বাতন্ত্ৰ্য চিহ্নিত কৰে। অসমীয়াত ৮টা, বাংলাত ৭টা আৰু উড়ীয়াত ৬টা ঃ

অসমীয়া ঃ ই (i), উ, (u), এ' (e), এ (ɛ), অ' (ə), ও, (o), অ (ɒ) আ (a)

বাংলা : ই (i), উ (u), এ' (e), ও (o), এ্যা (æ), অ' (ɔ), আ, (a);

উড়ীয়া : ই (i), উ (u), এ' (e), ও, (o), অ' (ə), আ, (a)।

ব্যঞ্জন ধ্বনিঃ

সংস্কৃত স্বৰধ্বনিসমূহৰ যিদৰে আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহত মাত্ৰা আৰু গুণৰ পৰিবৰ্তণ হৈছিল, লগতে কিছুমানৰ লোপ আৰু কিছুমানৰ নতুন উচ্চাৰণ হৈছিল,- তেনেদৰে ব্যঞ্জন সমূহৰো উচ্চাৰণৰ স্থান আৰু ধৰণ সলনি হৈ ধ্বনিগুণৰ নানা তাৰতম্যই দেখা দিছিল ; কিছুমান ভাষাত কিছুমান ধ্বনি একাকাৰ হৈ একে ধৰণেৰে উচ্চাৰণ হ'ল, একে শ্ৰেণীধ্বনি দ্বিবিধ শ্ৰেণীৰ উচ্চাৰণ হ'ল আৰু কিছুমান মূল উচ্চাৰণৰ আঁতৰি সম্পূৰ্ণ সুকীয়া উচ্চাৰণেৰে আত্মপ্ৰকাশ কৰিল। অৱশ্যে মূল উচ্চাৰণো অটুট থাকিল।

উচ্চাৰণৰ স্থান (points of articulation) অনুসৰি সংস্কৃত ব্যঞ্জন ধ্বনিসমূহক৬ টা ভাগত ভাগ কৰিব পাৰি : ঔষ্ঠ্য, দন্ত্য, মূৰ্ধণ্য, তালব্য, কন্ঠ্য বা পশ্চ- তালব্য আৰু কন্ঠনলীয়; উচ্চাৰণৰ ধৰণ(manner of articulation) অনুসৰি পুনৰ এই সমূহক স্পৰ্শ, নাসিক্য, উষ্ম, পাৰ্শ্বিক, কম্পিত আৰু অৰ্ধ- স্বৰ এনেদৰে ৬টা ভাগত ভাগ কৰিব পাৰি।

স্পৰ্শ (tops) : স্পৰ্শ ধ্বনিৰ সংখ্যা সৰ্বমুঠ ২০ টা :

ওষ্ঠ্য	দন্ত্য	মূধণ্য	তালব্য	কন্ঠ্য বা পশ্চ- তালব্য	
প, ব,	ত, দ	ট ড	চ, জ	ক, গ	(অল্পপ্ৰাণ);
ফ, ভ	থ, ধ	ঠ, ঢ	ছ, ঝ	খ, ঘ	(মহাপ্ৰাণ);

ঔষ্ঠ্য : দুই ওঁঠ স্পৰ্শৰ দ্বাৰা উচ্চাৰিত হোৱা ঔষ্ঠ্য অল্পপ্ৰাণ প, বৰ উচ্চাৰণ ভাৰতীয় ভাষাবোৰত অবিকৃতভাৱে ৰক্ষিত হৈছে যদিও মহাপ্ৰাণ ফ, ভ-ৰ বিশুদ্ধ উচ্চাৰণ লোপ হৈ অধিকাংশ ভাষাতে ঔষ্ঠ্য- উষ্ম [ɸ β] (bilabial fricative) হিচাপে উচ্চাৰিত হৈছে। অসমীয়া ভাষাত শব্দৰ আদিত বিশুদ্ধ মহাপ্ৰাণ হিচাপে অৰ্থাৎ প+হ, ব+হ এনেদৰে উচ্চাৰণ পোৱা গ'লেও অন্ত্যস্থানত ঔষ্ঠ্য- উষ্ম হিচাপে উচ্চাৰিত হয়। বাংলাকে ধৰি অন্যান্য ভাষাসমূহত বিশুদ্ধ মহাপ্ৰাণ ধ্বনিৰূপে উচ্চাৰিত নহয়, বৰং উষ্ম হিচাপেহে উচ্চাৰিত হয়; ইংৰাজী

f আৰু v-ৰ দৰে দন্তৌষ্ঠ্য উষ্মধ্বনিহিচাপে।

মূৰ্ধণ্য স্পৰ্শ : জিভাৰ আগ লুটি খুৱাই তুলি বা উৰ্ধগামী কৰি ('প্ৰতিবেষ্টিত') আগতালু বা মূৰ্ধাত স্পৰ্শ কৰি উচ্চাৰণ কৰা ট, ঠ, ড, ঢ এই মূৰ্ধণ্য ধ্বনিকেইটা সংস্কৃতত নতুনকৈ উৎপন্ন হোৱা ধ্বনি; মূল ইণ্ডো-ইউৰোপীয়ৰ কোনো শাখাতে এনেধৰণৰ ধ্বনি নাই। জিভাত্ৰ আগ ওলোটাই বা লুটি খুৱাই এই ধ্বনিসমূহ উচ্চাৰণ কৰা হয় কাৰণে সংস্কৃতত এই সমূহক 'প্ৰতিবেষ্টিত' (retroflex) বুলি কোৱা হয়। ভাৰতীয় আধুনিক ভাষাসমূহৰ ভিতৰত কাশ্মীৰী আৰু অসমীয়াৰ বাহিৰে আন সকলো ভাষাতে কম বেছি পৰিমাণে এই ধ্বনিসমূহ উচ্চাৰিত হয়; অৱশ্যে জিভা সংস্কৃত উচ্চাৰণত সিমান প্ৰতিবেষ্টিত হৈছিল আধুনিক উচ্চাৰণত সিমান নহয়, উচ্চাৰণ- স্থান তালুৰ সন্মুখ ভাগ, দন্তমূলৰ সামান্য ওপৰতহে হয়। বিশুদ্ধ মূৰ্ধণ্য উচ্চাৰণ দ্ৰাবিড়ীয় ভাষাসমূহতহে পোৱা যায়। আধুনিক আৰ্যভাষাৰ ভিতৰত উড়ীয়া, ৰাজস্থানী, গুজৰাটী, পাঞ্জাবী আৰু মাৰাঠী ভাষাত ণ (ṇ) আৰু ল (ḷ) উচ্চাৰণত বিশুদ্ধ উচ্চাৰণ ৰক্ষিত হৈছে। বাংলা ভাষাত মূৰ্ধণ্য ধ্বনি আছে যদিও বিশুদ্ধ নহয় বৰং অগ্ৰ- মূৰ্ধণ্য (preretroflex) অৰ্থাৎ মূৰ্ধ বা আগ তালুৰ পৰা অনেক তলত দন্তমূলৰ উপবিভাগৰ স্পৰ্শৰ দ্বাৰাহে উচ্চাৰিত হয়। অসমীয়াত ৰেফ্- যুক্ত হ'লে দন্তমূলীয় উচ্চাৰণ সামান্য মূৰ্ধণ্য হ'লেও মূৰ্ধণ্যধ্বনিৰ উচ্চাৰণ নাই। মূৰ্ধন্য আৰু দন্ত্য ধ্বনিৰ প্ৰকৃত উচ্চাৰণ অসমীয়াত লোপ হৈ দন্তমূলীয় ধ্বনিহে উচ্চাৰিত হয়। এনেকৈ মূৰ্ধণ্য আৰু দন্ত্যৰ উচ্চাৰণ পাৰ্থক্য লোপ হৈ দন্তমূলীয়া উচ্চাৰণ হোৱাটো অসমীয়া ভাষাৰ এক নিজস্ব বৈশিষ্ট্য। কাশ্মীৰী ভাষাতো মূৰ্ধণ্য উচ্চাৰণ নাই, দন্ত্য উচ্চাৰণহে আছে; অসমীয়াত কিন্তু দুই শ্ৰেণী ধ্বনি একাকাৰ হৈ নতুন এক দন্তমূলীয় শ্ৰেণীৰ আত্মপ্ৰকাশ ঘটিছে।

দুই স্বৰৰ মধ্যৱৰ্তী বা স্বৰান্ত মূৰ্ধণ্য ড আৰু ঢ ধ্বনি আধুনিক ভাষাসমূহত মূৰ্ধণ্য তাড়ন- জাত বা তাড়িত (retroflex flapped) আৰ ঢ় হিচাপে আত্মপ্ৰকাশ কৰিছে। হিন্দী, মাৰাঠী, বাংলা, উড়ীয়া সকলোতে একেই উচ্চাৰণ পোৱা যায়। অসমীয়াত বানানত ড়, ঢ় ব্যৱহাৰ আছে যদিও উচ্চাৰণত মূৰ্ধণ্য তাড়িত নহৈ দন্তমূলীয় ৰ, ৰ্হ এনে উচ্চাৰণ হয়। প্ৰথমটো দন্তমূলীয়া সঘোষ তাড়িত আৰু দ্বিতীয়টো তাৰে মহাপ্ৰাণিত ৰূপ বা দন্তমূলীয় তাড়িত মহাপ্ৰাণ ধ্বনি।

দন্ত্য স্পর্শ : জিভাৰ আগ সামান্য দাঙি ওপৰৰ পাৰি দাঁতৰ ভিতৰ ফালে তলভাগ স্পৰ্শ কৰি উচ্চাৰণ কৰা দন্ত্য ধ্বনিত, ছ, দ, ধ অসমীয়াৰ বাহিৰে আন সকলোবোৰ ভাষাতে সংস্কৃতৰ দৰেই উচ্চাৰণ কৰা হয়। অসমীয়াত দন্ত্য ধ্বনিৰ উচ্চাৰণ নাই; দন্ত্য আৰু মূৰ্ধণ্য মিলি দন্তমূলীয় উচ্চাৰণ হয়। লিখাত বা বানানত ত, থ, দ, ধ লিখা হয় যদিও এইবোৰ প্ৰকৃততে দন্তমূলীয় ধ্বনি; সুকীয়াকৈ আখৰ নথকাৰ বাবে ত, থ, দ, ধ -কে ব্যৱহাৰ কৰা হয়।

তালব্য স্পর্শ : সংস্কৃতৰ সমস্ত স্পৰ্শ আধুনিক আৰ্যভাষাসমূহত গুৰুতৰ ভাৱে পৰিবৰ্তন হৈ উচ্চাৰিত হৈছে। সংস্কৃতত এইবিলাক আছিল গৌণ স্পৰ্শ- ধ্বনি, অৰ্থাৎ মূল ইণ্ডো-ইউৰোপীয়াৰ পৰা পোনে পোনে অহা ধ্বনি নহয়, বৰং পৰোক্ষভাৱেহে উৎপন্ন হৈছিল। তথাপিতো সমস্ত আগজিভা লেখ খাই তালুৰ মাজত বা কঠিন তালুত (hard palate) স্পৰ্শৰ দ্বাৰা নিশ্চিত তালব্য স্পৰ্শ হিচাপে উচ্চাৰিত হৈছিল। প্ৰাকৃত স্তৰত এই তালব্য স্পৰ্শসমূহ ঘৃষ্ট (affricate) ৰূপেৰে (অৰ্থাৎ একপ্ৰকাৰ দ্বিব্যঞ্জনৰূপে, উচ্চাৰণত জিভা আৰু তালুৰ স্পৰ্শ ঘটাৰ পাছতে উভয়ৰ মাজত বায়ুপ্ৰবাহৰ ঘৰ্ষণ হৈ স্পৰ্শ আৰু উষ্মাৰ সংযোগেৰে ঘৰ্ষণজাত ধ্বনিৰূপে) আত্মপ্ৰকাশ কৰিছিল আৰু সিয়ে পৰৱৰ্তী আধুনিক ভাষাৰ স্তৰত তালব্য- ঘৃষ্ট (palatal affricate); উড়ীয়া, মৈথিলী, মগহীত দন্তমূলীয়- ঘৃষ্ট (alveolo- affricate); ৰাজস্থানী নেপালী, পূব- বংগীয় ভাষা, গুজৰাটী আৰু উড়ীয়াৰ আঞ্চলিক উচ্চাৰণত দন্ত্য- ঘৃষ্ট (dental affricate)। মাৰাঠীত দন্ত্য - ঘৃষ্ট আৰু তালব্য- ঘৃষ্ট দুই প্ৰকাৰেৰে উচ্চাৰিত হ'ল। বাংলাত এই কেইটাৰ উচ্চাৰণ তালব্য - ঘৃষ্ট বুলি কোৱা হয় যদিও প্ৰকৃততে উচ্চাৰণ - স্থান আগুৱাই আহি কঠিন তালুৰ সন্মুখ ভাগ আৰু দন্তমূলৰ উপৰি ভাগ হোৱাৰ কাৰণে দন্তমূলীয়া তালব্য ঘৃষ্ট (alveolo- palatal affricate) উচ্চাৰণ হয় বুলি ক'ব পাৰি। অসমীয়াত কিন্তু সম্পূৰ্ণ সুকীয়া হৈ আত্মপ্ৰকাশ কৰিলে। ঘৃষ্ট উচ্চাৰণ নহৈ সম্পূৰ্ণৰূপে উষ্ম (fricative) ৰূপে উচ্চাৰিত হয়। ই অসমীয়াৰ এক স্বকীয় বৈশিষ্ট্য বুলি ক'ব পাৰি। তদুপৰি মন কৰিবলগীয়া কথা হ'ল যে চ, ছ, আৰু জ, ঝ-ৰ উচ্চাৰণ পাৰ্থক্যও লোপ হৈ একে প্ৰকাৰেৰে অৰ্থাৎ 'চ' (s) আৰু 'জ' (z) ৰূপে উচ্চাৰণ হ'ল আৰু দুইটাৰে উচ্চাৰণ - স্থান দন্তমূল; গতিকে এই দুটা দন্তমূলীয়া- উষ্ম (alveolar- fricatives)।

প্ৰথমটো অঘোষ আৰু দ্বিতীয়টো সঘোষ। এনেদৰে দেখা যায় যি স্থলত সমস্ত ভাৰতীয় আৰ্য ভাষাতে সংস্কৃতৰ তালব্য - স্পৰ্শসমূহ ঘৃষ্ট ৰূপত অৰ্থাৎ স্পৰ্শ আৰু উষ্মাৰ সংযোগেৰে দ্বিব্যঞ্জন ধ্বনিৰূপে আত্মপ্ৰকাশ কৰিছিল সেই স্থলত অসমীয়াত এককৰ উষ্মত পৰিণত হৈ স্বাতন্ত্ৰ্যৰ সূচনা কৰিছে।

কণ্ঠ্য স্পৰ্শ ঃ পাছ জিভা দাং খাই পাছ তালু বা কোমল তালু (soft palate) স্পৰ্শৰ জৰিয়তে উচ্চাৰিত হোৱা সংস্কৃতৰ ক্, খ্, গ, ঘ্ এই কণ্ঠ্য বা পশ্চ - তালব্য (সংস্কৃতত 'কণ্ঠ্য' বুলি নামকৰণ কৰিছিল) ধ্বনিসমূহ, ধ্বনিগুণৰ তাৰতম্য হোৱা সত্ত্বেও সকলোবোৰ আৰ্য ভাষাতে উচ্চাৰিত হয়। অসমীয়াতো এই কেইটাৰ উচ্চাৰণ ৰক্ষিত হৈছে, মাত্ৰ 'খ'ৰ উচ্চাৰণ পৰিৱেশ ভেদে ঘৃষ্ট যেন হয়।

এইখিনিতে উল্লেখযোগ্য যে সংস্কৃতৰ স্পৰ্শ ব্যঞ্জন সমূহৰ মহাপ্ৰাণিত ধ্বনিসমূহ আধুনিক আৰ্যভাষাসমূহত কিছুমান তাৎপৰ্যপূৰ্ণ প্ৰয়োগ ঘটিছে। পাঞ্জাবী ভাষাত সংস্কৃতৰ ক-চ-ট-ত-প এই পাঁচোটা বৰ্গ ৰক্ষিত হোৱা পোৱা যায় যদিও ঘোষ মহাপ্ৰাণ ধ্বনিসমূহ পোৱা নাযায়। এনেদৰে কাশ্মীৰী ভাষাতো ঘোষ মহাপ্ৰাণ ঘ, ঝ, ভ, ধ, সম্পূৰ্ণ লুপ্ত (এই ভাষাত মূৰ্ধণ্য ধ্বনি নাই)। সিন্ধী ভাষাৰ ব্যঞ্জনৰ বৈচিত্ৰ হৈছে যে পাঁচোটা বৰ্গৰ উপৰিও কণ্ঠনলীয় এটি বৰ্গৰ অস্তিত্বও আছে। তদুপৰি দন্ত্যৰ বাহিৰে ব, ড, জ, গ এই এই ঘোষ স্পৰ্শ কেইটা অন্তঃ স্ফোট বা অৱৰুদ্ধ(ımplosive) অৰ্থাৎ বায়ু প্ৰবাহ মুখৰ ভিতৰলৈ টানি উচ্চাৰণ কৰা হয়। অসমীয়া ভাষাতো মহাপ্ৰাণৰ উচ্চাৰণৰ বৈচিত্ৰ আছে। অন্ত্য অৱস্থানত ইইতৰ উচ্চাৰণ শিথিল হৈ পৰে আৰু তত্ভৱ শব্দৰ মাজত দুটা মহাপ্ৰাণ ধ্বনিৰ প্ৰয়োগ প্ৰায় নাই বুলি ক'ব পাৰি। অন্ত্য অৱস্থানত ঔষ্ঠ্য ফ, ভ-ৰ উচ্চাৰণ উষ্ম হোৱাৰ উপৰিও পৰিবেশ ভেদে থ আৰু খ এই দুটা আঘোষ মহাপ্ৰাণৰ উচ্চাৰণো ঘৃষ্টজাতীয় হয়।

এনেদৰে দেখা যায় সংস্কৃতৰ ক-বৰ্গ আৰু প বৰ্গৰ ধ্বনি সমূহ মাত্ৰ বিশেষ পৰিবৰ্তন নোহোৱাকৈ অসমীয়াত উচ্চাৰণ হয়, যদিও ফ, ভ, থ, খ-ৰ অৱস্থান ভেদে ধ্বনিগুণৰ তাৰতম্য ঘটিছে। কিন্তু সংস্কৃতৰ মূৰ্ধণ্য আৰু দন্ত্যৰ উচ্চাৰণ পাৰ্থক্য লোপ হৈ একেজাতীয় দন্তমূলীয়া হিচাপে উচ্চাৰণ হোৱাতো ভাৰতীয় ভাষাৰ ভিতৰত এক উল্লেখযোগ্য বৈশিষ্ট্য, এনেদৰে চ- বৰ্গৰ ধ্বনিসমূহে

অন্যান্য ভাষাত হোৱাৰ দৰে ঘৃষ্ট গুণ হেকৱাহি উষ্ম হিচাপে উচ্চাৰণ হোৱাতোও অন্যতম এক প্ৰধাণ বৈশিষ্ট্য

নাসিক্য ব্যঞ্জন (Nasals)ঃ সংস্কৃতৰ ম, ন, ণ, ঞ, ঙ এই পাঁচোটা নাসিক্য ধ্বনি। ইহঁত ক্ৰমে ঔষ্ঠ্য, দন্ত্য, মূৰ্ধণ্য, তালব্য, কণ্ঠ্য বা পশ্চ- তালব্য অৰ্থাৎ সংস্কৃতৰ স্পৰ্শ ব্যঞ্জনৰ প্ৰতিটো ভাগৰে একোটা নাসিক্য ধ্বনি আছিল। প্ৰকৃততে এইকেইটা উক্ত ভাগবোৰৰ লগত সংযুক্ত অনুনাসিক ব্যঞ্জন। এইকেইটা উচ্চাৰণত বায়ু প্ৰবাহে মুখৰ ভিতৰৰ উচ্চাৰণ - স্থানত বাধা পাই ঘূৰি নাসিকা ৰন্ধ্ৰেৰে ওলাই যায়। নাকেৰে বায়ু ওলাই উচ্চাৰণ হয় কাৰণে ইহঁত নাসিক্য আৰু বায়ু প্ৰবাহ ওঁঠ বা গাঁত বা মূৰ্ধা বা তালু বা কণ্ঠ্য (বা পাছ তালুত) বাধা পাই কাৰণে ব্যঞ্জন।

মূল ইণ্ডো-ইউৰোপীয়ত কিছু দন্ত্য আৰু ঔষ্ঠ্য ন আৰু ম -ৰহে অস্তিত্ব আছিল ; ইয়াৰ বাহিৰে হ্ৰস্ব আৰু দীৰ্ঘ ন্, আৰু ম্. অৰ্ধ- ব্যঞ্জন আছিল যদিও এইবোৰে কোনো নাসিক্য ব্যঞ্জনৰ উৎপন্ন কৰা নাছিল, বৰং সংস্কৃতত অ-কাৰ আৰু আ-কাৰতহে পৰিবৰ্তন হৈছিল। সেইকাৰণে অনুমান কৰিব পাৰি যে ঙ, ঞ মূল ইণ্ডো ইউৰোপীয়ৰ দন্ত্য ন- ধ্বনিবেইহ অৱস্থানভেদ বা অন্তৰধ্বনি(allophone); এনে অন্তৰধ্বনিয়েইশেষত সমধৰ্মী স্পশৰ্ব লগত সংযুক্ত হয়। মূৰ্ধণ্য ণ-ধ্বনিনবাগত, মূৰ্ধণ্য স্পৰ্শৰ উৎপত্তিৰ লগে লগে তাৰ লগত সংযুক্ত অনুনাসিক, ব্যঞ্জন হিচাপে ব্যৱহাৰ হ'ল। নাসিক্য ধ্বনি সঘোষ-অঘোষ দুই প্ৰকাৰৰ হ'ব পাৰে যদিও ভাৰতীয় আৰ্যৰ সকলো ভাষাতে সঘোষ ৰূপত পোৱা যায়, অৱশ্যে পৰিবেশভেদে বা অৱস্থান অনুসৰি আঘোষ উচ্চাৰণো হয়।

ঔষ্ঠ্য নাসিক্য 'ম'-ৰ উচ্চাৰণ সঘোষ ৰূপত সকলো আধুনিক আৰ্য ভাষাতে ৰক্ষিত হৈছে। অসমীয়াতো একেধৰণেৰে উচ্চাৰিত হয়। মহাপ্ৰাণ 'ম্হ' (mh) ধ্বনি কোনো কোনো আধুনিক ভাষাত উচ্চাৰিত হয়, এনে মহাপ্ৰাণিত উচ্চাৰণ নতুন উৎপন্ন। হিন্দী, উড়ীয়া, মৈথিলী, মগহি, ভোজপুৰী, অৱধীত এনে উচ্চাৰণ লক্ষ্য কৰা যায়। অসমীয়াত মহাপ্ৰাণ 'ম্হ'-ৰ উচ্চাৰণ নাই।

দন্ত্য নাসিক্য 'ন'-ৰ উচ্চাৰণ প্ৰায়বোৰ ভাষাতে ৰক্ষিত যদিও অসমীয়া আৰু বাংলা ভাষাত ব্যতিক্ৰম ঘটিছে। অসমীয়াত যিহেতু দন্ত্য ধ্বনি উচ্চাৰিত নহয় সেয়েহে দন্ত্য ন বো উচ্চাৰণ নাই ; দন্তমূলীয়ন

হে উচ্চাৰিত হয়। বাংলাৰ ন- ৰ উচ্চাৰণৰ বৈশিষ্ট্য এয়ে যে বাংলাত দন্ত্য আৰু মূৰ্ধণ্য দুইবিধ ধবনি থকা সত্ত্বেও 'ন' উচ্চাৰিত হয় দন্তমূলীয়া হিচাপেহে । ই বাংলাৰ একপ্ৰকাৰ বৈশিষ্ট্য । 'ম'-ৰ দৰে 'ন'-ৰো মহাপ্ৰাণ উচ্চাৰণ কোনো কোনো ভাষাত আছে আৰু এনে সঘোষ মহাপ্ৰাণ 'নহ্' (nh) আধুনিক আৰ্যভাষাত নব্য আবিৰ্ভূত ধবনি । মৈথিলী, মগহী, ভোজপুৰী, আৱধীৰ উপৰিও হিন্দী, উড়ীয়াতো এই ধবনিউচ্চাৰিত হয় । মান্য অসমীয়াত এনে 'নহ্' মহাপ্ৰাণৰ উচ্চাৰণ নাই যদিও কামৰূপী উপভাষাত ইয়াৰ বহুল উচ্চাৰণ লক্ষ্য কৰা যায়।

মূধণ্য নাসিক্য ণ-ৰ উচ্চা ৰণ হিন্দী, পাঞ্জাবী, ৰাজস্থানী, মাৰাঠী, গুজৰাটী, উড়ীয়া আদি ভালেকেইটা ভাষাত পোৱা যায়। অসমীয়াত মূধৰ্ণ্য ধবনি উচ্চাৰিত নহয় কাৰণে মূধৰ্ণ্য ণ-ৰো উচ্চাৰণ নাই; অৱশ্যে তৎসম শব্দত সংযুক্ত ৰ- ধবনিৰ পৰৱৰ্তী স্থানৰ ণ মূধৰ্ণ্য হিচাপে উচ্চাৰিত হয়, কিন্তু ই ধবনিমানক বা বৰ্ণগত নহয় । অসমীয়াৰ বানানবিধিত ণ- ৰ ব্যৱহাৰ থাকিলেও উচ্চাৰণ দন্তমূলীয়হে।

তালব্য নাসিক্য ঞ -ৰ উচ্চাৰণ আধুনিক কোনো ভাষাতে ৰক্ষিত হোৱা নাই; প্ৰায় সকলো ভাষাতে য়ঁ-ৰ দৰে হয়। অসমীয়াতো এনে। ইয়াৰ প্ৰকৃত উচ্চাৰণ ফৰাছী, ইটালীয়, হাংগেৰীয় আদি ভাষাবোৰতহে পোৱা যায় আৰু উচ্চাৰণ ফৰাছী 'gn' ৰ দৰে। ভাৰতীয় আৰ্যভাষাত সমধৰ্মী বা সবৰ্গীয় স্পৰ্শ ধবনিৰ লগত অৰ্থাৎ তালব্য স্পৰ্শৰ লগত যুক্ত অনুনাসিক ঞ হয়।

কণ্ঠ্য বা পশ্চ- তালব্য 'ঙ' ধবনিৰ উচ্চাৰণ ইংৰাজী 'sing' শব্দৰ 'ng'(ŋ) -ৰ দৰে । এই ধবনিৰ বৈশিষ্ট্য এয়ে যে আধুনিক আৰ্য ভাষাত শব্দৰ আদিত ব্যৱহাৰ নহয় বা ইয়াৰ উচ্চাৰণ নাই। সংস্কৃতত অৱশ্যে আদ্য স্থানতো ব্যৱহাৰ হোৱাৰ নিদৰ্শণ পোৱা যায়। সংস্কৃতত 'ঙ' সঘোষ আছিল যদিও আধুনিক ভাষাবোৰত পৰিবেশভেদে সঘোষ আৰু অঘোষ দুই প্ৰকাৰে উচ্চাৰণ হ'ব পাৰে। সকলোবোৰ আধুনিক আৰ্য ভাষাত ইয়াৰ বৰ্ণগত মৰ্যাদা নাই, কেৱল পূৰ্বাঞ্চলীয় ভাষাসমূহত, যেনে- অসমীয়া, বাংলা, মৈথিলী, মগহী, ভোজপুৰীত আৰু পশ্চিমাঞ্চলৰ একমাত্ৰ সিন্ধী ভাষাত ইয়াক বৰ্ণগত হিচাপে পোৱা যায়। উড়ীয়াৰ লিপিমালাও 'ঙ' থাকিলেও কাচিৎহে বৰ্ণগত। মৈথিলী আৰু ভোজপুৰীত ইয়াৰ মহাপ্ৰাণিত ৰূপ 'ঙ্হ' (ŋh) পোৱা যায়; 'ম্হ' আৰু 'ন্হ'-ৰ দৰে ইও নব্য আবিৰ্ভূত ধবনি।

এনেদৰে দেখা যায় সংস্কৃতৰ নাসিক্য ব্যঞ্জনৰ উচ্চাৰণৰ ক্ষেত্ৰত বাংলা- অসমীয়াৰ যথেষ্ট সাদৃশ্য আছে। অসমীয়াত সংস্কৃতৰ পাঁচোটা নাসিক্য ব্যঞ্জনৰ ভিতৰত ঔষ্ঠ্য 'ম' আৰু কণ্ঠ্য বা পশ্চ- তালব্য 'ঙ'-ৰ উচ্চাৰণ ৰক্ষিত হৈছে ; দন্ত্য - মূৰ্ধন্যৰ নাসিক্য ব্যঞ্জন দন্তমূলীয় ন উচ্চাৰণ হৈছে। বাংলাত দন্ত্য আৰু মূৰ্ধন্য ব্যঞ্জনৰ পাৰ্থক্য থকা সত্ত্বেও ন আৰু ণ- ৰ উচ্চাৰণ অসমীয়াৰ দৰে দন্তমূলীয় হৈছে, অৰ্থাৎ অসমীয়াৰ দৰেই বাংলাতো নাসিক্য ব্যঞ্জনৰ উচ্চাৰণ মাত্ৰ তিনিটা ঃ ম, ন্, ঙ । উড়ীয়াৰ বৈশিষ্ট্য এয়ে যে পূৰ্বাঞ্চলৰ কোনো ভাষাতে ৰক্ষিত নোহোৱা মূৰ্ধণ্য ণ (n) ৰ উচ্চাৰণ ৰক্ষিত হৈছে, লগতে দন্ত্য ন- ৰো উচ্চাৰণ আছে। 'ঙ'-ৰ উচ্চাৰণ বাংলা- অসমীয়াৰ দৰে বৰ্ণগত নহয়, বিশেষ পৰিবেশত কাচিৎহে বৰ্ণগত ।

অন্তঃস্থ ধ্বনি ঃ য়, ৰ, ল, ৱ ঃ

সংস্কৃতত য়, ৰ, ল, ৱ এই চাৰিটা ধ্বনিক 'অন্তঃস্থ' অৰ্থাৎ স্বৰ আৰু ব্যঞ্জনৰ মধ্যৱৰ্তী ধ্বনিবা- 'অৰ্ধ- স্বৰ ' আখ্যা দিয়া হৈছে। কিন্তু ঐতিহাসিকভাৱে য়, ৱ-কহে প্ৰকৃত অৰ্ধ- স্বৰ বুলি গণ্য কৰিব পাৰি ; আন দুটাক তৰল স্বৰ(liquid) বুলি ক'ব পাৰি। মূল ইণ্ডো-ইউৰোপীয়তো আৰু অৰ্ধ-স্বৰৰ অস্তিত্বৰ কথা সিদ্ধান্ত কৰা হৈছে। য় বা ৱ- ৰ উচ্চাৰণত বায়ু - প্ৰবাহ স্পৰ্শ ব্যঞ্জনৰ দৰে সম্পূৰ্ণ ৰোধ নহয় আৰু স্বৰৰ উচ্চাৰণৰ দৰে বায়ু- প্ৰবাহ ওলাই যোৱাৰ পথ মুক্ত হৈও নাথাকে। স্বৰ আৰু ব্যঞ্জনৰ মধ্যৱৰ্তী অৱস্থানতে উচ্চাৰিত হয় কাৰণে ইহঁত 'অন্তঃ স্থ' ধ্বনি(intermediate sounds) অথবা অৰ্ধ- স্বৰ ধ্বনি(semi- vowels)। সংস্কৃতত 'য়'-ৰ উচ্চাৰণ ইংৰাজী yarn, yard, yak, আদি শব্দৰ 'y' -ৰ (j) উচ্চাৰণ দৰে ; উচ্চাৰণৰ স্থান আছিল তালব্য ('ই-চু--য- শানাং তালু') । কিন্তু প্ৰায় সকলোবোৰ আধুনিক আৰ্য ভাষাত ই আদ্য অৱস্থানত চ- বৰ্গৰ ঘোষ 'জ' ধ্বনিৰ দৰে উচ্চাৰিত হয় আৰু আন্তঃ স্বৰ অৱস্থানত বা মধ্যৱৰ্তী অৱস্থানতহে অৰ্ধ-স্বৰ ৰূপে উচ্চাৰিত হয়। সেয়েহে চ- বৰ্গৰ ঘোষ 'জ' উচ্চাৰণ বৈশিষ্ট্যৰেই বিভিন্ন ধ্বনিগুণেৰে আত্মপ্ৰকাশ কৰিছে শব্দৰ আদি স্থানত । হিন্দী, অৱধী, ভোজপুৰীত হৈছে ঘোষ তালব্য-ঘৃষ্ট ; উড়ীয়া, মৈথিলী, মগহীত দন্তমূলীয়- ঘৃষ্ট, বাংলাত দন্তমূলীয়া - ঘৃষ্ট (বা মতান্তৰত তালব্য- ঘৃষ্ট) আৰু অসমীয়াত হৈছে ঘোষ দন্তমূলীয়া উষ্ম। কিন্তু স্বৰমধ্যগত 'য়' হিচাপে উচ্চাৰিত হয় যদিও

প্ৰকৃততে শ্ৰুতিধ্বনি(glide) হিচাপে পোৱা যায় বাংলা আৰু অসমীয়া উভয়তে। বিৰোধী হয় ব্যঞ্জনৰ লগত নহয়, স্বৰৰ লগতহে, অৰ্থাৎ ই, এ, এ-ৰ পৰাহি অৰ্ধস্বৰ 'য়' ধ্বনি পোৱা যায় বিৰোধী ঘটে ই, এ, এ-ৰ সৈতে। সংস্কৃতৰ দৰে অসমীয়াতো 'য়' তালব্যধ্বনি। মন কৰিব লগা কথা হ'ল যে অসমীয়াত 'য়'-ই একমাত্ৰ তালব্য ধ্বনি।

সংস্কৃতত 'ৱ'-ৰ উচ্চাৰণ আছিল (ওয়); ইংৰাজী word, work, worm, worry আদি শব্দৰ 'w' ধ্বনিৰ নিচিনা। আধুনিক ভাষাসমূহত বেচি ভাগতে 'ৱ' ধ্বনিআছে যদিও দুই প্ৰকাৰৰ উচ্চাৰণ বৈশিষ্ট্য পৰিলক্ষিত হয় ঃ সঘোষ ঔষ্ঠ্য উষ্ম 'ভ'(B) অথবা ঔষ্ঠ্য স্পৰ্শ 'ব' (b); আনহাতে স্বৰধ্বনিৰপৰা উৎপন্ন শ্ৰুতি ধ্বনিহেও দেখা দিছে।

সংস্কৃতত অন্তঃস্থ 'ৱ'-ৰ উচ্চাৰণ আছিল দন্তৌষ্ঠ্য; (danti-labial)। সেইকাৰণে বৰ্ণনা কৰা হৈছিলঃ 'ৱকাৰস্য দন্তৌষ্ঠ্যম্' , বিশেষকৈ শব্দৰ আদিত এনে উচ্চাৰণ স্পষ্ট আছিল , উচ্চাৰণত সঘোষ আৰু অঘোষ দুটা এনে দন্তৌষ্ঠ্য গুণ ৰক্ষিত আছে, উচ্চাৰণত সঘোষ আৰু অঘোষ দুটা ৰূপ পোৱা যায়, ধ্বনি লিপিত এই দুটাক যথাক্ৰমে / v/ আৰু /f/এনেদৰে দেখুৱাব পাৰি।

হিন্দী, সিন্ধী, গুজৰাটীত 'ৱ' একক অৱস্থানত বা শব্দৰ আদিত সঘোষ ঔষ্ঠ্য উষ্ম 'ভ' [β] (bilabial- fricative) হিচাপে আৰু ব্যঞ্জন সন্নিহিত অৱস্থানত 'ওয়'(w)হিচাপে উচ্চাৰিত হয়। কিন্তু কোশলী, অৱধী- ভোজপুৰী মৈথিলী, মগহী, বাংলা, উড়ীয়াত ঔষ্ঠ্য 'ব' ৰূপে উচ্চাৰিত হয় , অৰ্থাৎ উড়ীয়া- বাংলাত 'ৱ'-ৰ উচ্চাৰণ নাই, যি উচ্চাৰিত হয় সি ঔষ্ঠ্য প- বৰ্গীয়- 'ব'-ৰ দৰে , কিন্তু হিন্দী, গুজৰাটী আদিত 'ৱ' আৰু 'ব'-ৰ মাজত পাৰ্থক্য বিদ্যমান। অসমীয়া লিখন- ৰীতিত 'ৱ' আৰু 'ব' ব্যৱহাৰ আছে আৰু 'ৱ' উচ্চাৰিত হয় শ্ৰুতি হিচাপে ; পশ্চ- উ,ও, অ'ৰ পাছত 'ৱ' উচ্চাৰিত হয়, অৰ্থাৎ উ, ও, অ'ৰ পৰা 'ৱ' অন্তঃস্থ পোৱা যায় ; ইহঁতৰ লগতহে বিৰোধী ঘটে, কোনো ব্যঞ্জনৰ লগত নহয়। এই 'ৱ' উচ্চাৰিত হয় ওষ্ঠ্য সঘোষ ৰূপে। শব্দৰ আদিতে উচ্চাৰিত নহয়, হলেও 'ওঅ' হয়। এনেদৰে বাংলা - উড়ীয়াৰ দৰে স্পৰ্শ 'ব'-ৰ দৰে উচ্চাৰিত নহৈ 'ৱ' আৰু 'ব' - ৰ পাৰ্থক্য অসমীয়াত ৰক্ষিত হৈছে আৰু এনে পাৰ্থক্যই পূৰ্বাঞ্চলৰ আধুনিক আৰ্য ভাষাৰ ভিতৰত অসমীয়াৰ স্বাতন্ত্ৰ্য সূচনা কৰিছে।

সংস্কৃতৰ অন্তঃ স্থ বৰ্ণৰ অন্তৰ্গত 'ৰ' আৰু 'ল' ধ্বনিআছিল যথাক্ৰমে মূৰ্ধণ্য আৰু দন্ত্য ; 'ৰ'- ৰ উচ্চাৰণ- স্থাণ আছিল ট- বৰ্গীয় ধ্বনিৰদৰে আগতালু বা মূৰ্ধা আৰু সেইকাৰণে মূৰ্ধণ্য ধ্বনিৰ অন্তৰ্গত আছিল (ঋ-টু-ৰ- ষাণাং মূৰ্ধা) । 'ল' ধ্বনিৰ উচ্চাৰণ স্থান আছিল ত- বৰ্গীয় ধ্বনিৰ দৰে দন্ত আৰু সেই কাৰণে দন্ত্যধ্বনিৰ অন্তৰ্গত আছিল ('ঌ-তু-ল- সানং দন্তাঃ') । আধুনিক আৰ্য ভাষা বোৰত এই দুটা অন্তঃস্থ বুলি স্বীকৃত নহয়, বৰং কম্পিত (বা লুঠিত অথবা তাড়িত) আৰু পাৰ্শ্বিক ব্যঞ্জন।

সংস্কৃতত 'ৰ'- ধ্বনিৰউচ্চাৰণত জিভাত আগ কম্পিত হৈ উচ্চাৰণ হৈছিল কাৰণে ই আছিল উচ্চাৰণৰ ধৰণৰ ফালৰ পৰা কম্পিত (trilled) জিভাৰ আগ কম্পিত হৈ তাৰ দ্বাৰা উচ্চাৰণ- স্থানত একাধিকবাৰ দ্ৰুত আঘাতৰ(Tap) ফলত 'ৰ'-ৰ উৎপন্ন হৈছিল। আধুনিক ভাষাবোৰত কম্পন জাত বা কম্পিত 'ৰ' উচ্চাৰিত হ'লেও বেছিভাগতে ইয়াৰ উচ্চাৰণত উচ্চাৰণ- স্থানত আঘাতৰ মাত্ৰা হ্ৰাস হৈছে। এবাৰ মাত্ৰ আঘাত কৰি লগে লগে জিভাৰ আগ তললৈ আহি সমান হৈ ৰৈ যায়, সেয়েহে তাড়িত (flapped) ধ্বনিহে উঠিছে। প্ৰায় সকলো আধুনিক আৰ্যভাষাণো 'ৰ'- ৰ উচ্চাৰণ তাড়িত- দন্তমূলীয়া যদিও তাড়িত মূৰ্ধণ্য উচ্চাৰণো পোৱা যায়। হিন্দী, মাৰাঠী বাংলা, উড়ীয়া আদিত স্বৰমধ্যগত বা অন্ত্য স্থানত এনে তাড়িত মূৰ্ধণ্য ড় পোৱা যায়। বাংলাত 'ৰ'-ৰ সাধাৰণ উচ্চাৰণ দন্তমূলীয় কম্পিত (alveolar trilled); অসমীয়াতো এনে দন্তমূলীয়া কম্পিত । অৱশ্যে এই ক্ষেত্ৰত অসমীয়াত বৈশিষ্ট্য আছে। অৱস্থান আৰু পৰিবেশ ভেদে 'ৰ' ধ্বনিৰ উচ্চাৰণ দন্তমূলীয় লুঠিতোষ্ম(alveolar rolled fricative) মূৰ্ধণ্য লুঠিতোষ্ম(retroflex rolled fricative) দন্তমূলীয় তাড়িত (alveolar flapped) হয়। মূৰ্ধণ্য ধ্বনিৰউচ্চাৰণ অসমীয়াত নথকা সত্বেও ৰেফ্ সংযুক্ত ব্যঞ্জনত আৰু পদান্তত জিহ্বাগ্ৰ দন্তমূলৰ পৰা মূৰ্ধাৰ ওচৰ চাপি মূৰ্ধণ উচ্চাৰণ হয় আৰু এনে উচ্চাৰণ অসমীয়া ধ্বনি- সংস্থানৰ দিশৰ পৰা তাৎপৰ্যপূৰ্ণ । বাংলা- উড়ীয়াত 'ঢ়' ধ্বনিমানক বা বিশিষ্টধ্বনি৷ অসমীয়াত বানানত 'ড়'- ৰ ব্যৱহাৰ আছে যদিও উচ্চাৰণত সি দন্তমূলীয়- তাড়িত 'ৰ' হে। বাংলা- উড়ীয়াত মূৰ্ধণ্য- তাড়িত । 'ঢ' ইয়াৰে মহাপ্ৰাণিত ৰূপ ; উচ্চাৰণ হয়, 'ৰহ' ৰূপে । বিহাৰী ভাষা কেইটা আৰ বাংলা উড়ীয়াত এনে 'ৰহ' উচ্চাৰিত হয় আৰু উচ্চাৰণ তাড়িত মূৰ্ধণ্য মহাপ্ৰাণ(rh) । উড়ীয়াত ইয়াৰ

উচ্চাৰণে অৰ্থ পাৰ্থক্য কৰিব পাৰে, অৰ্থাৎ স্বতন্ত্ৰধ্বনিমৃ। বাংলাতো বৰ্তমান কোনো কোনোৱে 'ঢ়'(rh) ক স্বতন্ত্ৰ ধ্বনিম বা বিশিষ্ট ধ্বনি বুলি গ্ৰহণ কৰিবলৈ হিচাবে। অসমীয়াত কিন্তু ই দন্তমূলীয়া তাড়িত 'ৰ' ধ্বনিৰে মহাপ্ৰাণ ৰূপ, প্ৰধানকৈ উচ্চাৰিত হয় মধ্যৱৰ্তী বা অন্ত্য অৱস্থানত।

সংস্কৃতত দন্ত্যধ্বনিবুলি বৰ্ণনা কৰা 'ল' ধ্বনিউচ্চাৰণৰ ধৰণৰ ফালৰ পৰা পাৰ্শ্বিক (lateral) কাৰণ ইয়াৰ উচ্চাৰণত জিহ্বাগ্ৰই দাঁত স্পৰ্শ কৰাৰ লগে লগে জিভাখন দীঘল হৈ গোটা চানেকীয়া হোৱাৰ ফলত বায়ু- প্ৰবাহ জিভাৰ দু কাষেদি ওলাই যায়, বায়ু- প্ৰবাহ এনেদৰে দুই কাষেদি ওলাই যায় কাৰণে ই পাৰ্শ্ব বা পাশ্বিক ধ্বনি ।আধুনিতক ভাষাসমূহত ইয়াৰ উচ্চাৰণ স্থান দন্ত, দন্তমূলীয় আৰু মূৰ্ধা বা আগতালু এনেদৰে পোৱা যায় । অসমীয়াত 'ল'ৰ উচ্চাৰণ, দন্তমূলীয়া পাৰ্শ্বিক আৰু সংস্কৃতৰ দৰে সকলো অৱস্থানতে 'স্পষ্ট ল(clear[1])। বাংলাতো ইয়াৰ উচ্চাৰণ অসমীয়াৰ দৰে, অৰ্থাৎ দন্তমূলীয় পাৰ্শ্বিকধ্বনি। আধুনিক ভাৰতীয় আৰ্য ভাষা কেইটামানত প্ৰাচীন বৈদিকৰ দৰে মূৰ্ধণ্য ল (ḷ) ধ্বনিৰঅৱস্থিতি আছে। পাঞ্জাবী, মাৰাঠী, গুজৰাটী, ৰাজস্থানী আৰু উড়ীয়াত এনে ধ্বনি উচ্চাৰিত হয়, অৰ্থাৎ এই ভাষা কেইটাত দন্ত্য ল আৰু মূৰ্ধণ্য ল, দুই প্ৰকাৰৰ ল- ধ্বনি পোৱা যায়। দন্ত্যধ্বনিৰ পূৰ্বৱৰ্তী ল হয় দন্ত্য আৰু মূৰ্ধণ্য ধ্বনিৰ পূৰ্বৱৰ্তী ল্ মূৰ্ধণ্য হয়। অসমীয়াত এনে মূৰ্ধণ্য ল- ৰ উচ্চাৰণ নাই, ৰেফ্ সংযুক্ত ল-ৰ উচ্চাৰণত জিভাত আগ দন্তমূলৰ ওপৰলৈ উঠি মধাৰ ওচৰ চাপি মূৰ্ধণ্য যেন হ'লেও প্ৰকৃততে সি পৰিবেশ প্ৰভাৱিত্ উচ্চাৰণগত বৈচিত্ৰ মাথোন । ল্-ৰ উচ্চাৰণত আধুনিক আৰ্য ভাষা কেইটামানৰ অন্য এক বৈশিষ্ট্য হৈছে, 'লহ' হিচাপে নতুন এক মহাপ্ৰাণযুক্তধ্বনিৰ আৱিৰ্ভাৱ ?মৈথিলী, মগহী, ভোজপুৰী , অৱধী, উড়ীয়াত এনে উচ্চাৰণ আছে, অৱশ্যে বৰ্ণগত নহয় ।

উষ্ম ধ্বনি : শ ষ, স, হ :

সংস্কৃতত শ, ষ , স, হ এই কেইটাক উষ্মধ্বনি বোলা হৈছিল ('শ, ষ , স, হাঃ উষ্মাণঃ') । ঘৰ্ষণজাত শ্বাসবায়ুৰ পৰা এই কেইটা ধ্বনিউৎপত্তি হয় কাৰণে ইহঁতক কোৱা হয় 'উষ্ম ' (fricative) ।

'শ'-ৰ উচ্চাৰণত আগজিভা দাং খাই তালুৰ ওচৰত, 'ষ'-ৰ উচ্চাৰণত জিভাৰ আগ দাং খাই আগতালু বা মূৰ্ধাৰ ওচৰত আৰু 'স'

ধ্বনিৰ উচ্চাৰণত জিভাৰ আগ ওপৰ পাৰি দাঁতৰ ওচৰত ৰৈ বায়ু ওলোৱাৰ পথ ঠেক কৰাৰ ফলত বায়ু ঘহঁনি খাই উত্তপ্ত হৈ ওলাই যায় আৰু সেই কাৰণে এই তিনিটা আছিল যথাক্ৰমে তালব্য-উষ্ম, মূৰ্ধণ্য উষ্ম আৰু দন্ত্য - উষ্ম। উচ্চাৰণত স্বৰতন্ত্ৰীত কোনো কম্পন নাছিল কাৰণে তিনিওটা ধ্বনিয়েই আছিল অঘোষ। ঘৰ্ষণজাত কাৰণে আৰু শ্বাস ধৰি ৰাখিব পৰা পৰ্যন্ত পলম্বিত কৰিব প্ৰৱাৰ গুণৰ কাৰণে এই কেইটাৰ উচ্চাৰণৰ চী- চিয়নি জাতীয় অথবা সুহুৰি মৰাৰ নিচিনা এক প্ৰকাৰ হিছ্‌ধ্বনিৰ (hissing sound) সাদৃশ্য অনুভূত হয়, এনে কাৰণতে শ, ষ, স এই ধ্বনিত্ৰয়ক 'হিছ্‌ধ্বনি' বা 'শিশ্‌ধ্বনি' (Sibilant) বোলা হয়। সংস্কৃতত এই ধ্বনিত্ৰয়ৰ প্ৰয়োগ অৰ্থ পাৰ্থক্য ঘটিছিল কাৰণে প্ৰত্যেকটোৱেই আছিল স্বতন্ত্ৰ ধ্বনিম্‌।

শ্বাসনলীত অৱস্থিত স্বৰতন্ত্ৰী দুখনৰ মুকলি পথটোৰে বায়ু জোৰেৰে ওলাই আহোঁতে স্বৰতন্ত্ৰীত ঘৰ্ষণ হৈ 'হ' উষ্মধ্বনিৰ উৎপন্ন হয়। শ্বাসনলীৰ স্বৰতন্ত্ৰীত ঘৰ্ষণ হৈ কম্পণৰ ফলত উৎপন্ন হয় কাৰণে 'হ' ধ্বনি সঘোষ । অৱশ্যে অঘোষ 'হ' ও উৎপন্ন হয়, স্বৰতন্ত্ৰীত কম্পন নহৈ কেৱল ঘৰ্ষণ হৈ উৎপন্ন হোৱা 'হ' ধ্বনিআঘাষ। বিসৰ্গ (ঃ) এই অঘোষ 'হ' ধ্বনি। শ্বাসনলীতে উৎপন্ন কাৰণে এই ধ্বনিক কণ্ঠনলীয় উষ্ম ধ্বনি (glottal fricative) বুলিও কোৱা হয়। সংস্কৃতত 'হ' আৰু বিসৰ্গ উভয়কে কণ্ঠ্য বুলিয়ে বৰ্ণনা কৰিছে ঃ 'অকুহ-বিসৰ্জনীয়ানাং কণ্ঠঃ', অ, আ, ক, খ, গ, ঘ ,ঙ, হ, আৰু বিসৰ্জনীয় অৰ্থাৎ বিসৰ্গ কণ্ঠৰ পৰা উচ্চাৰিত হয়।

আধুনিক আৰ্য ভাষা সমূহক শ, ষ, স এইধ্বনিৰ ভিতৰত মূৰ্ধণ্য 'ষ'ৰ উচ্চাৰণ প্ৰায় লোপ হৈছে, 'খ' হিচাপে পৰিণত হোৱা পৰিলক্ষিত হয়। আন দুটাৰ পাৰ্থক্য ৰক্ষিত হৈছে যদিও উচ্চাৰণ-স্থান আৰু ধ্বনি গুণৰ তাৰতম্য ঘটিছে। শ আৰু 'স'-ৰ উচ্চাৰণ ৰক্ষিত হৈছে হিন্দী, গুজৰাটী, সিন্ধী, পাঞ্জাবী, মাৰাঠী আৰু মৈথিলী ভাষাত। অৱশ্যে 'শ'-ৰ উচ্চাৰণ বিশুদ্ধ তালব্য-উষ্ম /ç/ নহৈ তালুত বেছিকৈ, দন্তমূলৰ ওপৰত সামন্যভাবে ঘঁহনি খাই বায়ু প্ৰবাহ ওলাই আহি উচ্চাৰিত হয় । সেই কাৰণে 'শ'-ৰ উচ্চাৰণ-তালু-দন্তমূলীয় বা দন্তমূলীয়- তালব্য উষ্ম (alveo-palatal) হয়, ধ্বনিলিপিত ইয়াক (ʃ) এনেদৰে চিহ্নিত কৰিব পাৰি। আনহাতে উড়ীয়া, ৰাজস্থানী, কোশলী, ভোজপুৰী ভাষা পাৰ্থক্য বিলোপ হৈ দন্তমূলীয় স্‌ (s)

হিচাপে উচ্চাৰিত হয়, বাংলাত আকৌ এই তিনিটা ঠাইত একমাত্র এটা অর্থাৎ 'শ' (ʃ) উচ্চাৰিত হয়। এইধ্বনিকতালব্য - উষ্ম বুলিয়েই গণ্য কৰা হয় যদিও হিন্দী আদি ভাষাৰ 'শ'- ৰ উচ্চাৰণৰ দৰে তালু- দন্তমূলীয়া বা দন্তমূলীয়া- তালব্য উষ্ম। বাংলাত মূর্ধণ্যধ্বনি থকা সত্ত্বেও মূৰ্ধণ্য 'ষ'-ৰ উচ্চাৰণ নাই; দন্ত্য 'স'-ৰ উচ্চাৰণ কোনো কোনো ধ্বনি-পৰিবেশত উচ্চাৰিত হ'লেও সি মূল 'শ'- ৰেই উচ্চাৰণ বৈচিত্র বা পৰিবেশ প্ৰভাৱিত উচ্চাৰণগত বৈচিত্র।

অসমীয়াৰ কথা এই ক্ষেত্ৰত একেবাৰে সুকীয়া। সংস্কৃতৰ তিনিউটা উষ্মধ্বনিৰউচ্চাৰণ বৈচিত্র লোপ হৈ তাৰ ঠাইত সুকীয়া এক উষ্মধ্বনিৰআবিৰ্ভাৱ ঘটিছে ঃ আঘোষ পশ্চ- তালব্য উষ্ম- 'স' যাৰ ধ্বনিলিপি(x)। সমস্ত আধুনিক ভাৰতীয় আৰ্যভাষাৰ ভিতৰত অসমীয়া ভাষাৰ ই এক স্বতন্ত্র বৈশিষ্ট্য। উষ্মধ্বনিৰবৈচিত্র থকা পাঞ্জাবী আৰু সিন্ধী ভাষাত এনে উষ্মধ্বনিৰউচ্চাৰণ লক্ষ্য কৰা যায় যদিও সি পৰিবেশ প্ৰভাৱিত অন্তৰ ধ্বনি বা উপধ্বনি ৰূপতহে পোৱা যায়, অসমীয়াৰ দৰে স্বতন্ত্র ধ্বনিম্ বা বিশিষ্ট ধ্বনি নহয়। অসমীয়াত এই ধ্বনি সংস্কৃতৰ শ, ষ, স,-ৰ ঠাইত সকলো শব্দৰ আদি অৱস্থানত উচ্চাৰিত হয়, কেৱল তদ্ভৱ শব্দৰ মধ্য আৰু অন্ত্য অৱস্থানত উচ্চাৰিত নহয়। তদুপৰি 'ষ'- যুক্ত সংস্কৃত শব্দ স-ৰ বিকল্পে কেতিয়াবা 'খ' উচ্চাৰিত হয়। গতিকে দেখা যায় সংস্কৃতৰ উষ্ম শ, ষ, স,- ৰ উচ্চাৰণ অসমীয়াত ভিন্ন ৰূপত আত্মপ্ৰকাশ কৰিছে আৰু ইয়ে অসমীয়া ভাষাৰধ্বনি- সংস্থানত এক অভিনবত্বও প্ৰদান কৰিছে।

সংস্কৃতৰ সঘোষ কন্ঠ- উষ্ম- 'হ' ধ্বনি একমাত্র পাঞ্জাবীত কিছু ব্যতিক্ৰম ঘটাৰ বাহিৰে আন আৰ্যভাষা সমূহত ৰক্ষিত হৈছে। পাঞ্জাবী ভাষাত সঘোষ মহাপ্ৰাণধ্বনিউচ্চাৰিত হয়। আন ভাৰতীয় ভাষাৰ দৰে অসমীয়াতো 'হ' ধ্বনি সঘোষ- উষ্ম হিচাপে উচ্চাৰিত হয়, অৱশ্যে বিসৰ্গযুক্ত সংস্কৃত শব্দ কিছুমানত, যিবোৰত বিসৰ্গৰ পাছত খ অথবা উষ্ম শ, ষ, স, থাকে, তেনেবোৰত অঘোষ 'হ' উচ্চাৰণ হয় আৰু এনে উচ্চাৰণ অঘোষ পশ্চ- তালব্য উষ্ম স যেন হয়।

অযোগবাহ বৰ্ণ ঃ অনুস্বাৰ (ং) আৰু বিসৰ্গ (ঃ)

সংস্কৃতৰ দুই অযোগবাহ বৰ্ণ অনুস্বাৰ (ং) আৰু বিসৰ্গৰ (ঃ) প্ৰকৃত উচ্চাৰণ আৰু প্ৰয়োগ সংস্কৃত অনুৰূপে কোনো আধুনিক ভাৰতীয় ভাষাত ৰক্ষিত হোৱা নাই। সংস্কৃতত অনুস্বাৰ স্বৰধ্বনিৰ পাছতেই বহি

স্বৰধ্বনিকআংশিক ভাৱে অনুনাসিক কৰিছিল। ওঁঠ স্পর্শ নহলেও ইয়াৰ উচ্চাৰণ 'ম'-ৰ অনুৰূপ আছিল বুলি অনুমান কৰা হৈছে। কিন্তু সংস্কৃতৰ উচ্চাৰণ আধুনিক ভাষাবোৰত পোৱা নাযায়। হিন্দী, পাঞ্জাবী, ৰাজস্থানী কোশলী, ভোজপুৰী, মৈথিলী, মগহীত ইয়াৰ উচ্চাৰণ হৈছে, -ন-, গুজৰাটী আৰু মাৰাঠীত হৈছে অনুনাসিক - ৱঁ - । অসমীয়া - বাংলা- উড়ীয়াত মূল উচ্চাৰণ লোপ হৈ হৈছে -ঙ-। তিনিউটা ভাষাত, 'ঙ' আৰু 'ং' অভিন্ন, এটাৰ ঠাইত আনটো ব্যৱহাৰ হলেও অৰ্থৰ কোনো সালসলনি নহয়। অসমীয়াত তদ্ভৱ ৰূপৰ শব্দত অনুস্বাৰে অনুনাসিক হৈ আত্মপ্রকাশ কৰে, বিশেষকৈ সংস্কৃতৰ শ, ষ, স, এই অঘোষ উষ্ম কেইটাৰ আগত থকা অনুস্বাৰে।

শ্রুতি-সংস্থানৰ দিশৰ পৰা বিসর্গ হ'ল অঘোষ 'হ্'। স্বৰধ্বনিৰ পাছতেই বহি ঘোষ স্বৰধ্বনিকঅঘোষ কৰিছিল। পূৰ্বস্থিতস্বৰৰ উচ্চাৰণ অনুযায়ী ইয়াৰ উচ্চাৰণো পৰিবৰ্তন হয়। আধুনিক আৰ্য্য ভাষাসমূহৰ ভিতৰত বাংলা আৰু উডীয়াতহে ইয়াৰ প্ৰকৃত উচ্চাৰণ পোৱা যায় বুলি ক'ব পাৰি, আন সকলো ভাষাতে ইয়াৰ উচ্চাৰণ ঘোষ 'হ্' হয়। অসমীয়াত বিসর্গৰ উচ্চাৰণ নাই। কিছুমান সংস্কৃত শব্দ সংস্কৃত অনুৰূপে বিসর্গ যুক্ত কৰি লিখা হয় যদিও উচ্চাৰণ হয় ঘোষ 'হ' হিচাপেহে। বাংলাত বিসর্গৰ উচ্চাৰণ আৰু প্ৰয়োগ পোৱা গ'লেও অন্য অৱস্থানৰ বিসর্গৰ উচ্চাৰণ প্ৰায়েই নহয়।

এনেদৰে দেখা যায় মূল সংস্কৃতৰ ৩৩টা প্ৰধান ব্যঞ্জনৰ ভিতৰত সংস্কৃত-অনুৰূপে অসমীয়াত ওষ্ঠ্য প, ফ, ব, ভ, ম, কণ্ঠ্য বা পশ্চ-তালব্য ক, খ, গ, ঘ, ঙ আৰু ঘোষ-উষ্ম 'হ্' ধ্বনি, এই মুঠ ১১টা ব্যঞ্জন ৰক্ষিত হৈছে। আনবিলাকৰ সংস্কৃতৰ উচ্চাৰণ লোপ হৈ উচ্চাৰণ বৈশিষ্ট্যৰে বা নতুন ধ্বনিগুণেৰে আত্মপ্রকাশ কৰিছে আৰু সংখ্যাৰ দিশৰ পৰাও কম হৈছে। অসমীয়া প্ৰকৃত উচ্চাৰিত ব্যঞ্জনৰ সংখ্যা দুই অৰ্ধ-স্বৰক বাদ দি মাত্ৰ ২১টা উচ্চাৰণ কাশ্মীৰীত, সিন্ধী, পাঞ্জাবীতো মূল সংস্কৃতৰ ব্যঞ্জনৰ ধ্বনিৰ গুৰুতৰ পৰিবৰ্তন (কাশ্মীৰীত ঘোষ মহাপ্ৰাণ আৰু মুৰ্দ্ধন্য ধ্বনি লোপ হৈছে; সিন্ধীত স্পর্শ ব্যঞ্জনৰ আটাইকেউটা বিভাগ (ক-চ-ট-ত-প- বর্গ) থকাৰ উপৰিও কণ্ঠনলীয় বর্গ একোটাৰ উদ্ভৱ, দন্ত্যৰ বাহিৰে বাকী বর্গৰ ঘোষ স্পর্শৰ কণ্ঠনলীয়া অৱৰুদ্ধ উচ্চাৰণ; পাঞ্জাবীত ঘোষ মহাপ্ৰাণ ধ্বনিৰ লোপ ইত্যাদি) হৈছে যদিও মূলৰ ওষ্ঠ্য, দন্ত্য, আৰু মুৰ্দ্ধণ্য (কাশ্মীৰীত আৱশ্যে মুৰ্দ্ধণ্য উচ্চাৰণ নাই) আৰু কণ্ঠ্য উচ্চাৰণ ৰক্ষিত হৈছে। তালব্য ধ্বনিৰ

সকলো ভাষাতে ঘৃষ্ট উচ্চাৰণ হৈছে যদিও অসমীয়াত চ-ছ আৰু জ-ঝ মিলি পৰি অঘোষ আৰু সঘোষ উষ্ম হৈছে। সংস্কৃতৰ তিনিটা শিশ্-উষ্ম ভিতৰত মূল অনুযায়ী 'স' বা 'শ' অথবা দুইটা প্ৰায়বোৰ ভাষাতে ৰক্ষিত হৈছে; অসমীয়াত কিন্তু এটাও ৰক্ষিত নহৈ নতুন এক উষ্মধ্বনি আৱিৰ্ভাৱ ঘটিছে।

সহোদৰ স্থানীয় বাংলা-উড়ীয়াৰ লগত তুলনা কৰিলেও দেখা যায় যে বাংলা দুই অৰ্ধ-স্বৰ বাদ দি প্ৰকৃত উচ্চৰিত ব্যঞ্জনৰ সংখ্যা ২১টা। সৰ্বভাৰতীয় বৈশিষ্ট্য অনুৰূপ দন্ত্য-মুৰ্দ্ধন্যৰ পাৰ্থক্য থকাৰ উপৰিও চ-বৰ্গৰ ঘৃষ্ট উচ্চাৰণ বাংলাত আছে; মূলৰ উষ্ম 'শ' ধ্বনিও উচ্চাৰিত হয়। তদুপৰি 'ৰ' আৰু 'ড়'-ৰ পাৰ্থক্য আছে। অসমীয়াৰ লগত মিল আছে কেৱল ওষ্ঠ্য, কণ্ঠ্য বা পশ্চ-তালব্য স্পৰ্শ, নাসিক্য ম, ঙ, ন, ঘোষ-উষ্ম 'হ', কম্পিত 'ৰ' আৰু পাৰ্শ্বিক 'ল' - এই ১৪ টা ধ্বনিৰ ক্ষেত্ৰত। আন ১৫টা ধ্বনি অসমীয়াতকৈ বেলেগ ধৰনেৰে উচ্চাৰিত হয়, অৰ্থাৎ অসমীয়াৰ প্ৰকৃত উচ্চৰিত মূল ব্যঞ্জনৰ ৭টা বাংলাতকৈ সুকীয়া প্ৰকৃতিৰ। উড়ীয়াৰ ব্যঞ্জনৰ সংস্থান বাংলাৰ দৰেই যদিও অতিৰিক্ত ভাবে মুৰ্দ্ধণ্য ল আৰু মুৰ্দ্ধণ্য ণ ধ্বনি আছে। শিশ্ উষ্ম উচ্চাৰণ বাংলাৰ দৰে তালব্য 'শ' নহৈ উড়ীয়াত দন্ত্য মুলীয় 'স' হিচাপে উচ্চাৰিত হয়। বাংলা উড়ীয়াৰ পৰা অসমীয়া ব্যঞ্জনৰ উচ্চাৰণৰ তিনিটা প্ৰধান পাৰ্থক্য হ'ল ঃ

(ক) বাংলা-উড়ীয়াত সংস্কৃতৰ দন্ত্য আৰু মুৰ্দ্ধণ্য ধ্বনি উচ্চাৰণৰ পাৰ্থক্য ৰক্ষিত হৈছে; অসমীয়াত এই পাৰ্থক্য লোপ হৈ একেজাতীয় দন্তমূলীয়া উচ্চাৰণৰে নতুন ৰূপ আৱিৰ্ভাৱ হৈছে;

(খ) সংস্কৃতৰ তালব্য স্পৰ্শৰ উচ্চাৰণ বাংলা-উড়ীয়াত সৰ্ব ভাৰতীয় বেশিষ্ট্যৰে ঘৃষ্ট উচ্চাৰণ ৰক্ষিত হৈছে; অসমীয়াত উষ্ম উচ্চাৰণৰে আত্মপ্ৰকাশ কৰিছে;

(গ) সংস্কৃতৰ শিশ্-উষ্মধ্বনি তিনিটাৰ উচ্চাৰণ বাংলা-উড়ীয়াত একাকাৰ হৈ যথাক্ৰমে তালব্য 'শ' আৰু দন্ত্যমূলীয়া 'স' হৈছে আৰু তাৰ দ্বাৰা কিছু পৰিমানে হ'লেও মূলৰ উচ্চাৰণৰ অস্তিত্ব ৰক্ষা কৰিব পাৰিছে। অসমীয়াত কিন্তু তিনিওটাৰ উচ্চাৰণ পাৰ্থক্য সম্পূৰ্ণ বিলোপ হৈ নতুন এক পশ্চ-তালব্য উষ্মৰ আৱিৰ্ভাৱ

ঘটিছে - যি অসমীয়া ভাষাৰ একক বৈশিষ্ট্য।

সংখ্যাৰ দিশৰ পৰাও অসমীয়াৰ প্ৰকৃত উচ্চাৰিত ব্যঞ্জন ধ্বনিৰ সংখ্যা কম। এনে কম হোৱাৰ অন্যতম কাৰণ হ'ল একাকাৰ হোৱাৰ প্ৰৱণতা। এনে একাকাৰৰ প্ৰনণতাই অসমীয়া ব্যঞ্জনৰ উচ্চাৰণত স্বতন্ত্ৰতা প্ৰদান কৰিছে। তদুপৰি অন্যতম বৈশিষ্ট্য হ'ল উচ্চাৰণ-স্থানৰ দিশৰ পৰা ২১টা উচ্চাৰিত প্ৰধান ব্যঞ্জন ধ্বনিৰ ভিতৰত ৯টাই দন্তমূলীয়া; এনে দন্তমূলীয় উচ্চাৰণৰ প্ৰাচুৰ্য্য বাংলা-উড়ীয়াৰ দেখা নাযায়। মাত্ৰ বাংলা-উড়ীয়াৰ বৈশিষ্ট্য এনে যে দন্ত্য উচ্চাৰণ থকা সত্বেও বাংলাত ন-ৰ উচ্চাৰণ আৰু উড়ীয়াত স-ৰ উচ্চাৰণ দন্তমূলীয়। অসমীয়াৰ উচ্চাৰিত ব্যঞ্জনৰ এনে বৈচিত্ৰ্যই বাংলা-উড়ীয়াৰ ভিতৰতে মহয়, সমস্তে আধুনিক আৰ্যভাষাৰ ভিতৰতে স্বতন্ত্ৰতা বা স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰিব পাৰিছে।

অসমীয়া আখৰ জোঁটনিৰ ঐতিহাসিক পৰ্য্যালোচনা

ড° লীলাৱতী শইকীয়া বৰা

পৃথিৱীৰ প্ৰায় সকলো জীৱিত আৰু লিখিত ভাষাৰে আখৰৰ জোঁটনিৰ সমস্যা আছে। কিন্তু যিবিলাক ভাষাৰ ধ্বনিগত বৰ্ণ লিপি (phonetic alphabet) আছে অৰ্থ্যাৎ যি ভাষাত প্ৰতিটো আখৰেই একোটা বিশিষ্ট ধ্বনি, তেনে ভাষাত আখৰ জোঁটনিৰ সমস্যা তুলনামূলক ভাৱে তেনেই নগন্য বুলিব পাৰি। কিয়নো তেনে ভাষাত উচ্চাৰিত ধ্বনি আৰু আখৰৰ মাজত কোনো পাৰ্থক্য নাই; যিটো ধ্বনি যেনেদৰে উচ্চাৰণ কৰা হয়, লেখাতো সেই একে ধ্বনি প্ৰতীককে ব্যৱহাৰ কৰা হয়। সংস্কৃত এনে এটা ধ্বনিগত বৰ্ণলিপি থকা ভাষা। অসমীয়া বৰ্ণমালা সংস্কৃত বৰ্ণমালাৰ আৰ্হিত তৈয়াৰ কৰা হৈছে যদিও এই বৰ্ণমালা সম্পূৰ্ণভাবে ধবানিগত বা উচ্চাৰণগত নহয়। কিছুমান ধ্বনি উচ্চাৰণ কৰা হয় এক ধৰণে আৰু লেখা হয় এক ধৰণে। উদাহৰণ স্বৰূপে অসমীয়াত হ্ৰস্ব-দীৰ্ঘ উচ্চাৰণৰ মাজত কোনো পাৰ্থক্য নাই। কিন্তু এই পাৰ্থক্য ৰক্ষা কৰি 'বুদ্ধি' শব্দত হ্ৰস্ব 'ই-কাৰ' আৰু 'নদী' শব্দত দীৰ্ঘ 'ঈ-কাৰ' ব্যৱহাৰ কৰা হয়। সেইদৰে অসমীয়াত তালব্য, দন্ত্য আৰু মূৰ্দ্ধ ণ্য ধ্বনিসমূহ দন্ত্য মূলীয় হিচাপে ব্যৱহাৰ হয়। কিন্তু 'চাকি', 'তৰা', 'টকা', আদি শব্দ লিখোঁতে তালব্য 'চ', দন্ত্য 'ত' আৰু মূৰ্দ্ধ ণ্য 'ট' ধ্বনি ব্যৱহাৰ কৰা হয়। মন কৰিবলগীয়া যে দন্ত্য মূলীয় ধ্বনি বুজাবৰ কাৰণে অসমীয়া ভাষাত কোনো নিৰ্দ্দিষ্ট ধ্বনি প্ৰতীককো নাই। এনে ধৰনৰ বিভিন্ন কাৰণত অসমীয়া ভাষাৰ বৰ্ণবিন্যাসত বা আখৰ জোঁটনিত বিভ্ৰাট ঘটে। (phonetic alphabet) নথকা পৃথিৱীৰ প্ৰায় সকলো ভাষাতে আখৰ জোঁটনিৰ বিবিধ সমস্যা আছে। কিন্তু আখৰ জোঁটনিয়ে লগোৱা জোঁটৰ কাৰণে কোনো এখন দেশৰ কোনো এটা জাতিৰ ভাষা-সাহিত্য পিছ পৰি থকা নাই। সময়ৰ লগে লগে সকলোৱে প্ৰয়োজন সাপেক্ষে কিছুমান নীতি উদ্ভাৱন কৰি আখৰ জোঁটনিৰ জোঁট ভাঙিবলৈ চেষ্টা কৰি আহিছে।

কোনো এটা ভাষাৰ আখৰ জোঁটনিয়ে একে সময়তে একে দিনে গঢ় নলয়। তেনে জোঁটনিৰ এক পৰম্পৰা থাকে। অসমীয়া আখৰ জোঁটনিৰো এক

সুদীৰ্ঘ পৰম্পৰা আৰু ইতিহাস আছে। প্ৰকৃতাৰ্থত ত্ৰয়োদশ চতুৰ্দশ শতিকাতহে বিশুদ্ধ অসমীয়া ভাষাই সাহিত্যিক প্ৰতিষ্ঠা লাভ কৰে যদিও দৰাচলতে খৃষ্টীয় ৫ম-৬ষ্ঠ শতিকামানৰে পৰাই এই ভাষাৰ উচ্চাৰণ বৈশিষ্ট্য আৰু লেখন পদ্ধতিয়ে এক বিশেষ গঢ় লবঁলে ধৰে। খৃঃ ৫ম শতিকাৰ পৰা ১২শ শকিতালৈকে এই সুদীৰ্ঘ সময়চোৱাত সুৰেন্দ্ৰ বৰ্মাৰ পৰা বল্লভদেৱলৈকে, প্ৰায় দুকুৰি ছজনমান হিন্দু ৰজাই প্ৰচীন কামৰূপত ৰাজত্ব কৰিছিল। ভাৰতীয় সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল এই বিদ্যানুৰাগী ৰজাসকলৰ মাজৰে কিছু সংখ্যক অত্যুৎসাহী ৰজাই অভিজ্ঞ সংস্কৃত পণ্ডিতৰ হতুৱাই ঘাইকৈ নিজৰ বংশ পৰম্পৰা তথা উপাস্য দেৱতাৰ উল্লেখেৰে বিভিন্ন শিলৰ আৰু তামৰ ফলি প্ৰস্তুত কৰাইছিল। বৰ্তমানলৈকে আবিস্কৃত ফলিবোৰৰ ভিতৰত ৫ম শতিকাৰ উমাচল ফলি আৰু নগাজৰী খনিকৰ গাঁও প্ৰস্তৰ খণ্ডকেঁই সৰ্বপ্ৰাচীন বুলি কোৱা হৈছে। ফলিবোৰ লেখা হৈছিল সংস্কৃত ভাষাত কিন্তু ইবোৰৰ লিপি হৈছিল পূৰ্বী বা কমৰূপী লিপি, যিটো অসমীয়া লিপিৰ পূৰ্ব ৰূপ। কামৰূপী লিপিৰে সংস্কৃত ভাষাত লিখা এই ফলিবোৰত সংস্কৃত নিয়মানুযায়ী বৰ্ণবিন্যাস কৰা হৈছে যদিও সেইবোৰৰ মাজত ঠায়ে ঠায়ে প্ৰাকৃতৰ লগতে অসমীয়া উচ্চাৰণৰ বৈশিষ্ট্য আৰু পুৰণি অসমীয়া লিখন ৰীতি স্পষ্টকৈ ফুটি ওলাইছে। অসমীয়া ভাষাৰ দৰে ফলিৰ সংস্কৃত আখৰ জোঁটনিতো মাজে মাজে স্বৰৰ হ্ৰস্ব-দীৰ্ঘ উচ্চৰণৰ মাজত থকা পাৰ্থক্য ৰক্ষিত হোৱা নাই। যেনে - গুহা > গুহম্ (আ > অ), ইত্যাদি > ইত্যাদি (ই > ঈ), শাসনীকৃত্য > শাসনিকৃত্য (ঈ>ই), ভুৱম্> ভূৱম্ (উ> ঊ), ব্ৰূমহ্ব্ৰুম (ঊ > উ)[২] আদি। পুৰণি সাঁচিপতীয়া পুথিৰ দৰে কেতিয়াবা ফলিৰ জোঁটনিতো ঊ> ও, ঐ > ই হোৱা দেখা যায়। যেনে - কৌশিকো> কোশিকো, শনেশ্বৰ> শনিশ্বৰ ইত্যাদি। মধ্য ভাৰতীয় আৰ্য্য ভাষাৰ বিভিন্ন আঞ্চলিক প্ৰাকৃতৰ দৰে পুৰণি সাঁচিপতীয়া পুথিবোৰত বিকল্পে এটা ভিন্ন গুণ বিশিষ্ট স্বৰৰ ঠাইত আন এটা ভিন্ন গুনবিশিষ্ট স্বৰৰ ব্যৱহাৰ হোৱা দেখা যায়। ফলিৰৰ সংস্কৃত আখৰৰ জোঁটনিতো এই ৰীতি স্পষ্ট। যেনে - পুষ্কৰিণী> পুষ্কৰিনী (অ > ই), ৰচিত> ৰচত (ই > অ), দীঘিতে দীথিতি[৩] আদি। কেৱল স্বৰৰ ক্ষেত্ৰতে নহয়, ব্যঞ্জনৰ ব্যৱহাৰতো ফলিৰ সংস্কৃত বৰ্ণ বিন্যাসত অসমীয়া ভাষাৰ উচ্চৰন বিশেষ ভাৱে ৰক্ষিত হৈছে। আন ভাৰতীয় আৰ্য্য ভাষাৰ বিপৰীতে অসমীয়া ভাষাৰ সংস্কৃত তালব্য, মুৰ্দ্ধন্য আৰু দন্ত্য উষ্ম ধ্বনি তিনিটা (শ, ষ, স) পশ্চতালব্য স্বৰ্ণ হিচাপে উচ্চাৰিত হয়। মন কৰিবলগীয়া যে সংস্কৃতত নথকা এই পশ্চতালব্য ধ্বনিটো ইন্দো ইউৰোপীয়া ভাষা পৰিয়ালৰ শতম্ শাখাৰ পূৰ্ব স্লাবীয় উপশাখাৰ অন্তৰ্গত কচ ভাষাৰ এটি বিশেষ ধ্বনি সি যি কি নহওঁক সংস্কৃত উষ্ম ধ্বনি তিনিটাৰ

নিজস্ব উচ্চাৰণ বৈশিষ্ট্য হেতুবাৰ কাৰণে পুৰণি আসমীয়া সাঁচিপতীয়া পুথিবোৰত স্বাভাৱিকতে তালব্য ঠাইত দন্ত্য বা মূৰ্দ্ধণ্য, মূৰ্দ্ধণ্যা ঠাইত দন্ত্য বা তালব্য উষ্ম ধ্বনি ব্যৱহাৰ হোৱা দেখা যায়। ফলিৰ সংস্কৃত জোঁটনিতো উষ্ম ধবানি তিনিটাৰ এনে খেলি মেলি প্ৰয়োগ মন কৰিবলগীয়া। যেনে - অশেষ > অসেস পিশিতা > পিষিতা গোষ্ঠেষু > গোষ্ঠেসু[৯] আদি সাচিপতীয়া পুথিবোৰত প্ৰায়ে 'ক্ষ'ৰ ঠাইত 'খ', 'প্ৰি'ৰ ঠাইত 'পৃ' লিখা দেখা যায়। ফলিৰ জোঁটনিতো ক্ষ, প্ৰি ধ্বনি দুটাই ক্ৰমে খ, পৃ ৰূপ লোৱাটো প্ৰণিধানযোগ্য। যেনে - ক্ষিতিমখ > খিমথ, প্ৰিয়া > পৃয়া[১] আদি। সেইদৰে ৰেফ্‌যুক্ত বৰ্ণ দ্বিত হোৱাটোও মন কৰিবলগীয়া, ৰ্ৱ, ৰ্ম, ৰ্ল (প্ৰা, প্ৰা. সা. পৃ. ১১)।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে অসমীয়া ভাষাই উচ্চাৰণৰ ক্ষেত্ৰত ৫ম-৬ষ্ঠ শতিকামানৰ পৰাই এক বিশিষ্ঠ গঢ় লবলৈ আৰম্ভ কৰিছিল। ৭ম শতিকাত উত্তৰ ভাৰতৰ পৰা কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউয়েন চাঙে তাৎকালীন কাৰূপৰ মানুহৰ মাত-কথা শুনি এইদৰে মন্তব্য দিছিল, "তেওঁলোকৰ (কামৰূপৰ মানুহৰ) ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ"। শিল আৰু তামৰ ফলিৰ বৰ্ণ বিন্যাসত থকা প্ৰাকৃত বৈশিষ্ট্যৰ লগতে উল্লিখিত ধৰণৰ অসমীয়া ভাষাৰ ধ্বনিগত বিশেষত্বই এহাতেদি হিউয়েন চাঙৰ উক্তিৰ সত্যতা প্ৰমাণ কৰি অসমীয়া ভাষাৰ স্বকীয়তা প্ৰতিপন্ন কৰে আৰু আনহাতে গঠন কালৰ (Oformative period) অসমীয়া ভাষাৰ কিছু ধাৰনা স্পষ্ট কৰি দিয়ে।

অসমীয়া আখৰ জোঁটনিৰ ...চীনতম আন এটি ৰূপ ৰক্ষিত হৈ আছে প্ৰত্ন অসমীয়া ভাষাৰ একমাত্ৰ লিখিত নিদৰ্শন চৰ্যা গীতসমূহত। বৰ্তমান অসমীয়া, বঙলা, উৰিয়া, মৈথিলী আদি ভাষাৰ উমৈহতীয়া সাহিত্য সম্পদ হিচাপে স্বীকৃত চৰ্যাগীতৰ একমাত্ৰ তালপতীয়া পুথিখন অসমৰ মাটিত নহয়, নেপাল ৰাজ দৰবাৰৰ গ্ৰন্থাগাৰতহে আৱিস্কাৰ কৰা হৈছে। কিন্তু পুথিখনৰ ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক, শব্দ ভাণ্ডাৰ, শিল ফলিৰ পূৰ্বী বা কামৰূপী লিপিৰ লগত সাদৃস্য থকা অথচ স্পষ্ট অসমীয়া গঢ় লোৱা 'আদি অসমীয়া লিপি'[৯] আৰু ইয়াৰ আখৰ জোঁটনিয়ে অসমীয়া ভাষাৰ লগত ইয়াৰ সম্পৰ্ক বেছি সুদৃঢ় কৰি তোলে। চৰ্যাগীত সমূহ ৮ম-১২শ শতিকাৰ ৰচনা যদিও ইয়াৰ লিপি কাল ত্ৰয়োদশ শতিকাৰ শেষ ভাগ বুলি অনুমান কৰা হৈছে[১০] গতিকে ইয়াৰ আখৰ জোঁটনিয়েও ত্ৰয়োদশ শতিকা তথা তাৰ পূৰ্বৰ অসমীয়া হাতে লিখা পুথিৰ ভাষাৰ উচ্চাৰণ ৰীতি আৰু লেখন-প্ৰণালীৰ এক স্পষ্ট ধাৰণা দিব। মন কৰিবলগীয়া যে মূল তালপতীয়া

চৰ্যাগীতকোষৰ ভিত্তিত সম্পদান কৰা চৰ্যাগীতৰ পুথি অসমীয়া ভাষাত এতিয়ালৈকে প্ৰকাশ হোৱা নাই। সেয়েহে বৰ্তমান আলোচনাত তালপাতৰ পুথিৰ জেৰক্স কপিৰ সম্বলিত এক মাত্ৰ চৰ্যাগীতৰ পুথি ও নীল ৰতন সেনৰ 'চৰ্যা গীত কোষ'ৰ পৰা উদাহৰণ দাঙি ধৰিবলৈ যত্ন কৰা হৈছে।

চৰ্যাগীতৰ বৰ্ণবিন্যাসলৈ চালে দেখা যায় যে চৰ্যাৰচকসকলেও স্বৰধবনিৰ হ্ৰস্ব-দীৰ্ঘ উচ্চাৰণৰ মাজত কোনো পাৰ্থক্য নাৰাখিছিল। অপ ভ্ৰংশ স্তৰত দীৰ্ঘ স্বৰ হ্ৰস্ব হিচাপে উচ্চাৰিত হোৱাৰ যি প্ৰৱণতাই দেখা দিছিল তাৰ ফলতে সম্ভৱ পূৰ্বী নব্য ভাৰতীয় আৰ্য ভাষাবোৰত হ্ৰস্ব দীৰ্ঘ উচ্চাৰণৰ মাজত পাৰ্থক্য নোহোৱা হৈ পৰিছিল। ফলত একেটা চৰ্যাৰ একেটা শব্দতে কেতিয়াবা অ/ই/উ আৰু কেতিয়াবা আ/ঈ/ঊ ব্যৱহৃত হৈছে। যেনে লাহিঅ/লাহিঅ[১], হৰিণি/হৰিণী (৬), লুই/লূই (২৯)। কেতিয়াবা একেটা শব্দই বিভিন্ন গীতত পাঁচ ধৰণৰ ৰূপ লৈছে। যেনে - লুই/লূই/লুয়ী (১, ২৯, ৩৪), লুঈ (২৯) আৰু লূয়ী (৩৪)। চৰ্যাৰ ভাষাৰ ঐ আৰু ঔ দ্বি স্বৰৰ লগতে সমান্তৰাল ভাবে 'অই' আৰু 'অউ' সংবৃত্ত স্বৰৰ ব্যৱহাৰ মন কৰিবলীয়া। যেনে - নৈৰামণি (৫০), নাইৰামণি (২৮), চৌসঠ্‌ঠি (১০), চাউদিস (৮)। স্বৰ ধবনিৰ দৰে ব্যঞ্জন ধবনিৰ ক্ষেত্ৰতো কিছুমান ব্যঞ্জন মাজত উচ্চাৰণগত লোপ পাইছে আৰু ফলত ইয়াৰ আখৰ জোঁটনিয়ে এক বিচিত্ৰ ৰূপ লৈছে। উচ্চাৰমগত পাৰ্থক্য হেৰুৱা ব্যঞ্জন কেইটা হৈছে যাইকে ণ/ন, জ/য আৰু শ/ষ/স। এই ধবনিবোৰ একেটা শব্দতে বেলেগ বেলেগ ধৰণে ব্যৱহৃত হৈছে। যেনে - জোইনি (৪), জোহ্নি ৯২৭), যোইনী (১৭), নৱ (৬), জাই, যাই (৪২, ১৫), শশী, সসী (১১, ১৭), শিআলী, ষিআলা (৫০, ৩৩), শূন, সুন (২৬, ৩১) ইত্যাদি। উষ্ম ধবনি কেইটাৰ ব্যৱহাৰত চৰ্যাৰ ভাষাত যে প্ৰাকৃতৰ 'শষোঃ সঃ' নীতিয়ে ক্ৰিয়া কৰিছিল, উল্লিখিত শেষৰ উদাহৰণ কেইটিয়েই তাৰ সাক্ষ্য দিব। চৰ্যাৰ আখৰ জোঁটনিৰ মন কৰিবলগীয়া এটি বিশেষত্ব হৈছে যে অনুস্বাৰ, চন্দ্ৰবিন্দু আৰু 'ঙ' যুক্ত ব্যঞ্জন বুজাবলৈ মূল বৰ্ণৰ মাত্ৰাৰ ওপৰত সোঁফালে বিন্দুচিনৰ ব্যৱহাৰ ব্যৱহাৰ হোৱাটো। ফলত বহুত শব্দৰ সঠিক উচ্চাৰণ কোনটো সেইলৈ সন্দেহৰ অৱকাশ থাকে। যেনে - সাকমত, মাসে শব্দ সাঙ্কমত, মাংসে হব নেতি জনা নাযায়[১১] আন যুক্তাক্ষৰৰ ক্ষেত্ৰত ফলিৰ সংস্কৃত জোঁটনিত থকাৰ দৰে (যেনে - বীজ্জ, বচ্ছেৰে)[১২] চৰ্যাৰ আখৰ জোঁটনিতো সমীভৱনৰ দ্বাৰা যুক্তাক্ষৰ সৰল কৰা ৰীতি দেখা যায়। যেনে - অষ্ট > অঠ (২৬), নিশ্চল > নিচ্চল (২১) আদি। উত্তৰ চৰ্যাগীত কালৰ আন সাঁচিপতীয়া-তুলাপতীয়া পুথিতো সমীভৱনৰ এনে প্ৰক্ৰিয়া লক্ষ্যণীয়।

চৰ্যাগীতৰ ঠিক পিছতে প্ৰাচীন অসমীয়া আখৰ জোঁটনিৰ নমুনা দাঙি ধৰা আন এখন পুথি হ'ল বড়ু চণ্ডীদাস ৰচিত 'শ্ৰী কৃষ্ণ কীৰ্তন' কাব্য। এই পুথিখন তুলাপতীয়া আৰু ইখনিত অসমৰ বাহিৰত পশ্চিমবঙ্গৰ বাঁকুৰা জিলাৰ বন বিষ্ণু পুৰৰ সমীপৱৰ্তী কঁকিলা গাঁৱত দেৱেন্দ্ৰনাথ মুখোপাধ্যায়ৰ ঘৰৰ পৰা ১৯০৯ চনত উদ্ধাৰ কৰা হয়। উদ্ধাৰ কৰ্তা পণ্ডিতপ্ৰবৰ বসন্তৰঞ্জন ৰায়ে কাব্যখনি সম্পাদনা কৰি প্ৰকাশ কৰে ১৯১৬ চনত। জন্ম খণ্ডৰ পৰা ৰাধা বিৰহলৈকে মুঠ তেৰটা খণ্ডযুক্ত এই পুথিখন প্ৰকাশ হোৱাৰ লগে লগে পুথিখনত থকা বঙলা, অসমীয়া আৰু দুই এটা উৰিয়া ভাষাৰ বিশেষত্বই তিনিওখন প্ৰদেশৰ ভাষাবিদ সকলক সচকিত কৰি তোলে।

বঙলা পণ্ডিতসকলে 'খাটি বাংলা' ভাষাৰ নিদৰ্শন বুলি দাবী কৰা এই কাব্যখনিৰ ভাষাত প্ৰচুৰ পৰিমাণৰ অসমীয়া ভাষাৰ বিশেষত্ব থকালৈ চাই সেইখন যে বিশাল প্ৰাচীন কামৰূপৰে পশ্চিমাঞ্চলৰে কোনোবা এঠাইত ৰচিত হৈছিল সেই কথা ভাবিবলৈ বাধ্য কৰায়। বঙলা পণ্ডিতসকলেও সেই ভাষিক বৈশিষ্ট্য অস্বীকাৰ কৰিব নোৱাৰি পুথিখনে শেষ লিপি কাৰৰ হাতত পৰাৰ পূৰ্বে প্ৰাচীন কামৰূপ ভ্ৰমণ কৰি অহা বুলি স্বীকাৰ কৰিছে।[১৩] সি যি কি নহওক, পেটকটা 'ৰ' যুক্ত আদি অসমীয়া লিপি এই পুথিখনত থকা প্ৰাচীন হস্তাক্ষৰ লক্ষ্য অনুলিপি লক্ষ্য কৰি লিপি বিশাৰদ ৰাখাল দাস বন্দোপাধ্যায়ে কাব্যখনিৰ ৰচনা কাল ১৩৮৫ খৃষ্টাব্দৰ পূৰ্বৰ সম্ভৱতঃ চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্দ্ধ বুলি মত প্ৰকাশ কৰিছে[১৪] কাব্যখনিৰ ভাষিক বৈশিষ্ট্যলৈ সাধাৰণভাবে লক্ষ্য কৰিলে ইখনিক নিঃসন্দেহে চতুৰ্দশ শতিকাৰ বিশুদ্ধ অসমীয়া কাব্যসাহিত্যৰ সমসাময়িক বুলি কব পাৰি। কিন্তু পুথিখনত মাজে মাজে থকা কিছুমান ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যই ইখনিক দ্বাদশ আৰু চতুৰ্থ শাতিকাৰ মধ্যৱৰ্ত্তী সময়ৰ ৰচনা বুলি ভবাৰ অৱকাশ দিয়ে। সেয়েহে কাব্যখনিক প্ৰাক্ শঙ্কৰী যুগৰ সাহিত্যৰ প্ৰাক কালৰ ৰচনা বুলি ধৰি সেই হিচাপে ইয়াৰ আখৰ জোঁটনিৰ কিছু সংক্ষিপ্ত পৰিচয় দিবলৈ চেষ্টা কৰা হৈছে। এই ক্ষেত্ৰত যথোপযুক্ত উদাহৰণ দাঙি ধৰা হৈছে। তুলাপতীয়া পুথিখনৰ জেৰক্স কপি সম্বলিত আৰু কিছু পৰিমাণে পাঠ-সমীক্ষাৰ আধাৰত সম্পাদনা কৰা অমিত্ৰসূদন ভট্টাচাৰ্য্যৰ 'বড়ু চণ্ডীদাসের শ্ৰীকৃষ্ণ কীৰ্ত্তন' (১৯৭৫) গ্ৰন্থৰ পৰা।

'শ্ৰীকৃষ্ণ কীৰ্ত্তন' পুথিখনৰ আখৰ জোঁটনিলৈ লক্ষ্য কৰিলে দেখা যায় যে সেই জোঁটনিয়ে এহাতেদি ফলি আৰু চৰ্যাৰ আনহাতেদি বিশুদ্ধ অসমীয়া ভাষাত লিখা প্ৰাচীন অসমীয়া সাঁচিপতীয়া পুথিৰ আখৰ জোঁটনিৰ মাজত এক

নিবিড় সম্পৰ্ক ৰক্ষা কৰিছে। ইয়াৰ ভাষাতো স্বৰৰ হ্ৰস্ব-দীৰ্ঘ উচ্চাৰণৰ মাজত পাৰ্থক্য ৰখা হোৱা নাই আৰু ইয়াৰ ফলস্বৰূপে একেটা শব্দতে আখৰ-জোঁটনিয়ে ভিন ভিন ৰূপ লৈছে। যেনে কৰি (বংশী, ৫/২৬১), কৰী (ভাৰ, ২/২১৮), থিৰ (ৰা, বি,৩/৩৬৫),থীৰ(দান, ১/১৯৬), উদ্দেশ্য (তাম্বুল, ৪/১৮৭), উদ্দেশ্য (ৰা, বি, ১/১৮৮) ইত্যাদি। পুৰণি অসমীয়া আন সাচিপতীয়া পুথিত আদ্য 'অ' প্ৰায়েই 'আ' হয়। 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'তো আদ্য অৱস্থানৰ 'অ' প্ৰায়ে 'আ' লৈ ৰূপান্তৰিত হৈছে। যেনে আশেষ (বংশী, ৪/২৭২), আনুসাৰে (বংশী, ১/২৭৩), ইত্যাদি। ব্যঞ্জন ধবনিৰ জোঁটনিতো ভালেখিনি শিথিলতা পৰিদৃষ্ট হয়। ঘাইকৈ জ/য, জ/ঝ, ণ/ন, ৰ/ড় আৰু শ/ষ/স - এই ধবনি খিনিৰ ব্যৱহাৰত কোনো নিৰ্দ্দিষ্ট নিয়ম মানি চলা দেখা নাযায়। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে এই ধবনিখিনিয়েও স্বকীয় উচ্চাৰণ বৈশিষ্ট্য হেৰুৱাই পেলাইছে আৰু সেয়েহে লিপিকাৰে যেতিয়া যিটো ধবনি মুখলৈ আহিছিল, তাকে শব্দত প্ৰয়োগ কৰিছিল। কাব্য খনিত এই ধবনি সমুহৰ প্ৰয়োগ এনে ধৰণৰ ঃ জাওঁ (দান, ২/১৯৪), যাহা (দান, ২/১৯৫), জীউ (দান, ২/১৯৩), ঝিউ (বংশী, ৩/২৬৭), কমণ (দান, ২/২১০), কমন (বংশী, ৪/২৬৮), পুৰিআঁ (বংশী, ৭/২৬১), পুড়িআঁ (বংশী, ৩/২৮৭), শীতলে ৰা, বি, ৩/৩০৬), সিতল (ৰা. বি, ৬/৩১২), আশেষ (ৰা. বি, ৩/৩১১), আসেস (ৰা. বি, ৩/৩৬৯), সুনিআঁ বাণ, ২/২৫৯), শুনিআঁ (বংশী, ১/২৬৯), ইয়্যাদি। যুক্ত ব্যঞ্জনৰ ক্ষেত্ৰত আটাইতকৈ মন কৰিবলগীয়া যে ফলি আৰু পুৰণি আন সাঁচিপতীয়া পুথিৰ দৰে ইয়াতো 'প্ৰি' ধবনি 'পৃ' হৈছে। যেনে প্ৰেয় (ৰা. বি, ৩/৩৩৪)। সেইদৰে 'ক্ষ' প্ৰায়ে 'খ' লৈ ৰূপান্তৰিত হৈছে। যেনে খেমা (বংশী, ৪/২৭৪), সাখী (বংশী, ৩/২৯৪), আদি। কন্দলিৰ ৰামায়ণৰ বিভিন্ন সাঁচিপতীয়া পুথিত 'দ্ব', 'ধব', ধবনি প্ৰায়ে দু, ধু হোৱা দেখা যায়। শ্ৰীকৃষ্ণকীৰ্ত্তনতো এনে প্ৰয়োগ দেখা যায়। যেনে - দ্বিতীয় > দুঅজ (ৰা. বি, ২/৩০৮), ধবনি > ধুনি (বংশী, ১/২৮৫), আদি। অনুস্বাৰ, চন্দ্ৰবিন্দু বুজাবলৈ শ্ৰীকৃষ্ণ-কীৰ্ত্তন পুথিতো কেতিয়াবা মূল বৰ্ণৰ ওপৰত বিন্দু চিহ্ন দিয়া দেখা যায়। সেয়েহে তেনে শব্দৰ জোঁটনিত 'ং' নে 'ঁ' ব্যৱহাৰ হৈছে ধৰা টান।

নিশ্চিতভাবে বিশুদ্ধ অসমীয়া ভাষাৰ সাহিত্যিক নিৰ্দশন পোৱা যায় চতুৰ্দশ শতিকাৰ পৰাহে। প্ৰথম অসমীয়া পদ-ৰামায়ণ ৰচয়িতা মাধৱ কন্দলিয়েই অচলতে এই সময়ছোৱাৰ একমাত্ৰ নিৰ্ভৰযোগ্য কবি, যিজনাৰকাব্যিক মহত্ব আৰু কৃতিত্বৰ কথা মহাপুৰুষ শঙ্কৰদেৱে সপ্ৰশংসভাৱে স্বীকাৰ কৰি গৈছে। প্ৰাক্ শঙ্কৰী

উদাহৰণৰ কাষত দিয়া ১/২৮৫ এনেধৰণৰ সংখ্যাৰ প্ৰথমটো প্ৰথমটো পদ নম্বৰ আৰু দ্বিতীয় পৃষ্ঠনম্বৰ

যুগৰ বুলি ভাব। বাকী তিনিজন কবি হৰিবৰ বিপ্ৰ, হেমসৰস্বতী আৰু কবিৰত্ন সৰস্বতীৰ উল্লেখ পৰৱৰ্ত্তী কোনো কবিয়ে কৰা নাই। কিন্তু কবি কেইজনাৰ নিজ নিজ কাব্যত উল্লিখিত পৃষ্ঠপোষক ৰজা দুলৰ্ভ নাৰায়ণ আৰু তেওঁৰ পুত্ৰ ইন্দ্ৰ নাৰায়ণৰ আনুমানিক সময়ৰ ওপৰত ভিত্তি কৰিহে উক্ত তিনিওগৰাকী কবিকে শংকৰ পূৰ্ব মাধৱ কন্দলি কবিৰ সমসাময়িক বুলি ধৰা হৈছে[১৭] সি যি কি নহওক মাধৱ কন্দলিৰ সময়ৰ পৰাই সঞ্চালনি ভাৱে বিশুদ্ধ অসমীয়া ভাষাত ৰচিত সাহিত্য পোৱা গৈছে। সেই তেতিয়াৰ পৰা প্ৰায় অৰুনোদয় সময়লৈকে এই সুদীৰ্ঘ কালছোৱাত ভালেমান সাঁচিপতীয়া-তুলাপতীয়া পুথিৰ আখৰ জোঁটনিৰ প্ৰতিনিধিত্ব কৰিব পৰাকৈ বৰ্তমান আলোচনাৰ বাবে বিভিন্ন সময়ৰ বিভিন্ন লেখকৰ কেইখনমান পুথি বাছি লোৱা হৈছে। মন কৰিবলগীয়া যে এই পুথিবোৰৰ কোনোখনেই লেখকৰ স্বহস্ত লিখিত নহয়।এইবোৰ নকলৰো, নকলৰো নকল। তদুপৰি বৰ্তমানলৈকে উদ্ধাৰ হোৱা পুথিসমূহৰ কোনোখনেই সময়ৰ পিনৰ পৰা চতুৰ্দ্দশ পঞ্চদশ শতিকাৰ নহয়। ষোড়শ শতিকাত নকল কৰা পুথিও বিৰল। সপ্তদশ শতিকাৰ আৰম্ভণিৰ বুলি কব পৰা পুথি সংখ্যাত তেনেই নগণ্য, দৰাচলতে সঞ্চালনিকৈ পোৱা গৈছে সপ্তদশ শতিকাৰ মাজভাগৰ পৰাহে[১৮] মন কৰিবলগীয়া যে পৰণি হাতে লিখা পুথিৰ লিপিকাৰ সকলে প্ৰায়ে পাঠৰ শেষত "ভীমস্যাপি ৰণে ভঙ্গো মুনিনাঞ্চ মতিভ্ৰমঃ যথা দৃষ্টং তথা লিখিতং লেখকে নাস্তি দূষণম্" বুলি বাৰম্বাৰ স্বীকাৰ কৰাৰ পাছতো একেজন লিপিকাৰৰ একেখন পুথিৰ একেটা শব্দৰে বিভিন্ন সময়ত বিভিন্ন ৰূপ দেখা যায়। এনে ধৰণৰ পুৰণি পুথিয়ে মূল লেখকসকলৰ নিজস্ব আখৰ জোঁটনিৰ বিশুদ্ধ ৰূপ দাঙি ধৰিছে বুলি কব নোৱাৰি। তথাপি ইবোৰ তৎকালীন অসমীয়া উচ্চাৰণ-বৈশিষ্ট্যৰ লগতে প্ৰাচীন অসমীয়া বৰ্ণবিন্যাস পদ্ধতিৰো কিছু আভাস দিব। হাতেলিখা পুথিৰ আখৰ জোঁটনিৰ পৰ্য্যালোচনাৰ বাবে নিৰ্বাচন কৰি লোৱা পুথিকেইখন হৈছে - মাধৱ কন্দিল ৰামায়ণৰ 'অযোধ্যা কাণ্ড', সাঁচিপতীয়া পুথি নং ৯৫০, 'অৰণ্য-কিষ্কিন্ধ্যা-সুন্দৰা কাণ্ড' সাঁচিপতীয়া পুথি নং ১৬৭৯, হৰিবৰ বিপ্ৰৰ 'বব্ৰুবাহনৰ যুদ্ধ' তুলাপতীয়া, পুথি নং ২৬০৫ শঙ্কৰদেৱৰ 'কিৰ্ত্তনৰ পদ' সাঁচিপতীয়া পুথি নং ১২৪৭, 'ৰুক্মিনী হৰণ নাট' সাঁচিপতীয়া পুথি নং১৪৯৫ (২০ আঘ্ৰান ১২৫৩ শক, বাংলা), মাধৱদেৱৰ 'নামঘোষা' সাঁচিপতীয়া পুথি নং ২১৫৩,(১৬৫৫ চন ভট্টদেৱৰ 'কথা- ভাগৱত' সাঁচিপতীয়া পুথি নং ৭৪৩, ৰঘুনাথ মহন্তৰ 'শত্ৰুঞ্জয়' তুলাপতীয়া পুথি নং ৫৫৪, 'কথা-গুৰুচৰিত' (ভৱাণীকান্ত কাকতিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ক দান দিয়া) সাঁচিপতীয়া পুথি নং ১ আৰু অসম বুৰঞ্জী তুলাপতীয়া পুথি নং ২২৫৮। উল্লিখিত পুথিকেইখনৰ ভিতৰত কেৱল 'ৰুক্মিনীহৰণ' আৰু -- নামঘোষাতহে সময়ৰ উল্লেখ আছে। বাকী কেইখনত

সময়ৰ উল্লেখ নাই যদিও পুথিকেইখনৰ আৱয়বিক অৱস্থা, আখৰৰ গঢ় আদিলৈ লক্ষ্য কৰি সিকিখনৰ লিপি কাল সপ্তদশ শতিকাৰ মাজভাগৰ পৰা অষ্টাদশ শতিকা বুলি অনুমান কৰিব পাৰি।

ওপৰুক্ত সাঁচিপতীয়া-তুলাপতীয়া পুথিৰ বৰ্ণবিন্যাস সম্পৰ্কে আলোচনা আগবঢ়োৱাৰ পূৰ্বে কালিৰাম মেধিদেৱে সম্পাদনা কৰি ১৯১৩ চনত প্ৰকাশ কৰা হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত'ৰ আৰু হৰিনাৰায়ণ দত্তবৰুৱাই প্ৰকাশ কৰা ৪৯৪ শকাব্দৰ সংস্কৰণ -শঙ্কৰদেৱৰ 'আদি দশম'ৰ আখৰ জোঁটনি সম্পৰ্কে কোৱা কথাখিনি বিচাৰ কৰি চোৱাটো বাঞ্ছনীয়। কিয়নো পুথি দুখনিৰ বানান বা জোঁচনি সম্পৰ্কত মেধি আৰু দত্তবৰুৱাই আঙুলিয়াই দিয়া বিশেষত্বখিনি চৰ্যাগীত, শ্ৰীকৃষ্ণকীৰ্ত্তনৰ পৰা আৰম্ভ কৰি প্ৰায় সকলো পুৰণি হাতেলিখা পুথিৰ ক্ষেত্ৰতে প্ৰযোজ্য। মেধিয়ে 'প্ৰহ্লাদ চৰিত'ৰ পানিনত কৈছে - " কবিৰ ভাষা সংস্কৃতমূলক কিন্তু বৰ্ণবিন্যাস সম্পূৰ্ণ প্ৰাকৃতিক। জোজন, য়েক, মধ্রিঙ, আদি শব্দৰ বৰ্ণবিন্যাসেই তাৰ প্ৰমাণ। অৱশ্যে ইয়াতযে নকলকাৰৰ হাত নাই, এনে কথা আমি কৱা নাই; কিন্তু নকলকাৰবো যে প্ৰাকৃত আৰ্হি আছিল ইও এটা প্ৰাচীনত্বৰ প্ৰমাণ। ... প্ৰাকৃতৰ সময়ত সংস্কৃত শব্দাৱলীৰ যি বৰ্ণবিন্যাস বিভ্ৰাট ঘটিছিল 'প্ৰহ্লাদ চৰিত'ত তাৰ চিন পূৰ্ণ-মাত্ৰাত দেখা যায়। কিন্তু উচ্চাৰণৰ প্ৰতি দৃষ্টি কৰিলে জনা যায়., অসমীয়া উচ্চাৰণ সেই কালতে বঙ্গালী, হিন্দী আদি ভাষাৰ বৰ্তমান উচ্চাৰণ পৰা সম্পূৰ্ণ পৃথক আছিল। পুথিৰ শব্দাৱলীত বৰ্ণবিন্যাসৰ ব্যতিক্ৰম হোৱা সত্ত্বেও তাৰ উচ্চাৰণত অসমীয়া বিশেষত্ব সম্পূৰ্ণ ৰক্ষিত হইছিল। প্ৰাকৃতৰ "শষোঃসঃ" সূত্ৰ প্ৰায়ে ৰক্ষিত হইছিল। কিন্তু এই কথা মনত ৰাখিব লাগে যে অসমীয়া 'স'ৰ দৰে উচ্চাৰিত হৱা 'শ' আৰু 'ষ'-কহে সদাই 'স' কৰা হৈছিল। অন্যত্ৰ 'ষ'-ৰ উচ্চাৰণ 'খ' আৰু 'খ'-ৰ উচ্চাৰণ 'ষ' দি দেখুৱা পাইছোঁ। 'ণ' আৰু দীৰ্ঘ ঈ-কাৰ আৰু উ-কাৰো পুথিত প্ৰায় নাই। 'ব' -ৰ উচ্চাৰণ অনুসৰি নামধৰি সদাই ব্যৱহৃত হৱা দেখা যায়।" 'আদি দশম'ৰ - 'নিবেদন'ত দত্তবৰুৱাই সেই পুথিৰ বানানৰ বিষয়ত আৰু আৰু দুটামান নতুন কথা সংযোগ কৰিছে এইদৰে, " পুথিখনৰ বানানৰ বিষয়ে - মন কৰিবলগীয়া এইযে ইয়াত 'স' -ৰ প্ৰাধান্যই বেছি, দীৰ্ঘ ঈ-কাৰ দীৰ্ঘ উ-কাৰ বৰ কম, ৰেফযুক্ত আখৰ কৰবাত ক'ৰবাত দ্বিত্ব কৰা নাই। বিশেষকৈ ৰেফযুক্ত 'র্য' বোৰ প্ৰায়ে 'য' কৰি ৰাখিছে। যেনে - 'সূৰ্য্য'ক সূৰ্য, 'ভাৰ্য্যা'ক ভাৰ্যা, 'কাৰ্য্য'ক কাৰ্য আদি বানানেৰে - লিখিছে। আন আন 'য' -ৰ ঠাইত প্ৰায়ে 'জ' লিখিছে। এ-কাৰান্ত ক্ৰিয়াবোৰ প্ৰায়ে ঐ-কাৰান্ত কৰিছে; যেনে 'কৰে' 'কৰৈ', 'পিয়ে' 'পিয়ৈ', ইত্যাদি। 'ত্ৰি'টো ত লিখিছে। যেনে - তৃদশা: কিন্তু পিতৃ', 'মাতৃ'-ৰ 'তৃ'-টো ত্ৰ কৰিছে। যেনে

- পিত্ৰ্, মাত্ৰ্ ইত্যাদি। 'গোষ্ঠ'টো প্ৰায়ে গোষ্ট কৰিছে। ...." আলোচ্য সাঁচিপতীয়া আৰু তুলাপতীয়া পুথি কেইখনৰ বানান বিচাৰ কৰিলে দেখা যায় যে মেথি আৰু দত্তবৰুৱাই কোৱাৰ দৰে ইবোৰত দীৰ্ঘ ঈ,ঊ স্বৰৰ ব্যৱহাৰ কম;বিশেষকৈ স্বতন্ত্ৰ স্বৰ হিচাপে এই দুটাৰ ব্যৱহাৰ অতি বিৰল। 'ী' কাৰ চিহ্ন প্ৰায়োগো তুলনামূলক ভাৱে কম। ঊ-কাৰ চিহ্নও কথা-ভাগৱত, কথা-গুৰুচৰিতকে ধৰি দুই এখন পুথিতহে দেখা যায়। আনহাতে 'ত'-ৰ লগত 'ঋ' ধবনি প্ৰায়ে - 'ত্ৰি' হৈছে। সেইদৰে ৰ্য্য >ৰ্য ; কিন্তু ৰেফ যুক্ত 'ণ' সদায় 'ৰ্ণ' হৈছে। ইয়াৰ পৰা দেখা যায় পুথিসমুহত একেসময়তে কিছুমান ধবানি দ্বিত্ব পৰিহাৰ কৰা হৈছে আৰু কিছুমানত দ্বিত্ব মানি লোৱা হৈছে। 'ন' আৰু 'ঙ'-ৰ একক ব্যৱহাৰ বিৰল। জ/ঝ, চ/ছ আদিৰ ব্যৱহাৰতো কোনো বিশেষ নীতি মানি চলা দেখা নাযায়। 'য' প্ৰায়ে 'জ' হৈছে। 'শ', 'ষ', 'স'-ৰ ব্যৱহাৰ কিছু পৰিমাণে প্ৰাকৃত 'শষোঃ সঃ' সূত্ৰে ৰক্ষিত হৈছে; তলত বিভিন্ন স্বৰ ব্যঞ্জন ধবনিয়ে নিজস্ব উচ্চাৰণ বৈশিষ্ট্য হেতুৱাই কেনে ৰূপ লৈছে তাৰ দুটামান উদাহৰণ দাঙি ধৰা হ'ল ঃ

অ > আঃ আনুপাম (অযো.৯১), আতি (না. ঘো. পৃ. ৪৬৪);

ঈ > ই ঃ সৰ্পিনি (অযো.৯৯), পাপিস্তি (বব্ৰু. পৃ. ৪১), ৰুক্মিণি (ৰু. হ. নাট, পৃ. ১৬), কিৰ্ত্তন (কি. পদ, পৃ. ৬), গোপিনাথ (না. ঘো, পৃ. ৬৭৫), পৃথিবী (গু. চ. ক. পৃ, ত), পাণি (অ. বু. পৃ. ৪), প্ৰাণি (শত্ৰু, পৃ. ৩৬) ইত্যাদি)।

ঊ > উ ঃ কৰ্ন্নসুত (বব্ৰু. পৃ. ১৬), পুৰ্ন্নচন্দ্ৰ (কি. পদ. পৃ. ৯), দুৰ (না. ঘো. পৃ. ৫৫৫), সুৰ্যবৰে (গু.চ.ক. পৃ.৪), পুবৰ্ব (অ. বু. পৃ.৪) ইত্যাদি।

চ/ছ ঃ বছন (অযো. পৃ.১৪৪) আচেমানে (বব্ৰু. পৃ.৩২), বিচাৰি(কি. পদ. পৃ. ৭) বিছাৰি (ক. ভা, পৃ. ৪৩) পাচে/পাছে (গু. চ. ক. পৃ, ৭), মিচা (অ. বু. পৃ.৩৪) ইত্যাদি।

জ/ঝ ঃ ঝি (অযো. পৃ.১২৭), জেন (বব্ৰু. পৃ.১২১), জদি/যদি (কি. ভা. পৃ. ১০৩), দেৱঝাক (শত্ৰু, পৃ. ৮৭) জদি (কি. পদ, পৃ. ১০) জাত্ৰী (গু. চ. ক. পৃ, ৮৬), জাব(অ. বু. পৃ.৪) ইত্যাদি।

শ/ষ/স ঃ কোষল্যা (অযো. পৃ.১০৭), সাস্ত্ৰত (সু. কা. পৃ.১৫০), দোস (বব্ৰু. পৃ.১১১), সুনিয়ে (ৰু. হ. নাট, পৃ. ১৬), স্যামল (কি. পদ, পৃ. ৯) সৰণ (না. ঘো. পৃ, ৩০), কুষল (ক. ভা. পৃ.

৯৩),সকতি, দোস, দস, দেষ (শক্র, পৃ. ক্রমে ৩,৬,৭,২৯) বিসম(অ. বু. পৃ.৩৯) ইত্যাদি।

ক্ষ/খ/খ্য ঃ খেমা (সু. কা. পৃ.৪৮), নখ্যত্র (অৰ. পৃ. ৮), মুক্ষ (বব্ৰু. পৃ.২১৫), প্রক্ষাত (না. ঘো. পৃ, ১৪, অ. বু. পৃ. ২), সাখ্যাৎ (না. ঘো. পৃ, ১৪), সাখি (ক. গু. চ. পৃ, ৭২), (না. ঘো. পৃ, ২৩), ইত্যাদি।

ইয়াৰ বাহিৰেও পুথিসমূহত কেতিয়াবা -

ৰ > ড়, আদ্য অ > আ, আদ্য আ > য়, আদ্য অ > ৱ, অন্ত্য য় > হ, মধ্যৱৰ্ত্তী ৱ > অ/য়/ই.ঢ় > ড় হোৱা দেখা যায়। দুই এখন পুথি আদ্যস্থানত ড়, ঢ় ব্যৱহাৰ হোৱালে চাই মূৰ্দ্ধণ্য ড,ঢ আৰু ড়,ঢ়-ৰ উচ্চাৰণৰ মাজতো ভেদ ৰক্ষিত হোৱা নাছিল বুলি অনুমান কৰিব পাৰি। পুথিসমূহ ৰ জোঁটনিৰ এটি মন কৰিবলগীয়া - বিশেষত্ব হৈছে যে ইবোৰত 'ঙ' আৰু 'ণ' স্বতন্ত্রভাৱে ব্যৱহাৰ হোৱা দেখা নাযায়। 'ঙ' সদায় 'ক' বা 'গ'-ৰ লগত আৰু মূৰ্দ্ধণ্য 'ণ' সেই বৰ্গ আন বৰ্ণৰ লগত বিশেষকৈ 'ট'-ৰ লগত যুক্ত হৈ ব্যৱহৃত হয়। আন ঠাইত মূৰ্দ্ধণ্য 'ণ' দন্ত্য 'ন' লৈ ৰূপান্তৰিত হৈছে।

পুথিসমূহত সংযুক্ত ব্যঞ্জনৰ জোঁটনিও মন কৰিবলগীয়া। কেতিয়াবা যুক্ত ব্যঞ্জন সৰলকৃত হৈ তিনিটা ব্যঞ্জন দুটা ব্যঞ্জনত পৰিণত হৈছে আৰু আৰু কেতিয়াবা অপ্রয়োজনীয় ভাবে দুটা ধবনিৰ যুক্ত ব্যঞ্জন তিনিটা ধবনিৰ যুক্ত ব্যঞ্জনত ৰূপান্তৰিত হৈছে। তলত ইবোৰৰ প্ৰয়োগ ৰীতি উদাহৰণ সহ দাঙি ধৰা হ'ল ঃ

ৰ্য্য > ৰ্য > ৰ্জ ঃ যেনে-ভাৰ্য্যা (সু. কা. পৃ ১৪৩), কাৰ্জ (বব্ৰু. পৃ. ১৯), কাৰ্য (না. ঘো. পৃ. ১৪), ক.ভা. পৃ. ৯৮), সুৰ্য (কিত. পৃ. ৩৯, ক.গু.চ.পৃ. ৬) আদি।

ৰ্ণ > ৰ্ন্ন ঃ কৰ্ন্ন (সু. কা. পৃ ১৫৩), পুৰ্ন্ন(বব্ৰু. পৃ. ৭৩), কিত পৃ. ৯, .ক.ভা. পৃ. ৫০), সুবৰ্ন্ন (কি. পদ পৃ. ৩০, ক.গু.চ.পৃ. ১৪), বৰ্ন্ন (না. ঘো. পৃ.১০)পুৰ্ন্নিমা (শক্র. পৃ. ৯৩) ইত্যাদি।

ৰ্গ, ৰ্প > ৰ্গ্গ, ৰ্প্প ঃ স্বৰ্গ্গ(কি. পদ পৃ. ১৭, ক.ভা.পৃ. ২১, অ. বু. পৃ. ৪), কৰ্প্পৰ (ৰ.হ.নাট পৃ ১৫), সৰ্প্প(না. ঘো. পৃ.১৫, বব্ৰু. পৃ. ৩৫), দৰ্প্প (ক.ভা. পৃ. ৪৯), ইত্যাদি।

শ্চ > চ/চ্চ/ছ ঃ   নিচ্চয়ে (বব্রু. পৃ. ১৭, না. ঘো. পৃ.১৫,), আচৰ্য (না. ঘো. পৃ. ৪০, ক.গু.চ.পৃ.৬৭,অ. বু. পৃ. ৩৯), নিছই(শক্ৰ. পৃ. ২৯) পচিম (অ. বু. পৃ. ৪৫) ইত্যাদি।

ষ্ঠ > ষ/ষ্ট   ঃ   শ্ৰেষ (অযো পৃ. ১০৫), পাপিষি (বব্রু. পৃ. ৪১) দুষ ৰু.হ.নাট পৃ.১৬), দৃষি (ক.ভা. পৃ. ১৫), জেষ (ক.গু.চ.পৃ.১৪),শ্ৰেষ্ট(কি. পদ পৃ. ১০) কনিষ (শক্ৰ. পৃ. ১২) ইত্যাদি।

ইয়াৰ বাহিৰেও পুথিসমূহত আৰু এনে অনেক যুক্তাক্ষৰৰ সৰলীকৃত ৰূপ আছে, যিবোৰে তৎকালীন অসমীয়া ভাষাৰ উচ্চাৰণ ৰীতিৰ পৰিচয় দিয়াৰ লগতে অসমীয়া আখৰ জোঁটনিৰো সুন্দৰ চানেকি দাঙি ধৰে। উদাহৰণ স্বৰূপে আদ্য ধবনি শ্/স্ব, মধ্য 'ৎস', 'চ' হিচাপে(ছেষ, চৰ্গ, উচৱ আদি)আৰু শ্ৰীধবনি শৃ/ ছিৰি হিচাপে (শৃমন্ত, ছিৰি ,সঙ্ক ৰে আদি) ব্যৱহাৰ হোৱাৰ কথা উল্লেখ কৰিব পাৰি। ফলি আৰু পুৰণি হাতে লিখাপুথিবোৰত জোঁটনিৰ এটি মন কৰিবলগীয়া বিশেষত্ব হৈছে যে ইবোৰৰ ক'তোৱেঁই দাঁড়ি আৰু দুটা ফুটৰ কলোনৰ (:) বাহিৰে শব্দ যতি দেখা নাযায়। এইদৰে দুটা শব্দৰ মাজত কোনো ফাঁক - নথকাৰ কাৰণে ফলি বা পুথিৰ শুদ্ধ পাঠ নিৰূপণ কৰোতে প্ৰায়ে বিভ্ৰান্তিৰ সৃষ্টি হয়। তদুপৰি চৰ্যা, শ্ৰীকৃষ্ণকীৰ্ত্তন আদিৰ দৰে উল্লিখিত পুথিসমূহতো মাজে মাজে অনুস্বৰ আৰু চন্দ্ৰবিন্দু বুজাবলৈ মূল বৰ্ণৰ মাত্ৰা ওপৰত সোঁফালে বিন্দু চিহ্নৰ ব্যৱহাৰ কৰাত (যেনে - ব °স, পদ্ম ° আদি) তেনে শব্দৰ সঠিক উচ্চাৰণ সম্পৰ্কতো সন্দেহ ওপজে। *

এইদৰে পুৰণি হাতেলিখা পুথিবোৰত আখৰ জোঁটনিয়ে এক বিচিত্ৰ ৰূপ লৈছে। পুৰণি কালত অসমীয়া ভাষাত ধৰাবন্ধা লিখিত ব্যাকৰণো নাছিল, অভিধানো নাছিল। সংস্কৃত বৰ্ণ বিন্যাস আৰু ত্যৎকালীন অসমীয়া ভাষাৰ উচ্চাৰণ-বৈশিষ্ট্য, ইয়াৰ ওপৰত ভিত্তি কৰিয়েই প্ৰাচীন অসমীয়া কবি সাহিত্যিক সকলে বিভিন্ন গ্ৰন্থ ৰচনা কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ সেইসকল পুৰণি অসমীয়া সাহিত্যিকৰ স্বহস্ত লিখিত এখন পুথিও আৱিস্কৃত হোৱা নাই। প্ৰাপ্ত পুথিসমূহৰ সৰহ খিনিয়েই সম্প্ৰসাৰিত পাঠ, অৰ্থ্যাৎ মূল পুথিৰ নকল বা নকলৰ পৰা কৰা নকলহে। নকলকাৰক লিখক বা খনিকৰ সকলৰো অধিকাংশই অনভিজ্ঞ, অৰ্দ্ধশিক্ষিত বা কেতিয়াবা সম্পূৰ্ণ অশিক্ষিত আছিল আৰু তেওঁলোকে ছবি আঁকাৰ দৰে আখৰৰ গঢ় চাইহে পুথি লিখিছিল। সেয়েহে পুৰণি পুথিৰ আখৰ জোঁটনিয়ে ভিন ভিন ৰূপ

উদাহৰনৰ বোৰৰ শেৰত কেৱল পৃষ্ঠা সংখ্যাহে দিয়া হৈছে

লৈছে। কেতিয়াবা ভাল বা অভিজ্ঞ লিপিকাৰৰ পুথিতো অনেক ভুল থাকে।[১৭] পুথিৰ জোঁটনিত থকা বিসঙ্গতি তথা খেলিমেলি যেন লগা সেই ভিন্ন ৰূপবোৰকো ভুল বুলি নাভাবি পাঠ-সমীক্ষাৰ জৰিয়তে সকলো অমিল-মিলৰ মাজতো পুৰণি অসমীয়া ভাষাৰ নিজস্ব এক আদর্শ বর্ণবিন্যাস নিৰূপন কৰাটো আদৰ্শনীয় হ'ব'[১৮]

সাঁচিপতীয়া তুলাপতীয়া পুথিৰ পিছত অসমীয়া ছপা পুথিৰ আখৰ জোঁটনিৰ প্ৰথম নমুনা পোৱা যায় আত্মাৰাম শৰ্মা ৰচিত কলিকতাৰ শ্ৰীৰামপুৰৰ পৰা প্ৰকাশিত প্ৰথম অসমীয়া ছপা পুথি গ্ৰন্থ 'ধৰ্ম পুস্তক'ত (১৮১৩)। ইয়াৰ মাজে মাজে পুৰণি অসমীয়া বৰ্ণবিন্যাস ৰীতি (যেনে - ভাৰ্যাৰ লেখীয়া) মানি চলা হৈছে যদিও এই বৰ্ণবিন্যাস বহু পৰিমানে বঙলা প্ৰভাৱিত। কিন্তু উল্লেখযোগ্য যে 'ধৰ্ম পুস্তক'ৰ 'নতুন নিয়ম' খণ্ডৰ আৰম্ভণিত থকা 'নামচচাৰণৰ বৰ্ণ-বিচাৰ' তে সৰ্বপ্ৰথমে উচ্চাৰণ পদ্ধতি বা আখৰ জোঁটনি সম্পৰ্কীয় চিন্তা-চৰ্চাৰ আৰম্ভ হয়। তাৰ পিছতে এই বিষয়ৰ আলোচনা পোৱা যায় যাদুৰাম ডেকাবৰুৱাই বঙলা- অসমীয়া অভিধান নিৰ্দ্দিষ্ট কৰা উচ্চাৰণ-ভিত্তিক বৰ্ণবিন্যাস প্ৰক্ৰিয়াত। যাদুৰাম ডেকাবৰুৱাৰ মতে আমি যিটো কথা যেনেকৈ উচ্চাৰম কৰোঁ তাক লেখোঁতেও তেনেকৈ লিখিব লাগে। সেইবাবে তেওঁ এক উচ্চাৰণৰ আখৰ-বিলাকৰ (যেনে - শ,ষ,স; চ,ছ; জ,য,ঝ) ভিতৰত এটা আখৰ মাথোন ব্যৱহাৰ কৰিইবোৰ এৰি দিছিল।[১৯] যাদুৰামৰ এনে উচ্চাৰণ-ভিত্তিক বৰ্ণ-বিন্যাসকে ব্ৰাউন-ব্ৰন্সন প্ৰভৃতি অসমৰ পাদুৰী লেখকসকলে বাস্তৱানুগ বুলি গ্ৰহণ কৰি তেনে জোঁটনিৰেই পোন প্ৰথমে অসমীয়া ভাষাত অভিধান ব্যাকৰণ প্ৰণয়ন কৰিছিল আৰু অসমৰ প্ৰথম আলোচনী 'অৰুনোদই'তো এনে জোঁটনিকে মানি চলিছিল। ১৮৫৪ চনৰ এপ্ৰিল সংখ্যাত 'অৰুনোদই'ৰ 'style and mode of spelling' শিতানত লিখা কথাখিনিয়ে অসমৰ মিছনেৰী পণ্ডিতসকলৰ আখৰ জোঁটনি সম্পৰ্কীয় মূল কথা ঃ "ভাসা লিখোঁতে, আখৰৰ জিমান জাতি, তিমানহে লিখিব লাগে, একে জাতিৰ দুই তিনি প্ৰভেদৰ সকাম নাই। জ, য-ৰ একোটা উচ্চাৰণ; এই হেতুকে 'জ'-ৰ বাহিৰে আন য নিলিখোঁ। শ,ষ,স, এই তিনিটাৰে একে মাত, শ্ৰী, স্ৰীৰ একো ভেদ নেদেখোঁ; আমি কেৱল সহে লিখোঁ। ন,ণ আৰু হ্ৰস্যদিৰ্ঘতো এইদৰে বুজিবা।" আখৰ জোঁটনিৰ ক্ষেত্ৰত মিছনেৰীসকলক সৰল ৰীতি-অনুসৰণ কৰাত অনুপ্ৰেৰণা যোগাইছিল নিশ্চয় পুৰণি পুথিত দেখা বিভিন্ন বাগ্‌ধবনিৰ খেলিমেলিজনক ব্যৱহাৰে।

সি যি কি নহওক, বাগ্ বিজ্ঞানৰ অধুনাতন ৰীতি মতে উচ্চাৰণ অৰ্থাৎ বৰ্ণতাত্ত্বিক সূত্ৰই কোনো এটা ভাষাৰ আখৰ জোঁটনিৰ সৰ্বোৎকৃষ্ট পন্থা। সেই হিচাপে মিছনেৰীসকলৰ আখৰ জোঁটনি আছিল অধিক বিজ্ঞান সন্মত। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে লিখিত পৰম্পৰা বিহীন কথ্য ভাষাৰ ক্ষেত্ৰতহে এই নীতি পুৰামাত্ৰাই প্ৰযোজ্য। অসমীয়াৰ ভাষাৰ দৰে হাজাৰ বাৰশ বছৰীয়া লিখিত পৰম্পৰা থকা এটা জীৱন্ত ভাষাৰ ক্ষেত্ৰত কেৱল উচ্চাৰণৰ ভিত্তিত জোঁটনি নিৰ্দ্ধাৰণ কৰাটো সম্ভৱ নহয়। সম্ভৱতঃ সেই কাৰণেই অসমীয়াৰ ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই উচ্চাৰণৰ লগতে আৰু দুটা নীতিলৈ লক্ষ্য কৰি আধুনিক অসমীয়া ভাষাৰ আখৰ-জোঁটনিক এক স্থয়ী ৰূপ প্ৰদান কৰিলে। হেমচন্দ্ৰ বৰুৱাৰ মতে "আমাৰ ভাষাৰ বৰ্ণ বিন্যাস তিনি প্ৰকাৰে কৰা হয়। প্ৰথমে উচ্চাৰণ অনুসৰি; দ্বিতীয়তে : মূল শব্দৰ দৰে, তৃতীয়তে জনা লোকসকলে বহুদিন চলোৱা নিয়ম মতে।" এই তিনিওটা নীতিকে এৰাধৰাকৈ সুবিধা মতে খাপখুৱাই প্ৰয়োগ কৰাই উত্তম পন্থা বুলি হেমচন্দ্ৰ বৰুৱা প্ৰত্যয় গৈছিল আৰু সেইমতে শব্দবোৰৰ লিখিত ৰূপদান কৰিছিল। এই জোঁটনি সংস্কৃতীয়া হ'লেও হেমচন্দ্ৰ বৰুৱাই নিৰ্দ্দেশ কৰা আখৰ- জোঁটনিৰ এই যুক্তিসন্মত বাস্তৱ ৰীতি অসমীয়া পণ্ডিতকসকলৰ লগতে মিছনেৰী পণ্ডিত সকলেও মানি ললে। এইদৰে হেমচন্দ্ৰ বৰুৱাই সংস্কৃতিয়া আখৰ - জোঁটনিৰ নতুনকৈ অভিধান- ব্যাকৰণ লিখি মিছনেৰীসকলৰ সৰল জোঁটনিৰে লিখা নিশকতীয়া অসমীয়া কথা শৈলীক ওজস্বিতা দান কৰাৰ লগতে অসমীয়া ভাষাৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে। ভাষা গতিশীল। ই সদায় সৰলৰ পৰা সৰলতৰ স্তৰলৈ গতি কৰে। এই গতিশীলতাৰ কাৰণে ভাষাৰ বিভিন্ন দিশত বিভিন্ন পৰিৱৰ্ত্তন হয়। সেয়েহে হেমচন্দ্ৰ বৰুৱাৰ আখৰ-জোঁটনিকো সৰলীকৰণৰ ৰীতি অনুসৰি বিভিন্ন সময়ত বিভিন্নজনে ব্যক্তিগত তথা সামূহিক প্ৰচেষ্টাৰে কিছু পৰিৱৰ্ত্তন কৰি ছপাশালৰ উপযোগী কৰাৰ লগতে অধিক বাস্তৱসন্মত কৰিবলৈ চেষ্টা কৰি আহিছে।

প্ৰসঙ্গ পুথি ঃ

১। মুকুন্দমাধৱ শৰ্মা ঃ *'Introduction,' Inscriptions of Ancient Assam, ' The family of Pusya Barman' P.0.30, 'The Mleccha*

dynasty' P.0.33-0.34, 'The Brahma pala dynasty' P.0.0.35-0.36 Later rules' P. 0.36

২ পূৰ্বোক্ত গ্ৰন্থ ঃ পৃ. 0.25, 0.26

৩ পদ্মনাথ ভট্টাচাৰ্য্য ঃ কামৰূপ শাসনাৱলী, পৃ. ২৫, ১৮

৪ পূৰ্বোক্ত গ্ৰন্থ ঃ পৃ. ১৩, ১৫৬

৫ *Niva Potapova : Learning Russians, P.7*

৬ প্ৰগোক্ত গ্ৰন্থ ঃ পৃ. ক্ৰমে ১৭৪, ৯৭, ১৭৫

৭ *Inscriptions of Ancient Assam : P.156, 158*

৮ উপেন্দ্ৰ নাথ গোস্বামীঃ ভাষা-বিজ্ঞান, পৃ. ১৭৬

৯ ৰামচৰণ ঠাকুৰীয়া ঃ পাঠ সমীক্ষাৰ প্ৰসঙ্গত, পৃ. ৩৫

১০ নীল ৰতন সেন ঃ 'ভূমিকা', চৰ্যাগীতিকোষ, পৃ. চ

১১ পূৰ্বোক্ত গ্ৰন্থ ঃ পৃ. দ

১২ *Inscriptions of Ancient Assam : P.18, 229*

১৩ বসন্তৰঞ্জন ৰায় (সম্পা) ঃ বড়ু চণ্ডীদাসেৰ শ্ৰীকৃষ্ণকীৰ্ত্তন পৃঃ ⁄

১৪ পূৰ্বোক্ত গ্ৰন্থ ঃ পৃ. ২।.

১৫ মহেশ্বৰ নেওঁগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ৬৫-৭৫

১৬ ৰামচৰণ ঠাকুৰীয়া ঃ পাঠ সমীক্ষাৰ প্ৰসঙ্গত, পৃ. ৪০

১৭ পূৰ্বোক্ত গ্ৰন্থ ঃ পৃ. ৪২

১৮। মহেশ্বৰ নেওঁগ (সম্পা)ঃ 'ভূমিকা' অৰুনোদই, পৃ. ১১৩

১৯। পূৰ্বোক্ত গ্ৰন্থ ঃ পৃ. ১২০

◆◆◆◆◆

অসমীয়া ভাষা ঃ ঐতিহ্য বিচাৰ

বসন্ত কুমাৰ ভট্টাচাৰ্য

কোনো এটা জাতিৰ- ভাষা- সাহিত্য-সংস্কৃতিৰ ব্যাপ্তি আৰু গভীৰতাহি সেই জাতিৰ মহত্ব আৰু স্বতন্ত্ৰতা প্ৰকাশ কৰে। বিশ্বৰ বুকুত গৌৰৱময় আসন অধিকাৰ কৰি নিজৰ মহত্ব আৰু স্বকীয়তা প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হোৱা জাতিসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে, সিসমূহৰ ভাষা- সাহিত্য- সংস্কৃতিৰ এক ঐতিহ্যপূৰ্ণ আৰু স্পন্দনশীল ইতিহাস আছে। উত্তৰ- পূব ভাৰতৰ, বৰ্ত্তমান অসম নামেৰে অভিহিত ৰাজ্যখনত বাস কৰা অসমীয়া জাতিৰ মহত্ব আৰু স্বকীয়তা যেনেদৰে সুপ্ৰতিষ্ঠিত, তেনেদৰে ইয়াৰ ভাষা- সাহিত্য- সংস্কৃতিৰ ইতিহাসো ঐতিহ্যপূৰ্ণ আৰু গৌৰৱময়।

অসমীয়া জাতি তথা ইয়াৰ ভাষা- সাহিত্য- সংস্কৃতি; আৰ্য আৰু আৰ্যেতৰ বিবিধ জনগোষ্ঠীৰ সমন্বয় আৰু সংশ্লেষণৰ ফল। নৃতাত্বিক আৰু ভাষাতাত্বিক দেশী- বিদেশী পণ্ডিত সকলে অসমীয়া জাতি- ভাষা- সাহিত্য- সংস্কৃতিৰ গঠন আৰু বিকাশৰ বিষয়ে আলোচনাৰ প্ৰসংগত, সমন্বয়াত্মক আৰু সংশ্লেষণাত্মক প্ৰক্ৰিয়াৰ বিভিন্ন দিশ দৃষ্টান্তসহ দাঙি ধৰিছে।

পণ্ডিতসকলে অসমীয়া জাতি তথা ইয়াৰ ভাষা- সাহিত্য সংস্কৃতিৰ বিকাশৰ ধাৰাটোক বিশাল লুইতৰ সোঁতৰ লগত তুলনা কৰিছে। এনে তুলনাক অৰ্থহীন ভাব- বিলাসিতা বুলি উৰুৱাই দিব পৰা নাযায়। কাৰণ- নানানৈ, উপনৈৰ জলধাৰ বুকুত সামৰি লুইতে তাৰ সোঁত সুবিস্তৃত, সুগভীৰ আৰু নিৰৱচ্ছিন্ন কৰি ৰখাৰ দৰে অসমীয়া জাতি- ভাষা- সংস্কৃতিয়েও আৰ্য আৰু আৰ্যেতৰ নানান জাতি- গোষ্ঠীৰ সমলৰ সমন্বয়, সমাহৰণ আৰু সংশ্লেষণৰ জৰিয়তে তাৰ স্বৰূপ আৰু গৰিমা ঘোষণা কৰি আহিছে। উল্লেখনীয় কথা এই যে, এই স্বৰূপ আৰু গৰিমাই অসমৰ জাতীয়- জীৱনত অংকুৰণ কৰিছে প্ৰগতি আৰু সংস্কাৰৰ বীজ।

উত্তৰ- পূব ভাৰতৰ যি ভূখণ্ডক বুজাবলৈ 'অসম' নামটো সম্প্ৰতি ব্যৱহাৰ কৰা হৈছে, সেইটো নাম অৰ্বাচীন। মহাপুৰুষ শংকৰদেৱৰ ৰচনাত

পোন প্ৰথমবাৰৰ বাবে 'অচম' শব্দটোৰ উল্লেখ পোৱা যায় । ত্ৰয়োদশ শতিকাত এই ভুখণ্ডলৈ অহা আহোম জাতিৰ লোকসকলক বুজাবলৈ গুৰুজনাই 'অসম' নামটো ব্যৱহাৰ কৰিছে। ভূখণ্ডক বুজাবলৈ 'আসাম' আৰু তাৰ বাসিন্দাসকলক বুজাবলৈ 'অহমিয়া'- এই শব্দদুটাৰ প্ৰয়োগ পোনতে পোৱা যায় 'কথাগুৰুচৰিতত'। 'অসম' নামৰ উৎপত্তি সম্পৰ্কে আলোচনাপ্ৰসংগত, পণ্ডিতসকলে ভিন ভিন মত পোষণ কৰা দেখা যায়। পণ্ডিতসকলৰ মত সমূহৰ ওপৰত ভিত্তি কৰি এটা কথা স্পষ্টভাৱে ক'ব পাৰি যে- 'অসম' নামটো 'আহোম' জাতিটোৰে সৈতে গভীৰ ভাৱে সম্পৃক্ত।

অসমৰ প্ৰচীন নাম 'প্ৰাগ্জ্যোতিষপুৰ' আৰু 'কামৰূপ'। মহাভাৰতত প্ৰাগ্জ্যোতিষ পুৰক 'কিৰাত'ৰ দেশ ৰূপে প্ৰতিপন্ন কৰা হৈছে। এই 'কিৰাত ' সকল মংগলয়দ গোষ্ঠীৰ লোক । 'সংস্কৃত সাহিত্যত 'কামৰূপ' আৰু 'প্ৰাগ্জ্যোতিপুৰ'- এই দুয়োটা নামৰে বিকল্পভাৱে প্ৰয়োগ হোৱা দেখা যায়'। (ড ° বাণীকান্তকাকতি ঃ Assamese : Its Formation and development) চীন পৰিব্ৰাজক হিউৱেনচাঙে এই ৰাজ্যখনক 'ক-মো-লু-পো' বুলি জানিছিল। 'ক- মো- লু- পো,' 'কামৰূপ 'শব্দটোৰে আন এটি ৰূপ। মুছলমান আক্ৰমণ কাৰীসকলে ইয়াক 'কাম্ৰু' বা 'কামৰূদ্ ' নামেৰে বুজাইছিল। এই নামটোৰ সৈতে চাওতালী ভাষাৰ কমৰু' বা 'কম ৰু' শব্দৰ সমপৰ্ক থকা বুলি ড০ কাকতিয়ে উল্লেখ কৰিছে। চৰ্যাপদত 'কামৰূপ'ক বুজাবলৈ 'কামৰু 'শব্দৰ প্ৰয়োগ কৰা হৈছে। পুৰাণৰ মতে 'প্ৰাগজ্যোতিষপুৰ' নৰকৰ পূত্ৰ ভগদত্তৰ ৰাজধানী আছিল। এই প্ৰাগ্জ্যোতিষপুৰেই হ'ল আজিৰ গুৱাহটীচহৰ। গুণাভিৰাম বৰুৱাই তেওঁৰ 'অসম বুৰঞ্জী' গ্ৰন্থত- 'অসম' ৰাজ্য গঠনৰ আলোচনা প্ৰসংগত লিখিছে, 'পুৰাণ প্ৰভৃতি চালে এনেটোহে জানি যে, পূৰ্বকালৰ কামৰূপ, শোণিতপুৰ, হিড়ম্ব, মনিপুৰ আৰু কৌণ্ডিল্য- এই কেইদেশৰ, অধিকাংশই, এতিয়া অসম নামে প্ৰসিদ্ধ হৈছে; ইয়াৰপৰা স্পষ্টভাৱে অনুভৱ কৰিব পাৰিযে, 'অসম' ৰাজ্যখন সক- বৰ একাধিক দেশৰ সমষ্টি।

সময়ৰ অগ্ৰগতিৰ লগে লগে 'অসম' ৰাজ্যখনে যেনেদৰে ভিন ভিন নাম পৰিগ্ৰহণ কৰি আহিছে, তদ্ৰুপ ইয়াৰ চাৰিসীমাৰো লৰচৰ হৈ আহিছে। ' যোগিনীতন্ত্ৰ' আৰু 'কালিকাপুৰাণ' মতে কামৰূপ (অসম) ৰ উত্তৰ- সীমা হিমালয় পৰ্বত, পূবে দিক্ৰাই নৈ, দক্ষিনে সমুদ্ৰ আৰু পশ্চিমে কৰতোয়া নদী। 'মহাভাৰতৰ ভীষ্মপৰ্বত উল্লেখ আছে, 'লোহিত্যং কৰতোয়াংচ

তথৈব বৃষকাহ্বয়ম্' । কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালতো যে ইয়াৰ পশ্চিমসীমা কৰতোয়া নদী আছিল , তাক হিউৱেনচাঙৰ টোকাৰপৰাই জানিব পাৰি। গতিকে , সাম্প্ৰতিক বংগভূমিৰ সুবিস্তৃত অঞ্চল এটিওযে প্ৰচীন কামৰূপৰ ভিতৰুৱা আছিল , তাত সন্দেহৰ অৱকাশ নাই।

ওপৰত উল্লেখ কৰি অহা হৈছে যে, অসমীয়া জাতি আৰ্য আৰু আৰ্যতৰ জাতি- গোষ্ঠীৰ সমন্বয়ত গঢ় লৈ উঠিছে। আৰ্যেতৰ গোষ্ঠী সমূহৰ ভিতৰত 'মংগলয়দ ', 'অষ্ট্ৰিক'- আৰু 'নেগ্ৰিটো' গোষ্ঠীৰ লোকসকলে, এই ৰাজ্যত অতি প্ৰচীন কালৰেপৰা বসবাস কৰি আহিছে। আৰ্যসকলৰ, ইয়ালৈ কেতিয়া প্ৰব্ৰজন ঘটিল, তাৰ নিৰ্দিষ্ট চন- তাৰিখ, স্পষ্টভাৱে উল্লেখ কৰা কঠিন , যদিও পণ্ডিত সকলে অনুমান কৰে যে, খৃষ্টপূৰ্ব শতিকাতে এই জনগোষ্ঠীটোৰ লোকসকলে ইয়াত বসতি বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিছিল। খৃঃ পূঃ চতুৰ্থ শতিকাত ৰচিত 'শতপথ' ব্ৰাহ্মণ' গ্ৰন্থত, এই ৰাজ্যত বসবাস কৰা আৰ্যগোষ্ঠীৰ লোকৰ উল্লিখন পোৱা যায়। তেওঁলোকে ইয়াত বাস কৰিবলৈ লৈয়েই তেওঁলোকৰ নিজা ভাষা সংস্কৃতি আৰু ধৰ্মবিস্তাৰ কৰিবলৈ আৰম্ভ কৰে । পণ্ডিতসকলে অনুমান কৰে যে, আৰ্যসকলৰ ভাষা, সংস্কৃতি আৰু ধৰ্মীয় ভাৱনা, প্ৰাক্-আৰ্য মংগলয়দ, অষ্ট্ৰিক আদি জাতি- গোষ্ঠীৰ তুলনাত অধিক শক্তিশালী আছিল। সেয়ে, প্ৰাক্- আৰ্যগোষ্ঠীৰ লোকসকলে তেওঁলোকৰ নিজা ভাষা সংস্কৃতি আৰু ধৰ্মীয় ভাৱনা পৰিহাৰ কৰি আৰ্যসকলৰ ভাষা সংস্কৃতি আৰু ধৰ্মীয় ভাৱনাৰ অনুগামী হ'ল। আৰ্য সকলেও 'দিয়া আৰু লোকৰ মানসিকতাৰে আৰ্যেতৰ জাতি সমূহৰ লগত একাত্মতা স্থাপন কৰি উদাৰ দৃষ্টি ভংগীৰ পৰিচয় দিলে। এনেদৰে আৰ্য আৰু আৰ্যেতৰ জাতি- গোষ্ঠীসমূহৰ মিলন আৰু মিশ্ৰণৰ ফলত, এই ভূখণ্ডত যি এটা নতুন জাতি গঢ় লৈ উঠি, সিয়েই বৃহৎ অসমীয়া জাতি। অসমীয়া ভাষা- সংস্কৃতি, এই জাতি টোৰেই অমূল্য সম্পদ।

অসমীয়া ভাষাৰ উৎপত্তি সমপৰ্কে ভাষাতত্ত্ববিদ সকলৰ মাজত মত- পাৰ্থক্য আছে, যদিও ভাৰতীয় আৰ্য - ভাষাৰ পৰাই যে ইয়াৰ উদ্ভৱ হৈছে, সেইবিষয়ে কোনোৰো মনত সন্দেহৰ অৱকাশ নাই। গ্ৰীয়াৰ্ছন চাহাব, ড ° সুনীতি কুমাৰ চেটাৰ্জী, ড ° বনীকান্ত কাকতি আদি প্ৰথিতযশা পণ্ডিত সকলে, অসমীয়া ভাষাটো ভাৰতীয় আৰ্য- ভাষাৰ মাগধী প্ৰাকৃতৰপৰা ওলোৱা বুলি মত পোষণ কৰিছে। আনহাতে বেণীমাধৱ বৰুৱা, ডিম্বেশ্বৰ নেওঁগ, কালিৰাম মেধি আদি পণ্ডিতৰ মতে অসমীয়া - ভাষা কামৰূপী

প্ৰাকৃতৰপৰা উদ্ভৱ হৈছে।

অসমীয়া ভাষাৰে স্বতন্ত্ৰতাৰ প্ৰসংগত প্ৰথম ঐতিহাসিক মন্তব্য আগবঢ়ায় সপ্তম শতিকাৰ চীন পৰিব্ৰাজকহিউৱেনচাঙে। পৰিব্ৰাজক গৰাকীৰ 'তেওঁলোকৰ (কামৰূপীলোকৰ) ভাষা মধ্য ভাৰতীয় ভাষাতকৈ অলপ বেলেগ' বোলা মন্তব্যাই, সপ্তম শতিকাতে অসমীয়া ভাষাটোৱে সুকীয়া গঢ় লৈ বিকশিত হোৱাৰ ইংগিত দিয়ে। এই সুকীয়া গঢ় লোৱাৰ মূলতেই হ'ল অসমলৈ প্ৰব্ৰজিত আৰ্যগোষ্ঠীৰ লোকৰ কথিত ভাষাৰ ওপৰত আৰ্যেতৰ গোষ্ঠীসমূহৰ কথিত ভাষাৰ প্ৰভাৱ। আনকথাত ক'বলৈ গ'লে, অসমত আৰ্য আৰু আৰ্যেতৰ গোষ্ঠীৰ ভাষাৰ, সংমিশ্ৰণৰ ফলত যি এক উমৈহতীয়া ভাষাৰ সৃষ্টি হ'ল, সি সুকীয়া বিশেষত্বলৈ সাধাৰণ লোকৰ মাজত ভাৱ বিনিময়ৰ বাহন স্বৰূপে বিস্তাৰ লাভ কৰিবলৈ ধৰিলে। হিউৱেনচাঙে মধ্যভাৰতৰ ভাষাতকৈ ইয়াৰ ভাষা অলপ বেলেগ বোলাৰ কাৰণ সেইটোৱেহে। এনেদৰে আৰ্য আৰু আৰ্যেতৰ গোষ্ঠীৰ ভাষাৰ, সংমিশ্ৰণত, অসমত (কামৰূপত) গঢ়লোৱা সুকীয়া বৈশিষ্টপূৰ্ণ ভাষাটোকে, কোনো কোনো পণ্ডিতে কামৰূপী প্ৰাকৃত বুলি অভিহিত কৰিছে আৰু তেওঁলোকৰ মতে সেই কামৰূপী প্ৰাকৃতৰ পৰাই সময়ত অসমীয়া ভাষাৰ উদ্ভৱ হৈছে।

প্ৰাচীন কামৰূপৰ সকলো শ্ৰেণীৰ লোকেই যে প্ৰাকৃত ভাষাত কথা বতৰা পাতিছিল , তেনে নহয়, অভিজাত তথা পুৰোহিত শ্ৰেণীটোৱে নিজৰ মৰ্যাদাৰ প্ৰতি সচেতন হৈ ব্যৱহাৰ কৰিছিল সংস্কৃত ভাষা , আৰু আৰ্যেতৰ গোষ্ঠীৰ লোকসকলে ঘৰুৱা কথা বতৰাত ব্যৱহাৰ কৰিছিল তেওঁলোকৰ নিজ নিজ গোষ্ঠীৰ ভাষা (দোৱান)। কালক্ৰমত, সাধাৰণ শ্ৰেণীৰ মুখে মুখে প্ৰচলিত হৈ কামৰূপী প্ৰাকৃতে যেতিয়া বিস্তাৰ লাভ কৰি সকলো শ্ৰেণীৰ লোককে স্পৰ্শ কৰিলে, তেতিয়া সিয়েই হৈ পৰিল সমস্ত কামৰূপী লোকৰ ভাৱ প্ৰকাশৰ উমৈহতীয়া মাধ্যম।

হিউৱেনচাঙৰ মন্তব্যৰ ওপৰত ভিত্তি কৰি সপ্তম শতিকাকে অসমীয়া ভাষাৰ উদ্ভৱকাল হিচাপে ধৰা হয়, যদিও ইয়াৰ প্ৰথম সাহিত্যিক ৰূপৰ নিদৰ্শন পোৱা যায় ত্ৰয়োদশ শতিকাৰ কবি হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত নামৰ সৰু কাব্যগ্ৰন্থখনতহে। ইয়াৰ পূৰ্বে নিটোল আৰু পৰিপূৰ্ণৰূপৰ অসমীয়া বুলিব পৰা সাহিত্য বৰ্তমানলৈকে উদ্ধাৰপোৱা নাই, যদিও সপ্তমশতিকাৰপৰা দ্বাদশ শতিকালৈকে ৰাজত্ব কৰা হিন্দু ৰজা সকলৰ তামৰ ফলি আৰু নৱম- দশম শতিকামানত ৰচিত বুলি ঠাৱৰ কৰা বৌদ্ধ -সিদ্ধাচাৰ্যসকলৰ চযাগীত সমূহত অসমীয়া ভাষাটোৰ প্ৰাচীনতম ৰূপৰ নিদৰ্শন পোৱা যায়।

নক'লেও চলে যে, হিন্দুৰজাসকলৰ তামৰ ফলিবোৰ ৰচিত হৈছিল সংস্কৃত ভাষাত; কিন্তু তাৰ মাজেদি জিলিকি উঠা অনা- সংস্কৃত শব্দকেতবোৰে অসমীয়া ভাষাৰ উদ্ভৱকালৰ স্বৰূপ দাঙি ধৰে। এনে শব্দ কিছুমানৰ প্ৰয়োগ আধুনিক অসমীয়াতো দেখা যায়। তলত তেনেশব্দ কেতবোৰ উল্লেখ কৰা হ'ল ঃ

(১) বলবৰ্মাৰ ফলি (দশম শতিকা)

সুবৰ্ণদাৰু (সোনাৰু)

জৰি (জৰী)

পাকটী- (পাকৰী, পাক্‌ৰি)

(২) ৰত্নপালৰ ফলি (একাদশ শতিকা)

হিজল (এবিধ গছ)

জোল

(৩) ইন্দ্ৰপালৰ ফলি (একাদশ শতিকা)

বিল্ল (বিল)

মকাখি.ান (মাখীজানস এটি জুৰিৰ নাম

সলি, ঢনি , অনি (ফলি লেখকৰ নাণ

(৪) ধৰ্মপালৰ ফলি (দ্বাদশ শতিকা)

ওড়িঅম্ম (উৰিয়াম)

ভটাৰক (কামৰূপী ভতাৰ)

লোচন (এবিধ গছ)

জান ইত্যাদি।

ওপৰত উল্লেখ কৰা শব্দবোৰৰ উপৰিও আধুনিক অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যৰ নিদৰ্শনো তামৰ ফলিৰ ভাষাত পোৱা যায়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাত হ্ৰস্ব আৰু দীৰ্ঘস্বৰৰ পাৰ্থক্য নথকাৰ দৰে তামৰফলিৰ ভাষাতো উক্ত পাৰ্থক্য অনুপস্থিত। যেনে ঃ ঈশ্বৰ >ইশ্বৰ, > স্বামী, > স্বামি , কামৰূপ > , কামৰূপ ইত্যাদি। সেইদৰে স্বৰ আৰু ব্যঞ্জন সমীভৱনৰ ক্ষেত্ৰতো অসমীয়াৰ লগত তামৰফলিৰ ভাষাৰ সাদৃশ্য বৰ্ত্তমান

। যেনে ;

(ক) স্বৰসমীভৱন ঃ পুষ্কৰিণী > পুষ্কিৰিণী

(খ) ব্যঞ্জনসমীভৱন ঃপ্ৰদ্যুম্ন

কৰ্ণ সৱৰ্ণ > কন্নসৱন্ন

শ, ষ আৰু হ ; ব আৰু ৱ, ক্ত আৰু য- এইবোৰ ব্যঞ্জন ধ্বনিৰ এটাৰ সলনি আন এটা ব্যৱহাৰ হোৱা ৰীতি অসমীয়াৰ দৰে তামৰ ফলিৰ ভাষাতো লক্ষ্য কৰিব পাৰি।

যেনে ঃ ৱীৰ্য > বীজজ, শনি > সনি,

বংশ বন্স , > সকল > শকল

ৱিংশতি > ৱিংসতি ইত্যাদি।

তামৰফলিৰ ভাষাৰ এনেবোৰ বৈশিষ্ট্যই সেইকালৰ অসমীয়া লোকৰ কথিত ভাষাটোৰেই স্বৰূপ দাঙি ধৰে। বেণীমাধৱ বৰুৱাৰ মতে এই কথিত ৰূপটোৱেই হ'ল কামৰূপী প্ৰাকৃত আৰু সিয়েই বহন কৰিছে অসমীয়া ভাষাৰ প্ৰাচীনতাৰ নিদৰ্শন।

তামৰ ফলিৰ পিছতেই অসমীয়া ভাষাৰ প্ৰাচীন ৰূপৰ নিদৰ্শন দাঙি ধৰা উল্লেখযোগ্য ৰচনা হ'ল চৰ্যাপদ সমূহ। চৰ্যাপদৰ ভাষাৰ লগত অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দমালাৰ সম্পৰ্ক ঘনিষ্ঠ। পণ্ডিত সকলে, ইতিমধ্যে এই সম্পৰ্কৰ বিষয়ে প্ৰামাণিক বিশ্লেষণ দাঙি ধৰিছে। অকল অসমীয়াৰ লগতে নহয়, বঙলা উড়ীয়া আদি ভাষাৰ লগতো চৰ্যাপদৰ ভাষাৰ সম্পৰ্ক দেখাবাই পণ্ডিতসকলে তাৰ ভাষাক সেই সেই ভাষাৰ আদিমতম ৰূপৰ নিদৰ্শন স্বৰূপে প্ৰতিষ্ঠা কৰাইছে। এনে কৰাৰ কাৰণ এই যে, বঙলা উড়ীয়া, অসমীয়া আদি ভাষাসমূহ একেটা মূলৰপৰা ওলোৱা, আৰু সি সমূহে স্বকীয় গঢ় লোৱাৰ অব্যৱহৃত পূৰ্বাৱস্থাৰ উমৈহতীয়া ভাষাটোৰ স্বৰূপ চৰ্যাপদত ৰক্ষিত হৈছে। সি যি কি নহওক, অসমীয়া ভাষাৰে সৈতে চৰ্যাপদৰ ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দমালাৰ সাদৃশ্য সমূহ তলত উল্লেখ কৰা হ'ল ঃ

(১) ধ্বনিতাত্ত্বিক সাদৃশ্য ঃ

(ক) অসমীয়া ভাষাৰ দৰে চৰ্যাপদতো কোনো শব্দৰ ওচৰাউচৰি অক্ষৰ দুটাত

'আ' ধ্বনি থাকিলে, পূৰ্ববৰ্তী 'আ', 'অ' ত পৰিণত হয়। যেনে ; (অস) চকা, (চৰ্যা) চকা।

(খ) সংস্কৃত উষ্মবৰ্ণ 'শ', 'ষ' আৰু 'স'- এই তিনিটাৰ উচ্চাৰণত অসমীয়াত কোনো পাৰ্থক্য নাই। চৰ্যাপদতো এই তিনিটাৰ এটাৰ সলনি আন এটাৰ ব্যৱহাৰ দেখা যায়। যেনে, শবৰ > সবৰ।

(২) ৰূপতাত্ত্বিক সাদৃশ্য ঃ

(ক) অসমীয়া ভাষাৰ দৰে চৰ্যাপদতো প্ৰথমাবিভক্তিৰ চিন 'এ', দ্বিতীয়াৰ 'ক', চতুৰ্থীৰ 'লৈ', ষষ্ঠীৰ 'ৰ' আৰু সপ্তমীৰ 'ত' ব্যৱহাৰ হয়। যেনে ;

প্ৰথমা 'এ'- কুম্ভীৰে খা অ

দ্বিতীয় 'ক'- ঠাকুৰক পৰিনিবিতা

চতুৰ্থী 'লৈ'- মেৰু শিখৰ লই

ষষ্ঠী 'ৰ'- ৰুখেৰ তেন্তেলী

সপ্তমী 'ত'- হাড়ীত ভাত নাহি নিতি আবেসী।

(খ) অসমীয়াৰ দৰে চৰ্যাপদতো 'ওঁতে' যোগদি বৰ্ত্তমান কালৰ কৃদন্ত পদ গঠন কৰা হয়। যেনে ; উজুবাট জাঅন্তে।

(গ) অসমীয়াৰ দৰে চৰ্যাপদতো অসমাপিকা ক্ৰিয়াত 'ই' ব্যৱহাৰ হয়। যেনে, চুম্বি, গই, দেখি ইত্যাদি।

(ঘ) অসমীয়াত নিষেধাৰ্থক 'ন', ক্ৰিয়াৰ আগত বহে। চৰ্যাপদতো তেনে ব্যৱহাৰ দৃষ্টি হয়, যেনে ন জাই, মা জাহুৰে ইত্যাদি।

(ঙ) অসমীয়াত অতীতকালৰ ক্ৰিয়া বিভক্তি ইলোঁ। চৰ্যাপদতো ইয়াৰ ব্যৱহাৰ দেখা যায়। যেনে, অচ্ছিলোঁ।

(চ) অসমীয়াত স্ত্ৰীলিংগ বুজাবলৈ 'ঈ' আৰু 'নী' প্ৰত্যয়ৰ ব্যৱহাৰ হয়। চৰ্যাপদতো এই দুটি প্ৰত্যয়ৰ প্ৰয়োগ হোৱা দেখা যায়। যেনে, শুণ্ডিনী, শিআলী ইত্যাদি।

(ছ) অসমীয়াত ভৱিষ্যত কালৰ ক্ৰিয়া বিভক্তি 'হব' চৰ্যাপদতো ইয়াৰ ব্যৱহাৰ হয়। যেনে ; কৰিব নিবাস।

(জ) অসমীয়াত ব্যৱহৃত সৰ্বনামৰ ৰূপ 'মই', 'তই', 'মোৰ' আদি চৰ্যাপদতো ব্যৱহাৰ হোৱা দেখা যায়।

(৩) শব্দমালাৰ সাদৃশ্য ঃ

চৰ্যাপদত প্ৰয়োগ হোৱা অনেক শব্দৰ লগত অসমীয়া শব্দৰ সাদৃশ্য আছে। তলত এনে কেতবোৰ শব্দ উল্লেখ কৰা হ'ল ঃ

অসমীয়া	চৰ্যা
দুৱাৰ	দুআৰ
বাপ	বাপ
ডাল	ডাল
মিছা	মিচ্ছা
নৈ	নই
হৰিণা	হৰিণী
বাট	বাট
সকল	সঅল আদি।

চৰ্যাপদৰ পিছত, অৰ্থাৎ ত্ৰয়োদশ শতিকাৰ শেষাৰ্দ্ধৰ কবি হেমসৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত ' কাব্য গ্ৰন্থ খনি ৰচনা কৰাৰ সময়ৰেপৰা সাম্প্ৰতিক কাললৈকে , অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ইতিহাসলৈ লক্ষ্য কৰিলে, আমি দুটা স্তৰ দেখিবলৈ পাওঁ। ইয়াৰ প্ৰথমটো ত্ৰয়োদশ শতিকাৰ শেষাৰ্দ্ধৰপৰা সপ্তদশ শতিকাৰ মাজভাগলৈ আৰু দ্বিতীয়টো সপ্তদশ শতিকাৰ মাজ ভাগৰপৰা সাম্প্ৰতিক কাললৈকে ধৰা হয়।

অসমীয়া ভাষাটোৱে পোনতে সুকীয়া গঢ় লৈছিল নামনি অসমত. আৰু ত্ৰয়োদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈকে, এই বিস্তৃত কালছোৱাৰ সৰহ ভাগ কবি সাহিত্যিকৰ সাহিত্য - চৰ্চাৰ কেন্দ্ৰস্থলো আছিল নামনি অসম । সেয়েহে, এইসকল কবি- সাহিত্যিকৰ ৰচনাত নামতি অসমত আজিও প্ৰচলিত ভাষাটোৰ ভাষিক বৈশিষ্ট্যৰ নিদৰ্শন সম্ভালনি ভাৱে পোৱা যায় । এই ভাষাটোৱে সেইকালত কামৰূপ ৰাজ্যৰ পশ্চিমসীমা কৰতোয়া নদী লৈকে বিস্তাৰ লাভ কৰিছিল। উল্লেখযোগ্য যে, প্ৰাচীন অসমীয়া সৰহভাগ কবি- সাহিত্যিকক কাব্যাদি সৃষ্টিৰ ক্ষেত্ৰত সেইকালৰ কামৰূপৰাজ্যৰ অন্তৰ্গত কমতা, কোচ বেহাৰৰ ৰজাই পৃষ্ঠপোষকতা দান কৰিছিল।

সপ্তদশ শতিকাৰ মাজ ভাগত, কোচৰজাৰ ৰাজত্বৰ অবসানৰ

পিছত, অসমীয়া সাহিত্য চৰ্চাৰ কেন্দ্ৰস্থল কোচবেহাৰৰ পৰা উজনিৰ আহোমৰজাৰ ৰাজধানী গড়গাঁও- ৰংপুৰলৈ স্থানান্তৰিত হৈছিল। আহোম সকলৰ, অসমীয়া সাহিত্যলৈ বিশিষ্ট অৱদান হৈছে বুৰঞ্জীসমূহ। নক'লেও হ'ব যে, এই বুৰঞ্জীসমূহৰ লগতে আহোম আমোলত ৰচিত ঘোঁৰানিদান, কামৰত্ন তন্ত্ৰ আদি গ্ৰন্থতো নামনি অসমত প্ৰচলিত ভাষাটোৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দতাত্ত্বিক বৈশিষ্ট্যৰ নিদৰ্শন যথেষ্ট পৰিমাণে পোৱা যায়। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে, সেই কালত নামনি অসমত গঢ়ি উঠা ভাষাটোৱে উজনি অসমকো স্পৰ্শ কৰিছিল।

বুৰঞ্জী সাহিত্যৰ জৰিয়তে উজনি অসমৰ কথিত ভাষাটোৱে লিখিত ভাষাৰ মৰ্যাদা লাভ কৰে, আৰু সিয়েই ইংৰাজৰ ৰাজত্ব কালত (খৃঃ ১৮২৬) আমেৰিকাৰ মিছনেৰী সকলৰ উদ্যোগত আধুনিক মান্য- অসমীয়া ভাষাৰ স্বীকৃতি পায়। মিছনেৰী সকলৰ সকলো কৰ্ম- কাণ্ডৰ প্ৰধান কেন্দ্ৰস্থল আছিল উজনিৰ শিৱসাগৰ জিলা। সেয়ে, তেওঁলোকে লিখা মেলাত সেই অঞ্চলৰ কথিত ভাষাটোকেই ব্যৱহাৰ কৰিছিল। খৃঃ ১৮৪৬ চনত মিছনেৰীসকলৰ প্ৰচেষ্টাত প্ৰথম অসমীয়া আলোচনী 'অৰুনোদই' (অৰুণোদয়) প্ৰকাশ পায়। এইখন আলোচনীয়ে আধুনিক চিন্তা - চৰ্চাৰ দুৱাৰ মুকলি কৰাৰ লগতে উজনিৰ কথিত ভাষাটোক সাহিত্য- সংস্কৃতিৰ বাহন স্বৰূপে প্ৰতিষ্ঠা কৰে।

উজনি অসম দীৰ্ঘকাল ধৰি আহোম ৰজাৰ একচেতীয়া শাসনৰ অধীনত থকা বাবে তাৰ ভাষাটোৰ এটা সুসংহত ৰূপ গঢ়ি উঠে, আনহাতে নামনি অসম কোনো এক ৰাজশক্তিৰ বিপৰীতে বিভিন্ন সময়ত, বিভিন্ন জাতি- গোষ্ঠীৰ ৰজাৰ অধীন হোৱা বাবে তাৰ ভাষাটোৰ একাধিক আঞ্চলিক ৰূপ গঢ়লৈ উঠে'।

সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে প্ৰাচীন কামৰূপ ৰাজ্যৰ সীমা সংকুচিত হৈ বৰ্ত্তমান ই এখন জিলাত পৰিণত হোৱাৰ দৰে, জন্মলগ্নৰেপৰা সপ্তদশ শতিকালৈ সাহিত্যৰ ভাষা হিচাপে প্ৰয়োগ হৈ অহা প্ৰাচীন কামৰূপী ভাষাটোৱো পৰিসৰ ঠেক হৈ আহি বৰ্ত্তমান কালত সি এটা, একাধিক আঞ্চলিকৰূপ বিশিষ্ট উপভাষাত পৰিণত হ'লহি'।

পৰিৱৰ্ত্তন শীলতা ভাষাৰ স্বাভাৱিক ধৰ্ম। ভৌগোলিক, সামাজিক, ৰাজনৈতিক আদি প্ৰভাৱ, ঐতিহাসিক, কাৰণ, ভিন্ন ভাষাৰ প্ৰভাৱ, ব্যক্তিগত প্ৰভাৱ আদি নানান কাৰণত ভাষাই পৰিৱৰ্ত্তন লাভ কৰে। অসমীয়া ভাষাও

এই বোৰ প্ৰভাৱৰপৰা মুক্ত হৈ থাকিব পৰা নাই। সেয়ে, সময়ৰ অগ্ৰগতিৰ লগে লগে অসমীয়া ভাষায়ো পৰিৱৰ্ত্তনৰ মাজেদি পৰিপুষ্টি লাভ কৰি তাৰ গতিশীলতা আৰু স্বতন্ত্ৰতা অটুট ৰাখিবলৈ সমৰ্থ হৈছে।

অসমীয়া ভাষাৰ দুটা প্ৰবাহ : কল্পনা নে বাস্তৱ

ড° ৰমেশ পাঠক

দেবানন্দ ভৰালিয়ে 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ'ত প্ৰথমতে এনে এটা সম্ভাৱনাৰ কথা কৈছিল-

(১) "৭ম, ৮ম শতিকাত কামৰূপত এটা বেলেগ প্ৰাকৃত চলিছিল যাক আমি 'কামৰূপীয়া' প্ৰাকৃত বুলিব পাৰোঁ। কিন্তু সৌমাৰ খণ্ডত এনে কিছুমান বিশেষত্ব আছে যিবিলাকৰ গুণে কামৰূপীয়া প্ৰাকৃততকৈও এটা পুৰণি স্তৰৰ ভাষা ধৰা পৰে। ইয়াক পুৰণি বোলাৰ কাৰণ এয়ে যে ইয়াৰ কিছুমান বিশেষত্ব উত্তৰ পশ্চিম আৰু দক্ষিণ ভাৰতীয় ভাষাতে পোৱা যায়। ১২শ, ১৩শ, শতিকাত বংগদেশৰ আৰু ১২শৰ পৰা ১৬শ শতিকালৈকে অসমত লিখা পুথিবিলাকৰ ভাষাকে কামৰূপীয়া প্ৰাকৃতিৰ প্ৰতিনিধি বুলিব পাৰি। কিন্তু ১৬শ শতাব্দীৰ পাচে আধুনিক ভাষাৰ যিবিলাক বিশেষত্ব সেইবিলাকেই সৌমাৰ প্ৰাকৃকিৰ বিশেষত্ব।" পৃঃ৩৫

ডঃ উপেন্দ্ৰ নাথ গোস্বামীয়ে "অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ" নামৰ গ্ৰন্থত ভৰালিৰ ঋণ স্বীকাৰ নকৰিলেও তেওঁৰ কথাকেই দোহাৰিছে। যেনে-

(২) "সোতৰ শতিকালৈকে কামৰূপ নামেৰে প্ৰসিদ্ধ অসমখনৰ ভাষাটোকে কামৰূপী বোলা হৈছিল। এই ভাষাটো মূলতে দুটা প্ৰবাহৰ সমষ্টি। এটা বৰ্ত্তমানৰ পশ্চিম অসমৰ উপভাষাই প্ৰতিনিধিত্ব কৰা প্ৰবাহ আৰু আনটো পূব অসমৰ মান্য ভাষাটোৱে প্ৰতিনিধিত্ব কৰা প্ৰবাহ।" পৃ. ২৯

অৱশ্যে ৩৩ পৃষ্ঠাত ডঃ গোস্বামীয়ে লিখিছে : "দেবানন্দ ভৰালিয়ে উল্লেখ কৰা 'কামৰূপীয়া প্ৰাকৃত' আৰু 'সৌমাৰ প্ৰাকৃত'ৰ দ্বাৰা অসমীয়া ভাষাৰ এই দুয়োটা প্ৰবাহকে বুজোৱা হৈছে।"

যদি এয়াই হয়, ডঃ গোস্বামীৰ দুটা প্ৰবাহৰ ধাৰণাৰ মূল উৎসহ দেবানন্দ ভৰালি আৰু সেইবাবে ভৰালিৰ ধাৰণাৰ যুক্তিযুক্ততা পোনতে

বিচাৰ কৰি চোৱা উচিত হ'ব। মৌলিক বিচাৰত তেওঁ লিখিছে-

i) "অসমীয়া ভাষা সংস্কৃতিৰ পৰা নমা নাই। সি প্ৰাকৃতিক।........ সংস্কৃত অসমীয়া ভাষাৰ মাক নহয়, বৰং মাহীয়েক। এতেকে মাকৰ আৰ্জাৱে বুলি আমি ধৰি ল'ব পাৰোঁ। এই সূত্ৰেহে আমি অসমীয়া ভাষাৰ মূল বিচাৰিম বা সংস্কৃতৰ উদাহৰণ ল'ম।"

পৃঃ২-৩

ii) "৬০০ খৃঃ পূৰ্বত সংগৃহীত মনু-সংহিতাই আসামক আৰ্য্যাবৰ্তৰ পৰা বাদ দিছে।...........আসামত হোৱা আৰ্য্য-বসতি ৬০০ খৃঃ পূৰ্বৰ আগলৈ বোধকৰো ঠেলিব নোৱাৰি।"

পৃঃ ৬২ (প্ৰথম সংস্কৰণ)

৬২ পৃষ্ঠাত অসমত আৰ্য্য বসতি খৃঃপূঃ ৬০০ৰ আগলৈ ঠেলিব নোৱাৰি বুলি কোৱা ভৰালিয়ে হৰ্ণলি, পাৰ্জিটাৰ আদিৰ সূত্ৰৰ আধাৰত অন্তৰ্বৃত্ত মানি লৈ অসমত আৰ্য্য বসতি প্ৰাক বৈদিক যুগতে হোৱা বুলি আগতে কৈ থৈছে। যেনে-

iii) "কিন্তু সংস্কৃতীয়া যুগৰ (১০০০-২৫০০ পূঃ খৃষ্টাব্দ) আগতে আসামত আৰ্য্য বসতি হৈছিল সেইবোৰ 'চেলেক', 'পোৰ' আদি শব্দৰ পৰা (যিবিলাক আৰ্য্য শব্দ সংস্কৃতিৰ পৰা অহা নাই) ধৰা পৰে।" পৃষ্ঠা-৩০ তৃতীয় সং

ক'বলৈ গলে দেবানন্দ ভৰালিৰ গ্ৰন্থখন এই সিদ্ধান্তৰ আধাৰত গঢ় লোৱা-

iv) "আমাৰ দেশত যি প্ৰাকৃত চলিছিল তাৰ নাম প্ৰাকৃত ব্যাকৰণকাৰী সকলে দিয়া নাই ....সাধাৰণতে মাগধী প্ৰাকৃতিৰ পৰাই অসমীয়া ভাষা ওলাইছে বুলি যি এটা ধাৰণা আছে সেয়া ভুল

......কিন্তু ১২/১৩/১৪ শতিকাত বংগদেশত ৰচিত পুথিৰ ভাষা, আৰু শংকৰী যুগৰ আৰু এতিয়াৰ আসমীয়া ভাষা পৰীক্ষা কৰি চালে আমি মাগধী প্ৰাকৃতিৰ উপৰিও দুটা প্ৰাকৃত ভাষাৰ স্তৰ আগেয়ে থকাৰ প্ৰমাণ পাওঁহক। এটাক বুলিব পাৰি সৌমাৰ প্ৰাকৃত, ই আগেয়ে আসাম আৰু বংগদেশত চলিছিল; এতিয়া তাৰ বিশেষত্বখিনি উজনি আসামত পোৱা যায়। গানটো হৈছে কামৰূপীয়া প্ৰাকৃত..........ইও গোটেই কামৰূপত আৰু পশ্চিমে মাগধী ভাষাৰ সীমা বিহাৰলৈকে অৰ্থাৎ গোটেই বংগ দেশতে চলিছিল। তাৰ পাছত মাগধী প্ৰাকৃত

বংগদেশতো আৰু কামৰূপতো কিছু কিছু অংশত চলিছিল।"

(পৃঃ ৩০-৩১) তৃতীয়া

এতিয়া চাওক-

(ক) ৩৫ পৃষ্ঠাৰ মতে - দ্বাদশৰ পৰা ষোড়শ শতিকালৈ অসমত লিখা পুথিবিলাকৰ ভাষা কামৰূপীয়া প্ৰাকৃত

(খ) ৩০-৩১ পৃষ্ঠাৰ মতে সৌমাৰ প্ৰাকৃত আৰু কামৰূপীয়া প্ৰাকৃত দুইটাই অসম আৰু বংগদেশত চলিছিল। পিছত মাগধী প্ৰাকৃতো চলিছিল।

(গ) ৩৫ পৃষ্ঠাতেই তেওঁ লগতে কৈছিল-"কিন্তু ১৬শ শতাব্দীৰ পাচে আধুনিক অসমীয়া ভাষাৰ যিবিলাক বিশেষত্ব সেই বিলাকেই সৌমৰ প্ৰাকৃতৰ বিশেষত্ব।"

আনহাতে মাধৱ কন্দলিৰ বিষয়ে আলোচনা কৰা প্ৰসংগত ভৰালিয়ে লিখিছে ঃ

(ঘ) "সেই কালতে আসাম আৰু বংগদেশত যি ভাষা চলিছিল সি যদিও প্ৰায় একে আছিল তথাপি তাৰ ষ্টেণ্ডাৰ্ড গঢ়টো মধ্য আসামতহে (অৰ্থাৎ ভৰালিৰ মতেই নগাওঁ) পোৱা গৈছিল।"

পৃঃ ৬০

প্ৰশ্ন হ'ব, মধ্য অসম যদি ষোড়শ শতিকালৈ অসমীয়া ভাষাৰ ষ্টেণ্ডাৰ্ড আছিল, তেনেহলেই সৌমাৰ বা কামৰূপীয়া কোনবিধ প্ৰাকৃতিৰ অন্তৰ্গত আছিল। ভৰালিৰ মতে-

(ঙ) "মাধৱ কন্দলিৰ ঘৰ নগাওঁ জিলাৰ আলিপুখুৰীত য'ত শংকৰদেৱৰ জন্ম হৈছিল।" পৃঃ ৬০

এই বিষয়ে পিছত আকৌ উভতি আহিম। এতিয়া, ভৰালিয়ে অন্তবৃত্ত আৰু বহিবৃত্ত সূত্ৰৰ আধাৰত প্ৰমাণ কৰিব খোজা দুটামান কথা উনুকিয়াব খুজিছোঁ। ইণ্ডো-জাৰ্মানস্তৰ, বৈদিক স্তৰ আদিৰ পৰা তেওঁ যথেষ্ট উদাহৰণসহ প্ৰমাণ কৰাৰ চেষ্টা কৰিছে যে অসমীয়া ভাষা সংস্কৃত বা মাগধী প্ৰাকৃতৰ পৰা ওলোৱা নাই। তেওঁ দাঙি ধৰা শব্দৰ তালিকাখন এনে ধৰণৰ ঃ

ইণ্ডো-জাৰ্মান ঃঃ

কাম (চৰাই)--------------------	সংস্কৃত	শ্যাম
ডাক --------------------	"	দংশ
কুকুৱাস --------------------	"	পূৰ্বা

কৰঙ্গন -------------------- " পৰ্য্যংকন

জহ্ (কালি) ------------------ " দহ্

জাহ্ (গ'ল) ----------------- " দাহ্

জী, জীয়ৰী, জিউ -------------- " দুহিতা

ইউৰোপীয় ঃঃ

বগা (স্লাভ'নিক-বগু, বৈদিক - ভৰ্গ)

বতৰ (জাৰ্মানী-wetter)

চেলেক (আইচলেণ্ডীয় -sleikja)

দদাই (লিথুনিয়া - dedis)

পোৰ (টাখেৰীয়া-পোৰ, গ্ৰীক Pyr)

চোকা (পুৰণি স্লাভ'নিক -soch)

গাৰু (আইচলেণ্ডীয় -koddi)

বহিবৃত্তৰ ঃঃ জোন, খেল ইত্যাদি।

ইয়াৰে ভালেখিনি শব্দ প্ৰা, ভা,আ, ৰ পৰাও দেখুৱাব পাৰি।

কালিৰাম মেধিৰ মতে ঃঃ

কৰঙ্গন < ক্ৰোড়াঙ্কন - অ,ব্যা, ভা- পৃঃ৭৭

কাম, কাহ্ম< কামিকঃ " " ",৭০,৭৭

কুকুৰা< চুতীয়া-ককবা,probbly not from skt পূৰ্বাঃ - ১০৯

ডাক- < সং-দষ্টং প্ৰা. ডক্কো- পৃ-৫৪

জহ্ < সং ঝষ ঃ

জীয়াৰী < " ঘীদা প্ৰা. জীআ- পৃ-৩৮৫

চেলেক< গাৰো - স্ৰাকা, চাৰাকা, কছাৰী - চালা,

পোৰ < সং প্লুষ c/f

অনিচ্ছাতো যেনে অগনি পোলে - শংকৰদেৱ, পৃঃ ৯৫

গাৰু ঃ < স; গ; ডু - পৃ ৮৯

গণ্ডুঃ, কন্দুক, - পৃঃ ৫৬

চোকা < স; চোক্ষ;> চোকখং ইত্যাদি

ডঃ বানীকান্ত কাকতিৰ ব্যাখ্যাও দিব পাৰি; কিন্তু আমাৰ মূল বক্তব্য এয়া নহয় বাবে জোন্‌বীম্‌ছে A Comparative Grammer of the Arayn

Languages গ্ৰন্থত কোৱা এষাৰ মন্তব্য উদ্ধৃত কৰি এই পৰ্বইয়াতে সামৰিব খুজিছোঁ – "Verbal resemblance is, unless supported by other arguments, the most unsafe of all grounds on which to base an induction in philology."

সামযিক ভাৱে ভৰালিৰ বহিৰ্বৃত্ত সূত্ৰ মানি ললে আমি দেখা পাম, তেওঁৰ চিন্তাৰ ত্ৰুটী আৰু খেলি মেলি দুইটাই আছে। যেনে – তেওঁৰ মতেই বহিৰ্বৃত্তৰ ভাষা হিচাপে অসমীয়াত পোৱা শব্দ কিছুমান পিশাচী প্ৰাকৃতৰ লগত মিলে; অথচ তেঁৱেই লিখিছে –

i) "বহিৰ্বৃত্তৰ ভাষা বিলাকক তিনি ফৈদত ভাগ কৰিব পাৰি – প্ৰথম ফৈদ – পূৰ্ব, এই ফৈদত অসমীয়া, উৰিয়া, বঙালী আৰু বিহাৰী পৰে" (পৃঃ ১৭)

ii) "বহিৰ্বৃত্তৰ পূব ফৈদৰ ভাষা কেইটা হৈছে – অসমীয়া, উৰিয়া, বঙালী আৰু বিহাৰী। এই কেইটা ভাষাৰ মাজত সাদৃশ্য সৰহ।"

পৃঃ ১৯

ভৰালিৰ মতেই, অসমীয়া মৌলিক শব্দ বেছি ভাগেই বাংলাত নাই। স্বাভাৱিকতেই প্ৰশ্ন উঠিব, বহিৰ্বৃত্তৰ পূৰ্বী শাখাৰ অসমীয়া শব্দবোৰৰ সাদৃশ্য গুজৰাটী, কাশ্মিৰী আদিত থাকিল অথচ বাংলা, উৰিয়া, বিহাৰীত কিয় নাথাকিল ? অথচ ভৰালিয়ে লিখিছে –

"প্ৰাগ-বৈষ্ণৱ যুগত ভাষাৰ যি আভাস পোৱা যায় তাৰ পৰা এইটো বুজি যে বংগদেশত সেই যুগত অসমীয়া ভাষা চলিছিল। বৈষ্ণৱ যুগৰো যে আগ-ছোৱাত বংগদেশত অসমীয়া ভাষা চলিছিল সেইটো শ্ৰীকৃষ্ণ-কীৰ্তনৰ পৰা দেখা যায়।...............এই পুথি ১৫শ শতিকাৰ প্ৰথমাৰ্ধত লেখা। এই শতিকাৰ মাজৰ পৰা বঙালী ভাষাই মূৰ দাঙি উঠিবলৈ ধৰে।"

পৃঃ ৯৬

যদি পঞ্চদশ শতিকালৈ অসমীয়া আৰু বাংলা ভাষা একেই আছিল, আৰু তাৰ পাছতহে বাংলা ভাষাই মূৰ দাঙি উঠে তেনেহলে বাংলা ভাষাতো আমি 'জুই' 'বতৰ' আদি শব্দ পাব লাগিছিল। বাংলাত এনে শব্দৰ অনুপস্থিতিৰ অজুহাততে ভৰালিয়ে সিদ্ধান্ত ললে যে অসমীয়াত সুকীয়া প্ৰাকৃত নাথাকিলেই সম্ভৱ নহ'লহেঁতেন।

আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল, ভৰালিয়ে উল্লেখ কৰা শব্দবোৰ অৰ্বাচীন। অসমীয়া ভাষাৰ পুৰণি স্তৰত এই বোৰ আছিল নে নাই। সেই

সম্পৰ্কে তেওঁ নীৰৱ।

৯৬ পৃষ্ঠাত তেওঁ লিখিছে ঃ "বংগদেশতো আগেয়ে শব্দৰ জোৰ দ্বিতীয় মাত্ৰাগামী আছিল। কিন্তু পাচলৈ সেই দেশত অন্তৰ্বৃত্তৰ ভাষাৰ (সং আৰু হিন্দী) প্ৰভাৱ বিস্তাৰ হোৱাত ১৫শ শতিকাৰ পৰা ক্ৰমে জোৰটো প্ৰথম মাত্ৰাগামী হ'বলৈ ধৰে। ইয়াৰ দ্বাৰাই শব্দবিলাক বিকৃত হৈ পূৰ্ব ভাষাৰ পৰা (i.e.অসমীয়াৰ পৰা) বংগদেশৰ ভাষাক আঁতৰাই নিলে। তলত তাৰ উদাহৰণ দিয়া হ'ল -

সং	তাং	বাং
গচ্ছ	গছ	গাছ
পক্ক	পকা	পাকা
চক্ৰ	চকা	চাকা ইত্যাদি।"

এনেয়ে ঠিকেই আছিল। কিন্তু বিপদ হ'ল, বাংলাৰ দৰে কামৰূপীতো 'গাছ', 'চাকা' ৰূপ আছে। ভৰালিয়ে কোৱা 'কামৰূপীয়া প্ৰাকৃত' তেনেহলে পঞ্চদশ শতিকাৰ পাচৰ নেকি ?

ভৰালিয়ে বংগদেশত আদি অক্ষৰত শ্বাসাঘাত পৰাৰ কাৰণ জন বসতিৰ প্ৰক্ৰিয়া বুলি কৈছে। যেনে-

"প্ৰথমে যেতিয়া আফগানবিলাক আহি দ্বাদশ শতিকাৰ শেষ ভাগত বিহাৰ (মগধ) দখল কৰেহি তেতিয়া সেইবিলাক ঠাইৰ পৰা অনেক হিন্দু মানুহে নিজ জাতি আৰু ধৰ্ম ৰক্ষাৰ্থে বংগদেশলৈ আহি তাত উপনিবেশ স্থাপন কৰে। তেতিয়াৰ পৰাই বংগদেশত অন্তৰ্বৃত্তৰ প্ৰভাৱ লাহে লাহে বিস্তাৰিত হ'ব ধৰে। দ্বিতীয় মাত্ৰাৰ পৰা প্ৰথম মাত্ৰালৈ জোৰ বদলি হোৱাৰ এইটো এটা কাৰণ বুলিব পাৰি। নামনি অসমতো আদি মাত্ৰাগামী জোৰৰ প্ৰাচুৰ্য্য দেখা যায় আৰু সেইবাবে তাত শব্দবোৰ চুম্বক হৈছে।"

পৃঃ ৯৭

মন কৰিব, বিহাৰৰ হিন্দুসকল বংগদেশলৈ অহাৰ বাবে বাংলা ভাষাত অন্তৰ্বৃত্তৰ প্ৰভাৱ পৰিল। আমি ইতিমধ্যে উদ্ধৃত কৰিছোঁ যে ১৭ আৰু ১৯ পৃষ্ঠাৰ মতে "বহিৰ্বৃত্তৰ ভাষাবোৰ হৈছে অসমীয়া, বঙলা, উৰিয়া আৰু বিহাৰী।" ২১ পৃষ্ঠাতো আছে - "অং, উং, বাং, বিং" অৰ্থাৎ অসমীয়া, উৰিয়া, বঙলা আৰু বিহাৰীক বহিৰ্বৃত্তত ধৰা হৈছে। কোনটো সঁচা বুলি ল'ম ?

দ্বিতীয়তে, দ্বাদশ শতিকাই যদি অন্তৰ্বৃত্তৰ শ্বাসাঘাতৰ প্ৰভাৱ বিস্তাৰিত হৈছিল তেনেহলে তাৰ তিনি শ বছৰ অৰ্থাৎ পঞ্চদশ শতিকালৈ অসমীয়া আৰু বাংলা ভাষা একে হৈ থাকিব কেনেকৈ ?

তৃতীয়তে, বংগদেশৰ কথা জন প্ৰব্ৰজনৰ কাৰণে হোৱা বুলি বাৰু বুজিলোঁ। কামৰূপী উপভাষাত থকা আদি অক্ষৰৰ শ্বাসাঘাত বাৰু কিয় আৰু কেনেকৈ আহিল ? ৩০, ৩৫ পৃষ্ঠাৰ উদ্ধৃত মন্তব্যৰ লগতে ই খাপ নাখায়। তাতোঁকৈ ডাঙৰ কথা, ভৰালিৰ মতেই- "কামৰূপীয়া আৰু সৌমাৰ প্ৰাকৃতৰ মাজত বিভিন্নতা অতি কম।" (পৃঃ ৩৫) প্ৰশ্ন উঠিব কেনেকৈ ?

ভৰালিয়ে হৰ্নলীৰ অন্তৰ্বৃত্ত আৰু বহিৰ্বৃত্ত সূত্ৰ মানি লৈছে বুলি আমি আগতে উল্লেখ কৰিছোঁ। আনকি হৰ্নলীতকৈ এখোজ আগবাঢ়ি তেওঁ কৈছে-

"হৰ্নলীৰ মতে আৰ্য্য জাতিৰ মানুহে ভাৰতলৈ আগেয়ে এদল আহে আৰু পাচে পাচে এদল আহে। প্ৰথমে অহা দলে গাঙ্গেয় জলসত্ৰৰ পশ্চিমাংশত উপনিবেশ স্থাপন কৰিছিল আৰু পাচৰ দলে সিহঁতক পৰাস্ত কৰি পূব, পশ্চিম আৰু দক্ষিণলৈ খেদি মাজত সোমাল। সেই হিচাপে ভাৰতলৈ অহা আৰ্য্যসকলক দুভাগ কৰি প্ৰথম দলক বহিৰ্বৃত্তত আৰু দ্বিতীয় দলক অন্তৰ্বৃত্তত থয় আৰু এই দুই বৃত্তৰ ভাষাৰ মাজত যথেষ্ট পৃথকতা এতিয়ালৈ চলি আছে। কিন্তু অসমীয়া আৰু তাৰ ওচৰত থকা বঙলা ভাষাৰ আলোচনাৰ পৰা আমাৰ এনে বিশ্বাস হয় যে হৰ্নলীৰ এই দুদল আৰ্য্যৰ আগেয়ে অন্ততঃ আৰু এদল আৰ্য্য ভাৰতবৰ্ষত সোমাইছিলহি। নহলে এই ভাষাত থকা কিছুমান শব্দৰ ব্যাখ্যা দিয়া টান। এই বিশেষত্ব বিলাক পোৱা যায় ভাৰতৰ বাহিৰ সীমাত, কেতিয়াবা ইউৰোপীয় ভাষাসমূহত।"

পৃঃ ৬

ভৰালিৰ এই যুক্তি মানি ললে, অসমত আৰ্য্য বসতি খৃঃ পূঃ ১৫০০ বছৰ আগৰ (পৃঃ ৪১) অৰ্থাৎ ভাৰতবৰ্ষৰ ভিতৰত প্ৰথম। এই যুক্তি মানি ল'ব লাগিলে এইবোৰ প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব-

(ক) ঐতিহাসিক যুক্তি কি ?

(খ) খৃঃ পূঃ ১৫০০ বছৰৰো আগতে অহা আৰ্য্যসকলৰ ভাষাৰ বিকৃতি ঘটি খৃষ্টীয় সপ্তম শতিকাত কামৰূপলৈ অহা হিউৱেনচাঙৰ সময়ত অসমীয়া ভাষাটো 'Slightly differed from Mid India' হ'ল

কেনেকৈ ?

দেৱানন্দ ভৰালিয়ে ১৯৩২ চনতে এইবোৰ কথা কৈছিল। যুগৰ সীমাবদ্ধতাৰ বাবেই হওক বা প্ৰশিক্ষণ প্ৰাপ্ত নোহোৱা বাবেই হওক - এনে খেলি মেলি আমি তেওঁৰ চিন্তাত পোৱাটো অস্বাভাৱিক নহয়।

ডঃ উপেন্দ্ৰ নাথ গোস্বামীৰ 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' খন ১৯৯১ চনত প্ৰকাশিত। গ্ৰন্থখনৰ ২৯ পৃষ্ঠাত "অসমীয়া ভাষাৰ মূল প্ৰবাহ" শিতানত ভৰালিৰ মতকে দাঙি ধৰা হৈছে। আটাইবোৰ কথা ইয়াত সামৰিব পৰা নাযাব। নিৰ্বাচিত দুটামান কথাৰ ওপৰতহে আমাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিম-

(১) "সোতৰ শতিকালৈকে কামৰূপ নামেৰে প্ৰসিদ্ধ অসমখনৰ ভাষাটোকে কামৰূপী ভাষা বোলা হৈছিল। এই ভাষাটো মূলতে দুটা প্ৰবাহৰ সমষ্টি।"

'কামৰূপী ভাষা' বোলা হৈছিল মানে ? কোনে, কেতিয়া কামৰূপী বুলি কৈছিল ? শংকৰদেৱ, মাধৱদেৱ, ভট্টদেৱ আদিয়ে কি ভাষাত লিখা বুলি ক'ত কৈছে বাৰু ? দামোদৰদেৱেও 'কথাবন্ধে ভাগৱত' ৰচনা কৰাৰহে নিৰ্দেশ দিছিল।

"এই ভাষাটো মূলতে দুটা প্ৰবাহৰ সমষ্টি" মানে কামৰূপী নে কি ভাষা ? সোতৰ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধলৈ আমাৰ ভাষাটোৰ নাম কি আছিল বাৰু ?

(২) ডঃ গোস্বামীৰ মতে প্ৰাচীন অসমীয়া সাহিত্য, মধ্য যুগৰ গদ্য সাহিত্য আৰু "আহোম যুগৰ বুৰঞ্জীতো পশ্চিম অসমৰ উপভাষাৰ নিদৰ্শন স্পষ্ট"। পৃঃ (২৯)

"অসমীয়া সাহিত্যৰ আধুনিক যুগৰ ভোলানাথ দাসৰ 'সীতা-হৰণ কাব্য', গুণাভিৰাম বৰুৱাৰ ৰাম-নৱমীত আৰু হেমচন্দ্ৰ বৰুৱাৰ ৰচনাতো পশ্চিম অসমৰ উপভাষাই স্থান পাইছে। অৰুণোদয় যুগৰ ৰচনাত পশ্চিম অসমৰ উপভাষাৰ শব্দৰ ব্যৱহাৰ মন কৰিবলগীয়া।" পৃঃ ৩২

৩২ পৃষ্ঠাৰ উদ্ধৃত অংশত 'উপভাষা' শব্দৰ প্ৰয়োগ মন কৰিব।

(৩) "ভোজপুৰী ভাষাতো প্ৰাচীন অসমীয়া আৰু আধুনিক অসমীয়াৰ মান্য ভাষাৰ সৈতে শব্দগত সাদৃশ্য সংৰক্ষিত হৈছে (ধৰম, জনম, মুকুতি, মুৰুখ, পদুম, দুৱাৰ)।" পৃঃ ৩৩

প্ৰাচীন অসমীয়া ২৯ পৃষ্ঠামতে কামৰূপী প্ৰবাহ, গতিকে দুইটা প্ৰবাহৰ বৈশিষ্ট্যই ভোজপুৰীত আছে। ৩৩ পৃষ্ঠাৰ বাক্য মতে উজনিৰ প্ৰবাহটোত আধুনিক মান্য ভাষাৰহে সাদৃশ্য আছে আৰু আধুনিক কামৰূপীত নাই। অৰ্থাৎ "ধৰম, কৰম, দুৱাৰ" আদি কামৰূপীত নচলে।

কথাষাৰ সঁচানে ?

(৪) "চৰ্যাপদৰ ভাষাই মান্য অসমীয়া আৰু পশ্চিম অসমীয়াৰ বিশেষকৈ কামৰূপী উপভাষাৰ বিবিধ বৈশিষ্ট্য সংৰক্ষণ কৰি অসমীয়া ভাষাৰ দুয়োটা প্ৰবাহৰ প্ৰাচীনতা উজ্বল কৰি ৰাখিছে।" পৃঃ ৩৩

ই কেনেকৈ সম্ভৱ হ'ল। এটা ভাষা-ৰূপত দুইটা প্ৰবাহৰ সংমিশ্ৰণ হ'ব লাগিলে তাৰ কিবা ৰাজনৈতিক বা সামাজিক তাৎপৰ্য্য থাকিব লাগিব। চৰ্যাপদৰ ক্ষেত্ৰত এনে হোৱাৰ কাৰণ কি ? নে ভোজপুৰীৰ সৈতে মিলা বৈশিষ্ট্যকো সামৰা হৈছে।

মনত ৰাখিব, ভোজপুৰীৰ সৈতে মিলা বুলি উদ্ধৃত কৰা (ধৰম, জনম, মুকুতি, মুৰুখ, পদুম, দুৱাৰ-পৃঃ ৩৩) শব্দবোৰ অৰ্দ্ধ তৎসম আৰু এইবোৰ প্ৰাক -বৈষ্ণৱ বা বৈষ্ণৱ যুগত নঁকৈ গঢ় লোৱা শব্দ।

দেবানন্দ ভৰালিয়ে অন্ততঃ দুটা প্ৰাকৃতৰ অস্তিত্ব প্ৰমাণ কৰাৰ চেষ্টা কৰিছিল। ডঃ গোস্বামীয়ে একোৱেই নকলে। আমি এই সিদ্ধান্ত গ্ৰহণ কৰিবলৈ টান পাইছোঁ এইবোৰ কাৰণত -

(ক) ডঃ গোস্বামীয়ে উজনি আৰু নামনিৰ প্ৰবাহ সৃষ্টিৰ কাৰণ কি ক'ব পৰা নাই।

(খ) নামনিৰ প্ৰবাহৰ কথা ক'বলৈ গৈ 'নামনি উপভাষা'ৰ কথাহে তেওঁ কৈছে।

(গ) ভাষাৰ প্ৰবাহ আৰু উপভাষা সৃষ্টি একে কথা নহয়। নহলে উপভাষা মানেই সুকীয়া প্ৰবাহৰ ফল হ'ব।

(ঘ) মাধৱ কন্দলি নগাঁৱৰ কবি। শংকৰদেৱ/মাধৱদেৱ লখিমপুৰৰ। এওঁলোকৰ ভাষা নামনিৰ প্ৰবাহৰ ফল হ'ল কেনেকৈ ? মাধৱ কন্দলি নামনিলে অহাৰো প্ৰমাণ নাই।

(ঙ) উজনি আৰু নামনিৰ প্ৰবাহ সুস্পষ্ট ৰূপত দেখা দিয়াৰ সময় কি ? ডঃ গোস্বামীৰ ৩৩ পৃষ্ঠাৰ কথা যদি বিশ্বাস কৰিবলগীয়া হয়, তেনে চৰ্যাপদত দুইটা প্ৰবাহ আছিল। যদি সেয়াই হয়, উজনিৰ

প্ৰবাহটো কোনো কাৰণ নোহোৱাকৈ স্তব্ধ হৈ নামনিৰ প্ৰবাহটোৱে প্ৰাধান্য পালে কেনেকৈ ? ডঃ গোস্বামীৰ মতেই-

"অসমীয়া সাহিত্যৰ আদি যুগ আৰু মধ্য যুগৰ গদ্য-সাহিত্যৰ ভিতৰত প্ৰাচীন চৰিত পুথি, ভট্টদেৱৰ কথা-গীতা আৰু কথা-ভাগৱত আৰু আহোম যুগৰ বুৰঞ্জীতো পশ্চিম অসমৰ উপভাষাৰ নিদৰ্শন স্পষ্ট। আহোম যুগৰ আন গদ্য ৰচনাৰ মাজতো পশ্চিম অসমৰ উপভাষাৰ সুন্দৰ প্ৰয়োগ হৈছে।"

পৃঃ ২৯

আকৌ কৈছোঁ, উপভাষা আৰু প্ৰবাহ একে নহয়। লগতে এই কথাও ক'ব পাৰি যে মান্য-ভাষা, উপভাষাৰ প্ৰশ্ন আধুনিক সমাজৰ সৃষ্টি। অৱশ্যে সাহিত্য সৃষ্টিৰ মাধ্যম হিচাপে পুৰণি অসমীয়া সাহিত্যতো এটা 'মান'ৰ প্ৰয়োজন আছিল আৰু সেই মান আছিল মাধৱ কন্দলি প্ৰদৰ্শিত ভাষা শৈলী। "পূৰ্ব-কবি অপ্ৰমাদী" মাধৱ কন্দলিক শংকৰদেৱেও স্বীকৃতি দিছিল। এনেদৰেই পৰম্পৰাগতভাৱে সাহিত্যিক-শৈলী এটা গঢ়ি উঠিছিল।

কিন্তু অসমীয়া এনে 'মান' অলিখিত চুক্তিৰ আধাৰতহে গঢ়ি উঠিছিল। ব্যাকৰণ আৰু অভিধানৰ নিয়ন্ত্ৰণ নথকাত লেখক সকলৰ ৰচনাত স্বাভাৱিকতেই নিজৰ নিজৰ ঔপভাষিক বৈশিষ্ট্য সোমাইছিল। এনে বৈশিষ্ট্য ধ্বনি, ৰূপ, শব্দ- সকলোতে পোৱা যায়। এইবোৰ ঔপভাষিক বৈশিষ্ট্যহে।

পুৰণি অসমীয়াত একেটা শব্দৰে একাধিক বানানে প্ৰমাণ কৰে যে পূৰ্বৰূপ আৰু পৰিবৰ্তিত দুইটাৰে (বা তাতকৈ বেছি) প্ৰচলন সমান্তৰালভাৱে চলিছিল অৰ্থাৎ ধ্বনি প্ৰবণতাই স্থিৰ বা গৃহীত স্তৰ পোৱা নাছিল। গৃহীত স্তৰৰ সিদ্ধান্ত দিব পাৰে ব্যাকৰণ বা অভিধানেহে। সেইবোৰ নাছিলেই। এইবাবেই ভট্টদেৱ বা কথা-গুৰু-চৰিতত কামৰূপৰ ঠাচ বা শৈলী অধিক।

নামনি অসমৰ আদি অক্ষৰৰ প্ৰবল শ্বাসাঘাত কেতিয়াৰপৰা হ'ল, সেয়া আজিও নিৰ্ণীত নহ'ল। এনে শ্বাসাঘাতৰ ফলত পৰৱৰ্তী স্বৰ লোপ পোৱাৰ বৈশিষ্ট্য পুৰণি অসমীয়াত পোৱা নাযায়। নামনিৰ প্ৰবাহ নিৰ্ণয়ত এই কথা অস্বীকাৰ কৰিব পৰা নাযাব।

সপ্তদশ শতিকাত আহোম ৰাজ-দৰবাৰত অসমীয়াক স্বীকৃতি দি বুৰঞ্জীবোৰ অসমীয়াতো লিখা দস্তুৰ আৰম্ভ হয়। বৃহৎ জন-গোষ্ঠী এটাই অসমীয়াক মাতৃ-ভাষা ৰূপে গ্ৰহণ কৰে। এইবোৰ কথাও আমি বিবেচনা কৰিব লাগিব। একেদৰে উজনি আৰু নামনিৰ জন-গাথনিৰ প্ৰক্ৰিয়া নিমিলে।

উজনিত আহোম ৰাজত্বৰ সময়ত নামনিত কোঁচ ৰাজত্বহে প্ৰাধান্য। নগাঁও, দৰঙ আদিত সৰু-বৰ বহুত ৰজা। নামনিত বাংলাভাষীলোকৰ হেঁচা উজনিতকৈ বেছি।

কিন্তু এনেবোৰ কথা, উপভাষাগত পাৰ্থক্যৰ ক্ষেত্ৰতহে প্ৰযোজ্য-প্ৰবাহৰ নহয়। এনেবোৰ কাৰণতে অসমীয়া ভাষাৰ দুটা প্ৰবাহৰ ধাৰণা আমাৰ মতে কল্পনাহে-তথ্যভিত্তিক বাস্তৱ নহয়।

অসমীয়া ভাষাৰ মাগধী উপাদান

বিশ্বেশ্বৰ হাজৰিকা

ডঃ সুনীতি কুমাৰ চেটাৰ্জীয়ে তেখেতৰ "দা অ'ৰিজিন এণ্ড ডিবেল'প্মেন্ট্ অব্ দা বেঙ্গলী লেংগুৱেজ"ত প্ৰথম বাৰৰ বাবে অসমীয়া ভাষা মাগধীৰ পৰা উৎপন্ন হোৱা বুলি মত প্ৰকাশ কৰে। বঙলা ভাষাৰ প্ৰাচীনত্ব প্ৰমাণ কৰিবলৈ অন্য কোনো জ্ঞাত উপায় নথকাত অসমীয়াৰ গাতে ভেঁজা লৈ সেই কাম কৰিবলৈ তেখেতে এই উক্তি কৰিব লগীয়া হয়। তেখেতৰ অধীনত গৱেষণা কৰি ডঃবাণীকান্ত কাকতিয়ে (১৮৯৪-১৯৫২) "আচামিজ্ ইট্চ ফ'ৰ্মেশ্যান্ এণ্ড ডিবেল'প্মেন্ট্" (আ.ফ.ডি.) গ্ৰন্থত এই মত প্ৰকাশ কৰে। সামৰ্থনৰ সৈতে সঙ্গতি ৰাখি তেখেতে আ.ফ.ডিৰ কিছুমান ছেদত অসমীয়াত থকা কিছুমান তথাকথিত মাগধী উপাদানৰ উল্লেখ কৰিছে। সেইবোৰৰ কিমানখিনি যথাৰ্থ মাগধী উপাদান তাকে আলোচনা কৰিবলৈ লোৱা হৈছে।

মাগধী অপ্ৰভ্ৰংশৰ পৰা অসমীয়া উদ্ভৱ হোৱা বুলি "লিংগুয়িষ্টিক্ চাৰ্ভে অব্ ইণ্ডিয়া," ১ম খণ্ড, ১ম অংশত (১৯২৭) প্ৰকাশ কৰা জি. এ. গ্ৰিয়াৰ্চনৰ মত তেখেতৰ আ.ফ.ডিৰ ৫ সংখ্যক ছেদত উদ্ধৃত কৰিছে। পৰৱৰ্তী পৃষ্ঠাবোৰত তেখেতে এই মতকে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে।

১। ছেদ ১৮৫ত প্ৰা.ভা. আ. -অঃ > ম.ভা.আ. (মাগ) -এ অসমীয়াত প্ৰতিনিহিত হোৱা নাই বুলি কৈও তেখেতে মাগধীয় কৰ্তাকাৰকীয় বিভক্তি এ আৰু অ-মাগধীয় কৰণকাৰকীয় এন > -এ দ্ৰৱ (fusion) বা একেলগ হৈ অসমীয়া ব্যক্তিবাচক সৰ্বনাম সি, যি আদিৰ বিভক্তি ই হৈছে বুলি কৈছে।

উক্ত ছেদতে তেখেতে প্ৰা.ভা.আ.অসুঃ > মা.ভা.আ. (মাগ) শে > ন.ভা.আ.(অস.) সি হোৱা বুলিছে। মা.ভা.আ.ৰ দ্বিতীয় স্তৰৰ পৰা তৃতীয় স্তৰলৈ ধ্বনি-পৰিৱৰ্তন হওঁতে এ > -ই হোৱাটো তেনেই সাধাৰণ কথা; কিন্তু ডঃ কাকতিয়েশ > স হোৱা বুলি ধৰা হৈছে। কৰ্তাকাৰকৰ অঃ > -এ হোৱাটো কেৱল মাগধীৰেই লক্ষণ নহয়। ডঃ সুকুমাৰ যেনেক.গ্ৰা. মি. ত কলচি, মানচেৰা, আৰু ধাউলিৰ অশোকীয়

শিলালেখীয় প্ৰাকৃত, নিয়, আৰু অৰ্ধ-মাগধী প্ৰকৃতত ব্যক্তিবাচক সৰ্বনামৰ সে ৰূপ পোৱা যায় (পৃঃ ১১২)। আৰ. পিশ্চেলৰ ক. গ্ৰা. প্ৰাত. ইয়াক অৰ্ধ-মাগধীত সি ৰূপতো পোৱা যায় বুলিছে (ছেদ. ৪২৩)। অৰ্ধ-মাগধীত আমি -ই বিভক্তি পালোঁৱেই যেতিয়া, কৰণকাৰকীয় -এন > -ইৰ লগ'লে মাগধীৰ কৰ্তাকাৰকীয় - এক জোৰকৈ টানি অনাৰ একো প্ৰয়োজন নাই। অৰ্থাৎ, অসমীয়া সি, যি আদিৰ -ই অৰ্ধ-মাগধীত হোৱাৰ দৰে - এনৰ পৰাই বিকশিত হৈছে।

২। তেখেতে ১৮৬ ছেদত প্ৰা.ভা. পৰশ্বঃ শব্দৰ পৰা মাগধী + পৰশ্শে ৰূপৰ মাজেদি অসমীয়া পৰহি আৰু পৰশুই শব্দ দুটা হৈছে বুলি লিখিছে।

স্বাভাৱিকতে পৰশ্ব + অধিকৰণীয় -ই > পাৰশ্বে হব আৰু ইয়াৰ পৰা + পৰস্সে > পৰসি > পৰহি হব। আকৌ পৰশ্বে ৰূপৰা বিপ্ৰকৰ্ষ হৈ + পৰসুৱে > পৰসুই > পৰশুই ৰূপ স্বাভাৱিকতে হুবা এনে স্বাভাৱিক ধ্বনি-পৰিৱৰ্তনৰ মাজ'লে মাগধী প্ৰাকৃতক টানি অনাৰ কোনো কাৰণ নাই।

৩। মাগধীত অতি বিৰলভাৱেহে কৰ্তাকাৰকীয় -ও বিভক্তি পোৱা যায় বুলি কোৱা ডঃ চেটাৰ্জীৰ মত ১৮৯ ছেদত উদ্ধৃত কৰি সেই ছেদতে তেখেতে হৰেশ্বৰ, নৰেশ্বৰ আদি শব্দৰ সংক্ষিপ্ত ৰূপ হৰো, নৰো আদিত এই - ও পোৱা বুলিছে।

৪। দন্ত্য + য় তালব্যীভূত হৈ - চ-, - জ- আদি হোৱা নিয়ম অন্য ম. ভা. আ. ৰ পৰা অহা বুলি ৩২৬ ছেদত কৈও তেখেতে তাতে ইয়াক মাগধী লক্ষণ হিচাপে উদাহৃত কৰিছে।

ছেদৰ আৰম্ভনিতে উল্লেখ কৰা মতেই এই লক্ষণ অন্য ম.ভা.আ.ৰ পৰা অহা। গতিকে দন্ত্য + য > - চ- - জ- আদিৰ উদাহৰণবোৰ মাগধী উপাদান হব নোৱাৰে।

৫। ছেদ ৩২৭ত তেখেতে মাগধীয় ধ্বনি পৰিৱৰ্তনৰ নিয়ম অনুসৰি অসমীয়াত দ্ৰ > ল হয় বুলি কৈছে।

ডঃ কাকতিৰ আ.ফ.ডি.ত দ্ৰ > ল হোৱাৰ চাৰিটাহে উদাহৰণ আছে - প্ৰা.ভা.আ. আদ্ৰ > ন. ভা. আ. (অস.) আল - (চাউল)। [এইটো কামৰূপী উপভাষাত পোৱা যায়। মান্য উপভাষাত আৰৈ (চাউল)

হে পোৱা যায়।](ছে. ৪৯০); প্রা.ভা.আ. ক্ষুদ্রশ্যালক + > ন.ভা.আ.(অস.) খুলশাল, (খুলশালী), ছে. ৪৯০); প্রা.ভা.আ. ভদ্র > ন.ভা.আ.(অস.)ডাল , (ছে.৪৯০); প্রা.ভা.আ. ভদ্র + > ন.ভা.আ. (অস.) ডালৰি, (ছে.৫১৮)।

ইয়াৰ বিপৰীতে আ.ফ.ডি. তে দ্র > দ হোৱাৰ আঠটা উদাহৰণ পোৱা যায়; যেনে-প্রা.ভা.আ. উদ্র > না.ভা.আ. (অস.) উদ, (ছে.২০৭,৪৪৪) প্রা. ভা. আ. ভাদ্রপাদ > ন.ভা.আ (অস.) ভাদ, (ছে.১২৯, ১৩০, ১৬৩,২৩৭,৪৪৪); প্রা.ভা.আ. ভদ্র +ন.ভা.আ. (অস.) ভদাই, (ছে. ৫২৭); প্রা. ভা. আ. মুদ্রয়তি ন. ভা.আ. (অস.) মুদে, (ছে. ৪৪৪); প্রা. ভা. আ. মুদ্রা+ > ন.ভা.আ.(অস.) মুদ (ছে. ৭৩৩); প্রা.ভা.আ. ৰৌদ্র > ন.ভা.আ. (অস.) ৰ'দ, (ছে. ২৫৫,২৯৮,৪৪৪); প্রা.ভা.আ.হাৰিদ্র + না.ভা.আ. ক্ষুদ্র > ন.ভা.আ.(অস.) হালধি, (ছে.৪৯০); প্রা.ভা.আ. ক্ষুদ্রন.ভা.আ.(অস.) খুদ (ছে.২০৭, ৪০০ ,৪৪৪)।

তদুপৰি আৰ. পিশ্চেলৰ ক. গ্রা.প্রা.ত অর্ধমাগধী আৰু মহাৰাষ্ট্রী প্রাকৃতত দ্র > ল হয় বুলি পোৱা যায় (ছে. ২৯৪)।

এতেকে দ্র > ল হোৱা প্রৱণতা অসমীয়াত এফালে যেনেকৈ প্রবল নহয়, আনফালে তেনেকৈ ই মাগধীৰ একছত্রী লক্ষণো নহয়।

৬। তেখেতে ৩৪৩ ছেদত মাগধী লক্ষণ অনুসৰি অসমীয়াত -হ্ > -ল- হয় বুলি লিখিছে। আ.ফ.ডি.ত তেখেতে -হ্- > -ল- হোৱাৰ তিনিটা উদাহৰণ দিছে; যেনে-প্রা.ভা.আ. অর্হা > ন.ভা.আ.(অস.) আল-(পৈচান), (ছে.৪৯০); প্রা.ভা.আ. অর্হা+ৱন্ত+ ন.ভা.আ.(অস.) আলতীয়া, (ছে. ৫১২); প্র.ভা.আ. গর্হা + > ন.ভা.আ.(অস.) গালি, (ছে. ৪৯০,৫৩৭)।

আল-পৈচান শব্দৰ আল অংশটো ডঃ কাকতিয়ে অর্হা ৰ পৰা বুৎপন্ন কৰিছে (ছে.৪৯০)। আনহাতে পৈচান শব্দটো প্রত্যভিজ্ঞান শব্দৰ পৰা ব্যুৎপন্ন কৰিছে (ছে. ৪৪৯)। অর্থাৎ, তেখেতৰ মতে অর্হাপ্রত্যভিজ্ঞান ৰ পৰা আল-পৈচান হৈছে। মনিয়েৰ-ৱিলিয়াম্‌চে অর্হা শব্দৰ অর্থ দিছেঃ meriting, deserving,worthy of, having a claim or being entilted to, being requeired, obliged, allowed, becoming

proper, fit, worth, costing, এই কেইটা। ইহঁতৰ কোনোটো অৰ্থ আল শব্দৰ পৰিচাৰ্য অৰ্থৰ সৈতে নিমিলে। আল শব্দৰ অৰ্থ পৰিচৰ্যা। সেই কাৰণে সত্ৰৰ গোসাঁইসকলৰ একোজন আল-ধৰা থাকে। আকৌ, মনিয়েৰ ৱিলিয়ামচৰ মতে প্ৰত্যভিজ্ঞান শব্দৰ অৰ্থ recognition; a token of recognition; reciprocity. এইবোৰ অৰ্থৰ সৈতে পৈচান শব্দৰ পৰিচৰ্যা অৰ্থৰ সম্পৰ্ক দেখুৱাব নোৱাৰি।

ইয়াৰ বিপৰীতে আল-পৈচান শব্দটো প্ৰা. ভা. আ. আলগ-পৰিচাৰণ শব্দৰ পৰা ব্যুৎপন্ন কৰিব পাৰি। আ+ লগ্ > আলগ্ ধাতুৰ অৰ্থ মনিয়েৰ-ৱিলিয়ামচ্‌ৰ মতে to adhere, cling to, অৰ্থাৎ, এজন লোকৰ লগত অনবৰত লাগি থকা। গোসাঁইৰআল-ধৰা ৰ কাম তেনেকুৱা। আলগ্ ধাতুৰ পাছত কৃত বা প্ৰাথমিক প্ৰত্যয় অ যোগদি আলগ, এই বিশেষ্যটো তৈয়াৰ কৰিব পাৰি। ইয়াৰ অৰ্থ হব এজনৰ লগত অনবৰতে লাগি থকা কাৰ্য বা লোক। আনহাতে, মনিয়েৰ - ৱিলিয়ামচ্‌ৰ মতে পৰিচাৰণ শব্দৰ অৰ্থ attendance, পৰিচৰ্যা। এতেকে, আলগ-পৰিচাৰণ ৰ অৰ্থ +ব এজনৰ লগত অনবৰত লাগি থাকি কৰা পৰিচাৰ্য। আলপৈচান শব্দটোৱে ঠিক ইয়াকে বুজায়। শব্দটোৰ বিকাশৰ ধাৰা হব ঃ আলগপৰিচাৰন আলঅ-পইচাঅন > আলপৈচান। গতিকে, অৰ্হা ৰ পৰা আল নহয়, আলগ ৰ পৰাহে আল হৈছে।

আলতীয়া (মাটি) শব্দৰ আল অংশটো অৰ্হা ৰ পৰা হৈছে নে ? আগতে উল্লেখ কৰা অৰ্থকেইটাৰ বাহিৰে ইয়াৰ আন অৰ্থ অভিধানত নাই। সেইকেইটাৰ এটা অৰ্থও আলতীয়া শব্দৰ এঠাযুক্ত অৰ্থৰ সৈতে মিল নাই। হেম চন্দ্ৰ বৰুৱাই (১৮৩৫-৯৬) অলক্ত শব্দৰ পৰা এই শব্দটো ব্যুৎপন্ন কৰিছে। লাৰ ৰস অলক্ত এঠাযুক্ত। এতেকে, হেমচন্দ্ৰ বৰুৱাৰ ব্যুৎপত্তিহে ইয়াত খাপ খায়। সেই কাৰণেঅলক্ত+ইক+আক আলতীয়া এইদৰে ইয়াৰ ব্যুৎপত্তি দেখুৱাব পাৰি। এই কথাষাৰ মানি ললে আলতীয়া শব্দৰ আল অংশটো অৰ্হাৰ পৰা নহাহে প্ৰমাণিত হয়।

গৰ্হা শব্দৰ পৰা গালি হোৱাটোও অমূলক। গালি শব্দটো প্ৰা. ভা. আ. তে আছে বুলি মনিয়েৰ-ৱিলিয়াম্‌চে দেখুৱাইছে। ভতৃহৰিৰ ৰচনা, মহাভাৰত, ৰাজতৰঙ্গিণী আদিত এই শব্দটো ব্যৱহৃত হৈছে।

এতেকে, -ৰ্হ > -ল- হোৱাৰ প্ৰৱণতা মাগধীৰ হলেহে তেখেতে দেখওুৱা তিনিটা শব্দৰ ল, ই ৰ পৰা হোৱা নাই।

আনহাতে অসমীয়াত অর্হ > ৰিহ হে পোৱা যায় ; যেনে- প্র.ভা. আ. অর্হণা > ন.ভা.আ. (আস.) অৰিহণা (ছে.২৮৪) ; প্রা. ভা. আ. গর্হণা > ন.বা আ. (অস.) গৰিহণা, (ছে. ২৮৪,৩০০); প্রা. ভা. আ. গর্হা > ন. ভা. আ. (অস.) গৰিহা (হেমকোষ, চন্দ্রকান্ত); প্রা. ভা. আ. গর্হিত > ন. ভা. আ. (অস.) গৰিহিত, (হেমকোষ, চন্দ্রকান্ত)।

সেই কাৰণে কব পাৰি - অসমীয়াত মাগধীৰ নিয়ম অনুসৰি র্হ > ল নহয়।

৭। তেখেতে ৩৯৯ ছেদত লিখিছে ক্ষ > কখ > খ হোৱাটো মাগধীৰ লক্ষণ যেন লাগে।

ডঃ সেনে ক. গ্রা.মি. ত দেখুৱাইছে যে অশোকীয় মধ্য-প্রাচ্য শিলালেখ (পৃঃ ১০), শৌৰসেনী বা পশ্চিমা প্রাকৃত (পৃঃ ১২), শৌৰসেনী (পৃঃ২১) প্রাকৃতত ক্ষ > খ হয়। গতিকে, ক্ষ > খ হোৱাটো কেৱল মাগধীৰ লক্ষণ নহয়।

৮। ছেদ ৪১৪ ত তেখেতে র্য > য্য > য় হোৱাটো মাগধী লক্ষণ বুলিছে।

কিন্তু ডঃ সেনে ক গ্রা.মি. ত অশোকৰ গিৰণাৰ, ব্রহ্মগিৰি, সিদ্ধপুৰ শিলালেখীয় প্রাকৃত, খৰোষ্ঠী ধম্মপদৰ প্রাকৃত আৰু পালিত র্য > য্য হয় বুলি দেখুৱাইছে (পৃঃ ৬৪)। গতিকে র্য > য্য > য হোৱাটো মাগধীত্বৰ প্রমাণ নহয়।

৯। ছেদ ৪৩৮ ত তেখেতে মূর্ধণ্যীভৱন মাগধীয় লক্ষণ বুলি কৈ অসমীয়া ধবনি-পৰিৱর্তনৰ ক্ষেত্রত এই লক্ষণ পোৱাৰ ইঙ্গিত দিয়ে।

অসমীয়া ভাষাত যিহেতু মূর্ধণ্য উচ্চাৰণেই নাই, এনে আলোচনা নিৰর্থক।

১০। ন্য > ঞঞ > ঞ হোৱা মাগধী লক্ষণটো অসমীয়াতো পোৱা যায় বুলি তেখেতে ৪৬৬ ছেদত উল্লিখ কৰিছে। ইয়াৰ সমর্থনত তেখেতে তিনিটা উদাহৰণ দিছে; যেনে- প্রা. ভা. আ. কন্যসা ন. ভা. আ. (অস.) কেঞা (আঙুলি) (ছে.৪১৪,৪৬৬); প্রা.ভা. আ. কন্যা > ন. ভা.আ.

(অস.) কেঞা (বন), (ছে. ৪৬৬); প্ৰা.ভা.আ. কন্য+ > ন.ভা.আ. (অস.) কেঞা (কঁঠাল) (ছে. ৪৬৬)।

আনহাতে ন্য ন হোৱাৰ ৬টা উদাহৰণ আ.ফ.ডি. তে আছে; যেনে- প্ৰা.ভা.আ. অন্য > ন. ভা. আ. (অস.) আন (ছে.২৯২,৪৬৯); প্ৰা.ভা.আ. ধান্যা > ন.ভা.আ.(অস.) ধনিয়া (ছে. ২৮৪); প্ৰা. .ভা.আ.ধান্য > ন.ভা.আ. (অস) ধান, (ছে. ৫৭০); প্ৰা.ভা.আ. ধন্য + তালিকা > ন. ভা. আ.(অস) ধানতলী, (ছে. ৫১৬); প্ৰা.ভা.আ. বন্যা ন.ভা.আ. (অস) বান > (ছে. ১৭৪,২৯৩,৪৬৯); প্ৰা.ভা.আ. বন্যা + > ন.ভা.আ.(অস.) বানতীয়া (ছে. ৫১২)।

আকৌ ন্য > ইন হোৱাৰ চাৰিটা উদাহৰণ তাতে পোৱা যায়, যেনে-প্ৰা.ভা.আ. অন্য ন.ভা.আ. (অস.) অইন, (ছে.২৮৭)প্ৰা.ভা.আ. জন্য > ন.ভা.আ. (অস.) জইন, (ছে.২৮৭,৪৬৯); প্ৰা.ভা.আ. ধন্য > ন.ভা.আ.(অস.) ধইন (ছে.৩০০); প্ৰ.ভা.আ.পুন্য > ন.ভা.আ.(অস.) পুইন (ছে. ২৮৭,৩০০) লগতে ন্য > লোপ ৰ দুটা উদাহৰণো পোৱা হৈছে; যেনে-প্ৰা.ভা.আ. পন্যশালা ন.ভা.আ. (অস.) পোহাৰ (ছে.১৩৯); প্ৰা.ভা.আ. পন্যশালিকা > ন.ভা.আ.(অস) পহাৰী, (পোহাৰী), (ছে.২২৩)। ন্য > ঞ হোৱা ৩টা উদাহৰণৰ বিপৰীতে, ন্য > ন, ন্য > ইন বা ণ্য > লোপ হোৱা ১২টা উদাহৰণ আ.ফ.ডি. তে লিপিবদ্ধ হৈ আছে। এইতথ্যই প্ৰমাণ কৰে যে ন্য > ঞ হোৱা লক্ষণ অসমীয়া ভাষাৰ সিদ্ধান্তকাৰী লক্ষণ নহয়।

তদুপৰি ডঃ সেনৰ ক.গ্ৰা.মি. ত পোৱা যায় যে এই লক্ষণ অশোকীয় শিলালেখ প্ৰাকৃত, খৰোষ্ঠী ধম্মপাদৰ প্ৰাকৃত, নিয় প্ৰাকৃত আৰু পালি ভাষাত পোৱা যায়।

যিটো লক্ষণ ইয়াৰ বিপৰীত লক্ষণৰ তুলনাত অসমীয়াও অতি তাকৰীয়া, আৰু যিটো লক্ষণ মাগধীৰ বাহিৰেও আন চাৰিটা প্ৰাকৃতিত পোৱা যায়, তেনে লক্ষণ মুক্ত তিনিটা উদাহৰণৰ পৰা অসমীয়াৰ উৎপত্তি সম্বন্ধে একো সিদ্ধান্ত লব নোৱাৰি।

১১। ছেদ ৪৮৩ ত তেখেতে মাগধীয় ভাষা হিচাপে কেৱল ল হে থাকিব লাগিছিল যদিও অসমীয়াত ল আৰু ৰ দুয়োটা থকা

কথা স্বীকাৰ কৰিও ল > ৰ হোৱাৰ প্ৰৱণতা অধিক বুলি মন্তব্য প্ৰকাশ কৰিছে।

প্ৰা.ভা.আ. ত ৰ থকা ২৪৪টা শব্দৰ অসমীয়া ভাষাত হোৱা ধ্বনি-পৰিবৰ্তন তেখেতে আ.ক.ভি.ত দেখুৱাইছে। ইইতৰ ১৮টা ৰ > ল হৈছে, বাকী ২২৬টাত ৰ > ৰ হৈ আছে। ৰ > ল হোৱাৰ প্ৰৱণতা ৭.৩৭ শতাংশ। কিন্তু ল > ৰ হোৱাৰ প্ৰৱণতা ৯২.৬৩ শতাংশ। গতিকে ৰ > ল হোৱাৰ প্ৰৱণতা অধিক বুলি ডঃ কাকতিয়ে কৰা দাবী তথ্যভিত্তিক নহয়। ৰ > ল অকল মাগধীতেই নহয়, অন্য প্ৰাকৃততো হয়। ডঃ সেনে ক.গ্ৰা.মি.ত দেখুৱাইছে যে অশোকৰ শিলালেখাৰ কলচি, ধাউলি, জৌগড, দিল্লী-টোপ্ৰাৰ প্ৰাকৃত আৰু পালি ভাষাতো ৰ > ল হয় (পৃঃ৬৫)। মহাৰাষ্ট্ৰী, শৌৰশেনী, পৈশাচী আৰু অৰ্ধমাগধীতো ৰ > ল হয়; যেনে-প্ৰা.ভা.আ. দৰিদ্ৰ ম.ভা.আ. (মহা) দলিদ্দ; প্ৰা.ভা.আ. সুপৰিঘটিত ম.ভা.আ. (শৌ) সুপলি গঢ়িদো; প্ৰা.ভা.আ. তৰুনী ম.ভা.আ. (পৈ) তলুনী; প্ৰা.বা.আ. পৰিষ > ম.ভা.আ. (অৰ্ধ) ফলিহ, (অসমীয়া ভাষাৰ উৎপত্তি আৰু প্ৰাগ্‌জ্যোতিষ প্ৰাকৃত, পৃ.৪৮)।

যিহেতু ৰ > ল হোৱাৰ প্ৰৱণতা ৰ > ৰ হোৱাৰ বিপৰীতে ৭.৩৭ শতাংশহে, আৰু যিহেতু ৰ > ল হোৱা প্ৰৱণতা সকলো প্ৰকৃততে পোৱা যায, এতেকে এই সামান্য উদাহৰণকেইটাৰ ভিত্তিত অসমীযাৰ উৎপত্তি সম্পৰ্কে একো একো সিদ্ধান্ত লব নোৱাৰি।

১২। ছেদ৫২৫ত তেখেতে কালবাচক -আ প্ৰত্যয়টো (যেনে- সিদিনা), প্ৰা.ভা.আ. সম্বন্ধপদৰ পুংলিঙ্গ অ-কাৰান্ত শব্দৰ বিভক্তি - স্য/-অস্য > ম.ভা.আ. (মাগ) - আহ ৰ পৰা অহা বুলিছে।

প্ৰা.ভা.আ. অ-কাৰন্ত পুংলিঙ্গ শব্দৰ সম্বন্ধপদৰ একবচনত পালি ভাষা, শৌৰসেনী আৰু মহাৰাষ্ট্ৰী প্ৰাকৃতত -স্স হয়; যেনে- বুদ্ধস্স (পা.প্ৰ., পৃঃ৬৯) পুত্তস্স (প্ৰা.উ., পৃঃ ২৯)। ক্ষতিপূৰণীয় দীৰ্ঘীকৰণ আৰু সৰলীকৰণৰ ফলত স্বাভাৱিকতে ইয়াৰ পৰা - আস আৰু ধবনি পৰিবৰ্ত্তনৰ ফলত -আহ হব।

প্ৰশ্ন হৈছে অধিকৰণ কাৰকৰ অৰ্থ থকা সিদিনা আদি শব্দৰ - আ প্ৰত্যয়টো কিয় সম্বন্ধ পদৰ বিভক্তিৰ পৰা অহা বুলি ধৰিব লাগে? সিদিনাৰ অৰ্থ "তস্মিন্‌দিৱসে", সেই দিনত। গতিকে এই প্ৰত্যয় অধিকৰণকাৰকৰ পৰা অহা প্ৰত্যয় হব লাগিব।

অশোকৰ চাহ্‌বজগাড়ী, মানচেৰা, এলাহ্‌বাদৰ কৌশম্বী ৰাণীৰ শিলালেখ, মথিয়া, ৰাধিয়া, ৰূপনাথ, দিল্লী-টোপ্ৰা, দিল্লী-মীৰাট, ধাউলি, জৌগড আদি ক শিলালেখীয় প্ৰাকৃতত ইংকাৰন্ত শব্দৰূপৰ অধিকৰণৰ একবচনত -য়াম প্ৰত্যয় পোৱা যায় বুলি ডঃ সেনে ক.গ্ৰা.মি.ত উলেলেখ কৰিছে (পৃঃ ৯১-৯২)। সেইদৰে অশোকৰ গিৰিনাৰ, জৌগড শিলালেখৰ ভাষাত আৰু পালি ভাষাত আ-কাৰান্ত শব্দ ৰূপৰ অধিকৰণৰ একবচনতো -যাম প্ৰত্যয় পোৱা যায় বুলি তেখেতে লিখিছে (প্ৰাগুক্ত. পৃঃ ৮৬)।

তেনেহলে, সিদিনা ৰ -আ টো মাগধীৰ সম্বন্ধপদৰ - আহ্ প্ৰত্যয়ৰ পৰা অহা বুলি ধৰাতকৈ অধিকৰণ একবচনৰ - যাস্ ৰ পৰা অহা বুলি ধৰাটো অধিক যুক্তিসংগত হব। সম্বন্ধ পদৰ প্ৰত্যয়ৰ পৰা অহা বুলি ধৰিলে তেওঁ সিদিনা আহিল বাক্যৰ অৰ্থ হব "তেওঁ সেই দিনৰ আহিল"। কিন্তু অধিকৰণৰ প্ৰত্যয়ৰ পৰা আহা বুলি ধৰিলে অৰ্থ হব "তেওঁ সেই দিনত আহিল"

এতেকে সিদিনা ৰ -আ প্ৰত্যয়টো অধিকৰণৰ -আ প্ৰত্যয়ৰ পৰা অহা বুলি ধৰাহে যুক্তিসংগত আৰু আৰু অৰ্থসঙ্গত হব। গতিকে এই -আ প্ৰত্যয়টো মাগধীৰ পৰা আহা বোলাৰ কোনো যুক্তি নাই।

১৩। প্ৰা.ভা.আ. সঃ ম.ভা.আ. (মাগ.) শে ন.ভা.আ. (অস.) সি হৈছে বুলি তেখেতে ৬৭৩ ছেদত লিখিছে।

কলচি, মানচেৰা, ধাউলিৰ অশোকীয় শিলালেখাক প্ৰাকৃতত, নিয় আৰু অৰ্ধমাগধী প্ৰাকৃতত ব্যক্তিবাচক সৰ্বনামৰ তৃতীয়া পুৰুষৰ একবচনত সে ৰূপ পোৱা যায় বুলি ডঃ যেনে ক.গ্ৰা.মি.ত লিখিছে (পৃঃ ১১২)। অৰ্ধমাগধীত সি ৰূপো পোৱা যায় বুলি পিশ্চেলে ক.গ্ৰা.প্ৰা.ত লিখিছে (ছে.৪২৩)।

এতেকে, অসমীয়াৰ সি মাগধীৰ শে ৰ পৰা অহাতকৈ, অশোকীয় শিলালেখা, নিয় আৰু অৰ্ধমাগধী প্ৰাকৃতৰ সে ৰ বিকশিত ৰূপ বুলি, বিশেষকৈ অৰ্ধগামী সি ৰ ধবনি পৰিৱৰ্ত্তিত ৰূপ বুলি ধৰিব লাগে। মাগধীৰ শে ৰ লগত ইয়াক কোনো সম্বন্ধ নাই।

১৪। ছেদ ৬৭৪ ত তেখেতে তৃতীয় পুৰুষৰ সামান্যাৰ্থক সৰ্বনাম সি ৰ তিৰ্যক ৰূপ তা মাগধীৰ সম্বন্ধপদ একবচন তাহ্ ৰ পৰা অহা বুলিছে।

আনহাতে অৰ্ধমাগধীতো তৃতীয় পুৰুষৰ সৰ্বনামৰ তাহ্ ৰূপ পোৱা যায় বুলি ডঃসেনে ক.গ্ৰা.মি.ত লিখিছে (পৃঃ ১১৫) পিশ্চেলে ক.গ্ৰা.প্ৰা.ত লিখা মতে মহাৰাষ্ট্ৰ আৰু অপভ্ৰংশতো তাহঁ ৰূপ পোৱা যায় (ছে. ৪২৫)।

এতেকে ডঃ কাকতিৰ এই মত একদেশদৰ্শী।

১৫। প্ৰা. ভা. আ. কঃ অপি > ম. ভা. আ. (মাগ) + কে'পি > ন.ভা.আ.(অস) কেও এই অনিৰ্দিষ্ট সৰ্বনামটো বোৱা বুলি ডঃ সুনিতী কুমাৰ চেটাৰ্জীৰ মত উদ্ধৃত কৰি ডঃ কাকতিয়ে ৬৮৭ ছেদত লিখিছে।

অ.ডি.বে.লে.ৰ ১৬৫ ছেদত ডঃ চেটাৰ্জীয়ে এই পৰামৰ্শ আগবঢ়াইছে। এই ব্যুৎপত্তিৰ পৰা কেওৰ প্ৰচীন ৰূপ কেহো, কেহোঁত পোৱা হ্ টোৰ উপস্থিতিৰ ব্যাখ্যা পোৱা নাযায়। প্ৰচীন অসমীয়াৰ কেহো ৰূপৰ উদাহৰণ; যেনে- "কেহো কেহো তোহোৰে বিৰুআ বোলৈই", (চৰ্যা ১৮) "কেহো নেদেখয়", (হেমসৰস্বতীৰ 'প্ৰহ্লাদ- চৰিত্ৰ', পৃঃ ১৩); "কেহো কেহো কটকে ৰাখোক গয় হয় ।", (হৰিহৰ বিপ্ৰৰ 'বব্ৰুবাহনৰ যুদ্ধ', পদ ৯৩); "কেহো গাৱে কেহো বাৱে কেহো কৰে ৰোল", (মাধৱ কন্দলীৰ 'ৰামায়ণ', পদ ১৫৬৮); "কেহো নেদে মতি", (শঙ্কৰদেৱৰ 'কীৰ্ত্তন', পদ ৩৮৪)।

"সংস্কৃত-ইংলিচ ডিক্সনাৰি"ত মনিয়েৰ ৱিলিয়াম্‌চে লিখিছে, "ka is occasionally used alone as an indefinite pronoun, especially in negative sentences (e.g. no kasya ko yallabhah), (পৃঃ ২৪০)। অৰ্থাৎ কেতিয়াবা কেতিয়াবা, বিশেষকৈ নেতিবাচক বাক্যবোৰত, ক অনিৰ্দিষ্ট সৰ্বনাম হিচাপে অকলে ব্যৱহৃত হয় (যেনে - নো কস্য কো ৱল্লভঃ)।

তৎ সৰ্বনামৰ সম্বন্ধপদৰ বহুবচনৰ ৰূপ তেষাংঅৰ পৰা তেওঁ, আৰু এষ শব্দৰ সম্বন্ধপদৰ বহুবচনৰ ৰূপ এষাং অৰ পৰা এওঁ হোৱাৰ দৰে, ক সৰ্বনামৰ সম্বন্ধপদৰ বহুবচনৰ ৰূপ কেষাং অৰ পৰা কেওঁ হৈছে। ব্যুৎপত্তিটো এনে ধৰণৰ হ'ব ঃ

কেষাং > কেসং > কেহঁ > কেহোঁ, কেহো > কেও।

গতিকে কঃআপি ৰ মাগধী ৰূপ কে'চিৰ পৰা কেও হোৱাতকৈ

কেষাং ৰূপৰ পৰা কেও হোৱাটো অধিক যুক্তিসঙ্গত হ'ব। এই কথাৰ পৰা বুজা যায় কেও সৰ্বনামটো মাগধী কে'পি ৰূপৰ হোৱা নাই।

১৬। ডঃ কাকতিয়ে ৬৯৬ ছেদত প্ৰা.ভা. আ. সঃহি > ম.ভা. অ. (মাগ) শে'হি > ন. ভা. আ.(অস.) সেহ্ হোৱা বলি লিখিছে।

ডঃসেনে ক.গ্ৰা.মি.ত দেখুৱাইছে যে প্ৰা.ভা. আ. সঃ খৰোষ্ঠী ধম্মপদৰপ্ৰাকৃত, (পৃঃ১৫), নিয়প্ৰাকৃত (পৃঃ ৩৯), অশোকৰ মানচেৰা, কলচি, ধাউলি, শিলালেখৰপ্ৰাকৃত (পৃঃ১১২, ১১৪) আৰু অপভ্ৰংশত (পৃঃ১১৪) সে হয়। গতিকে প্ৰা.ভা.আ. সঃহি > ন.ভা. আ.(অস) সেই ৰূপ মাগধীৰ সহায় নোলোৱাকৈও পাব পাৰি।

গতিকে ডঃ কাকতিৰ সেহ্ শব্দৰ ব্যুৎপত্তি মাগধীৰ সহায় নোহোৱাকৈও ব্যুৎপন্ন কৰিব পাৰি।

১৭। ছেদ ৭৬৩ ত দ্বিতীয় পুৰুষৰ নিত্য বৰ্তমানৰ ক্ৰিয়াৰূপ - আ (যেনে-তুমি কৰা) মাগধীৰ সম্বন্ধপদৰ বহুবচনৰ বিভক্তি - আহঁ ৰ পৰা হোৱা বুলি তেখেতে কৈছে।

বৰৰুচিৰ প্ৰাকৃত -প্ৰকাশৰ (১১শ অধ্যায়, ১২শ সূত্ৰ) মতে সম্বন্ধ পদ বহুবচনৰ প্ৰত্যয় - অহ্, - আহঁ নহয়। এতেকে - অহ্ ৰ পৰা -আ প্ৰত্যয় পাব নোৱাৰি। ইয়াৰ পৰা - আ প্ৰত্যয় পোৱাহেঁতেনো শব্দ বিভক্তিক ক্ৰিয়াবিভক্তি ৰূপে প্ৰয়োগ কৰাৰ বিপক্ষে আপত্তি কৰাৰ থল থাকি যায়।

(১) সাধাৰণতে শব্দবিভক্তি ক্ৰিয়াবিভক্তি হিচাপে ব্যৱহৃত নহয়।

(২) যদি ক্ৰিয়া বিভক্তিৰ - আ শব্দ বিভক্তিৰ পৰা আহিবই লাগে, তেনেহলে সম্বন্ধ পদৰ বহুবচনৰ বিভক্তিৰ পৰাই যে আহিব লাগে, তেনে কোনো কাৰণ থাকিব নোৱাৰে। কাৰণ কাৰকৰ একবচনত -ণা, -সা; সম্প্ৰদান কাৰকৰ একবচনত -আয়; অপাদানকাৰকৰ একবচনত -আৎ, -স্মাৎ; কৰ্মকাৰকৰ বহুবচন -আণ; সম্বন্ধপদৰ বহুবচনত -ণাং, -সাং আদি বিভক্তি আছে। ইহঁতৰ যি কোনো এটাৰ পৰাই - আ প্ৰত্যয় পোৱা যায়। এই গোটেইবোৰ বাদ দি কেৱল মাগধীৰ সম্বন্ধপদৰ বহুবচনৰ - আহঁ ৰ পৰা অহা প্ৰত্যয়টো বাছি লোৱা কাৰ্য্য মাগধী-প্ৰীতি যেনহে লাগে।

(৩) নিত্য বৰ্তমান কালৰ (লটৰ) ২য় পুৰুষৰ দ্বিবচনৰ আত্মনেপদী বিভক্তি - আথে ৰ পৰা এই - আ প্ৰত্যয়টো অহাৰ সম্ভাবনা অধিক। কাৰণ, আথে আৰু - আ দুয়োটাই ক্ৰিয়াবিভক্তি, দুয়োটা একে কালৰ, দুয়োটা একে পুৰুষৰ, মাত্ৰ - আথে বহুবচনৰ বিভক্তি নহৈ দ্বিবচনৰ বিভক্তি। কিন্তু প্ৰা.ভা.আ. ৰ দ্বিবচনৰ অনেক বিভক্তি ৰূপে প্ৰয়োগ হোৱা দেখা যায়। - আথে ৰ পৰা - আ ৰ বিকাশৰ ধাৰা হ'ব এনেকুৱা ঃ প্ৰা.ভা. আ. - আথে > মা.ভা.আ. + আহে > আএ > ম. ভা. আ. (অস) - আ।

দেখা গ'ল - মান্যাৰ্থক ২য় পুৰুষৰ নিত্য বৰ্তমান কালৰ ক্ৰিয়া বিভক্তি -আ ৰ ডঃ কাকতিয়ে দিয়া ব্যুৎপত্তি গ্ৰহণযোগ্য নহয়।

ওপৰৰ আলোচনাৰ পৰা আমি দেখা পালোঁ -(১) অসমীয়া সি, যি আদিৰ কৰ্তাকাৰকৰ - ই প্ৰত্যয় মাগধী - এ প্ৰত্যয়ৰ পৰা অহা নাই; (২) পৰহি আৰু পৰশুই ৰ - ই প্ৰত্যয় মাগধীৰ পৰা নাই অহা; (৩) নামৰ পাচত (যেনে-হৰো, নৰো) যোগ হোৱা - ও প্ৰত্যয় মাগধীৰ নহয়; (৪) তালব্যীভৱন লক্ষণ মাগধীৰ নহয়; (৫) দ্ৰ > ল হোৱাৰ লক্ষণ কেৱল মাগধীতেই পোৱা নাযায়; (৬) অসমীয়াত ৰ্হ > ৰিহ্ হে হয়, ল নহয়; (৭) ক্ষ > খ হোৱা প্ৰৱণতা মাগধী উপাদান বুলি কব নোৱাৰি ; (৮) ৰ্য > য় হোৱা লক্ষণ একমাত্ৰ মাগধীক নহয়; (৯) মূৰ্ধণ্যীভৱন অন্য প্ৰকৃততো হয় ; (১০) ন্য > ঞ অন্য প্ৰাকৃততো পোৱা যায় ; (১১) ৰ > ল হোৱাৰ প্ৰৱণতা অসমীয়াত সামান্য পৰিমানেহে দেখা যায়; (১২) কালবাচক - আ প্ৰত্যয় মাগধীৰ পৰা অহা নাই; (১৩) ব্যক্তিগত সৰ্বনাম সি মাগধী শে ৰ পৰা অহা নাই; (১৪) সি ৰ তিৰ্যক ৰূপ তা - অন্য প্ৰাকৃতিৰ পৰাও আহিব পাৰে; (১৫) অনিৰ্দিষ্ট সৰ্বনাম কেও মাগধী কে'পি ৰ পৰা অহা নাই; (১৬) নিৰ্দেশক সৰ্বনাম সেই মাগধী শে'হি ৰূপৰ পৰা নাহিবও পাৰে; আৰু (১৭) দ্বিতীয়া পুৰুষৰ মান্যাৰ্থক ক্ৰিয়াবিভক্তিৰ -আ মাগধীৰ পৰা অহা নাই।

আ.ফ.ডি. ডঃ কাকতিয়ে মাগধীৰ উপাদান বুলি দেখুওৱা ১৭টা উপাদানৰ সৰহ ভাগকে মাগধীৰ বাহিৰে অন্য প্ৰাকৃততো পোৱা যায়। কিছুমান উপাদান মাগধীৰ নহয়েই। একমাত্ৰ মাগধীত পোৱা বুলি কব পৰা কোনো উপাদান অসমীয়াত নাই।

গ্ৰন্থপঞ্জী ঃ

(১) অসম সাহিত্য সভা, সঙ্কলিত ঃ১৯৩৩ঃ চন্দ্ৰকান্ত অভিধান;
(২) কাকতি, ডঃ বাণীকান্ত ঃ১৯৪১ঃ আচামিজ্, ইট্চ্ ফ'ৰ্মেচন এণ্ড্ ডিৱেল'প্মেন্ট্;
(৩) কাৱেল, ই.বি., সম্পাদিত ঃ১৯৬২ঃ দা প্ৰাকৃতপ্ৰকাশ অব্ ৱৰৰুচি;
(৪) চেটাৰ্জী, ডঃ সুনিতী কুমাৰ ঃ১৯৭৫ঃ দা অৰিজিন এণ্ড্ দা ড্ৰিৱল'প্মেন্ট্ অব্ দা বেংগলি লেংগুৱেজ ;
(৫) দত্তবৰুৱা, হৰিনাৰায়ণ, সম্পাদিত ঃ১৯৫৩ঃ শ্ৰীশংকৰবাক্যামৃতত সঙ্কলিত "কীৰ্ত্তন",
(৬) ঃ১৯৬৩ঃ মাধৱ কন্দলী, শঙ্কৰদেৱ আৰু মাধৱ দেৱৰ "সপ্তকাণ্ড ৰামায়ণ",
(৭) পিশ্চেল, আৰ., (ঝা, সুভদ্ৰা অনূদিত) ঃ১৯৬৫ঃ কম্পেয়াৰেটিৱ্ গ্ৰামাৰ্ দা প্ৰাকৃত লেংগুৱেজেজ্;
(৮) বৰুৱা, ডঃ বিৰিঞ্চি কুমাৰ আৰু নেওঁগ, ড °মহেশ্বৰ, সম্পাদিত ঃ হৰিবৰ (হৰিহৰ) বিপ্ৰৰ "বব্ৰুবাহনৰ যুদ্ধ আৰু তাম্ৰধবজৰ যুদ্ধ";
(৯) বৰুৱা, হেমচন্দ্ৰ ঃ১৯৬৫ঃ হেমকোষ;
(১০) ভট্টাচাৰ্য্য, বিধুশেখৰ ঃ১৩৫৮ঃ বঙ্গাব্দ = ঃ১৯৫১ঃ পালিপ্ৰকাশ;
(১১) মনিয়েৰ্-ৱিলিয়াম্চ্, মনিয়েৰ্ ঃ তাৰিখ নাই ঃ এ সংস্কৃত-ইংলিচ্ ডিক্সনাৰি;
(১২) মেধি, কালিৰাম, সম্পাদিত ঃ১৯০০ শক = ১৯৭৮ হেম সৰস্বতী "প্ৰহ্লাদ চৰিত";
(১৩) ৱুল্নাৰ, এ. চি. (সেনগুপ্ত, বেলা আৰু ঘোষ, জিতেন্দ্ৰ নাথ অনূদিত) ঃ ১৯৬০ঃ প্ৰাকৃত উপক্ৰমণিকা (Introduction to Prakrit),
(১৪) সেন, ডঃ সুকুমাৰ ঃ১৯৬০ঃ এ কম্পেয়াৰেটিৱ্ গ্ৰামাৰ্ অব্ মিড্ল্ ইণ্ডোএৰিয়ান্;
(১৫) সেন, ডঃ সুকুমাৰ, সম্পাদিত ঃ ১৯৬৬ঃ চৰ্যাগীতি-পদাবলী;
(১৬) হাজৰিকা, বিশ্বেশ্বৰ ঃ১৯৮৮ঃ "অসমীয়া ভাষাৰ উৎপত্তি আৰু প্ৰাগ্‌জ্যোতিষ প্ৰাকৃত"; গোস্বামী, যতীন, সম্পাদিত "প্ৰবন্ধ-সংকলন" ত সঙ্কলিত। সংক্ষিপ্তকৰণ

অ.ডি.বে.লে. = দা অ'ৰিজিন্ এণ্ড দা ডিৱেল'প্‌মেণ্ট্ অব্ বেংগলি লেংগুৱেজ;

অৰ্ধ = অৰ্ধমাগধী,

অস. = অসমীয়া,

আ.ফ.ডি. = আচামিজ্, ইট্চ্ ফ'ৰ্মেশ্যন্ এণ্ড ডিৱেল'প্‌মেণ্ট্;

ক.গ্ৰা.প্ৰা. = কপেম্‌য়াৰেটিব্ গ্ৰামাৰ্ অব্ মিড্‌ল্ ইণ্ডো-এৰিয়ান্;

চন্দ্ৰকান্ত = চন্দ্ৰকান্ত অভিধান;

ছে. = ছেদ;

পা. প্ৰা. = পালিপ্ৰকাশ;

প্ৰা.উ. = প্ৰাকৃত-উপক্ৰমণিকা;

পৈ. = পৈশাচী;

মহা. = মহাৰাষ্ট্ৰী;

মাগ. = মাগধী;

শৌ. = শৌৰসেনী।

ব্ৰজবুলি আৰু সম-সাময়িক পূৰ্ব-ভাৰতৰ কাব্যৰ ভাষা

ড° নাৰায়ণ দাস

১.০. খ্ৰীষ্টীয় চতুৰ্দশ শতাব্দীৰ পৰা উত্তৰ- পূৰ্ব ভৰতভূমিত ৰামায়ণ, মহাভাৰত আৰু বিভিন্ন পুৰাণৰ কহিনী আশ্ৰিত কাব্য ৰচনা অথবা মহাকাব্য দুখনিৰ ভাষানুবাদৰ শুভাৰাম্ভ হয়। ভৌগোলিক দৃষ্টিকোণৰ পৰা সমীক্ষক সকলে সেই কালৰ ৰচনা সম্ভাৰৰ ভাষাক পুৰণি অসমীয়া, বঙলা আৰু উৰিয়া ৰূপে চিহ্নিত কৰিছে। প্ৰাক্-শঙ্কৰী কবিকেইজনাৰ ভিতৰত 'পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলি', হৰিবৰ বিপ্ৰ আৰু হেম সৰস্বতী প্ৰখ্যাত। কন্দলিয়ে বৰাহী ৰজা শ্ৰীমহামাণিক্যৰ পৃষ্ঠপোযকতাত 'সাতকাণ্ড ৰামায়ণ' সৰ্বসাধাৰণৰ ভাষা তথা অসমীয়াত 'পদবন্ধে' নিবন্ধন কৰিছিল। নৰপতি দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষতা লাভ কৰা হৰিবৰ বিপ্ৰই 'জৈমিনীয়া শ্বমেধ' ৰ পৰা পদ কৰিছিল তিনি খন পুথিত - 'লব কুশৰ যুদ্ধ', 'বভ্ৰুবাহনৰ যুদ্ধ', আৰু 'তাম্ৰধবাজৰ যুদ্ধ' কোনো কোনোৱে ত্ৰয়োদশ শতাব্দীৰ অন্তিম ভাগ অথবা চতুৰ্দশ শতাব্দীৰ প্ৰথম ভাগত কমতাপুৰত অখণ্ড প্ৰতাপেৰে ৰাজত্ব কৰা দুৰ্লভ নাৰায়ণৰ সম-সাময়িক কবি ৰূপে সাব্যস্ত কৰা[১] হেম সৰস্বতীয়ে মাত্ৰ এশটা পদত 'বামন পুৰাণ চাহি' ৰচনা কৰিছিল 'প্ৰহ্লাদ চৰিত্ৰ' আৰু ৮৯৯টা পদত 'হৰ-গৌৰী সংবাদ'। উক্ত আটাই কেইজন কবিৰ ৰচনাত পুৰণি অসমীয়াৰ যৌৱনদীপ্ত ৰূপৰ মনোৰম নিদৰ্শন সুৰক্ষিত হৈছে। বংগদেশত উদ্ধাৰ হোৱা বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ-কীৰ্তন'ক ড° সুনীতি কুমাৰ চট্টোপাধ্যায়, প্ৰমুখ্য এদল সমালোচকে চতুৰ্দশ-পঞ্চদশ শতাব্দীৰ ৰচনাৰ - কৰ্মৰূপে, সাব্যস্ত কৰিছে[২]। ড° বাণীকান্তকাকতিয়ে পুথিখনিৰ অসমীয়া আৰু বঙলা - উভয়ে ভাষাৰে ধবনি তাত্বিক আৰু ৰূপতাত্বিক বৈশিষ্ট্য সমূহলৈ লক্ষ্য ৰাখি এই সিদ্ধান্তলৈ আহিছে যে অসমীয়া, বঙলা আদি নৱ-ভাৰতীয় ভাষা স্পষ্টৰূপে পৃথক হৈ ওলোৱাৰ পূৰ্বে সিহঁতৰ যি এটা সাধাৰণ ৰূপ আছিল, 'শ্ৰীকৃষ্ণ-কীৰ্তন' ৰ ভাষা তাৰেই ছন্দোময় প্ৰকাশ[৩]। মালাধৰ বসুৰ 'শ্ৰীকৃষ্ণ বিজয়' প্ৰাক্-চৈতন্য যুগৰ ৰচনা সম্ভাৰ ৰূপে সমালোচক সকলৰ দ্বাৰা স্বীকৃত। ইয়াৰ ভাষাই বঙলা ভাষাৰ মধ্য যুগৰ আদি পৰ্ব (খ্ৰী.১৩০০-১৫০০) সুন্দৰ নিদৰ্শন দাঙি ধৰে। উৰিষ্যাৰ

'পঞ্চসখা'ৰ প্ৰবীণতম বলৰাম দাসৰ 'জগমোহন ৰামায়ণ'ত প্ৰাচীন উৰিয়া ভাষাৰ চানেকি সংৰক্ষিত হৈছে।

১.১. বৈষ্ণৱ ভক্তি আন্দোলনৰ সম্প্ৰসাৰণৰ লগে লগে উত্তৰ - পূৰ্ব ভাৰতৰ ভক্ত কবি সকলে ইতিমধ্যে অগ্ৰজসকলে কাব্য অথবা অনুবাদত ব্যৱহাৰ কৰা ভাষাৰ উপৰি জন সাধাৰণৰ মাজত প্ৰচালিত অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠজাত ভাষাটোত ৰাম- কৃষ্ণ কেন্দ্ৰিক গীত আৰু নাট ৰচনাত আগভাগ লৈছিল। পিছৰ ভাষাটো ব্ৰজবুলি। ইয়াত লৌকিকতাৰ ছাপ গাঢ়। কাব্যাদিত ব্যৱহাৰ কৰা ভাষাটোত শৌৰসেনী অপভ্ৰংশ আৰু লৌকিকতাৰ চিন নথকা নহয়। পুৰণি অসমীয়া (বঙলা আদি ভাষাও) আৰু ব্ৰজবুলি - উভয়ে সমসাময়িক সৰবৰহী অৱহট্‌ঠৰ প্ৰভাৱেৰে পৰিপুষ্ট হোৱা হেতু দুয়োটা ভাষাৰে ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশত ভালেখিনি সাদৃশ্য ধৰা পৰে। শঙ্কৰ আৰু শঙ্কৰোত্তৰ যুগৰ অসমীয়া বহুকেইজন কবিয়ে একে সময়তে ৰচনা কৰিছিল - পুৰমি অসমীয়াত যুগজয়ী কাব্য আৰু বজ্ৰবুলিত নাট তথা গীতমালা। ফলত কবিসকলৰ জ্ঞাতে কিম্বা অজ্ঞাতে পুৰণি অসমীয়াৰ নানা ৰূপ ব্ৰজবুলিত আৰু ব্ৰজবুলিৰ বহুৰূপ পুৰণি অসমীয়াত সান-মিহলি হৈ পৰিছিল। 'শ্ৰীকৃষ্ণ -কীৰ্তনৰ' ভাষাকো পুৰণি অসমীয়াৰে অভিন্ন জ্ঞান কৰি তাকো আলোচনাৰ ভিতৰত স্থান দিয়া হৈছিল। বজ্ৰবুলিৰ ৰূপ বোৰ পোনতে উল্লেখ কৰি তাৰ সৈতে পুৰণি অসমীয়াৰ বিভিন্ন ৰূপৰ সাদৃশ্য দেখুৱা হ'ল-

১.২. <u>ধ্বনিমূলক</u>

১.২.১ অ > আ = অগ্নি > আগি/ৰা; অনল > আনল (কৃ, ৰাধা) অনাথ > আনাথা/কৃ; ৰাধা, অনেক> আনেক/কৃ; ৰাধা, অন্ধ > অন্ধি (ক ১৭৭৭), অঞ্চল > আঞ্চল/ৰু.২১৮, অক্ষি > আখি/ল,২১,অসজ > আসজ/ক. ১৫৭৬, অশেষ > আশেষ/ক. ২৭৩৫, কলা > কালা/ৰু কা,দয়ালু > দায়ালুক/ল আদি।

১.২.২. আ > অ = আগমন > অগমন/বি. ২৩;কুমাৰ > কুমৰ/ৰুকা. কুমাৰী> কুমৰি/ৰুকা, চিত্ৰাংগদা> চিত্ৰংগদা/ব আদি।

১.২.৩. ই আৰু দীৰ্ঘ ঈৰ পাৰ্থক্যহীনতা= ঘৰিণি/ঘৰিণী/বি; আখি/আখী/কৃ, দেৱি/দেৱী/হেম, হস্তি/হস্তী/হেম আদি।

১.২.৪. ড আৰু দীৰ্ঘ উৰ পাৰ্থক্য হীনতা= উজ্জল/উজ্জল/কৃ., পুৰাণ/পূৰাণ/হেম. আদি।

১.২.৫.ঋৰ ভিন্ন পৰিৱৰ্তন,যেনে

- অঃ কৃষ্ণ> কাণাই/ভগী. ৩২৮; গৃহ ঘৰ/কৃ., আদি।

-আঃ নৃত্য > নাচ/কে; কৃষ্ণ কাণহ/কৃ, নৃত্য> নাচ/ককা আদি।

-ই ঃ ঘৃত > ঘি/ৰামঃ২৫; ভাতৃজ ভতিজ/ব. ২০৯ আদি।

-উ ঃ শৃণ > শুণ/ককা বৃদ্ধ > বুঢ়া/কৃ আদি।

-এঃ মাতৃ মাৰে/ৰাম. ৩৯; দৃশ্যতি দেখে/ক আদি।

১.২.৬. জ/ঝ আৰু যৰ পাৰ্থক্য হীনতা যামিনি/জামিনি/বি ২, যমুনা/জমুনা/বি'৪৩; জিব/ঝিব/ ককা, যদুপতি/জদুপতি/ককা, আদি।

১.২.৭. ণ আৰু ন ৰ পাৰ্থক্য হীনতা = প্ৰাণ/প্ৰান/ক, নিদাৰুণ/নিদাৰুন/কে; পুৰাণ/পুৰাণ/হেম প্ৰাণ/প্ৰান/হেম, বানী/বানি/হেম আদি।

১.২.৮. শ, ষ আৰু সৰ ব্যৱহাৰত বাচ-বিচাৰ হীনতা। শ আৰু ষ ৰ প্ৰয়োগ সীমিত কিন্তু স ৰ প্ৰয়োগ সৰ্বাধিক = শিশুপাল ~ সিসুপাল/ক, শুন ~ সুন/কা; দশন দসন/হেম, শেষ ~ সেষ/কৃ, শস্য ~ সস্য/কৃ আদি।

১.২.৯. কোনো কোনো স্থানত ৰ আৰু ল ৰ অভেদ প্ৰয়োগ= গোধূলি-গোধুৰি/ভগী ১৫৪ প্ৰহ্লাদ~ প্ৰহ্ৰাদ/হেম আদি।

১.২.১০. ক্ষ > খ = আক্ষি > আখি/ৰাম ৯, ক্ষণ > খনো/ৰামা. ২১; উপেক্ষি > উপেখি/কৃ., ক্ষয় > খএ/কৃ, ক্ষীণ > খিনী/কৃ, তৎক্ষণ > তেখন/হেম, সাক্ষাৎ > সাখ্যাত/হেম আদি।

১.৩. ৰূপতত্ত্ব মূলকঃ

১.৪. নিৰ্দিষ্ট বাচক প্ৰত্যয়

উদাহৰণ- ক - খান = একেখান শাস্ত্ৰ/ভগী ২৭৬; ধেনুখান/ব, ৰথখান/ক কা ইত্যাদি।

খ - খানি = একেখানি/ভগী ১০; একেখানি, মলখানি/ল আদি।

গ - গাছি = এক গাছি খেৰ/ক ; খেৰ গাছ/ককা আদি।

ঘ - গোট, গোটা,- গুটি = এন্দুৰ গোট/ক ; গদাগোট/ককা ৪০৬ ; একেগোটা ধৰ্ম/ভগী ২৬৪, আঠ গোটা সিংগ/ক, চাৰি গোটা/ককা ১৪৭; একগুটি পুত্ৰ/ভগী ৩৭১; পুত্ৰ গুটি/ক আদি।

ঙ - জন/-জনা = পাথিক জনত বাত পুচত/চো; পণ্ডিত

জন/ক, এজনা আলহী/ভগী ৪৭;যতজনা/ক আদি।

চ -টি /-টো= এটি নদী/ভগী ১৯; পাঞ্চোটি বান্দৰে /ক; ইটো গৃহ/ভগী ২৬, ইটো কোন বীৰ / ক আদি।

১.৫. <u>বহুবচনৰ প্ৰত্যয়</u>

ক - গণ ঃ- অমৰ গণ/ৰামা ৭৬; অসুৰ গণ/ক, মৃগগণ/ক, ৰাজগণ/ৰুকা ৭১ ইত্যাদি।

খ - জাক = সৱজাকে/চো; ৰাজা জাক/ৰুকা ৭০, বিৰঝাক / ৰুকা ৫৯২ আদি।

গ - ৰা = আৰা দুই/মাব; আমাৰায়ো/ৰুকা ৪৫৮, তাৰা/ক, তোৰা/ক আদি।

ঘ - সকল = আৰা সকল/অ; আহি সকলৰো/ক, ব্ৰাহ্মনি সকলে / ৰুকা ২৬২ আদি।

ঙ - সৱ = আৰা সৱ/কে; আনো সৱ/ক, মহাৰাজা সৱ/ৰুকা ৭ আদি।

চ - সম্বা = তাসম্বাৰ কৰ্ম/ভগী ২৪৭; তাসম্বাক/ৰুকা ১৪০, তাসম্বাৰ/ক আদি।

ছ - হুন্ত = দুই হুন্তৰ তৰ্পণ কৰবু/ব্ৰহ্মামোহন; দুই হুন্তক/ কুকা ৩৩০ আদি।

জ - হান = দুই হানৰ /পা ; সবহাৰ/ক আদি।

১.৬. <u>স্ত্ৰী প্ৰত্যয়</u>

ক -ঈ = কিংকৰ/কিংকৰী/ ক অনুচৰ— অনুচৰী/কে; দেৱ - দেৱী ব৫৪৩, গোপ- গোপী/কৃ কলীয়া দমন, গোআল, গোআলী/কৃ, নিমাখিত - নিমাখিতী/ব ২২২ বিদ্যাধৰ - বিদ্যাধাৰী/ক ৩২৫৭, ৰাক্ষস - ৰাক্ষসী/ৰুকা ১৬ আদি।

খ -ইনী = গোপ - গোপিনী/কে, নাগ-নাগিনী/

অ; অনাথ - অনাথিনী/ক গোৱাল-
গোৱালনী /কৃ - ৰাধাবিৰহ, নাতি -
নাতিনী/কৃ , ৰাধাবিৰহ, বাঘ -
বাঘিনী/ক, সেৱক - সেৱকিনী/ক
আদি।

গ - উনী = চোৰ - চুৰুনী/চো; দুখুনী/ক আদি।

ঘ -নী = তপস্বী, তপস্বিনী /ৰামা ৩৩, পতি -
পতিনি/ভটিমা; যোগী - যোগিনী,
কৃ বংশী খণ্ড, আদি।

১.৭. কাৰক - বিভক্তি

কাৰক বিভক্তিৰ ক্ষেত্ৰতো পুৰণি কাব্যৰ ভাষাৰ সৈতে ব্ৰজবুলিৰ নিকট সম্পৰ্ক সুপৰিলক্ষিত যেনে-

১.৭.১. -এ = প্ৰথমা, তৃতীয়া আৰু সপ্তমী - (ব্ৰ) কেশৱে কুৰত কেলি / কে, কৰ্ণে আন পুনু কিছু সুনয নাহি/কে, অন্তপুৰে ৰহ /ৰু ; (পু কা) অৰ্জুনে পঠালা/ ল ৩০৮, খৰে বোলে /ক ; নখে বিদাৰিতে চাম/ ব ২৬৩, শুণ্ডে যোড়াহি আনি /হেম ; আকাশে উৰয়/ ক ;২৮১৫, কাপোৰে লাগে জুই/ ব ৪২৬, চৰণে পৰিল/ক আদি।

১.৭.২. ক = দ্বিতীয়া আৰু চতুৰ্থী (ব্ৰ) অনেক প্ৰবন্ধে কৃষ্ণক ভেট নপাই /কে, গোষ্ঠক চলিবি/ ম, (পু কা) গুৰু দ্ৰোণক সুমৰো/ ব ৩১৯, বালক সজাএ/কৃ ভাৰখণ্ড, নগৰক চলিবো / ৰুকা ৬৫৮, নাগৰ লোকক গৈল/ ক আদি।

১.৭.৩. ৰ = ষষ্ঠী - (ব্ৰ) কংসৰ নগৰি/ পি, কৃষ্ণৰ কিংকৰ / ৰু; (পু কা) গান্ধাৰ নাতিনী ৰাধা / কৃ তাম্বুল খণ্ড, পুৰ্ণিমাৰ শশী/ক, ৰাজাৰ বচনে/হেম আদি।

১.৭.৪. -ত = সপ্তমী - (ব্ৰ) চক্ৰত নিমেষ নাহি/কা, নাসাত বাউথেনে নাহি/ৰাম ২৮; (পু কা) উত্তম কুলত মোৰ জনম/কৃ ৰাধা বিৰহ, ধৰণীত পৰি ভৈল/ক ৰামৰ হাতত/ক আদি।

১.৮. নিৰ্বিভক্তিক প্ৰয়োগ

১.৮.১. প্ৰথমা - ০ = (ব্ৰ) অলিখিতে গোপ জায়া /কে, কুকুৰা আৰাৱে/ /কে, (পু কা) গোপী গীত গাএ/কৃ, বৈসম্পায়ন বদতি/

ক্কা ২১৪ আদি।

১.৮.২. দ্বিতীয়া - ০ = (ব্র) কুবলয় দল জিনি/ চো, কংস নাসি বনমালী / কে, (পু কা) গোত্র লৈয়া/ ক্কা ৭৭৯, নেত বসন দিআ/ কৃ তাম্বুল খণ্ড আদি।

১.৮.৩. তৃতীয়া - ০ = (ব্র) দশন নখ হান/কে, নাসা গন্ধ মধুৰ ৰস/মা ব; (পু কা) মণি অলংকাৰ শোভিত শৰীৰে/কৃ জন্মখণ্ড, ক্রোধ দৃষ্টি চাহি/ক আদি।

১.৮.৪. চতুৰ্থী বিভক্তি - ০= (ব্র) আজু ব্রজ যাব/ কে, (পু কা) বন জাইতে হোৱা/ ক আদি।

১.৯. <u>সৰ্বনাম</u>

ব্রজবুলিৰ সৈতে কাব্য ভাষাৰ সৰ্বনামৰ সাদৃস্য সমূহ হ'ল-

১.৯.১. <u>প্রথম পুৰুষৰ সৰ্বনামঃ</u>

(ব্র) মই বৰ অনাথ /ৰাম ২৮, মঞি পাপী/মা ব ; আমি সবে আসিলো/মা ব, ভব ত বৎসল মোক জানি/কে, হামাক নিয়া জাই/ ৰা, মোৰ মায়া পাশ/শংৰ, মোহোৰ ঘৰেৰ দধি/পি , তোমাৰ আমাত চাতুৰী/ পি ; (পু কা) মই/ব [illegible], মঞি/ ব ৪৩, মোক/ক ৩১২৫, মোৰ /ব ২২৩ , মোহোৰ/ব ২০৬, আমি /ব ৬১৪, আমাৰ/ কৃ দানখণ্ড, আম্হাতে/ ক ৰাধা বিৰহ আদি।

১.৯.২. <u>দ্বিতীয় পুৰুষৰ সৰ্বনাম</u> ঃ

(ব্র) আনিলো আসিলা তুমি/পি, তোহো ৰাজ নন্দিনী/ ক্ক, তোৰাসাৰ পৰম পণ্ডিত/প, তোমাক ভজি/ৰাম ৫১, তোৰাক নিমিত্তে আমাৰ মন / কে, তোহাক বিবাহ কৰব/ ৰা , জানি কয়লো তেয়ুপ আশা /কে, তোমাৰ গৰবে গৰ্বিনি/ ভগী, তোহাৰ মুখত গন্ধ/চো, তোম্হাৰ ঝগৰা/ পি, তোৰ মাথা খাইবো/কোটোৰা খেল, হৰি তোত আছে/ ব্রহ্ম মোহন; (পু কা) তুমি/ ক , তোক/ব ২৫০, তোমাক/ক, তোম্হাক/কৃ তাম্বুল খণ্ড, তোহাক/ ক্কা [illegible], তোমাৰ/ক, তোম্হাৰ/ কৃ তাম্বুল খণ্ড, তোৰ/ ব ১৫৭ তোত/ ক আদি ।

১.৯.৩. <u>তৃতীয় পুৰুষৰ সৰ্বনাম</u> ঃ

১.৯.৩. তৃতীয় পুৰুষৰ সৰ্বনাম ঃ

(ব্ৰ) মই নধৰিলো তাক/ৰামা ১, তাহেৰ ভাগ্যৰ মহিমা/ ৰা, তাসম্বাক অতি সত্বৰে/ কে; (পুকা) তাক/ ৰুকা ৬৩৮, তাৰ/কুকা ৯১, তাহাৰ/ক, তাসম্বাক/ ক আদি।

১.৯.৪. নিকট বাচক সৰ্বনামঃ

(ব্ৰ) ই কথা ৰহোক / ৰু, ইটো দণ্ডে আমি/কে; ইহা হামোজানো/ ৰূ, এই মতি তোৰি/ বি ১০১; ইহাক সম্বৰণ কৰিতে/ ৰূ এহি আলিংগণ লাগি/ বৰ্ণ ৰত্নাকৰ, আহাৰ লগতে / ভোজন ব্যৱহাৰ, ইহাৰ দোষ/ অ; (পু কা) ই/ক, ইটো/ক, ইহা/ক, এই/ ৰুকা, ইহাক/ক, এহি/ক, আহাৰ/ক আদি।

১.৯.৫. দূৰ নিৰ্দেশক সৰ্বনাম ঃ

(ব্ৰ) সিটো শ্ৰীসৱ /পত্নী প্ৰসাদ, সে সৱ পূৰণ হোক/ অ, তব হোই সোই / পা, সোহি মোহি গতি/ ৰু; (পু কা) সিটো/ক , সেই/ক, সেহি/ৰুকা ৯০ আদি।

১.৯.৬. সম্বন্ধ বাচক সৰ্বনাম ঃ

(ব্ৰ) যে নৃপবৰ বাসা কৰি ৰহিছে/ৰু, জাকু ধিয়াই/ভগী ৬৬, যজ্ঞৰ ভাৰ অৰ্পয় যাহাত/ৰামা ১০; (পু ক) জে (মনসা কাব্য), যেৱে/ ৰুকা ৪৩১, যাহা/ৰুক ৩৭৩ আদি।

১.৯.৭. প্ৰশ্নোবোধক সৰ্বনাম ঃ

(ব্ৰ) আজু কাহা যাহি/চো, কি মোৰি কম্পাল/কা ,কাহাক থাকিব চাই/ কিনো ভেলি ভাগ্য/ ৰূ কুন পৰকাৰে ভেট পাঞু/ ৰু, কোনে আসি হামাক/ কা ৰামা৬ , তোহো কাহেক ভয় কৰহ/ ৰূ, কহাৰে কুমাৰ ৰূচ (পুকা) কাহা/ক কাহাক/ক,কিনো ৰুকাকাহাক/ক কাহাৰ/ক আদি।

১.৯.৮. অনিশ্চিত সৰ্বনাম ঃ

(ব্ৰ) একু ভকতি নজানা /মাব , নাহি ভয় কাকু গোপিনী বুলি/ কে, কাহাকু হেৰায়/কে, ৰাখবি নাহি কেউ/ভটিমা, তোহো বিনে কেৱ /মাব, কেহো নাহি জানল/অ (পুকা) এক/ৰুকা ৭৭৩, একো/ক, কাকো/ক কহাক/ক, কেৱ/ক , কেহো/ ক আদি।

১.৯.৯. আত্ম বাচক সৰ্বনাম ঃ

(ব্র) সাক্ষাতে আপুনি অৱতাৰি/ক, আপোনাক ধিক্কাৰ/পত্নী প্ৰসাদ, আপনাৰ গুণ শুনি/বৈষ্ণৱ পদাবলী; (পু কা) আপুনি/ককাং ১২৭, আপুনাক/ব ৫০৯, আপুনাৰ/ব ৪০ আদি।

১.৯.১০ সৰ্বনামিক ক্ৰিয়া বিশেষণ ঃ

(ব্র) এখনে আনব /ভোজন ব্যৱহাৰ, শক্ৰক তেখনে কন্ধপাত /পা, তৈসনি ৰীতি /বি ২, শ্ৰীকৃষ্ণ যেখনে অংগীকাৰ কয়ল/পা, যৈচন সুৰ পৰকাশ /ভটিমা; (পু কা) এখনে/কীৰ্তন, তেখনে/ক, তৈসানি/ক, যৈসানি/ক আদি।

১.১০. ক্ৰিয়াৰ কাল ঃ

১.১১. বৰ্তমান কাল ঃ

১.১১.১. প্ৰথম পুৰুষ ঃ ওঁ (ব্র) নভজো তোমাৰ পাৱ/মাক, মাগো নাহি আনকামা/ মাব, (পু কা) আছো/ক, কাৰো/ক, জাওঁ /কৃ- দানখণ্ড, দেওঁ/হেম, শুনো/ ৰকা ৯০ আদি।

১.১১.২. দ্বিতীয় পুৰুষ ঃ - অ ঃ (ব্র) ফুৰ চুৰি কৰি/পি, চুৰি কৰিবাৰে যাৱ, (পু ক) আন/ক, কৰ/ক, চল/ক, বুজ/ ককা আদি আৰু -আঃ(ব্র)তুমি সব ভাল জানা/মাব, যত পাৰা খাইবে দিবো / ভূমি লেটোৱা; (পু ক) কৰা / কক ৫১৭, চলা /ক, লোৱা/ ক, শুনা /ক আদি।

১.১১.৩. তৃতীয়া পুৰুষ ঃ ইঃ (ব্র) - মেলি আঞ্চোল ভোলাহি /ৰা, সঙ্গহি নয়াহি/ মাব, (পু কা) দেহি/হেম, শুখাহি/হেম আদি আৰু -এ ঃ (ব্র) আয়ু ক্ষণে ক্ষণে টুটে / মাব, হৃদয় দোহে/পা (পু কা) আছে /হেম, কৰে/ক, টুটে/ক আদি।

১.১২. অনুজ্ঞা ঃ

১.১২.১. দ্বিতীয়া পুৰুষ ঃ -অ অথবা শূৰ্ণ্য -(ব্র) জানি নৰ নকৰ বিৰাম/ ভটিমা, ৰোষ কৰ দূৰ /ভূমি লেটোৱা, (পু কা) কৰ / কৃ ৰাধা বিৰহ, / ধৰ/কৃ তাম্বুল খণ্ড, আৰু -আঃ (ব্র) গালি তুমি নাপাৰিবা/পি, মৰণহি সংগ নাচোড়া/মাব (পু কা) জোৱা/ ৰকা ৯৮, খেমাকৰা/ ককা ৯৮ আদি।

১.১১.২. তৃতীয়া পুৰুষ ঃ ওক ঃ (ব্ৰ) নন্দে দেখোক আসিয়া/ অ, পাৰিজাত নিয়া জাউক / পা, (পু কা) গাউক / ৰুকা ২৬০, যাউক / ৰুকা ২৬০ চালোক /ৰু কা ২৬০ আদি।

১.১৩ অতীত কাল ঃ

১.১৩.১. প্ৰথম পুৰুষ ঃ -লো ঃ (ব্ৰ) অপৰাধ আচাৰিলো/কে, পুৰ্নবাৰ উপজলো /ৰা , (পু কা) কৰিলো/ ব ৩৭৬, কহিলো/ কৃ ভাৰখণ্ড, খণ্ডালো/ব ৪০ , চাহিলো/ ব ৫২১, জানিলো/ক ১৬৬৪, জিনিলো / ব ৩৭৪, পেশিলো / ব ৩৭৬ আদি।

১.১৩.২. দ্বিতীয় পুৰুষ ঃ -ইলা ঃ (ব্ৰ) জানিলো আসিলা তুমি পি, ধৰিলা লৱনুচোৰ নাম/ মা ব (পু কা) আইলা / ৰুকা ১৫৯/ বৰষিলা / ব ৫০৮, বেঢ়িলা/ ব ৫০৬, মেলিলা/ক , আদি আৰু -ইলি (ব্ৰ) গৃহে লৱনু খাৱলি/ পি, নিমিষে পুহাৱলি / কে, (পু কা) আইলি/ ক এৰাইলি /ৰুকা ৬৫৫, গাইলি/ক চাইলি/ক আদি।

১.১৩.৩. তৃতীয় পুৰুষ ঃ ল (ব্ৰ) আইল সবে কৌতুকে/ ভোজন ব্যৱহাৰ, পাপী শিশুপাল আৱল/ ৰু; (পু কা) আইল/ ৰুকা ৬৮০ , খণ্ডিল ব ২৫৭, গাইল/ কৃ দানখণ্ড, দেখিল/ কৃ দানখণ্ড, পাইল/ ব ৫৫১, সিজিল/ ব ২৫, -লা ঃ (ব্ৰ) নন্দঘৰে আসিলা/ মা ব, জানিলা ধিয়ানে/ ভোজন ব্যৱহাৰ, (পু কা) চিন্তিলা(হেম, তুলিলা/ৰুকা ১৫ পঠাইলা /ৰুকা ১২৫, বিৰচিলা/হেম আৰু -লে: (ব্ৰ) গোপালে কি গতি কৈলে/ মা ব, মোক কিনা গতি দিলে/মা ব (পু কা) কৰিলে/ক, খাইলে/ ক, লৈলে/ ক আদি।

১.১৪. ভবিষ্যৎ কাল ঃ

১.১৪.১. প্ৰথম পুৰুষ ঃ -ব/ইবঃ (ব্ৰ) একু তিলে আনব/ ৰু , ক্ৰীড়া কৌতুক কৰব/কে, তোৰ মাথা খাইবো / কে; (পু কা) গাইব/ কৃ নৌকাখণ্ড; চাহিব / ব ২৩০, জাইব/কৃ ভাৰখণ্ড, পাইব/ ব ২০৯, সিচিব/ ব ২১৭,আৰু -বো/ -ইবোঃ (ব্ৰ) কি কহবো উদ্ধৱ / মা ব , আজি চাড়িবো কমনে /ভূমি লেটোৱা, (পু কা) চলিবো /ক, থৈবো/ব ১০৯, পিন্ধিবো/ কৃ দানখণ্ড, পেহলাইবো/কৃ দানখণ্ড আদি।

১.১৪.২. দ্বিতীয় পুৰুষ ঃ -বা (ব্র) আৱৰ সাধিবা তুমি কি /পি, কান্দিয়া মৰিবা পাছে/ পি, (পু কা) কহিবা/ ৰুকা ৯৯, জানিবা/ ব ৬৮, নেদেখিবা/ক আৰু -বি নাশ ভেল জানবি/পা, বিৰহ কত সহবি/ পা; (পু কা) আনিবি/ক, শুনিবি/ক আদি।

১.১৪.৩. তৃতীয়া পুৰুষ ঃ -ইব (ব্র) কৌতুক কৰব/ পা, সীতা স্বামী বৰব/ৰা; (পু কা) পলাইব/ৰুকা ৩০৯, যাইব/ক, তাবু - ইব/ - ইবেক ঃ মোৰ মাধবে গৰজী/ভোজন ব্যৱহাৰ, কিনা গতি হইবে হামাৰে/মাব, কিনা গতি হইবেক মৰণে/যাব; (পু কা) কৰিবে/ কৃ নৌকাখণ্ড , হৰুৱাইবে/ ৰুকা ৩০৯, পাইবেক /ক ২১০, হামিবেক /ক ২২৯ আদি।

১.১৫. নামধাতু ঃ

ব্রজবুলি আৰু অসমীয়া কাব্যত ব্যৱহৃত নাম ধাতু সমূহতো সাদৃশ্য চকুত লগা। কেইটামান উদাহৰণ দিয়া হ'ল - (ব্র) অনুমানি/ৰামা ২৭, আংকোৱালি/ক, আৰ্চৰি/পা, আৰম্ভল/ ৰু, আলিংগি/ৰু, উছুকি / ৰু,উল্লাসি/ৰা টংকাৰি/ৰু, থমকি / ৰাম ২৮, পৰনামি/কা, প্রণামি/ৰু, প্রৱেশি/কে, সম্বুধি/ৰা ; (পু কা) আৰাম্ভিলা/ ব ২, আৰোপিলা /ৰুকা ১৫৮, আলিংগি/ৰুকা, অশ্চাসি/ব ৬, প্রনামি/ল ৯, প্রৱেশিলা/ ব ৩, সম্বুধি/ ল ৪৩ আদি।

১.১৬. অসমাপিকা ক্রিয়া ঃ

-ই আৰু - ইয়া প্রত্যয়ৰ দ্বাৰা ব্রজবুলি আৰু কাব্যৰ ভাষা উভয়তে অসমাপিকা ক্রিয়া ৰূপ ৰচিত হয়। উদাহৰণ -

১.১৬.১. -ই ঃ(ব্র) আনি /কে, আসি/পা, উঠি/কা, উড়ি/কে, কৰি/পা, কাচি /ৰা, কান্দি/পা, ক্রিড়ি/ পা, খুজি/পি, খেদি/ কা, খেপি/ পা, খোজি/পা, গান্থি/কে, (পু কা) আসি/ ৰুকা ২৭, কৰি/ ৰুকা ৪, কাটি/ব ১২১, কান্দি/ ৰুকা ৪৮, খুজি/ ৰুকা ৫৭, ছিণ্ডি / ৫৭, জিনি/ব ১২১, ধৰি/ৰুকা ৪, পৰি/ব , ১২২, ফুৰি/ব ১২০ আদি।

১.১৬.২. -ইয়া ; (ব্র) আসিয়া/ কে, কৰিয়া/ৰাম ৬০, কাঢ়িয়া/ ৰাম ৭৬, কৈয়া/ৰাম ৪৭, খায়া/ৰামা ৫৬, চড়িয়া/কে, চলিয়া/ ৰাম ৬৪, জানিয়া/ শ ব, জিনিয়া/ৰামা ৪২ (পু কা) উলটিয়া/ৰুকা

৪৪২, এৰায়া/ৰুকা ৩৭৯, কৰিয়া/ৰুকা ৩৪৬, কাটিয়া/কৃ নৌকাখণ্ড, টানিয়া/ ব ১৬৩, দেখিআঁ/কৃ নৌকাখণ্ড, ধাৰিআঁ/ কৃ বৃন্দাবন খণ্ড, বাসিয়া/ৰুকা ৪৪ আদি।

১.১৭. বৰ্তমান কালিক কৃদন্ত ঃ

- অন্তে বা - ন্তে প্ৰত্যয়ৰ যোগেদি ব্ৰজবুলি আৰু পুৰণি কাব্য উভয়তে পুৰ্বকালিক কৃদন্ত নিৰ্মান কৰা হয়। উদাহৰণ - (ব্ৰ) উলটি আসন্তে পথ সমিপে/অজামিল নাট, ভোজন কৰন্তে/পা, মুহিবে খোজন্তে / ব্ৰহ্মা মোহন, গাক চাহন্তে মুখক চাহন্তে/পত্নী প্ৰসাদ ; (পু কা) আচৰন্তে ৰুকা ২৪৬, এড়ন্তে/ ল ১০১,কাটন্তে/ ব ১৩৬, কান্দতে /ল ১০৭, খোজন্তে/ৰকা ৬১৪, গৰ্জন্তে/ৰুকা ২৯১, চান্তে/ ৰুকা ৫৮২, চাহন্ত/ৰুকা ৩৭১,জান্টে/ৰুকা ৭১৮, জিয়ন্তে /ৰুকা ৬ আদি।

১.১৮. তুমুনন্ত ক্ৰিয়া ঃ

তুমুনন্ত ক্ৰিয়া ৰূপ গঠনৰ পদ্ধতিও ব্ৰজবুলি আৰু কাব্যৰ ভাষাও অভিন্ন। যেনে - ১.১৮.১. - ইতে ঃ (ব্ৰ) আনিতে/ ৰু, এড়াইতে /ভূষণ হৰণ, কৰিতে / কে, খাইতে/ অ, খেলাইতে / ৰামা ৪ , গিলিতে/ ৰা, চাৰিতে/ মা ব, জানিতে/প, জাহিতে/ ৰু, দিতে/ কা, নিতে/ৰু (পু কা) কৰিতে/ব, চাহিতে/কৃ নৌকাখণ্ড, ধৰিতে/ কৃ দানখণ্ড, বধিতে/ব, বুলিবে/ব, সাজিতে/কৃ ভাৰখণ্ড আদি।

১.১৮.২. -ইবাক ঃ (ব্ৰ) খাইবাক / পিঃ , গিলিবাক /মা ব, চলিবাক /পা, জাইবাক /প, ডাকিবাক /পা, সহিবাক পি, সেধিবাক /মাব, (পু কা) এৰাইবাক /ৰুকা, ৬৮, কাচিবাক / ৰকা ৭৪২, গৰ্জিবাক / ৰুকা ৪০৭, চাহিবাক /ৰুকা ৬৭১, জিবাক / ৰকা, ৪৪৫, ফুৰিবাক /ৰুকা ৩৫৬, মাৰিবাক /ক আদি।

১.১৮.৩. ইবাৰঃ

(ব্ৰ) আসিবাৰ /স্যমন্ত হৰণ নাট, কহিবাৰ/ৰু, খাইবাৰ/ মা ব , দিবাৰ/ভূমি লোটোৱা , (পু কা) আনিবাৰ/ ব ৪৩৭, জাইবাৰ/ কৃ- কালি দমন খণ্ড, সীবাৰ/কৃ দানখণ্ড, ফাৰিবাৰ/ ব ৩৪৯, ভগাইবাৰ/৩৩২ আদি।

১.১৮.৪. ইবাৰে ঃ (ব্ৰ) নাচিবাৰে/ মা ব, পূজিবাৰে/ভ্ৰমি লেটোৱা,

মাতিবাৰে/পি, মাৰিবাৰে/অ; (পু কা) কৰিবাৰে/কৃ নৌকাখণ্ড, কাটিবাৰে/ ব ৫৮২, তোষিবাৰে/কৃ বৃন্দাবন খণ্ড, বধিবাৰে/কৃ ভাৰখণ্ড আদি।

১.১৯. কর্তৃবাচক কৃদন্ত ঃ

-আ, -অন্তা আদিৰ যোগেদি ব্ৰজবুলি আৰু সমসাময়িক পূর্ব ভাৰতৰ কাব্যৰ ভাষাত কর্তৃবাচক কৃদন্তৰূপ নির্মাণ কৰা হৈছে। যেনে- (ব্ৰ) সিংহ চলন্তা/ভটিমা, কেলি কৰন্তা/ভটিমা, গিৰি নিয়ন্তা/ভটিমা, সৃষ্টি কৰতা/ভটিমা; (পু কা) জীৱন্তা (ব ২৮), পালন্তা/ব ৭৬, সৰন্তা/ৰুকা ৫৪৭, মাগন্তা/ব ৩৩৯, ৰামন্তা/ৰুকা ৫২৯, স্ৰজন্তা/ব ৫৭৬ আদি।

১.২০. ক্রিয়াৰ নাস্ত্যর্থক ৰূপ ঃ

ব্ৰজবুলিৰ দৰে মধ্যযুগীয় অসমীয়া কাব্য সমূহতো নঞার্থক ন- সাধাৰণতে ক্রিয়াৰ আগত বহিছে। অৱশ্যে সি কেতিয়াবা কেতিয়াবা ধাতু ৰূপেৰে সমীভূত হৈছে। যেনে - পতিত পাবন নাহি আন /ৰাম ১৬, নাহিখেনে/পা, কৰবি নাহি/কে,/ন খাই ৰাম ৩০, নগনি/ প, ন চাই / পা (পু কা) ন খায়/ ব ৪৭, নিচিনি/ব ৭৩, নুখুজিলি/ৰুকা ৫১৫, নুগুছে/ ৰুকা ৮, নোবোলয়/ল ৩ আদি।

১.২১. ব্ৰজবুলিৰ সৈতে সমসাময়িক উত্তৰ পূর্ব ভাৰতীয় ভাষা সমূহৰ যথেষ্ট সাদৃশ্য বর্তমান, অৱশ্যে কোনো কোনো ক্ষেত্ৰত বৈসাদৃশ্যও নথকা নহয়, সেই বৈসাদৃশ্য সমূহৰ ভিত্তিতে ব্ৰজবুলিক এক সুকীয়া ভাষাৰ মর্য্যাদা আগবঢ়োৱা হৈছে৷ ডঃ বেনী মাধব বৰুৱা, ড° সুকুমাৰ সেন, ডিম্বেশ্বৰ নেওগ আদিৰ অনুমান আৰু মতামতৰ পিছত ডঃ উপেন্দ্ৰ নাথ গোস্বামীয়ে কোৱা 'পূর্বৰ পৰা চলি অহা ভাষা, চর্যাপদৰ ভাষা, শংকৰদেৱৰ সমসাময়িক ভাষা আৰু শংকৰদেৱৰ প্ৰতিভা'ৰ সংমিশ্ৰণেই অসমীয়া ব্ৰজবুলি। ভাষাতাত্বিক পর্যালোচনাত ব্ৰজবুলি অনা ব্ৰজবুলিত ৰচিত কাব্যাদিৰ ভাষাৰ দৰেই স্বাভাৱিক অকৃত্ৰিম ভাষা। ই কোনো দিনেই কৃত্ৰিম ভাষা নাছিল।

সাংকেতিকা ঃ

অ = অর্জুন ভঞ্জ'ন নাট, ক = মাধৱ কন্দলি ৰামায়ণ, কা = কালি দমন

কৃ = শ্ৰীকৃষ্ণ কীৰ্তন, কে = কেলিগোপাল নাট, চো = চোৰ ধৰা ঝুমুৰা
প = পত্নী প্ৰসাদ, পা = পাৰিজাত হৰণ নাট, পি = পিম্পৰা গুচোৱা,
পুক = পুৰণি কাব্য, ব = বব্ৰুবাহনৰ যুদ্ধ (হৰিবৰ), বি = বিদ্যাপতি,
ব্ৰ = ব্ৰজবুলি, ভগী = ভক্তি গীত সংকলন, ভূহ = ভূষণ হৰণ,
মাব = মাধৱ দেৱৰ বৰগীত, ৰা = ৰামবিজয়, ৰাম = ৰাম আতাৰ গীত, ৰামা = ৰামানন্দ দেৱৰ গীত, ৰু = ৰুক্মিনী হৰণ নাট,
ৰুকা = ৰুক্মিনী হৰণ কাব্য, শব = শংকৰ দেৱৰ বৰগীত
হেম = হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰ।

(১) মহেশ্বৰ নেওগ- অসমীয়া সাহিত্যৰ ৰূপৰেখা, (১৯৬২) পৃঃ৬২-৭১
(২) সত্যেন্দ্ৰ নাথ শৰ্মা- অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তি (১৯৮১) পৃ.৬৭-৭২
(৩) কালিৰাম মেধি- কালিৰাম মেধি ৰচনাৱলী, (১৯৭৯) পৃঃ৩৯৫-৪০৩
(৪) Chatterjee, S.K.- Origin and Development of Bengali Language,(1962),part I, pp 127-29
(৫) ড° সুকুমাৰ যেনে শ্ৰীকৃষ্ণ কীৰ্তনৰ পুথিক আখৰক অষ্টাদশ শতাব্দীলৈ টানি আনিছে। চাওক -'বাংগলা সাহিত্যৰ ইতিহাস' প্ৰথম পূৰ্বাৰ্ধ, পৃঃ ১৩১-১৩২
(৬) Kakati B- Assamese : Its formation and Development (1962), pp 17-21
(৭) সুকুমাৰ সেন- বৈষ্ণৱীয় নিবন্ধ(১৯৭০), পৃঃ১৩০-৫৩
(৮) Mon Singh,- M History of Oriya Literature দ্ৰষ্টব্য

অসমীয়া ভাষাৰ শব্দ মালা ঃ নতুন শব্দ

ড° কৃষ্ণ কুমাৰ মিশ্ৰ

ভাষাৰ লগত ব্যাকৰণৰ আৰু ব্যাকৰণৰ স'তে শব্দৰ অঙ্গাঙ্গী সম্বন্ধ। ভাষাত শব্দৰ একোটা ভঁৰাল থাকে। কোনো ভাষাৰ শব্দৰ ভঁৰালটো যিমানেই মেট্‌মৰা হয় ভাষাটোও সিমানেই 'চহকী' হয়। এই 'চহকী' শব্দটোৰ অতীত তাৎপর্যও মন কৰিবলগীয়া। শব্দটো কৃষিৰ স'তে জড়িত। ধানৰ ভঁৰালৰ জোখত সমাজত একোঘৰ মানুহ আঢ্যৱন্ত ৰূপে খ্যাত হৈছিল। তেনেহেয়ে শব্দৰ ভঁৰালটি টনকিয়াল হ'লে ভাষাইও বিশেষ মৰ্য্যাদা পায়। ভিন্ ভিন্ পথাৰত ভিন্ ভিন্ জাতৰ ধান-মাহ, সৰিয়হ আদিৰ খেতি কৰি চহকীসকলে ভঁৰাল ভৰোৱাৰ দিহা কৰে। একেদৰে বিভিন্ন উৎসৰ পৰা শব্দ আহৰণ কৰি একোটা চহকী ভাষাই শব্দৰ ভঁৰাল অধিক সমৃদ্ধ কৰে।

ব্যাকৰণত শব্দৰ বিভিন্ন শ্ৰেণীবিভাগ আছে। সেইমতে আমি বিশেষ, বিশেষণ, সৰ্বনাম, অব্যয় আৰু ক্ৰিয়া পাইছোঁ। আকৌ ধ্বনি-সংগঠনৰ ভিন্ ভিন্ প্ৰক্ৰিয়াৰ যোগেদিও শব্দৰ সৃষ্টি হৈছে। তদুপৰি উৎসৰ ভেঁটিতো শব্দৰ জাত-পাত বিচাৰ কৰা হয়। আমাৰ আলোচ্য বিষয়টি শেহৰবি বিভাজনৰ লগত সম্পৰ্কিত।

ড° বাণীকান্ত কাকতিয়ে তেওঁৰ সুপ্ৰসিদ্ধ গৱেষণা গ্ৰন্থ খনিত (অসমীয়া শব্দমালা) Assamese Vocabulary নামেৰে এটি অধ্যায় সংযোগ কৰিছে। তাত অসমীয়া শব্দমালাৰ ছটা উৎসৰ কথা কোৱা হৈছে। এই সন্দৰ্ভত ড কাকতিয়ে স্পষ্টভাৱে উল্লেখ কৰিছে যে An Introduction to Nepali Dictionary ৰ প্ৰণেতা ভাষাবিদ ও টাৰ্ণাৰে নিৰ্দেশ কৰা নেপালী ভাষাৰ শব্দমালা ছটা উৎসকে স্থানীয় অৱস্থাৰ লগত খাপ খোৱাকৈ সামান্য অদল-বদল কৰি যি কোনো নব্য ভাৰতীয় আৰ্যভাষাৰ ক্ষেত্ৰতে প্ৰয়োগ কৰিব পৰা যায়। ড° কাকতিয়ে তাকেই কৰিছে। সেইমতে অসমীয়া ভাষাৰ শব্দমালাৰ উৎসকেইটা হ'ল- (১) মূল সংস্কৃত অথবা ভাৰতীয় আৰ্যমূলৰ পৰা ধৰি ভাষাতাত্ত্বিক বিৱৰ্তনৰ যোগেদি মধ্য ভাৰতীয় আৰ্যভাষাক স্তৰ

অতিক্ৰমি আমাৰ ভাষাত সোমোৱা শব্দবোৰ (তদ্ভৱ)। (২) মূলত নথকা অথচ নব্য ভাৰতীয় আৰ্যভাষাত সুলভ শব্দৰাজি (দেশী বা দেশজ)। (৩) প্ৰাদেশিক ভাষাৰ পৰা ধাৰ কৰা শব্দ (৪) অনাৰ্য মূলৰ শব্দ (৫) ইংৰাজী আৰু অন্যান্য ইউৰোপীয় ভাষাৰ শব্দ (৬) সংস্কৃতৰ পৰা অপৰিবৰ্তিত অথবা সামান্য পৰিবৰ্তিত ৰূপত অহা শব্দ (তৎসম)। ডঃ কাকতিয়ে লগতে অৰ্ধ-তৎসম শব্দৰ কথাও উল্লেখ কৰিছে। এই শ্ৰেণীৰ শব্দ পিছত অহা বুলি তেওঁ ধাৰণা কৰে। এই সন্দৰ্ভত তেওঁ দাঙি ধৰা দুটামান শব্দ হ'ল ঃ (সং) শস্য > শাহ (তদ্ভৱ)। শহ(অৰ্ধ-তৎসম)। (সং) সঞ্চ > .

সাঁচ (তদ্ভৱ) / সচঁ (অৰ্ধ-তৎসম)। লক্ষণীয় যে একে মূলৰপৰা উদ্ভৱ হ'লেও ওপৰৰ তদ্ভৱ আৰু অৰ্ধ-তৎসম শব্দ দুটাৰ বেলিকা ধবনিৰ সামান্য পৰিৱৰ্তন আৰু অৰ্থৰ সালনি ঘটিছে। দেখা যায় যে এনে সূক্ষ্ম পাৰ্থক্য অনুধাৱন নকৰাকৈ কোনো কোনোৱে আজিকালি তদ্ভৱ আৰু অৰ্ধ-তৎসম শব্দ একাকৰ কৰিবলৈ লৈছে।

অসমীয়া ভাষাৰ তৎসম আৰু তদ্ভৱ শব্দৰ প্ৰসঙ্গত আৰু দুটামান কথা বিচাৰ্য, অসমীয়াত তদ্ভৱ শব্দৰ প্ৰসঙ্গত আৰু দুটা মান কথা বিচাৰ্য। অসমীয়াত তদ্ভৱ শব্দৰ সংখ্যাহি বেছি। ডঃ কাকতিয়ে ইয়াৰ কাৰণ স্বৰূপে অসমীয়া ভাষা -সাহিত্যৰ প্ৰতিষ্ঠাৰ পৃষ্ঠভূমিত থকা বৈষ্ণৱ সাহিত্য আৰু পৰৱৰ্তী কালৰ মিছনেৰীসকলৰ 'অৰুনোদই' কালৰ সাহিত্যলৈ আঙুলিয়াই দিছে। এই দুটা ঘটনাই থলুৱা শব্দৰ পৰিপোষতাত সহায় কৰিছিল। ব্ৰন্‌চনৰ অভিধানৰ কথাত এই প্ৰসঙ্গত উল্লেখযোগ্য। লগতে আৰু এটা কথা চকুত পৰে। মূলৰ একোটা সংস্কৃত শব্দৰ পৰা অসমীয়াত ভালেমান তদ্ভৱ / অৰ্ধ-তৎসম শব্দ উদ্ভৱ হোৱাৰ নিদৰ্শন আছে। যথা, মূল(সং) চক্ৰ >চকা, চাক, চকৰ, চকৰা, চকৰি। আকৌ চাবলৈ গ'লে আকাশ, সুন্দৰ, প্ৰথম, পঞ্চম আদি স্বৰান্ত শব্দবোৰ 'তৎসম' ৰূপত আমাৰ ভাষাত নাই। অৰ্থ একে (সম) হৈ ৰৈছে যদিও ধবনিৰ উচ্চাৰণৰ পৰিবৰ্তন ঘটিছে। বাংলা ভাষাৰ বেলিকাত এইলৈ বিতৰ্ক হৈছে। ডঃ সুনীতি কুমাৰ চেটাৰ্জীয়ে তেওঁৰ সু-প্ৰসিদ্ধ গ্ৰন্থ ODBLত এই বুলি কৈছে যে তৎসম শব্দৰ প্ৰতি বাংলা লেখক পাঠকৰ প্ৰৱনতা বেছি। কিন্তু সংস্কৃত ব্যাকৰণৰ যথোপযুক্ত জ্ঞানৰ অভাৱত বাংলা ভাষা অশিষ্ট হৈ পৰিছে৷ বানান, সন্ধি, লিঙ্গ, প্ৰত্যয় আদিৰ প্ৰয়োগত বেমেজালি হৈছে। [০ ০ ০Bengali has been flooded with soleisms, showing the vulgarisation of the Sanskrit forms. Wrong spelling, wrong Samdhi, false gender, mistaken use of the various affixes like -Ta

and -ita, changes of meaning, and hybrids with tadbhava and foreign words, new coinings not warranted by grammer, and barbarisms of all sorts are perpetrated. Even the best writers are not free from them.]
এই খিনি কথা অসমীয়া ভাষাৰ পটভূমিতো খাটে। অৱশ্যে এই কথাও সমানে প্ৰণিধাণযোগ্য যে সংস্কৃত আৰু অসমীয়া ভাষা একে নহয়। সেয়ে প্ৰয়োজনীয় কথা হ'ল আমাৰ ভাষাটো নিকা কৰি লোৱাটোহে; তাৰ বাবে বানান আৰু ব্যাকৰণৰ সংস্কাৰ সাধন হ'ব মুখ্য কথা, আমি আগেতে তৎসম শব্দৰ বেলিকা স্বৰান্ত সংস্কৃত শব্দৰ(সকলো নহয়) অৱস্থানৰ প্ৰসঙ্গ উনুকিয়াই আহিছোঁ। একে সন্দৰ্ভত বাংলা তৎসম শব্দ সম্পৰ্কে ৰবীন্দ্ৰ নাথ ঠাকুৰৰ মন্তব্যও ভাবি চাবলগীয়া ঃ বানানৰ ছদ্মবেশ আঁতৰাই দিলেই দেখা যাব বাংলা ভাষাত তৎসম শব্দ নাই বুলিলেই হয়।

অসমীয়া ভাষাত প্ৰচুৰ বিদেশী শব্দ সোমাইছে। তাৰ ভিতৰত ইংৰাজী ভাষাৰ শব্দই আটাইতকৈ বেছি। এই কথা আন নব্য ভাৰতীয় আৰ্যভাষাৰ ক্ষেত্ৰতো প্ৰযোজ্য। "অসমীয়া ভাষাত ইংৰাজী শব্দ" শীৰ্ষক ড বিৰিঞ্চি কুমাৰ বৰুৱাৰ এটি প্ৰৱন্ধ "আৱাহন" ত প্ৰকাশ হৈছিল প্ৰায় দুকুৰি বছৰৰ আগতে। প্ৰবন্ধটো পিছত "অসমীয়া ভাষা আৰু সংস্কৃতি" নামৰ গ্ৰন্থত সন্নিৱিষ্ট হৈছে। সেই সময়ৰ পৰা এতিয়ালৈকে আৰু বহুতো ইংৰাজী শব্দ আমাৰ ভাষাত সোমাই আছে, সোমাই থাকিব। আচলতে আমাৰ দৈনন্দিন জীৱন-যাত্ৰাত ইংৰাজী ভাষাৰে সংক্ৰমণ বেছি হৈ পৰিছে। বাংলা ভাষাত এনে পৰিস্থিতিৰ এখন সুন্দৰ, চমৎকাৰ চিত্ৰ দাঙি ধৰিছে ড জগন্নাথ চক্ৰৱৰ্তীয়ে ('বাংলা শব্দভাণ্ডাৰ গঠনে ইংৰেজিৰ ভূমিকা' শীৰ্ষক প্ৰবন্ধ)।

দৈনন্দিন ইংৰাজী শব্দৰ স'তে আমাৰ মিতিৰালি, প্ৰতিদিন ৰাতিপুৱা আমাৰ জিভাৰ আগত থকা শব্দবোৰ এনেধৰণৰ ঃ টুথব্ৰাছ, টুথপেষ্ট, ব্ৰেড্, চেভ্ বেড্ টি, ব্ৰেকফাষ্ট, টেবুল, পেপাৰ, টেলিফোন, ৰং নাম্বাৰ, ডায়েল টোন্, ক্ৰছ কনেকচন্, ডট্ পেন ইত্যাদি। ভাষাৰ সমৃদ্ধিৰ বাবে আন আন ভাষাৰ পৰা শব্দ ধাৰ কৰিব লাগে সঁচা, কিন্তু এই ক্ষেত্ৰত ভাষা-চেতনা থকা প্ৰয়োজন। হকে -বিহকে শব্দ ধাৰে ললে হিতে বিপৰীত হোৱাৰ সম্ভাৱনা থাকে। নিজৰ ভাষাত উপযুক্ত অৰ্থ -প্ৰকাশক শব্দ থাকিলে আনৰ পৰা ধাৰ ল'ব নেলাগে। অসমীয়া ভাষাত অনাৰ্য শব্দ -সম্ভাৰো বুজন পৰিমাণৰ, সিবোৰৰ পৰাও শব্দ বুটলি মান্য ভাষাক পৰিপুষ্ট কৰিব পৰা যায়। এই দিশৰ দুৱাৰ মুকলি কৰি দি ডঃ কাকতিয়ে মহৎ কাম কৰি থৈ গৈছে, তাৰ বাবে আছে অধিক চৰ্চাৰ ক্ষেত্ৰ।

ড° কাকতিয়ে উল্লেখ কৰিছে যে যোৱা ছটা উৎসৰ মাজতে কিন্তু এতিয়া অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰ সীমাবদ্ধ হৈ থকা নাই, এয়া নিতান্ত স্বাভাৱিক। কিয়নো ভাষাক বোঁৱতী সুঁতিৰ লগতহে তুলনা কৰা হয়। সকলো ভাষাতে ভিন ভিন সময়ত প্ৰয়োজন অনুসৰি নতুন শব্দৰ সৃষ্টি হয়, নানা ৰূপত ক্ষেত্ৰবিশেষে নতুন শব্দৰ আগমন ঘটে। বিশেষ্য, বিশেষণ, ক্ৰিয়া, ব্যাকাংশ আদি বিভিন্ন ৰূপত আহি শব্দবোৰে একোটা ভাষাত থিতাপি লয়। লাহে-লাহে শব্দবোৰ জীণ যায়। এইখিনিতে ভাষা-বিজ্ঞানৰ এটা বিশেষ ধাৰণাৰ লৈ চমুকৈ আঙুলিয়াব পাৰি। সেই ধাৰাটোক শব্দৰ অৱক্ষয় আৰু নতুন শব্দ - সৃষ্টিৰ পৰিসংখ্যা বুলিব পাৰি, ইংৰাজীত যাকLexico-Statisties বোলা হয়। প্ৰাগৈতিহাসিক কালৰ ভাষাক ইতিহাস অধ্যায়ন আৰু বংশ - নিৰ্ণয়ৰ বাবে প্ৰয়োগ কৰা পদ্ধতি সমূহৰ ই অন্যতম। সমাজ- জীৱনৰ পৰিৱৰ্তনৰ ফলত কিছুমান বস্তুৰ প্ৰয়োগ নোহোৱা হয়, তেনেকৈ যুগৰ প্ৰভাৱত সাংস্কৃতিক ধ্যান-ধাৰণাৰ সলনি ঘটে। ফলস্বৰূপে একালৰ সাংস্কৃতিক জীৱন-যাত্ৰাৰ স'তে সম্পৰ্কিত কেতবোৰ বস্তু পৰৱৰ্তী কালৰ সাংস্কৃতিক জীৱনৰ এলাগী হৈ পৰে। তেতিয়া শব্দ কিছুমানৰো অৱক্ষয় আৰু বিলুপ্তি ঘটে। খেৰ বাঁহৰ ঘৰ আমাৰ প্ৰায় নোহোৱাই হ'ল, "লিতকাহি" শব্দটো থাকে কেনেকৈ ? বহিখোৱা, মূধচ, মাৰলি শব্দবোৰো তেনেকৈয়ে নোহোৱা হ'ব। বান-বাটিৰ ঠাইত কাপ - প্লেট আহিলেই, খৰমৰ ঠাইত হাওৱাই চেণ্ডেল; মেক্সি, চেলোৱাৰৰ কথাত উল্লেখ কৰিব পাৰি। এনেদৰে একোটা ভাষাৰ শব্দৰ অৱক্ষয় পৰিসংখ্যাৰ ভিত্তিত ভাষাটোৰ ইতিহাস অধ্যায়ন কৰা পদ্ধতিৰ ভাষা বৈজ্ঞানিক নাম ভাষা - কালক্ৰম বিজ্ঞান (Glottochronology)। অৱশ্যে সকলো শব্দৰ বিলুপ্তি নঘটে। আত্মীয়বাচক শব্দ (মই, তুমি, আপুনি, আদি); শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গবাচক শব্দ (হাত, ভৰি, নাক আদি) ; ধৰ্মীয় বিশ্বাসৰ লগত জড়িত শব্দ (স্বৰ্গ, নৰক, দুৰ্গা, আদি) ; গছ-গছনি, চৰাই-চিৰিকতিৰ নামকে ধৰি কিছুমান শব্দ আপেক্ষাকৃতভাৱে স্থায়ী। তেনে শব্দৰ একোটা ভাষাৰ মূল শব্দৰ ভঁৰাল (Basic core vacabulary) তৈয়াৰ হয়। আনহাতে আগতে উল্লেখ কৰি অহাৰ দৰে সাংস্কৃতিক জীৱনৰ স'তে সম্পৰ্ক থকা শব্দ কিছুমানৰ দ্ৰুত পৰিৱৰ্তন ঘটি থাকে। ঐতিহাসিক ভাষা-বিজ্ঞানী উইন্‌ফ্ৰেড্ পি লেমানে তেওঁৰ "Historical Linguisties : An Introduction" নামৰ গ্ৰন্থত এই বুলি কৈছে যে ভাষাৰ মূল শব্দ ভাণ্ডাৰৰ সংৰক্ষণৰ হাৰ তেনেকৈ বঢ়া-টুটা নহয় ঃ".......the rate of retention of items in the basic care is constant", সেইদৰে,".........their rate of loss is approximately the same from

language to language." অৱশ্যে লেমানৰ এই সংজ্ঞা সৰ্বজন গ্ৰাহ্য হোৱা নাই। তথাপি এটা কথা ঠিক যে এফালে শব্দৰ অৱক্ষয় আনহাতে নতুন শব্দ - সৃষ্টি - এই দুই প্ৰক্ৰিয়াৰ লগত গতিশীল ভাষা মাত্ৰাৰেই সম্পৰ্ক নিবিড়।

এতিয়া অসমীয়া ভাষাৰ নতুন শব্দ সম্পৰ্কে কিছু আলোচোনা কৰিব পাৰি, আমাৰ ভাষাত এনে শব্দবোৰৰ প্ৰকৃত বিচাৰ কৰিলে দেখা যায় যে ঘাইকৈ তিনিটা প্ৰয়োজনত নতুন শব্দ সৃষ্টি হৈছে।

(ক) পৰিভাষা (খ) সাংবাদিকতা (গ) সাহিত্য সমালোচনা।

পাৰিভাষিক প্ৰয়োজনত পুৰণি কালৰ পৰা নতুন শব্দৰ প্ৰৱাহ চলিছে, চৰ্যাপদৰ ইড়া-পিঙ্গলা, গঙ্গা-যমুনা আদি শব্দৰ তাত্ত্বিক অভিব্যক্তি আছে। তেনেকৈ "মধুৰ ভাৱ", ভাৱসম্মিলন আদি শব্দ বৈষ্ণৱ পৰিভাষাৰ দৃষ্টান্ত, আধুনিক কালত শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা হোৱাৰ লগে লগে কলা, বিজ্ঞান, বাণিজ্য-বিষয়ক শ শ শব্দ পৰিভাষা ৰূপে আমাৰ ভাষাত সোমাল। সংশ্লিষ্ট পাঠ্যক্ৰমৰ উপযোগীকৈ অজস্ৰ শব্দ নতুনকৈ সৃষ্টি কৰি লোৱা হ'ল, পদাৰ্থ-বিদ্যা, ৰাসায়ন ভূতত্ত্ব, প্ৰাণীবিদ্যা, অৰ্থনীতি, শিক্ষাতত্ত্ব, - কিমান বিভাগ, লগে লগে নতুন শব্দৰ প্ৰৱাহ, পৰিভাষা সৃষ্টি এটা সুকীয়া জ্ঞানৰ বিভাগেই হৈ পৰিল।

ইপিনে ৰবীন্দ্ৰ নাথৰ ভাষাৰে "পশ্চিমে আজ খুলিয়াছে দ্বাৰ, সেথাহাতে আনে সবে উপহাৰ" উন্মুক্ত দুৱাৰেদি বিদেশৰ পৰা চিন্তা-ধাৰণা, বয়বস্তু আহিবলৈ ধৰিলে, লগতে আহিল নতুন শব্দবোৰ। টিভি. কেবল্, চিৰিয়েল, ইলেকট্ৰনিক্স, ৰকেট্, মিছাইল্, - বাতৰি কাকতত প্ৰয়োগ ঘটিল এনে বহু নতুন নতুন শব্দৰ। সাহিত্য-সমালোচক সকলো পিচ পৰি নেথাকিল। তেওঁলোকেও সাংবাদিকৰ লগতে এই সুবৰ্ণ সুযোগ (Golden opportunity) গ্ৰহণ কৰিলে। প্ৰমিথীয়, মাৰ্ক্সীয় আদি শব্দৰ প্ৰৱেশ ঘটিল আমাৰ সাহিত্য সমালোচনাত সৃষ্টিশীল অনুৱাদে আন ভালেমান নতুন শব্দ সৃষ্টিত সহায় কৰিলে। পদ্মধৰ চলিহাৰ হাতত Vote of Thanks হ'লগৈ "শলাগৰ শৰাই", তাক আগতেই "ঘূৰণীয়া মেজ-মেল" (Round Table Conference) ৰ লেখীয়া মনোৰম শব্দ-সম্ভাৰ আমি পাইছোঁৱেই। এইদৰে আমাৰ ভাষা সমৃদ্ধ হৈছে।

গোপনতাৰ বাবেও নতুন শব্দ সৃষ্টি হ'ব পাৰে, অপৰাধ জগত অথবা নিষিদ্ধ অঞ্চলৰ ভাষা বেলেগ যুদ্ধ অথবা সামাজিক অভিযানতো কোড

(code) ব্যৱহাৰ হয় বাংলা ভাষাত ড ভক্তি প্ৰসাদ মল্লিকে চম্বল উপত্যকাৰ ডকাইতৰ ভাষা লৈ অপৰাধ জগতত ভাষাৰ বিষয়ে গৱেষণা সম্পূৰ্ণ কৰিছে (Dictionary of the under world) অনুসন্ধান কৰিলে আমাৰ ভাষাতো তেনে শব্দ কিছু ওলাব। তদুপৰি কেতিয়াবা আঞ্চলিক ভাৱেও নতুন শব্দ সৃষ্টি হয়। "বহুত দেখিছো বে" জাতীয় শব্দই তেনে সম্ভাৱনাৰ আঙুলিয়াই দিয়ে।

সামৰণিত ক'ব পাৰি যে ডঃ কাকতিয়ে কৰা অসমীয়া শব্দ মালাৰ উৎস সম্পৰ্কীয় আলোচনাৰ বুজন পৰিবৰ্ধন ঘটিছে। মিশ্ৰ শব্দ(Hybrid words) আৰু ধ্বন্যাত্মক শব্দ (onamatopoetic words) সম্পৰ্কেও অসমীয়া ভাষাত সুকীয়া আলোচনাৰ থল আছে, নতুন শব্দবোৰ অসমীয়া ভাষাৰ সমৃদ্ধিৰ এক বৈশিষ্টপূৰ্ণ আধাৰ।

কীৰ্তনৰ শব্দ- সম্ভাৰ

ভবেন্দ্ৰ কলিতা

১.১ অসমীয়া ভাষাৰ শব্দ- ভাণ্ডাৰৰ ঘাই- উৎস ড০ বানীকান্ত কাকতিয়ে ড০ টাৰ্ণাৰৰ মতানুসাৰে তেখেতৰ গৱেষণা গ্ৰন্থ A F D' ত ছটা খুলি নিৰ্ণয় কৰিছে।১ তাৰেই আলমত কীৰ্তনৰ শব্দ- সম্ভাৰকো সাধাৰণভাৱে তলৰ শ্ৰেণী কেইটাত ভাগ কৰিব পাৰি ঃ

(১) জন্মসূত্ৰে আহৰিত শব্দ - (ক) তৎসম, (খ) অৰ্দ্ধ তৎসম, (গ) তদ্ভৱ।

(২) ধাৰ কৰা শব্দ- (ক) অনা- আৰ্য্যমূলীয় (খ) আৰবী- ফাৰ্চী, (গ) ভাৰতীয় আন ভাষাৰ শব্দ।

(৩) ধবন্যাত্মক আৰু প্ৰতিধবন্যাত্মক শব্দ।

১.২ "কীৰ্তনৰ ভাষা শব্দত অতি চমু কিন্তু অৰ্থত অতি ব্যাপক আৰু কবিত্বপূৰ্ণ।"২ কীৰ্তনৰ বিভিন্ন অধ্যায়ৰ কথা বা কাহিনীসমূহৰ উৎস ভাগৱত বা অন্যান্য পুৰাণ যদিও শঙ্কৰদেৱে যুগোপযোগীকৈ প্ৰাঞ্জল ভাষাৰে উপস্থাপন কৰিছে। তৎসম, অৰ্দ্ধ তৎসম বা তদ্ভৱ শব্দ সমূহৰ লগতে প্ৰয়োজন সাপেক্ষে সংস্কৃতভিন্ন অন্যান্য উৎসৰ পৰা আহৰিত শব্দসমূহো সংগতিপূৰ্ণভাৱে শুৱলাকৈ ব্যৱহাৰ কৰিছে। তলত প্ৰতিটো উৎসৰ পৰা আহৰিত শব্দ সমূহৰ কিছু আভাস দাঙি ধৰা হ'ল।

১.৩.১ তৎসম ঃ

কীৰ্তনত তুলনামূলকভাৱে জন্মসূত্ৰে আহৰিত তৎসম শব্দৰ সংখ্যা বেছি হ'লেও মূলৰ যথাৰ্থ প্ৰকৃতি ৰক্ষিত হৈছে বুলি কোৱা টান। বিশেষকৈ বিভক্তি, প্ৰত্যয় আদিৰ যোগত শব্দবোৰ মূলৰ পৰা আঁতৰি আহিছে। তলত কিছু তৎসম শব্দৰ উদাহৰণ দিয়া হ'ল৩ ঃ

অমৃত ১/২৪ দৈত্য ১/৪ ভক্ত ১/৫

অজ্ঞ ১/১৩ পৰম ১/১৯ মন্দমতি ২/১০

অৱতাৰ ১/১ পিতৃ ১/৮ মায়া ১/২

অস্ত্ৰ ১/২৮ প্ৰভু ১/৩ সত্য ১/১৪

উত্তৰ ২/৪ প্ৰমত্ত ১/১৩ সনাতন ১/১

গতি ১/৬ প্ৰহাৰ ১/১২ সমুদ্ৰ ১/২

গ্ৰাহমুখ ১/২৮ বচন ১/১১ সম্প্ৰতি ১/৩৩

চৰাচৰ ২/৯ বাক্য ১/৬ সুন্দৰ ১/৩০
দিব্য ১/৪ ব্যাধি ১/২৩ সুৰাসুৰ ১/৩, ইত্যাদি।

১.৩.২ অৰ্দ্ধ তৎসম ঃ

অৰ্দ্ধ তৎসম শব্দৰ সংখ্যা তৎসমতকৈ কম। সামান্য ধ্বনিৰ পৰিবৰ্তন হৈ এই শ্ৰেণী শব্দ গঠন হৈছে। কীৰ্তনত পোৱা এই শ্ৰেণীৰ শব্দ কিছুমান এনেধৰণৰ ঃ

অগনি ৯/৫ গুপুত ২৬/১ মুকুত ২৩/৪১
অদ্ভুত ৬/৭০ দগধ ৮/৫৮ মুকুতি ২৫/১৪৭
আৰকত ৬/৭৯ ভকত ১০/৬১ সগত ২৫/১৫২
গৰিহিত ৯/১০ ভুকুতি ২৫/১৪৭ সুমৰি ২৩/২০৫ ইত্যাদি।

১.৩.৩ তদ্ভৱ ঃ

কীৰ্তনত তদ্ভৱ শব্দৰ সংখ্যাই সৰহ। দুই এটা শব্দৰ বাহিৰে সৰ্বনাম আৰু ক্ৰিয়া শব্দ তদ্ভৱ শব্দ তলত কেইটামান তদ্ভৱ শব্দৰ উদাহৰণ দিয়া হ'ল ঃ

আখ ৬/২১১ চৰৰ ১১/৩২১ পাকৰি ৭/৭
আগৰ ৭/৮ চাপৰ ১১/৩৬৮ পাৰ ৬/২২৫
আজি ১৫/৫০ জাম ৭/৭ ফটিক ৮/২৭
আঠ ১১/৪২৮ জামিৰ ৭/৭ বেল ৭/৭
আম ৭/৭ জিউ ৮/৬৪ বউ ৮/৬৪
কাজ ৮/১১৮ তবধ ১১/ ৩৫০ ভাল ৬/১১৪
কান ৯/১৯ তিৰি ৬/১৬ মাৰ ৬/২২১
খোপা ১১/৩৪২ থান ১১/৩৫৪ ৰখিয়া ১১/৩৪৪
গাৱ ৬/২২১ থিৰ ১১/৩৫০ সাপ ৬/১৯২
গোসাঁই ৮/২১৮ ধুম ১/৩/৩ সোনাৰ ৭/৮
গোৱাল ১১/৩২০ নাক ৯/১৯ সেৱালি ৮/২৫
গেহ ১৬/৭৮ নাই ১৬/৭৫ হাত ১১/৩৩২ ইত্যাদি।

১.৪ ধাৰ কৰা শব্দ ঃ

কীৰ্তনৰ ভাষাত সংস্কৃত ভাষাসম্ভূত শব্দৰ উপৰি অইন কিছু ভাষাৰ দুই চাৰিটা শব্দ পোৱা হৈছে। সংখ্যাত সীমিত হ'লেও কীৰ্তনৰ দৰে গ্ৰন্থত এনে শব্দৰ অনুপ্ৰৱেশ মন কৰিবলগীয়া বিষয়। সেই শব্দসমূহৰ প্ৰতিশব্দৰ অভাৱ সংস্কৃতত নহ'লেও শঙ্কৰদেৱ প্ৰমূখ্যে সেই যুগৰ কবিসকলে অনায়াসে গ্ৰহণ কৰিছিল । ইয়াৰ এটা সংগত কাৰণ আছে। সেই সময়ৰ অসমৰ বিভিন্ন ভাষাভাষী লোকসকলৰ মাজত সংমিশ্ৰণ, মিলা- মিছা , অসমত

মুছলমান লোকসকলৰ আগমণ আৰু বসবাস তথা অসমকে ধৰি সমগ্ৰ ভাৰতৰ ৰাজনৈতিক পটভূমি। তদুপৰি শঙ্কৰদেৱে দুবাৰকৈ ভাৰত ভ্ৰমণ কৰিছিল আৰু এইভ্ৰমণ দীৰ্ঘদিনীয়া আছিল। সাংস্কৃতিকভাৱে প্ৰসিদ্ধ ভাৰতৰ প্ৰায় সকলো স্থান শঙ্কৰদেৱে তেওঁৰ শিষ্যসকলৰ সৈতে ভ্ৰমণ কৰিছিল। প্ৰায় প্ৰতিখন ঠাইতে নতুন নতুন ভাষাৰ লগত পৰিচিত হোৱাৰ সুযোগ পাইছিল। তেনেস্থলত শঙ্কৰদেৱৰ ৰচনাত দুই চাৰিটা বিদেশী বা অন্য ভাষাৰ শব্দ সুমোৱাটো একো আচৰিত কথা নহয়। প্ৰাক শঙ্কৰী যুগৰ হেম সৰস্বতী, মাধৱকন্দলী প্ৰমুখ্যে কবিসকলৰ ৰচনাতো তেনে দুই চাৰিটা শব্দ পোৱা গৈছে। শঙ্কৰদেৱে আন ভাষাৰ শব্দ গ্ৰহণ কৰিলেও সেইবোৰ প্ৰায়েই 'কামৰূপী সুকীয়া সাজ' পিন্ধাইহে ব্যৱহাৰ কৰিছে। এটা ভাষাৰ পৰা আন এটা ভাষালৈ শব্দ ধাৰ কৰা প্ৰসঙ্গত Jesperson ৰ মন্তব্যও মন কৰিবলগীয়া।[৪] সাধাৰণতে crude form ত কমেইহে শব্দ ধাৰ কৰা হয়।

১.৪.১ অনা- আৰ্য্যমূলীয়া শব্দ ঃ

ইণ্ডোইউৰোপীয়ৰ অন্তৰ্গত ভাৰতীয় আৰ্য্য ভিন্ন আন ভাষাগোষ্ঠীৰ ভাষাৰ শব্দ সমূহকে অনা আৰ্য্যমূলীয়া বুলি ধৰা হৈছে। কীৰ্তনত অষ্ট্ৰিক ভাষাগোষ্ঠী, দ্ৰাবিড় ভাষাগোষ্ঠী আৰু চীন- তিববতীয় ভাষাগোষ্ঠীৰ দুই চাৰিটা শব্দ পোৱা হৈছে।

১.৪.১.১ অষ্ট্ৰিক ভাষাগোষ্ঠীমূলীয়া ঃ

আটোপ ১১/৩৬৯, উই ৬/১৪৯, কুপ ১৫/৯৮, গজ ১১/৩৮,

ঘট ১৫/৫৪, ছাৰ ৮/৩৫, ঢাক ১১/৩৫৩, ঢোল ১১/৩৫৩,

পেট ১০/৮৭, তাম্বুল ৭/৭, দুন্দুভি, ১১/৩৫৭, পতঙ্গ ১১/২১৪,

বাড়ি ১১/২১৬, বেত ৭/১৫, সঞ্জাত ৩/৩৩ ইত্যাদি।

১.৪.১.২ দ্ৰাবিড় ভাষাগোষ্ঠীমূলীয়া ঃ

দ্ৰাবিড় ভাষাগোষ্ঠীৰ বহু শব্দ অতি প্ৰচীন কালৰে পৰা সংস্কৃত ভাষাত সোমাইছে। আৰম্ভণিৰে পৰা অসমীয়া ভাষাত দ্ৰাবিড়ভাষা সমূহৰ যিখিনি শব্দ সোমাইছে সেইখিনিৰ অধিকাংশই সংস্কৃত আৰু প্ৰাকৃতৰ মাজেৰে অহাটোৱে সম্ভৱ। অৱশ্যে 'অসমীয়া ভাষাৰ দ্ৰাবিড়ী অৱস্তৰৰ আলোচনা এতিয়াও হোৱা নাই' বুলি ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যই এঠাইত মন্তব্য কৰিছে। কীৰ্তনত অনল ৮/৩৪, আগৰ ৮/৫২, উৰল / উৰুখল ৮/৬৪, ওৰা ২৫/১৩, কঙ্কন ১৫/৬২, কাল ৭/৩০, কুণ্ডল ১৫/৬২, গণ্ড ৪/২২, ঘোটক ১৭/৪১, চুম্বন ৮/৪৪, চন্দন ১১/৩৩৬, নীৰ ১১/৪০৯, পণ্ডিত ৩/২৪, পিণ্ড ১২/৮, পূজা ১২/১৯, পুষ্প ৭/৭, মলয় ৭/৯, মলয়া ৭/১৪, মালা ১৫/৫৭, মৈৰা ১১/২১৫, ময়ুৰ ২৫/২২ আদি দ্ৰাবিড়মূলজ শব্দ পোৱা হৈছে।

১.৪.১.৩ চীন- তিববতীয় ভাষাগোষ্ঠীমূলীয় ঃ

অসমত চীন- তিববতীয় ভাষাগোষ্ঠীৰ মাজত অসমীয়া ভাষা সাগৰত অকলশৰীয়া দ্বীপৰ নিচিনা। অথচ কীৰ্তনত এই ভাষাসমূহৰ শব্দ পৰিমাণ তেনেই কম। আন্ঠু ১০/১৫, আনাট ১০/১৬, চাঙ্গ ১১/৪২৩, ডাল ৮/২৪, পাইক ৯/২৬ আদি কেইটামান বিশেষ্য শব্দ আৰু চিপি ১০/১২, চেলেকে ১১/৩৭৯, জিৰা এঁ ১১/২৯৮ আদি কেইটামান ক্রিয়াবাচক শব্দ কীৰ্তনত পোৱা যায়।

১.৪.২ আৰবী- ফাৰ্চীমূলীয় ঃ

আৰবী আৰু ফাৰ্চী ভাষা একে ভাষাগোষ্ঠীৰ অন্তৰ্গত নহয়। আৰবী ছেমিটিক ছেমেটিক ভাষাগোষ্ঠীৰ আৰু ফাৰ্চী ইণ্ডো- ইউৰোপীয় ভাষা গোষ্ঠীৰ অন্তৰ্গত ভাষা। কিন্তু ইছলাম ধৰ্ম সংস্কৃতিৰ প্ৰাসাৰৰ বাবে ফাৰ্চী ভাষাত আৰবীৰ যথেষ্ট প্ৰভাৱ পৰিছে। ভাৰতত মুছলমানৰ আগমণৰ লগে লগে আৰবী ফাৰ্চী ভাষাৰ প্ৰভাৱ ভাষা সমূহৰ ওপৰত গভীৰভাৱে পৰিছে। বিশেষকৈ মধ্যযুগত উত্তৰ ভাৰতৰ ৰাজকীয় প্ৰশাসনৰ জৰিয়তে হিন্দুস্থানীৰ মাধ্যমত এইপ্ৰভাৱ ঘণীভূত হৈছে। কীৰ্তনত পোৱা আৰবী- ফাৰ্চীৰ শব্দ কেইটাৰ বেছিভাগেই ৰাজ্যশাসন সম্পৰ্কীয়।

আৰবী ঃ অহম্মম (?) ৬/২৫৯, অৱাছিল বাঙ্কি ৯/২৬, কোতপা (? কতপা) ৩/১২, কটোআল ৯/২৯, জড়ি ১০/৫৭, জৱন ১৫/৫০, দেৱান ৯/২৫, ফাকটে ৯/২৮ (?), ফেৰি, ১৮/২৭, হাজাৰ ৭/৩।

ফাৰ্চী ঃ গুলাল ৮/২৪, ঝিঞ্জিৰি ৪/৫, তবল ২৫/১৫, টমকিল (?) ২৫/১৫, ডাবৰ ৮/১৮২, ডবি ১০/২৫, ডৰিবাৰ ১০/২১বায়ুক ১৯/৫ ইত্যাদি।

১.৪.৩ ভাৰতীয় আন ভাষাৰ শব্দ ঃ

কীৰ্তনত বঙালী, হিন্দী, উড়িয়া আদি ভাষাৰ লগত সাদৃশ্য থকা শব্দও পোৱা হৈছে। এইবোৰ একে আষাৰে সেইবোৰ ভাষাৰ পৰা ধাৰ কৰা বুলিও ক'ব নোৱাৰি, কিয়নো ভাষা কেইটা প্ৰায় একে সময় আৰু পৰিস্থিতিত প্ৰায় একে উৎসৰ পৰা উদ্ভৱ, হোৱা হেতু জন্মসূত্ৰেও আহৰিত হ'ব পাৰে যদিও পিছতো সেইবোৰ শব্দ সণ্ডালনিকৈ অসমীয়াত ব্যৱহাৰ নহ'ল। হয়তো শঙ্কৰদেৱৰ সময়ত অসমীয়াত সেইবোৰৰ প্ৰচলন আছিল। তদুপৰি অসমীয়া ভাষাৰ সকলোবোৰ উপভাষাৰ সূক্ষ্ম অধ্যয়ন নোহোৱা পৰ্যন্ত এই বিষয়ত মন্তব্য দিয়াটোও সঠিক নহ'ব।

বঙালীৰ লগত সাদৃশ্য থকা শব্দ ঃ কথা ১০/৫৪, কেন ৩/২, কৈই ৮/৪৮, চাটু ৮/৭৭, চোটে ১১/৩৯৫, চিবুক, ৮/২২

হিন্দীৰ লগত সাদৃশ্য থকা শব্দ ঃ কাছ ৯/১২, কাহানি ৯/৩৩, থাৰি

৩/৬ জোনো ৬/৪, দোথো ১১/২৭৫, ডাহিন
২৩/২২৩, নিকালি ১/৬।

উড়িয়াৰ লগত সাদৃশ্য থকা শব্দঃ মানে ৬/৭, পৰিয়াৰ ৬/১৬৪ ইত্যাদি।

ধ্বন্যাত্মক আৰু প্ৰতি ধ্বন্যাত্মক শব্দঃ

কীৰ্তনত কেতবোৰ ধ্বন্যাত্মক আৰু প্ৰতিধ্বন্যাত্মক শব্দৰো ব্যৱহাৰ হৈছে। এইবোৰৰ ভাবানুকুল চয়নে কীৰ্তনৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে। মূলতে ধ্বন্যাত্মক শব্দবোৰৰ গঠন- ৰীতি দুই ধৰণৰ ঃ সৰল আৰু যৌগিক।

১.৫.১ সৰল ধ্বন্যাত্মক শব্দ ঃ

কল্লোল ১৬/৩৪, খলকে ৬/২০৪, খেখট ৬/১৩৮, খুখুণ্ড ৫/২২, গুঞ্জৰে ৬/৮২, ঘাঘৰ ১০/১৫, চেঞ্চাই ৯/৩২, ঝঙ্কাৰে ৬/৭৯, টঙ্কাৰিয়া ১৮/১৩, টাকৰে ৬/২০২, ফোফায় ১১/৩৬৪, মুছ ৮/৫৬, হসকি ৮/৪৫, হাহাকাৰ ১৬/৫১ ইত্যাদি।

১.৫.২ যৌগিক ধ্বন্যাত্মক শব্দঃ

যৌগিক ধ্বন্যাত্মক শব্দবোৰ সাধাৰণতে দুটা অংশৰে গঠিত। কীৰ্তনত যৌগিক ধ্বন্যাত্মক শব্দ চাৰি শ্ৰেণীৰ পোৱা যায়। প্ৰথম শ্ৰেণীৰ লেখীয়াকৈ, কেৱল শব্দৰ শেহত এটা 'ই' ধ্বনিৰ আগম হয়। এই শ্ৰেণী ধ্বন্যাত্মক শব্দ ক্ৰিয়াবিশেষণ হিচাপে ব্যৱহাৰ হৈছে। তৃতীয় শ্ৰেণীৰ দ্বিতীয় অংশৰ প্ৰথম ধ্বনি প্ৰথম অংশৰ প্ৰথম ধ্বনিৰ পৰা সুকীয়া। চতুৰ্থ শ্ৰেণীৰ দ্বিতীয় অংশৰ আদি স্বৰধ্বনিৰে প্ৰথম অংশ আৰম্ভ হয়। তলত প্ৰত্যেক শ্ৰেণীৰে উদাহৰণ দিয়া হ'ল। ১.৫.২.১ প্ৰথম শ্ৰেণী ঃ কুহু কুহু ৮/২৯, গদ গদ ৯/৮, ঢাত ঢাত ৯/৮, মছ মছ ১০/৬৫, লহ লহ- ৮/১৮৯ ইত্যাদি।

১.৫.২.২ দ্বিতীয় শ্ৰেণী ঃ খল খলি ৯/৯, চটচটি ১৫/১৮, তৰতৰি ১৯/১২, দড দড়ি ৮/৪, মৰ মৰি ৭/১৫, হুক হুকী, ৯/৯, হুম হুমি ১২/৩, সৰ সৰি ১২/ ৩ ইত্যাদি।

১.৫.২.৩ ঃ তৃতীয় শ্ৰেণী ঃ কায়ু- বাউ- ৮/৫৮, খট মট ৮/৪২, চিক মিক ৪/২০ চিকি মিকি ১১/২০৭, জিলি মিলি ১০/৯৪, ঝক মক ৭/৮, ঝল মল ১১/১৩৬, ঝিলি মিলি ১০/১২৭, তিৰিমিৰি ১৮/৩২, টলবল ৬/২০৪ থক বক ১৫/১৮, কণ ঝন ৮/ ৩১, ৰন ঝুন ৮/৩৩, লাজ কাজ ৮/৩৪, লটি ঘটি ৮/৪৭, হুল ফল ৮/৩১, হাস লাস ৫/৭ ইত্যাদি।

১.৫.২.৪ চতুৰ্থ শ্ৰেণী ঃঅঙ্গ সঙ্গ ১৩/৯ , অঙ্গি ভঙ্গী ১১/৪১৭, অস্ত্ৰ সস্ত্ৰ ৬/২০১, আউল- ঝাউল ৮/৬৩, আঞ্জৰে পাঞ্জৰে ১৮/১৩, আল জাল ৫/৩১, আলেজালে ১১/৪১৯, উগুল থুগুল ৮/৬৯ ইত্যাদি।

১.৫.৩ প্ৰতি ধ্বন্যাত্মক শব্দ ঃ

এই শ্ৰেণীৰ শব্দও দুটা অংশৰে গঠিত । ইয়াৰ একোটা অংশ স্বাধীনভাৱে ব্যৱহাৰ হ'ব পাৰে । কেতিয়াবা অৱশ্যে দুয়োটা অংশৰে

স্বাধীনভাৱে ব্যৱহাৰ হোৱাৰ যোগ্যতা থাকে। উদাহৰণঃ

অজৰঅমৰ ১৫/৫৪, আড়িমুড়ি৮/৪৫, উচপিছ৯/১৭. উলটি পালটি ১৫/১৮, খতি খুন ৮/৩৩, ঘাঘৰ ঘুমুৰা ১১/৫৯, ভাসভুস ১৭/৫০, থাস বেস ৮/৩৩, হাটে বাটে ১১/২৭১ ইত্যাদি।

১.৬ স্থানীয় কথিত ভাষাৰ উপাদানঃ

কীৰ্তনৰ শব্দ সম্ভাৰত অসমৰ বিভিন্ন অঞ্চলৰ স্থানীয় উপভাষাৰ শব্দও সোমাইআছে। বিশেষকৈ নামনি অসমৰ উপভাষা সমূহৰ শব্দাৱলী সহজতে চকুত পৰে। অৱশ্যে শঙ্কৰদেৱৰ সময়ত নামনি অসমৰ ভাষাই অসমীয়া ভাষাৰ মান্য ৰূপ আছিল।

১.৬.১ কামৰূপীঃ

আকে ২/২০, আচান্ত ১৮/২২, আচোক ১১/৪০২, আটাল ১৫/৫৩, আটাস ৬/১৫৯ (তু আটাহ), আনাট ১০/১৬ (তু আনালি) আৱা ৩/৬৯ কালা ১১/২৫৯, গলদঙ্গা ১১/৩৯৪, গৰগৰি ৯/১৯, গাৰিসুকৰ ৫/২৬ (তু গাৰিসুৱাৰ), গেৰি ৬/১৩, ঘঞ্চাল ২৫/৬৯, ঘুমি ১০/১২৯, চটকি ১৭/৯, টড়াই ১১/৭৫ (তু টড়াঠাই, চড়াবড়ি), চোসে বাসে ১৫/ ৫০ (তু চুচি মুচি) ছন্ন ১/১৩ ছাদিল ১০/৭২, জুট ৪/২৪, ঠোঠ ১০/৭৩, চাগু ১১/৩৮, তেহ ২৪/৩, ধাউগেৰি ১৬/২২, পঞ্চাল ১১/৬৮ (তু পজাল), পৱাল ৮/২২, পাকৰি ৭/৭, প্ৰানটাঙ্গি ৯/২৬ (তুপ্ৰাণটাকি,) বাৰাহ ১১/৪৩, বাহানে ১০/১০৪, পলু ১৫/১০০, ফোফায় ১১/৩৬৪, বাচক ২৩/২০৭, ভাটি ২৪/৩, ভোঠা ৬/১৩১, ভুনি ১৯/১০, লাঙ্গুল ১০/৭১, সিফা ২৪/৫, সুখান ২৬/৪ হাক ১১/২৩৩, সুতাৰ ২৫/১৫, সৈতৰি ২৩/১৪১, হলফল ৭/৩১, হাতিআৰ ১১/৩৬০ ইত্যাদি কীৰ্তনৰ বহু শব্দ কামৰূপী স্থানীয় ভাষাৰ শব্দৰ লগত সাদৃশ্য আছে।

১.৬.২ গোৱালপৰীয়াঃ

কীৰ্তনত পোৱা- ইবাৰ যুক্ত তুমনন্ত ক্ৰিয়াৰূপ আৰু -ইয়া যুক্ত অসমাপিকা ক্ৰিয়া ৰূপ গোৱালপৰীয়া উপভাষাত একে ৰূপতেই এতিয়াও পোৱা যায়। তদুপৰি উদিস ৮ ২২, কছাইল ১১/৩২৩, চটি ৬/২৬, চটিমটি ১৫/৯৯, চাটু ৮/৭৭, চাম্প ৬/১৯২, ঝপায়া ৩/২১, ঝাকিলা ১৮/১৩, ঝাণ্টে ৫/২৮, ডাক ১০/১৫৩, হাঙ্গাৰি ১৫/৯ আদি কীৰ্তনৰ বহু শব্দৰ গোৱালপৰীয়া উপভাষাৰ শব্দৰ লগত সাদৃশ্য আছে।

১.৭ অপ্ৰচলিত শব্দঃ

কীৰ্তনৰ শব্দসমূহ আজিকোপতি মানুহৰ মুখে মুখে। তদুপৰি পৰৱৰ্তী কালৰ অসমীয়া ভাষাৰ বিকাশত কীৰ্তনৰ ভাষাই দিক্ নিৰ্ণয়ত প্ৰধান ভূমিকা লৈছে। জনপ্ৰিয় কাব্যকোষখনৰ শব্দ- সম্ভাৰ মানুহৰ

মুখে মুখে পুৰুষে পুৰুষে বাগৰি অহা বাবে এইবোৰ প্ৰায় সকলোৰে পৰিচিত। সেয়ে কীৰ্তনত প্ৰাপ্ত বৰ্তমানে অপ্ৰচলিত শব্দৰ সংখ্যা তুলনামূলক ভাৱে কম। তলত্ত্ত তেনে অপ্ৰচলিত শব্দ কিছুমান উল্লেখ কৰা হ'ল।

অন্যঅস্থা ২৫/১৭৬ঃ অন্যথা

অন্যোঅন্যো ৬/১৩ঃ পৰস্পাৰে

অ পৰ্য্যন্ত ২৫/১৬ ঃ অসংখ্য

চটক ৪/৩ঃ চৰাই

চম্বু ১১/৩৯৯ঃ চপান

চল্লল ২৩/১১৪ঃ চলচলীয়া

চাণ্ড ১০/১৮ ঃ দুষ্ট

চাম ৪/২৬ ঃ ছাল

চিবুক ৪/২২ ঃথুতৰি

চোসেবাসে ১০/৫০ঃ চুচিমুচি, সমুলঞ্চে

চৌপন্থা ১১/৩০৮ঃ চৌপথ, চাৰিআলি

ছুঙ্গি ১০/৮৬ ঃ চপাই

জাঙ্গ ৫/৩ ঃ উৰু

জামিৰ ৭/৭ঃ নেমু টেঙাৰ নিচিনা অলপ ডাঙৰ বৰ টেঙা ফল।

জোনো ১১/৯২ ঃ যেন নহস

ঝাণ্টে ৯/২৮ ঃ সোনকালে, শীঘ্ৰে

তাৱদেকে ৫/৩২ ঃ তেতিয়াঁলৈকে

দুৰিত ২০/৩৩ ঃ পাপ

নাকলে ৬/১৪২ ঃ নমনে

নিন্দ ৬/১২ ঃ নিদ্ৰা

নিসান ৮/৪,১১/২৪৫ঃ একপ্ৰকাৰ বাদ্য, ঢোল, বাঁহীৰ সুৰ।

নিহুল ১০/৫ঃ শিকলি

পঙ্কতি ১১/২৪৫ ঃ পংক্তি, শাৰী

পট্টিস ২৩/৭৭ ঃ এবিধ অস্ত্ৰ

পৰিঘ ২৩/৭৭ ঃ ”

পেচন্দাৰ ৪/১৬ ঃ এবিধ অলঙ্কাৰ
প্ৰবুদ্ধ ২৩/৭৩ ঃ জ্ঞানী--৭
বৈলখিন ৮/৩৬ ঃলাজ পালে
ব্যামোহ ৮/৪০ ঃ কিংবৰ্ত্তব্যবিমুঢ় অৱস্থা
ভুমিছাল ২৫/১৩ ঃ ভুঁইকঁপ
জাৱদেকে ৬/১৫৫ঃ যেতিয়াঁলৈকে
অভাগ ২৩/১৯৪ ঃদুৰ্ভাগ্য
অৱজৰ ৯/২৮ ঃ অৱসৰ
অহম্মম ৬/১৫৯ ঃ আহাম্মক, অহঙ্কাৰ
আড়ালি ১০/১১৮ঃ ঘোদালি
আকে ১১/১৬৮ ঃ ইয়াক
আকে এৰে ২/২০ঃ ইয়াৰে
আগ্ৰহি ৯/২৬ ঃলৈ, কাঢ়ি
আচান্ত ১৮/১২ ঃ মুখ ধোৱা
আচোক ১১/৪০২ঃ থাকোক ছাৰি (কামৰূপী)
আজোত ২৩/৭৯ ঃ আজু ককা
আণ্টাইলেক ৮/৪ ঃ পাৰ্লৈগৈ
আনাট ১০/১৬ ঃ দুষ্টালি, আলাই আথানি
আন্ত ৬/২০০ ঃ নাড়ী
আসৰিস ৬/১৮ ঃ অসদৃশ, বিপৰীত
উশৃত ৫/৪ ঃ ওখ
উঝন্তি ৪/১৩ ঃ ভৰিৰ আঙুলৰি অলঙ্কাৰ
উৰি ২৫/১২৭ ঃ ওপৰলৈ তুলি
একেস্বৰে১১/৩৫২ঃ অকলে
কটক ৬/২০১ ঃ সেনাদল
কটাহ ৬/১৮৩ ঃ কেৰাহী
কৰণে ৯/১৮ ঃ কৰণিত, ঘৰত
কৰৱতে ২১/১৮ ঃ কৰতেৰে
কক্ষা ১৮/৭ ঃ পণ, প্ৰতিজ্ঞা
কপিত্থ ১০/৭১ ঃএবিধ টেঙা ফল

কুন্দৰুখ ১৭/১৮ ঃ কুন্দ্ৰাক্ষ, খিৰিকি

গয় ২৩/১৬১ ঃ গহ, অহংকাৰ

গিৰ ৬/১৩ ঃ খোজৰ ভৰ

গোৰক্ষ ১০/১২১ঃ গৰখীয়া

গোৰস ১০/১৩৮ ঃ গাখীৰ

গেৰু ধাৰা ৮/৭০ ঃ পাহাৰৰ ৰঙচুৰা মাটিৰে অনা পানীৰ সোঁত

ঘৰাকাতি ৬/২০২ ঃ খুটিখাই, ঘৰাবাগৰ

ৰুজ ১৬/৪৬ ঃ ৰোগ

ৰুহলি ১৯/২৯ ঃৰুৱা

লপা ৩/১২ ঃমুখেৰে লপলপাই থকা, কথা কোৱা।

লয়লেস ৩/৩৯ ঃ সামান্য

সুন্ধুকি ১১/৪২১ ঃ মূৰ্চ্ছিত অৱস্থাৰ পৰা চেতনা পোৱা।

সন্ধুক্ষন ২৩/৪৮ ঃ সচেতন

সৰি ১০/১৪৭ ঃ সমকক্ষ, সমান, তুল্য. সদৃশ।

সায়ক ২৩/৭৬ ঃ কাড়, বাণ ।

সেছুৰে ২/৩৬ ঃ সোনকালে।

সেৱলি ৮/৮ ঃ সেৱা

গোড়ৰ ৪/১৪ ঃ এবিধ অলঙ্কাৰ। ইত্যাদি।

১.৮ কীৰ্তনত কিছু অপ্ৰচলিত শব্দ থাকিলেও সমসাময়িক লেখকৰ তুলনাত তেনেঁই সামান্য। কীৰ্তনত পোৱা সৰহভাগ শব্দই যথাযথভাৱে আধুনিক অসমীয়াতো ব্যৱহাৰ হয়। অপ্ৰচলিত ৰূপবোৰো আধুনিক অসমীয়াত ব্যৱহাৰ নহ'লেও অনাখৰি লোকৰ মুখত এতিয়াও প্ৰায়েঁই শুনা যায়। অসমৰ জন- সাধাৰণে কীৰ্তনৰ ভাষা সহজেঁই বুজি পায়। টীকাভাষা বা ব্যাখ্যাৰ প্ৰয়োজন অনুভৱ নকৰে। সংস্কৃত তৎসম বা অৰ্দ্ধ তৎসম শব্দৰ সৈতে খিলঞ্জীয়া শব্দবোৰ শঙ্কৰদেৱে এনে সুদক্ষতাৰে বিন্যাস কৰিছে যে শব্দবোৰৰ নতুনকৈ শক্তি বৃদ্ধি হে হৈছে। কীৰ্তনত ইয়াৰ ভুৰি ভুৰি উদাহৰণ আছে। ভোলানাথ দাস বা পদ্মনাথ গোহাঞিবৰুৱাৰ- কাব্যকৃতিত (বা দুই এজন আধুনিক কবিৰ ক্ষেত্ৰতো) শব্দ প্ৰয়োগৰ ক্ষেত্ৰত যি গুৰু - চাণ্ডালী দোষ দেখা যায় ,- কীৰ্তনত আচৰিত ভাৱেঁই তেনে দোষ দেখা নাযায়। এঁই ক্ষেত্ৰত তলৰ উদাহৰণ মন কৰিব লগীয়া ঃ

(ক) তপ্ত সুবৰ্ণৰ সম জলে দেহা নিৰুপম
ললিত বলিত হাত পাৱ।
চক্ষু - কমলৰ পাসি মুখে মনোহৰ হাসি
সঘনে দৰসে কাম ভাৱ॥ ৮/৩৩
(খ) দৰসন্ত ভাৱ সঙ্কৰৰ মোহ হেতু।
দেখিলা কন্যাৰ গুপ্ত অঙ্গ বৃহকেতু॥
ভৈলন্ত ব্যামোহ মন মদনে দহয়।
পাবৰ্বতিক লাগি এড়িলন্ত লাজ ভয়॥৮/৪০
(গ) খটমট কৰি বাজে গলে মুণ্ড মাল।
কঙ্কালৰ সোলকি পৰিল বাঘচাল॥
ভৈলা উলঙ্গট তাকো নচান্ত চাপৰি।
দেখি পলাইবাক লৈলা কন্যায়ো লৱড়ি॥ ৮/৪২
(ঘ) লহ লহ কৰে জিহ্বা জেন খুৰধাৰ।
জলে বাহু সত তিখ্ন নখে চমৎকাৰ॥
বহল হৃদয় দির্ঘ গৃয়া কৃষকটী।
জিহ্বা মেলি আচে দুয়ো দসন প্ৰকটি॥ ৬/১৮৯
(চ) সুনি দৈত্যপতি দান্ত কামুৰি।
ডাবৰ খৰগ লৈলা আঝুৰি॥
আসনৰ হন্তে আটোপে উঠি।
ভাঙ্গিল তম্ভক মাৰিয়া মুঠি॥ ৬/১৮২
(ছ) তম্ভৰ ভিতৰে সুনিয়া নাদ।
প্ৰলয় মেঘৰ জেন সংবাদ॥
ফুটিল কটাহ ভৈলা বিঘনয়।
তৃদসে বোলন্ত মিলে মিলয়॥ ৬/১৮৩

১.৮.১ কথ্য ভাষাৰ অন্তৰ্নিহিত শক্তি আৰু সৌন্দৰ্য্যৰ মনোমোহা 'স্ফুৰণ' কীৰ্তনত মনোৰমকৈ ঘটিছে। কীৰ্তনৰ জতুৱা ঠাঁচ আৰু প্ৰবাদ প্ৰবচনো আধুনিক ধৰণৰ।[৮] কিছু ক্ৰিয়া, সৰ্বনাম, অব্যয়, বিশেষ্য পদৰ বৰ্তমানে

---

৯. লোক - সাহিত্যৰ উপৰি ৰোমান্তিক যুগৰ লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে বহু কবিৰ কবিতাতো কীৰ্তনৰ প্ৰকাশভঙ্গীৰ সাদৃশ্য দেখা যায়।

অপ্ৰচলিত ৰূপৰ ব্যৱহাৰ থাকিলেও শঙ্কৰদেৱৰ ভাষাৰ জুমুঠিটো আছিল গতিশীল থলুৱা ভাষা। অসমৰ লোক- ভাষাৰ লগত কীৰ্তনৰ তল ৰ উক্তিসমূহৰ প্ৰকাশভঙ্গীৰ মিল মন কৰিবলগীয়া।

(ক) খেদন্তে খেদন্তে হৰ ভৈলা হাৰাসাস্থি। ৮/৬৯

তু, খেদোতে খেদোতে ৰাজা হ'ল বুঢ়া।

(খ) তোহোৰ সফলহৌক এ নৱ- জৌৱন।

তু, ভাল হওঁক, কুশল হওঁক, গৰু গৰু বাঢ়ক।

(৩) দিয়া মনি মোক মঞিঁ নেউ দ্বাৰকাক।

গুচোক দুৰ্যস দেখাউ লোকত প্ৰত্যয়॥ ১৬/৩৮

তু, দে শিং খান্দো মাটি, দিও কুমাৰক, গঢ়ক ঘটি। ইত্যাদি ইত্যাদি।

১.৮.২ শব্দৰে অঁকা তলৰ চিত্ৰবোৰো আধুনিক ধৰণৰঃ

(ক) আন্থু কাড়ি ৰিঙ্গ পাৰি ফুৰা ব্ৰজমাজে।

সোনাৰ ঘাঘৰচয় কঙ্কালত বাজে॥

বৃসভৰ সুনি নাদ চমকি উলটি।

আথে বেথে ধৰা গৈয়া মাৱক সাৱটি॥ ১০/১৫

(খ) কাম্পে দুয়ো গোটা বৃক্ষ উডুখন লাগি।

উভৰি পড়িল মছ মছ কৰি ভাগি॥ ১০/৬৫

(গ) দসন কামুৰি আতি চাণ্ড।

সিথায়ে ভাঙ্গিলা দধি ভাণ্ড॥১০/৪৭

(ঘ) মাথাত খোড়ীৰ বোঝা জান নজাই একো খোজা
ফুৰন্তে ৰজনি গৈল ক্ষয়।

নজাউ কেহোঁ কাকো এড়ি কিৰনে আন্ধাৰে ফেৰি
ভৈলা আসি আদিত্য উদয়॥ ১৯/১২

(ঙ) মুখ কৰি ভ্ৰূকুটি কুটিল।

চেতে ঠেলি চাৰিকো ক্ষেদিল॥ ৬/২৩

(চ) ৰনঝন কৰেৰ কঙ্কন।

শ্ৰমজনে উজ্জ্বল বদন॥

কৰ্ন্নৰ কোণ্ডল দোলেআতি ।(কুণ্ডল)।

খহি পৰে খোপাৰ মালতি॥ ১০/৪৪

১.৯ শঙ্কৰদেৱে ভাগৱত পুৰাণ আদি গ্ৰন্থৰ পৰাহি পদবোৰ কৰিলেও জন জীৱনৰ লগত গভীৰ সম্পৰ্ক থকা কাৰণে শব্দ চয়নৰ ক্ষেত্ৰত অপূবৰ্ব- দক্ষতাৰ পৰিচয় দিব পাৰিছে। কীৰ্তনৰ অলৌকিক কাহিনী বিলাক তেওঁ যিদৰে লৌকিক ভাষাৰে পুনৰ নিৰ্মাণ কৰি উলিয়াইছে তাৰ তুলনা পাৰ্বলৈ টান। কীৰ্তনৰ ভাষা সহজ, সৰল, শুৱলা আৰু আঁৰ নলগা বিধৰ। ইয়াত সংস্কৃত তৎসম শব্দ আৰু খিলঞ্জীয়া অসমীয়া শব্দৰ অপূৰ্ব মিলন ঘটিছে। দেশী বিদেশী অন্যান্য ভাষাৰ যথোপযুক্ত ভাৱ প্ৰকাশক শব্দ প্ৰয়োগৰ উপৰি জনসাধাৰণৰ মুখৰ পৰা বুটলি অনা ঘৰুৱা শব্দ, বিভিন্ন আঞ্চলিক ৰূপ, বাক্যৰীতি, জতুৱা ঠাঁচ তথা প্ৰবাদ প্ৰবচনে কাব্যখনিক আখৰী- অনাখৰী , বৈষ্ণৱ- অবৈষ্ণৱ সকলো শ্ৰেণীৰ লোকৰ অতি শ্ৰদ্ধা আৰু আদৰৰ কৰি তুলিছে। কীৰ্তনত সেই সময়ৰ অসমীয়া ভাষাৰ সাহিত্যিক ৰূপ আৰু কথিত ৰূপৰ সুমসন্বয় ঘটিছে। ভাৱে - ভাষাই অসমীয়া ভাষা সাহিত্যৰ শিখৰ স্বৰূপ এই কাব্যকোষ খনিৰ শব্দ সম্ভাৰৰ অধ্যয়ন এক আনন্দদায়ক অভিজ্ঞতা। অসমীয়া জনগণৰ মুখৰ ভাষা কীৰ্তনৰ ভাষাৰ 'হাতত হাতে ধৰি' (১১/২০৫) যেন প্ৰবাহিত হৈছে।

তুলনীয় : (১) হাতত হাতে ধৰি গোপনাৰী।

নাচিয়া অনঙ্গ ৰঙ্গে মুৰাৰী ॥ কী. ১১/২০৫

০ বগাঁকৈ বগলী উৰে কেনে কৰি

পাখিতে পাখি লগাই।)ধানবৰ আৰু ৰতনী)

-বেজবৰুৱা ১৯৬৪, কদমকলি পৃ.৮৯

(২) চিকমিক কৰিছে ৰত্নৰ জালা। কী. ৪/১৭

০ চিকমিক কৰিছে লুইতৰ পাৰৰে বালি। (মালতী)

মহেশ্বৰ নেওগ (সৰনা) ১৯৮৪ ঃশঞ্চৱন পৃ. ১৯৮

(৩) আমি কেনে জাওঁ হেন কৃষ্ণক নেদেখি। কী ১২/১৭৮

০সকলো জীথাকোঁ খুটিলি

কেনেকৈ জী থাকোঁ মই। (ধনবৰ আৰু ৰতনী)

-বেজবৰুৱা ৯৬৪ঃ কদমকলি , পৃ ৮৯

০০০

অসমীয়া জতুৱা শব্দ আৰু অসমৰ থলুৱা ভাষাৰ উপাদান

উপেন ৰাভা হাকাচাম

১.০ অসমীয়া ভাষাত সংস্কৃতমূলীয় তৎসম, অৰ্দ্ধতৎসম আৰু তদ্ভৱ শব্দৰ লগতে দেশী আৰু বিদেশী মূলৰ শব্দ আছে।[১] এইবিলাকৰ উপৰিও অসমীয়াত এনে কিছুমান শব্দ আছে যিবিলাকৰ মূল নিৰ্ণয় কৰা নাযায়; অথচ এইবিলাকৰ সাদৃশ্যমূলক আৰু সমাৰ্থক শব্দ কিছুমান প্ৰতিবেশী ভাষাসমূহত পোৱা যায়। দুই-এক পণ্ডিতে আৰম্ভণিতে কথিত পৰ্য্যায়ত প্ৰচলিত এই সমূহ জনপ্ৰিয় শব্দৰাজিক থলুৱা (Homely Assamese words) নতুবা দেশজ শব্দ হিচাপে শ্ৰেণীভূক্ত কৰি অভিধান আদিত ঠাইত দিছিল।[২] কিন্তু মধ্য ভাৰতীয় আৰ্য ভাষা স্তৰৰ প্ৰচলিত 'দেশ্য' বা 'দেশী নামমালা' শব্দৰ সৈতে অসমীয়াৰ এই জাতীয় থলুৱা শব্দৰ পাৰ্থক্য আছে। 'অসমীয়া ভাষাৰ থলুৱা শব্দ' বুলিলে আনহাতে অসমীয়াত প্ৰচলিত অন্যান্য থলুৱা জনজাতীয় ভাষাৰ শব্দসমূহৰ বিষয়েহে থাউকতে মনলৈ আহে। এই অসুবিধা দূৰ কৰিবলৈ লেখকে ইয়াত অসমীয়া ভাষাৰ স্বকীয় ৰীতি অটুট থকা অৰ্থাৎ অসমীয়া ভাষাৰ কালিকা থকা এই সমূহ শব্দগত উপাদানক 'জতুৱা ঠাঁচ'ৰ আৰ্হিত 'জতুৱা শব্দ'ৰে সূচিত কৰিছে।[৩]

১.১ গঠন ৰীতিৰ ফালৰপৰা অসমীয়া জতুৱা শব্দক প্ৰধান তিনিটা ভাগত ভগাৰ পাৰি।[৪] পুংখানুপুংখ বিশ্লেষণৰ সুবিধাৰ্থে এই সমূহক আৰু কেইটামান উপবিভাগত ভগাব পাৰি। তলত এই সমূহৰ উদাহৰণসহ থোৰতে ব্যাখ্যা কৰা হ'ল।

১১.১ অচিনাকি বিষমমূলীয় শব্দৰ আগে-পিছে চিনাকি প্ৰত্যয় বা শব্দাংশ যোগ দি স্বকীয়কৰণ (nativization) কৰি লোৱা শব্দ। ই আকৌ চাৰি প্ৰকাৰৰ।

(ক) প্ৰত্যায়ান্ত : ধুন ? + ঈয়া = ধুনীয়া; তু ঘুণীয়া ঘুন + ঈয়া ;
ডাঙৰ <? + ঈয়া = ডাঙৰীয়া, তু. নুমলীয়া নোমল + ঈয়া;
★ চিক্‌চিক্ <? + ঈয়া = চিক্‌চিকীয়া, তু. আহুকলীয়া আহুকাল + ঈয়া
★ডেকেৰ ডেকেৰা + উৱা = ডেকেৰুৱা
তু. কেঁচুৱা <কেঁচা + উৱা;
★ গজল < গাজল/গাজল্ (কামৰূপী)+ ঈয়া = গজলীয়া;
তু. কেৰলীয়া < ক্ৰীৰ/ কেৰল + ঈয়া

(খ) শব্দাংশ যোগে (সংকৰ শব্দ) : বাই ? ঋ দেউ = বাইদেউ, তু. স্বৰ্গদেউ,
ন+ বৌ < ? = নবৌ, তু. ন ছোৱালী;
বৰ + টোকোলা < ? = বৰটোকোলা, তু বৰ বগ;

মৰং < ? + ঘৰ = মৰংঘৰ, তু. মাৰলঘৰ;
চেলেং <? + চাদৰ = চেলেং চাদৰ, তু. বিচনা চাদৰ;
বান (আহোম : এবিধ মাটি) +বাতি = বানবাটি তু. ঘুৰি-বাটি

(গ) যুৰীয়া শব্দ যোগে : এই ধৰণৰ স্বকীয়কৰণ চাৰি প্ৰকাৰৰ—

(১) অৰ্থহীন আ-কাৰান্ত আদ্যক্ষৰৰ সৈতে পুনৰুক্তি : ডা-ডাঙৰীয়া, চা-চিনাকি, জা-জলপান, সা-সম্পতি, হ্মা-হুমুনিয়াহ্ ইত্যাদি।

(২) অৰ্থহীন স্বৰবৰ্ণৰে আৰম্ভ হোৱা অনুৰূপ শব্দৰ সৈতে পুনৰুক্তি : এঁকা-বেঁকা, আশে-পাশে, অকাই-পকাই, অনাই-বনাই, ইননি-বিননি, ইয়াকুল-বিয়াকুল ইত্যাদি।

(৩) অৰ্থহীন অনুৰূপ শব্দেৰে পুনৰুক্তি : মন-চন, ঘৰ-চৰ, মাছ-তাছ, এন্ধাৰ-মুন্ধাৰ, ক্ষীণ-মীণ, সাৰ-সুৰ, নাই-নুই, সৰু-সুৰা, ফাকি-ফুকা, সঁচা-সঁচি, মিছা-মিছি, লৰা-লুৰি, ওচৰা-উচৰি ইত্যাদি।

(৪) বিষমমূলীয় সমাৰ্থক যুৰীয়া শব্দ[৫] যোগে : শাক-পাচলি, পিঠা-পনা, বুঢ়া-মেথা, তামোল-চালি, দাম-দৰ, ওচৰ-পাজৰ, কাজিয়া-পেঁচাল, গালি-গালাজ, সাল-সলনি, দিহিঙে-দিপাঙে, চিঞৰি-বাখৰি ইত্যাদি।

(ঘ) সংস্পৰ্শবিকাৰ (Contamination) অৰ্থাৎ সজাতীয় আৰু সমাৰ্থক — এই দুটা শব্দৰ সাদৃশ্যত বিকৃতভাৱে গঢ় লোৱা শব্দ : উদাহৰণ— মেখলা+পাতনি (ৰাজবংশী/হাজং) = মেথানি/মেথনি; চেনেং (মিছিং)/ ছেংনাং (আহোম) + সোনাই/ধনাই = চেনাই, তু চেহেনী < স্নেহ।

১.১.২ অসমীয়া জতুৱা শব্দৰ তিনিটা গঠনগত বৈশিষ্ট্য পোৱা গৈছে। সেইকেইটা হ'ল—

(ক) অনুবাদিত ঋণ (loan translation) : প্ৰতিবেশী ভাষাসমূহৰ শব্দ গঠনৰ আৰ্হিত (অনুবাদৰ জৰিয়তে) গঠন কৰা শব্দ। যেনে— ডেকা চাং তু. নোক ফাস্থে (গাৰো) / জিৰছং (কাৰ্বি) ; বৰ মা, তু. আয়চুং (ৰাভা)/মায়ুং (দেউৰী) / আয়ং (ডিমাছা); বৰ দেউতা তু. ফাজং (গাৰো)/পায়ুং (ডিমাছা); কণী ধান তু. মেচি (গাৰো মে. 'ধান' + বিচি (কণী); হাতীপটি তু. মেউপতি (দেউৰী); পানী-যুঁৰলি, তু. চিকা-দোৱাৰ (ৰাভা); স্বৰ্গদেউ তু. চাওফা (আহোম) শইকীয়া তু. ৰু 'মুৰ' + পাক 'শ' (আহোম) ইত্যাদি।

(খ) লোক ব্যুৎপত্তি : নিজা শব্দৰ সাদৃশ্যত অৰ্থ উলিয়াব নোৱাৰা শব্দৰ নতুন অৰ্থ আৰোপ কৰা শব্দ। যেনে— লাওপানী : যি পানী তিতা লাওত থায় অৰ্থাৎ মদ, তু নাম-লাও (আহোম); লাও-খোলা : দেখিবলৈ শুকান লাওৰ খোলাৰ নিচিনা বাবে, তু. লাওখ্লং (ডিমাছা); বৰদৈচিলা : ডাঙৰ ধুমুহা বাবে তু. বাৰদৈচিখ্লা (বড়ো); ফাঁকিয়াল : ফাকি দিয়াত সিদ্ধহস্ত, এতেকে তেনে জাতি, তু. তাই-পাকে (আহোম); অকা : যি জাতি আঁ-বাক কৰে অৰ্থাৎ গাত উল্কি আঁকে, তু. আকা (আহোম)।

(গ) নৱনিৰ্মিত/নৱ মূল্যাংকিত শব্দ : (১) জাতিবাচক শব্দ যোগে— মানকচু, মৰাণ আদা, নৰা-বগৰি, মিৰি-জিম, মিচিমি তিতা, ভোট-এৰা, নগা ঘা ইত্যাদি; (২) জতুৱা ঠাঁচ— খণ্ডবাক্য যোগে— মনকৰ, মন খা, মন-মেল ইত্যাদি

খণ্ডবাক্য তৎসম মন 'চিত্ত' শব্দটোৰ পৰিবৰ্দ্ধিত অৰ্থ 'ইচ্ছা' হৈছে আৰু মনে মনে জতুৱা ঠাঁচত ইয়াৰ 'গোপনে' অৰ্থ তদ্রূপ পানী লাগ, পানী কৰ, পানী উঠ, পানী হ, পানী কাটি, পানী ছো, পানী লাউ, পানী কেঁচুৱা, পানী গামোচা, পানী চাং, পানী পিয়া প্ৰভৃতি জতুৱা ঠাঁচত একেটা পানী শব্দটোৱে ভিন্ ভিন্ অৰ্থত প্ৰয়োগ হৈছে।

(৩) সীমিত অৰ্থত প্ৰয়োগ : মূলত 'খুন'ৰ অৰ্থ 'তেজ', কিন্তু অসমীয়াত 'হত্যা'। সেইদৰে 'অন্তৰ' (ভিন্ন) কিন্তু অসমীয়াত 'মন', অসুখ (সুখৰ অভাৱ) কিন্তু অসমীয়াত ৰোগ, দুখীয়া 'যি দুখী'/ দুখ আছে যাৰ', কিন্তু অসমীয়াত দৰিদ্র ইত্যাদি অৰ্থতহে প্ৰয়োগ হৈছে।

১.১.৩ ধ্বন্যাত্মক শব্দ : আধাৰ হিচাপে একোটা অৰ্থপূৰ্ণ শব্দ মূল নথকা দ্বিৰুক্তিবাচক শব্দসমূহৰ সৰহ সংখ্যকে অসমীয়াৰ জতুৱা শব্দ। এই শ্ৰেণীৰ শব্দ অসমীয়াত প্ৰধানত দুবিধ।৬

(ক) ধ্বন্যানুকৰণ বা অনুকাৰ শব্দ (echo words) : ভুক, গোঁজৰ, চিঁচিয়া, কুৰুলিয়া, গুৰ গুৰ, টং টং, টিক টিক, ধপ ধপ, ফুচফুচা, হুকহুকা, ভোৰভোৰা।

(গ) ধ্বন্যাত্মক বা দ্বিৰুক্তিবাচক শব্দ (onomatopoetic workds) : দ্বিৰুক্তিৰ ধৰণ অনুযায়ী ইহঁত কেইবা প্ৰকাৰৰো। যেনে—

১। পূৰ্ণ দ্বিৰুক্তি : কিচ কিচ (–ঈয়া), টিকটিক (–ঈয়া), হুম হুম (–নি), ৰম ৰম (–নি), কুউ-কুউ (–আ), চম চম (–আ), ভৌ ভৌ (–কৈ), চেৰেং চেৰেং (–কৈ), কলধপ কলধপ (–কৈ), ৰিণিকি ৰিণিকি।

২। আংশিক দ্বিৰুক্তি :

(ক) শেষ অংশৰ দ্বিৰুক্তি : খদমদম (–নি), বজনজন (–আ), উথপথপ, আমোলমোল (–আ), আতোল্ তোল, হেৰাওৰাও (–এ), িনমাওমাও, ভাকুটকুট।

(খ) আদি অংশৰ ব্যঞ্জন পৰিবৰ্তনেৰে দ্বিৰুক্তি : তিৰ-বিৰ, জিল-মিল, খপ-জপ, ধলং-পলং, হিজি-বিজি, থেৰো-গেৰো, তয়া-ময়া, লেতেৰ-পেতেৰ, লহ-পহ, লটি-ঘটি, উগুল-থুগুল, উধাই-মুধাই, উক-মুক, ঘুট-মুট (–ঈয়া)।

(গ) এটা বা দুয়োটা অংশৰ স্বৰ পৰিৱৰ্তনেৰে দ্বিৰুক্তি : টিমিক-টামাক, পিৰিক-পাৰাক, ঠুনুক-ঠানাক, ঘুনুক-ঘানাক, কুৰুং-কাৰাং, মিজিং-মাজাং, ফাং-ফুং, বুবু-বাবা।

(ঘ) আগৰ অংশত আ-যোগে দ্বিৰুক্তি : কেচেমা-কেচেম, ভেকেটা-ভেকেট, থোকা-থুকি, সেমেনা-সেমেনি, হোলোকা-হোলোকে, লোমা-লোমে।

(ঙ) সানমিহলি : আমন-জিমন, ইচাট-বিচাট, আবোল-তাবোল, আল-ফুল, একা-চেকা, এমা-ডিমা, আলৈ-আথানি, থোঁতা-মোজা, খৈয়া-নখৈয়া, থৌকি-বাথৌ, হেনা-হুচা, খুটি-নাটি, হায়ে-বিয়ে, দলদোপ-হেন্দলদোপ, হিল-দল, ছেগা-ছোৰোগা, চুচুক-চামাক।

১.২ মন কৰিবলগীয়া যে প্ৰায়বিলাক জতুৱা শব্দৰ শব্দমূল হিচাপে বিবেচিত ৰূপটো কিন্তু যাদৃচ্ছিক (arbitary)। অৱশ্যে এনে শব্দসমূহৰ সৈতে সাদৃশ্য থকা ৰূপ অন্যান্য চুবুৰীয়া ভাষাসমূহতো কম-বেছি পৰিমাণে পোৱা যায়।

সেইবাবে ইবিলাকক একোটা ভাষাগত ক্ষেত্ৰত (Linguistic Area) গা কৰি উঠা উমৈহতীয়া উপাদান হিচাপে বিবেচনা কৰিব পৰা যায়।৭ ইয়াত অসমীয়া জতুৱা শব্দৰ সৈতে সাদৃশ্য থকা অন্যান্য থলুৱা জনজাতীয় ভাষাসমূহৰ শব্দৰ (উত্তৰ-পূৰ্বাঞ্চলীয় ভাষাগত ক্ষেত্ৰৰ পৰিপ্ৰেক্ষিতত) তুলনামূলক বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ দ্বাৰা অসমীয়া শব্দৰ বিকাশ আৰু সমৃদ্ধিত সংশ্লিষ্ট থলুৱা ভাষাসমূহৰ সম্ভাব্য প্ৰভাৱ কিমান ব্যাপক, এই সম্পৰ্কে পাঠকসকলে ধাৰণা কৰিব পাৰিব।

২.০ সৰ্বনাম আৰু সংখ্যাবাচক শব্দৰ বাহিৰে প্ৰায় সকলো শ্ৰেণীৰ শব্দতে এই সাদৃশ্য বিদ্যমান। বিশেষকৈ ক্ৰিয়া-বিশেষণ আৰু বিশেষণৰ দৰে প্ৰয়োগ হোৱা ধ্বন্যাত্মকমূলীয় শব্দসমূহত এই লক্ষণ অধিকভাৱে প্ৰকটিত। সেইদৰে বিভিন্ন স্থানীয় ঠাইৰ নাম, জাতি বা উপাধিৰ নামৰ লগতে থলুৱা গছ-গছনি, চৰাই-চিৰিকতি, মাচ-মগৰ, পোক-পৰুৱা প্ৰভৃতি প্ৰাণীৰ নাম, সংস্কৃতিৰ লগত জড়িত শব্দ আৰু দৈনন্দিন জীৱনত ব্যৱহৃত সা-সঁজুলিৰ নাম (আটাইবিলাকক একেলগে নাম শব্দ বোলা হয়), দুই এক সম্বন্ধবাচক শব্দ, কিছুমান বিশেষণ শব্দ, সামান্য সংখ্যক ধাতু বা ক্ৰিয়া আৰু ভালেমান পৰসৰ্গ, অনুপদ বা অব্যয়ৰ উৎস সংস্কৃত বা অন্যান্য সমমূলীয় ভাষাত পোৱা নাযায়; অথচ কিছুমান থলুৱা ভাষাত কিছু বিকৃতভাৱে, অৰ্থান্তৰসহ প্ৰয়োগ পোৱা যায়। আনকি অসমীয়াৰ নিভাঁজ জতুৱা ঠাঁচ-খণ্ডবাক্যসমূহেও এই সমূহ থলুৱা ভাষাৰ সাদৃশ্যতে গঢ় লোৱা বুলি পণ্ডিতসকলে স্বীকাৰ কৰি গৈছে।৮ এই বিলাকৰ বিষয়ে বিস্তৃত অধ্যয়ণৰ প্ৰয়েজন আছে। ইয়াত থাউকতে পোৱা কিছুমান অসমীয়া জতুৱা শব্দত থলুৱা উপাদানৰ বিষয়ে বিশ্লেষণ কৰা হৈছে।

২.১.১ মাটিবাচক হা/আ (বৰো বৰ্গীয়), তি (আহোম), তা/তেক (অষ্ট্ৰিক); পানীবাচক দি/তি/চি/জি (বৰো বৰ্গীয়), হোং/ওং/হো/উম/আম (অষ্ট্ৰিক), নাম (আহোম) আদি সাধাৰণ পদ (generic term) যুক্ত ঠাই, পাহাৰ আৰু নদ-নদীৰ নামৰ উপৰিও অসমীয়াত আৰু এনে কিছুমান স্থানবাচক শব্দ পোৱা গৈছে— যিবোৰ থলুৱা ভাষাৰ পৰা পোনপটীয়াকৈ অহা। অৱশ্যে এইবোৰতো প্ৰায়ে অসমীয়া শব্দাংশ (বিভিন্ন ভাষাৰপৰা ঋণসূত্ৰে লাভ কৰা) আগে-পিছে লগ-লাগি নতুবা লোক-ব্যুৎপত্তি ঘটি বা অনুবাদিত ধাৰৰ দ্বাৰা অসমীয়া জতুৱা শব্দ হিচাপে প্ৰয়োগ হৈছে। যেনে— হাদিৰাচকী, তু. বৰো : হা-গিদিৰ 'আহল-বহল মাটি', হাওৰাঘাট তু. কাৰ্বি : হাৱাৰ কে হাত 'ঝুম খেতিৰ পথাৰ'; হল্টু গাঁও হাল্টু গাঁও; আগিয়াঠুটি; ডিব্ৰুগড় তু. ডিমাছা : ডি-গুব্ৰু ঘোলাপানী, দৈয়াংমুখ তু. ডিমাছা :দিয়ুং 'বৰ নদী + ব্ৰা 'মোহনা'; পাগলাদিয়া তু. বৰো : ফাগ্লাদৈয়া; গৰমপানী তু. খাচি : উমৰাংছ' ইত্যাদি। থলুৱা ভাষাৰ উপাদানেৰে নিৰ্মিত স্থানবাচক শব্দ কিছুমানৰ ভিতৰত— হাটী/আটি (তিৱাঃ 'গড় খাৱৈৰ পাৰে পাৰে পতা গাঁও') যুক্ত ঠাই সমূহ : যেনে— গুৱাহাটী, আউনিআটি; কুচি (তিৱা : কুনচি/কুঞ্জি 'গাঁও', যেনে— উলুকুনচি, ছিলংকুঞ্জি) যুক্ত ঠাইসমূহ : যেনে— শোৱালকুচি তু. সোঁৱালুগছ, তাঁতী— কুচি; ঝাৰ (তু. চাওতালী : 'জোপোহা'/ ৰাজবংশী : 'বননি') যুক্ত ঠাইসমহূ; যেনে— বৰঝাৰ, ছিপাঝাৰ, ঝৰা (তু. ৰাভা

'নিজৰা'); যুক্ত ঠাইসমূহ : যেনে— বীৰঝৰা (তু. চাওতালী : বীৰ 'হাবি'), বৰ্গীঝৰা; যুক্ত ঠাইসমূহ : যেনে— পাথাৰকুন্দি, টাবি/টাৰা (তু. খাচি : 'ওখ মাটি'/ৰাভা : 'ওখ মাটি') যুক্ত ঠাই সমূহ : যেনে— বাকাইটাৰী

(তু. ৰাভা : বাকাই 'জাতি বাঁহ), নাইটাৰা-চোটাৰা (বিল); ঘোপা/ঘোপ (তু. ৰাভা 'গহ্বৰ, আওহতীয়া ঠাই') যুক্ত ঠাইসমূহ : যেনে— দোংকামোকাম (তু. কাৰ্বি : 'ৰামধেনুভেৰীয়া ডোং), উন্টা দাঙ্গা; জান (আহোম : 'জুৰি') যুক্ত ঠাইসমূহ : যেনে— বোকাজান, চুঙাজান, কাকজান ইত্যাদি উল্লেখযোগ্য। এইখিনিতে 'অসমৰ ঠাইৰ নামৰ বৈশিষ্ট্য' সন্দৰ্ভত ড০ বিৰিঞ্চি কুমাৰ বৰুৱাৰ মন্তব্য প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি— "ভাষাতত্ত্বৰ পিনৰ পৰা স্থানবাচক শব্দসমূহৰ আলোচনা কিছু জটিল। ওচৰ-চুবুৰীয়া কেইবাটাও ভাষাত বুৎপত্তি নহ'লে এনে আলোচনা ভ্ৰমপদ হোৱাৰ সম্ভাৱনা।" অসমৰ ঠাইৰ নামকৰণত লোক-বুৎপত্তি আৰু অনুবাদিত ঋণ-এই দুটা ভাষা-সূত্ৰই প্ৰধানভাৱে ক্ৰিয়া কৰে।

২.২.২ অসমীয়া ভাষাত এনে কিছুমান জাতিবাচক আৰু উপাধিবাচক শব্দ পোৱা যায়। বহুতো জনজাতিৰ নাম পোনপোটীয়াকৈ জনজাতীয় ভাষাৰ পৰা অহা নাই অৰ্থাৎ সেই সেই ভাষাৰ নিজক আৰু নিজৰ জাতিক বুজোৱা শব্দৰ সৈতে অসমীয়াত প্ৰয়োগ হোৱা শব্দ মিল নাই। উদাহৰণস্বৰূপে আবৰ (আদি) তু. অসমীয়া আবৰ/আবৰী 'যি শাসন নামানে'/বৰো : আব্ৰা/আব্ৰি মূৰ্খ, অঁকৰা'; ডফলা/ডাফলী (নিছি) তু. অসমীয়া : ডাফলী 'চুটি চাপৰ পুষ্ট তিৰোতা'; দোৱনীয়া (চিংফৌ) তু. অসমীয়া : দ্বিভাষী / তিৱাঃ দোৱান 'মাত' অসমীয়া 'অসমৰ বাসিন্দা' তু. ডিমাছা ছাছামছা 'আহোমৰ সন্তান'/আহোম : আ-চাম 'অপৰাজেয় জাতি'; কছাৰী তু. অসমীয়া : কাছাৰৰ বাসিন্দা /বৰো : কোচ-হাৰী 'কোচ জাতি'; জয়ন্তীয় তু. অসমীয়া 'জয়ন্তী দেৱীৰ উপাসক'/ খাচি : চিনতেং 'ফৈদ বিশেষ' : কায়স্থ/কায়েথ (অষ্ট্ৰিকমূলীয় : কাকতৰ লগত সম্পৰ্কিত জাতি); হাৰি/হীৰ (বড়োমূলীয় : মাটিৰ লগত সম্পৰ্কিত জাতি) ইত্যাদি। সেইদৰে তিব্বত-বৰ্মীয় মূলৰ মানুহ বা প্ৰাণীবাচক মি/মে/ম সাধাৰণ পদযুক্ত জাতিবাচক শব্দ কিছুমান হ'ল— মিৰি (মিছিং), মিকিৰ (কাৰ্বি), মগলৌ (মেইথেই/মণিপুৰী), মটক-মৰাণ (মায়ামৰা/মোৱামৰীয়া ইত্যাদি।

উপাধিবাচক শব্দসমূহৰ ভিতৰত আহোম ৰাজত্বত জনপ্ৰিয় হৈ উঠা প্ৰায়ভাগেই নিভাঁজ অসমীয়া ৰূপে যিবিলাক হয় আহোম ভাষাৰপৰা অনুবাদগত ধাৰাৰ মাজেদি নতুবা আৰ্যমূলীয় চিনাকি শব্দযোগে লাভ কৰা। যেনে— (বৰ/ ডেকা/তামুলী/টেকিয়াল/নেওগ) ফুকন তু. আহোমঃ ফু 'পুৰুষ' +কে 'বুঢ়া'; (বৰ/বুঢ়া/বৰপাত্ৰ) গোঁহাই, তু. আহোম : 'সম্ভ্ৰান্ত পুৰুষ (আইচুৰ বিপৰীতে); (বৰ ভঁৰালী তু. আহোম : চাও 'শ্ৰী' + জি 'ভঁৰাল'; (বৰ/বুজৰ/াতী/দত্ত/বেজ/ গোহাঞি) বৰুৱা তু. আহোম : ফু 'পুৰুষ' + কে 'বুঢ়া' + লুঙ 'বৰ'; বৰ' (বৰ) বৰা 'কুৰিজন কাঁৰীৰ ওপৰৱিষ্ট বিষয়া'; শইকীয়া তু. আহোম : ক 'মূৰ' + পাক 'শ' = 'এশজন কাঁৰীৰ ওপৰৰ বিষয়া' ইত্যাদি। সেইদৰে বিভিন্ন উপাধিৰ লগত বৃত্তি বা তদাৰকী ব্যৱস্থা জড়িত হৈ আছে। যেনে— (চলিহা/দুৱৰা/ নামতিয়াল) কাকতী 'কাকতৰ লগত সম্পৰ্কিত' তু. খাচি : কায়েঠা/ কায়স্থ;

হুলৈ 'কৃষিৰ লগত জড়িত' তু. ৰাভা ঃহাবায় 'হালোৱা/গাবো ঃ আৰে 'হালোৱা'; হাজং তু. গাবো ঃ আজং 'মাটিৰ পোক'; ভূএগ্রা তু. বৰো ঃ বাঁহীমুতিয়াৰি 'মাটিৰ লগত সম্পৰ্কিত' ইত্যাদি। বৰবৰা, বৰফুকনৰসাদৃশ্যত বৰগয়াৰী, তু. বৰো ঃ গয়াৰী 'তামোলৰ লগত সম্পৰ্কিত'; বৰদলৈ তু. তিৱা ঃ দলৈ 'পুৰোহিত'; বৰকোঁচ আৰু ডেকাফুকনৰ সাদৃশ্যত ডেকাৰজা তিৱা), ডেকাগিৰি (ৰাভা) তু. বৰডেকা (কামৰূপী উপভাষাত জ্যেষ্ঠজনক বিশেষকৈ ককায়েকক এইদৰে সম্বোধন কৰা হয়) আদি উপাধি অসমীয়াকৰণ কৰা হৈছে। দিহিঙীয়া, গড়গএগ্রা, চামগুৰীয়া ইত্যাদি স্থানসূচক উপাধিৰে আহোম ৰজাসকলক বুজোৱাৰ দৰে একালত দাঁতিয়লীয়া (সীমামূৰীয়া) আৰু ঢেকেৰীয়া/ঢেকেৰি এই দুটা হীনতাসূচক শব্দৰে যথাক্রমে ভৈয়ামৰ জনজাতি আৰু কামৰূপ অঞ্চলৰ বাসিন্দাক বুজোৱা হৈছিল। এই ৰীতিটো পুৰণিকলীয়া অসমীয়া সমাজত এতিয়াও মানি চলা হয় আৰু বিশেষ একোগৰাকী নাম একোটা দি লোৱা হয়। হাজোৱলীয়া ফোঁটা, সৰ্থেবাৰীয়া লোটা, কমাৰকুচীয়া জাপি, নগএগ্রা ভাত, গড়গএগ্রা মিতিৰ ইত্যাদি স্থানসূচক শব্দবোৰ এই শ্রেণীৰ।

২.২.৩ অসমীয়াৰ নিৰ্ভাজ আৰু থলুৱা নামবাচক শব্দ কেতবোৰ আছে। সাধাৰণতে অসমীয়া নামবাচক শব্দসমূহৰ প্রায়ভাগে সংস্কৃত মূলীয়। যেনে— ইন্দ্র/এন, মন্ত/মান, ঈশ্বৰ/শ্বৰ, চন্দ্র, কুমাৰ, ৰাম, প্রসাদ আদি পুংলিঙ্গবাচক আৰু ৱতী/মতী, ঈশ্বৰী/শ্বৰী, কুমাৰী, বালো আদি স্ত্রীলিঙ্গবাচক প্রত্যয়যুক্ত নতুবা দেৱ-দেৱী, তিথি নক্ষত্র, নদী-ফুল আদিৰ নামেৰে সাধিত হোৱা। ইয়াৰেউপৰি -তৰা (নয়নতৰা, নাজিতৰা), মণি (জোনমণি, মামণি, মালামণি), লতা (কনকলতা, বনলতা, সুখলতা), মলা/মালা (তেজীমলা, পানীমলা, ৰহিমলা, মণিমালা), ৰাম (মণিৰাম, মিহিৰাম, পানীৰাম, ঘটিৰাম, বিহুৰাম), দৈ (তৰাদৈ, কনীদৈ, কোঁৱৰ, মণিকোঁৱৰ), কুঁৱৰী (কমলা কুঁৱৰী, ঔকুঁৱৰী), -কণ/কণি (আইকণ), সৰুকণ, বাপুকণ, মাকণি, অকণি), -জন/-জনী (আইজনী, মাজনী), -টি (ভাইটি, আইটি, জোনটি), বৰ (ধনবৰ, মনবৰ, বিহুবৰ, কৃপাবৰ), আলি (জোনালী, তৰালি, মেঘালি, গীতালি), -আই (ধনাই, মনাই, ভদাই, আঘোণী), -আ (আহিনা, মঙলা, কাতিয়া, জয়া), -উ (ৰাজু, বাপু, জুনু জোন, ৰুণু, কণজুন্) ইত্যাদি বিভিন্ন শব্দাংশ বা প্রত্যয়যুক্ত নাম অসমত সমাদৃত। ইয়াৰে কিছুমান থলুৱা ভাষা-ভাষীৰ পৰাই আহৰিত। উদাহৰণস্বৰূপে বৰো ভাষাত শ্রীন/ৰাম/শ্রী৯; ৰাভা ভাষাত মাই /আই (যেনে-নিৰিমাই, নাছিমাই, নদাই, তামাই, চাম্পাই ইত্যাদি); দেউৰী ভাষাত দৈ[১০]; গাৰো ভাষাত জিং (যেনে— ছিৰজিং, নাৰ্জিং, কাকজিং ইত্যাদি) আৰু ফা/মা (যেনে— মেমাংফা, মেমাংমা ইত্যাদি); কাৰ্বি ভাষাত ছিং (যেনে—ছামছিং, সোনছিং, জয়ছিং) আৰু প'/পী (যেনে— বাছাপী, ছাৰপ', কাচেপী, কাদমপী, ৰংফাৰপী) ইত্যাদি তেনে কেতবোৰ সাদৃশ্যমূলক শব্দাংশ। মন কৰিবলগীয়া যে এই সমূহ ভাষাৰ এই বৈশিষ্ট্যটো গঠন-ৰীতিৰ ফালৰ অসমীয়াৰ তেনেই ওলোটা। উদাৰণ স্বৰূপে খাচি ভাষাত পুংলিঙ্গবাচক উ আৰু স্ত্রীলিঙ্গবাচক কাঃ[১১] (কাৰ্বিভাষাতো কা যুক্ত স্ত্রীবাচক নামৰ সমাদৰ আছে); আহোম ভাষাত পুংলিঙ্গবাচক চু-/খন- (যেনে— খুনলুং,

খুনলাই, খুনগ্ৰাম, খুনবাও, চুকাফা, চুহমুং, চুলিকফা ইত্যাদি আৰু স্ত্ৰীলিঙ্গবাচক নাং (যেনে— নাংবৰু গাভৰু, নাছচেং কুৰৱী, নাংখামপুই ইত্যাদি) প্ৰভৃতি উপাদান পূৰ্বসৰ্গৰ দৰেহে ব্যৱহাৰ হয়।

২.২.৪ অসম হাবি-বননিৰে ভৰা আৰু অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ হাবিত যিবিলাক গছ-গছনি, তৰু-লতা, ফল-মূল, বাঁহ-বন,শাক-পাচলি, নল-খাগৰি, বাঁহ-বেত গজে, সিবিলাকৰ প্ৰায়ভাগে সংস্কৃত বা সংস্কৃতমূলীয় ভাষা প্ৰচলিত অন্যান্য ঠাইত পাবলৈ নাই।

বৰঞ্চ তিব্বত-ধৰ্মীয় বা চীন-তিব্বতীয় ভাষা প্ৰচলিত চীন, ম্যানমাৰ (ব্ৰহ্মদেশ), থাইলেণ্ড, নেপাল, ভূটান, তিব্বত ইত্যাদি দেশৰ জলবায়ুত গজি উঠা গছ-গছনিৰ সৈতেহে ইয়াৰ মিল বেছি। সেইবাবে অসমৰ হাবিত আৰু বাৰীত গজা গছ-গছনি আনকি বাগিছা বা পথাৰবত গজা চাহ গছ, বিভিন্ন ধান গছ ইত্যাদিৰ নামকৰণো থলুৱা ভাষাতে হোৱাটোৱে সম্ভৱ। অৱশ্যে ফুল আৰু পূজাত প্ৰযোজ্য বিভিন্ন বিভিন্ন উদ্ভিদ, বৃক্ষ, তৰু-তৃণ, প্ৰভৃতিৰ নাম সংস্কৃতমূলীয়। তিব্বত-ধৰ্মীয় বৰো, গাৰো, ৰাভা, দেউৰী, প্ৰভৃতি ভাষাত শাকজাতীয় ফলমূল, ফুল-পাতৰ নামত মৈ/মি/মে সাধাৰণ পদ আৰু ফল বা গুটিবাচক শব্দত থায়/থে/থি, আলু বা মূলবাচক শব্দত থা/খান, ঔষধি বা পাতবাচক শব্দত ছাম/ছাক/লাই, গা-গছ বা বৃক্ষজাতীয় শব্দত ফাং/ছিং, বাঁহজাতীয় শব্দতত ঔৱা/ওৱা/বা আৰু ধান জাতীয় শব্দত মায়/মা সাধাৰণ পদ সংযুক্ত হৈ থাকে। সেইদৰে চীন-তাই মূলৰ আহোম ভাষাত ঘাঁহ-বন বাচক এৱ, শাক-পাচলিবাচক ফাক-, ফুলবাচক ব্লক, ফলবাচক মাক- সাধাৰণ পদ অবিভাজ্যভাৱে লগ লাগি শব্দৰ সাধন কৰে। এনে দুই এটা জনজাতীয় থলুৱা ভাষাত প্ৰচলিত অবিকল শব্দৰ অসমীয়াত প্ৰচলন থাকিলেও এই শ্ৰেণীৰ বেছিভাগ শব্দই অসমীয়াৰ জতুৱা ঠাঁচত গঢ়াহে হয়— ই উচ্চাৰণৰ কিছু বিকৃতি ঘটা, নহয় ই অনুবাদগত ধাৰ, উচ্চাৰণৰ বিকৃতি ঘটা শব্দ কিছুমান হ'ল— কলমৌ, খলমৈ (বৰো), মেমেধু মেমেদুৰ (দেউৰী), থেকেৰা, থেক্ৰেং (ৰাভা), পচলা ফাছলা (বৰো),স পাচলি ফাছলি (বৰো), লফা লাফা (বৰো), পালং ফালেং (বৰো), মাটিক মাকায় (কোচ), ভলুকা বুৰ্খা (বৰো), জেটুলিপকা এৱ-টাওলিও (আহোম), জেতুকা এৱ-ডেইঙ (আহোম ইত্যাদি। আনহাতে চামশলখা অৰ্থাৎ ঘোঁৰাশলখা ৰোগৰ মহৌষধি (=ছাম), মাইগুটিয়া অৰ্থাৎ গুটি গুটি ধান (=মায়), মৌসৰা অৰ্থাৎ গুটিভঁৰালত আপুনি সাৰা ধান (= মায় মৌ), আঠিয়া অৰ্থাৎ গুটি (= থায়/থে) যুক্ত কল, বজাল/বিজুলি অৰ্থাৎ বাঁহ = (উৱা/বা) বিশেষ ইত্যাদিত থলুৱা ভাষাৰ উপাদান অধঃস্তৰ পৰ্য্যায়ত বৈ গৈছে; যিবিলাক অসমীয়াৰে ব্যাখ্যা কৰা নাযায়। সেইদৰে সিজু তু. ছিজৌ (বৰো) ছিয়াজৈ (অষ্ট্ৰিক), সৌৰা তু. ছেওৰা (ৰাভা/বৰো), শিলিখা তু. স্ৰিখাথায় (বৰো), শিণ্ড/চিচু তু. (ছিচুফাং (বৰো), শাল তু. বলছাল (গাৰো) / ছালফাং (তিৱা), চাম তু.) চামা (ৰাভা/গাৰো), গমাৰি তু. গামব্ৰি (বৰো/ৰাভা), এজাৰ/আজাৰ তু. আজ্ৰি (ৰাভা/আওজাৰ (বৰো), আঁচু কাঠ, তু. আছুফাং (ৰাভা), কৰৈ তু. কৰায়ফাং (ৰাভা) ভেলেউ তু. বাৰলা (কাৰ্বি), ভঁইৰা/ভোমোৰা, তু. ভৈৰা (বৰো/ভাওৰায়

(ৰাভা), খৈৰ তু. খয়ৰ (বৰো), টকৌ তু. টংকী (খামটি), মামৈ তামোল তু. মাকমু (আহোম ঃ 'তামোল'), লেতেকু তু. লেতখু/লেৰখো (বৰো) নাচপতি তু. নেচপথি (বৰো) সুমথিৰা/সোণতৰা তু. ছনগ্রায় (ৰাভা) হনছিৰা (কার্বি), ঔ তু. অবাও (তিৱা), বগৰী তু. বকবি (কার্বি)/বৈগ্রী (বৰো), পনিয়ল তু. পাইমাল (কোচ)/পৈলাম (ৰাভা), জবা তু. জাবা (বৰো) জাদা (ৰাভা), ৰবাব তু. ৰেবা (ডিমাছা), খিলা তু. গিলা (বৰো)/গেলাও (কোচ), শন তু. হন (কার্বি), বিহাগছ তু. বিছা (ডিমাছা), বিথা (ৰাভা), পাটী দৈ তু. দয়পাতি (ৰাভা)/পিতি (কার্বি), এড়া তু. এণ্ডা (বৰো), তংলতি তু. তঙালিতি (তিৱা), তৰা তু. তাৰা (ৰাভা) কার্বি)/থাৰা (বড়ো/তিৱা), নাৰা তু. নাৰা (বৰো/ৰাভা)/নাৰগাউ (ডিমাছা), বৰতা/ বৰঙা/বতা তু. বাতা (ৰাভা/বৰতা (কার্বি), টঙা তু. টাংনা (ৰাভা), তকমা তু থকমা, (ৰাভা), ৰাইদাং তু. ৰাইদাং (দিমাছা, কেতুঁৰি তু. খাপ্রি (বৰো, হালধি তু. হালদি (ৰাভা/হালদৈ (বৰো)/আলদি (মিছিং)/ছুলুদি (ডিমাছা), কেচেৰু তু. কেচেৰু (দেউৰী), চেঁচৰ তু. কেছৰ (ৰাভা), ঢেঁকীয়া তু. দিংখিয়া (বৰো)/ধিংকিয়া (ৰাভা)/দুংকেক (কার্বি), দলঘাঁহ তু. দল (ৰাভা/বৰো), আৰলি/অএবালি তু. আৰলি (ৰাভা/বৰো), পুঁইশাক তু. মি ফ্রাই (ডিমাছা)/ফৰে (ৰাভা), উৰহী তু. উৰছি (ছিৱা)/গৰছি (বৰো)/গেনছি (গাৰো/কুৰছিং (ৰাভা), ভোল তু. বুল (মিছিং)/ ফীৰলা (বৰো) প্রভৃতিউদ্ভিদৰ নামৰ সৈতে থলুৱা ভাষাৰ সাদৃশ্য পূর্ণমাত্রাই বিৰাজমান। থলুৱা ভাষাসমূহৰ গঠন শৈলীৰেএই সমূহ বিশ্লেষণ কৰা নাযায় বাবে ইহঁতক সেই সেই আর্য-ভিন্ন থলুৱা ভাষাৰ ঋণাকৃত শব্দ বোলাতকৈ উমৈহতীয়া জতুৱা শব্দ বোলাহে উচিত। জনজাতীয় থলুৱা ভাষাৰ গঠনশৈলীৰ সৈতে সাদৃশ্য থকা (অনুবাদগত ধাৰ) অসমীয়া উদ্ভিদ, ফল-মূল জাতীয় শব্দ কিছুমান হ'ল— গছ (গছবিৰিণা, গছ, মাহুদি, লতা (লতা আমাৰি, লতা জৰি, লতা বৰ, লতা পনিয়ল ইত্যাদি পূর্বসর্গীয় আৰু আমৈলতা, আকাশীলতা, ভেবেলীলতা, লাজুকীলতা, টুবুকীলতা ইত্যাদি পৰসর্গীয়), টেঙা[১২] (নলটেঙা, উদ্দিটেঙা, ৰৰটিটেঙা, মিৰিকাটেঙা. চকলাটেঙা, ঔটেঙা) পকা (জেতুলিপকা, খহুলা পকা, টোলোঠাপকা, বেলিপকা), বন (বনগুটি, মাদুৰিবন, বৰচা বন), মলা (ৰঘুমলা, কঁহিমলা, ঠোটমলা), মণি (মণিছাল, মণিজৰু, মণিয়ৰি ধান, কোৱামণি, ভাটোমণি, লাতুমণি), ফুল কপৌফুল, কঠনাফুল), পাত (কৌপাত তেজপাত), আলু (মিঠা আলু, মাজ আলু, মিৰি আলু) ইত্যাদি শব্দাংশ অবিচ্ছিন্নভাৱে লগ লাগি প্রয়োগ হোৱা শব্দ।

২.২.৫ প্রাণীবাচক শব্দৰসাধনতো অসমীয়া ভাষা থলুৱা ভাষাৰ ওচৰ ঋণী। থলুৱা জনজাতীয় ভাষাসমূহৰ চৰাই-চিৰিকতিবাচক দাও/দো/তু/ছ (বড়ো ভাষাপুঞ্জ), পী/পু (মিছিং), বো (কার্বি), জীৱজন্তুবাচক দাও/দো/তু/ছ (বড়ো ভাষাপুঞ্জ), পোক-পৰুৱা বাচক জং/চং/য়ং/ছে (বড়ো ভাষাপুঞ্জ) ইত্যাদি সাধাৰণ পদযুক্ত শব্দ কিছুমানৰ অসমীয়াত পোনপোটীয়াভাৱে প্রয়োগ থকাৰ উপৰিও এই সমূহৰ গঠন-ৰীতিৰ সাদৃশ্যত কিছুমান জতুৱা শব্দৰ সাধন কৰা হৈছে। ডাউকী, ডঁৰিক তু. তিৱা ঃ তুৰিক, টুনি, টোকোৰা তু. তিৱা ঃতোক্রন, টিপচি, বটা, ভাটো, তু. বৰোঃ বাখো, ৰাভা/তিৱা ঃ বাতো, হুদু তু. কার্বিঃ

ৰ'দুদু/ বৰোঃ দাওহুদু, বাদুলি তু. বৰোঃ বাদামালি/দেউৰী : বাদুলি, শালিকা, তু. বৰোঃ দাওশ্ৰী/গাৰোঃ ছেৰু, শৰালি তু. ৰাভাঃ ছাৰালি, চকৰি তু. বড়ো : ছিখিৰি, পাকৈটোৰা, পৰ্ঘূমা তু. মিছিঃ পূৰগুম, পাৰ তু. মিছিং : পাৰ/দেউৰীঃ পাৰোঁ/ খাটি : পাৰ', মোথোন, তু. ডিমাছা : মিথাং, মেকুৰি তু. গাৰো মেংগং/ৰাভাঃ মেংকু/মিছিং : মেংকুৰি, ম'হ তু. খাচি : মইত/তিৱা : মিছ/বৰো : মীয়ছী, নাৰ তু. কাৰ্বি : নাৰ'/বৰো : নাৰৌ, নাদনি, উঁৰিকণা/ডনিকণা তু. ৰাভাঃ দিংকানা, পোনা তু. ৰাভা, পোং না, লালুকী তু. ৰাভা : নালুক, খলিহনা, চেলেকনা, মোৱা/মোঙা তু. বৰো : মাওৱা/ৰাভা : নামংনা, চেংনা/চেঙেলি, এলেং ভাঙন, তু বৰোঃ ভংগ্ৰা, মিছা/নিচলা তু. বৰোঃ নিছলা, নেৰিয়া, নেপুৰা, গঙ্গাটোপ, তু. ৰাভা : গাংটেপা /বৰো গাঙ্গাথোপা : জোক, জিলু তু. ৰাভা : জিৰু, কুমজেলুকা, জোনাই তু. ৰাভা : জিনাই, জিলী, জিঁয়া, জামৰলি তু. ৰাভাঃ ছামবুৰ ইত্যাদি শব্দ থলুৱা ভাষাৰ উপাদানেৰে পৰিপুষ্ট। ইয়াৰ বাহিৰেও আৰু কেতবোৰ সাদৃশ্যমূলক প্ৰাণীবাচক শব্দ পোৱা যায়। যেনে— হাপা তু. কাৰ্বি/ৰাভা : হাপা/বড়ো য, হাফা ডালশলীয়া তু. বৰো : ডালখোলিয়া; নিগনি তু. বৰো : এংগিনি (কামৰূপী নিংনি); গেৰেলা/হাগা গেন্দেৰা তু. বৰো : গান্দ্ৰা/ ৰাভা : গান্দ্ৰে, হলৌ তু. ৰাভা : হুলাও, ভেলেঙীপহু তু. ৰাভা ঃ ভালেঙী, সুগৰী পহু তুঃ ৰাভাঃ ছগৰা/ৱি : মছ ছত্ৰা; গড়ঁ তু. বৰো : গান্দা/ৰাভা : গান্দায়, কেৰ্কেটুৱা তু. ৰাভা : কেৰ্গতা/অষ্ট্ৰিক : কেৰ/টঁৰা, হাৰগিলা, তু. ৰড়ো ঃ হাডিডগ্লা, কনুৱা তু. কণ (আহোম, 'চৰাই) বগ/বগলী তু. বৰো : দাত্তৱ/ৰাভা ঃ বগিলা, শগুন তু. বৰো : ছিগুন /মিচিং : চগুম/ কাৰ্বি : ব্ৰ'তাকুন, মোৱা মাছ তু. বৰোঃ মৌওৱানা, কুড়িমাছ তু ৰাভা/বৰো ঃ নাকুৰ্ছা; কৌকিলা তু. বৰো ঃ নাখুংগ্লা/ৰাভা : কুংকিলানা, চন্দা তু. বৰো : ছান্দাগা / ৰাভাঃ ছান্দানা, গেদগেদী তু. কোঁচ : গাংগাগেত, গাঁগিনী তু. ৰাভা : গাংগে. গান্ধী পোক তু. ৰাভা : গানজেক, কেঁচু তু. তিৱা : কাঁইছুৰি, ৰাভা/বৰো ঃ খানছ্ৰি : চেলা তু. দেউৰীঃ চেৰা/বৰো : ছিলিমালা; চেৰেপা তু. ৰাভা: ছন্দ্ৰাপ, লেটা তু. ৰাভাঃ লাতা /তিৱা/বড়ো : লাথা; উফি তু. বৰোঃ খৰোগ-ফি ইত্যাদি। জনজাতীয় থলুৱা ভাষাৰ সাদৃশ্যত গঠন কৰা প্ৰাণীবাচক শব্দ কিছুমানৰ ভিতৰত পোক যোগ পোৱা— মোৱা পোক, হাতী পোক, মজা পোক, ভুৰপোক, শূঁৰ পোক ইত্যাদি। পৰুৱা যোগে পোৱা- গুৰ পৰুৱা, বিহ পৰুৱা, তামুলী পৰুৱা, সোণ পৰুৱা, ৰঙা পৰুৱা, নাচনী পৰুৱা, জোনাকী পৰুৱা ইত্যাদি; মাছ যোগে পোৱা— - মিছা মাছ, পুঠি মাছ, পাটী-মুতুৰা মাছ, মাখি যোগে পোৱা— ভেনামাখি, মৌ-মাখি ইত্যাদি। পহুযোগে পোৱা শৰপহু, শহাপহু, কেঁটেলা পহু, কেমটাই পহু ইত্যাদি; চৰাই যোগে পোৱা— কাম চৰাই, ম'ৰা চৰাই হালধীয়া চৰাই, বটা চৰাই ইত্যাদি উল্লেখযোগ্য।

২.২.৬ সংস্কৃতিৰ লগত জড়িত শব্দৰ ভিতৰত বিভিন্ন সাজপাৰ, বিভিন্ন খোৱা খাদ্য, বাদ্য যন্ত্ৰ, উৎসৱ-পাৰ্বন, বিভিন্ন ৰীতি-নীতি, লোক-বিশ্বাসৰ লগত জড়িত শব্দসমূহে অন্যতম। এইবিলাক শব্দ অসমৰ পটভূমিত বিভিন্ন থলুৱা সংস্কৃতিৰ সমাহৰণত গা কৰা বাবে স্বাভাৱিকতে সেই সেই ভাষা সংস্কৃতিৰ গাই

গুটিয়া অৱদান হোৱাৰ বিপৰীতে উমেহতীয়াভাৱে বিকাশ হোৱাৰ বিষয়েহে লোক সংস্কৃতিবিদ আৰু নৃতত্ত্ববিদসকলৰ ধাৰণা। উদাহৰণ স্বৰূপে অসমৰ জাতীয় উৎসৱ বিহু আৰু বিহু সংস্কৃতিৰ লগত জড়িত বিভিন্ন শব্দ যেনে— হুচৰি, মেজি বা হাৰলি ঘৰ, জেং বিহু, টকা-গগনা-পেঁপা ইত্যাদিৰ কথাকে বিবেচনা কৰিব পাৰি। বিহু শব্দৰ বুৎপত্তি ব্যাপক আৰুবহুমুখী আৰু বহুক্ষেত্ৰত লোক-বুৎপত্তি বা ভাষাগত সাদৃশ্যই ইয়াৰ মূল নিৰ্ণয়ত অন্তৰায় হিচাপে দেখা দিয়ে। আৰ্যমূলীয় 'বিষুৱ/বিষুৱন', চীনা-টাইমূলীয় 'পয়হু/পিহু /বিহু (পয় = ৰং-ধেমালি) বা বৈহু' (বৈ = পূজা, হু = গৰু), বড়োমূলীয় 'বিহু' (বি = খোজ, হী = দি)-ৰ সৈতে ইয়াৰ যেনে সাদৃশ্য আছে, তেনেকৈ ডিমাছাৰ বিচু /বুচু, দেউৰীৰ বিচু (বি = অতি + চু = আনন্দদায়ক), তিৱাৰ বিচু, চাকমা সকলৰ বিঝু, ৰাভাৰ বাইখু, সোনোৱালৰ বাইথ', বৰোৰ বৈছাগু আৰু নামনি অসমৰ বিষমা/বিছুৱা উৎসৱৰ লগতো ইয়াৰ সাদৃশ্য আছে। আচলতে উৰ্বৰা লোক বিশ্বাসৰ লগত জড়িত কৃষি উৎসৱ হিচাপেই বিশ্ব/বীছী (বসুমতী) শব্দৰ সৈতেহে সম্পৰ্কান্বিত যেনে বোধ হয়, যিটো উত্তৰ পূৰ্ব্বাঞ্চলত, বিচু বা বিহু নামেৰে জনপ্ৰিয় হৈ উঠে।[১৩] সেইদৰে হুচৰি শব্দৰ বুৎপত্তি ডিমাছা/বৰো ভাষাৰে হা 'মাটি' + চাৰ/চৰি 'ফুৰ' হাচাৰি/ হুচৰি ইত্যাদি ধৰণেৰে ব্যাখ্যা কৰিব পৰাৰ দৰে দেউৰীৰ হুৰাই ৰাঙলী/ হুচৰি, সোণোৱালৰ হাইদাং, তিৱাৰ লাই হিলালী আৰু ৰাভাৰ হৈ মাৰু গীতত সঘনাই উচ্চাৰিত আনন্দবাচক হৈ ধ্বনি হুৰে হুৰে, হীৰছীই/হীছুই, হুৰাই আদিৰ পৰাও ইয়াৰ বুৎপত্তি দেখুৱাব পৰা যায়। টাই আহোমৰ পয় ছেংনাং (গাভৰু বিহু)-এ কালক্ৰমে ছেং বিহু আৰু লোক বুৎপত্তি ঘটি জেং বিহু (গছৰ জেং পতা কাৰ্যৰ সৈতে সাদৃশ্য দেখি) হৈছে । জুইবাচক কাৰ্বিমূলীয় 'সেই' আৰু মাটিবাচক ডিমাছা কছাৰীৰ হা-উপাদানেৰে যথাক্ৰমে মেজি, হালৰি ইত্যাদি শব্দ হৈছে। তদ্ৰূপ টকা তু. বৰো : থৰ্খা, গগণা, তু. বৰোঃ গংগনা /ৰাভাঃ গমেনা/ মিছিঃ গুংগা, পেপাঁ তু. মিছিংঃ পেম্পা/ বৰো : ফেস্কা/ ৰাভা : পেঁপে আদি বাদ্যযন্ত্ৰ সেই সেই বাদ্যৰ পৰা অনুৰণিত হোৱা অনুকৰণত নামকৰণ কৰা হৈছে।

সাজ-পাৰৰ ক্ষেত্ৰত ৰিহা তু. ডিমাছাঃ ৰিছাউ/ৰিছা (ৰি = কাপোৰ) ক, চেলেং তু. কাৰ্বি পেচেলেং, টঙালি তু. দেউৰী : টঙা, গামোছা তু. বৰো : গামছা (গান = পিন্ধা)/কাৰ্বিঃ ক্ৰামছা, হাঁচতি, এঙ্গা, ফটুৰৈ ইত্যাদি কানি-কাপোৰ আৰু ইয়াৰ লগত জড়িত মুগা তু. ডিমাছাঃ মুগা, মজাঙ্কৰী, গোমছেং, ৰেচম তু. তিৱাঃ ৰচম/ খাচিঃ ৰুচম, জিম (মিৰি জিম), কিংখাপ, এৰি কুবেৰোঃ এণ্ডা /এণ্ডি ইত্যাদি শব্দ বিশেষকৈ তিৰ্ব্বত ধৰ্মীয় বড়ো আৰু চীনা-টাইমূলীয় আহোম ভাষাৰ মাজেদি অসমীয়াই লাভ কৰিছে। সেইদৰে থলুৱা আ-অলংকাৰৰ প্ৰায়বোৰে আহোম মূলীয়— কেৰু (লংকেৰু, জাংফা কেৰু), বিৰি জোনবিৰি, ঢোলবিৰি, বিৰি), গেজেৰা, মাদুলি তু. কাৰ্বিঃ মান্দুলি, খাৰু /গাম খাৰু, তু. ডিমাছাঃ খাড়ু, ডুগডুগি, বানা/বেনা ইত্যাদি। থলুৱা ব্যঞ্জন বা খাদ্যবস্তুৰ ভিতৰত প্ৰায়বোৰ থলুৱা ভাষাৰ পোনপটীয়া অনুবাদ বা সেই ভাষাৰ সাদৃশ্যত গঢ়া— খাৰলি/খাৰধি তু. বৰো : খাৰদৈ /ৰাভা খাৰচি, কাঁহুদি < কৈঁহা+বৰো : খাৰদৈ, খৰিচা (কা/শুকান/জিম), শোকোতা, শুকটি (মাছ), পাতত দিয়া, চুঙাত দিয়া,

খৰিকাত দিয়া, পিটিকা, বানপিঠা তু. ৰাভা ঃ বাম/তিৱা ঃ ৱান ('পিঠাগুৰি'), বৰা তু. বৰো ঃ মাইদি বৰা ('অধিক মাৰ যুক্ত'), জহা তু. ডিমাছা / বৰো ঃ জাছা/জছা, বোকা (চাউল) তু. বৰো ঃ বৰ্খা মাই ('স্বয়সিদ্ধ'), আৰৈ (চাউল) তু. বৰো/ৰাভা ঃ আলোৱা, এৱা (গাখীৰ) তু. বৰো ঃ আৱা, ফতিকা, তু. বৰো ঃ ফিথিখা ইত্যাদি। অন্যান্য লোক-বিশ্বাসৰ লগত জড়িত শব্দৰ ভিতৰত— বুঢ়া-ডাঙৰীয়া, বুঢ়া গোঁহাই তু. দেউৰী ঃ গিৰাচি/ বৰো ঃ ছিবৌৰাই/ৰাভা ঃ বুদাবা, বুঢ়ীগোসানী তু. দেউৰী ঃ পিচাছি দেমা/ বৰো ঃ ছিবুৰি / ভলী বুৰি, বীৰা, চামোন, বাক, খোবা-খুবী, মুই (বাঘ-মুই) তু. ৰাভা ঃ মু'ত্রি বু, মোৰ (বাঘ মোৰে ধৰ, তিতামুৰীয়া, টেঙামুৰি) তু. ৰাভা ঃ বুখি/ বৰো ঃ উখৈ (খি/খৈ = টেঙা), কুবেৰ তু. খুবিৰ ব্ৰুই (বৰো), খেতৰ, মহহৌ, পৰুৱা (পৰুৱাই পোৱা), যখ-যখিনী, ডাইনী তু. বৰো ডায়না, দেওধনি/দেওধা, তু. বৰো দৈদিনি, দেও তু. বৰো ঃ মৌদাই/ দেউৰী ঃ মিদে/ গাৰো ঃ মি'ত্তি ইত্যাদি থলুৱা দেৱ-দেৱী আৰু ৰোগ-ব্যাধি আদি অসমীয়াকৰণ (আৰ্যীকৰণ) কৰা বুলি সহজে ধাৰণা কৰিব পাৰি।

ঘৰ-বাৰী নিৰ্মাণৰ লগত জড়িত শব্দসমূহৰ ভিতৰত— চাং তু. গাৰো ঃ মাচাং/ৰাভা ঃ চাংগ্রা, নঙলা তু. বৰো ঃ ন'ংগ্লা, ঢাপ, জেওৰা, বেৰ তু. ডিমাছা/ দেউৰী ঃ বাৰি, ৰুৱা, মাৰলি, জখলা তু. বৰো ঃ জাগ্লা/ ৰাভা ঃ জা'ংগ্লা, টঙ তু. মিছিং ঃ তঙি ইত্যাদিৰ থলুৱা ভাষাৰ সৈতে সাদৃশ্য আছে।

২.২.৭ দৈনন্দিন ব্যৱহাৰ্য সা-সজুলিৰ ভিতৰত (ক) খেতি-বাতি, (খ) তাঁতশাল, (গ) মাছ মৰা/চিকাৰ কৰা, (ঘ) অস্ত্ৰ-শস্ত্ৰ, (ঙ) পাত্ৰ আৰু বাচন-বৰ্তন, (চ) ঘৰ গৃহস্থালি— এই আটাইকেইটা শ্ৰেণীৰে জনজাতীয় ভাষাৰ আধাৰত অসমীয়াত ব্যৱহৃত হোৱা জতুৱা শব্দ পোৱা গৈছে।

উদাহৰণ—

(ক) মৈ তু. বৰো ঃ মৌই, মৈটকা, জবকা তু. গাৰো ঃ জংক্ৰেবক/ মিছিং ঃ জবকাং, ওখন তু. বৰো উখুনি<ঔৱা 'বাঁহ' + আঙিখনি 'আঁখি', বাঁওকা তু. ৰাভা ঃ বাংকোৱা, হোলোঙা তু. গোৱালপৰীয়া ঃ হুলাবাৰি (বাৰি = বাঁহৰ মাৰি), বিৰিয়া, এছাৰি, হেঙাৰ/হাংগাৰ, হেদালি, ৰযুনা ইত্যাদি।

(খ) মাকো তু. বৰো ঃ মাখু, মহুৰা তু. বৰো ঃ মুছ্ৰা, উঘা, লেটাই তু. বৰো ঃ নাথা / ৰাভা ঃ নাতা, ৰাচ তু. বৰো ঃ ৰাছৌ, টাকুৰি তু. বৰো ঃ থাখৰি/ কাৰ্বি ঃ টাকুৰি, পুতল, তু. বৰো ঃ ফুথল, গৰকা তু. বৰো ঃ গৰখা, ছিৰি তু. বৰো ঃ ছিউৰি ইত্যাদি।

(গ) জাকৈ/জকাই তু. বৰো ঃ জেখাই/ হাজং ঃ জাখা, খালৈ তু. বৰো ঃ খোবায়/ হাজং ঃ খোলায়, খোকা, কুক, চেপা, ডিঙৰা, বান, জুলুকি, পল তু. বৰো ঃ ফল, জুঁতি তু. ৰাভা ঃ জুন্থি, টোকোন তু. মিছিং ঃ তুকুন / বৰো ঃ গন, চিপ, টোপ, জোং, টাঙোন তু. ৰাভা ঃ টাংগন, হাঁকুটি তু. ৰাভা ঃ হামগোটা / বৰো ঃ হাংথা, বাটলু তু. কাৰ্বি ঃ বাপথেলি/ ৰাভা ঃ ভাতুল, ফান্দ তু. কাৰ্বি ঃ ফাম ইত্যাদি।

(ঘ) খণ্ডা/খণ্ডি তু. মিছিং ঃ কন্তি/টাইতুৰুং ঃ খ, কোৰ তু. কাৰ্বি ঃ কু/ টাই খামতি ঃ খ', কুঠাৰ, টোকোন তু. ৰাভা ঃ কনদাম/ বৰো ঃ গন, কটাৰী তু.

খাটি : কা-তাৰি /কাৰ্বি : তাৰিছ' / ডিমাছা : গাটাৰী/ৰাভা : কাট্ৰাই/ দেউৰী : কাতাই, কাচি তু. ৰাভা : কাছি/ বৰো : খাছি, হিলৈ তু. ৰাভা/বৰো/তিৱাগাৰো : ছিলাই/খাটি : ছুলই, দা তু. আহোম : দা ইত্যাদি।

(ঙ) চুঙা তু. তিৱা : তিচুঙ্গা/ বৰো : হাছুং:, দোন তু. কাৰ্বি/ ৰাভা : তোন, ডুকি তু. ৰাভা : দোকা, ডলা তু. ডিমাছা : ডালা, ডুলি, হাৰি তু. বড়োমূলীয় হা 'মাটি', চৰু, চিলিম তু. ৰাভা : চিলাম, টৌ তু. বৰো : দৌ, খোলা, টেকেলি, তু. মিছিং : তেকেলি/কাৰ্বি : তেবুক/ ৰাভা : তিক্রি/ তিৱা : থুক্রি/ গাৰো : দি'ক, বান (বানবাটি, বান কাঁহী, বানমলা), বেৰা কাঁহী তু. ডিমাছা : বেলা, ব'টা তু. কাৰ্বি : বাতা/ বৰো : বাম্বা/ খাছি : ব্যাস্ত্র, ডাবৰ<বৰো : ডাবৰ/তিৱা : ডাবৰ ইত্যাদি।

(চ) ঢৰা (চক ঢৰা, মেৰ ঢৰা) ঢাৰি তু. ৰাভা : দামধাৰা, জাপি (সৰুদৈয়া, বৰদৈয়া, তু. দৈ 'মিহিতৰালী) < √জাপ তু. বৰো : জাৰ, জপা তু. ডিমাছা : খাওজেপ, খাং তু. কাৰ্বি : খাংগ্ৰা, হোবা তু. তিৱা : খোবাৰ/ মিছিং : হোৰা, জোলোঙা তু. ৰাভা : ঝোলাগা, খোদা<বৰো : খাদা, খোকাউৰি, খৰাহি তু. তিব্বত-বৰ্মীয় খো 'পাচি জাতীয়', পাচি তু. ৰাভা : পানচি/ কাৰ্বি : পিচি/ তিৱা : ফাচ', ডুখবি (পীৰা) তু. তিৱা : তোখ্ৰা ইত্যাদি।

৩.১০ অসমীয়া ভাষাত সম্বন্ধবাচক শব্দ— উৎসৰ ফালৰ পৰাও দুবিধ আৰু গঠনৰ ফালৰ পৰাও দুবিধ। সংস্কৃতমূলীয় আৰু আৰ্য-ভিন্নমূলীয়- এই দুবিধ শব্দ অসমীয়াত সম্বন্ধবাচক-নিৰ্দিষ্টবাচক প্ৰত্যয়ৰ লগত যেনেকৈ অভিন্নভাৱে প্ৰয়োগ হয় তেনেকৈ সৰু/ডাঙৰ বা পুং/স্ত্ৰীবাচক শব্দ যোগেও সেই সেই অৰ্থত প্ৰয়োগ হয়। এই উভয়প্ৰকাৰৰ বৈশিষ্ট্য অসমীয়াই থলুৱা ভাষাৰ মাজেদি লাভ কৰিছে। তুলনামূলকভাৱে উজনি অসমত আহোমমূলীয় আৰু নামনি অসমত বড়োমূলীয় সম্বন্ধবাচক শব্দৰ উপভাষাগত প্ৰয়োগ আছে।১৪ তলত দুটা এটা সাদৃশ্যমূলক জতুৱা সম্বন্ধবাচক শব্দৰ উদাহৰণ দিয়া হ'ল।

ডাঙৰ/সৰু জা (নামনি অসম : জাও) তু. বাই/ভনী চাও (আহোম), গেদেত/ উদৈ বিজাওজালী (বৰো, জ্বাওজিব্ৰা চুংকায়/ম্যুল্‌কায় (ৰাভা);

- ন-বৌ (নামনি অসম : বৌ) তু. বাঁজৈ (বৰো), বোবাউজি (ডিমাছা), পাউজি (তিৱা), বোচি (গাৰো), বুজি (ৰাভা);
- বাই (নামনি অসম : বৈণী) তু. পাই (তিবা), বাঁই (কোচ), আবো (বৰো), বাই-বে (দেউৰী), বিবি (ৰাভা);
- ককাই (নামনি অসম : দাদা/কাকা) তু. কাই (দেউৰী), আকাই (কোঁচ, আদা (বৰো/গাৰো/ডিমাছা), দাদা (ৰাভা);
- আই (কামৰূপী : মাই) তু. আয়' (বৰো), আয়া (ৰাভা), য়ো (দেউৰী), আমা (গাৰো);
- আমৈ (গোৱালপৰীয়া : মাৱাই) তু. আমায় (কোচ= 'মা'), আনৈ (বৰো= 'মামী/পেহী'), আনৈ (মিছিং='খুৰী/মাহী');
- লগৰী, লগৰীয়া (নামনি অসম : লগ) তু. লি'গা (ৰাভা/কোচ), বিলাঁগী (বৰো)।

৪.১০ অসমীয়াত এনে কিছুমান বিশেষণ শব্দ পোৱা গৈছে যাৰ মূল সংস্কৃত বা অন্য সমমূলীয় ভাষাত পোৱা নাযায় অথচ অসমৰ চৌপাশে থকা থলুৱা ভাষা সমূহত সন্ধানিকৈ ইয়াৰ প্ৰয়োগ পোৱা যায়। তেনে কিছুমান বিশেষণ শব্দ নিসন্দেহে থলুৱা ভাষাৰ পৰা বিভিন্ন প্ৰক্ৰিয়াৰে আহৰিত হোৱা; যাক পোনপটীয়াকৈ ঋণকৃত শব্দ বোলা নাযায়। তলত এনে উমৈহতীয়া উপাদানগুণ বিশিষ্ট বিশেষণ শব্দৰ তালিকা দিয়া হ'ল।

বৰলা তু. বালন্দা (বৰো), বান্দলা (ডিমাছা), পালুন্দা (তিৱা), বান্দ্ৰা/লাৰা (ৰাভা),লড/লাডা (চিংফৌ), বগু (চাওতালী);

বঁৰী তু. বান্দ্ৰী/লাবী (ৰাভা), পালুন্দী (তিৱা), ৰান্দী (গাৰো/বৰো), আড়ী (ৰাজবংশী), ৰাণ্ডী/ৰানডী (মুণ্ডা);

ডেকা (ডেকেৰী, ডেকেৰুৱা, ডেকা), তু. ডেকাগু (দেউৰী), ডে ফাণ্ডে (গাৰো তু. ডোক 'শিশু'); ডেকেৰা (ৰাজবংশী);

চেং (চেঙ্গেৰা, চেঙেলীয়া, চেমনীয়া, চেঙ্গা মাছ) তু. ছেংগ্ৰা (বৰো), ছিংক্ৰা (চিংপৌ), ছেড়া (হাজং), চালাং (ৰাভা = উদণ্ডীয়া গৰু');

চেঁউৰী, চেঙেলী (মাছ) তু. ছেংৰী (ৰাজবংশী='গাভৰু'), ছেড়ী (হাজং= 'গাভৰু');

ছোৱালী (ছৱাল/ছাৱা/ছুলি=সন্তান) তু. তিব্বত-বৰ্মীয় মূলৰ ছা 'সন্তান' যেনে- - ফিছা (গাৰো), ছাব্ৰা (ৰাভা), ছ'প' (কাৰ্বি= 'পুত্ৰ সন্তান'), ছ'পী/ছ'আৰল' (কাৰ্বি=কন্যা সন্তন');

আজল (আজল মঠ, অজলা, আজলী) তু. জল্লা (ৰাভা), জাৰা (গাৰো) জাব্‌লা (ডিমাছা), জাম্বা (বৰো);

ডাং (ডাঙৰ, ডাঙৰি, ডাঙৰীয়া, ডাংবৰলা, ডঙুৱা, ডাংকোপ, ওফাইডাং) তু. ডাংৰা/ডাংৰী ((গোৱালপৰীয়া পৰ প্ৰত্যয় যেনে নাকডাংৰা চেপেটা নাকা, নাকডাংৰী 'চেপেটা নাকী')

ডাং- (গোৱালপৰীয়া পূৰ্ব প্ৰত্যয় যেনে- ডাংঘৰ 'বৰঘৰ') < দেঁ (দেউৰী)/ দেৰ (বৰো)/ দাল (গাৰো) + চুং (ৰাভা) / য়ুং (ডিমাছা)। তিব্বত বৰ্মীয় ভাষাৰ সংস্পৰ্শ বিকাৰ ঘটি উৎপত্তি হোৱা ডাং শব্দমূলৰ লগত বৰো গ্ৰা/গ্ৰি প্ৰত্যয় লগ লাগি ডাংগ্ৰা>ডাঙাৰ>ডাঙৰ আৰু স্ত্ৰীলিঙ্গত ডাঙৰি (অৰ্থ সংকোচ ঘটি কেৱল ধানৰ ডাঙৰকৈ বন্ধা বোজা অৰ্থত) শব্দৰ ব্যুৎপত্তি হৈছে। কিয়নো বড়োমূলীয় ভাষাতো এনেধৰণৰ সমাৰ্থক শব্দৰ প্ৰয়োগ আছে। যেনে— দাংগ্ৰি (বৰো/ ৰাভা=ডাঙৰি), দাঙা নাথা (বৰো=ডাঙৰ বিধৰ লেটাই), মচো ডাংগুনা (ৰাভা= ডাঙৰ নিগনি অৰ্থাৎ ডালশলীয়া), চুৰ্খি ডালেঙা (ৰাভা= ডাঙৰ চেৰেকী), গেদেবা (ডিমাছা=ডাঙৰ), গেদেমা (ডিমাছা=ডাঙৰীয়া), দালখোলিয়া (বৰো=ডালশলীয়া), ডালগিপা (গাৰো=শ্ৰেষ্ঠ) ইত্যাদি। এইফালৰপৰা বিবেচনা কৰিলে অসমীয়া ডালশলীয়া, ডালডঙুৱা, ডালদৰিদ্ৰ আদিৰ ডাল-পূৰ্ব প্ৰত্যয়টো বড়োমূলীয় যেন বোধ হয়। তদ্ৰূপ অসমীয়া ডাং, ডাঁৰিকি, ডাঁৰ, ডাকুৰ আদি ইয়াৰে সজাতীয় শব্দ; কাৰণ অধঃস্তৰ পৰ্য্যায়ত ডাংবাৰি/ডাংছাৰি/ডাহাৰি, ডাংকুৰা ইত্যাদি শব্দৰ জনজাতীয় লোকৰ কথিত অসমীয়াত প্ৰয়োগ আছে।

কিছুমান জতুৱা বিশেষণ শব্দৰ কেৱল এটা বা দুটা থলুৱা ভাষাতহে মিল পোৱা গৈছে। তেনে কিছুমান শব্দৰ ভিতৰত—অঁকৰা/আঁকৰী/আকোৰগোজ তু. ওগ্রা (ডিমাছা/বৰো/অগ্রং (ৰাভা), এলাইজাবৰী তু. আলাইজাব্রা (বৰো), আবৰ তু. আবীৰ (বৰো), হেবাং তু. হাবাং (বৰো), হজুৱা তু. হাজুৱা (বৰো)/ হজিয়া (দেউৰী), জহৰা তু. জহৰা (বৰো), ঠগ/টুটকীয়া তু. ঠাডোক/ঠাডোকিয়া (তিৱা)/ জিংঠক (খাচি), পোলোঙা তু. পুলুঙ্গা (দেউৰী)/প্লোঙা (তিৱা)/প্রেঙা (ৰাভা), চেচুক তু. চিজেম্‌জেম (ডিমাছা)/ছি'ম্‌চেক (ৰাভা), গোটা তু. গোটা (ৰাভা), লেহেম তু. লেনাই (ডিমাছা), এৱা তু. আওৱা (বৰো), কোঙা তু. খোংগা (বৰো), টেঁটোন তু. ঠেঙোন (বৰো)/ টেণ্টন (ৰাভা) চেলেপু তু. ডিমাছা : শ্লাই 'জিভা', সৰু তু. চুৰুই (দেউৰী), চুটি তু. চ্চুতুগা (দেউৰী)/চংতেতে (ডিমাছা), চমু তু ছুমু (তিৱা = চুটি), ওছৰ তু. অচৰ (তিৱা), উদং তু. উদাং (বৰো), কেঁকোৰা তু. খেংখ্রা (বৰো), বেঙা তু. বেংগা (বৰো)— এই কেইটাৰ নাম থাউকতে ল'ব পাৰি)।

৪.২০ বিশেষণ আৰু ক্রিয়া-বিশেষণৰ দৰে প্রয়োগ হোৱা ধ্বন্যাত্মক মূলীয় শব্দ সমূহৰ প্রায়বোৰৰে বিশেষকৈ গঠনগতভাৱে থলুৱা ভাষাসমূহৰ সৈতে সাদৃশ্য আছে।১৫ এইবিলাক পূর্ণ দ্বিৰুক্তি বা আংশিক দ্বিৰুক্তি বাচক শব্দ যদিও অসমীয়াৰ বিপৰীতে থলুৱা ভাষাসমূহত ইবিলাকৰ অকলেও প্রয়োগ হ'ব পাৰে। সেয়েহে বহু ক্ষেত্রত অর্থহীন এটা শব্দৰ লগত যুৰীয়াভাৱে প্রয়োগ হোৱা অনুৰূপ শব্দ আৰু ধ্বন্যাত্মক শব্দৰ মাজত প্রভেদ বিচাৰি উলিওৱাটো টান।

৫.১০ তুলনামূলভাবে অসমীয়াত সংস্কৃতমূলীয় ধাতুৰ সংখ্যাই বেছি। তথাপিও থলুৱা ভাষাৰ সৈতে সাদৃশ্য থকা ধাতুৰ সংখ্যা একেবাৰে নথকা নহয়। যেনে— চেলেক্ তু. শ্লাই (ডিমাছা)/ছেলেক (ৰাভা), গচক তু. গাচেক (ডিমাছা)/ গাগছুক (ৰাভা), চাপ্ তু. চাপি (দেউৰী)/চাপ (ৰাভা), জাপ্ তু. জাব্ (বৰো)/ জেপ্ (ৰাবা), (চপ্ তু. চিপ্ (গাৰো)/চেপ্ (ৰাভা), গোঁজ তু. গোজা (গাৰো), গোঁৰা তু. গোৰায় (বৰো), ওমল তু. ওম্‌লে (তিৱা)/মালাউবা (ডিমাছা), সেমেক্ তু. ছি'মচেক (ৰাভা), খোল তু. খুৰু (ডিমাছা), চাঁচ তু. চন্‌চি (ডিমাছা)/চান্‌চ্চায় (ৰাভা), নুৰিয়া তু. নোৰা (তিৱা), আওঁট তু. আওতায় (ৰাভা)/ আওথায় (বৰো), চান্দ তু. চান্দি (গাৰো)/চান্দায় (ৰাভা), হামিয়া তু. হাংমাচিক (ডিমাছা), ৰমলিয়া তু. ৰমলা (নগা) ইত্যাদি। তদ্রূপ থলামুৰি মাৰ, খাম বান্ধ, গবা মাৰ, বিৰ দি আদি যৌগিক ক্রিয়াৰ গঠনতো বড়োমূলীয় ভাষাৰ অৱদান আছে।১৬

৬.১০ অসমীয়াত এনে বহুতো পৰসর্গ বা অনুপদ পোৱা গৈছে যি নির্দেশবাচক সর্বনাম বাসংখ্যাবাচক শব্দৰ পিছত শ্রেণী নির্দেশকৰ দৰে প্রয়োগ হয়। অথচ এইবিলাকৰ মূল সংস্কৃত ভাষাত পোৱা নাযায়। সেইদৰে অসমীয়াৰ কাৰক বিভক্তি আৰু ক্রিয়া-বিভক্তিৰ পিছত লগ লগা স্বার্থিক প্রত্যয়ৰ বহু কেইটাৰে থলুৱা ভাষাৰ সৈতেহে সাদৃশ্য আছে। অব্যয়ৰ দৰে প্রয়োগ হোৱা ৰূপৰ সাদৃশ্যও থলুৱা ভাষাসমূহত পোৱা গৈছে। উদাহৰণ :

(ক) শ্রেণী নির্দেশক পৰসর্গ : মখা তু. মাখা (বৰো), ছোপা তু. ছুবা (বৰো), আখি তু. আখা (বৰো/ৰাভা), আঠি তু. আঠি (বৰো), বোজা তু. বোজা

(ৰাভা)/পোজ্ঞা (ককবৰক), ফাল তু. ফালা (ৰাভা)/ ফাৰ (বৰো), পাক তু. পাক (ৰাভা), ঠাই তু. থায় (তিৱা/ৰাভা), ফেৰি/ফেৰা তু. ফেৰ (ৰাভা)/ফিৰি (তিৱা), গছি তু. গুছি (দেউৰী), জাক তু. জাক (মিছিং), জুম তু. জুউম (মিছিং), গোট তু. গোটা (ৰাভা), জাউৰি তু. জাঁৱৌৰ (বৰো) ইত্যাদি।

(খ) স্বার্থিক প্রত্যয় : -হে তু. -ছে (ৰাভা) /ছৌ (বৰো), –বা তু. –বা (ৰাভা/গাৰো)/-বৌ (বৰো), -দেই/দে তু. -সে/-দাই (বৰো/ৰাভা), -চোন তু. -ছোং (ৰাভা), -নো তু. নৌ (বৰো) ইত্যাদি।

(গ) অব্যয় : আকৌ তু. এগৌ (মিছিং)/নাকৌ (খাছি), আৰু তু. আৰো (ৰাভা/আৰৌ (বৰো), বাৰু তু. বাৰু (কার্বি) ইত্যাদি।

এইদৰে অন্যান্য ভাববাচক প্রত্যয়, সম্বোধনবোধক প্রত্যয় আৰু জীৱ-জন্তুক খোদ-মেলা কৰোঁতে ব্যৱহৃত হোৱা শব্দাংশৰো মিল পোৱা গৈছে।

ইয়াৰউপৰি অসমীয়াত সর্বনামীয় ক্রিয়া-বিশেষণ শব্দত প্রয়োগ হোৱা -কা/-কীয়া/-কুৱা পৰসর্গৰ অনুৰূপ প্রয়োগ থলুৱা ভাষাসমূহতো আছে। যেনে : লা (এই) + কিয়া>লাকিয়া 'এনেকুৱা' তু. (এই) লেখিয়া, দা (কি)+কিয়া >দাকিয়া (কেনেকুৱা) আদি শব্দত দেউৰি ভাষাত 'কিয়া'ৰ প্রয়োগ আছে। অসমীয়া 'একা' (অব্যয়)ৰ সাদৃশ্যত তিৱা : হেকা 'এনেকুৱা, ৰাভা : একা 'এনে', ওকা 'তেনে' আদি 'কা'যুক্ত সর্বনামৰ প্রয়োগ আছে। নাইকীয়া তু. প্রাচীন অসমীয়া নাইকা আদি শব্দৰ -কা/-কীয়া প্রত্যয় এই থলুৱা ভাষাৰ সাদৃশ্যত গঢ়া। তদ্রূপ এতেকে তু. ডিমাছা : 'এ দেহে', কেনেদৰে তু. গাৰো : বা-দাকে/ৰাভা : বে খাৰে ইত্যাদিৰ সাদৃশ্য মন কৰিবলগীয়া।

৭.১০ জতুৱা ঠাঁচ-খণ্ডবাক্যই হ'ল কোনো এটা ভাষাৰ একান্ত নিজা বস্তু যাক ভাষাটোৰ কালিকা বোলা হয়। সেয়েহে যিমানেই সি ওচৰসম্পৰ্কীয় মূলৰ নহওক কিয়া দুটা ভাষাৰ জতুৱা ঠাঁচৰ মিল কাচিৎহে পোৱা যায়। কিন্তু উত্তৰ-পূর্বাঞ্চলত গঢ়ি উঠা ভাষাগত ক্ষেত্ৰখনত বিষমূলীয় ভাষাসমূহৰ সৈতে অসমীয়াৰ এনে জতুৱা ঠাঁচৰ যথেষ্ট মিল পোৱা গৈছে১৭ উমৈহতীয়া জতুৱা ঠাঁচক তিনিটা প্রধান ভাগত শ্রেণীভূক্ত কৰিব পাৰি–

(ক) শব্দগত গাঁথনি একে আৰু অৰ্থও একে, (খ) শব্দগত গাৰ্থনি কিছু বেলেগ কিন্তু অৰ্থ একে আৰু(গ) শব্দগত গাঁথনি একে অথচ অৰ্থ কিছু বেলেগ। উদাহৰণ–

(ক) হাত দীঘল তু. আখাই গীলাও (বৰো) 'ক্ষমতাশালী';
মুখ লাগ্ তু. খুগা নাং (বৰো) 'অভিশাপ লাগ';
পানী কৰ্ তু. চিকা চাং (ৰাভা)/দৈজা (বৰো) 'নষ্ট কৰ';
খাই পাত ফলা তু. জানানৈ লাই বিছিগ্রা (বৰো) 'উপকাৰীৰ শলাগ নল';
পেট চল্ তু. বক ৰেং (ৰাভা) 'পনীয়া শৌচ হ';

(খ) হাত ল্ তু. তাছিৰোৱা (ৰাভা = হাত দীঘল) 'চোৰ স্বভাৱৰ';
পেট চল তু. উদৈ লাৰি (বৰো = পেট লৰ) 'পনীয়া শৌচ হ' ;
চকুৰে সৰিয়হ ফুল দেখ্ তু. মেগনজীং চাংগ্রেমা নু (বৰো = চকুৰে

জোনালী পৰুৱা দেখ) 'বৰ ভয় খা';

মনদি তু. তি'কাম ৰাখু (ৰাবা=মূৰ দি) 'মনযোগ দি';

(গ) চকু মুদ 'মৃত্যু হ' তু. মেগন খেৰ (বৰো) 'পছন্দ কৰ'

চকু পিৰিক্ পাৰাক্ কৰ্ 'অসৎ উদ্দেশ্যেৰে চা' তু. মেগন মীগ্ৰেব (বৰো) 'হিংসা কৰ';

হাত দীঘল 'ক্ষমতাশালী' তু. তাছি ৰোবা (ৰাভা), 'চোৰ স্বভাৱৰ' ইত্যাদি।

৮.০০ পৃথিবীত বোধহয় এনে কোনো বিষমমূলীয় ভাষা-পৰিয়ালৰ দুটা ভাষা নাই য'ত আৰ্য ভাৰতীয় অসমীয়া আৰু তিব্বত-বৰ্মীয় জনজাতীয় ভাষাসমূহৰ মাজত থকাৰ দৰে ইমান মিল পোৱা যায়। উত্তৰ-পূৰ্বাঞ্চল যে এক উপভাষাগত ক্ষেত্ৰ আৰু ইয়াৰ মানুহৰ মনঃস্তত্ব আৰু ব্যৱহাৰিক জ্ঞান যে উমৈহতীয়া উপাদানেৰে পৰিপুষ্ট ভাষাতত্ত্বৰ এই লানি আলোচনাত এইটো স্পষ্ট। অসমীয়া সংস্কৃতিৰ দৰে অসমীয়া ভাষাটোও যে সমন্বয়ৰ মাজেদিয়ে বিকাশ আৰু সমৃদ্ধি হৈছে এয়া নিসন্দেহ।

---

১. অন্যান্য নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ নিচিনাকৈ অসমীয়াতো ড০ কাকতিয়ে টাৰ্ণাৰে কৰা শব্দৰ ছয় প্ৰকাৰৰ শ্ৰেণীবিভাগকে মানি লৈছে। সেইসমহু হ'ল— (ক) মধ্য ভাৰতীয় আৰ্যভাষা স্তৰৰ মাজেদি বিকাশপ্ৰাপ্ত সংস্কৃতমূলীয় শব্দ (তদ্ভৱ), (খ) অন্যান্য নব্য ভাৰতীয় আৰ্য ভাষাৰে সৈতে সাদৃশ্য থকা শব্দ (দেশ্য), (গ) অন্যান্য নব্য ভাৰতীয় আৰ্য ভাষাৰ পৰা ধাৰ কৰা শব্দ, (ঘ) আৰ্য-ভিন্ন শব্দ (ঙ) ইংৰাজী আৰু অন্যান্য ইউৰোপীয় ভাষাৰ শব্দ আৰু (চ) মূলৰ অবিকল বা মূলৰ পৰা কিছু ফালৰি কটা শব্দ (তৎসম আৰু অৰ্দ্ধ তৎসম)। দ্ৰষ্টব্য : Assamese . Its formation and development, sec. 40

২. এই প্ৰসঙ্গত ড০ বিৰিঞ্চি কুমাৰ বৰুৱাই দিয়া 'দেশজ' বা 'দেশী' শব্দৰ সংজ্ঞা মন কৰিবলগীয়া— "প্ৰদেশত প্ৰচলিত অথচ সংস্কৃত বা প্ৰাকৃত আৰু বিদেশী ভাষাৰ পৰা যিবোৰ শব্দ অহা নাই, সাধাৰণতে তাক দেশী বা দেশজ শব্দ বোলা হয়।" (অ.ভা.স. ১৯৬৩, পৃ-১৬) ভাষাবিদ কালিৰাম মেধিয়েও অনুৰূপ সংজ্ঞাকে আগবঢ়াইছে। (দ্ৰষ্টব্য : অ. ব্যা. ভা. ছেদ-২১০, পৃ. ১০৯)

৩. ড০ বাণীকান্ত কাকতিয়েও কথিত অসমীয়াত অৰ্থাৎ উপভাষা স্তৰত প্ৰাধান্য পোৱা সংস্কৃতৰ তদ্ভৱ ৰূপ সমূহক 'থলুৱা জতুৱা শব্দ' (homely indigenous words) বুলি এঠাইত ইংগিত দি গৈছে। (A F.D Sec 41) অসমীয়া শব্দৰ শ্ৰেণীবিভাগ সম্দৰ্ভত ড০ ফনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱাই স্থানান্তৰত এই জাতীয় জতুৱা শব্দৰ বিস্তৃত উদাহৰণসহ অনুপুংখ আলোচনা কৰিছে। দ্ৰষ্টব্য : A Reference Grammar of Assamese (an unpublished monograph, under Japanese Project of G.H.L., 1994, Sec. 6 1 (vii).

৪. এই সম্দৰ্ভত ড০ দত্তবৰুৱাৰ শ্ৰেণী বিভাগ মনকৰিবলগীয়া ; তেওঁৰ মতে অসমীয়া জতুৱা শব্দৰ ভাগ তিনিটা— (a) content words (আধাৰ গ্ৰন্থ), (b) onomatopoetic words (i) Echo words (ধ্বন্যাত্মক শব্দ), (ii) Reduplication of non-roots (দ্বিৰুক্তি) আৰু (iii) folk etymology (লোকব্যুৎপত্তি। প্ৰাগুক্ত, ছে ৬.১

৫. ড০ বিৰিঞ্চি কুমাৰ বৰুৱাই এই শ্ৰেণীৰ শব্দক Translated compound সমাৰ্থক যুগ্ম শব্দ বুলিছে (অ.ভা.স. পৃ. ৪৬)। এই শ্ৰেণীৰ শব্দ সাধাৰণতে এটা সংস্কৃতমূলীয় আৰু আনটো

থলুৱা ভাষাৰ হয়।

৬. দ্ৰষ্টব্য : (ক) ড০উপেন্দ্ৰ নাথ গোস্বামী, অসমীয়া ভাষাৰ ব্যাকৰণ, ১৯৮৯, ছেদ ৬৬-৬৭।

(খ) ড০ গোলক চন্দ্ৰ গোস্বামী, Structure of Assamese, 1982, Sec. 8.24 গোস্বামীদ্বয়ৰ শ্ৰেণীবিভাগত কিছু মতানৈক্য আছে যাৰে ইয়াত দুয়োটাৰ সন্মিল-মিলত কিছু নতুনকৈ শ্ৰেণী-বিভাগ কৰা হৈছে।

৭. অৱশ্যে ইয়াৰে বেছিভাগে অন্যান্য থলুৱা জনজাতীয় তিৰ্বত-বৰ্মীয় ভাষাৰ গঠন ৰীতিৰ আৰ্হিৰ সৈতে মিল থকা যাবে কোনো কোনো পণ্ডিতে ইহঁতক আৰ্য-ভিন্ন শব্দৰ শাৰীতে পেলাব বিচাৰে।

দ্ৰষ্টব্য : ক) কালিৰাম মেধি, অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব, ১৯৩৬, ছেদ ২১০, ২২৯, ৩৪০, ৩৪৩

খ) ড০ বাণীকান্ত কাকতি, Assamese : Its fromation and Development, 1987, Sec. 48-81

গ) ড০ বিৰিঞ্চি কুমাৰ বৰুৱা, অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৬৩, পৃ. ১৬–১৭।

৮. এওঁলোকৰ ভিতৰত ড০ বিৰিঞ্চি কুমাৰ বৰুৱা অন্যতম। তেওঁৰ মতে "অন্য গোষ্ঠীৰ ভাষাৰ পৰা বিশেষ্য, বিশেষণ, ক্ৰিয়া আদিৰ সম্পূৰ্ণ ৰূপ ধাৰ কৰাহে ভাষাৰ সাধাৰণ ৰীতি। কিন্তু ওপৰৰঅনাৰ্য ভাষাসমূহৰ পৰা আৰ্য অসমীয়া ভাষাই প্ৰত্যয়, সহায়ক ক্ৰিয়া আদিও গ্ৰহণ কৰিছে। ড০ কাকতিয়ে অসমীয়া শব্দৰ কলম, পেখম, ৰাংচা, ধেপচা, দঁওচীয়া, ঘৰচীয়া (ৰ্খিচা) আদিত যোগ হোৱা –ম, –চা, –চীয়া আদি অনুসৰ্গ বড়ো ভাষাৰ পৰা আহিছে বুলি অনমান কৰিছে। ভাষাবিদসকলৰ মতে আধুনিক আৰ্য ভাষাত সহায়ক ধাতুৰ ব্যৱহাৰ পদ্ধতিও অনাৰ্য ভাষাৰপৰা উদ্ভৱ হৈছে– খাই পেলোৱা, মাৰি পেলোৱা ইত্যাদি।" (অ. ভা. স. পৃ. ১৭)

৯. চাওক ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য : A Descriptive Analysis of the Boro Languages, 1977, Sec . 4.1.4. p-153-154

১০. চাওক বেনুধৰ শৰ্মা : অসমীয়া সংস্কৃতিত চুতীয়াৰ ছাপ, বেনুধৰ শৰ্মা ৰচনাৱলী (বুৰঞ্জীৰ সঁফুৰা)।

১১. ড০ কাকতি প্ৰমুখ্যে ভালেমান পণ্ডিতেপ্ৰাচীন অসমৰ কামাখ্যা, কামৰূপ, (কা-ম-ৰূ-প) কমতা, কদলী, কেঁচাইখাতী (কা-ছা-খাইতী), কৰতোয়া (কা-ল-তু), কলং, কপিলি, ইত্যাদি নামবাচক শব্দৰ কা–/ক- উপাদান অষ্ট্ৰিক মূলীয় বুলি স্বীকাৰ কৰি গৈছে।

১২. টেঙা শব্দাংশৰ প্ৰয়োগ মন কৰিবলগীয়া। সাধাৰণতে ফলমাত্ৰেই কেঁচাতে টেঙা সোৱাদযুক্ত হয় যাবে জনজাতীয় ভাষাৰ মূল থে (ফলবাচক শব্দাংশ) শব্দৰ অৰ্থান্তৰ ঘটি অসমীয়াত টেঙা অৰ্থত (তু. তিৱা : টেঙা) প্ৰয়োগ হৈছে। সেই ফালৰ পৰা বিবেচনা কৰিলে গাজ, পানীটেঙা, দুপৰটেঙা, টেঙেচি টেঙা, টেঙামৰা প্ৰভৃতি শব্দত অৰ্থৰ সম্প্ৰসাৰণ ঘটিছে।

১৩. দ্ৰষ্টব্য : উপেন ৰাভা হাকাচাম : অসমীয়া ভাষাত তিব্বত-ধৰ্মীয় উপাদান– কিছু নতুন চিন্তাৰ উন্মেষ, ছেদ-৭, ভাষাৰ তত্ত্বকথা, ১৯৯৩।

১৪ দ্ৰষ্টব্য : উপেন ৰাভা হাকাচাম : তিব্বত-বৰ্মীয় ভাষাৰ সম্বন্ধ-পদৰ গঠন আৰু প্ৰয়োগ– অসমীয়া ভাষাত ইয়াৰ সম্ভাব্য প্ৰভাৱ প্ৰকাশ, অষ্টাদশ বছৰ, মে'–জুন, ১৯৯৩।

১৫. যুৰীয়া শব্দ বা দ্বিৰুক্তিবাচক শব্দৰ প্ৰাধান্য অসমীয়া ভাষাৰ অন্যতম বৈশিষ্ট্য : যিটো

তিব্বত-বৰ্মীয় ভাষাসমূহৰো অন্যতম বৈশিষ্ট্য। এই সম্পৰ্কে বিশদ আলোচনা অসমীয়াৰ হৈ গৈছে যদিও তিব্বত-বৰ্মীয় ভাষাসমূহৰ ক্ষেত্ৰত সমূলি নাই হোৱা বাবে ইয়াত তুলনামূলক অধ্যয়নৰ পৰা বিৰত থকা হৈছে।

১৬. ডঃ কাকতি : Assamese its formation and Development, sec. 68

১৭. CIILৰ সৌজন্যত 'Common Phrases and Idioms in North Eastern Languages' সম্পৰ্কীয় কৰ্মশালাত (১৮/১০/৯৪—২৮/১০/৯৪) কৰা তুলনামূলক অধ্যয়নত ভৈয়ামৰ বৰো, ৰাভা প্ৰভৃতি তিব্বত-বৰ্মীয় ভাষাৰ সৈতে প্ৰায় অৰ্দ্ধাংশ আৰু পৰ্বতীয়া মাৰ, গাৰো, মিছিং প্ৰভৃতিৰ সৈতে কিয়দাংশ মিল থকা অসমীয়াৰ উমৈহতীয়া জতুৱা ঠাঁচ পোৱা গৈছে।

(কৰ্মশালাত যুগুতোৱা পাণ্ডুলিপি (অপ্ৰকাশিত) : ডঃ ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ প্ৰযত্নত মহীশূৰ স্থিত কেন্দ্ৰীয় ভাষা প্ৰতিষ্ঠানত সংৰক্ষিত।)

অসমীয়া বাক্যতত্ত্ব

গীতাঞ্জলি হাজৰিকা

বাক্যতত্ত্বৰ চৰ্চা ভাষাবিজ্ঞানৰ অগ্ৰগতিৰ এটা শেহতীয়া ফলশ্ৰুতি। ভাষাৰ মূল ব্যাকৰণ। আধুনিক ধাৰণাত ভাষা এটাৰ ব্যাকৰণ মানে বাক্যগঠনৰ ব্যাকৰণ। বাক্য সাজিব জানিলেহে এটা ভাষা জনা হয়। দৰাচলতে শব্দ সুন্দৰ হ'লেও তাৰ মৰ্যাদা বাক্য সৃষ্টিতহে। বাকতত্ত্ব বাক্যৰ ব্যাকৰণ। 'বাকতত্ত্ব' শব্দটো ইংৰাজী 'Syntax' শব্দৰ পোনপতীয়া অসমীয়া ৰূপান্তৰ। গ্ৰীক Syn + taxis ইৰাজী 'Syntax'। 'Syn' শব্দৰ অৰ্থ 'together' আৰু taxis মানে 'an arranging'. অৰ্থাৎ Syntax' শব্দৰ শব্দগত অৰ্থ arranging together'। শব্দগত অৰ্থৰ পৰা ক'ব পাৰি বাক্যতত্ত্বত শব্দৰ সজ্জা, বাক্যৰ আলোচনা কৰা হয়।

ফাৰ্ডিনাণ্ড ডি চ'চাৰেক 'বাক্যতত্ত্ব'ৰ পিতৃস্বৰূপ বুলি ক'ব পাৰি। চ'চাৰে তেওঁৰ 'Course de linguistic General' নামৰ গ্ৰন্থত উল্লেখ কৰে যে বাক্য গাঁথনিয়েই পদৰ চৰিত্ৰ নিৰ্ণয় কৰে। চ'চাৰৰ আলোচনাৰ আঁত ধৰি 'নোমচমস্কি' (Noom Chomosky) য়ে সৃষ্টি কৰিলে 'ৰূপান্তৰ উৎপাদক ধাৰণা'ৰ। এই ধাৰণামতে, বাক্য স্তৰৰ সমষ্টি। প্ৰত্যেক ভাষাত সৃষ্টি কৰিব পৰা অসংখ্য বাক্যৰ মূলতে কেইটামান মাথোন 'সৰল, কৰ্তৃবাচ্য, স্বীকৃতিসূচক' (Simple, active, declarative) 'কাৰ্ণেল' বাক্য।[১] এই কাৰ্ণেল বাক্যবোৰৰ লগত নতুন নতুন উপাদান সংযোগ কৰি অৰ্থাৎ ৰূপান্তৰ প্ৰক্ৰিয়াৰ দ্বাৰা (by transformal rules) এটা ভাষাৰ বিভিন্ন বাক্যবোৰ সজা হয়। ব্যাকৰণৰ চৰ্চাত বাক্যৰ গুৰুত্ব ইমানেই বাঢ়ি গল যে ব্যাকৰণ হৈ পৰিল বাক্য গঠনৰ পৰীক্ষাগৃহ। লগে লগে বাক্যৰ বিভিন্ন ধৰণৰ গাঁথনি, বাক্যৰ ৰূপান্তৰ, শব্দৰ ক্ৰম, বাক্যৰ অন্তৰ্নিহিত সুৰ, বাক্যাংশ, নিকটস্থ অংগ ইত্যাদিৰ আলোচনা আৰম্ভ হ'ল। আৰু বাক্যৰ এনে বিভিন্ন দিশৰ আলোচনাকে একেলগ কৰি কোৱা হ'ল বাক্যতত্ত্ব (syntax)।

ওপৰত কৈ অহা হৈছে যে ভাষা এটা আয়ত্ব কৰিবৰ বাবে বা তাৰ নিজস্ব বৈশিষ্ট্য বুজিবৰ বাবে বাক্যতত্ত্বৰ জ্ঞান অপৰিহাৰ্য। বাক্যতত্ত্বত ভাষা এটাৰ 'আৰ্হিবাক্য' কিছুমান ব্যাকৰণিক পৃথক কৰি ভাষাটোৰ আচুতীয়া বৈশিষ্ট্যখিনি মুকলি কৰি দিয়া হয়। সন্দেহ নাই সকলো বাক্যকে এইদৰে ভাগ ভাগ কৰিব নোৱাৰি, কাৰণ সকলো বাক্যতে 'আৰ্হিবাক্য'ৰ ঠাঁচ নাথাকে। কবিতাৰ ক্ষেত্ৰত এইষাৰ কথা বেছি প্ৰযোজ্য। মন কৰিবলগীয়া কথা হ'ল একোটা ভাষাত এনে একোটা বাক্য আছে যিটোৰ 'আৰ্হিবাক্য' মাথোন সেইটোহে হ'ব পাৰে। উদাহৰণ : "সেমেকা পোহৰে পাহৰাই দিয়া তোমাৰ খোপাৰ আবেলি আবেলি গন্ধ মনত পৰেনে অৰুন্ধতী" হ'লেও "Without analysis we should be unable to recognise the peculiarities even of those sentence which can not be ana-

lysed."[২] পৃথিৱীৰ আন ভাষাৰ দৰেই অসমীয়া ভাষাৰো বৈশিষ্ট্য ক'ত বুজিবৰ বাবে বাক্যতত্ত্বৰ চৰ্চা অপৰিহাৰ্য।

অসমীয়া ভাষাৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় সকলো জীৱিত ভাষাৰ দৰেই ই ক্ৰম পৰিবৰ্তনশীলতাৰ পৰিণতি। অসমীয়া ভাষা ইন্দো ইউৰোপীয় ভাষা গোষ্ঠীৰ ইন্দো ইৰাণীয় বা আৰ্য শাখাৰ ভাৰতীয় আৰ্য উপশাখাৰ অন্তৰ্ভুক্ত। প্ৰাচীন ভাৰতীয় আৰ্য (OIA) (বৈদিক-সংস্কৃত) আৰু মধ্য ভাৰতীয় আৰ্য (MIA) (পালি, অশোকৰ অনুশাসন আৰু অন্যান্য প্ৰত্নলিপিৰ ভাষা, সাহিত্যিক প্ৰাকৃত আৰু অপভ্ৰংশ) স্তৰৰ মাজেৰে আহিহে নব্য ভাৰতীয় আৰ্য ভাষা সমূহৰ (সিন্ধী, পঞ্জাবী, গুজৰাটী, হিন্দী, উড়িয়া, অসমীয়া প্ৰভৃতি ভাষাসমূহ) স্তৰ পাইছেহি। অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদৰ্শন হ'ল শিলালিপি, তাম্ৰলিপিসমূহ। ৫ম শতিকাৰ আদিভাগৰ 'নগাজৰী খনিকৰ গাওঁ' প্ৰস্তৰখণ্ড লিপিকেই অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদৰ্শন হিচাপে গণ্য কৰা হৈছে। সংস্কৃতত লিখা এই লিপিখনত অসমীয়া বৈশিষ্ট্যপূৰ্ণ আখৰ 'ৱ'-ৰ ব্যৱহাৰ দেখা গৈছে। ৭ম শতিকাৰ ভাস্কৰ বৰ্মাৰ নিধনপুৰ তামৰ ফলি অসমীয়া ভাষাৰ ইতিহাসত এক বিশিষ্ট মাইলৰ খুটি। ডিম্বেশ্বৰ নেওগে তেওঁৰ The Origin & grrowth of the Asamse Language (1964), P. 45)'ত এই ফলিখন দৰাচলতে ভাস্কৰ বৰ্মাৰ অ্যাজোককাক ভূতিবৰ্মাৰ লিপিৰ (৫ম শতিকাৰ শেষৰ) নতুনকৈ কৰা প্ৰতিলিপি বুলিহে ক'ব খোজে। এনেদৰে হ'লে এইখন ফলিত পোৱা সংস্কৃতৰ পৰা পৃথক অসমীয়াৰ ওচৰ চপা ৰূপবোৰ ৫ম শতিকাৰ বুলিও ক'ব পাৰি। ৭ম শতিকাৰ চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ মন্তব্যই ["তেওঁলোকৰ (কামৰূপৰ মানুহৰ) ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ"] প্ৰমাণ কৰে যে মগধীয়া ভাষাৰ লগত মিল থকা অসমীয়া ভাষা সেইকালতে নিজস্ব বৈশিষ্ট্যৰেও সমুজ্জ্বল আছিল। সাহিত্যৰ ভাষা হিচাপে অসমীয়াৰ প্ৰথম নিদৰ্শন চৰ্যাগীতসমূহ। অৱশ্যে চৰ্যা সমূহে বঙলা, উৰিয়া ভাষাৰো বৈশিষ্ট্য বহন কৰিছে। প্ৰাক্ শংকৰী কবি সকলৰ ৰচনাৰাজিত অসমীয়া ভাষাই মৰ্যদাপূৰ্ণ ৰূপ এটা পায়। এই যুগৰ ৰচনাসমূহৰ ভিতৰত হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত'খনক প্ৰথম আৰু মাধৱ কন্দলীৰ 'ৰামায়ণ'ক শ্ৰেষ্ঠতম বুলি ধৰা হয়। বৈষ্ণৱ যুগৰ অসমীয়া ভাষাৰ এক পৃথক গঢ় আছে। এই ভাষা 'ব্ৰজাৱলী' ভাষা। ব্ৰজাৱলী কিছু পৃথক ভাষা হ'লেও অসমীয়াক এটা শক্তিশালী ভাষা হিচাপে প্ৰতিষ্ঠা কৰাত ইয়াৰ অৱদান বহুদিশৰ পৰা গুৰুত্বপূৰ্ণ। ভাষাত সংস্কৃতীয়া প্ৰভাৱ থাকিলেও অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন হ'ল ভট্টদেৱৰ 'শ্ৰীভাগৱত কথা'। চৰিতপুথি আৰু বুৰঞ্জীৰ ভাষাই অসমীয়া ভাষাক বৰ্তমানৰ ৰূপলৈ এঢাপ আগুৱাই দিলে। কিন্তু অসমীয়া ভাষা সাহিত্যৰ মণিকূট বান্ধিলে 'অৰুণোদয়' কাকত আলোচনীয়ে। সেই থাপনাত ধূপ-দীপ হৈ জ্বলিল জোনাক, বাঁহী, আসাম বান্ধৱ, ঊষা ইত্যাদি আলোচনী, বাতৰি কাকত। নাটক, উপন্যাস, গল্প, চুটিগল্প, ৰস-ৰচনা, প্ৰবন্ধ তথা আন তত্ত্বমূলক ৰচনাৰ ৰূপত অসমীয়া ভাষাত এতিয়া বহুতো যুগজয়ী সম্ভৱ হৈছে। বৰ্তমানো অসমীয়া ভাষাত পৰিবৰ্তন অব্যাহত আছে। সপ্তদশ শতিকাৰ অসমীয়া ভাষা আৰু আজি বিংশ শতিকাৰ অসমীয়া ভাষা যিদৰে পৃথক সেইদৰে এটা নিৰ্দিষ্ট

সময়ৰ পিছত অসমীয়া ভাষাই আকৌ বৰ্তমানৰ পৰা পৃথক ৰূপ এটা পৰিগ্ৰহণ কৰিব। বৰ্তমানৰ ভাষাৰ পৰা সেই ভাষা যিমানেই পৃথক নহওঁক কিয় ইহঁতৰ সম্পৰ্ক তেজ-মঙহৰ হৈয়েই থাকিব। একে কাৰণতে বৰ্তমানৰ অসমীয়া ভাষাই শিলালিপি তাম্ৰলিপিৰ ভাষাৰ লগত বা কন্দলিৰ ভাষাৰ লগত নাড়ীচ্ছেদ কৰিব পৰা নাই। আনহাতে দূৰ ভৱিষ্যতত কেতিয়াবা যদি অসমীয়া ভাষা মৃতও হয় তথাপি এই ভাষাত এনে কেতবোৰ পুথি-পাঁজি ইতিমধ্যে ৰচিত হ'ল যে এইবোৰেই ভাষাটোৰ অস্তিত্ব সবলভাৱে ঘোষণা কৰিবলৈ যথেষ্ট। এনে কেইখনমান পুথি আৰু অসমীয়া ভাষাৰ ইতিহাসৰ আলি-কেকুঁৰিত ঠাই পোৱা কেইখনমান পুথিৰ বাক্যতত্ত্বৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান আলোচনাৰ আঁত ধৰিবলৈ যত্ন কৰা হ'ল।

বাক্যৰ দুটা বৃহৎ ভাগ হ'ল উদ্দেশ্য আৰু বিধেয়। যাৰ বিষয়ে কোৱা হয় সি উদ্দেশ্য আৰু উদ্দেশ্যৰ বিষয়ে যি কোৱা হয় সি বিধেয়। উদাহৰণ :

উদ্দেশ্য	**বিধেয়**
'মই'	'ধেমালি কৰা নাই'৩
'ইলিমন'	'উঠিল'৪
'ভোগাইৰ মনটো'	'অশান্ত হৈ উঠিল'৫
সৌ কোঙা ছোৱালীজনীৰ মুখখন'	দেখিবলৈ বৰ ধুনীয়া।
'দোয়াজৰ ডিমাগোট''	''ভাঙিয়জে চাইল'৬

উদ্দেশ্য এটা শব্দৰেও হ'ব পাৰে বা একাধিক শব্দৰেও হ'ব পাৰে। ই এটা মাথো বিশেষ্য শব্দ হ'ব পাৰে (যেনে : ইলিমন') বা নিৰ্দ্দেশাত্মক শব্দ + বিশেষ্য (যেনে : 'ভোগাইৰ মনটো') হ'ব পাৰে কিম্বা নিৰ্দ্দেশাত্মক/সংখ্যাবাচক শব্দ + বিশেষণ + বিশেষ্য ('সৌ কোঙা ছোৱালীজনীৰ মুখখন') ইত্যাদি ধৰণৰ হ'ব পাৰে। একেদৰে বিধেয়ত এটা মাথো ক্ৰিয়া থাকিব পাৰে ('উঠিল') বা বিশেষণ + ক্ৰিয়া (অশান্ত হৈ উঠিল) কিম্বা ক্ৰিয়া + বিশেষণৰ বিশেষণ + বিশেষণ (দেখিবলৈ ধুনীয়া) ইত্যাদি নানা ধৰণৰ হ'ব পাৰে। উদ্দেশ্যটো কেতিয়াবা উহ্য হৈ থাকিব পাৰে। যেনে : "কিবা অমঙ্গল হ'ব নেকি?"— ইয়াত লুকাই থকা উদ্দেশ্য আৰু পিছৰ চোৱা বিধেয় হয়। অৱশ্যে কথাৰ সাৰাংশনুযায়ী ইয়াৰ ব্যতিক্ৰম প্ৰায়ে দেখা যায়। উদাহৰণ : "অগ্নি লাগি ৰাজাৰ নগৰ দহি নিছে"৭ 'বিশেষ বিশেষ মাধ্যমৰ সহায়ত এই ভাব আনৰ অন্তৰত জাগি উঠি তেওঁৰ নিজৰ অন্তৰাত্মাৰ লগত মিলিত হৈ অন্তৰলৈ যি চমৎকাৰিত্ব আনে তাকেই তেওঁলোকে বুলিছে ৰস।"৮

বাক্য শব্দৰ সমষ্টি। শব্দ বাক্যৰ ক্ষুদ্ৰতম গোট আৰু বাক্যাংশ ক্ষুদ্ৰগোট। বাক্যাংশ এটাত সাধাৰণতে কৰ্তা, কৰ্ম আৰু ক্ৰিয়া থাকে। বাক্যাংশ স্বাধীন বা নিৰ্ভৰশীল হ'ব পাৰে। বাক্যাংশৰ ওপৰত ভিত্তি কৰি বাক্যক সৰল, মিশ্ৰ আৰু যৌগিক— এই তিনিটা ভাগত ভাগ কৰিব পাৰি। যিবোৰ বাক্য এটা মাথোন স্বাধীন বাক্যাংশৰে গঠিত সি সৰল বাক্য; যেনে : 'খাবাক হুকুম কৰিলে'— (পাদশ্যাহ বুৰঞ্জী)। দুটা বা ততোধিক স্বতন্ত্ৰ বাক্যাংশ লগ লাগি যৌগিক বাক্য

সৃষ্টি হয়; যেনে 'দুই কম একুৰি হ'ল— জাননে নেজান?" (ককাদেউতাৰ হাড়, ৩৮)। এটাতকৈ বেছি বাক্যাংশ পৰস্পৰ নিৰ্ভৰশীলভাৱে লগ লাগি থাকিলে সি মিশ্ৰবাক্য; যেনে "জো সো বুধী সৌধ নিবুধী।" (চৰ্যা) যৌগিক বাক্যত বাক্যাংশবোৰ জোৰা লগায় আৰু, অথবা, বা, নতুবা, কিম্বা, সেই, বাৰু, তথাপি, নহলে, চোন-ও, বিনিময়ত কিন্তু ইত্যাদিৰ দ্বাৰা বা অকনমান বিৰতিৰে। এই সংযোজকবোৰ আঁতৰাই দিলে যৌগিক বাক্য এটা অৰ্থ পৰিবৰ্তন নোহোৱাকৈ দুই বা ততোধিক সৰল বাক্যত পৰিণত হয়। অৱশ্যে ক্ষতিপূৰণ হিচাপে কোনো ঠাইত একোটা শব্দগুচ্ছ যোগ দিব লগা হ'ব পাৰে। উদাহৰণ : "মাটিৰ পৰা ফমুটি মাৰি আম পৰা কেইটাৰ মাজতো আন এক ধৰণৰ প্ৰতিযোগীতা হয়। কোনে কিমান ওখলৈকে ফমুটি মাৰিব পাৰিলে, কোনে কিমান আম সৰুৱাব পাৰিলে ইত্যাদি।" হোমেন বৰ গোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়' পৰা উদ্ধৃত এই বাক্যটো ক্ষতিপূৰক শব্দগুচ্ছৰ ব্যৱহাৰেৰে অৰ্থ পৰিবৰ্তন নোহোৱাকৈ এই দুটা সৰল বাক্যত লিখিব পাৰি— (ক) মাটিৰ পৰা আম পৰা কেইটাৰ মাজতো আ এক ধৰণৰ প্ৰতিযোগিতা হয়। (খ) প্ৰতিযোগিতাৰ বিষয় হ'ল কোনে কিমান ওখলৈকে ফমুটি মাৰিব পাৰিলে, কোনে কিমান আম সৰুৱাব পাৰিলে ইত্যাদি। তলত আঁচটনা শব্দ কেইটাই হ'ল ক্ষতিপূৰক শব্দগুচ্ছ। একেদৰে হে, হেতুকে/হেতুকে, হেঁতেন, যদি, যি, বাবে, কাৰণে, —ত ইত্যাদিৰ দ্বাৰা দুই বা ততোধিক বাক্যাংশ লগ লাগি মিশ্ৰ বাক্যৰ সৃষ্টি হয়। উদাহৰণ : "দিখৌ নৈক ওভোতাই বোৱাব পাৰিলেহে মোৰ ল'ৰাক দিব পাৰো"— (দেওধাই অসম বুৰঞ্জী)। এনে বাক্যত মূল প্ৰসংগৰ লগত খাপ খোৱাকৈ প্ৰধান বাক্য খণ্ড লগ লাগি থাকে। মিশ্ৰ বাক্যৰ আন এটা উদাহৰণ হ'ল "ইমান যুগ মুখে মুখে চলি অহা কাৰণে নানা বুৰঞ্জীৰ বা বুৰঞ্জীৰ বাহিৰৰ কাহিনী চৰিত কথাৰে মিহলি হোৱাত সি বুৰঞ্জীমূলক ঘটনাৰ চকুত অবাস্তৱ যেন লাগিব পাৰে।" (অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ১৭৪)। ইয়াত নিম্নৰেখা বাক্যখণ্ড মূল প্ৰসংগৰ লগত খাপখোৱা প্ৰধানবাক্য। এই বাক্যটোৱে অৰ্থৰ স্পষ্টতাৰ বাবে আন কেইটা বাক্য খণ্ডৰ ওপৰত নিৰ্ভৰ কৰিছে। কথাৰ সুৰেও বা বিৰতিৰ পাৰ্থক্যয়ো মিশ্ৰ বা যৌগিক বাক্য সৃষ্টি কৰে। যেনে :— তুমি যোৱা-নোযোৱা, খোৱা-নোখোৱা সেয়া তোমাৰ কথা, মুঠতে মই যাম আৰু খাম।

বাক্যত সাধাৰণতে কৰ্তা, কৰ্ম আৰু ক্ৰিয়া থাকে যদিও কৰ্তা কেতিয়াবা উহ্য থাকিব পাৰে। যেনে : 'নকৰিবা', 'যাবলৈ দিয়া।' 'কি কৰা?' ইত্যাদি। অসমীয়া বাক্যৰীতিত নানা ধৰণৰ প্ৰভাৱ পৰা ইংৰাজী ভাষাতো কিন্তু কৰ্তা অবিহনে বাক্য হ'ব নোৱাৰে। কিন্তু বিশেষভাৱে ৰূপসিদ্ধ অসমীয়া ৰূপসিদ্ধ অসমীয়া ভাষাত কেৱল ক্ৰিয়াটোৱেই কৈ দিব পাৰে কৰ্তাৰ পুৰুষ কি। উদাহৰণ হিচাপে ওপৰৰ ১ম উদাহৰণৰ কৰ্তা তুমি, ২য় উদাহৰণত মোক/তাক/আমাক/সিহঁতক আদি ১ম বা ৩য় পুৰুষ আৰু ৩য় উদাহৰণৰ কৰ্তা তুমি/তোমালোক— এই কথা যিকোনো অসমীয়া ভাষাজনা লোকেই ক'ব পাৰে। প্ৰকৃততে আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত সৰহভাগ বাক্যই কৰ্তাহীন। কৰ্তাৰ দৰে কৰ্মও কেতিয়াবা উহ্য থাকিব পাৰে। যেনে : '(জলপান) দিওনে?'

'নিদিব।'

কৰ্তা, কৰ্মৰ দৰে ক্ৰিয়াহীন বাক্যও অসমীয়াত হ'ব পাৰে। উদাহৰণ— 'তোমাৰ নাম কি?' —'ৰমেশ।' বা 'মানাহ্ কি?' —'এখন অভয়াৰণ্য।'

বাক্যই সাধাৰণতে চাৰি ধৰণৰ অৰ্থ প্ৰকাশ কৰে। এই অৰ্থ বা ভাৱ অনুযায়ী বাক্যক সেয়ে চাৰিটা ভাগত ভগাব পাৰি।— (ক) সাধাৰণ তথ্য একোটা প্ৰকাশ কৰা 'বৰ্ণনাত্মক বাক্য'। উদাহৰণ : 'দেৱবাণী নুহি ইটো লৌকিকহে কথা।' — 'কন্দলি ৰামায়ণ, পদ : ৩৯৯৩)।

(খ) আদেশ, অনুৰোধ, ভাৱ প্ৰকাশ কৰা 'আদেশ, অনুৰোধ সূচক বাক্য'। উদাহৰণ 'ইয়াক বৰবৰুৱা ভাঙ্গক।' (সাতসৰী অসম বুৰঞ্জী)।

(গ) প্ৰশ্ন সোধা বুজোৱা প্ৰশ্নসূচক বাক্য।' যেনে— 'আয়ে সুধিছে, ভাত খাবানে?'

(ঘ) আচৰিত হোৱা ভাৱ প্ৰকাশ কৰা 'বিস্ময় বা আশ্বৰ্যসূচক বাক্য।' উদাহৰণ 'উস! কি জঘন্য দৃশ্য।'

এইকেইটাৰ উপৰিও ইচ্ছা বা ভাৱবোধক বাক্যৰ শ্ৰেণী এটাও অসমীয়া বাক্যৰ ক্ষেত্ৰত কৰিব পাৰি। উদাহৰণ হিচাপে 'তোমালৈ মোৰ শুভেচ্ছা থাকিল।' 'ভগৱানে তোমাক কুশলে ৰাখক।'— এনেবোৰ বাক্যক বিস্ময়সূচক বা বৰ্ণনাত্মক শ্ৰেণীভুক্ত কৰিবলৈ টান।

এই বাক্যবোৰৰ হয়বোধক-নহয়বোধক দুটা ৰূপ। অৱশ্যে দুয়োটা ৰূপতে গাঁথনিক প্ৰকৃতিৰ লৰচৰ নহয়। মাথোন নহয়বোধক ৰূপটোত ন- নেতিবাচক অংশ লগ লাগে। উদাহৰণ :

(ক) বৰ্ণনাত্মক : হয়বোধক : 'ভায়েকক দিলে ৰাজ্য।' (কন্দলি ৰামায়ণ/ অযোধ্যা)

নহয়বোধক : 'থাকিবাক সুখে নেদো।' (কন্দলি ৰামায়ণ/ অৰণ্য)

(খ) আদেশ অনুৰোধসূচক : হয় বোধক তুমি কোঠাৰ পৰা ওলাই যোৱা।

নহয়বোধক : 'আমি দ্বন্দ নকৰোঁ' (সাতসৰী অসম বুৰঞ্জী)

(গ) প্ৰশ্নসূচক : হয়বোধক : তুমি কাইলৈ ঘৰত থাকিবানে?

নহয়বোধক : কথা ক'লে নুশুনা কিয়?

(ঘ) বিস্ময়সূচক : হয়বোধক : 'ভেলেউ কাঠৰ টুকুৰাটো!' (অন্তৰীপ, ভবেন্দ্ৰনাথ শইকীয়া)

নহয়বোধক : মানুহ নহয় পশু।

ইচ্ছাসূচক বাক্যক যদি শ্ৰেণীভুক্ত কৰা হয় তেতিয়াহলে তাৰো নহয়বোধক ৰূপ এটা চকুত পৰে। যেনে : তুমি যদি চুৰ কৰিবলৈ নলগাহেঁতেন।

এই বাক্যবোৰৰ চৰ্তসাপেক্ষে ৰূপ এটাও আছে। তেনে বাক্যৰ উদাহৰণ এনেকুৱা

(ক) বৰ্ণনাত্মক বাক্যৰ চৰ্তসাপেক্ষ ৰূপ : "ব্ৰহ্মাণীক পূজে যিটো এক চিত্ত মনে।

পুত্ৰ দাৰা সুখে সিটো থাকে সৰ্বক্ষণে।" (বেউলা আখ্যান-দুৰ্গাবৰ)

'মহেশক ধনু যে গুন দিতে পাৰব, সে কন্যা সোহি পাৱে।'– (ৰাম বিজয়– শংকৰদেৱ)

(খ) আদেশ-অনুৰোধসূচক বাক্যৰ চৰ্তসাপেক্ষতা : 'যদি বিষয়ত ৰত-তৃষ্ণা আছে, বিবাহ কৰা।' (গুৰু চৰিত কথা)

(গ) প্ৰশ্নসূচক বাক্যত চৰ্তসাপেক্ষ ৰূপ : 'মোৰ কাৰণে ইমান ভাৱিছে যদি এজন বামুণকে ৰাখি নিদিয়ে কিয়?' (–নিমিলা অংক, লক্ষ্যধৰ চৌধুৰী)।

বাক্যত কেতিয়াবা কৰ্তাই প্ৰাধান্য পায়, কেতিয়াবা কৰ্মই আৰু কেতিয়াবা আক' ক্ৰিয়াই। বাক্যৰ এই মূল অংগ কেইটাৰ প্ৰাধান্যৰ পৰিবৰ্তন অনুযায়ী বাক্যক ভাগ কৰিব পাৰি। এই ভাগবোৰ এনেকুৱা–

(i) কৰ্তাই প্ৰাধান্য পোৱা বাক্য বা কৰ্তৃবাচ্যৰ বাক্য। উদাহৰণ : 'ৰায়বাহাদুৰ কনকলাল বৰুৱাই আন কৰক নকৰক, তেওঁৰ 'প্ৰাচীন কামৰূপৰ বুৰঞ্জী'য়েই ভৱিষ্যতৰ অসমীয়াক এটুপি চকুৰ পানী টোকাবহে টোকাব।' (বেনুধৰ শৰ্মা ৰচনাৱলী)।

(ii) কৰ্মই প্ৰাধান্য পোৱা বাক্য বা কৰ্মবাচ্যৰ বাক্য। উদাহৰণ : 'নিজ নিজ কৰ্তব্য আৰু পঢ়াশুনা আওহেলা কৰি ছাত্ৰ সকলে সাহিত্য চৰ্চাত লাগিব লাগে বুলি মই নকওঁ।' (সূৰ্য্যকুমাৰ ভূঞা, বঁহী)

(iii) ক্ৰিয়াই প্ৰাধান্য পোৱা বাক্য উদাহৰণ : 'সকলো শেষ হৈ গ'ল– মোৰ আৰু একোৱেই বাকী নাথাকিল।' (দেবেন্দ্ৰ নাথ আচাৰ্য, 'জঙ্গম')।

বাক্যৰ অন্তৰ্ভুক্ত উক্তি কেতিয়াবা প্ৰত্যক্ষভাৱে উপস্থাপিত হয়, কেতিয়াবা পৰোক্ষভাৱে। উপস্থাপনৰ ধৰণ অনুযায়ীও বাক্যক প্ৰত্যক্ষ উক্তিৰ বাক্য আৰু পৰোক্ষ উক্তিৰ বাক্য– এই দুটা ভাগত ভগাব পাৰি। আনৰ বক্তব্য অবিকৃত ভাৱে উপস্থাপন কৰিলে সি প্ৰত্যক্ষ উক্তিৰ বাক্য। উদাহৰণ : 'পাচত যেতিয়া আমি সৰ্ব্ব ভইখ অগনি যেন সবাকো শোষে। মহন্তক কি কৰিব ইসব দোষে।' শাস্ত্ৰৰ এই বচন মাতি............" (কানীয়াৰ কীৰ্তন, হেমচন্দ্ৰ বৰুৱা)

"তাইৰ পৰাহে আমি শুনিছোঁ, ক্লেয়েৰে বোলে শ্ৰীমতী শ্যেলীক 'তই মৰিলেই আমি ভাল পালোঁহেঁতেন' এইবুল ক'বলৈকো দ্বিদ্ধাবোধ নকৰিলে।" (এৰিয়েল, অনুবাদক : ডº প্ৰফুল্ল কটকী)। আৰু, আনৰ বক্তব্য নিজৰ ভাষাৰে প্ৰকাশ কৰাই পৰোক্ষ উক্তি। যেনে– "হা হা সৰ্ব্বনাশ ভেলো বোলি– গলে কাপোৰ বান্ধি ভাৰ্গৱক পাৱে পৰিয়ে অনেক কাতৰ কয়ল।" (ৰামবিজয়– শংকৰদেৱ)

ক্ৰিয়াৰ সময় (কাল) অনুযায়ীও বাক্যক তিনি প্ৰকাৰে ভাগ কৰিব পাৰি–

(১) বৰ্তমান কালৰ বাক্য। উদাহৰণ 'তাৰাৰ চৰণ ৰেণুক আশা কৰো" (কথা ভাগৱত, পৃ. ৪৩৭)

(২) অতীত কালৰ বাক্য। উদাহৰণ "হয়তো, কোচ বিহাৰৰ পৰা ত্ৰিপুৰালৈ অসমীয়া ভাওনাৰ আমদানি হৈছিল।" (ত্ৰিপুৰা বুৰঞ্জী)

(৩) ভৱিষ্যত কালৰ বাক্য। "এসময়ত অসম দেশ হবি শুচি ফুলবাৰী হ'ব।"– (আনন্দৰাম ঢেকীয়াল ফুকন)

–তিনিওটা কালৰ বাক্যবোৰৰ গঠন একে ধৰণৰ। ইবোৰ ভাৱ অনুযায়ী

বৰ্ণনাত্মক, প্ৰশ্নসূচক বা বিস্ময়সূচক— যিকোনো হ'ব পাৰে। একেদৰে ইইত হয়বোধক, নহয়বোধক বা চৰ্তসাপেক্ষ হ'ব পাৰে। পাৰ্থক্য মাথোন ক্ৰিয়াটোতহে। তলৰ উদাহৰণটোত কথাটো স্পষ্ট হ'ব—

মই ভাত খাওঁ— (বৰ্তমান)

মই ভাত খালোঁ— (অতীত)

মই ভাত খাম— (ভৱিষ্যত)।

বাক্য চুটি বা দীঘল হ'ব পাৰে। কেতবোৰ বাক্য আকৌ অতি চুটি আৰু কেতবোৰ অতি দীঘল। চুটি বাক্যৰ উদাহৰণ হিচাপে জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' নাটকৰ শেৱালি আৰু সুন্দৰৰ কেইটামান উক্তি দাঙি ধৰা হ'ল—

"সুন্দৰ— শেৱালি, তই মোক ভাল পাৱনে?'

শেৱালি— পাওঁ কোঁৱৰ।

....

সুন্দৰ— কিয়, কিয় ভাল পাৱ?

শেৱালি— এনেয়ে ভাল পাওঁ।"

দীঘল বাক্যৰ নিদৰ্শন হ'ল— 'দণ্ড কমণ্ডলু জটা জাপ্যমালা যজ্ঞসূত্ৰ কুশ ধৰি তপোময় মূৰ্ত্তি দেখি হৰি অৱতাৰ জানি পৰম আদৰে উঠি দণ্ডৱতে প্ৰণাম কৰি পৰম প্ৰেমে আকুল হয়া আসন দিয় পাদ্য, অৰ্ঘ্য, আচমনি, পুষ্প-চন্দন, ধূপ-দীপ উপহাৰ নিৱেদি অৰ্চন কৰিলা।" (কথা-ভাগৱত, ১৮/৮)

বাক্য শেষ হয় ডাড়ি (।), প্ৰশ্নবোধক চিন (?), আশ্চৰ্যবোধক চিন (!) এই তিনিটাৰ এটাৰে। কিন্তু অৰ্থয়ো কেতিয়াবা বাক্যৰ সমাপ্তি নিৰ্ণয় কৰে। উদাহৰণ হিচাপে জ্যোতিপ্ৰসাদৰ কাৰেঙৰ লিগিৰীৰ 'ভালপাৱ? এনেয়ে? এনেয়ে? মই— মই তোৰ তিৰোতাৰ লুইতমান ফেনে ফোটোকাৰে বোৱা আকাঙ্খাৰ ভালকৈ সোন ৰূপ মণি মুকুতাৰে যোগান ধৰিব পাৰিম বুলি। সেই কাৰণে— সেই কাৰণে ভাল পাৱ?" এই কথাখিনিৰ মাজত বাক্য সমাপ্তিৰ চিন বহুকেইবাৰ পৰিছে যদিও বুজোতাই বুজে উদ্ধৃতাংশ শেষ নোহোৱালৈকে তাৰ অৰ্থ সম্পূৰ্ণ হোৱা নাই, সেয়ে বাক্যটোৰ পৰিপূৰ্ণতাৰ বাবে ওপৰৰ গোটেই অংশটো অপৰিহাৰ্য।

সুৰ লহৰে (Intunation) বাক্যক বহুখিনি প্ৰভাৱিত কৰে। ই বাক্যৰ অৰ্থ পৰিৱৰ্তন ঘটায়। সেয়ে সুৰ লহৰ অসমীয়া ভাষাত বিশিষ্ট। উদাহৰণ হিচাপে 'ওলাই যোৱা' বাক্যটোৱে সুৰ লহৰৰ পাৰ্থক্য অনুযায়ী বিভিন্ন অৰ্থ প্ৰকাশ কৰিব পাৰে। যেনে—

ওলাই যোৱা— সাধাৰণভাৱে যাবলৈ কোৱা

ওলাই যোৱা— আদেশ কৰা

ওলাই যোৱা— অনুৰোধ কৰা

ওলাই যোৱা— প্ৰশ্ন সোধা

ওলাই যোৱা— আচৰিত হোৱা— ইত্যাদি।

সুৰ লহৰৰ পাৰ্থক্যই বাক্য গদ্যনে পদ্য তাক বুজাত বহুখিনি সহায় কৰে।

অৰ্থাৎ বাক্যই নিৰ্ণয় কৰে অবয়বটো কবিতা নে কথা। অৱশ্যে এইখিনি বুজিবলৈ শুনোতাৰ অন্তৰানুভূতি (Intuition) নিতান্তই আৱশ্যকীয়। লিখিত সাহিত্যত বাক্যৰ সুৰ বুজা যায় বাক্যটো উপস্থাপন কৰাৰ পৰিস্থিতি অনুযায়ী। উদাহৰণ : "তেনেধৰণৰ তান্ত্ৰিকতাই অসমলৈ সেনাবাহিনীৰ ভূত নমাই আনিছে। আলফাৰ বিৰা খেদিবলৈকে হেনো এই জয়াৰ ভূত নমোৱা হৈছে।" (স্বাধীনতাৰ সপোন আৰু দিঠক— হীৰেন গোঁহাই) —ইয়াত ভূত শব্দটোৱে ভূতৰ দৰেই নিষ্ঠুৰ, কুৎসিত, কূট আচৰণৰ কথাহে কোৱা হৈছে।

বাক্যতত্ত্বৰ আলোচনাৰ এটা অন্যতম দিশ হ'ল বাক্যত শব্দৰ ক্ৰম। অসমীয়া ভাষা সংস্কৃতমূলীয়। সেয়ে ইয়াৰ সৰহভাগ বাক্যৰ শব্দক্ৰম কৰ্তা + কৰ্ম + ক্ৰিয়া (Sov) —এইধৰণৰ। উদাহৰণ : মই ৰামায়ণ পঢ়িছোঁ। এই শব্দক্ৰমৰ লগত তিব্বত বৰ্মীয় ভাষাৰ শব্দক্ৰমৰো মিল আছে। যেনে : মিচিং "ঙ আপিন দদ" (মই ভাত খাওঁ)। ক্ৰিয়া উহ্য থকা ৰীতি অসমীয়াৰ দৰে চীন তিব্বতীয় ভাষাতো দেখা যায়। যেনে : বড়ো "আঙঅ' মানসি" (আমি মানুহ)। অসমীয়া বাক্যৰ এই ক্ৰম সদায় একে নাথাকে। তলত দুটামান পৃথক ক্ৰমৰ উদাহৰণ দাঙি ধৰা হ'ল—

(ক) সম্বোধন পদ + কৰ্তা + কৰ্ম + ক্ৰিয়া

"হে সুন্দৰী, তুমি ভয় নকৰিবা।" (কথা-ভাগৱত, পৃ. ৪৮৪)

(খ) সম্বোধন পদ + কৰ্তা + ক্ৰিয়া বিশেষণ + কৰ্ম + ক্ৰিয়া

হে সুন্দৰী তুমি অলপো ভয় নকৰিবা।

(গ) কৰ্ম + সংযোজক অব্যয় + কৰ্তা + ক্ৰিয়া।

অংক আৰু মই— কেতিয়াও নহ'ব। (অৰ্থাৎ অংকত পটুতা অৰ্জন কৰিব মই কেতিয়াও নোৱাৰিম)

এনেদৰে ব্যক্তি অনুযায়ী বা প্ৰসংগ অনুযায়ী শব্দৰ ক্ৰম সলনি হৈ থাকে। দুটা ভিন্ন পৰিবেশত ডাঙৰ দীঘল হোৱা দুজন ব্যক্তিৰ শব্দক্ৰম কেতিয়াও একে নহয়। একেদৰে দুখৰ আৰু সুখৰ ভাষাৰ শব্দক্ৰমো একে হ'ব নোৱাৰে। তদুপৰি এজন মানুহেই দুবাৰ একেটা কথাকে কবলৈ গৈ একে শব্দ ব্যৱহাৰ নকৰাৰ দৰে শব্দক্ৰমো একে নাৰাখে। মুঠতে বাক্যৰ শব্দক্ৰম নানা ধৰণৰ হ'ব পাৰে, মাথোন ব্যাকৰণিক গাঁঠনিতো শুদ্ধ হ'ব লাগে।

অসমীয়া বাক্যতত্ত্বৰ আলোচনা প্ৰসংগত অসমীয়া বাক্যৰীতিৰ ওপৰত পৰা ইংৰাজী বাক্যৰীতিৰ প্ৰভাৱৰ কথা উল্লেখ কৰা অতি আৱশ্যকীয়। কাৰণ, আধুনিক অসমীয়া ভাষাৰ প্ৰাণ-প্ৰতিষ্ঠাতা অৰুণোদয়ৰ 'মূল পৰিচালক, লেখকসকল ইংৰাজী ভাষী হোৱা বাবে অৰুণোদইৰ যোগে অসমীয়া ভাষাত নতুন অভিধানিক আৰু ব্যাকৰণিক ৰূপ প্ৰৱেশ কৰিবলৈ পালে, বিশেষকৈ বাক্য গঠন ৰীতিত এই প্ৰভাৱ বেছি ধৰণেই পৰিল।"[৯] এই বিষয়ৰ বহল আলোচনালৈ নগৈ ড° মহেশ্বৰ নেওগদেৱৰ ভাষাৰেই থোৰতে উনুকিয়াই থোৱা হ'ল—ব্যপ্তিষ্ট সকলে "অৰুণোদইৰ মাধ্যমেৰে অসমীয়া বাক্যৰীতিত ইংৰাজী প্ৰভাৱ সুমুৱাই অসমীয়া ভাষাক মৃত সঞ্জীৱনীৰে নতুন জীৱন দিলে।"

অসমীয়া বাক্যতত্ত্বৰ বিস্তীৰ্ণ পথাৰখন চন পৰি আছে। এই বিষয়ৰ আলোচনা বৰ্তমানলৈকে হোৱাই নাই বুলিব পাৰি। অথচ আলেচনাৰ থল আৰু গুৰুত্ব যথেষ্ট আছে।

---

১ পাঠক, ৰমেশ : ব্যাকৰণ আৰু প্ৰাকৃতিক বিজ্ঞান, পৃ. ১১

২. ON + ONS, CT : An Advanced English Syntex

৩. বৰদলৈ ৰজনীকান্ত : ৰঙ্গিলী, পৃ. ৩৩, ১৯৮৭ চন।

৪. বয়চম গোস্বামী, মামনি : দতাল হাতীৰ উয়ে খোৱা হাওদা, পৃ. ১২৭, ১৯৮৮ চন।

৫. বৰুৱা, নৱকান্ত : ককাদেউতাৰ হাড়, পৃ. ৮৫, ১৯৭২ চন।

৬. মনকৰ : মনসা কাব্য, পৃ. ৮, ১৯৯১ চন (সমীক্ষক শশী শৰ্মা)

৭, গুৰু চৰিত কথা, পৃ. ২৪০, ১৯৮৬

৮, গোস্বামী, ত্ৰৈলোক্যনাথ গোস্বামী : সাহিত্য, পৃ. ১১৮৯, ১৯৮৮ চন

৯. নেওগ, মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃ. ২৩৩

ভাষা আৰু উপভাষা

ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত ব্যৱহৃত শব্দৰ উৎস আৰু ভৌগোলিক জৰিপ

ড° অমলেন্দু চক্ৰৱৰ্তী

বাংলা উপভাষাৰ শ্ৰেণী- বিন্যাস কৰিবলৈ গৈ প্ৰখ্যাত ভাষাতত্ত্ববিদ্ ড° সুকুমাৰ সেনে পূৰ্ব আৰু দক্ষিণ পূৰ্ববঙ্গৰ ভাষাক বঙ্গালী উপভাষা নামেৰে চিহ্নিত কৰিছে। ড০ সুনীতি কুমাৰ চেটাৰ্জিয়ে তেখেতৰ O. D. B. L. গ্ৰন্থতো এই অঞ্চলৰ বাংলা উপভাষাক বঙ্গউপভাষা নামেৰে উল্লেখ কৰিছে। বৰাক উপত্যকাত অৰ্থাৎ বৰ্তমান কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাত ব্যৱহৃত কথ্যভাষাৰ লগত ধ্বনিতত্ত্ব আৰু আন অঞ্চল যেনে ময়মনসিংহ, ঢাকা, কুমিল্লা, নোয়াখালি, চট্টগ্ৰাম, বৰিশাল, ফৰিদপুৰ, কুষ্টিয়া, যশোহৰ, খুলনা, ছিলেট আদিৰ কথ্যভাষাৰ সাদৃশ্য অতি সহজে লক্ষ্য কৰা যায়। উল্লেখ্য যে বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলা স্বাধীনতাৰ আগত ছিলেট জিলাৰ এটি মহকুমা আছিল। কিছু কিছু ক্ষেত্ৰত বাংলা বৰেন্দ্ৰ আৰু কামৰূপ উপভাষাৰ অন্তৰ্গত ৰাজশাহী, পাবনা, বগুৰা, ৰংপুৰ আদি অঞ্চলৰ ভাষাৰ লগতো বৰাক উপত্যকাৰ মিল স্পষ্ট হৈ উঠে। একেদৰে ব্ৰহ্মপুত্ৰ উপত্যকাত ব্যৱহৃত অসমীয়া মান্য ভাষা আৰু গোৱালপৰীয়া, কামৰূপী আদি উপভাষাত ব্যৱহৃত কিছুমান বিশেষ শব্দৰ লগত বৰাক উপত্যকাত ব্যৱহৃত বাংলা শব্দ আৰু বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষাৰ শব্দৰ সাদৃশ্য মন কৰিব লগীয়া। অকল এয়া নহয়, কিছুমান শব্দৰ ব্যৱহাৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগে লগে সুদূৰ ৰাজশাহী, পাবনা, ৰংপুৰ, ফৰিদপুৰ অঞ্চলতো একেদৰে লক্ষ্য কৰা যায়। বিশেষকৈ উভয় উপত্যকাত ব্যৱহৃত তাৰেই কিছুমান সাধাৰণ তদ্ভৱ আৰু বিদেশী শব্দৰ ব্যুৎপত্তি অনুসন্ধানৰ প্ৰয়াস এই প্ৰৱন্ধত কৰিছো। অৱশ্যে এইখিনি উল্লেখ কৰা উচিত হ'ব যে, শব্দৰ ব্যুৎপত্তি অনুসন্ধানৰ ক্ষেত্ৰত ড সুনীতি কুমাৰ চেটাৰ্জি, ড সুকুমাৰ সেন, ড° শহীদুল্লাহ, ড° বাণীকান্ত কাকতি আদি ভাষাতাত্ত্বিক সকলে এই দিশত পথপ্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰিছিল। এই প্ৰৱন্ধত বিশেষ জনাজাত আৰু বহুল প্ৰচলিত শব্দৰ আলোচনা আমি বাহুল্য বোধেৰে বাদ দিছোঁ আৰু বিশেষ বিশেষ শব্দ ব্যৱহাৰৰ ভৌগোলিক পৰিসীমা আৰু বিস্তৃতি দেখুৱাবলৈ চেষ্টা কৰিছোঁ। ফলত বাংলা দেশৰ উপভাষাৰ লগত অসমীয়াত ব্যৱহৃত শব্দ, বচন ভঙ্গি, ৰূপ আৰু ধ্বনি- সাম্যৰ ক্ষেত্ৰত অতি সহজতে আমি সমশব্দ

(ISOGLOSS) আৰু সমধ্বনি গণ্ডীৰেখা(ISOPHONE) টানিব পাৰিম। যেনে, ব্ৰহ্মপুত্ৰ উপত্যকাত ব্যৱহৃত সং, 'স্থিত' শব্দৰ তদ্ভৱ ৰূপ 'থিয় ' (= পোনে পোনে ওপৰলৈ উঠা) শব্দৰ ব্যৱহাৰ বৰাক উপত্যকা বা ছিলেট অঞ্চলত পোৱা নাযায় ; কিন্তু বগুৰা, ৰাজশাহী অঞ্চলত 'থিয়' (বেঁকা নোহোৱাকৈ) ; চট্টগ্ৰাম, কুমিল্লা অঞ্চলত 'থিয়ানো' (= থিয় হোৱা) ; কুমিল্লাত আকৌ 'থিবিৰ' (= বেঁকা নোহোৱাকৈ); চট্টগ্ৰামত 'থিঁয়াত ' (= থিয় অৱস্থাত) শব্দৰ ব্যৱহাৰ পোৱা যায়। আনফালে বৰাক , ছিলেট আৰু চট্টগ্ৰাম অঞ্চলত আৰু বিশেষকৈ বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষাত ব্যৱহৃত 'থিয় হোৱা ' অৰ্থত সং 'উৰ্দ্ধ ' শব্দজাত 'উবা'। /'উবাও'/ 'উবানো' এই তদ্ভৱ ৰূপটো সমগ্ৰ বঙ্গদেশ, আনকি মধ্যভাৰতৰ ক'তো পোৱা নাযায় ; কিন্তু সুদূৰ মাৰাঠি (ওভে ৰাহৰ্ণে = থিয় হোৱা) আৰু গুজৰাটি ভাষাত (উভা থৱো = থিয় হোৱা) শব্দটোৰ ব্যৱহাৰ পোৱা যায়। ধ্বনিতত্ত্বৰ ক্ষেত্ৰত অসমৰ লগে লগে প্ৰায় গোটেই বাংলা দেশ জুৰি চ > ৎস, আৰু বিশেষ বিশেষ শব্দত স্থান বিশেষত 'স' আৰু 'শ'-ৰ 'হ্'-ৰূপান্তৰ লক্ষ্য কৰা যায়।

বচনভঙ্গিৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগত বিশেষকৈ বৰাক উপত্যকা আৰু ছিলেট অঞ্চলৰ কিছুমান মন কৰিব লগীয়া মিল লক্ষ্য কৰা যায়। তাৰেই কেইটামান তলত দিয়া হ'ল ঃ

১- ব্ৰহ্মপুত্ৰ উপত্যকা	ছিলেট আৰু বৰাক উপত্যকা
আগ আন (শুভদিনত প্ৰথমে পকাধানৰ কেইগছমান কাটি ঘৰত চপা)	আগ আনা
আগ চালি (ঘৰৰ সন্মুখৰ ফালৰ সৰু চালি)	আগ চালি
আগ বাঢ়া (অগ্ৰসৰ হোৱা)	আগ বাড়
গা এৰি দে (কোনো দায়িত্ব আনৰ গাত চপাই দি নিজে এৰাবৰ চেষ্টা কৰ)	গা এড়া দিলাও
কহুৱা চোৰ (কাহ ৰোগ থকা চোৰ)	কাউয়া চুৰ
গাঁঠিৰ গুৱা (> সং গ্ৰন্থি) (নিজা সম্বল)	গাইটৰ গুয়া
গাত ল / গা পাতি ল (দোষ স্বীকাৰ কৰ)	গাত লও/ গা পাতি লও

গুৰি ধৰ্	গুড়ি ধৰ
(দিহা বুদ্ধি দি কোনো কাম চলা)	ঘুৰাই পাকাই
গোত গিয়াতি	
(ইষ্ট মিত্র)	গিয়াইত - গোষ্ঠী
ঘূৰি পকি (ফুৰি-চাকি)	
চলিহাই ধৰিছে	
(বুঢ়া বয়সত দৃষ্টি শক্তি ক্ষীণ হৈছে)	চাল্লিশোয় ধৰছে
চোতাললৈ যাবিনে	
(প্রস্রাব কৰিবলৈ বাহিৰলৈ যাবিনে	বাৰে যাইতায়নি
তিৰোতাৰ ভাষা)	
ঢাক - ঢুক	ঢাক - ঢুক
(কথাৰ টিপ- টাপ)	
তই- তোকৰা/ তয়া- তোকা	তুই- তুকাৰ
(তই আদি মাতেৰে অমান্য কৰা)	(তুই- তামাৰি (খু)
তল- ওপৰ	
(ওলট- পালট /ইটোৰ ওপৰত সিটো)	
তলে তলে হুল দি	তলে তলে বান্‌কাটা
(গোপনে শত্রুতা কৰা)	
তালুৱে জিভাই লাগ	তালুয়ে জিব্বভায়
(বিস্ময়ত বাক্‌ৰুদ্ধ হোৱা)	লাগা
তোলনি বিয়া	
(ছোৱালীৰ পুষ্পোৎসৱ)	তোলা বিয়া
	(অসহায় ছোৱলিক
	দৰাৰ ঘৰত
	আনি বিয়া)
দু-তলীয়া	
দুয়ো ফালে সমৰ্থন দেখুৱা মানুহ)	দু-তালিয়া
নাম ধৰ্	নাম ধৰ
(চাপৰি বজাই নাম গা)	(কীৰ্তনৰ শেষত
	নাম-কীৰ্তন
	আৰম্ভ কৰা)
পাক দি	
(কথা ঘুৰাই ক)	পাক দি
পালে পালে	পালে পালে
(জাকে জাকে)	
পিত মৰ্	পিত মাৰ
(শক্তিহীন হ)	(নোখোৱাই মাৰ)
ফাঁক- তাল	ফাক তাল

(ফাঁকি দি স্বাৰ্থ সিদ্ধি)	
বাউলি পাক্ (ক্ষা. বগল)	বাউলি পাক্
(ক্ষন্তেকত পাক মাৰি)	
বাণ্ডি ফটা	বাণ্ডি ফাটা
(ছিৰাছিৰ হৈ ফাট)	
মানে মানে	মানেঁ মানে
(নিজৰ মান ৰাখি)	
ৰাগ চিন্	ৰগ চিন/এক (ৰগ তেড়া 'ৰগ' মেজাজ অৰ্থত ব্যৱহৃত)
(মেজাজ বুজ)	
লগ্‌ল(সংলগ্ন)	লগ্ লও/লগ ধৰ
(সঙ্গী হ)	
লেট্- পেট্	লেট্ পেট্
(সান- মিহলি)	
সুৱাগ তোল্	সুয়াগ মাগা/ হুয়াগ মাগা
(বিয়াত দৰা বা কইনাক ধুৱাই উঠি তিৰোতা বিলাকে পুখুৰী নদী আদিলৈ গৈ মাঙ্গলিক কাৰ্য কৰ)	

তদ্ভৱ শব্দ ব্যৱহাৰৰ ক্ষেত্ৰতো ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগত বৰাক উপত্যকাৰ কিছুমান বিশেষ সাদৃশ্য ধৰা পৰে। যেনে, 'মাতৃ' অৰ্থত অসমীয়াত বহুল প্ৰচলিত সং 'আৰ্যিকা'(= A respectable woman) শব্দজাত 'আই' শব্দটো চলিত বাংলাভাষাত 'জেঠী' অৰ্থে জেঠাইমা (জ্যেষ্ঠ + আৰ্যিকা) শব্দৰ দৰে দুটা এটা শব্দত যুক্ত অৱস্থাত থাকিলেও এককভাবে ব্যৱহাৰ লুপ্ত হৈ পৰিছে। 'শ্ৰীকৃষ্ণ কীৰ্তণ' গ্ৰন্থত 'বড়াই' (বৃদ্ধ + আৰ্যিক্য) আৰু বৃন্দাবন দাসৰ 'চৈতন্য ভাগৱত' গ্ৰন্থত একক ভাৱে 'মাতৃ ' অৰ্থে 'আই' শব্দৰ ব্যৱহাৰ পোৱা গৈছিল ('ত্ৰিভুবনমোহন মুৰলী শুনি আই '/ 'কত এইমত ভাগ্যবতী শচী আই')। কিন্তু বৰাক উপত্যকাত এটি বিশেষ বচনভঙ্গিত 'আই' শব্দটো এতিয়াও সচল । যেনে 'আইয়ে ধৰ মাইয়ে ধৰ খুড়িমাই কাকালিত ধৰ'। ইয়াতে ব্যবহৃত 'আই' (আৰ্যিকা) , 'মাই' (মাতৃকা) 'খুড়ি' (= 'ক্ষুদ্ৰ' শব্দৰ তদ্ভৱ স্ত্ৰী-ৰূপ; যেনে ক্ষুদ্ৰতাত> খুড়া) আৰু 'কাকালি' (কঙ্কাল ; অসমীয়াত কঁকাল) শব্দ কেইটা অসমীয়াত বহুল প্ৰচলিত। অৱশ্যে 'আই' শব্দটো ৰংপুৰ অঞ্চলত পিতামহী অৰ্থে ব্যবহৃত হয়। অসমীয়া উপভাষাত পিতামহী/ মাতামহী অৰ্থে 'আইতা' শব্দৰ প্ৰয়োগ কোনো কোনোৱাই আহোম সকলৰ পৰা অহা বুলি মন্তব্য কৰিছে। কিন্তু দিনাজপুৰ, ৰাজশাহী উত্তৰবঙ্গ অঞ্চলতো মাতামহী

অৰ্থে 'আহিও' শব্দৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। ফলতঃ শব্দটো যে সং 'আৰ্যিকা' শব্দজাত সেই সম্পৰ্কে প্ৰায় নিঃসন্দেহ হব পাৰি। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উপভাষাত বিস্ময়সূচক 'আহিও' শব্দৰ ব্যৱহাৰো মন কৰিব লগীয়া। মধ্যযুগত লিখা বাংলা সাহিত্যত বিশেষকৈ মঙ্গলকাব্যত 'কাঁকাল' শব্দটো কটিদেশ অৰ্থত বহুতো বাৰ পোৱা গৈছে ('রান্ধিয়া বাড়িয়া মোৰ কাঁকাল হৈল বাত', কবি কঙ্কন চণ্ডী)। ইয়াৰ বাহিৰেও একে অৰ্থত খুলনা অঞ্চলত 'কাকাল' আৰু ৰাজশাহী অঞ্চলত 'কঁকৈল' শব্দৰ প্ৰচলন আছে।

গাহৰিক অসমীয়াত কিছুমান অঞ্চলত 'গাৰি শুৱাৰ' বুলি কোৱা হয়। বৰাক উপত্যকা আৰু ছিলেট অঞ্চলত কয় 'গাড়িয়া শুয়ৰ', বগুৰা জিলাত 'গাড়ি শুয়ৰ' আৰু ৰংপুৰ অঞ্চলত কয় 'গাৰিয়া শুয়ৰ (শূকৰ)। গাঁৰি / গাড়ি/ গাড়িয়া/ শব্দটো সং'গৰ্ত' শব্দৰ তদ্ভৱ ৰূপ (গৰ্ত গডড/ গাড়/ গাৰ + গাৰিয়া ই/ ইয়া প্ৰঃ)। 'গৰ্তৰ অৰ্থ প্ৰসাৰিত হৈ হৈছে বোকাযুক্ত বদ্ধ পানী। ময়মনাসিংহ অঞ্চলত 'গাহিৰা' কওতে গাহৰিক বুজায়। এই প্ৰসঙ্গত অসমীয়া 'গাহৰি' (= শূকৰ) শব্দটোৰ সৃষ্টি মন কৰিব লগীয়া। ড° বাণীকান্ত কাকতিয়ে শব্দটো অনাৰ্য মূল বুলি কলেও 'হেম কোষ'ত গা (< গাত্ৰ) + হৰি (= বিষ্ণু) অৰ্থাৎ বিষ্ণু বৰাহ হৈছিল এতেকে 'গাহৰি' বুলি কোৱা হৈছে। কিন্তু আমাৰ ধাৰণা শব্দটো হ'ল সং 'গহ্বৰ' (গুহা, গাঁত) শব্দৰ তদ্ভৱ ৰূপ (গহ্বৰ> গৱহ্‌ৰ >গাহৰ [Compensatory Lengthening] গহ্বৰবাসী অৰ্থে শূকৰক 'গাহৰি' কোৱা হৈছে, যেনে গাঁতত থাকে বুলি ময়মনাসিংহ অঞ্চলত শূকৰক 'গাহিৰা' কোৱা হৈছে। আচলতে গহ্বৰ বাসী বাগৰ্তবাসীৰ অৰ্থ সংকুচিত হৈ ইয়াত অকল শূকৰক বুজাইছে। অৱশ্যে ফোঁহোৰা অৰ্থে 'গাঁৰ / 'গাঁড়' শব্দটো আহিছে সং 'গণ্ড' (= Pimple) শব্দৰ পৰা। একেই অৰ্থত শব্দটো যচোহৰ, কুমিল্লা, ফৰিদপুৰ, পাবনা, খুলনা, ছিলেট আৰু বৰাক, উপত্যকাতো ব্যৱহৃত হয়।

সমষ্টিবাচক 'গোট' শব্দটোৰ বুৎপত্তি কাকতি দেৱে সং 'গোত্ৰ' শব্দৰ পৰা দেখুৱাইছে। কিন্তু 'গোত্ৰ' শব্দত কৈ সং 'গোষ্ঠ্' (=To assemble) শব্দৰ পৰা 'গোট' শব্দৰ উৎপত্তি অধিক যুক্তিপূৰ্ণ যেন লাগে। একে অৰ্থত 'গুইট' শব্দ ছিলেট আৰু বৰাক উপত্যকাত প্ৰচলিত।

অসমীয়া 'জুতি' (= সোৱাদ) শব্দ সম্পৰ্কে ড০ উপেন্দ্ৰ নাথ গোস্বামী দেৱে নিঃসন্দেহ যে শব্দটো বড়ো 'জুথি' (= সোৱাদ) শব্দৰ পৰা আহিছে। শব্দটো অসমীয়াত সোৱাদ,সুবিধা,সুচল, অনুৰক্তি অৰ্থতে ব্যৱহৃত হয়। মন কৰিব লগীয়া যে, শব্দটো বিভিন্ন অৰ্থত বাংলা উপভাষা সমূহত কোৱা যায়, যেনে, 'জুত' (ৰ, উ, ব); =শাসন কৰা (দি); = কায়দা = মেৰামত (ৰা); = সুবিধা

(বা) ; 'জুইত'(জুত' বা 'জুতি' শব্দৰ অপিনিহিত ৰূপ) = সুবিধা (কুম, খু, নো, ঢা, ছি, বৰাক উপত্যকা) = গঠন(বা) ; = ঠিক (ছি, কুম, বৰাক উপত্যকা)। সোৱাদ অৰ্থতে 'জুইত' শব্দ ছিলেট আৰু বৰাক অঞ্চলত ব্যৱহৃত হয়। ড০ সুকুমাৰ সেন আৰু ড০ শহীদুল্লাহ্ চাহাবে শব্দটোকে তদ্ভৱ হিচাপে চিহ্নিত কৰিছে (জুত যুক্ত = উপযুক্ত ; জুইত > যুক্ত; জুতি > জ্যোতি / দ্যুতি / যুক্তি)। 'জুতি 'শব্দৰ ব্যৱহাৰ ' শ্ৰীকৃষ্ণ কীৰ্তন' গ্ৰন্থতো পোৱা যায় (ৰান্ধনেৰে জুতী হাৰায়িলোঁ বড়ায়ি সুণিআঁ বাঁশীৰ নাদে ।।)।

সং 'মন্ত্ৰ (To say, speak) শব্দজাত 'মাত্ ' (= উচ্চাৰণ, কৰ্, আহ্বান কথা) শব্দ অসম আৰু বাংলা দেশৰ ব্যাপক অঞ্চলত বহুল ভাবে ব্যৱহৃত হয়। যেনে 'মাত্' শব্দ, কথা (অস, বৰাক উপত্যকা, ছি, চট্ৰ, কুম); 'মাত-বোল্' (অস, বৰাক উপত্যকা, নো, ছি) ; 'মাত্ ৰা' = সকলৰ আগত কথা কব পৰা (চট্ৰ); = অত্যাধিক কথা কোৱা মানুহ (ছি, বৰাক উপ.) ; নিমাত = মাত নথকা (অস নিমাতী /স্ত্ৰী / (অস); নিমাত্ৰা / নিমাত্ৰি /স্ত্ৰী/ = নিশ্চুপ (ছি, বৰাক উপ.)। বাংলাদেশৰ 'আঞ্চলিক ভাষাৰ অভিধানত ' 'মাত্' শব্দটো সং 'বাৰ্তা' শব্দৰ তদ্ভৱ ৰূপ বুলি মন্তব্য কৰা হৈছে। অৱশ্যে ড০ সেন আৰু ড০ কাকতি দেৱে 'মাত্' শব্দৰ ব্যুৎপত্তি দেখুৱাবলৈ গৈ সং 'মন্ত্ৰ' শব্দৰ উল্লেখ কৰিছে। অসমীয়া 'কথা- বতৰা' যুৰীয়া শব্দৰ 'বতৰা' সংবাদ অৰ্থে প্ৰযুক্ত বাতৰি আৰু হিন্দী 'বাত' শব্দ কিন্তু সং 'বাৰ্তা' শব্দ জাত।

এটি বিতৰ্কিত শব্দ হ'ল কামৰূপী উপভাষাত দুটা অৰ্থে ব্যৱহৃত গালি বিশেষ 'বৈতাল ' শব্দ। ড০ উপেন্দ্ৰ নাথ গোস্বামী দেৱে শব্দটো বড়ো 'বয়থালা 'শব্দৰ পৰা আহিছে বুলি মন্তব্য কৰিছে। শব্দটো গালি অৰ্থে বাংলা উপভাষাতো ব্যৱহৃত হয় , যেনে বৈতল = অকৰ্মন্য (ছি, বৰাক উপ.) ; অসৎ চৰিত্ৰৰ তিৰোতা (ঢা) ; দুষ্ট (কু, পা) ; = গালি দিয়া মানুহ (খু)। স্ত্ৰীলিঙ্গত শব্দটো 'বৈতাল্নি' (ঢা) 'বৈতল্নি' (ছি, বৰাক উপ) ৰূপত পোৱা যায় শব্দটো সং 'বেতাল ' (= a vampire) শব্দজাত হব পাৰে আৰু হোৱাটো স্বাভাবিক (সং 'বেতাল' = বৈতালিক = One who is a votary of Vetala)।

আৰু এটি বিতৰ্কিত অসমীয়া শব্দ হ'ল 'লেখীয়া' (= নিচিনা)। ড০ উপেন্দ্ৰ নাথ গোস্বামীদেৱে শব্দটো দেউৰী - চুতিয়া ভাষাৰ পৰা উদ্ভুত বুলি মন্তব্য কৰিছে। কিন্তু দেখা যায় শব্দটো একে অৰ্থত অবিকৃত বা কিঞ্চিৎ পৰিবৰ্তিত ৰূপত বৰাক উপত্যকাত ব্যৱহৃত বাংলা উপভাষাৰ পৰা বিহাৰৰ ভোজপুৰী ভাষালৈ বিস্তৃত অঞ্চল জুৰি ব্যৱহৃত হয়। যেনে 'লাখান্' (বৰাক উপ, ছি); 'লাকাম' (ব) ; 'লাকান্' (ৰা, নো); লাকাতি (ৰা) 'লাকাল' ; (নো, কু) ; 'লাইন্', (নো, চট্ৰ); নাকান্, (উ.ব) ; 'লেখিয়া' (ভোজপুৰীঃ ; 'লাখান্', বড়ো

আৰু ৰাভা শৰণীয়া বিলাকৰ ভাষা) ; 'লাহান্,' (কুম, বা, ফ্); 'লাহানি' (কুম)। ড০ কাকতি দেৱে শব্দটো অনাৰ্যমূল বুলি উল্লেখ কৰিছে আৰু তিবৱত- ধৰ্মীয় বড়ো আৰু ইয়াৰ সমগোত্ৰীয় ভাষা সমূহৰশব্দ তালিকাত এই শব্দৰ উল্লেখ কৰিছে। কিন্তু ড° শহীদুল্লাহ্ চাহাবে তেখেতৰ সম্পাদিত 'বাংলাদেশের আঞ্চলিক ভাষার অভিধান'ত শব্দটোৰ বুৎপত্তি নিৰ্দেশ কৰিবঁলৈগৈ সং'লগ্ন' শব্দৰ তদ্ভৱ ৰূপৰ লগত 'আন্'/ 'আতি'/ 'আম্' আদি প্ৰত্যয় যুক্ত হৈ শব্দটো সৃষ্টি হৈছে বুলি দেখুৱাইছে। তেখেতে দেখুৱা মতে গ>ক / গ> খ > হ অৰ্থাৎ 'গ' এই ঘোষ ব্যঞ্জনৰ অল্পপ্ৰাণিত বা মহাপ্ৰাণিত আঘোষ হোৱাটো স্বাভাৱিক যেন লাগে। অসমীয়া 'লেখীয়া' শব্দটো সেই দিশৰ পৰা সং'লগ্ন' শব্দৰ 'ঈয়া' প্ৰত্যয়ান্ত তদ্ভৱ ৰূপ হোৱাটো অসম্ভৱ নহয়।

প্ৰসঙ্গত ঃ উল্লেখ কৰিব পাৰোঁ যে, সং'লগ্ন' শব্দ তদ্ভৱ ৰূপত কেতিয়াবা বিভিন্ন প্ৰত্যয়যুক্ত হৈ নব্যভাৰতীয় আৰ্য ভাষাত ভিন্ন ভিন্ন অৰ্থত সোমাই পাৰিছে। যেনে অসমীয়াত সংলগ্ন> 'লগ' (সঙ্গ) ; 'লগা' (সংযুক্ত কৰ) ; 'লগতে' (একেলগে); 'লগনীয়া' (টুটকীয়া); 'লগৰী' (সঙ্গিনী) ;'লগৰীয়া ' (সঙ্গী) ; 'লগাওঁতা ' (যি লগায়); 'লগালনি ' (সংলগ্ন) ; 'লগি' (গৰ্ভৰ সন্তানক আবৰি ৰখা পাতল ছাল); 'লগি ' (চৰি) ; 'লগীয়া' (আৱশ্যকীয়)। বাংলা মান্য ভাষাত 'লগা' / 'লগি' (চৰি) ; 'লগন্' (লগ্ন) ; 'লাগ্' (স্পৰ্শ) ; 'নাগাল' (নৈকট্য) ; 'লাগা' (লিপ্ত হোৱা) ; 'লাগনো' (লিপ্ত কৰা) ; 'লাগানি' (টুটকিয়া) ; 'লাগিয়া '/ 'লাগি' (বাবে) ; 'লাগাতাৰ ' (ছেদহীন)। বাংলা উপভাষাত 'লাগ' অৰ্থত 'লাগুত' (ম) ; একে অৰ্থত 'লাগুৰ' (ফ, কুম, নো, ঢা, বা); কাজিয়া অৰ্থত 'লাগন'/ 'লাগ' (কুম) ; সাক্ষাৎ অৰ্থত 'লাগ' (কমি, য, ছি, বৰাক উপ; ওচৰ অৰ্থে লাগান' (ম) 'লাগা' (ছি বৰাক উপ); বাবে অৰ্থে 'লাগিন' (কু) 'লাগিল' (ম); 'লাগ' অৰ্থে 'লাগ্গত' (চট্ট); ঋণ অৰ্থে 'লাগগ' (ঢা) ইত্যাদি। অসমীয়া 'আলগ' / 'আলগা' / 'বেলেগ' এই শব্দ কেইটাও 'লগ্ন' শব্দৰ পৰা আহিছে। (আ+লগ্ন, বি+লগ্ন)। 'আলগ' অৰ্থে কুমিল্লাত 'ব্যালাক্' [বে+ লাগ (লগ্ন)] আৰু খুলনা অঞ্চলত 'বেলোক্' (বিলগ বিলগ্ন) শব্দৰ ব্যৱহাৰ পোৱা গৈছে। অসমীয়া 'নিলগ' শব্দৰ সৃষ্টি একেদৰে 'লগ্ন' শব্দ জাত। অৱশ্যে 'লগ' , 'লগতি', 'লগিত' আদি শব্দ কেইটাও মূল সংস্কৃত ভাষাত পোৱা যায়।

পূৰ্ব ভাৰতৰ বিস্তৃত অঞ্চল জুৰি ব্যৱহৃত এটি শব্দ হ'ল 'দেও' (অপদেৱতা)। উপেন ৰাভা হাকচাম দেৱে তেখেতৰ "অসমীয়া ভাষাত তিবৱত-বৰ্মীয় উপাদান কিছু কিছু নতুন চিন্তাৰ উন্মেষ' প্ৰৱন্ধত বড়ো, গাৰো, দেউৰী, ৰাভা আদিৰ দেও- জ্ঞাপক কিছুমান শব্দৰ উদ্ধৃতি দি তেখেতে কব বিচাৰিছে যে, অনাৰ্য ভাষাৰ পৰা শব্দটো

অসমীয়াত গৃহীত হৈছিল। এই প্রসঙ্গত তেখেতৰ মন্তব্য হ'ল "থলুৱা ভাষাত প্ৰচলিত লৌকিক ৰূপবোৰ অসমীয়া ভাষাঁলৈ অসমীয়া কৃত আৰু সংস্কৃত কৃত (Sanskritised) হৈ প্ৰয়োগ হৈছিল।" কিন্তু 'দেও' শব্দৰ ক্ষেত্ৰত আমি হাকাচাম দেৱৰ মন্তব্য মানি লব নোৱাৰোঁ। কাৰণ 'দেও' শব্দটো মূলতঃ ফাৰ্চী শব্দ ,(দেও = দৈত্য, অসুৰ)। আনফালে সং'দেৱ' শব্দৰ পৰাও 'দেও' শব্দৰ সৃষ্টি হৈছে, যেনে দেৱবাৰ > দেওবাৰ ; দেৱতা > দেউতা ; দেৱগিৰি > দেওগিৰি ; দেউ (= বাপু) দেৱ / দেৱতা এতেকে দেও' শব্দ ফাৰ্চী 'দেও' নাইবা সং'দেৱ' শব্দৰ পৰা অহাটোৱে স্বাভাৱিক। বাংলাদেশৰ বিস্তৃত অঞ্চলত আৰু বাংলা মান্যভাষাত 'দেও' বা 'দেয়া' শব্দৰ ব্যৱহাৰ পোৱা হৈছে। আনকি বৈষ্ণৱ পদাৱলীত অপদেৱতা অৰ্থে 'দেবা' শব্দৰ ব্যৱহাৰো লক্ষণীয় (গুৰু দুৰুজন / ভয় নাহি মনে - / কোথা বা কি দেবা পাইল ।। চণ্ডীদাস) । বৰাক উপ., ছিলেট আৰু ৰংপুৰ অঞ্চলত অপদেৱতা অৰ্থে 'দ্যাৰ্ত্ত', শব্দৰ প্ৰচলন আছে। মেঘ অৰ্থে সং'দেৱ' শব্দজাত 'দ্যাও' (ঢা) ; দেৱতা অৰ্থে 'দ্যাও' (ৰ) ; দৈত্য অৰ্থে 'দ্যাও' (ঢা, ব, ৰা) ; মেঘ অৰ্থে দ্যাঐ (বা, ফ); বৰষুণ অৰ্থে দেঐ (বা); সূৰ্য অৰ্থে দ্যেওয়া (কুম) আৰু অপদেৱতা অৰ্থে 'দেউদে' (পা, ফ) শব্দ বাংলা উপভাষাত প্ৰচলিত।

ইয়াৰ বাহিৰেও বৰাক উফ, ছিলেট , ত্ৰিপুৰা, মনিপুৰ আদি অঞ্চলৰ বিষ্ণুপ্ৰিয়া মনিপুৰী সকলে অপদেৱতা আৰু দেৱতা অৰ্থে 'দৌ' শব্দটো ব্যৱহাৰ কৰে। ড০ কালিপ্ৰসাদ সিংহ দেৱে তেখেতৰ 'A Etymological Dictionary of Bishnupriya Manipuri' গ্ৰন্থত শব্দটো সং'দেৱ' শব্দৰ তদ্ভৱ ৰূপ বুলি উল্লেখ কৰিছে।

অৱশ্যে ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক, উপত্যকা,ছিলেট আৰু ফৰিদপুৰ অঞ্চলত ঘৰৰ চালৰ সঁজুলি বুজাবঁলৈ 'ৰুৱা' / 'ৰুয়া' শব্দৰ ব্যৱহাৰ বড়ো শব্দৰ পৰায়ে আহিছে৷ ব্ৰহ্মপুত্ৰ উপত্যকাত একো নজনা লোক অৰ্থে 'আব্ৰা' বড়ো সকলৰ পৰা আহিছে বুলি ড০ উপেন্দ্ৰ নাথ গোস্বামী দেৱে দেখুৱাইছে। শব্দটো কথা ক'ব নোৱৰা লোক অৰ্থে বৰাক উপত্যকা আৰু ছিলেট অঞ্চলত ব্যৱহৃত হয়।

বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষাত জ্ঞানহীন অৰ্থে 'আবেৰা ' শব্দৰ প্ৰচলন আছে৷ শব্দটোৰ বুৎপত্তি দেখুৱাবলৈগে ড° কালিপ্ৰসাদ সিংহ দেৱে আৰবী 'আৱলাহ্' শব্দৰ উল্লেখ কৰিছে। এই প্ৰসঙ্গত আ. 'আৱলাহ্' শব্দৰ যথাৰ্থতা ভাবি চাবলগীয়া বিষয়।

কামৰূপী- উপভাষাত ব্যৱহৃত 'চে'ঙ্ৰা (= ডেকা) শব্দটো বড়োমূল বুলি গোস্বামী দেৱে দেখুৱাইছে। শব্দটোৰ ব্যৱহাৰ ব্যাপক অঞ্চলত লক্ষ্যল কৰা যায় ; যেনে 'চ্যা'ংড়া' পোৱালি (ছি, বৰাক উপ, খু, ব) ; 'চ্যা'ঙড়া' = দুষ্ট (কুম, ৰ) ; 'চ্যা'ঙৰামি' = দুষ্টামি (বা, কুম);= ধেমালি (পা); = ল'ৰা ছোৱালি সুলভ চপলতা (ছি, বৰাক

উপ)। কামৰূপ অঞ্চলত ব্যৱহৃত আৰু এটি বড়োমূল শব্দ 'চাঙ্' বৰাক উপত্যকা, ছি, পা, ব, ম, ফ, চট্ট আদি অঞ্চলতো ব্যৱহৃত হয়। সং'মঞ্চ' শব্দ সবাংলা মান্য ভাষাত 'মাঁচা,' 'মাচান' আৰু উপভাষাত 'মাচাঙ,' 'মাচাং' (বা, নো, ব, ছি, বৰাক উপ.) নাইবা 'মাচাইল' (ফ, ঢা) ৰূপত পোৱা গৈছে দ্ৰ আদিস্থিত ব্যঞ্জণধ্বনি লুপ্ত হৈ সং'মঞ্চ' শব্দৰ পৰা 'চাং' শব্দৰ সৃষ্টি হোৱাটো অসম্ভৱ নহয়। হেমচন্দ্ৰ বৰুৱা ('হেমকোষ') আৰু হৰিচৰণ বন্দ্যোপধ্যায় ('বঙ্গীয় শব্দকোষ') এই প্ৰসঙ্গত ব্যুৎপত্তি হিচাপে 'মঞ্চ' শব্দকেই নিৰ্দেশ কৰিছে। আনফালে ড° শহীদুল্লাহ চাহাবে 'চাঙ্' শব্দৰ সৃষ্টি সং'চঙ্গ' শব্দজাত বুলি মন্তব্য কৰিছে। অৱশ্যে 'চঙ্গ' শব্দটো সংস্কৃতায়িত (Sanskritised) দেশীয় শব্দ হব পাৰে। প্ৰাকৃত ভাষাত লিখিত ৰাজশেখৰৰ 'কৰ্পূৰমঞ্জৰী-ত' সুন্দৰ / ৰম্য অৰ্থে ব্যৱহৃত 'চঙ্গ' শব্দটো কিন্তু দেশী শব্দ। পাৰ্গত অৰ্থে মাৰাঠী ভাষাত যি 'চঙ্গ' শব্দৰ ব্যৱহাৰ পোৱা যায় সেই শব্দটো সম্ভৱতঃ প্ৰাকৃতে সাহিত্যত ব্যৱহৃত দেশীয় শব্দৰ পৰা আহিছে। হিং 'চঙ্গ', বাংলা 'চাঙ্গা' (= সুস্থ) শব্দটো মাৰাঠী 'চঙ্গ' শব্দজাত। এই প্ৰসঙ্গত উল্লেখ কৰা উচিত যে ইণ্ডো-ইউৰোপীয় গোষ্ঠীৰ ফাৰ্চী ভাষাত ভিন্ন ভিন্ন অৰ্থে 'ছঙ্গ' (= বীণা বিশেষ, অঙ্কুশ, আঁচোৰা) শব্দটো ব্যৱহৃত হৈছিল। সংস্কৃত ভাষাত বেতেৰে সজোৱা দি কোনো বস্তু বুজাৰলৈ গৈ 'চঙ্গা' শব্দৰ প্ৰয়োগ কৰা হৈছিল। অস, 'চঁছালি' বৰাক উপ, ছি, 'চাচ' শব্দটো সং 'চঙ্গা' শব্দজাত।

এতিয়া বৰাক উপত্যকা, ছিলেট আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত ব্যৱহৃত কিছুমান বিশেষ তদ্ভৱ আৰু বিদেশী শব্দৰ উৎসহ সন্ধান আৰু এই সকল শব্দ ব্যৱহাৰৰ ভৌগোলিক পৰিধি অঙ্কন কৰাৰ চেষ্টা আমি কৰিব পাৰোঁ। অৱশ্যে এই ক্ষেত্ৰত আমি বাংলা উপভাষাৰ বঙ্গালী, কামৰূপ আৰু বৰেন্দ্ৰ অঞ্চলক হে গ্ৰহণ কৰিছোঁ।

ব্ৰহ্মপুত্ৰ উপত্যকা	ছিলেট আৰু বৰাক উপত্যকা	উৎস	শব্দ ব্যৱহাৰৰ ভৌগোলিক পৰিধি
আঁতৰ (নিলগ) আঁতৰা আঁতৰি (পৃথক)	আত্‌ৰা/ আত্‌ৰা আত্‌ৰি	সংঅন্তৰ	
আউলি-জাউলি (বিহ্বল/বিতত)	আউল-জাউল আউল্-খাউল্	< সং আকুল (দ্বিত্বৰ ফলত জাউল জাউল/ জাউলি/ খাউল শব্দৰ আগম ঘটিছে)	অউলি- জউলি (বি) আউল-জাউল(ম,ঢা,উ.ব) আউল- পাউল(চট্ট) আউল্-বাউল (ৰ) আউল-ডাউল(দিৰা) ভাউল (সং, বাকুল)
উৰণ (পৰিধান কৰা)	উৰণ/ উৰা (বিশেষ বিশেষ অঞ্চলত ব্যৱহৃত হয়)	< সংঅৱবেষ্টন (> ওত্ৰড্ঢন > ওৰণ/ ওড়ন)	ওড়না (হিং),উৰন্ (ঢা) উৰ (বি) উৰা (উ.ব)
উড়হ/ উৰহ	উলশ্	< সং উদ্দংশ	উড়স (হিং), উলশ্ (ম) উৰশ (বি) উৰ্কইশ (ম,ঢা) উকশ্(ঢা, কু উ.ব)

উনি /দুনি (অলপ/বেছি)	উনা/দুনা	< সং উন (= insufficient) < সং ন্যূন < সংদ্বিগুণ	দুনা (পা) দুনাইয়া (ঢা) উনা/দুনা (মান্য বাংলাত প্ৰচলিত)
কাছুটি (কঁকালত পিন্ধা সৰু কাপোৰ)	কাছুটি(কঁকালত (কটিবস্ত্ৰ)	< সংকচ্ছটিকা/ কচ্ছাটী	কাছ্লা (ৰ) কাছৌটি (হিং)
কাজিয়া (বিবাদ)	কাইজ্জা/ কাঁজিয়া	< আ. কযীয়ঃ	কাজ (ম), কাজা (পা.ৰা) কাজিয়া (উ.ব)
কিৰা (শপথ)	কিৰা	< সংক্ৰিয়া	কিৰিয়া (হিং) কিৰা (ঢা, কুম, বি,উ.ব)
কুঁচি- মুচি(হাত) ভৰি সাবটি)	কুচি -মুচি	< সং কুঞ্চতি (দ্বিত্বৰ ফলত 'মুচি' শব্দৰ আগম ঘটিছে)	কুচি-মুচি (উ.বঃ)
কুলি/কুৰুলি (ক'লা বৰণীয়া চৰাই)	কুলি (অৰ্থ প্ৰসাৰিত হে ফেঁচা, কেতিয়াবা আন চৰাইকো বুজায় যেনে 'কাউয়া-কুলি')	< সং কোকিল	কুলি (ঢা)কোৱেল(হিং) (বৰ্বকে ক'লাঅৰ্থে অসমীয়াত 'কুলিৰ ডিমা' বচন ভঙ্গী ব্যৱহৃত হয়। একেদৰে ৰংপুৰত 'কাউয়াৰ ডিমা'অত্যন্ত এন্ধাৰ অৰ্থে ব্যৱহৃত হয়।
খজুৱা (কণ্ডুয়ণ)	খাউজানি	<সং খৰ্জু, √খৰ্জ্	খুজানা (হিং) খাজুয়া (বি) খাউজান (ৰা,ব) খাউজ্জান (কুম) খাজুলানো (ৰ)
কাঁকৈ (এবিধ ফলি)	কাকইৰ	<সং কঙ্কতিকা	কাঁকানো= ক্ৰিয়াপদ (ৰ) কাঁকৈ (উ. ব)
গাভিনী (গৰ্ভৱতী, জন্তুৰ ক্ষেত্ৰত ব্যৱহৃত)	গাবিন্	<সং গৰ্ভিনী গৰ্ভিত (ত >ন)	গাবিন্ (কুম, ঢা, ব, ৰা, উ, ব, বি) গাবুনি (ম)
খেৰ কুটা (খেৰ বা বা তাৰ নিচিনা বস্তুৰ নিচেই সৰু সৰু টুকুৰা)	খেৰ কুটা	<সং কট = a kind of grass <সং কুট্টিত =to cut	খেৰ্ (চট্ট), খ্যাড় (ৰা) খেৰ্ (বি) খ্যাৰ্ (উ. ব)
গো-বাট (গৰু আদি অহা যোৱা কৰা বাট)	গুপাট্	<সং, গো-বৰ্ত্মন	গুপাট (কুম) গোপাট্ (কুম, ম, ঢা)

গিৰী (গৃহস্থ)	গিৰি (গৃহী) গিৰিখাওৱা (গালি বিশেষ; যিজনে ঘৰৰ মালিকৰ সৰ্বনাশ কৰে)	<সং গৃহী	গিৰি = সম্মানিত (ৰি) গৰি (ৰ, চট্ট, নো, ৰি) গিৰিআলা (ঢা) গিৰিস্ = গৃহস্থ (কুম) গিৰি = ঘৰৰ মালিক (উ. ব)
গিৰ্মিট্ (চুক্তি-পত্ৰ)	গিৰ্‌মিট	<ইং agreement)	গিৰিমিল্‌টি (পা) গিৰিমিৰি = মন্ত্ৰণা (ম)
গাঁত্ (মাটি খান্দি দ কৰা ঠাই)	গাত্ /গাতা	<সং গৰ্ত	গাঁত (চট্ট), গাত (বি) গাতা (ঢা, কুম) গাতি (ৰা, ঢা, কুম, য, খু) গাতহি (চট্ট, ছি, বৰাক উপ.) গাতাগুতি (ছি, বৰাক উপ)
গেদ, গেদেৰা (জুলিয়া বস্তু তপ-তাওঁতে ওপৰলৈ উঠি অহা মল)	গাদ্	< বড়ো গেদ্‌ৰা (ড. উপেন্দ্ৰ নাথ গোস্বামী) কিন্তু আচলতে শব্দটো সং কৰ্দ্দ শব্দজাত	গদ্দা (হিং), গাদ্‌ৰা (ফ) গাদ্ (য) গেদেৰা ময়লা (বি, উ ব.)
চোঁচা (গুটি বা মূলৰ ওপৰৰ পাতল ছাল)	চুচা (সাৰ নথকা শস্য)	সং. চোচ = Skin মতান্তৰে <সং তুচ্ছ (>চুচ্ছ > চুচ্ছা)	চচা = সাৰ নথকা শস্য (বি) চুচা = মাছৰ চোকোৰা (ম) চুচা= গুটিৰ পাতল ছাল (য) চুচা= সাৰ নথকা শস্য(ম,কুম) চুচ্চা =বাকলি (নো, কুম) চোচা = পাতল ছাল (ম,পা,ৰ,উ,ব)
চোকা (তীক্ষ্ণ, খঙাল)	চুকা (তীক্ষ্ণ) চুক্ (খং) চুক্ কুম্ (খং)	<সং চোক্ষ	চুঁহা, চুক্কা = তীক্ষ্ণ (কুম) চহা (বি) চোকা = বুদ্ধিয়ক (ফ, খু, উ,ব) চোকা = চোক থকা (ৰ) চোখ্‌খা = তীক্ষ্ণ (ৰা)
চোকোৰা/ ছোকোলা (বস্তুৰ ওপৰৰ আবৰণ ভাগ)	চুক্‌লা চিল্‌কা	<সং চোলক (তদ্ভৱ ৰূপত বৰ্ণ বিপৰ্যয় ঘটিছে)	চোগ্‌লা (নো, কুম) চোঁকা (ৰা) ছিল্‌কা (ৰ, ৰা)
ছেলা(ছাল গুচা)	ছুলা	<সং ছিন্ন (>ছিল,ছুল+আ প্ৰ.)	ছিলা (ৰ, ৰা, উ, ব)
জাৰ (শীত, শীতৰ অনুভূতি)	জাড্	<সং জাড্য	জাৰ (ৰা, বি, উ ব) জাকয়া শীতকালীন (দি) জাড়ুয়া শীত সহ্য কৰিব নোৱাৰা মানুহ (ৰা) জাড়া (হিং)

জাবৰ (আৱৰ্জনা)	জাবড়া	<সং জৱসঃ = pasture grass (> জাব+ৰ, ড় প্রঃ)	জাব্বা (ৰ, বা, ব,ম, জাবড়ু (বা, ৰ) মধ্য মধ্য যুগৰ বাংলা সাহিত্যত আবৰ্জনা অৰ্থে 'জাবাড়' শব্দ পোৱা গৈছে৷
জুম (গোট খোৱা)	জমা /জুমিয়া	<আ. জম্‌আ	জম্ (বি) শব্দটো বহুল প্রচলিত।
জোকাৰ (উকলি) ঠগ্ (প্রৱঞ্চক)	জুকাৰ ঠগ্/ঠগামি ঠগ্‌ঠগামি	<সং জয় কাৰ <সং সৃগ	জোগাৰ (উ. ব) ঠক্ (বি) ঠক্ ঠকানো (বাংলা মান্য ভাষা)
তেল চিকুটি (তেল লাগি গাত বা কাপোৰত বন্ধ হোৱা মলি)	তেল চিটকা (তেল লাগি বিশেষকে বাসনত বন্ধ হোৱা মলি)	<সং তৈল+চিত্র+কা প্র (বর্ণ বিপর্যয়ৰ ফলত 'চিকুটি)	চিক্কট (হং) চিক্‌টা (বা, দি, ৰ) তেল্ শিটকেনি (খু) তেল চিট্‌কা (উ ব)
থাউকাল থাউকতে / থোক (জোঁটা একেবাৰতে)	থাউকা (পাইকাৰী,	<সং স্তবক + আল, আ প্র মুঠতে)	থাউকা (ৰ, কুম, উ ব)
থিৰে-জুৰে (লাহে লাহে)	থিৰে-ধীৰে	<সং স্থিৰ+ধীৰ = calm স্থিৰ+জুৰে (মিশ্রৰ ফলত)	থিৰ (খু) মধ্যযুগৰ বাংলা সাহিত্যত 'থিৰ' শব্দ বহুল ব্যৱহৃত ।
দৰমহা (মাহিলি বেতন)	দৰমাহ (বিশেষ বিশেষ অঞ্চলত প্রচলিত)	<ফা. দৰমাহহ্ দৰমাহা থাউকা =	দড়্মা (বা), দৰ্‌মা (উ.ব) বেতনভোগী (বা)
ধলপুৱা (নিচেই পুৱা)	ধলপৰ /ফৰ	<সং ধৱল পুৱা সং প্রভাত পৰ/ফৰ <সং প্রসৰ/ প্রহৰ	ধল পহৰ (চট্ট) ধল পুৱা (উ.ব)
ধেমালি (খেলা, তামাছা)	ধামাইল (গীত বাদ্যৰ সৈতে তিৰোতা বিলাকৰ আনন্দসূচক নৃত্য)	<সং দম্ভালিকা	ধামালি(ব)দামালি (কুম) দামাইল =দেশীয় ফকীৰৰ মেলা (ঢা)
ধুম্ৰা (আকৃতিত ডাঙৰ আৰু স্থূল)	দুম্ৱা	<ফা. দুম্ব	ডুম্বা (বি) দুম্বা (উ. ব)
নাতি-পুতি (নাতি আৰু বংশৰ বাঢ়ি যোৱা আন মানুহ বিলাক)	নাতি-পুতি / নাতি-নাতল	<সং নপ্তৃক + পৌত্র	পুতা (নো) পুতি সক <সং নাতি-নাতল (বি) নাতি-পুতি (উ.ব)

পোৱালি (কম বয়সৰ জন্তু)	পুয়া /পুলা (পুত্র)	<সং পোত + আলি প্র <সং পুত্র	পুলা (নো); পুয়ালি = গছৰ পুলি (ৰা) তুলনীয় অস-'পুলি'
পতি পতি কৈ (বাৰে বাৰে)	পই পই কৰি পৈত পৈত কৰি	<সং পংক্তি পংক্তি পদে পদে	পৈ পৈ (খু). পই পই /পাঁতি পাঁতি (মান্য বাংলা)
পৰাচিত	পৰাচিত	<সং প্রায়শ্চিত্য	পৰাচিত্তি (ম) পৰাজিত (বি) পাৰাচিতা (উ. ব)
পঘা (গৰু ম'হ আদি বন্ধা জৰি)	পাগা	<সং প্রগ্রহ	পাঘা (দি, ৰা) পাগা (ঢা, ম, কুম)
পথাৰ (খেল-ধেমালি কৰা সমতল ঠাই)	আতাৰে-পাথাৰে (যুৰীয়া শব্দ) [অন্তৰে প্রান্তৰে]	<সং প্রান্তৰ	পাতাৰ (ৰা), পাথাৰ(ফ,পা) পাথৰ (কুম), ফাতাৰ (ফ) পাঁথাৰ (ৰা,দি) পৌথাৰ(ব)আতাৰে-পাতাৰে (বি) পথাৰ (উ.ব)
পথালি (বহল ফাল)	পাথাৰে/ পাতাৰে/ পাথাইৰ	< সং প্রস্ত (> পাত +আৰ, আলি প্র.)	পাতাল(ৰা)পাতালি (উ. ব) পাতহিল্লা(কুম ম) পাথাইৰ (স) পাথাৰে (ম) পাথাৰি (বি)
পাংগা (কামৰ পৰিকল্পনা)	পাংগনা/ পাংগা/ পাংনি (আন্দাজ)	-?-	পাংগা = অনুমান(ৰা) পাংতি = (ঢা)
পোহৰ (এন্ধাৰ নোহোৱা)	পৰ্/ফৰ্	< সং প্রসৰ	পৰ্ (কুম) পশৰ্ (ম, ক, কুম) পহৰ্ (কু)
পিন্ধা (পৰিধান কৰা)	পিন্ধা/ পিন্দন	< সং. পিনদ্ধ	পিঁদন (চট্র), পিনধা(দি) পিনদন (কুম), পিদা (বি) পন্দা (উ.ব)
পাগ্টান্(বেছি পৰিমাণৰ তাপত প্রস্তুত কৰা)	টান্পাগ্	< সং. পক্ক	পাগ উঠা (কুম)
পিলাই (পেটৰ বাওঁ ফালে থকা মঙহ	পিলা	< সং প্লীহা	পিলৈ(ঢা,ম) পলাই (চট্র, উ.ব)
পিৰান্ (গাত শিথিল ভাবে পিন্ধা এবিধ চোলা)	পিৰন্ (কিছুমান অঞ্চলত প্রচলিত)	< ফা, পয়ৰাহন্	পিয়ানি(ৰা),পিৰম (ৰা) পিৰন(কুম,ঢা),পিৰান(উ.ব) পিৰাম্ (ৰা, পা,) পকন্ (কুম,ঢা), পিৰোন(ঢা) ৰ্ফৰে = পোছাক (বি)

ফকৰ(দগাবাজ, ফাকি দিয়া বিধৰ লোক)	ফক্কড়	< সং ফক্ক (= to act wrongly)	ফক্ৰা (দি), ফাক্কৰ্ (বি) ফক্ৰামি(ব,চট্ট,ৰ) [ফকৰ্ (ছি,ৰবাক, উপ.) ফকোৰ্ (খু) < আ.ফখৰ = অহংকাৰ]
ফাত্ৰা(বিশ্বাসৰ অযোগ্য)	ফাত্ৰা ফাত্ৰামি	< আঃ ফত্ত্তান	ফাতাৰা (বা), ফাত্ৰা(উ,ৰ) ফাট্ৰা(কুম), ফেত্ৰা (বি) ফাতৰা =বাচাল (ফ,পা,ঢা,(না) ফাত্ৰামি (চট্ট, পা)
ফাল (ঠেকাকৈ আৰু দীঘলিয়াকৈ ছিৰা)	ফাৰা	< সং স্ফাৰ	ফাৰ (বা), ফালা (ব) ফাৰা (বি, উ.ব)
বছৰ -বিয়নী (বছৰি পোৱালি দিয়া)	বছৰ-বিয়ানি	< সং বৎসৰ + বিজনন + ঈ,ই,প্ৰ.	বয়ানি (ম) বছৰ-বিয়ানি(বি,উ.ব)
বহনি (দিনৰ পোন প্ৰথমে ব্যৱসায়ত নগদ ধন লোৱা)	বনি	< সং বৰ্ধনী	বনি (ঢা,বি) বয়নি (কুম) বহনি (ঢা) বউনি (উ.ব)
বেজাৰ (মনস্তাপ, দুখ)	বেজাৰ	< ফা. বীজাৰ	বেজাৰ (বি) মান্য বাংলা ভাষাত শব্দটো প্ৰচলিত।
বাঁতি (বমি)	বাহিত্/ বাহিত্-বাহিত্ (বমি বমি ভাৱ)	< সং বান্তি	বাঁত (ব,ৰা) বাইট্ (ঢা, কুম) বাহিতা বাহিতা (ঢা) বাহিত্ (ম. বা, ফ)
বুৰি/বুৰ্ (পানিৰ তললৈ যোৱা)	বুড়ি/বুড়া	< সং. ব্ৰুড্ (to sink)	বুড়া (খু),বুৰা পা, ঢা) ম, ফ, কুম, বি)
বগুলা/বগলি (বক)	বগুড়া/বগা/	< সং বক বগী (স্ত্ৰী)	বগিলা (ব), বগুৰা (ম) বগুলা(কুম),বগা(বি)
বগৰী (এবিধ ঠেঙা ফল)	বৰাহ্	< সং বদৰিকা বদৰী	বগৰ(ব), বঁগে (ব) বাৰি(কুম),বাৰেই (বি) বগৰি (উ.ৰ)
ৰব-গিৰি (স্ত্ৰীৰ দাদা = কামৰূপী উপভাষা)	ৰব-গিৰি কিছুমান অঞ্চলত ব্যৱহৃত	< সং ৰব = শ্ৰেষ্ঠ +গিৰী < গৃহী	ৰবগিৰি (ঢা,কুম)

বিজুলী বাঁহ (বিশেষ ভাৱে কোমল আৰু সৰু বাঁহ)	বাজাইল্	< সং. জালক (a bud)	বাজাইল (চট্ট, কুম, বি)
ভৰি (পদ)		< সং ভৰ (bearing)	ভৰ্ (ৰা),বৈড় (নো,ৰা, চট্ট , কুম)ভৈৰ (ৰা) 'ভাৰ্ (নো, পা, ৰা) ভোঁৰ (ৰা) 'ভাৰ' অৰ্থে 'ভৰ' শব্দৰ প্ৰয়োগ মান্য বাংলাত আছে।
ভৰণ্ (বেমাৰৰ সময়ত মূৰত উদৰত দিয়া প্ৰলেপ)	ভৰণ্ (বেমাৰৰ সময়ত অকল মূৰত দিয়া ঔষধ	< সং. √ ভৃ	বৰণ্ (বি)
মগ্ৰামি (কথা-বতৰা নুশুনা স্বভাৱৰ হৈ থকা)	মগৰা/ মগৰামি	< আ. মগৰূৰ	মগ্ৰা (ম, বা, কুম) মগ্ৰামি (বা) মগ্ৰামি (ঢ, কুম) মাগ্ৰা (ঢা)
মাৰলি (ঘৰৰ খুটাৰ ওপৰত লগোৱা বাঁহ বা কাঠ)	মাড়ইল/ মাড়ইল/ হাড় (মেৰুদণ্ড)	< সং মেৰুদণ্ড	মাঁৰেল (ম, কুম) মাৰুল মেৰুদণ্ড (ম) মাৰুলি (লি) মাৰল (উ.ব)
লগুন্ (পৈতা)	লগুন্	< সং নৱ +গুণ	লগুন(ৰা),নুকুন্(বি) লগুন (উ.ব)
লাহে লাহে (খৰ ধৰ নকৰাকৈ লাহে ধীৰে	লায় লায়/ লায় ধীৰে	< সং. লাস্য/লাস; মতান্তৰে লাহে বাহে (ঢা) < সং লয় = Rest, repose)	লয়লয় (পা) লায় লায় (বি)
লেতেৰা (অপৰিষ্কাৰ)			লেতেৰা (বি) লেতুৰ (ক,ঢা) লথেড়না (হিং)
লেতেৰ /পেতেৰ /লুতুৰ-পুতুৰ/ লুতুৰি-পুতুৰি (মলিন বস্তুৰে লেটি (পটি)	লালবাদ		লেতুৰ ফেতুৰ = আৱৰ্জনা (ঢা) লুতুৰ পুতুৰ (উ ব)
লাৱৰা (কেবাবিধো	লাবড়া	< সং. অলাবু = লাউ;> লাবু +	লাৱৰা(কুম,পা,বি,উ.ব) লাবড়ি (লো)

পাচলি লগলগাই ৰঙ্গা আঙ্গা)		ঢ়া, ৰা প্ৰ.)	
লখি (ওকনিৰ কণি)	লিক্	< সং. লিক্ষা	লিক্ (ৰা, কুম,ব) লিখি (ৰা), লেহি (বি)
শিকা (বস্তুক বিৰিয়াত ওলোমাই কান্ধেৰে কঢ়িয়াই নিৰ্বলে কৰা এবিধ ৰচী মোনা)	ছিক্কা / ছিকি	< সং. শিক্যা	ছিকিয়া (ৰা) ছিক্কা (কুম), ছিকা (বি) শিকা (মান্য বাংলা) ছিকা (উ.ব)
শিয়াল (শ < হ)	হিয়াল	< সং. শৃগাল	হিয়াল (ঢা, কুম ,ম, বা, বি,ৰ ,ৰা)
শৰাধ্ (শ্ৰাদ্ধ)	হৰাদ্	< সং.শ্ৰাদ্ধ	হৰাদ্ (ঢা), পৰাদ (নো) শৰাদ্, (বি), ছাৰাদ(উ.ব)
শুদা (লগতে আন একো নোহোৱা	হুদা	< সং. শুদ্ধ	শুদা (ৰা, উ.ব) হুদা(ঢা,ম,কুম,বা,ফ) হুদাই-ৰহাই (বি)
শাওন (বছৰৰ চতুৰ্থ মাহ) স্বাওন্- ভাদ	হাওন্	< সং. শ্ৰাৱন	শাওন(ম), হাওন(ঢা,বি) শন্ (উ.ব)
সাউদ্ (ধন সম্পত্তিৰ গৰাকী)	হাউদ্/সাউদ্	< সং. সাধ	হাউদ্ (কুম,ঢা) হাউথ্ (ঢা) সাউদ্= ব্যৱসায়ী (উ.ব)
সিজা (সিদ্ধ কৰ্)	হিজানি	< সং. সিদ্ধ + আ, আনি প্ৰ.	হিযানো (কুম,চট্ট,ফ,ঢা) হিজা (বি), সিজা (উ.ব)
সুৱাগ (চেনেহ আদৰ) সুৱাগী (স্ত্ৰী)	সুয়াগ/হুয়াগ সুয়াগী/ হুয়াগী(স্ত্ৰী)	< সং. সৌভাগ্য	সোহাগ(বাংলা মান্য ভাষা) সোহাগন (হিং)
সেপ্ (থু) ছেপ্ (গোৱাল পৰীয়া উপভাষা)	ছেপ্	< সং. ক্ষিপ্	ছাপ্ (ৰা, ৰ, উ.ব) ছেপ্ (বি)
হিহেনী (দ্ৰুত গতিৰে চলা নিশ্বাস প্ৰশ্বাস)	হিয়ানি/ হেগুয়ানি	< সং. হা	----

বড়ো শব্দৰ পৰা অসমীয়াত গৃহীত বুলি ডঃ উপেন্দ্ৰ নাথ গোস্বামী দেৱে দেখুৱা শব্দ সমূহৰ মাজত বহুতো শব্দ কিন্তু আৰ্যমূলীয়। যেনে-

বড়ো খলমৌ, অস. কলমৌ (এবিধ শাক) সং<কলম্বী, বাংলা. কলমি

" গেদ্‌ৱা, গেদ, অস. গেদা সং < কৰ্দ্দ

" ডেগ্, অস. দেগ, ফা<ডেগ (কুম), দ্যাগ (খু)

" খিৰকি, অস. খিৰিকি, সং< খডাক্কিকা (A side door) মানা বাংলা খিড়কি

" পিড়া, অস. পিৰা, সং<পীঠিকা, মান্য বাংলা পিঁড়ি

" মেলা, অস. মেলা (যথেষ্ট), সং<মেলা (Union an assembly), ম্যালা (ঢা,ম,নো,কুম), ম্যালাই (ৰা)

" গাম্‌বলা, অস. গাম্‌লা (পোৰ্তগীজ) <gamela

মন কৰিব লগীয়া বিষয় হ'ল সমৃদ্ধ আৰ্য ভাষাৰ সমাৰ্থক শব্দ সম্ভাৰৰ পৰা এই বিস্তৃত অঞ্চলত শব্দ ব্যৱহাৰৰ ক্ষেত্ৰত এক বিশেষ নিৰ্বাচনী মানসিকতাক নিজৰ নিজৰ সামাজিক পটভূমিৰ ভেটিত কামত লগাইছিল। অকল সেয়ে নহয় ৰূপতত্ত্বৰ ক্ষেত্ৰত সুকীয়া বৈশিষ্ট্যক বজাই ৰাখি তৎসম শব্দৰ তদ্ভৱৰ্বলৈ পৰিবৰ্তনৰ প্ৰক্ৰিয়াত ধনি তত্ত্ব দিশৰ পৰা পূৰ্বভাৰতৰ এটি বিশাল অঞ্চলৰ বিভিন্ন ভাষা আৰু উপভাষাৰ মাজত এক সমধৰ্মী মানসিকতা কাম কৰিছিল আৰু সামাজিক গাঁথনিৰ ক্ষেত্ৰটো তলে তলে এই নব্য ভৰতীয় আৰ্যভাষী সকলৰ লগত অনাৰ্যভাষী দেশীয়া সংস্কৃতিৰ আৰু ভাষাৰ এটি গভীৰ লেন দেনৰ সম্পৰ্ক ক্ৰমাৎ স্পষ্ট হৈ উঠিছিল। আমাৰ আলোচনাত আঙুলিয়াই নিদিলেও এই কথা স্পষ্ট যে আৰ্যভাষী সকলে বিদেশী শব্দ গ্ৰহণৰ লগে লগে থলুৱা ভাষাৰ দ্বাৰা গভীৰ ভাৱে প্ৰভাবিত হৈছিল। ভাষাতাত্ত্বিকসকলে আঙুলিয়াই দিয়া এই অঞ্চলৰ ভাষাত দেশীয় শব্দৰ প্ৰাচুৰ্য ইয়াৰ প্ৰমাণ। সেয়ে কোনো ভাষা বা উপ ভাষাৰ সম্পৰ্কে মন্তব্য কৰিবলৈ ললে সেই অঞ্চলত ব্যৱহৃতশব্দ সমূহৰ ভৌগোলিক পৰিসীমা সম্পৰ্কে সচেতন হব লাগিবদ্ৰ শব্দ ব্যৱহাৰৰ ভৌগোলিক পৰিসীমা, ভাষাৰ ৰূপ তত্ত্ব আৰু সামাজিক গাৰ্থনি সম্পৰ্কে সচেতনতা নাথাকিলে কেৱল মাত্ৰ শব্দ ব্যৱহাৰৰ দৃষ্টান্ত দেখুৱাই এটি অঞ্চলৰ ভাষাক আন ভাষাৰ অপ ভাষা নাইবা উপ ভাষা বুলি ভ্ৰান্ত মতামতৰ সৃষ্টি হোৱাটো স্বাভাবিক। বিশেষ বিশেষ শব্দ ব্যৱহাৰৰ পৰিধি নজনাৰ বাবে বহুতে বৰাক উপত্যকা আৰু ছিলেট অঞ্চলৰ ভাষাক অসমীয়া আৰু বড়ো ভাষাৰ মিশ্ৰিত সৃষ্টি হোৱা এটি Lingua Franca বুলি ভ্ৰান্ত মতামত দিয়ে (দ্ৰষ্টব্যঃ উত্তৰ পূৰ্ব ভাৰত ইতিহাসবিদ সংস্থাৰ ১৬শ অধিবেশনৰ নিৰ্বাচিত সভাপতি ডঃ স্বৰ্ণলতা বৰুৱাৰ লিখিত অভিভাষনৰ ১৪-ৰ পৰা ১৬ পৃঃ আকৌ কোনো কোনোৱাই উত্তৰ বঙ্গ বাংলা উপভাষাত ব্যৱহৃত ধ্বনি আৰু শব্দৰ সাদৃশ্য দেখুৱাই অসমীয়া ভাষাত বাংলা ভাষাৰ গোন্ধ বিচাৰি ফুৰে। কিন্তু চালি জাৰি চালে দেখা যায় যে বিশেষ বিশেষ অঞ্চলত এটা এটা সুকীয়া ভাষা সংস্কৃতি গঢ়লৈ উঠিলেও শব্দ আৰু ধ্বনি ব্যৱহাৰৰ ক্ষেত্ৰত অঞ্চল

আৰু সংস্কৃতি নির্বিশেষে সমধর্মিতা স্পষ্ট ভাৱে বৰ্তমান আছিল। এই খিনি মনত ৰাখিলে বহুত্রে খিনি ভ্রান্তিৰ পৰা আমি আঁতৰত থাকিব পাৰিম)।

সংকেত সূত্র ঃ

অস. - অসমীয়া
আ. - আৰবী
উপ.-উপত্যকা উ.ব উত্তৰ বংগ
কু.-কুষ্টিয়া
কুম.-কুমিল্লা
খু.-খুলনা
চট্ট.-চট্টগ্রাম
ছি.-ছিলেট
ঢা.-ঢাকা
দি.- দিনাজপুৰ
নো.-নোয়াখালি
প্র.-প্রত্যয়
ফ. - ফৰিদপুৰ
ফা.- ফাৰ্চী
ব.-বগুৰা
বা.-বাখৰগঞ্জ
বি.-বিষ্ণুপ্রিয়া মণিপুৰী
ম.-ময়মনসিংহ
য.-যচোহৰ
ৰ.-ৰংপুৰ
ৰা.-ৰাজশাহী
সং.-সংস্কৃত
হিং.-হিন্দী

গ্রন্থপঞ্জী ঃ

1. 'An Etymological Dictionary of Bengali' (Ist & 2nd vol) Dr. Sukumar Sen, cal 1971.
2. 'An Etymological Dictionary of Bishnupriya Manipuri' : Dr. K.P. Sinha, cal 1986.
3. 'Assamese,Its Formation and Developement' Banikanta Kakati, 3rd Ed. 1972, Guwahati.
4. 'The Origin and Developement of the Bengali Language' :Suniti Kr. Chatterji, Rupa Impression, 1985, cal.
5. 'Sanskrit-English Dictionary : V.S.Apte. Delhi, 1993.

৬. অসমীয়া বচন ভঙ্গী ,ঃ শ্রীহৰেন্দ্র নাথ শর্মা, গুৱাহাটী,১৩৭২
৭. অসমীয়া ভাষাৰ এৰা-বোটলা,ঃশৰৎ চন্দ্র শর্মা,১ম সং গুৱাহাটী, ১৯৮৯।
৮. ‘হেমকোষ’ ঃহেমচন্দ্র বৰুৱা, ডিব্রুগড়, ১৯৮৬
৯. ‘আধুনিক অসমীয়া অভিধান’ ঃসম্পাঃ ডঃ মহেশ্বৰ নেওগ আৰু অনান্য ৬ ষ্ঠ মুদ্রণ ১৯৯১, গুৱাহাটী।
১০. ‘বাংলাদেশৰ আঞ্চলিক অভিধান’ ঃপ্রধান সম্পাঃ ডঃম.শহীদুল্লাহ (১ম ২য় খণ্ড) ঢাকা,১৯৭৩, ৭৪ইং
১১. ‘চলন্তিকা’ ঃসংকলক ৰাজশেখৰ বসু, ১৩শ সং ১৩৮৯,কলি

১২.' ভাষাৰ ইতিবৃত্ত ' ঃশ্ৰীসুকুমাৰ সেন, ১৩শ সং , ১৯৭৯ কলি।
১৩. 'ভাষাৰ তত্ত্ব কথা' ঃসম্পাঃ নাহেন্দ্ৰ পাদুন, শিৱসাগৰ , ১৯৯৩
১৪. 'অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ' ঃডঃ উপেন্দ্ৰ নাথ গোস্বামী , ১ম প্ৰকাশ ১৯৯১.

উজনি অসমৰ চাহ বাগিছা অঞ্চলৰ কথিত অসমীয়া (ৰূপ তাত্ত্বিক বিশ্লেষণ)

মৃদুল বৰা

ভাৰতৰ পূব-প্ৰান্তৰ অসম নামৰ প্ৰদেশখন বিভিন্ন জনগোষ্ঠীৰ বাসস্থান বোৱা হেতুকে এইখন প্ৰদেশত বিভিন্ন ভাষাৰ বৰ্ণাঢ্য ৰূপ পৰিলক্ষিত হয়। নগাৰাজ্যত বিভিন্ন ঠালৰ নগালোকৰ ভাষাৰ লগত অসমীয়া ভাষাত লগ লাগি "নাগামিজ" ভাষাত সৃষ্টি হোৱাৰ দৰে আৰুণাচল প্ৰদেশত "অৰুণামিজ" ভাষাৰ সৃষ্টি হোৱাৰ দৰে, অসমৰ চাহ বাগিছা সমূহতো এটি বৰ্ণাঢ্য ভাষাই গঢ় লৈছে। চাহ বাগিছা সমূহৰ শ্ৰমিক শ্ৰেণীৰ পূৰ্ব পুৰুষসকল গুজৰাট, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, উৰিষ্যা, বিহাৰ, বঙ্গ আদি বিভিন্ন প্ৰদেশৰ পৰা অহা। আৰ্য, দ্ৰাবিড, অষ্ট্ৰ এচিয়াটিক (অষ্ট্ৰিক) ভাষাগোষ্ঠীৰ বিভিন্ন জন সম্প্ৰদায়ৰ মানুহক ব্ৰিটিছৰ শাসন কালতে অসমৰ চাহ বাগিছা নমূহলৈ অনা হৈছিল। বৰ্তমান অসমৰ ৭৫৮ খন চাহ বাগিছাত ৮৭টাৰো অধিক জাতি-জনজাতি-উপজাতি মানুহ আছে মুণ্ডা, ওৰাং, চাওঁতাল, চাওঁৰা, পাহাৰী, ভূঁইয়া, পৰাজা, গৌৰ, কন্ধ, বাইগা, কল, ভকতা, খাড়িয়া, অসুঁৰ, কোল, সবৰ, ভীল, বৰাইক, গৰাহিত, ভুমিজ, ঘাটোৱাৰ, গঞ্জু, চিক, কাৱৰ, কৈৰী, বাউৰী, কেউট, খদাল, কাসাৰি, কয়া, ৰাজুৱাৰ, চুঁড়ি, তুৰি, বাগ্‌তি, মেদী, হাজাম, হালোৱাই, চৰাৰ্গ, তেলী, তংলা, ৰজক, মহান্তি, কুৰ্মী, তাচ, বায়ন, তেলেঙ্গা, জলহা, পাইক, তাঁতি, মাহলী, ভাট, চাসা, দুচাদ, মালী, আদি অসংখ্যাত জনজাতি উপজাতিৰ নাম লব পাৰি। একেখন বাগিছা কুৰিটাৰো অধিক জাতি য- উপজাতিৰ নাম লব পাৰি। একেখন বাগিছাতে কুৰিটাৰো অধিক জাতি- উপজাতি চাহ শ্ৰমিক পোৱা যায়। বিভিন্ন ভাষাৰ মানুহৰ অৱস্থান হেতুকেই আৰু এখন বাগিছাৰ শ্ৰমিকৰ লগত আন্য বাগিছাৰ শ্ৰমিকৰ যোগাযোগৰ বাবে বিভিন্ন ভাষাৰ শব্দ সম্ভাৰ, কথন-ভঙ্গী সংমিশ্ৰণ হৈ এটি ভাষাৰ (কথিত ভাষা) সৃষ্টি হৈছে। স্বাভাৱিক ভৌগোলিক অৱস্থান হেতুকে আৰু বঙলা ভাষাৰ প্ৰভাৱত বৰাক উপত্যাকৰ চাহ বাগিছাৰ শ্ৰমিকসকলৰ কথনভঙ্গী ব্ৰহ্মপুত্ৰ উপত্যকাৰ শ্ৰমিকসকলৰ কথনভঙ্গীকৈ পৃথক।

এই প্ৰবন্ধত উজনি অসমৰ চাহ-বাগিছাৰ অঞ্চলৰ কথিত অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক দিশৰহে এক চমু আভাস দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল ।

ৰূপতাত্ত্বিক বিশেষত্ব ঃ

বচন ঃ উজনি অসমৰ চাহ্ বাগিছাৰ কথিত অসমীয়া ভাষাত বচন দুটা - একবচন আৰু বহুবচন৷ নিৰ্দিষ্টভাৱে সংখ্যাসহ্ বহুবচনৰ ৰূপ প্ৰকাশ কৰিবৰ বাবে সাধাৰণতে এক বচন বুজোৱা শব্দৰ অন্তত নিৰ্দিষ্টতাবাচক প্ৰত্যয় সংযোগ কৰি দিব লাগে; যেনে, কিষান, কিষান-চাৰজন্, বলদ, বলদ-দশটা৷ সংখ্যাবাচক প্ৰতায় সংযোগ নকৰি বহুবচন বুজোৱা প্ৰত্যয় ব্যৱহাৰ হ'লে শব্দই সামূহিয়া অৰ্থ প্ৰকাশ কৰে; যেনে - বাবু, বাবু-গিলা৷

বহুবচনৰ প্ৰত্যয় ঃ বহুবচনৰ প্ৰত্যয়বোৰৰ ভিতৰত কিছুমান হ'ল,-গিলা, -সব, -লোক, -লোগ, -ঝাক, -এৰা, -দেৰ, -ৰা, -কিটা৷ তলত সামান্যভাৱে উদাহৰণ দিয়া হ'ল ঃ

-গিলা ঃ ছান-গিলা, ছ'কড়া-গিলা৷

-সব ঃ মা-সব, বাবু-সব৷

-লোক,-লোগ ঃ চাহাব-লোক, চাহাব-লোগ৷

-ঝাক ঃ গৰু-ঝাক৷

-এৰা ঃ বাপ-এৰা (বাপেৰা)

-দেৰ ঃ হাম-দেৰ৷

-ৰা ঃ মা-ৰা, বাপ-ৰা৷

-কিটা ঃ চৌঁউৰী-কিটা, দাম্‌ৰী-কিটা৷

মনকৰিবলগীয়া এয়ে যে বহুবচন বুজোৱা-ৰা প্ৰত্যয়টো বিনয় ভাব প্ৰকাশ কৰি সন্মান প্ৰদৰ্শন কৰোঁতে ব্যৱহাৰ হয়৷ যেনে ঃ

মান্য অসমীয়া ভাষা	চাহ্ শ্ৰমিকৰ ভাষা
আইসকল আহক	মা-ৰা আছ গ'৷

লিঙ্গ ঃ এই অঞ্চলৰ কথিত ভাষাত লিঙ্গভেদ তিনিটা উপায়ৰদ্বাৰা সিদ্ধ হোৱা পৰিলক্ষিত হৈছে৷ সেই কেইটা হৈছে ঃ

(ক) কিছুমান পুৰুষ আৰু স্ত্ৰী বুজোৱা শব্দ মূল শব্দৰ লগত

সংযোগ কৰি দিয়া হয়; উদাহৰণ স্বৰূপে -

পুলিঙ্গ	স্ত্ৰীলিঙ্গ
মতা বিলাহ্	মাইকী বিলাহ্
বেটা ছানা	বেটী ছানা
মতা হঁস (হঁছ)	মাইকী হঁস (হঁছ)
চাঁড়া মুৰ্গী (মতা কুকুৰা)	ধাইড় মুৰ্গী (মাইকী কুকুৰা)

(খ) পৃথক পৃথক শব্দ ব্যৱহাৰ হৈও এই কথিত ভাষাটোৰে লিঙ্গৰ ৰূপ নিৰ্ণয় হৈছে; যেনে -

পুলিঙ্গ	স্ত্ৰীলিঙ্গ
বহ্নই	বৌ
দেৱৰ	ননদ
দাদা	দিদি
বেটা	বহু
ভাই	বহিন
শ্বশুৰ	শ্বাস
দাম্ৰা	চেঁউৰী
আজা	আই
মতা	মাইকী
চাহাব	মেম্

(গ) এই ভাষাত কিছুমান স্ত্ৰী প্ৰত্যয় সংযোগ কৰি পুৰুষবাচক শব্দৰ স্ত্ৰীবাচক ৰূপ পোৱা যায়। সেইবোৰৰ ভিতৰত কেইটামান হ'ল; - ই (ঈ), -ইন্, -আনি (-অনী), -নি (নী), -উ। এইবোৰ ৰূপ সাপেক্ষে। তলত উদাহৰণ দিয়া হ'ল ঃ

- ই ঃ স্বৰান্ত শব্দৰ পিছত -ই যোগ হওঁতে কেতিয়াবা -আ - কাৰৰ পৰিবৰ্ত্তে-ই-কাৰ হয়; কিন্তু ৰূপ সলনি নহয়; যেনে, ঝাড়ুৱালা- ই > ঝাড়ুৱালি, কিন্তু কিছুমান আ-কাৰৰ ঠাইত ই কাৰ বহোঁতে ৰূপ সলনি হয়; যেনে, বহিৰা, বহিৰা - ই > বহ্‌ৰি (বহ্‌ৰী)। কিছুমান ব্যঞ্জনান্ত শব্দৰ পিছত - ই(-ঈ) লগ লাগিলে মূল শব্দটোৰ একো

পৰিবৰ্তন নহয়; যেনে, কুঁৱাৰ, কুঁৱাৰ-ই কুঁৱাৰি (কুৱৰী)।

-ইন ঃ সাধাৰণতে ব্যঞ্জনান্ত শব্দৰ পিছত -ইন প্ৰত্যয় সংযোগ হয়, যেনে ফুল, ফুল-ইন > ফুলিন বাঘ, বাঘ-ইন > বাঘিন্। কিন্তু চমদি, চমদি-ইন > চমদিন।

-আনি (-অনী)ঃ স্বৰান্ত শব্দৰ পিছত -অনী সংযোগ হওঁতে কেতিয়াবা য় আগম হয়। যেনে, চমদি, চমদি-অনী > চমদিয়নী, আকৌ কেতিয়াবা ৱ আগম হোৱাও পোৱা যায় যেনে; বাবু, বাবু-অনী বাবুৱনী(বাবনী)।

-নী ঃকিছুমান পুংলিঙ্গ শব্দৰ পিছত -নী যোগ হয়। -নী যোগ হওঁতে কেতিয়াবা শব্দৰ ওকোটা তিৰ্যক-ৰূপৰো সৃষ্টি হয়। যেনেচ নাতি, নাতি -নী > নাত্‌নী ডোম, ডোমনী > ডম্‌নী।

-উ ঃপুংলিঙ্গ শব্দৰ পিছত --উ যোগ হৈ স্ত্ৰীলিঙ্গ বুজোৱা শব্দ গঠন হৈছে যেনে, ফুপা, ফুপা-উ > ফুপু।

এই কথিত ভাষাটোত অকল পুৰুষবাচক আৰু অকল স্ত্ৰীবাচক শব্দ কিছুমান পোৱা যায়। তৰত উদাহৰণ দিয়া হ'ল ঃ

অকল পুৰুষবাচক শব্দ ঃ বাবুৰ্চি, বেহ্‌ৰা ডাকুৱা (ডাকৱালা), পানীৱালা, দৰ্চী, দাৰুনী, কীৰ্তনীয়া, বাঁশৰীয়া, চপ্ৰাচী, চকীদাৰ, কিষাণ, বাগাল, ৰাখাল, ইত্যাদি।

অকৰ স্ত্ৰীবাচক শব্দ ঃ ৰোপনী, দাউনী, আয়া, ধাই, ডাইন, আশাৱতী, দু-জীয়া, পোৱাতী, ইত্যাদি।

উজনি অসমৰ চাহ বাগিছাৰ কথিত অসমীয়াত এনেকুৱা বৈশিষ্ট্যপূৰ্ণ কথন ভঙ্গী আছে যে সেই কথন ভঙ্গীৰ ওপৰত নিৰ্ভৰ কৰিয়েই কাক উদ্দেশ্য কৰি (পুৰুষ নে স্ত্ৰী) কোৱা হৈছে, সহজে বুজিব পাৰি। ফলত মান্য অসমীয়া ভাষা আৰু উজনি অসমীয়াৰ চাহ বাগিছাৰ কথিত ভাষা ব্যৱহাৰ হোৱা দুটি বাক্যৰে এই বিশেষত্বটো দেখুৱাই দিয়া হ'ল ঃ

মান্য অসমীয়া	চাহ বাগিছাৰ কথিত ভাষা অসমীয়া
হোৱালী ক্ষেত্ৰত ঃ তুমি তাত কি কৰিছা ?	**তুইহাঁ অথাহ কি কৰছি**

ল'ৰাৰ ক্ষেত্ৰত ঃ তুমি তাত কি কৰিছা 'তুইৰে অৰ্থাই কি কৰছি

নিৰ্দ্দিষ্টতাৱাচকতা ঃ

এই ভাষাত বিশেষ্য শব্দর ক্ষেত্ৰত কাৱোবার আনর লগত সম্বন্ধ বুজাবলৈ বয়সর অনুপাতে ডাঙর আরু সরুজনক বুজাবলৈ বেলেগে বেলেগ শব্দ ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। যেনে ;

কোনোবা ব্যক্তিতকৈ ডাঙৰ হলে - দিদি, ভ'জি, দাদা, বহুনফুফা।

কোনোবা ব্যক্তিকৈ সৰু হ'লে- বহিন, ভাই-বহু,ভাই চালা- চালী।

সম্বোধন বোধক নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ

এই ভাষাত - এ'ৰেই,-নেৰে,- এইগ' প্ৰত্যয় সম্বোধন কৰোঁতে ব্যৱহাৰ হয়। -এ'ৰেই আৰু -নেৰে সাধাৰণতে সমবয়সৰ মানুহক সম্বোধন কৰোঁতে ব্যৱহাৰ হয়। যেনে; সৰু ল'ৰা এজনকো সম্বোধন কোৱা হয় এনেদৰে - "এ'ৰেহ এইদিগে আহ" "নেৰে কাঁহা যাবি ?"- এইগ' প্ৰত্যয়ে অতি মৰমৰ সম্বোধন প্ৰকাশ কৰে আৰু বিনয় ভাবে প্ৰকাশ কৰে। যেনে; বয়সস্থ মানুহ এজনক কওঁতে এইদৰে কোৱা হয়- "এইগ' কনদিগে যাবি ? আকৌ দুখ প্ৰকাশ অথবা আনন্দ প্ৰকাশ কৰিবৰ ক্ষেত্ৰত সম্বোধন হিচাবে -হে ৰূপটো ব্যৱহাৰক হয়। যেনে- হে ভগৱান ! ম'ৰ ছানাটাৰ কি হ'ল ; হে ভগৱান ! হাম্ৰা বাছে গেলি।

নিৰ্দিষ্টতাৱাচক প্ৰত্যয়ঃ চাহ বাগিছাৰ কথিত অসমীয়া ভাষাত ভালেমান নিৰ্দিষ্টবাচক প্ৰত্যয়বোৰ বিশেষ্য,বিশেষণ, সৰ্বনাম আৰু সংখ্যবাচক শব্দৰ পিছত যোগ হয়। কিছুসংখ্যক নিৰ্দিষ্টবাচক প্ৰত্যয তলত উল্লেখ কৰা হ'ল ঃ

(১) -আখি ঃ কল-আখি

(২) -খাঁড়া ঃ তামোল-খাঁড়া

(৩) -খিলা ঃ পান-খিলা, দুই খিলা পান

(৪)- গিলা ঃ ছানা-গিলা, ছ'কড়ী-গিলা, পাখুৰ-গিলা

(৫)- আঞ্জলা ঃ পানী- আঞ্জলা

(৬)- জড়া ঃ পাড-জডা

(৭)-ঝঁপা ঃ ডিংলাউ-ঝঁপা

(৮)- টা ঃ আগুণ-টা, চিৰাক-টা, কাঁইচি-টা, ঝাড-টা, এক-টা, দুই- টা, হ-টা, ও-টা।

(৯)- টুকু ঃ নিমখ-টুকু

(১০)- ডখৰ ঃ তামোল ডখৰ

(১১)- টিপ্কা ঃ এক্-টিপকা

(১২)- ঢেলা ঃ গবৰ-ঢেলা

(১৩)- ফাড়া ঃ বাঁশ-ফাড়া

(১৪)- টুকড়া ঃ মাছ-টুকড়া

অনির্দিষ্টতাবাচক প্রত্যয় ঃ এওঁলোকৰ ভাষাত অনির্দিষ্টতাবাচক প্রত্যয় হিচাপে - মানৰ ব্যৱহাৰ অধিক । -বা, দুই -তিনি, -কই আদি প্রত্যয় ব্যৱহাৰ হয । যেনে- হামৰা দুই মহিনা-মান বেচন নাই পহিলি; হামদেৰ কেইবা-টাও দামুৰা মৰল ; দুই-তিন ডখৰ মান তামোল আনবি; কঠিয়া-কই ফেৰামান।

পুৰুষবাচক - নির্দিষ্টতাবাচক প্রত্যয় ঃ পুৰুষবাচক-নির্দিষ্টতাবাচক প্রত্যয়ৰ দিশটো বিশ্লেষণৰ বাবে মান্য অসমীয়া ভাষাৰ গঠনৰ লগত বন্ধনীৰ ভিতৰত উজনি অসমৰ চাহ বাগিছাৰ কথিত অসমীয়া ভাষাৰ ৰূপটো তুলি দিয়া হ'ল। যেনে; মোৰ বোপাই (হামাৰ বাপ) ; তোৰ বাপ-এৰ (ত'ৰ বাপ-এ); তাৰ বাপ এক (ওৱাৰ বাপ -এ)। কিন্তু, মোৰ শাহু (হামাৰ শাচু) তোৰ শাহু -এৰ (তৰ শাচ) ; তোমাৰ শাহু - এৰা (তৰ শাচ), তাৰ শাহু -এক (ওৱাৰ শাচ)

কাৰক আৰু শব্দ - বিভক্তি ঃ কাৰক আৰু শব্দ - বিভক্তিৰ ক্ষেত্ৰটো এই ভাষাতা স্পষ্ট বৈশিষ্ট্য দৃষ্টি গোচৰ হয় । উদাহৰণ স্বৰূপে বুজাই দিবলৈ আমি মান্য অসমীয়া ভাষাৰ পৰিপ্রেক্ষিতত এই কথিত ভাষাৰ বাক্য তলত উল্লেখ কৰি দিলোঁ -

একবচন	মান্য অসমীয়া	চাহ বাগিছাৰ কথিত অসমীয়া
কর্তা-কাৰক	ৰামে(এ)খায়	ৰাম খায় (-০)

আমে মলিয়ায় আম(-এ) বকুল দিয়ে

ফেচাঁই কুকলিয়াই ফেচা গগায় (০)

কৰ্ম-কাৰক; ৰামে হৰিক (-ক) মাৰ্ল্ম হৰিকে (-কে) হুকায়

নিমিত্ত - কাৰক তই শিৱসাগৰলৈ (-লৈ) চঁইশিৱসাগৰ (-০) যাবি

শুকুৰমণিলৈ (-লৈ) আনিছোঁ শুকুৰ মণিৰ কাৰণে(-ৰ কাৰণে) আনেছি

অধিকৰণ-কাৰকত (-ত) আছে ঘৰে (-এ) আছে

বিশেষণ শব্দঃ চাহ বাগিছাৰ কথিত অসমীয়া ভাষাত বিশেষণ শব্দত বাক্যত ব্যৱহাৰ হওঁতে কেতিয়াবা বিশেষ্য শব্দৰ আগত আৰু কেতিয়াবা পিছত বহে। উদাহৰণ ঃ

মান্য অসমীয়া	চাহ বাগিছাৰ কথিত অসমীয়া
ৰঙা শাড়ী	লাল শাড়ী
ছোৱালীজনী চতুৰ	ছকড়ীটা চালাক

চাহ বাগিছাৰ কথিত ব্যৱহাৰ হোৱা কিছুমান বিশেষণ শব্দ উল্লেখ কৰা হ'ল। যেনে- লাল, নীল, হলদিয়া, কালা, চফেদ, চাদা, ভাল, ছট, লম্বা, তেড়া, চিধা, সচঁকাৰ, ঝঠা, গৰম, বেজাই, খাটি ইত্যাদি।

বিশেষণৰ তুলনা ঃ চাহ বাগিছাৰ কথিত অসমীয়া অথবা দুজনৰ মাজত তুলনা কৰিবলৈ তুলনীয়া শব্দ দুটাৰ যিকোনো এটাৰ পিছত -লে যোগ কৰিব লাগে। বহুতৰ মাজত এটা বা এজনৰ তুলনা কৰাৰ ক্ষেত্ৰতো একে নিয়ম প্ৰযোজ্য হয়। মান্য অসমীয়া ভাষাৰ পৰিপ্ৰেক্ষিতত চাহ বাগিছাৰ কথিত ভাষাৰ এই দিশটো তলত বুজাই দিবৰ যত্ন কৰা হ'ল।

মান্য অসমীয়া	চাহবাগিছাৰ কথিত অসমীয়া
গুপী ইন্দ্ৰাৰদেউতকৈ (-কৈ) চাপৰ	গুণী ইন্দ্ৰাৰদেউলে (-ল) চাপৰ
এইটোতকৈ সেইটো ভাল	ইয়াৰলে (-লে) ওটা ভাল।
সি সকলোতকৈ ডাঙৰ	ও সবলে (-লে) বড়

সৰ্বনাম শব্দ ঃ চাহ বাগিছাৰ কথিত অসমীয়া প্ৰচলিত সৰ্বনাম-শব্দবোৰৰ স্বকীয়া বৈশিষ্ট্য আছে। উদাহৰণ স্বৰূপে কেতবোৰ বৈশিষ্ট্য তলত উল্লেখ

কৰা হ'ল ঃ

(ক) কিছুমান সৰ্বনাম-শব্দৰ একবচন আৰু বহুবচনৰ ৰূপ বেলেগ। বন্ধনীৰ ভিতৰত মান্য অসমীয়াৰ শব্দটি দি উদাহৰণ দিয়া হ'ল।

যেনে- মঁই, মুঁই, হামি(মঁই), হাম্‌ৰা(আমি), আমৰা(আমি)।

(খ) সৰ্বনাম শব্দবোৰৰ কিছুমানৰ বিভিন্ন পুৰুষৰ পৃথক পৃথক ৰূপ আছে। উদাহৰণ স্বৰূপে- মঁই, হামি, হামৰা প্ৰথম পুৰুষৰ সৰ্বনাম; তুঁই, তৰা(তঁই, তুমি, তোমালোক) দ্বিতীয় পুৰুষৰ সৰ্বনাম; ও, অ'ৰা (সি, তেও, তেখেত, সিহঁত, তেওঁলোক) তৃতীয় পুৰুষৰ সৰ্বনাম। আপনা' (আপুনি) শব্দটিও মান্যাৰ্থত কেতিয়াবা ব্যৱহাৰ হয়।

ক্ৰিয়াৰ নাস্ত্যৰ্থাক ৰূপ ঃ এই কথিত ভাষাত ক্ৰিয়াৰ নাস্ত্য ৰূপ প্ৰকাশ কৰিবৰ বাবে সাধাৰণতে 'নাই' শব্দ ক্ৰিয়াৰ আগত ব্যৱহাৰ হয়। যেনে-

অসমীয়া ভাষা	চাহ বাগিছাৰ কথিত অসমীয়া
(ক) তেওঁ নমৰে	ও নাই মৰবে
(খ) মঁই নামাৰো	হামি নহি মাৰব

অসমাপিকা ক্ৰিয়া-ৰূপ ঃ অসমীয়া ভাষাৰ অসমাপিকা ক্ৰিয়া-ৰূপৰ পৰিপ্ৰেক্ষিতত চাহ বাগিছাৰ কথিত অসমীয়া ভাষাৰ বাক্যৰ ক্ৰিয়া-ৰূপ ৰিজাই চাব পাৰি। যেনে-

মান্য অসমীয়া	চাহ বাগিছাৰ কথিত অসমীয়া
তুমি ক'লে তেওঁ শুনিব	তুঁই বললে (-ল) ও শুনবে।
মঁই ভাত খাই(-ই)স্কুল লৈ যাম	হামি ভাত খাই (-ই)স্কুল যাবো।

ক্ৰিয়া - বিশেষণ ঃ চাহ বাগিছাৰ কথিত ভাষাত ব্যৱহাৰ হোৱা কিছুমান ক্ৰিয়া - বিশেষণ শব্দ তলত উল্লেখ কৰা হ'ল। বন্ধনীৰ ভিতৰত মান্য অসমীয়া ভাষাত ব্যৱহাৰ হোৱা সমধৰ্মী শব্দ দিয়া হ'ল-

যেনে ঃ

(ক) কালবাচক ক্ৰিয়া বিশেষণ ঃ এখন (এতিয়া), তখন (তেতিয়া), কবে (কেতিয়া), পৰশু (পৰহি, পৰহিলৈ), জলদি (সোনকালে), ফজিৰ (ৰাতিপুৱা), সকালবেলা(পুৱাবেলা), দুপৰ (দুপৰীয়া), সাঞ্জ (সান্ধ্য),সকালে বা ফজিৰে (পুৱাতে), ইত্যাদি।

(খ) স্থানবাচক ক্ৰিয়া - বিশেষণ ঃ এথাই (ইয়াত) হিঁয়াই (ইয়াতেঁই), অথাই(তাত), হঁৱাই (তাতেঁই), কাঁহা, কথা (ক'ত), যথায়(য'ত), তথাই(ত'ত), যাঁহা-তাঁহা (যলৈকে-তলৈকে), এই দিগে (এই পিনে), এইখিনে (এইপিনে), কনদিগে (কোন পিনে, কোনফালে), অউখিনে (সৌ খিনিতে), কনখিনে (কোনখিনিত) ইত্যাদি।

(গ) লক্ষণবাচক ক্ৰিয়া-বিশেষণ ঃ এইৰকম(এনেকৈ), ওৰকম(তেনেকৈ), জলদা জলদি (খৰ-খৰকৈ, বেগাই), ধীৰে, ধীৰে (লাহে লাহে), চামনে চামনে (ওচৰা উচৰিকৈ), একলাই (অকলে) ইত্যাদি।

ক্ৰিয়া বিশেষণৰ তুলনা ঃ চাহ বাগিছাৰ কথিত অসমীয়া ক্ৰিয়া বিশেষণৰ তুলনা কৰিবলৈ ছে যোগ হয়। উদাহৰণ ঃ

মান্য অসমীয়া	চাহ বাগিছাৰ কথিত অসমীয়া
দেউতাই মোতকৈ বেছি জানে	বাপে ম'ৰছে (-ছে) বেছি জানে।

অব্যয় ঃ মান্য অসমীয়া ভাষাও ব্যৱহাৰ হোৱা যোজক অব্যয় 'আৰু'ৰ ঠাইত চাহ বাগিছাৰ কথিত 'আৰ' ব্যৱহাৰ হয়। আকৌ মান্য অসমীয়া ভাষাৰ পৃথক বোধক অব্যয় 'নাইবা', 'নতুবা' ঠাইত চাহ বাগিছাৰ কথিত ৰূপত 'নাইত' ব্যৱহাৰ হয়। উদাহৰণ ঃ

	মান্য অসমীয়া	চাহ বাগিছাৰ কথিত অসমীয়া
যোজক অব্যয়	তই আৰু মই খাম	তুই আৰ হামি খাব
পৃথক বোধক অব্যয়ঃ	তই নাইবা মই মাৰিম	তুই নাইত হামি মাৰব
	এইদৰে কৰিবি নতুবা নকৰিবি	এইৰকম কৰবি নাইত নাই কৰ্‌বি

জোৰ -বুজোৱা ৰূপ ঃ ডাঠি কোৱা ভাৱত আৰু জোৰকৈ কোৱা ভাৱত

চাহ্ বাগিছাৰ কথিত -ও, -হে, তো আদি কিছুমান যুক্ত- ৰূপ শব্দৰ পিছত যোগ হয়। উদাহৰণ ঃ

মান্য অসমীয়া	চাহ্ বাগিছাৰ কথিত অসমীয়া
১.তোমাৰ্হে নাই মোৰ আছে	তৰ হে নাইখে হামাৰ আছে
২.মোৰটোও আনিবাদেঁহি	হামাৰ্টাও আনবি হৈ
৩.ময়ো যাব লাগিব	হামিও যাতে লাগে

উপসৰ্গ ঃ চাহ্ বাগিছাক কথিত ভাষাত উপসৰ্গ যুক্ত হৈ কিছুমান শব্দ গঠন হৈছে। যেনে-

মান্য অসমীয়া	চাহ্ বাগিছাৰ কথিত অসমীয়া
অচিনাকি (অ-চিনাকি)	নাচিনা (না-চিনা)
বিজোখ (বি-জোখ)	বেজোখ (বে-জোখ)

ধবন্যাত্মক আৰু প্ৰতি ধবনি শব্দ ঃ চাহ্ বাগিছাৰ কথিত ভাষাটোত ভালেমান ধবনাত্মক আৰু প্ৰতি ধবন্যাত্মাক শব্দ পোৱা যায়। ধবন্যাত্মক শব্দৰে চৰাই-চিৰিকতি আৰু অন্য বস্তুৰ নামকৰণো হৈছে। যেনে- চাহ্ বাগিছাৰ কথিত মটৰ চাইকেলখনক 'ভট্ ভটী, জেঠীক 'টিক্ টিক্' বোলা হয়। আমি অধিক বিশ্লেষণলৈ নগৈ এই ভাষাটোত ব্যৱহাৰ হোৱা কেইটিমান প্ৰতি ধবন্যাত্মাক শব্দ উদাহৰণ হিচাপে দিলোঁ। যেনে- ঘৰ্ -চৰ্, ভাত-চাত, চিনি-মিনি, সদী-চুদা, দাঁত-উঠ, খা-খবৰ, চিনা-জানা, ৰাগা-ৰাগি, শাড়া-তাড়ী চায়-তায়, ঠেং-ঠুং, আন্ধাৰ-মুন্ধাৰ ইত্যাদি।

খণ্ড বাক্য ঃ উজনি অসমৰ চাহ্ বাগিছাৰ কথিত অসমীয়া ভাষাটোত প্ৰচলিত খণ্ড বাক্য মান্য অসমীয়া ভাষাত পোৱা খণ্ডবাক্যৰ সমধৰ্মী। দুটিমান উদাহৰণ ঃ

মান্য অসমীয়া	চাহ্ বাগিছাৰ কথিত অসমীয়া
বেজৰ নাকত খৰ	অঝাৰ ঘৰে বঝা
চোৰ গ'লে বুধি	আগুন লগালে কুৰাঁ কুঁড়া
উদক ভোটা ৰখীয়া পতা	উদ্বিলাইৰ মাছ বাগাল

সৰুৰ মুখত বৰ কথা	ছোট মুখে বড় কথা
দিহিঙে-দিপাঙে	ঝাড়ে জংঘলে
কিনা হাঁহৰ ঠৌটালকে মঙহ	পাঁটা ধুৱে খান্না

সামৰণি ঃ ওপৰত আমি উজনি অসমৰ চাহ বাগিছাৰ কথিত অসমীয়া ভাষাৰ সাধাৰণ বিশেষত্ব কিছুমান উল্লেখ কৰিলোঁ। এই বিশ্লেষণেই একমাত্ৰ বিশ্লেষণ হব নোৱাৰে। এই ভাষাটোৰ গঠন বিশ্লেষণ কৰিলে দেখা যায়, ভৌগোলিক অৱস্থান আৰু ঐতিহাসিক কাৰণবশতঃ ভাষাটোৰ গঠন বেলেগ বেলেগ অঞ্চলত কিছু পৰিমাণে পৃথক। ব্ৰহ্মপুত্ৰ উপত্যকাৰ চহৰকেইখনৰ, বিশেষকৈ উজনি অসমৰ চহৰ কেইখনৰ নিচেই ওচৰত থকা চাহ-বাগিছাৰ কথিত অসমীয়া ভাষাৰ কথন-ভঙ্গী মান্য অসমীয়া ভাষাৰ অধিক ওচৰ চপা। তদুপৰি ব্ৰাহ্মণ, কলিতা আদি সম্প্ৰদায় অধ্যুষিত অঞ্চলত সীমিত সংখ্যক লোক থকা বাগিছাত এই প্ৰভাৱ অধিক। এইটো আমি যোৰহাট চহৰৰ নিচেই কাষতে থকা "সৰু চৰাই" চাহ-বাগিছাত লক্ষ্য কৰিছোঁ। এইখন বাগিছাৰ এজন শ্ৰমিকৰ মুখত শুনা এটা বাক্য হ'ল— এনেকুৱা — "তাৰ বুদ্ধিটো চা"। কিন্তু যোৰহাট চহৰৰ পৰা ৩০ কি.মি. দূৰত অৱস্থিত নগা পাহাৰৰ সীমাবৰ্ত্তি "টাইৰুণ" চাহ বাছিাৰ শ্ৰমিকৰ মুখত ওপৰত উল্লেখ কৰা বাক্য হ'ব এনেকুৱা— "ওৱাৰ বুদ্ধিটো দেখ"। ধ্বনিৰ ক্ষেত্ৰটো একেটা শব্দৰ পাৰ্থক্য লক্ষ্য কৰা যায়। "চিৰাক" আৰু "চিৰাগ" এই দুয়োটা শব্দৰ অৰ্থ "চাকি"। মাত্ৰ কোনোখন বাগিছাত শব্দ দুটাৰ অন্তিম ধ্বনি "ক" আৰু অন্য কোনো বাগিছাত "গ" হৈছে। সেয়ে চাহ শ্ৰমিকৰ ভাষাৰ সংখ্যা গৰিষ্ঠলোকৰ ৰূপটো পাবলৈ আমি চাহ বাগিছাৰ শ্ৰমিক অধ্যুষিত একোটা ব্যাপক অঞ্চলৰ ওপৰত নিৰ্ভৰ কৰি ভাষাটোৰ বৈশিষ্ট্যসমূহ দাঙি ধৰাৰ

প্ৰচেষ্টা চলালোঁ। যোৰহাট জিলাৰ টইৰুণ, শিলিখা, বাঁহনী, গোবিন্দপুৰ, চৰইপানী, কঠালগুৰি, খৰিকটীয়া, চৈকটা, নামচিছ আদি বাগানত চাহ্ শ্ৰমিকে কোৱা ভাষাটোৰ ওপৰত ভিত্তি কৰি আগবঢ়া হৈছে। আৰু এটা কথা। আজিকালি শিক্ষিত চাহ্ শ্ৰমিকৰ সন্তানে কোৱা আৰু গীত-মাত, টি.ভি.ৰ নাটক আদিত ব্যৱহাৰ হোৱা কথন-ভঙ্গীটো আওকাণ কৰি সাধাৰণ বাগিছাৰ শ্ৰমিকৰ কথনভঙ্গীৰ ওপৰত ভিত্তি কৰা হৈছে।

নামনি অসমৰ চৰ অঞ্চলৰ কথিত অসমীয়া

নগেন্দ্ৰ নাৰায়ণ দেৱান

অসমৰ চৰ অঞ্চল বুলিলে ব্ৰহ্মপুত্ৰ নদীৰ শদিয়াৰ পৰা ধুবুৰীলৈকে থকা চৰ-চাপৰি অঞ্চলকে সূচায়। অসম ৰাজ্যিক চৰ উন্নয়ন কৰ্তৃপক্ষৰ সমীক্ষা অনুসৰি ব্ৰহ্মপুত্ৰ নদীৰ চৰৰ সংখ্যা প্ৰায় এহেজাৰ। এই সমীক্ষাত উজনি অসমৰ মাজুলিকো সামৰি লোৱা হৈছে। মাজুলি বা তেনেকুৱা পুৰণি কিছুমান চৰ চাপৰিত মিচিং, দেউৰী, আহোম আদি সম্প্ৰদায়ৰ মানুহে বসবাস কৰি আহিছে। সাধাৰণতে অসমৰ 'চৰুৱা মানুহ' অৰ্থাৎ চৰ অঞ্চলৰ অধিবাসী বুলিলে অবিভক্ত ভাৰতৰ পূৰ্ববঙ্গ বা স্বাধীনতাৰ পাছৰ পূব-পাকিস্তান (বৰ্তমান বাংলাদেশ)ৰ বিভিন্ন ঠাইৰ পৰা দলে দলে আহি চৰ অঞ্চলত বসতি কৰিবলৈ লোৱা লোক সকলকহে বুজায়। ইয়াত এই সামাজিক দৃষ্টিভঙ্গীহে গ্ৰহণ কৰা হৈছে।

অসমলৈ প্ৰব্ৰজন কৰা বিভিন্ন জনগোষ্ঠীৰ ভিতৰত 'চৰুৱা' অৰ্থাৎ চৰ অঞ্চলৰ অধিবাসী সকলেই শেহতীয়া। অসমলৈ ঘাইকৈ চৰ অঞ্চললৈ এওঁলোকৰ প্ৰব্ৰজন আৰম্ভ হয় খৃষ্টীয় উনৈশ শতিকাৰ মাজ ভাগত। প্ৰব্ৰজনৰ প্ৰধান কাৰণ হ'ল পূৰ্ববঙ্গত খেতিৰ মাটিৰ অভাৱ আৰু প্ৰাকৃতিক দুৰ্যোগ। পূৰ্ববঙ্গৰ পৰা অসমলৈ ১৮৪৭ চনত জাহাজ আৰু ১৮৯২ চনত ৰেল চলাচল আৰম্ভ হয়। সেই সময়তেই বহুতো ভূমিহীন কৃষক জাহাজ নাইবা ৰেলেৰে আহে। ১৯১২ চনৰ দুৰ্ভিক্ষ আৰু ১৯৪৩ চনৰ প্ৰবল ভূমিকম্পৰ সময়তো বহুলোকৰ প্ৰব্ৰজন হৈছিল। পৰৱৰ্তী কালতো প্ৰব্ৰজন হৈছে। প্ৰব্ৰজনকাৰীসকলৰ সৰহ সংখ্যক ইছলামধৰ্মী যদিও হিন্দুধৰ্মীলোকো আছে।

সময় আগবঢ়াৰ লগে লগে এওঁলোকে অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি মূল সুঁতিৰ সৈতে জীন যাবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। আন্তৰিকতাৰে অসমীয়া ভাষা শিকি ভাবৰ আদান-প্ৰদান কৰিবলৈ লৈছে। পুৰুষ পৰম্পৰা ভাষাৰ ক্ষেত্ৰত এই ব্যৱস্থা চলি অহা দেখা যায়। ল'ৰা ছোৱালীক অসমীয়া মাধ্যমত পঢ়াশুনা কৰোৱাইছে। সভা-সমিতিকে ধৰি সামাজিক ক্ষেত্ৰত অসমীয়া ভাষা বহুলভাৱে ব্যৱহাৰ কৰি আহিছে।

চৰ অঞ্চলত কথিত ভাষাৰ মূল গাঁথনিক ৰূপ দেখা যায়। এই অনুসৰি চৰ অঞ্চলৰ কথিত ভাষা দুভাগত বিভক্ত :

(ক) ঘৰুৱা পৰিবেশত কথিত ভাষা

(খ) সামাজিক পৰিবেশত কথিত ভাষা

ঘৰুৱা পৰিবেশত কথিত ভাষাৰ গাঁথনিক ৰূপলৈ লক্ষ্য কৰিলে দেখা যায় ইয়াৰ মূল ভঁকাটো হ'ল পূৰ্ববঙ্গৰ কথিত ভাষা। অধিবাসীসকলে ঘৰুৱা পৰিবেশত আত্মীয়-স্বজনৰ লগত কথা পাতোতে এই ভাষা প্ৰয়োগ কৰে।

সামাজিক পৰিবেশত কথিত ভাষাৰ গাঁথনিক ৰূপলৈ লক্ষ্য কৰিলে দেখা যায় ইয়াৰ মূল জুমুঠিটো হ'ল এওঁলোকে বসবাস কৰিবলৈ লোৱা অঞ্চলৰ থলুৱা মানুহৰ কথিত অসমীয়া ভাষা। বছৰৰ পিছত বছৰ ধৰি ওচৰ-পাজৰৰ মানুহৰ লগত এই ভাষাৰে ভাবৰ আদান-প্ৰদান কৰি আহিছে। এইদৰে এওঁলোকৰ কথিত অসমীয়াই ধ্বনি, ৰূপ, শব্দ, জতুৱা ঠাঁচ, ফকৰা যোজনা আদিৰ বৈশিষ্ট্যৰে অসমীয়া ভাষাৰ এক সুকীয়া ৰূপ হিচাপে গঢ় লৈ উঠিছে। এই প্ৰবন্ধত নামনি অসমৰ চৰ অঞ্চলৰ কথিত অসমীয়া ভাষাৰ মূল প্ৰৱাহৰ বিষয়ে চমুকৈ আলোচনা কৰিবলৈ লোৱা হৈছে।

ধ্বনি-তত্ত্ব ঃ নামনি অসমৰ চৰ অঞ্চলৰ কথিত অসমীয়া ভাষাত বিশিষ্ট স্বৰ-ধ্বনি আঠোটা। সেইবোৰ হ'ল ঃ ই, এ, এ, অ্যা, আ, অ, ও, উ।

আটাইকেইটা স্বৰ-ধ্বনিয়েই হ্ৰস্ব। মান্য অসমীয়াৰ অনুনাসিকতা সাধাৰণতে লোপ পায়। উদাহৰণ ঃ পাঁচ > পাচ, দাঁত > দাত। শ্বাসাঘাত বিজ্ঞাত ; ই বিশিষ্ট গুণ নহয়। শব্দটো দ্বিঅক্ষৰী হ'লে প্ৰথম অক্ষৰত আৰু দুটাতকৈ অধিক অক্ষৰযুক্ত শব্দৰ দ্বিতীয় অক্ষৰত শ্বাসাঘাত পৰে। উদাহৰণ ঃ দমৰা > দাম্‌ৰা, কেঁকোৰা > কাক্‌ৰা।

বিশিষ্ট স্বৰ ধ্বনিবোৰৰ উদাহৰণ ঃ

/ই/	তিল	/আ/	আম
/এ/	তেজ	/অ/	কল
/এ'/	গে'দা 'ল'ৰাক কৰা সম্বোধন'	/ও/	ওশূদ
/অ্যা/	দ্যাশ	/উ/	উত্তৰ

বিশিষ্ট ব্যঞ্জন-ধ্বনি তেইশটা। সেই ব্যঞ্জন-ধ্বনি সমূহ হ'ল ঃ প, ফ, ব, ত, থ, দ, ট, ঠ, ড, ক, খ, গ, চ, ছ, জ, ম, ন, ঙ, ল, ৰ, শ, স, হ।

মান্য অসমীয়াৰ ভ, ধ, ঘ ব, দ, গ ৰূপে উচ্চাৰিত হয় আৰু সাধাৰণতে মহাপ্ৰাণতাৰ ঠাইত এটা কণ্ঠ্য স্ফোট ধ্বনি উচ্চাৰিত হয়। উদাহৰণ ঃ ধান > দান, ভাত > বাত, ঘাট > গ'াট। অৱশ্যে পঢ়াশুনা কৰা বা বাহিৰত ঘুৰা ফুৰা কৰা কিছুমান মানুহে ভ, ধ, ঘ ৰূপেই উচ্চাৰণ কৰা শুনা যায়। চ, ছ, জ দন্তমূলীয় তালব্য স্পৃষ্ট ধ্বনি ৰূপে উচ্চাৰিত হয়। সংস্কৃতৰ শ, ষ, স দুই ধৰণে উচ্চাৰিত হয়। কিছুমান শব্দত দন্তমূলীয় তালব্য উষ্ম 'শ' আৰু কিছুমান শব্দত কণ্ঠ্য উষ্ম 'স' ৰূপে উচ্চাৰিত হয়।

বিশিষ্ট ব্যঞ্জন-ধ্বনিবোৰৰ উদাহৰণ ঃ

/প/	পাপ	/ছ/	ছলি 'সন্তান'
/ফ/	ফল	/জ/	জাল
/ব/	বালা	/ম/	মাত
/ত/	কোইতৰ 'পাৰ'	/ন/	নাক
/থ/	কথা	/ঙ/	অংশ
/দ/	আদা	/ল/	হ্যালদি 'হালধি'
/ট/	টাকা	/ৰ/	ৰূপা
/ড/	ডাপ	/শ/	শ

/ক/ কল
/খ/ খাট
/গ/ গল
/চ/ চাচা 'খুৰা'
/স/ সুইতা/সুতা
/হ/ হিস্মত

ধ্বনি পৰিবৰ্তনৰ কেইটামান নিয়ম ঃ

(ক) মান্য অসমীয়াৰ অ'স্বৰ অ নাইবা ও ৰূপে উচ্চাৰিত হয়। যেনে, ক'ম > কম, ক'ত > কোত।

(খ) মান্য অসমীয়াৰ কিছুমান শব্দৰ আ স্বৰৰ আগত থকা অ স্বৰ চৰ অঞ্চলৰ কথিত ভাষাত আ ৰূপে উচ্চাৰিত হয়। যেনে, কণা > কানা, ৰজা > ৰাজা তৰা > তাৰা।

(গ) মান্য অসমীয়াৰ দ্বিঅক্ষৰযুক্ত শব্দৰ আদি অক্ষৰৰ ও স্বৰ চৰ অঞ্চলৰ কথিত ভাষাত অ ৰূপে উচ্চাৰিত হয়। যেনে খোপা > খপা, বোবা > ববা, ওঠৰ > অথ্ৰ।

(ঘ) মান্য অসমীয়াৰ শব্দৰ শেষত থকা 'ই' স্বৰ কিছুমান শব্দত আ লৈ ৰূপান্তৰ হয়। যেনে, বালি বালা/বালু, ঠাৰি > ঠাৰা, মাইকী > মাইকা/মাইগ্গা।

(ঙ) মান্য অসমীয়া কিছুমান শব্দৰ অ, ও স্বৰ উ লৈ আৰু এ স্বৰ ই লৈ পৰিবৰ্তন হোৱা দেখা যায়। যেনে, বন > বুন, তামোল > তামুল, সেন্দুৰ > শিন্দুৰ।

(চ) মান্য অসমীয়াৰ উষ্ম ধ্বনি 'স' (x) কেতিয়াবা শ, খ নাইবা হ ৰূপে উচ্চাৰিত হয়। যেনে, বিষ > বিশ/বিখ/বিহ দশমিক > দখমিক/দহমিক।

(ছ) সংস্কৃতৰ 'ক্ষ' চৰ অঞ্চলৰ কথিত অসমীয়াত খ, ক্খ আৰু ক্খো ৰূপে উচ্চাৰিত হয়। যেনে, ক্ষীৰ > খিৰ, পৰীক্ষা >পোৰিক্খা, লক্ষ্য> লক্খো।

(জ) চৰ অঞ্চলৰ কথিত ভাষাত য'তেই সম্ভৱ অপিনিহিতি হয়। যেনে, পনীয়া > পাইনা, বামি > বাইম, বাক্য > বাইক্ক।

(ঝ) কিছুমান শব্দৰ ধ্বনি-বিপৰ্যয় ঘটে। যেনে, বেমাৰ > বে'ৰাম, মৰণা > মাৰান।

(ঞ) কিছুমান তৎসম আৰু বিদেশী শব্দৰ ক্ষেত্ৰত স্বৰ-ভক্তি হোৱা দেখা যায়। যেনে, জ্ঞান > গিআন, প্ৰত্যেক > পোৰ্তিক, ফিল্ম > ফিলিম।

ৰূপ-তত্ত্ব ঃ চৰ অঞ্চলৰ কথিত অসমীয়াৰ কিছুমান ৰূপতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰা হল।

(ক) বহুবচনৰ প্ৰত্যয় ঃ বহুবচনৰ প্ৰত্যয় কিছুমান হ'ল, –আহুন/হুন, –হাত, –গিলা/গিলান, –কে'তা, –গুলা/গুলান।

উদাহৰণ ঃ ৰাম আহুন 'ৰামহঁত, তাহুন 'সিহঁত, তেওঁলোক, ছোলিহাত, আমগিলা, ইগিলান, ছালগকে'তা, গোৰুগুলা, মানুশ/মানুগুলান।

(খ) নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ মান্য অসমীয়াৰ দৰে চৰ অঞ্চলৰ কথিত অসমীয়াতো বহু নিৰ্দিষ্টতাবাচক প্ৰত্যয় ব্যৱহাৰ হয়। কিছুমান নিৰ্দিষ্টতাবাচক প্ৰত্যয় হ'ল, –খান, –পাল, –গাল, –জৰা, –জাক, –টা/টো, –টুক্ৰা, –মুঠা, –গোন্দা। উদাহৰণ ঃ কাপুৰখান, গোৰুপাল, মুৰিগাল, জতাজৰা, জোতাযোৰ,

ছাগলজাক, মানুশ/মানুটা, কথাটো, মাংশ টুক্ৰা, চাউল মুঠা, তামুল গোন্দা।

(গ) লিঙ্গ : প্ৰাণী বুজোৱা শব্দবহে লিঙ্গ ভেদ আছে। লিঙ্গ বুজাবলৈ তিনিটা উপায় অৱলম্বন কৰা হয় :

(১) পুৰুষ বা স্ত্ৰী বুজোৱা শব্দ ব্যৱহাৰ কৰি। যেনে, মৰ্দামানুশ 'মতা মানুহ', মাইগ্গা মানুশ 'মাইকী মানুহ।

(২) ভিন ভিন শব্দ ব্যৱহাৰ কৰি। যেনে, বাবা, মা, তাওই-মাওই, ৰাজা-ৰানি।

(৩) স্ত্ৰী-প্ৰত্যয় ই আৰু নি 'ঈ, নী' ব্যৱহাৰ কৰি। যেনে, বুৰা-বুৰি, চেঙ্ৰা-চেঙ্ৰি, বাগ-বাগিনি 'বাঘিনী'।

(ঘ) কাৰক আৰু শব্দ বিভক্তি : মান্য অসমীয়াৰ দৰে চৰ অঞ্চলৰ কথিত অসমীয়াতো কাৰক ছয় প্ৰকাৰ— কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ কাৰক।

কাৰক বুজাবলৈ দুটা উপায় অৱলম্বন কৰা হয়— শব্দ বিভক্তি যোগ দি আৰু শব্দ বিভক্তিৰ পিছত পৰসৰ্গ যোগ দি।

শব্দ বিভক্তি চাৰিটা : প্ৰথমা—এ, দ্বিতীয়া—ক, ষষ্ঠী—ৰ, সপ্তমী—ত।

(ঙ) পুৰুষৱাচক নিৰ্দিষ্টতাৱাচক প্ৰত্যয় : মান্য অসমীয়াত প্ৰয়োগ হোৱা পুৰুষৱাচক নিৰ্দিষ্টতাৱাচক প্ৰত্যয় চৰ অঞ্চলৰ কথিত অসমীয়াত প্ৰয়োগ নহয়। মান্য অসমীয়াৰ লগত এই পাৰ্থক্য স্পষ্ট। যেনে, মোৰ বাবা 'মোৰ পিতা', তোৰ বাবা 'তোৰ পিতাৰ', তাৰ বাবা 'তাৰ পিতাক'।

(চ) পৰসৰ্গ : পৰসৰ্গ দুবিধ— বিশেষ্যৱাচক আৰু ক্ৰিয়াৱাচক। প্ৰত্যেক বিধৰে কিছুমান পৰসৰ্গ হ'ল (১) বিশেষ্যৱাচক পৰসৰ্গ : দাৰা, দি, কাৰণে, দৰে। উদাহৰণ : ৰহিমৰ দাৰা, হাতেদি, মোৰ কাৰণে, তোৰ দৰে।

(২) ক্ৰিয়াৱাচক পৰসৰ্গ : তো, জাই, না, বুলি, হা। উদাহৰণ : খামতো, পালাজাই 'পালেগৈ', বহ না, মাতা বুলি, জাবি হা।

(ছ) ধাতু : ধাতু প্ৰধানভাৱে দুই প্ৰকাৰ— মুখ্য ধাতু আৰু গৌণ ধাতু। গৌণধাতু চাৰিপ্ৰকাৰ— ১. পাঁচনি ধাতু, ২. নাম ধাতু, ৩. ধ্বন্যাত্মক ধাতু আৰু ৪. সংযুক্ত ধাতু। প্ৰত্যেক বিধৰে কিছুমান ধাতু উল্লেখ কৰা হ'ল :

মুখ্য ধাতু : উগুল্ 'উভাল', বু 'সিচ', বুল্ 'খোজ কাঢ়', দাউৰ্, জা 'যা', পৰ্ 'পঢ়্', পৰ্ 'পৰ্'।

গৌণ ধাতু :

(১) পাঁচনি ধাতু : কৰাও, 'কৰাওঁ', গুচাও, 'আঁতৰাওঁ', বাগ্ৰাও 'বগৰাওঁ', দেইখাও 'দেখুৱাওঁ'।

(২) নাম ধাতু : দৰা 'বস্তুৰ দাম সোধা', দোইলা 'দলিওৱা', থেইলা 'থেলিওৱা', পাইকা 'পকোৱা'।

(৩) ধ্বন্যাত্মক ধাতু : বে'বা, কে'কা, গুৰগুৰা, কলকলা।

(৪) সংযুক্ত ধাতু : খাই উঠ্, আহি থাক্, চলাই আহ্, চোইৰা জা 'আঁতৰি যা', দাউৰি জা।

(জ) শব্দ গঠনৰ প্ৰত্যয় : চৰ অঞ্চলৰ কথিত অসমীয়াত শব্দ গঠনৰ বাবে

তিনি প্ৰকাৰ প্ৰত্যয় পোৱা যায়। ১. পূৰ্ব প্ৰত্যয় ২. কৃৎ প্ৰত্যয় আৰু ৩. তদ্ধিত প্ৰত্যয়। প্ৰত্যেক বিধৰে কেইটামান প্ৰত্যয় উদাহৰণেৰে সৈতে উল্লেখ কৰা হ'ল :

পূৰ্ব প্ৰত্যয় : আ— : আকাল, বি— : বিদ্যাশ 'বিদেশ', বে— : বেদখল, বদ— : বদনাম, কু— : কুপুত্ৰ।

কৃৎ প্ৰত্যয় : —আ : জানা 'জনাশুনা', —ই : মানি 'সম্মানী', —ওন : বান্দোন 'বান্ধন', —নি : খাটনি 'পৰিশ্ৰম, —না: বাজনা।

তদ্ধিত প্ৰত্যয় : —আ: খৰা-'খৰাং', —আই: চুৰাই 'চোৰাং', —আপি: মদাপি, মি: পাগলামি, —লা: কামলা 'শ্ৰমিক, হাজিৰা কৰা লোক।'

শব্দমালা : চৰ অঞ্চলৰ কথিত অসমীয়াত সাধাৰণতে ব্যৱহাৰ হোৱা কিছুমান শব্দ উল্লেখ কৰা হ'ল।

আপা 'ল'ৰা'
আপি 'ছোৱালী'
আবহাউআ 'বতৰ'
ইজ্জত 'সম্মান'
ওশুদ/ওখুদ 'ঔষধ'
কমলা 'সুমথিৰা'
কাউন 'এবিধ শস্য'
কাকৰা 'কেঁকোৰা'
কোই 'কাৱৈ মাছ'
কোইতৰ 'পাৰ চৰাই'
খৰচা 'খৰচ'
খে'তা 'পুৰণি কাপোৰেৰে বোৱা এবিধ কাপোৰ, এবিধ মাছ ধৰা জাল'
গে'দা 'ল'ৰাক কৰা সম্বোধন'
গেদি 'ছোৱালীক কৰা সম্বোধন'
গে'ৰাম/গাউ 'গাওঁ'
গোআইল/গোলি 'গোহালি'
চন/চুন 'ঘৰ চাবলৈ কাটি অনা উলু'
জন 'জোন'
জামবুৰা/জোমবুৰা 'ৰবাব টেঙা'
তেলিচোৰা/তেইলা চোৰা 'পইঁতাচোৰা'
তোজবি 'এবিধ মালা'
দম্দ কলশ/দোম্কলশ 'দোৰোণফুল'
দানা 'খাদ্য'
নাইওৰ 'বিবাহিতা তিৰোতা মাকৰ ঘৰলৈ যোৱা কাৰ্য'
নানা 'মাকৰ পিতাক'
নানি 'মাকৰ মাক'
পাইনাল 'পণিয়ল'

পাগাৰ 'খাল'
পানি 'পানী ববৰুণ'
ফাইজ্‌লামি 'উপহাস, খং তোলা কথাৰ আলাপ'
বাক্‌চো 'বাকচ'
বাগ 'বাঘ'
বাজ্‌ৰা 'গাইক ৰান্ধি খুওৱা খাদ্য'
বালিশ 'গাৰু'
বে'হ্‌ৰ/বে'হ্যাৰ'সৰিয়হ'
বোথিদাউ 'মৈদা'
মাতব্বৰ/মাত্‌বৰ 'মুখিয়াল, মালিক, স্বত্বাধিকাৰী'
মান 'সাঁথৰ'
মে'লা/মে'ল্লা-'অসংখ্য, যথেষ্ট, বৃহৎ'
ৰাহাল 'গৰখীয়া, খেতি আদিৰ কাম কৰিবলৈ ৰখা মানুহ
ৰোশুন/ৰোহুন 'নহৰু'
সোব্‌ৰি 'মধুৰীআম, মালভোগ কল'
হালাল 'শুদ্ধভাৱে ডিঙি কটা'
যুৰীয়া শব্দঃ
কথা-বাত্‌ৰা 'কথা-বতৰা'
কাম-কাজ 'কাম-কাজ'
গৰ-গোতি 'প্ৰকৃতি, স্বভাৱ'
দৰ-দাম 'দৰ-দাম'
বাউ-বাতাশ 'বা-বতাহ'
মাতা-বুলা 'কথা-বতৰা'
মাম্‌লা-মোকদ্দমা
মে'ল-দৰবাৰ
কাপুৰ-চুপুৰ
খৰচ-তৰচ
জগ্‌ৰা-পেচাল
মানুশ-তানুশ/মান্‌হু-চান্‌হু
ধ্বন্যাত্মক আৰু প্ৰতি ধ্বন্যাত্মক শব্দঃ
অদল বদল 'সালসলনি'
আগা গোৰা 'অসমান'
উদ্‌লা মুদ্‌লা 'খালিগাৰে'
খচো মচো 'সাৰিশব্দ'
খাচা খাচি 'খাতিৰ নকৰাকৈ'
হিবিজিবি/ইবিজিবি 'খেলিমেলি, বেমেজালি'
জতুৱা ঠাচ আৰু খণ্ড বাক্যঃ
তানিমানি 'কোনোমতে'

চোখুত লাগ/নাগ 'পচন্দহে'
পাক লাগ/নাগ 'জটিল হ'
পানিত ফেলা 'নষ্টকৰ্'
ফুটানি মাৰ্ 'অহংকাৰ কৰ্'
মাটিৰ মানুশ 'অতি সৰল'
চোখুত ত্যাল দি কান্দ 'মিছাই দুখ কৰ'
হচ্‌কিল মচ্‌কিল 'বিপদ আপদ'
হা এজ্জ হ 'পুষ্পিতা হ'
মাইহ্‌লা/মাশিক হ 'ঋতুমতী'

বাক্যবিন্যাস : চৰ অঞ্চলৰ কথিত অসমীয়াৰ বাক্য গঠন প্ৰণালী মান্য অসমীয়াৰ দৰেই। তলত কেইটামান বাক্যৰে চৰ অঞ্চলৰ কথিত অসমীয়াৰ বাক্য গঠনৰ আভাস দিয়া হ'ল।

১। মোৰ নাম মুজিবৰ।
মোৰ নাম মুজিবৰ।
২। তোই কি কাম কোৰ্‌বা পাৰা?
তই কি কাম কৰিব পাৰ?
৩। মোই ইচ্‌কুলত পৰা নাই।
মই স্কুলত পঢ়া নাই।
৪। বাবা নাই, কাই পৰাবো?
পিতা নাই, কোনে পঢ়াব?
৫। নানা গ'ৰত নাই।
ককাদেউতা ঘৰত নাই
৬। তাৰ লগোত অ্যাক টাকা আছে।
তাৰ এটকা আছে।
৭। গোৰুটো কাৰ?
গৰুটো কাৰ?
৮। পানি পোৰ্‌ছে।
বৰষুণ দিছে।
৯। মোইনুল, নাজিম আৰু মোই জাম।
মইনুল, নাজিম আৰু মই যাম।
১০। আপ্‌নি জাবো!
আপুনি যাব!
১১। কদম! কালি জাবি হা।
কদম! কাইলৈ যাবি দেই।
১২। আমাৰ গাউৰ মানুই দান, গোম, বে'হাৰ, পাটা, বাঙ্‌না ইগিলাৰে খেতি কৰে।
আমাৰ গাঁৱৰ মানুহে ধান, গম, সৰিয়হ, মৰাপাট, বেঙেনা এইবিলাকৰে খেতি কৰে।

ফকৰা-যোজনা ঃ

১। কে'ৰকেটুআই তামুল খাই
নেউলোক বান্ধি কিলাই
২। দাউৰি ফুৰা কাক্‌ৰাৰ ত্যাল নাই
৩। নাই মামাতকে কানা মামাই ব'ল
৪। বাৰহাত কাক্‌ৰালেৰ তে'ৰ হাত বিচি।
বাৰহাত কেৰেলাৰ তেৰ হাত গুটি'
৫। আগে বাইন্‌বা আইল
তাৰ পাছে খাইবা শাইল
আগতে বান্ধিবা আলি
তাৰপাছত খাবা শালি'

সাঁথৰ ঃ	**অৰ্থ**
১। অ্যাক নাঙলৰ বোত্‌ৰিশ ফাল	
তিন মৰ্‌দে বাই অ্যাক হাল	কৰত
২। গাছৰ উপুৰোত গুটি	
গুটিৰ উপুৰোত গাছ	আনাৰস
৩। জাক কাটে সি নাকান্দে	
জাই কাটে সি কান্দে	পিয়াজ
৪। পেট আছে আতুৰি নাই	
হাত আছে মাথা নাই	গেঞ্জি
৫। ৰাজাৰ কোলি গাই	
গ'টে গ'টে পানি খাই	বৰশী

ওপৰৰ আলোচনাৰ পৰা আমি এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে অসমৰ নানা জাতি উপজাতিৰ মাজত প্ৰচলিত কথ্য অসমীয়া ভাষাৰ অধ্যয়নেৰে অসমীয়া ভাষা পূৰ্ণাঙ্গ পৰিচয় পাবৰ বাবে চৰ অঞ্চলৰ কথিত অসমীয়াৰ বিস্তৃত অধ্যয়নৰ প্ৰয়োজন আছে। এই ভাষাত থকা ৰূপ, শব্দ, জতুৱা ঠাঁচ, খণ্ড বাক্য, ফকৰা-যোজনা আদি মান্য ভাষাৰ ৰীতিৰে সৰলীকৰণ কৰি ব্যৱহাৰ কৰিলে অসমীয়া ভাষা অধিক চহকী হ'ব। এনে কৰিলে চৰ অঞ্চলৰ ৰাইজে অসমীয়া ভাষাক বেছি আপোন অনুভৱ কৰিব আৰু ই অসমৰ ঐক্য, শান্তি আৰু সম্প্ৰীতি সুদৃঢ় হোৱাত সহায়ক হ'ব।

সহায়ক পুথিৰ তালিকা

১। গোস্বামী, উপেন্দ্ৰ নাথ, ১৯৮২ ঃ ভাষা বিজ্ঞান
২। গোস্বামী উপেন্দ্ৰ নাথ ১৯৮১ ঃ অসমীয়া ভাষাৰ ব্যাকৰণ
৩। গোস্বামী, উপন্দ্ৰে নাথ, ১৯৮৬ ঃ অসমীয়া ভাষা আৰু উপভাষা
৪। গোস্বামী, গোলোক চন্দ্ৰ ১৯৭৭ ঃ ধ্বনি বিজ্ঞানৰ ভূমিকা
৫। গোস্বামী গোলোক চন্দ্ৰ ১৯৬৯ ঃ অসমীয়া ব্যাকৰণ
৭ I Chatterji, S.K. 1975 : The Origin and Development of the Bengali Language.
৮ I Goswami, U.N. 1970 : A study on Kamrupi, A Dialect of Assamese.

তুলনামূলক অধ্যায়ন

সংস্কৃত আৰু দ্ৰাবিড় - গোষ্ঠীৰ তামিল ভাষাঃ এক সমীক্ষা

ড° অশোক কুমাৰ গোস্বামী

ভাষাতত্ত্বৰ ফালৰ পৰা সংস্কৃত ভাষা ইণ্ডো-ইউৰোপীয় ভাষিক গোষ্ঠীৰ ইণ্ডো - ইৰাণীয় শাখাৰ অন্তৰ্গত। এই সংস্কৃত আৰ্য্যভাষা বুলিও পৰিচিত। পালি আৰু প্ৰাকৃত এই আৰ্য্যভাষাৰেই অন্তৰ্গত। প্ৰাকৃতৰ পৰাই অপভ্ৰংশ আৰু অপভ্ৰংশৰ পৰাই আধুনিক উত্তৰ ভাৰতৰ আৰ্য্যভাষা সমূহৰ উদ্ভৱ। এই বিলাক হৈছে বঙালী, অসমীয়া, বিহাৰী (মৈথিলী, ভোজপুৰী, মগহী, অবধী প্ৰভৃতি), উড়িয়া, হিন্দী, পঞ্জাবী, ৰাজস্থানী (মাৰোৱাৰী), গুজৰাটী, মাৰাঠী, সিন্ধি ইত্যাদি। উৰ্দুৰ উৎপত্তি স্থল বেলেগ হলেও উৰ্দূ এতিয়া আৰ্য্যভাষাৰ অন্তৰ্গত হৈ পৰিছে, সিংহলী আৰু নেপালী ভাৰতৰ বাহিৰৰ ভাষা হলেও প্ৰকৃততে আৰ্য্যভাষা সংস্কৃতৰে অন্তৰ্গত। অৱশ্যে আজি কালি আধুনিক ভাৰতীয় আৰ্য্যগোষ্ঠী সম্ভূত ভাষা বিলাকৰ ক্ষেত্ৰতো সেই সেই ভাষাৰ অত্যুৎসাহী পণ্ডিত সকলে নিজ নিজ ভাষাক সংস্কৃতৰ পৰা মুক্ত কৰি স্বনিৰ্ভৰশীল ভাষা হিচাবে প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰা দেখা যায়। এই সন্দৰ্ভত এই কথা নিশ্চিত ভাবে কব পাৰি যে আমি ওপৰত উল্লেখ কৰা ভাষা বিলাক সম্পূৰ্ণ সংস্কৃত মূলক আৰু সংস্কৃতৰ দ্বাৰা পুষ্ট। এই ভাসা সমূহত ৰচিত সাহিত্য ৰাজিও সংস্কৃত সাহিত্যৰ দ্বাৰা বহু পৰিমাণে প্ৰভাৱিত। দক্ষিণ ভাৰতত প্ৰসাৰ লাভ কৰা ভাষিক গোষ্ঠী হ'ল দ্ৰাবিড়ীয়। মূলত ঃ সংস্কৃতৰ পৰা পৃথক এই ভাষিক গোষ্ঠীটোত আমি চাৰিটা প্ৰধান ভাষা পাওঁ- তামিল, তেলেগু, (তেলুগু), কন্নড় (কান্নাড়ী) আৰু মালয়ালম্ (মলয়ালম্)। সমৃদ্ধ সাহিত্যৰ অধিকাৰী এই চাৰিউটা ভাষাৰ বহুতো উপভাষাও আছে। মূলতঃ ভিন্ন হৈও দ্ৰাবিড় গোষ্ঠীয় এই চাৰিউটা ভাষা সংস্কৃতৰ দ্বাৰা প্ৰভাবিত হৈছে। সেই সন্দৰ্ভতে দ্ৰাবিড়ীয় তামিল ভাষাৰ ওপৰত সংস্কৃতৰ প্ৰভাব সংক্ষেপে

আলোচনা কৰা হৈছে। সংস্কৃতত 'দ্ৰাবিড়' শব্দৰ ব্যৱহাৰ অতি প্ৰাচীন। ভাষাতত্ত্ববিদ্ অধ্যাপক সত্যৰঞ্জন বন্দোপাধ্যায় তেখেতৰ 'সংস্কৃত ও ভাৰতীয়ভাষা' শীৰ্ষক পুস্তিকাত (কলিকতা, ১৯৯২) দেখুওৱা মতে এই দ্ৰাবিড় শব্দটোৰ বানান দুই প্ৰকাৰৰ পোৱা যায়, এটা হ'ল 'দ্ৰমিল' বা 'দ্ৰামিলী' আৰু ইটো হ'ল 'দ্ৰাবিড়' বা 'দ্ৰাবিড়ী'। বন্দোপাধ্যায়ৰ মতে কোনো কোনো প্ৰাকৃত বৈয়াকৰণে দ্ৰাবিড়ক অপভ্ৰংশ বা পৈশাচী ভাষাৰ অন্তৰ্গত বুলিও উল্লেখ কৰি গৈছে। সেয়া যি কি নহওক, মনুসংহিতাত (১০/৪৩-৪৪) জাতি বিশেষ হিচাবে দ্ৰাবিড় শব্দৰ উল্লেখ আছে, ভাৰতৰ নাট্যশাস্ত্ৰ (১৭/৪৮) ত জাতি বিশেষৰ অৰ্থত দ্ৰমিল শব্দৰ নাট্যশাস্ত্ৰতে পাঁচোটা পাঠান্তৰ আছে - দ্ৰামিলী, দ্ৰামিড়ী, দ্ৰামিড়, দ্ৰাবিড় আৰু দ্ৰাবিড়ী। মহাভাৰত প্ৰভৃতি সংস্কৃত সাহিত্যৰ অনেক গ্ৰন্থত দ্ৰাবিড় শব্দৰ প্ৰয়োগ চকুত পৰে।

দ্ৰাবিড়ীয় তামিল ভাষাৰ দুটা স্তৰ - প্ৰাচীন তমিল আৰু আধুনিক তামিল। সংস্কৃত আৰু প্ৰাচীন তামিলৰ তুলনামূলক বিচাৰৰ চেষ্টা কৰিছে তামিল কবি তিৰুবল্লুবৰে।

'আৰ্য্যভাষা (সংস্কৃত) আৰু প্ৰচীন তামিলৰ মাজত কোন শ্ৰেষ্ঠ কোৱা কঠিন। আৰ্য্যভাষাত যেনেদৰে বেদ আছে, তামিল ভাষাত তেনেদৰে তিৰুবল্লুবৰৰ পদ আছে।'

আৰ্য্যসকলৰ বহু আগতেই ভাৰতলৈ আহি বসবাস কৰা দ্ৰাবিড় জাতিৰ অন্যতম ভাষা 'তামিল স্বাভাবিকতেই মৌলিক ভাবে সংস্কৃতৰ পৰা সম্পূৰ্ণ ৰূপে পৃথক্। ধ্বনিতত্ত্ব বৰ্ণমালা আৰু তাৰ উচ্চাৰণ আৰু ৰূপতত্ত্ব (শব্দ গঠন, ধাতু আৰু প্ৰত্যয়) ত তামিল ভাষাৰ স্বকীয় মৌলিক উপাদান সমূহ দৃষ্টিগোচৰ হয়, যি বিলাক উপাদান সংস্কৃত ভাষাত দেখা নাযায়। উপাদানৰ ক্ষেত্ৰত এই স্বকীয়তা তামিল ভাষাই প্ৰাচীন কালৰে পৰা অক্ষুন্ন ৰাখিছে সঁচা, কিন্তু সংস্কৃতৰ দ্বাৰা প্ৰভাবিত নোহোৱাকৈ থাকিব পৰা নাই। অৱশ্যে প্ৰাচীন তামিলতকৈ আধুনিক তামিলতহে সংস্কৃত ভাষাৰ অধিক অনুপ্ৰবেশ ঘটিছে। শব্দৰ ব্যৱহাৰ আৰু সাহিত্যিক ভাবৰ প্ৰয়োগত আধুনিক তামিল সংস্কৃতৰ ওচৰত অতি ঋণী হৈ পৰিছে।

সংস্কৃত আৰু তামিল ধ্বনিৰ মাজত কিছুনাম মৌলিক পাৰ্থক্য আছে। তামিলত সংস্কৃতৰ ঋ, ৠ, ঌ, ৡ নাই, আনহাতে সংস্কৃতত তামিলৰ হ্ৰস্বত্ৰ আৰু ও নাই, তামিলত দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ স্পৰ্শ বৰ্ণ নাই, প্ৰথম আৰু পঞ্চমহে আছে। কিন্তু শব্দৰ মাজত দুটা স্বৰবৰ্ণৰ মাজত 'ক চত ট'

আৰু 'প' থাকিলে এই বৰ্ণ কেইটা 'গ,জ,ড,দ' আৰু ব'ৰ দৰে উচ্চাৰিত হয়। সেয়ে 'গণপতি'ৰ তামিল উচ্চাৰণ হয় 'কনৱদী'। চ- বৰ্ণ 'শ' বা 'স' ৰূপে উচ্চাৰিত হয়।

তামিলত শ, ষ, স আৰু হ নাই ঃ বিসৰ্গৰ নিচিনা এটা বৰ্ণ আছে। তাৰ নাম 'অয্তম'ই সংস্কৃতৰ জিহ্বামূলীয়-ধবনিৰ নিচিনা, ইয়াৰ বাহিৰে তামিলৰ কিছুমান সংস্কৃতত নথকা ধবনি আছে, তামিলত স্বৰবৰ্ণ মুঠ ১২ টা আৰু ব্যঞ্জনবৰ্ণ ২০টা। তামিলত অনুপ্ৰবিষ্ট সংস্কৃত শব্দৰ ৰূপান্তৰৰ ধাৰণা কৰিবৰ বাবে তামিল বৰ্ণমালা আৰু তাৰ উচ্চাৰণৰ জ্ঞানৰ প্ৰয়োজন। সংস্কৃত ঋ ৠ বৰ্ণদ্বয় সংস্কৃতব্য। কৰণৰ নিয়ম অনুসাৰেই 'অৰ্' বা 'আৰ্' হৈ পৰে। যেনে- 'কৃষ্ণ' তামিলত 'কন্নন' হৈছে (প্ৰক্ৰিয়াটোত প্ৰাকৃতৰূপ 'কণ্হ'ৰ প্ৰভাৱ পৰিছে)। যিহেতু তামিলত সংস্কৃতত দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ স্পৰ্শধবনি নাই। তামিলত অনুপ্ৰৱেশ কৰা সংস্কৃত শব্দৰ এনে ধবনি প্ৰথম বৰ্ণ লৈ ৰূপান্তৰিত হয়। কেতিয়াবা এনে তামিল শব্দৰ মূল সংস্কৃত আছিল বুলি ধৰিব নোৱাৰা হয়, যেনে- সংস্কৃত-মুখ, তামিল-মূকম্; সং-নাম, তা-নাতন্, সং-স্বয়ম্ভূ, তা-চয়ম্পূ; সং-দৃষ্টান্ত, তা-তিৰুটান্তম্ ইত্যাদি। অদ্যাবধি স্বীকৃত তামিলভাষাৰ প্ৰাচীনতম গ্ৰন্থ 'তোল্কপ্পিয়ম্' (আনুমানিক খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত ৰচিত)ত তামিল ভাষাৰ শব্দৰাশিক চাৰিভাগত ভাগ কৰা হৈছে -

(১) ইয়ৰ্চোল- এইখিনি তামিলভাষাৰ খাটি শব্দ

(২) তিৰিচোল - কিছু পৰিবৰ্ত্তন হোৱা খাটি তামিল শব্দ

(৩) তিঁচৈচ্চোল - তেলেগু, কান্নাড়ী আদি প্ৰান্তীয় ভাষাৰ পৰা গৃহীত শব্দ আৰু

(৪) বটচোল - সংস্কৃত শব্দ।

এয়া তামিল ভাষাত সংস্কৃত শব্দৰ ব্যৱহাৰৰ প্ৰত্যক্ষ আৰু প্ৰাচীনতম স্বীকৃত।

তামিল ভাষাত সংস্কৃত শব্দই চাৰি প্ৰকাৰে থিতাপি লৈছে।

(১) সংস্কৃত বানান অনুসৰি ব্যৱহৃত 'তৎসম' শব্দ, যেনে-কাম, ৰাম, মন, ইত্যাদি।

(২) কেতিয়াবা অৰ্দ্ধতৎসম শব্দ, যেনে-সং-কৃষত, তা-কিৰুষণ।

(৩) কেতিয়াবা তদ্ভৱৰূপে, এই তদ্ভৱৰূপ তামিল ভাষাৰ পদ্ধতি অনুসৰি হয়, যেনে- সংস্কৃত 'কৃষ্ণ' প্ৰাকৃতত 'কহ্ন' হয়, সেই 'কহ্ন' তামিলত 'কন্নন্' হয়, পৰবৰ্ত্তী কালত এই শব্দ 'কিক্ষণন্', 'কিকট্টিণন্' বা 'কিট্টু' হৈছে।

(৪) আকৌ কিছুমান সংস্কৃত শব্দ তামিলৰ ধবনি পৰিবৰ্ত্তনৰ নিয়ম অনুযায়ী গ্ৰহণ কৰা হৈছে। যেনে-

'ব্ৰাহ্মণ' শব্দটো প্ৰাচীন তামিলত 'পিৰাম্মন্' হৈছে, 'অধিকাৰ' শব্দটো তামিলত 'অতিকাৰম্' হৈছে। পি. এস্. সুব্ৰহ্মণ্য শাস্ত্ৰীৰ মতে প্ৰাচীনতম তামিল ব্যাকৰণ তোল্কাপ্পিয়ম্ প্ৰতিশাখ্য, যাস্কৰ নিৰুক্ত, পাণিনিৰ ব্যাকৰণ আৰু 'শিক্ষা' গ্ৰন্থৰ বহু উপাদানেৰে পুষ্ট, যেনে- বৰ্ণমালা নিৰ্দেশৰ বাবে যেনেকৈ সংস্কৃতত 'কাৰ' যোগ দিয়া হয়, তেনেকৈ তোল্কাপ্পিয়মতো 'কাৰ' যোগ দিয়া দেখা গৈছে। অধ্যাপক সত্যৰঞ্জন বন্দোপাধ্যায়ৰ মতে তামিল জনা লোকে 'তোল্কাপ্পিয়ম্' ব্যাকৰণ পঢ়িলে 'প্ৰাচীন তামিল' ভাষাত এখন 'সংস্কৃত ব্যাকৰণ' পঢ়া যেন অনুভৱ কৰে।

তামিল ভাষাক তিনিটা ভাগত ভাগ কৰে -

(১) প্ৰাচীন তামিলৰ যুগ (খ্ৰী. পূ. ২য় বা ১ম শতাব্দীৰ পৰা খ্ৰীষ্টাব্দ ত্ৰয়োদশ শতাব্দীলৈ, এই যুগৰ উল্লেখযোগ্য সাহিত্য কৰ্ম হল- তোল্কাপ্পিয়াম্, সঙ্গম আৰু কুৰল্।

(২) মধ্য তামিল যুগ- খ্ৰী. ১৪ শৰ পৰা ১৮শ শতাব্দীলৈ। এই যুগত ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহিনী লৈ তামিলত সাহিত্য সৃষ্টি আৰম্ভ হ'ল।

(৩) আধুনিক তামিল যুগ (খ্ৰী. ১৮ শ শতিকাৰ পৰা বৰ্ত্তমানলৈ)। বিভিন্ন যুগৰ তামিল ভাষাৰ সাহিত্য কৰ্ম পৰ্য্যবেক্ষণ কৰিলে পাঠকে তামিল ভাষাৰ সাহিত্যতো সংস্কৃত সাহিত্যৰ প্ৰভাৱ সহজে উপলব্ধি কৰিব পাৰে। সেয়ে উপসংহাৰত এই কথা নিশ্চিত ভাবে কব পাৰি যে তামিল ভাষা সাহিত্য সংস্কৃত ভাষা সাহিত্যৰ পৰা মৌলিক ভাৱে স্বতন্ত্ৰ হৈও সংস্কৃত ভাষা সাহিত্যৰ দ্বাৰা স্পষ্ট ভাবে প্ৰভাৱিত।

গ্রন্থপঞ্জী

M. Srinivas Iyangar- Tamil Studies, Gaudian Press, Madras, 1914.

S. Anavarata Vinayaka Pillai- The Sanskrit Element in the Vocabularies of the Dravidian Languages, Dravidic Studies III, University of Madras, 1919.

P.T. Srinivas Aiyanger - Pre- Aryan Tamil Culture University of Madras, 1930.

Prof. S.N. Banerjee- Sanskrit O Bharatiya Bhasa, Calcutta, 1992.

-হিন্দী আৰু অসমীয়া ভাষা-

ড° ভূপেন্দ্ৰ ৰায় চৌধুৰী

অসমীয়া ভাষাৰ প্ৰচলন অসম ৰাজ্যৰ ভিতৰত সীমাবদ্ধ কিন্তু হিন্দী প্ৰধানতঃ উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ, ৰাজস্থান, পঞ্জাবৰ কিয়দাংশ, হাৰিয়াণা, হিমাচল প্ৰদেশ, আৰু দিল্লী প্ৰদেশতো প্ৰচলিত। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যতো হিন্দী কোৱা আৰু বুজি পোৱা লোকৰ সংখ্যা তাকৰীয়া নহয়। হিন্দী ভাষাৰ প্ৰচলন যে কেৱল ভাৰতবৰ্ষতেই সীমিত, তেনে নহয়। স্বাধীনতাৰ পিছৰে হিন্দী চৰ্চাৰ পৰিসৰ বিদেশতো বৃদ্ধি পাই আহিছে। দৰাচলতে ফিজী, সুৰীনাম, ত্ৰিনীডাড, গুয়ানা, মাৰিশাচ প্ৰভৃতি দেশত বসবাস কৰা ভাৰতীয় মূলৰ লোকসকলৰ মাজত এতিয়াও হিন্দী অভিব্যক্তিৰ প্ৰধান মাধ্যম। ব্ৰিটেইন, ম্যানমাৰ, থাইলেণ্ড, মালয়েছিয়া, চিঙ্গাপুৰ আদি দেশতো প্ৰবাসী ভাৰতীয়সকলৰ মাজত হিন্দীৰ প্ৰচলন সৰ্বাধিক। আমেৰিকা, ছোভিয়েত দেশ, ফ্ৰান্স, চেকোশ্লোভেকিয়া, জাপান, জাৰ্মান, হলেণ্ড, পোলেণ্ড, ভিয়েতনাম, ডেনমাৰ্ক, চীন, ইজৰাইল, দক্ষিণ ৰোডেশিয়া, চুডান, অষ্ট্ৰেলিয়া আদি বিশ্বৰ তিৰানব্বৈ বখন বিশ্ববিদ্যালয়ত হিন্দীৰ অধ্যায়ন অধ্যাপনা হয়। ভাৰতবৰ্ষৰ প্ৰায়বোৰ বিশ্ববিদ্যালয়তে হিন্দী ভাষাৰ অধ্যায়নৰ ব্যৱস্থা আছে। ত্ৰিশ কোটি লোকে ব্যৱহাৰ কৰা হিন্দী বিশ্বৰ আগশাৰীৰ ভাষা ৰূপে স্বীকৃত হৈ বিশ্বৰ সৰ্বাধিক প্ৰচলিত ভাষাৰ চতুৰ্থ স্থান অধিকাৰ কৰিছে। সেয়ে সংযুক্ত ৰাষ্ট্ৰসংঘৰ ভাষা ৰূপে হিন্দীক স্বীকৃতি দিয়াৰ দাবী সঘনে উঠা দেখা যায়। ব্যৱহাৰিক দৃষ্টিৰে অসমীয়া আৰু হিন্দী ভাষাৰ তাৰতম্য স্পষ্ট হলেও আৰ্যমূলীয় ভাষাৰ গঠনাত গঢ় লৈ উঠা উভয়বিধ ভাষাৰ সাদৃশ্য মন কৰিবলগীয়া। তৎসম, তদ্ভৱ, দেশী, বিদেশী শব্দ সম্ভাৰেৰে পৰিপুষ্ট হোৱা হিন্দী আৰু অসমীয়া দৰাচলতে ভগ্নীভাষা।

ভাষাৰ উৎপত্তি আৰু বিকাশঃ

সময় অনুসৰি ভাৰতীয় আৰ্য ভাষাবোৰক ঘাইকে তিনি ভাগত বিভক্ত কৰা হৈছে।

(ক) প্ৰচীন ভাৰতীয় আৰ্য ভাষা- ১৫০০ খৃঃপূঃ ৰ পৰা ৫০০ খৃঃ পূলৈ।

(খ) মধ্য ভাৰতীয় আৰ্য ভাষা - ৫০০ খৃঃ পূৰ পৰা ১০০০খৃলৈ।

(গ) আধুনিক ভাৰতীয় আৰ্য ভাষা - ১০০খৃঃ ৰ পৰা বৰ্তমানলৈকে।

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাই বৈদিক বাঙময় সাহিত্যৰ উপৰি শাস্ত্ৰীয় সংস্কৃত সাহিত্য অৰ্থাৎ বাল্মীকি, ব্যাস, ভাস, অশ্বঘোষ, কালিদাস, মাঘ আদিৰ ৰচনাক সামৰিছে।

মধ্য ভাৰতীয় আৰ্য ভাষাক 'প্ৰাকৃত-কাল' বুলিও কোৱা হয়। ইয়াক তিনি ভাগত বিভক্ত কৰিব পাৰি-

(ক) প্ৰথম প্ৰাকৃত (৫০০ খৃঃ পূঃৰ পৰা খৃঃ ৰ আৰাম্ভণি) - পালি।

(খ) দ্বিতীয় প্ৰাকৃত (খৃঃ চনৰ পৰা ৫০০ খৃঃলৈ) - শৌৰসেনী, পৈশাচী, ব্ৰাচড়, মহাৰাষ্ট্ৰী ইত্যাদি।

(গ) তৃতীয়া প্ৰাকৃত (৫০০ খৃঃ ৰ পৰা ১০০০ খৃঃলৈ - অপভ্ৰংশ।

প্ৰাকৃত ভাষাৰ উৎপত্তি সম্বন্ধে তিনিটা মত পোৱা যায়। প্ৰথম, সংস্কৃতৰ পৰা প্ৰাকৃতৰ উৎপত্তি হৈছে (প্ৰাকৃতঃ সংস্কৃতম্। তত্ৰ ভৱং তত আগতং ৱা প্ৰাকৃতম্। -হেমচন্দ্ৰ)। দ্বিতীয়, প্ৰাকৃতৰ সংস্কাৰ সাধন কৰি সংস্কৃত নিৰ্মাণ কৰা হৈছে। 'সংস্কৃত' শব্দটোৱে এই ধাৰণা ('সংস্কাৰ সাধন হৈ সংস্কৃত) প্ৰমাণিত কৰে। তৃতীয়া, সংস্কৃতৰ পৰা প্ৰাকৃত সৃষ্টি হোৱা নাই আৰু প্ৰাকৃতৰ পৰাও সংস্কৃতৰ সৃষ্টি হোৱা নাই। সংস্কৃতৰ সমান্তৰাল ভাবে চলা জনভাষাৰ বিকশিত ৰূপেই হৈছে প্ৰাকৃত। উপযুক্ত সাক্ষ্যৰ অভাৱত এই মত বোৰৰ কোনো এটা দৃঢ় ভাবে গ্ৰহণ কৰিব নোৱাৰিলেও তৃতীয় মতৰ পক্ষে সামৰ্থকৰ সংখ্যা সৰহ দেখা যায়।

আধুনিক ভাৰতীয় আৰ্যভাষাৰ বিকাশ তৃতীয় প্ৰাকৃত অৰ্থাৎ অপভ্ৰংশৰ হোৱা বুলি ঠাৱৰ কৰা হয়। অপভ্ৰংশৰ পৰা বিকাশ হোৱা আধুনিক ভাৰতীয় আৰ্থ ভাষাৰ তালিকা এখন এইদৰে প্ৰস্তুত কৰিব পাৰি-

অপভ্ৰংশ	আধুনিক ভাষা গুচ্চ
শৌৰসেনী	পশ্চিমী হিন্দী (খড়ীবোলী বা কৌৰৱী, ব্ৰজভাষা, হৰিয়াণী, বুন্দেলী, কন্নৌজী)
	ৰাজস্থানী (মেৱাতী, মাৰৱাড়ী, মালৱী,

	জয়পুৰী) পাহাড়ী (পশ্চিমী পাহাড়ী, মধ্যৱৰ্ত্তী পাহাড়ী-কুমায়ুনীগঢ়ৱালী)
	গুজৰাতী
পৈশাচী	লহঁদা, পাঞ্জৱী
ব্ৰচড়	সিন্ধী
মহাৰাষ্ট্ৰী	মাৰাঠী
মাগধী	বিহাৰী (ভোজপুৰী, মগহি, মৈথিলী) অসমীয়া, বাংলা, উৰিয়া।
অৰ্ধামাগধী	পূৰ্বী হিন্দী (অৱধী, বঘেলী, ছত্তীসগঢ়ী)

এই তালিকাখনৰ পৰা স্পষ্ট হয় যে হিন্দী ভাষী আৰু ইয়াৰ উপভাষাবোৰৰ উৎপত্তি শৌৰসেনী, মাগধী আৰু অৰ্দ্ধমাগধীৰ পৰা হৈছে। পৰিনিষ্ঠিত (মান্য) হিন্দী ভাষা হৈছে খড়ীবোলী নতুবা কৌৰৱী। হিন্দী ভাষাৰ অন্য ৰূপবোৰ হৈছে। ইয়াৰ উপভাষা। 'খড়ীবোলী' শব্দৰ দুই প্ৰকাৰে অৰ্থ কৰা হয়। কিছুমানে 'খড়ী'ৰ অৰ্থ 'খৰী' - বিশুদ্ধ (Pure) আৰু আন কিছুমানে আধাৰত 'খড়ী'ৰ অৰ্থ থিয় (standing) বুলি বিবেচনা কৰে। যিয়েই নহওঁক পৰিনিষ্ঠিত হিন্দী অৰ্থাৎ খড়ীবোলীৰ প্ৰচলন হোৱা অঞ্চল বোৰ হ'ল ডেৰাডুনৰ সমভূমি, সৰহানপুৰ, মুজফ্ফৰ নগৰ, মীৰাট, দিল্লীৰ কিয়দাংশ, বিজনৌৰ, ৰামপুৰ আৰু মুৰাদাবাদ। সাহিত্যৰ দৃষ্টিৰে খড়ীবোলীৰ দুটি ৰূপ হৈছে- হিন্দী আৰু উৰ্দু। হিন্দীত তৎসম শব্দৰ আৰু উৰ্দুত আৰবী - পাৰছী (ফাৰ্চী) শব্দৰ বহুলতা দেখা যায়। হিন্দী দেৱনাগৰী আৰু উৰ্দু পাৰছী লিপিত লিখা হয়। মহাত্মা গান্ধীয়ে এই হিন্দুস্তানী ভাষাকে দেশৰ ৰাষ্ট্ৰভাষা ৰূপে গ্ৰহণ কৰাৰ পক্ষপাতিত্ব কৰিছিল। ১৯১৮ খৃঃ তঁইন্দোৰত অনুষ্ঠিত হোৱা হিন্দী সাহিত্য সন্মিলনৰ সভাপতিৰ আসনৰ পৰা গান্ধীজীয়ে কৈছিল - 'হিন্দী এনে এক ভাষা যি উত্তৰত হিন্দু আৰু মুছলমানে কয় আৰু নাগৰী অথবা পাৰছী হৰফত লিখে। এই হিন্দী সম্পূৰ্ণ সংস্কৃতো নহয় আৰু পাৰছী শব্দবহুলো নহয়। (ৰাষ্ট্ৰভাষা হিন্দুস্তানী, পৃঃ ১১)। বৰ্তমানে প্ৰচলনৰ ব্যাপকতাৰ কাৰণে হিন্দীৰ স্বৰূপ সলনি হৈছে। হিন্দীৰ উপভাষাৰ শব্দ সম্ভাৰৰ উপৰি আন আন প্ৰাদেশিক ভাষাৰ শব্দ আত্মসাৎ কৰি ই ৰাষ্ট্ৰভাষাৰ গৰিমা লাভ কৰিবলৈ সক্ষম হৈছে।

সৰ্বভাৰতীয় স্তৰত মাগধীৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি ঠাৱৰ কৰা হয় যদিও অসমৰ ভাষাবিদসকলৰ এই সম্বন্ধে মতাভেদ পৰিলক্ষিত হয়। গ্ৰীয়াৰ্ছন, ডঃ বাণীকান্ত কাকতি, ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায় প্ৰমুখ্যে কিছু সংখ্যক ভাষাবিদে মাগধীৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি হোৱা বুলি বিবেচনা কৰে, কিন্তু বেণীমাধৱ বৰুৱা, ডিম্বেশ্বৰ নেওগ, বিশ্বেশ্বৰ হাজৰিকা প্ৰভৃতিয়ে চৰ্যাবপদৰ আধাৰত 'কামৰূপী প্ৰাকৃত'ৰ পৰা; কালিৰাম মেধিয়ে প্ৰাচ্য আৰু পশ্চিমা অপভ্ৰংশৰ পৰা ; কনকলাল বৰুৱাই পৈশাচী প্ৰাকৃতিৰ পৰা ইয়াৰ উৎপত্তি সম্বন্ধে যপক্তি দাঙি ধৰা দেখা যায়। যিয়েই নহওক, হিন্দী আৰু অসমীয়া ভাষাৰ উৎপত্তি তৃতীয় প্ৰাকৃত অৰ্থাৎ অপভ্ৰংশৰ পৰা যে হৈছে, সি নিশ্চিত।

ধ্বনিগত বৈশিষ্ট্য ঃ

হিন্দী আৰু অসমীয়া ধ্বনিমূলক ভাষা। উভয় ভাষাতে স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ ব্যৱহাৰ হয়।

(১) সংস্কৃত ভাষাত হ্ৰস্বস্বৰ আৰু দীৰ্ঘস্বৰৰ উচ্চাৰণৰ যি নিয়ম হিন্দীৰ ক্ষেত্ৰত সি প্ৰযোজ্য যদিও অসমীয়াৰ ক্ষেত্ৰত নহয়। কেৱল সংস্কৃত তৎসম শব্দৰ ক্ষেত্ৰতহে এই নিয়ম অসমীয়া ভাষাত খাটে।

(২) সংস্কৃত ভাষাত চ, ছ, ট-বৰ্গ, ত-বৰ্গ, জ আৰু য ৰ, শ, স, ষ, ৰ উচ্চাৰণগত যি পাৰ্থক্য আছে, সেইটো হিন্দীত অপৰিৱৰ্তিত যদিও অসমীয়াত উচ্চাৰণৰ সুকীয়া পৰম্পৰা পালন কৰা নহয় কাৰণে লিখিবৰ সুচলাৰ্থে প্ৰথম, দ্বিতীয় (চ,ছ), মূৰ্ধণ্যদন্ত্য, (ট ঠ ড ঢ ণ - ত থ দ ধ ন) ; তালব্য, দন্ত্য, মূধণ্য (শ,স,ষ) আৰু বৰ্গ্য -অন্তঃস্থ (জ,য)ৰ উচ্চাৰণ কৰা হয়, কিন্তু হিন্দীত চ আৰু ছ বা ট আৰু ত বৰ্ণ উচ্চাৰণৰ আধাৰতে বুজিব পৰা যায়।

(৩) হিন্দীত 'ড' আৰু 'ঢ' ৰ উচ্চাৰণ শব্দৰ আৰম্ভণিত, দ্বিত্বত আৰু হ্ৰস্ব স্বৰৰ পিছত অনুনাসিক ব্যঞ্জনৰ দৰে হয়।

ডফলী,ডবল,ডাক,ঢলনা,ঢোল	-শব্দৰ আৰম্ভণিতে
গড্ঢা (গড্ঢা), খড্ডা (খড্ঢা)	-দ্বিত্ব ৰূপ
ডঙ্কা, ডণ্ডা, দণ্ডাদেশ, মণ্ডপ	-হ্ৰস্ব স্বৰৰ পিছত অনুনাসিক ব্যঞ্জন সদৃশ

অসমীয়াতো 'ড' আৰু 'ঢ' উচ্চাৰণ শব্দৰ আদিতে, ইয়াৰ লগত 'য' যোগ হ'লে, দুটা পদ লগলাগি এটা হলেও উচ্চাৰণৰ পৰিবৰ্তন হয়; হ্ৰস্ব স্বৰৰ পিছত অনুনাসিক ব্যঞ্জনৰ উচ্চাৰণ হয়। যেনে-

ডাক, ডাব, ঢল, ঢোকা	- শব্দৰ আৰম্ভণিতে
আঢ্য, জাঢ্য	- য (ও) যুক্ত
ডেমডেউকা, ঢলঢলীয়া	- দুটা পদত ব্যৱহৃত
খণ্ড, গণ্ডা	- হ্ৰস্ব স্বৰৰ পিছত অনুনাসিক ব্যঞ্জন সদৃশ

(৪) হিন্দী বৰ্ণনালাত 'ড়' আৰু 'ঢ়' ৰ দ্বিগুণ ব্যঞ্জনৰ সংযোগী নতুন। সংস্কৃত বৰ্ণমালাত এনে বৰ্ণ নাই। দৰাচলতে বৈদিক সংস্কৃতৰ 'ক' আৰু কহ্ ৰ বিকশিত ৰূপ। ইয়াৰ প্ৰয়োগ শব্দৰ মাজত বা শেষত হয়। ইয়াৰ উচ্চাৰণ জিভা তৎক্ষাণাৎ ওপৰলৈ যায় কাৰণে ইয়াক উৎক্ষিপ্ত বা উশ্ৰিণ্য (ওপৰলৈ নিয়া) ব্যঞ্জন কোৱা হয়। যেনে- সড়ক, গাড়ী, পকড়না, গঢ়, দৌড়। অসমীয়াতো ড় আৰু ঢ় ৰ প্ৰয়োগ দেখা যায়। ইয়াৰ উচ্চৰণ ক্ৰমে 'ৰ' আৰু 'হ্'ৰ দৰে হয়। যেনে- ষাঁড়, গড়, গঢ়, বঢ়া।

(৫) সংস্কৃতত 'য' আৰু 'য়' বৰ্ণৰ কোনো পাৰ্থক্য নাই। হিন্দীতো 'য'ৰ 'য়'ৰ দৰে হয় কিন্তু অসমীয়াত এই দুই বৰ্ণৰ উচ্চাৰণ সুকীয়া। যেনে- যমুনা (হিন্দীত য়মুনা), যম (হি য়ম), যোৰহাট (হি য়োৰহাট)। সাধাৰণতে অসমীয়াত 'য' প্ৰথম বৰ্ণ হ'লে 'জ'ৰ দৰে উচ্চাৰণ হয় আৰু মধ্যম বা অন্তিম বৰ্ণ হ'লে 'য়'ৰ দৰে উচ্চাৰণ হয়। যেনে- যশ, যুগী, যোগী, নায়ক, পায়স, বিষয়, ৰাজসূয়।

(৬) অসমীয়া বৰ্ণমালাত স্বৰবিহীন 'ত' ক 'ৎ' ৰূপে লিখা হয়। যেনে- সৎ, হঠাৎ, কিন্তু হিন্দীত 'ৎ' বৰ্ণৰ অভাৱ হেতুকে 'ত' বৰ্ণৰ তলত হলেও চিন ব্যৱহাৰ কৰা হয়। যেনে- সত্, হঠাত্।

(৭) হিন্দী আৰু অসমীয়া ভাষাত 'ক্ষ'ৰ উচ্চাৰণ কিছু ভেদ দেখা যায়। হিন্দীত 'ক্ষ'ৰ উচ্চাৰণ 'ক্ছ' আৰু অসমীয়াত 'খ্যা'ৰ দৰে হয়। যেনে-লক্ষ্মী (হিন্দীত- লক্ছমী > লছমী; অসমীয়াত-লখ্মী > লখিমী), ক্ষমা (হিন্দীতে-ক্ছমা, অসমীয়াত - খ্যমা)।

(৮) হিন্দীত অনুস্বাৰ (.) আৰু অনুনাসিক (ˇ) ৰ ধ্বনি সুকীয়া। অনুস্বাৰৰ প্ৰকৃত সংস্কৃত উচ্চাৰণ হিন্দীৰ অসমীয়াত নাই। অসমীয়াত এই উচ্চাৰণৰ পৰিবৰ্তে 'ঙ'ৰ লেখীয়া এটা উচ্চাৰণ দেখিবলৈ পোৱা যায়। যেনে-গংগা (হিন্দী) > গঙ্গা (অসমীয়া), চংচল (হি) চঞ্চল (অ), ৰংগ (হি) ৰঙ, ৰং (অ)। নাগৰী লিপিত লিখা সংস্কৃত, হিন্দীত অনুস্বাৰৰ প্ৰয়োগ পঞ্চম বৰ্গৰ ধ্বনি বুজাবলৈ বৰ্ণৰ ওপৰত বিন্দু (.) লগাই কৰা হয়, যেনে- পংক (পংক, > পঙ্ক), সংগীত (সংগীত > সঙ্গীত)। অসমীয়াত বিন্দুৰ (.) সলনি 'ং'ৰ ব্যৱহাৰ হয়।

(৯) হিন্দী আৰু অসমীয়া ভাষাত অনুনাসিক স্বৰৰ ওপৰত চন্দ্ৰ বিন্দু (ँ) ৰ প্ৰয়োগ হয়। যেনে-বাঁহ, গাঁও, দাঁত। হিন্দীত অল্পানুনাসিক 'ম' ৰ ওপৰত ँ দিইয়াক পূৰ্ণানুনাসিক কৰা হয়। যেনে-মৈঁ, মুহঁ, মূঁগ, মূছঁ। হিন্দী আৰু অসমীয়া উভয়ে ভাষাতে চন্দ্ৰ বিন্দুৰ প্ৰয়োগ পঞ্চম বৰ্ণৰ সলনি হয়। হিন্দীত- আঁখ (চকু), হসঁনা(হহাঁ), কহাঁ(ক'ত), হসঁ(হাঁহ), অসমীয়াত - কাহঁ, যঁতৰ, কেঁকোৰা, ভেঁট।

(১০) বিদেশী শব্দৰ ক্ষেত্ৰত অসমীয়াত হ্ৰস্ব - দীঘৰ ভেদ মানি চলা নহয়, কিন্তু যিবোৰ বিদেশী -শব্দৰ উচ্চাৰণগত পাৰ্থক্য দেখুৱাবৰ প্ৰয়াস কৰা হয়, তেনে ক্ষেত্ৰত নিৰ্দিষ্ট বৰ্ণৰ তলত 'নুক্তা' বা বিন্দু লগোৱা হয়। যেনে - খ়ানা ঃ খানা, ৰাজঃ ৰাজ, হাইফ়ন ঃ হাইফন। দৰাচলতে আৰবী, পাৰছী আৰু ইংৰাজীৰ পাচঁটা ধ্বনি (ক়,খ়,গ়, জ় আৰু ফ়) হিন্দীলৈ আহিছে. ইয়াৰ দুটা (ক় আৰু গ়) হিন্দী উচ্চাৰণৰ (ক,গ) ৰ লগত মিলি গৈছে (যেনে- কলম, কিলা, দাগ), এটাই (খ়) হিন্দী প্ৰকৃতিৰ লগত মিলিবলৈ যত্ন কৰিছে আৰু বাকী দুটাহ (জ,ফ) এতিয়াও নিজৰ অস্তিত্বৰ বিলুপ্তি সাধন কৰা নাই।

ইংৰাজী শব্দৰ অৰ্দ্ধ বিবৃত 'ও' ধ্বনিৰ শুদ্ধ উচ্চাৰণৰ নিমিত্তে হিন্দীত 'আ'ৰ মাত্ৰা (T) ৰ ওপৰত অৰ্দ্ধ চন্দ্ৰৰ প্ৰয়োগ কৰা হয় (আ, T)।

যেনে- oil - অঁয়ল, cotton - কাঁটন, college - কাঁলেজ।

ব্যাকৰণগত ভেদ ঃ

হিন্দী আৰু অসমীয়া ভাষাৰ মাজত থকা কেইটামান ব্যাকৰণগত মূল প্ৰভেদ দেখা যায়। ইয়াৰ ভিতৰত লিংগ-বচন, বাক্য -ৰূপ, আৰু কাল- বিচাৰেই ঘাঁই।

লিঙ্গ - বচন ঃ

হিন্দীত লিংগ বিচাৰ এক জটিল প্ৰক্ৰিয়া। কেৱল দুটা লিংগ (পুং লিঙ্গ আৰু স্ত্ৰী লিঙ্গ) হোৱা কাৰণে অপ্ৰাণী বাচক শব্দবোৰৰ ক্ষেত্ৰত লিংগ নিৰ্নয় কৰাটো এক কঠিন সমস্যা দে পৰে। অপ্ৰাণীবাচক শব্দৰ ক্ষেত্ৰত লিঙ্গ নিৰ্ণয়ৰ কিছু নিয়ম বন্ধা হলেও ইয়ে সকলো শব্দকে নাসামৰে। ব্যৱহাৰৰ ওপৰত ভিত্তি কৰি লিংগ নিৰ্ণয় কৰাৰ প্ৰয়োজন হয়। কিন্তু অসমীয়াত পুংলিঙ্গ , স্ত্ৰীলিঙ্গৰ উপৰি উভয়লিঙ্গ আৰু ক্লীৱলিঙ্গ থকা কাৰণে লিংগ নিৰ্ণয়ৰ প্ৰক্ৰিয়াটো তেনেই উজু হৈ পৰে।

হিন্দী ব্যাকৰণবোৰত লিংগ নিৰ্ণয়ৰ কিছুমান নিয়ম বান্ধি দিয়া দেখা যায়। এই নিয়মবোৰে তৎসম, তদ্ভৱৰ উপৰি দেশী আৰু বিদেশী শব্দকো সামৰি লয়। চানেকি স্বৰূপে এনে ধৰণৰ কেইটামান শব্দ লিংগ অনুসৰি দিয়া হ'ল।

পুংলিঙ্গ	স্ত্ৰীলিঙ্গ
চিত্ৰ (তৎসম)	দয়া (তৎসম)
নয়ন (”)	গতি (”)
বাণিজ্য(”)	সেনা(”)
কপড়া (তদ্ভৱ)	নদী (তদ্ভৱ)
আটা (”)	ৰাত (”)
ঘী (”)	দালচীনী(”)
লোহা (”)	কসৰত্ (উৰ্দু)
হিচাব (উৰ্দু)	মালিশ (”)
পৰদা (”)	মসজিদ (”)
নিজাম (আৰবী)	আবদী (ফৰাছী)

বাদাম (ফৰাছি)	ডায়ৰী (ইংৰাজী)
ইঞ্জীন (ইংৰাজী)	পার্টী (”)
ক্লিপ (”)	টাঙ্গ (”)
ৰেডিঅ’(”)	য়ুনিবৰসিটী(”)

লিংগই হিন্দী বচনৰো নীতি নির্দ্ধাৰণ কৰে। ক্লীবলিঙ্গ শব্দবোৰৰ বচন পৰিবর্তনো হিন্দীৰ পুংলিঙ্গ বা স্ত্রীলিঙ্গ অনুসৰি নিদ্ধাৰিত হয়। অসমীয়া ভাষাত ‘বোৰ’, ‘বিলাক’, ‘গিলা’ (কথিত) প্রত্যয় ব্যৱহাৰ কৰি ক্লীবলিঙ্গৰ বহুবচন কৰা হয়। হিন্দী ক্লীবলিঙ্গৰ বহুবচন কৰা হয়। হিন্দী ক্লীবলিঙ্গ শব্দৰ কেইটামান হিন্দী ৰূপ চানেকি স্বৰূপে দিয়া হ’ল ঃ

একবচন	বহুবচন
কপড়া (পুং)	কপড়ে (কাপোৰ)
পহিয়া (”)	পহিয়ে (চকা)
ৰাস্তা (”)	ৰাস্তে (পথ)
লতা (স্ত্রী)	লতায়েঁ (লতা)
সড়ক (”)	সড়কেঁ (পথ)
গুড়িয়া (”)	গুড়িয়াঁ (পুতলা)

বাক্য-ৰূপ

হিন্দী আৰু অসমীয়াৰ বাক্য - ৰূপৰ প্ৰধান ভেদ হ’ল যে হিন্দীত কৰ্তাৰ পুৰুষ, লিংগ আৰু বচন অনুসৰি ক্রিয়াৰ পৰিবর্তন হয়, কিন্তু অসমীয়াত নহয়।

হিন্দী -	ৰাম পঢ়তা হৈ। লড়কে হৈঁ।
	সীতা পঢ়তী হৈ। লড়কিয়াঁ পঢ়তী হৈঁ
অসমীয়া-	ৰামে পঢ়ে। ল’ৰাবোৰে পঢ়ে।
	সীতাই পঢ়ে। ছোৱালীবোৰে পঢ়ে।

হিন্দীত পদক্রম অথবা পদৰ অন্বয় এক জটিল কার্য। প্ৰনীবাচক, অপ্ৰানীবাচক বা ভাৱবাচক সংজ্ঞা কৰ্তা ৰূপে প্ৰয়োগ হ’লে ক্রিয়াৰো পৰিবর্তন ঘটে। কিন্তু অসমীয়া ভাষাত এই সমস্যা নাই। যথা-

হিন্দী- রাম ভাত খা ৰহা হৈ।

গাড়ী আ ৰহী হৈ।

যে সব কৈছে কপড়ে হৈঁ!

অসমীয়া- ৰামে ভাত খাই আছে।

গাড়ী আহি আছে।

এইবোৰ কেনেধৰণৰ কাপোৰ!

হিন্দী আৰু অসমীয়াৰ বাক্য ৰূপৰ মাজত আন এক প্ৰধান ভেদ হৈছে যে হিন্দীত কৰ্মণী প্ৰয়োগ হয়, কিন্তু অসমীয়াত নহয়। সেইবাবে হিন্দীত লিঙ্গ জ্ঞান আৰু প্ৰথমা বিভক্তিৰ চিন 'নে' ৰ প্ৰয়োগৰ বিষয়ে সবিশেষ জনা আৱশ্যক। সাধাৰণতে অতীত কালৰ সকৰ্মক ক্ৰিয়াৰ লগত 'নে' বিভক্তিৰ প্ৰয়োগ হয়। কৰ্তাত 'নে' ৰ প্ৰয়োগ হ'লে ক্ৰিয়া কৰ্তা অনুসৰি নহৈ কৰ্মৰ লিঙ্গ-বচন অনুযায়ী হয়। যথা-

বালক নে রোটী খায়ী। (বালকে ৰুটি খাইছে)

বালক নে ৰুটিয়াঁ খায়ী। (বালকে ৰুটিবোৰ খাইছে)

ৰমলা নে ভাত খায়া। (ৰমলাই ভাত খাইছে)

ৰমলা নে রোটী খায়ী। (ৰমলাই ৰুটি খাইছে)

ৰাম নে চিট্ঠী লিখী। (ৰামে চিঠি লিখিছে)

ৰমলা নে পত্ৰ লিখা। (ৰমলাই পত্ৰ লিখিছে)

সীতা নে পাঁচ ফল খায়ে। (সীতাই পাঁচটা ফল খাইছে)

সাধাৰণতে বাক্য ৰূপৰ দৃষ্টিৰে হিন্দী আৰু অসমীয়াৰ সাদৃশ্য আছে। দুয়োবিধ আৰ্যভাষাতে কৰ্তা, কৰ্ম, আৰু ক্ৰিয়া ক্ৰমশঃ আহে।

হিন্দী- মৈঁ খাতা হুঁ।

মৈঁ ঘৰ নহী জাউংগা।

অসমীয়া - মই ভাত খাওঁ

মই ঘৰলৈ নাযাওঁ।

কাল বিচাৰ ঃ

হিন্দী আৰু অসমীয়াৰ কাল তিনিটা। প্ৰতিটো কালতে দশা অনুসৰি ভেদ পোৱা যায়। যথা-

কাল	অসমীয়া	হিন্দী
বৰ্তমান	নিত্য বৰ্তমান	সামান্য বৰ্তমান
	(মই পঢ়োঁ)	(মৈঁ পঢ়াতা হুঁ)
	স্বৰূপ বৰ্তমান	তাৎকালিক বৰ্তমান
	(মই পঢ়িছোঁ/	(মৈঁ পঢ় ৰহা হুঁ)
	মই পঢ়ি আছোঁ)	
অতীত	স্বৰূপ ভূত কাল	সামান্য ভূত
	(মই পঢ়িলোঁ)	(মৈঁনে পঢ়া)
		আসন্ন ভূত
		(মৌঁনে পঢ়া হৈ)
		পূৰ্ণ ভূত
		(মৈঁনে পঢ়া থা)
	অপূৰ্ণ ভূত	অপূৰ্ণ ভূত
	(মই পঢ়ি আছিলোঁ)	মৈঁ পঢ় ৰহা থা)
		সন্দিগ্ধ ভূত
		(মৈঁনে পঢ়া হোগা)
	সাম্ভাব্য ভূত	হেতুহেতুমদ ভূত
	(সি পঢ়া হলে মযো	(অগৰ ৱহ পঢ়তা
	পঢ়িলোঁহেঁতেন)	তো মৈঁ ভী পঢ়তা)
ভৱিষ্যৎ	সামান্য ভৱিষ্যত	সামান্য ভৱিষ্য
	(মই পঢ়িম)	(মৈঁ পঢুঙ্গা)
	সাম্ভাব্য ভৱিষ্যত	সাম্ভাব্য ভৱিষ্য
	(মই পঢ়িব পাৰোঁ	(সম্ভৱ হৈ, মৈঁ পঢুঁ)

অসমীয়াত কৰ্তাৰ লিংগ অনুসৰি ক্ৰিয়াৰ পৰিৱৰ্তন নহয়, কিন্তু হিন্দীত লিংগ অনুসৰি ক্ৰিয়াৰ ৰূপ সলনি হয়। মনকৰিবলগীয়া যে হিন্দীত ইংৰাজীৰ লেখীয়াকৈ 'be' ক্ৰিয়াৰ প্ৰয়োগ হয়, কিন্তু অসমীয়াত এনে

কোনো প্ৰয়োগ নহয়। হিন্দীত বৰ্তমান কালৰ প্ৰথম পুৰুষ কৰ্তাৰ একবচনত 'হুঁ' (মৈঁ হুঁ), প্ৰথম দ্বিতীয় পুৰুষৰ ম্যাৰ্থত আৰু তৃতীয় পুৰুষৰ বহুবচনত 'হৈঁ' (হমঁ হৈঁ আপ হৈঁ, বেঁ হৈঁ) ; দ্বিতীয়া আৰু তৃতীয়া পুৰুষৰ একবচনত 'হৈ' (তু হৈ, বহ হৈ) আৰু দ্বিতীয় পুৰুষৰ বহু বচনত তুমিৰ লগত 'হো' (তুম হো) ক্ৰিয়াৰ ব্যৱহাৰ হয়. হিন্দীত 'হৈ' আৰু 'হৈঁ'ৰ উচ্চাৰণ ক্ৰমশঃ 'হ্যায়' আৰু 'হ্যাঁয়' হয়। ইয়াৰ অতীত কালৰ পুংলিঙ্গৰ একবচনত 'থা' আৰু বহুবচনত 'থী' ৰূপ হয়। হিন্দী ভাষাৰ এক বিশেষত্ব এয়ে যে বাক্যৰ ক্ৰিয়াৰ দ্বাৰা কৰ্তাৰ লিঙ্গভেদ আৰু বচনৰ অনুমান কৰিব পাৰি, কিন্তু অসমীয়াত সেই সুবিধা নাই। যথা-

অসমীয়া - ল'ৰাজনে গান গায়।

ছোৱালী জনীয়ে গান গায়।

হিন্দী- লড়কা গানা গাতা হৈ।

লড়কী গানা গাতী হৈ।

কাল অনুসৰি অসমীয়া আৰু হিন্দী ক্ৰিয়া বিভক্তিৰ ৰূপৰ তালিকা এখন এইদৰে দেখুৱাব পাৰি-

	কাল	উত্তম পুৰুষ	মধ্যম পুৰুষ		তৃতীয় পুৰুষ
		মই/আমি মৈঁ/হম	তুচ্ছার্থ	আদৰার্থ	সি/সিহঁত/ তেওঁলোক বহ/বে
			তই/তহঁত তূ/তূলোগ	তুমি/তোমালোক তুম/তুমলোগ আপুনি/আপোনালোক আপ/আপলোগ	
অসমীয়া	নিত্য বৰ্তমান	ওঁ	অ	আ	এ. য়
	স্বৰূপ বৰ্তমান	ইছোঁ	ইছ	ইছা	ইছে
হিন্দী	সামান্য বৰ্তমান	তা হুঁ (পুং ত্র.)	তা হৈ	তে হো	তা হৈ
		তে হৈঁ (পুং ব.)	তে হৈঁ	তে হৈঁ	তে হৈঁ
		তী হুঁ (স্ত্রী এ.)	তী হৈ	তী হো	তী হৈ
		তী হৈঁ (স্ত্রী ব.)	তী হৈঁ	তী হৈঁ	তী হৈঁ
	তৎকালিক বৰ্তমান	ৰহা হুঁ	ৰহা হৈ	ৰহে হো	ৰহা হৈ
		ৰহে হৈঁ	ৰহে হৈঁ	ৰহে হৈঁ	ৰহে হৈঁ
		ৰহী হুঁ	ৰহী হৈ	ৰহী হো	ৰহী হৈ
		ৰহী হৈঁ	ৰহী হৈঁ	ৰহী হৈঁ	ৰহী হৈঁ
অসমীয়া	স্বৰূপ ভূত	ইলোঁ	ইলি	ইলি	ইলে
	অপূৰ্ণ ভূত	ইছিলোঁ	ইছিলো	ইছিলো	ইছিলো
	সম্ভাব্য ভূত	ইলোহেঁতেন	ইলোহেঁতেন	ইলাহেঁতেন	ইলাহেঁতেন

হিন্দী	সামান্য ভূত	আ, য়া	আ, য়া	এ,য়ে	আ, য়া
		এ, য়ে	এ,য়ে	এ, য়ে	এ, য়ে
		ঈ, য়ীঁ	ঈ, য়ীঁ	ঈ, য়ীঁ	ঈ, য়ী
		ঈ, য়ী	ঈ, য়ী	ঈ, য়ী	ঈ, য়ী
	আসন্ন ভূত	আ/য়াঁহে	আ/য়াঁহে	এ/য়ে হো	আ/য়াঁহে
		এ/য়েঁহৈঁ	এ/য়ে হৈঁ	এ/য়েঁহৈঁ	এ/য়েঁহে
		ঈ/য়ীঁহে	ঈ/য়ীঁহে	ঈ/ য়ী হো	ঈ/য়ীঁহে
		ঈ/য়ী হৈঁ	ঈ/য়ীঁহৈঁ	ঈ/য়ীঁহৈঁ	ঈ/য়ীঁহৈঁ
	পূর্ণ ভূত	আ/য়া থা	আ/য়া থা	এ/য়ে থে	আ /য়া থা
		এ/য়ে থে	এ/য়ে থে	এ/য়ে থে	এ/য়ে থে
		ঈ/য়ী থী	ঈ/য়ী থী	ঈ/য়ী থী	ঈ/য়ী থী
		ঈ/য়ী থীঁ	ঈ/য়ী থীঁ	ঈ/য়ী থীঁ	ঈ/য়ী থী
	অপূর্ণ ভূত	তা ৰহা থা	তা ৰহা থা	তে ৰহে থে	তা ৰহা থা
		তে ৰহে থে	তে ৰহে থে	তে ৰহে থে	তে ৰহে থে
		তী ৰহী থী	তী ৰহী থী	তী ৰহী থী	তী ৰহী থী
		তী ৰহী থীঁ	তী ৰহী থীঁ	তী ৰহী থীঁ	তী ৰহী থী
	সন্দিগ্ধ ভূত	আ/য়া হোগা	আ/ য়া হোগা	এ/য়ে হোঙ্গে	আয়া হোগা
		এ/য়ে হোঙ্গে	এ/য়ে হোঙ্গে	এ/য়ে হোঙ্গে	এ/য়ে হোঙ্গে
		ঈ/য়ী হোগী	ঈ/য়ী হোগী	ঈ/য়ী হোগী	ঈ/য়ী হোগী
		ঈ/য়ী হোঙ্গ	ঈ/য়ী হোঙ্গী	ঈ/হোঙ্গী	ঈ/য়ী হোঙ্গী
	হেতুহেতু ভূত মদভূত	(অগৰ)তা হোতা	তা হোতা	তে হোতে	তা হোতা
		তে হোতে	তে হোতে	তে হোতে	তে হোতে
		তী হোতী	তী হোতী	তী হোতী	তী হোতী
		তী হোতিঁ	তী হোতিঁ	তী হোতিঁ	তী হোতী
অসমীয়া	ভবিষ্যৎ	ইম	ইবা	হবি	ইব
হিন্দী	ভবিষ্যৎ	গা	গা	গে	গা
		ঙ্গে	ঙ্গে	ঙ্গে	ঙ্গে
		গী	গী	গী	গী
		ঙ্গী	ঙ্গী	ঙ্গী	ঙ্গী

অনুজ্ঞা ক্রিয়া

অনুজ্ঞা ক্রিয়াৰ ব্যৱহাৰ হিন্দী আৰু অসমীয়াৰ নিত্য বৰ্তমান আৰু ভৱিষ্যত কালৰ দ্বিতীয় আৰু তৃতীয় পুৰুষৰ হয়। যথা-

হিন্দীত - তুজা, তুম যাও। (তই যা, তুমি যোৱা)

আপ আইয়ে, বৈঠিয়ে। (আপুনি আহক, বহক)

অসমীয়া- তুমি কাম ফেৰা কৰাঁ

আপুনি আশীৰ্বাদ কৰক

নিষেধাত্মক বাক্যৰ ক্ষেত্ৰত অসমীয়াৰ দৰে হিন্দীতো অনুজ্ঞা ক্ৰিয়াৰ লগত 'ন' ব্যৱহাৰ কৰা হয়। অৱশ্যে তুচ্ছাৰ্থ বা সমনীয়াৰ ক্ষেত্ৰত 'মন' ব্যৱহাৰ কৰা হয়।

যথা-

হিন্দীত- তূ মত খা।

তুম মত খাও।

আপ ন খাইয়ে

অসমীয়া- তই নাখাবি।

তুমি নাখাবা।

আপুনি নাখাব।

অনুজ্ঞা বিভক্তি

	কাল	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ
অসমীয়া	নিত্য বৰ্তমান	তুচাচ্ছাৰ্থ বা অনাদৰ অৰ্থত তই/তইঁত	আদৰ অৰ্থত তুমি/ তোমালোক	সি, আপুনি তেখেত
		অ	আঁ	অক, ওক
	ভৱিষ্যৎ	ইবি	ইবা	ইব
হিন্দী	সামান্য বৰ্তমান	অ, আ	ও	এ, ইয়ে
	ভৱিষ্য	গা	গে	গা/ঙ্গে

শব্দ সম্ভাৰ

শব্দ সম্ভাৰৰ সমৃদ্ধিয়ে ভাষাৰ শ্ৰীবৃদ্ধি সাধনত সহায় কৰে। হিন্দী আৰু অসমীয়া উভয় ভাষাই শব্দ সম্ভাৰৰ চহকী। হিন্দী আৰু অসমীয়াক তৎসম, তৎভৱ আৰু বিদেশী ভাষাৰ শব্দৰ উপৰি স্থানীয় বা দেশীয় ভাষাৰ শব্দ সম্ভাৰে সমৃদ্ধ কৰিছে। হিন্দী আৰু অসমীয়া শব্দ সম্ভাৰৰ এটি চানেকি দাঙি ধৰা হ'ল -

তৎসম	হিন্দী	অসমীয়া
অমৃত	অমৃত	অমৃত
পিতৃ	পিতৃ / পিতা	পিতৃ / পিতা
মাতৃ	মাতৃ, মাতা	মাতৃ মাতা
আম্ৰ	আম	আম
উষ্ট্ৰ	উঁট	উট
উৎসাহ	উৎসাহ, উছাহ	উৎসাহ, উছাহ
কৰ্ণ	কান	কাণ
ওষ্ঠ	ওঠ	ওঁঠ
জিহ্বা	জীভ	জিভা
দন্ত	দাঁত	দাঁত
ভক্ত	ভাত	ভাত

তদ্ভৱ

সংস্কৃত	প্ৰাকৃত	হিন্দী	অসমীয়া
অগ্নি	অগ্নি, অগিন	আগ	জুই
ময়া	মই	মৈঁ	মই
পুষ্প	পুপ্প	ফুল	ফুল
ময়ূৰ	মউৰ	মোৰ	ম'ৰা
চত্বাৰি	চত্তাৰি	চাৰ	চাৰি
নৱ	নঅ	নৌ	ন
চতুৰ্দশ	চোদ্দস, চউদ্দহ	চৌহদ	চৌধ্য

বিদেশী শব্দ

(ক) ফাৰছী শব্দ

হিন্দী	অসমীয়া	হিন্দী	অসমীয়া
অচাৰ	আচাৰ	চাদৰ	চাদৰ
আঈনা	আইনা	চিলম	চিলিম
আৰাম	আৰাম	জাদূ	জাদু, যাদু
কাৰোবাৰ	কাৰবাৰ	দৰবাৰ	দৰবাৰ
কিশমিশ	কিচমিচ	দূৰ	দূৰ
খূব	খুব	দূৰবীন	দূৰবীন
খূন	খুন	বীমা	বীমা
গৰম	গৰম	মেজ	মেজ

হিন্দী	অসমীয়া
শৰবত	চৰবৎ
সৰকাৰ	চৰকাৰ
স্যাহী	চিয়াহী

(খ) আৰবী শব্দ

হিন্দী	অসমীয়া	হিন্দী	অসমীয়া
কসৰত	কচৰৎ	তাৰীখ	তাৰিখ
কব্র	কবৰ	দীন	দীন
ক্রসাঈ	কচাহ্‌	নকল	নকল
কাগজ	কাগজ	ফৈসলা	ফয়চলা
কায়দা	কায়দা	মসজিদ	মছজিদ
কিতাব	কিতাপ	ৰোজা	ৰোজা
কুৰান	কোৰাণ	শৈতান	চয়তান
খবৰ	খবৰ	মুন্সিফ	মুন্সিফ
জাহাজ	জাহাজ	হ্চাব	হিচাপ
তমাশা	তামাছা	হাকিম	হাকিম

(গ) তুৰ্কী শব্দ

হিন্দী	অসমীয়া	হিন্দী	অসমীয়া
উর্দূ	উর্দু	তোপ	তোপ
কালীন	কালীন	বন্দুক	বন্দুক
কুৰতা	কুর্তা	বহাদুৰ	বাহাদুৰ
কুলী	কুলি	বারুদ	বারুদ
কুৰ্কী	কুৰ্কী	বেগম	বেগম
কৈঁচী	কেঁচি	মুগল	মোগল

(ঘ) পর্তুগালী শব্দ

হিন্দী	অসমীয়া	হিন্দী	অসমীয়া
অলকতৰা	আলকতৰী,	আলকাতৰা	
আয়া	আয়া	কিৰানী	কেৰাণী
আলপীন	আলপিন	গমলা	গামলা
ইস্তৰী	ইস্ত্ৰি	গোদাম	গুদাম
ইস্পাত	ইস্পাত	নীলাম	নীলাম
কমীজ	কামিজ	পাদৰী	পাদুৰী
কাজু	কাজ	–	–

হিন্দী	অসমীয়া
পিস্তৌল	পিস্তল
বুতাম	বুটাম
মিস্তৰী	মিস্ত্ৰী
সাবুন	চাবোন
সাগু	চাগু

(ঙ) ইংৰাজী শব্দ

হিন্দী	অসমীয়া	হিন্দী	অসমীয়া
আগস্ত	আগষ্ট	ট্ৰাম	ট্ৰাম

আইসক্ৰীম	আইচক্ৰীম	ডিগ্ৰী	ডিগ্ৰী
ইঞ্জন	ইঞ্জিন	ডাক্টৰ	ডাক্তৰ
এক্সপ্ৰেস	এক্সপ্ৰেছ	নৰ্স	নাৰ্চ
এজেন্সী	এজেন্সী	পাইপ	পাইপ
জনৱাৰী	জানুৱাৰী	পাৰ্টী	পাৰ্টী
জেল	জেল	ফাইল	ফাইল
ক্ৰিকেট	ক্ৰিকেট	বৈঙ্ক	বেঙ্ক
টিকট	টিকট	লাইব্ৰেৰী	লাইব্ৰেৰী
টেলীফোন	টেলিফোন	সাইকল	চাইকেল

দেশীয় শব্দ

হিন্দী ঃ আৰামদায়ক, খিচড়ী (খিচিৰী), খিড়কী, চিড়িয়া (চৰাই), জুতা, টাঙ্গ (ঠেং), ডিবিয়া (টেমী), দোসা, পগড়ী (পাগুৰী), পূৰ্জিপতি, ফুনগী(গছৰ ঠানিৰ আগ), বৰ্ষগাঁঠ(বাৰ্ষিকী), বেজোড় (অতুলনীয়), বেসমঝ (অবুজ), ভিণ্ডী (ভেন্দি), ৰেলযাত্ৰী, লোটা ইত্যাদি।

অসমীয়াঃ আই, বোপাই, আতা, আবু, তাৰৈ আঁমৈ, গিৰিয়েক, ঘৈণীয়েক, পো, বোৱাৰী, ডেকা, গাভৰু, বাইদেউ, ককাদেউ, কেটেঙা, চেউৰী, আইচু, চাউদাং, ডেকাচাং, টেকেলী, নঙলা, পদুলি, বৰলা, বিয়ৈ, বিহুৱান, বান্দী, বেং, লগুৱা, লিকচৌ, হজুৱা, হেংদাঙ, ইত্যাদি।

হিন্দী আৰু অসমীয়াৰ উপভাষাবোৰৰ পৰা, স্থানীয় ঐতিহাসিক-সাংস্কৃতিক, লোকজীৱনৰ পৰা অনেক দেশীয় শব্দ ভাষাত সোমাই ইয়াৰ শব্দ সম্ভাৰ সমৃদ্ধ কৰিছে।

স্বৰূপাৰ্থত হিন্দী আৰু অসমীয়া ভাষাৰ মাজত আপাত দৃষ্টিত কিছু ভেদ থাকিলেও এই কথা স্বীকাৰ কৰিব লাগিব যে এই দুই ভাৰতীয় ভাষাৰ মাজত থকা সাদৃশ্যবোৰ উভয়ৰে মাজত থকা ভাষিক, সাংস্কৃতিক সমন্বয়ৰে কথা সূচায়। আৰ্যভাষাৰ পৰা উদ্ভৱ হোৱা উভয়বিধ ভাষাই সময় আৰু প্ৰয়োজন সাপেক্ষে শব্দ সম্ভাৰ গ্ৰহণ

কৰিছে আৰু নিজস্ব সৃষ্টিৰে ইয়াৰ সমৃদ্ধি সাধন কৰিছে। হিন্দীত লিংগ ভেদৰ নিয়ম কটকটীয়া হোৱা কাৰণে বাক্য বিন্যাসত কিছু জটিলতাৰ সৃষ্টি হলেও দেশৰ কোটি কোটি লোকে ব্যৱহাৰ কৰা এই ভাষাৰ সৰলীকৰণ প্ৰক্ৰিয়া অব্যাহত আছে। ভাৰতৰ আন আন প্ৰাদেশিক শব্দ সম্ভাৰেৰে সমৃদ্ধি কৰি ইয়াক অধিক সাৰ্বজনীন কৰাৰ আঁচনিও কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ কেন্দ্ৰীয় হিন্দী সঞ্চলকালয়ে যুগুতাই আছে। সেইদৰে অসমীয়া ভাষাইও বহিৰাগত শব্দক ক্ৰমশঃ গ্ৰহণ কৰি অহাৰ লগে লগে স্থানীয় বিভিন্ন উপভাষা, সাংস্কৃতিক লোকজীৱনৰ শব্দাৱলীৰ নিজকে চহকী কৰি উত্তৰপূৰ্বাঞ্চলত মহাবাহু ব্ৰহ্মপুত্ৰৰ জীপেৰে পৰিপুষ্ট হৈ স্ব মহিমা আৰু গৰিমাৰে অধিষ্ঠিত হৈ আছে। হিন্দী আৰু অসমীয়া ভাষাৰ উত্তৰোত্তৰ বিকাশ অব্যাহত আছে।

প্ৰাসঙ্গিক গ্ৰন্থপঞ্জী

কটন কলেজ, অসমীয়া বিভাগ ঃ অসম গৌৰৱ, ১৯৭৮

গোস্বামী, (ডঃ) উপেন্দ্ৰ নাথ ঃ অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ, ১৯৯১

গোস্বামী, (ডঃ) গোলক চন্দ্ৰ ঃ অসমীয়া ব্যাকৰণত মৌলিক বিচাৰ, ১৯৯৩

বৰা, সত্যনাথ ঃ অসমীয়া ভাষাৰ বহল ব্যাকৰণ, ১৯৯৫

মহন্ত, বাপচন্দ্ৰ ঃ অসমীয়া ব্যাকৰণৰ ৰূপৰেখা, ১৯৮৯

মেধি, কালিৰাম ঃ অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব, ১৯৭৮

ইংৰাজী

কাকতি, (ডঃ) বাণীকান্ত ঃ আচামিজ ইটছ ফৰমেশন এণ্ড ডেভেল'পমেন্ট, ১৯৭২

হিন্দী

গুৰু, কামতা প্ৰসাদ ঃ সংক্ষিপ্ত হিন্দী ব্যাকৰণ, ১৯৬৪

তিৱাৰী, (ডঃ) উদয় নাৰায়ণ ঃ হিন্দী ভাষা কা উদ্ভৱ ঔৰ বিকাশ, ১৯৬৯

নগেন্দ্ৰ (ডঃ) (সম্পাদিত) ঃ হিন্দী সাহিত্য কা ইতিহাস, ১৯৭৮

প্ৰসাদ, (ডঃ) বাসুদেৱ নন্দন ঃ আধুনিক হিন্দী ব্যাকৰণ ঔৰ ৰচনা, ১৯৯৩

মোহম্মদ, (ডঃ) মালিক : ৰাজভাষা হিন্দী বিকাশ কে বিবিধ আয়াম , ১৯৮৬
শৰ্মা, (ডঃ) দেবেন্দ্ৰ নাথ : ভাষা বিজ্ঞান কি ভূমিকা, ১৯৮৬
শৰ্মা, (ডঃ) মুনশী ৰাম : হিন্দী ভাষা সৰ্বক্ষণ, ১৯৭২
সিংহ, (ডঃ) এস তোম্বা : ব্যাকৰণিক কোটিয়োঁ কা আধ্যয়ন, ১৯৮৪

পত্ৰিকা

অসম সাহিত্য সভা পত্ৰিকা, ৮৪শ বছৰ, ১ম সংখ্যা ভাষা (ত্ৰৈমাসিক), হিন্দী ভাষা বিজ্ঞান সংখ্যা, ১৯৭২ ভাষা (ত্ৰৈমাসিক),

বিশ্ব হিন্দী সম্মিলন সংখ্যা, ১৯৮৩ বিশ্বভাৰতী পত্ৰিকা, এপ্ৰিল ১৯৮৪-মাৰ্চ ১৯৮৫।

অসমীয়া আৰু পূৰ্ববঙ্গৰ উপভাষা : সাদৃশ্য-বৈসাদৃশ্য

ডঃ সুধাংশু শেখৰ তুঙ্গ

বাংলা ভাষাৰ সৈতে অসমীয়া ভাষাৰ গভীৰ সাদৃশ্য আছে। এই সাদৃশ্য স্বাভাৱিক, কিয়নো অসমীয়া, বাংলা, উড়িয়া, মৈথিলী, মগহী, ভোজপুৰী আদি ছটা ভাষাই এটা সাধাৰণ ভাষাৰ পৰা জন্ম হৈছে। এই সাধাৰণ উৎস ভাষাটি হ'ল মাগধী প্ৰাকৃত। ফলত মাগধী প্ৰাকৃতৰপৰা জন্ম লোৱা ভাষা কেইটাৰ মাজত এটা পাৰস্পৰিক ঘনিষ্ঠ সম্পৰ্ক থাকিব—ই অতি স্বাভাৱিক কথা।

বাংলা আৰু অসমীয়াৰ মাজত এই সম্পৰ্কটো আৰু অধিক ঘনিষ্ঠ। ইয়াৰ কাৰণ কেৱল দুটা ভাষাৰ ভিতৰত ভৌগোলিক নৈকট্য নহয়; পঞ্চদশ-ষোড়শ শতিকা পৰ্য্যন্ত ভাষা দুটাৰ ভিতৰত অতি গভীৰ সাদৃশ্য আৰু নৈকট্য আছিল। পিছৰ কেইটা শতিকাত ভাষা দুটাত সুকীয়াকৈ যথেষ্ট পৰিবৰ্ত্তন হৈছিল যদিও, এই সাদৃশ্য এতিয়াও কিছুমান আছে।

বঙ্গৰ উত্তৰ পূব আৰু পূব দক্ষিণ প্ৰান্তক একেলগে পূৰ্ববঙ্গৰ প্ৰান্তীয় অঞ্চল বুলি কব পাৰোঁ। এই অঞ্চলটো ভৌগোলিকভাৱে অসমৰ সৈতে যুক্ত। ফলস্বৰূপে পূৰ্ববঙ্গ আৰু অসমৰ ভাষা ৰীতিৰ মাজত এটা অতি গভীৰ সম্বন্ধ গঢ়ি উঠিছে। এইটোহে স্বাভাৱিক। এই স্বাভাৱিক সম্বন্ধৰ কাৰণে পূৰ্ববঙ্গ আৰু অসমৰ ভাষা ৰীতিক একমাত্ৰ ভাষা ৰীতি বুলি কেতিয়াবা কোৱা হয়। কিন্তু এনেকুৱা ধাৰণা ঠিক নহয়। অসমীয়া এটা পৃথক ভাষা আৰু পূৰ্ববঙ্গৰ ভাষা ৰীতিও সুকীয়া। কিন্তু দুয়োটা ভাষাৰ মাজত গভীৰ সাদৃশ্য আছে। অৱশ্যে সাদৃশ্য যেনেকৈ আছে, ঠিক তেনেকৈ বৈসাদৃশ্যও আছে যিটো অস্বাভাৱিক নহয়। কিয়নো দুয়োটা ভাষা স্বতন্ত্ৰ ভাষা—একে ভাষা নহয়।

এই দুয়োটা ভাষা-ৰীতিৰ মাজত কি কি সাদৃশ্য আৰু বৈসাদৃশ্য আছে, এতিয়া সেই সন্দৰ্ভত আলোচনা কৰোঁ। প্ৰথমে সাদৃশ্যৰ কথাটো আহে। গতিকে আৰম্ভণিতে সাদৃশ্যৰ বিষয়ে আলোচনা দাঙি ধৰিবলৈ যত্ন কৰা হ'ল। সাদৃশ্য তিনি প্ৰকাৰৰ : ধ্বনিগত সাদৃশ্য, ৰূপগত সাদৃশ্য বা ৰূপতাত্ত্বিক সাদৃশ্য আৰু বাক্যৰীতিগত সাদৃশ্য।

ধ্বনিগত সাদৃশ্য

ধ্বনিগত কাৰণত অসমীয়া আৰু পূৰ্ববঙ্গৰ উপভাষাক এটা মাথোন শ্ৰেণী বা অঞ্চল বুলি ধৰি ললে ভুল নহয়। দুয়োটা ভাষা-ৰীতিৰ মাজত মূলতে এটা ধ্বনিৰীতিহে পৰিলক্ষিত হয়। স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিকলৈ এটা ভাষাৰ ধ্বনিতত্ত্ব গঠিত হয়। অসমীয়া আৰু পূৰ্ববঙ্গৰ উপভাষাত একেটা স্বৰ ৰীতি আৰু ব্যঞ্জনৰীতি পাওঁ।

প্ৰথমতে পূৰ্ববংগীয় উপভাষা আৰু অসমীয়া ভাষাত স্বৰধ্বনিৰ সংখ্যা সাতোটা (৭টা) আৰু স্বৰ ধ্বনি বিলাকৰ গুণগত বৈশিষ্ট্যও একে প্ৰকাৰ। অৱশ্যে কেতিয়াবা অলপ অলপ পাৰ্থক্য পৰিলক্ষিত হ'লেও সেইবোৰ পাৰ্থক্য তেনেকৈ ব্যাপক আৰু বৈপ্লৱিক নহয়। কেইটামান দৃষ্টান্ত দিলেহে বিষয়টো পৰিস্কাৰ হ'ব—

১. আদি স্বৰ হিচাপে /এ/ সাধাৰণতে উভয় শ্ৰেণীত /অ্যা/হয়/যেনে—পূৰ্ববঙ্গৰ উপভাষা—অ্যাৰে এৰে, খ্যাত/ক্যাত খেত, দ্যাশ দেশ, প্যাট পেট, ম্যাগ মেঘ, ল্যাখা ল্যাকা লেখা আদি। মান্য অসমীয়াত এওঁ, এখেত, তেখেত, তেল ইত্যাদি পোৱা যায়। ইয়াত/দেশ/আৰু/মেঘ/অবিকৃত থাকে/ আনকি ব্যক্তিনামো কেতিয়াবা দুয়োটা ভাষাত এইদৰে বিকৃত হয়। যেনে–ম্যালাভিল, ডিম্যালো মেলভিল ডিমেলো, অ্যাডৱাৰ্ড এডৱাৰ্ড, অ্যাডিসল এডিসন আদি। এনেকুৱা উচ্চাৰণ বা বিকাৰ অৱশ্যে কামৰূপৰ ভাষাত বেছিকৈ দেখা যায়; আন ঠাইত কম। পশ্চিম বঙ্গৰ ভাষাত/এ/ কেতিয়াও বিস্তাৰিত হৈ /অ্যা/ধ্বনিত পৰিণত নহয়। কিন্তু পশ্চিমবঙ্গৰ ভাষাত মানে বিশুদ্ধ বাংলাত য'ত/অ্যা/পোৱা যায় ত'ত অসমীয়া আৰু পূৰ্ববঙ্গৰ ভাষাত প্ৰায়বোৰ ঠাইত /এ/ হয়। উদাহৰণ—চেঙ চ্যাঙ, টেংৰা, ঠেং ঠ্যাং বেঙ ব্যাঙ আদি অৱশ্যে এনেধৰণৰ বিকাৰ অসমীয়াত কম।

২. অপিনিহিতি পূৰ্ববঙ্গীয় উপভাষাৰ এটা অতি গুৰুত্বপূৰ্ণ আৰু ডাঙৰ বৈশিষ্ট্য। পশ্চিম অসমৰ কামৰূপ আৰু গোৱালপাৰা অঞ্চলতো অপিনিহিতিৰ ব্যৱহাৰ আৰু কাৰকতাও যথেষ্ট বেছি। অৱশ্যে পূৰ্ববঙ্গীয় উপভাষাত নামপদ আৰু ক্ৰিয়াপদ উভয়তেই অপনিহিতিৰ ব্যাপক ব্যৱহাৰ হয়। কিন্তু অসমীয়াত ক্ৰিয়াত অপিনিহিতিৰ ব্যৱহাৰ নাই। আচলতে পূৰ্ববঙ্গৰ বাহিৰে ক'তো ক্ৰিয়াপদত অপিনিহিতি নাই। পশ্চিমবঙ্গৰ ভাষা প্ৰায় অপিনিহিতি মুক্ত বুলি ক'ব পাৰি। উত্তৰবঙ্গীয় ভাষা আৰু অসমীয়াত নামপদত অপিনিহিতি আছে সঁচা, কিন্তু ইয়াৰ ব্যৱহাৰ খুব বেছি ব্যাপক নহয়। পূৰ্ববঙ্গৰ উপভাষাত প্ৰায় যিকোনো শব্দত /ই/ থাকিলে অপিনিহিতিৰ নিয়মেৰে তাৰ পৰিবৰ্ত্তন হয়।

৩. স্বৰধ্বনিৰ ক্ষেত্ৰত আৰু এটা উল্লেখযোগ্য বিষয় হ'ল স্বৰসঙ্গতি। স্বৰসংগতিৰ ব্যৱহাৰ পশ্চিম বঙ্গৰ ভাষাত খুউব বেছি, কিন্তু পূৰ্ববঙ্গৰ ভাষাত ইয়াৰ ব্যৱহাৰ যথেষ্ট কম; নাই বুলিলেও হয়। অসমীয়াতো ইয়াৰ প্ৰচলন কম অৰ্থাৎ ক্ষেত্ৰভেদে অলপ অলপ দেখা যায়। পূৰ্ববঙ্গৰ অৱস্থাও তদ্ৰূপ।

৪. স্বৰ ধ্বনিতকৈ ব্যঞ্জন ধ্বনিতেই প্ৰতিটো ভাষাৰ আচল ধ্বনি-বৈচিত্ৰ্য প্ৰকাশিত হয়। অসমীয়া আৰু পূৰ্ববঙ্গৰ উপভাষা ইয়াৰ ব্যতিক্ৰম নহয়। এটা দুটা ভাষাত তালব্য ব্যঞ্জনৰ গঠন বৈশিষ্ট্য আৰু চৰিত্ৰ আটাইতকৈ লক্ষ্যণীয়। ধ্বনিতত্ত্বত তালব্য ব্যঞ্জন ধ্বনিক স্পৰ্শ ধ্বনি হিচাপে ধৰা হয় আৰু এইবোৰ কণ্ঠ্য ধ্বনি, দন্ত্য ধ্বনিৰ দৰে একক ধ্বনিৰূপ বুলি উচ্চাৰণ কৰা হয়। এইবিলাকৰ উচ্চাৰণ স্থান হ'ল তালু বা Palate। কিন্তু পূববঙ্গীয় উপভাষা আৰু অসমীয়াত তালব্য ধ্বনি বিলাকৰ উচ্চাৰণ স্থান তালু নহয়; তালু আৰু দন্তমূলৰ মাজত। এই ঠাইত ধ্বনিবিলাকৰ উচ্চাৰণ হোৱাত অৰ্থাৎ উচ্চাৰণ স্থানৰ পৰিবৰ্ত্তন হোৱাত ধ্বনিবিলাকৰ গঠন আৰু চৰিত্ৰৰ যথেষ্ট পাৰ্থক্য সূচিত হয়। ফলস্বৰূপে

এইবিলাকে তালব্য ধ্বনিৰ বিশেষত্ব এৰি নতুন কিছুমান বিশেষত্ব অর্জন কৰিছে। এই নতুন বিশেষত্ববোৰৰ কাৰণ হ'ল উচ্চাৰণ স্থানৰ পৰিবৰ্ত্তন আৰু এই পৰিবৰ্ত্তনৰ ওপৰত ভিত্তি কৰি ইহতঁৰ নাম দিয়া হয় dorsoalveolar বা তালুদন্তমূলীয় ঘৃষ্ট ধ্বনি। এই উচ্চাৰণত বায়ুৰ ঘৰ্ষণ বা কম্পন অতিৰিক্ত হোৱাত ঘৃষ্ট ধ্বনিত পৰিণত হয়। ফলস্বৰূপে ধ্বনিসমূহৰ স্পৰ্শধ্বনিৰ চৰিত্ৰ বা Plosive character নষ্ট হয়। বিশুদ্ধ তালব্য স্পৰ্শ ধ্বনি হ'ল পাঁচটা। চ, ছ, জ, ঝ, ঞ। আন্তৰ্জাতিক ধ্বনিমালানুসাৰে এই বিলাকক c, ch, j, jh, n হিচাপে লিখা হয়। কিন্তু অসমীয়া আৰু পূৰ্ববঙ্গীয় উপভাষাত ধ্বনি বিলাকক এইভাৱে লিখাৰ উপায় নাই। কিয়নো ধ্বনিবিলাকে নিজৰ নিজৰ Plosive character বা স্পৰ্শধ্বনিগত চৰিত্ৰ হেৰুৱাই ঘৰ্ষন বা কম্পন অৰ্থাৎ friction গুণৰ দ্বাৰা বিকৃত হয়। তেতিয়া বিশুদ্ধ/চ, ছ, জ, ঝ/বা/ c, ch, j, jh/ৰ পৰা আঁতৰি গৈ কম্পিত s, sh, z, zh বা ঘৃষ্ট ts, tsh, dz, dzh ধ্বনিত পৰিণত হয়। এই বৰ্গৰ পঞ্চম ধ্বনিটো/ঞ/। এই ধ্বনি আধুনিক বাংলা, অসমীয়া আদি ভাষাত লুপ্ত হৈছে। এই কাৰণে পঞ্চম ধ্বনি/ঞ/ৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়োজন নাই। সি যি কি নহওক তালব্য ধ্বনিবিলাকৰ এবিধ বৈশিষ্ট্য পূৰ্ববঙ্গীয় বাংলা আৰু অসমীয়াৰ এটি ডাঙৰ আৰু অতি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। আৰু এইকেইটা ধ্বনিত দুটা ভাষাৰ মাজত অতি ঘনিষ্ট সাদৃশ্য থকা দেখা যায়। ৰাজস্থানী, গুজৰাটী আৰু পশ্চিম ভাৰতৰ দুই এটা নব্য ভাৰতীয় আৰ্য্যভাষাত এনে বৈশিষ্ট্য কিছু পৰিমানে পৰিলক্ষিত হয় যদিও ই পূৰ্ববঙ্গীয় বাংলা উপভাষা আৰু অসমীয়াৰ এটি আটাইতকৈ প্ৰধান ধ্বনিতাত্বিক ৰীতি।

৫. দুয়োটা ভাষাৰ আৰু এটা সাধাৰণ বৈশিষ্ট্য হ'ল তিনিটা শিশ্ ধ্বনিয়ে একেদৰে পৰিবৰ্তিত হৈ/হ/ৰূপ প্ৰাপ্ত হয় আৰু অসমীয়াত কেতিয়াবা সেই/হ/ৰ ঠাইত/স/হয়। দৃষ্টান্তঃ

পূৰ্ববঙ্গৰ উপভাষা	অসমীয়া	পশ্চিমবঙ্গৰ বাংলা
আহা	আহা	আসা
পিহন/পিঅন	পেহী	পিসি
বহা	বহা	বসা
হইত	সত্য	সত্য
হউৰ	শহুৰ	শ্বশুৰ
হকল/হখল	সকল	সকল
হপন/হফন	সপোন	স্বপন
হৰু/হুৰু	সৰু	সৰু
হউ	শাহু	শাশ
হাগ/হৰগ	সৰগ/স্বৰ্গ	স্বৰ্গ (সৰ্গ)
হাচা	সঁচা	সাচ্চা
হুৱাগ	সোৱাগ	সোহাগ

আদি। অৱশ্যে স > হ পৰিবৰ্ত্তন পশ্চিমবঙ্গীয় বিশুদ্ধ বাংলাত কেতিয়াবা অলপ চলপ দেখা যায়। কিন্তু তাক পশ্চিমবঙ্গীয় ভাষাৰ বিশেষ ৰীতি বুলি কব

নোৱাৰি। আচলতে এই ৰীতিটো বহু প্ৰাচীন গ্ৰীক ভাষাতো এনে ৰীতি দেখা গৈছিল, ইৰাকৰ ভাষাতো দেখা গৈছিল। আনকি নব্য ভাৰতীয় আৰ্য্য ভাষা বিলাকৰ ভিতৰতে কেইটামান ভাষাতো এই বৈশিষ্ট্যৰ অলপ-অচৰপ ব্যৱহাৰ দেখা যায় আৰু কিছুমান সংখ্যাবাচক শব্দৰ ক্ষেত্ৰত গোটেইবোৰ ভাষাতেই ৰীতিটোৰ সন্ধান পোৱা যায়।

ৰূপতাত্ত্বিক সাদৃশ্য

যিবোৰ ক্ষেত্ৰত অসমীয়া আৰু পূৰ্ববঙ্গৰ বাংলাৰ মাজত ৰূপতাত্ত্বিক সাদৃশ্য পৰিলক্ষিত হয়। সেইবিলাক হ'ল এনেধৰণৰ—

১. বিশেষ্যৰ পৰা বিশেষণ পদৰ গঠনত এই দুটা ভাষাত/ইয়া/আৰু/উৱা/ প্ৰত্যয়ৰ সম্পূৰ্ণ আৰু অক্ষুন্ন ৰূপৰ ব্যৱহাৰ হয়। কিন্তু পশ্চিম বঙ্গৰ ভাষাত অভিশ্ৰুতিৰ ফল/ইয়া/এ/আৰু/উৱা ও/হয়। দৃষ্টান্ত :

পূৰ্ববঙ্গৰ উপভাষা	অসমীয়া	পশ্চিমবঙ্গৰ বাংলা
ঘৰুয়া	ঘৰুৱা	ঘোৰো/ঘৰোয়া
জালিয়া	জালিয়া	জেলে
থলুয়া	থলুৱা	থলো
ধাৰুয়া	ধৰুৱা	ধেৰো
পুৰবীয়া	–	পূৰ্বী।

অৱশ্যে পূৰ্ববঙ্গৰ উপভাষাত অপিনিহিতিৰ ব্যৱহাৰ বেছি হোৱাত আৰু কেতিয়াবা ব্যঞ্জনধ্বনিৰ পৰিবৰ্ত্তনৰ ফলত দুটা এটা ক্ষেত্ৰত অসমীয়া আৰু পূৰ্ববঙ্গৰ বাংলা শব্দৰ ৰূপত অলপ আঁতৰা-আঁতৰি দেখা যায়। কিন্তু তৎসত্ত্বেও উভয়তে মূলৰ ঐক্য আছে।

২. দুটা ভাষা ৰীতিৰ মাজত কাৰক-বিভক্তিৰ ব্যৱহাৰত যথেষ্ট সাদৃশ্য পোৱা যায়। সাধাৰণতে কৰ্তাকাৰকত কোনো বিভক্তি নালাগে; কিয়নো কৰ্তাই কৰ্ম কৰে বুলি সকলো কৰ্তাৰ অধীন। সংস্কৃতত পুংলিঙ্গ একবচন প্ৰথমাৰ বিভক্তি আছিল/ঃ/। যেনে—নৰঃ, বালকঃ, মুনি/আদি। মধ্যভাৰতীয় আৰ্য্যত/ঃ/লুপ্ত হোৱাত পুংলিঙ্গ শব্দ বিলাক এক বচনত বিভক্তিহীন হয়। নব্য ভাৰতীয় আৰ্য্যত এই বিভক্তিহীন পুংলিঙ্গ শব্দৰ প্ৰাধান্য সূচিত হ'ল। ফলত তাতে কৰ্তৃ কাৰকত বিভক্তি নাথাকে। এই কাৰণেহে কৰ্তৃকাৰকত বাংলাত বিভক্তি নাই। কিন্তু অসমীয়াত কৰ্তৃ কাৰক বিভক্তিহীন নহয়। অৰ্থাৎ বেছিভাগ ঠাইত নহয়। সাধাৰণতে অসমীয়াত কৰ্তৃকাৰকে/এ,ই/বিভক্তি লয়। পূৰ্ববঙ্গীয় উপভাষাতো অসমীয়াৰ দৰে একেটা ৰীতি আছে। যেনে—

অস. ১. তেখেত অহা নাই
২. কবিতাই মোক মানা কৰিছিল।
৩. শ্ৰীমতী গান্ধীয়ে কয়।
৪. হাজৰিকাই খবৰটো দিলে।

পূ. ব. উপভাষা. ১. তাইনে বেচ নাচইন।
২. ৰামে ডাকে

৩. মায়ে কইন জ্বি জ্বি জ্বিয়ে
কইন তাৰ কূইয়া হাই।
৪. ৰাখাল ৰাজায় আদেশ দিল।

এনে ঠাইত পশ্চিম বঙ্গৰ ভাষাত বিভক্তিৰ ব্যৱহাৰ নাই। অৱশ্যে কিছুমান প্ৰবাদ বচনৰ ক্ষেত্ৰত তাত/এ/,/তে। বিভক্তি দেখা যায়। যেনে—

১. পাগলে কিনা বলে, ছাগলে কিনা খায়।

২. বাঘে গৰুতে একঘাটে জলখায়।

এনে ধৰণৰ প্ৰয়োগ বাংলাত নিতান্তই সীমাবদ্ধ। কিন্তু অসমীয়া আৰু পূৰ্ববঙ্গীয় উপভাষাৰ ক্ষেত্ৰত এই সীমাবদ্ধতা নাই। আচলতে সংস্কৃত ভাষাত কৰ্ম ভাৱ বাচ্যৰ ব্যৱহাৰ খুব বেছি আছিল। বাক্য কৰ্মবাচ্য হ'লে কৰ্তৃবাচ্যৰ কৰ্তাতে তৃতীয়া/এন এ/বিভক্তিৰ যোগ হয়। তাৰমানে অসমীয়া আৰু পূৰ্ববঙ্গৰ উপভাষাত /এ, ই, য়/ বিভক্তিযুক্ত কৰ্তা আচলতে কৰ্মবাচ্যৰ ৰূপান্তৰিত পদৰূপ, কৰ্তা নহয়। যিয়ে নহওক এনে বাক্য আৰু প্ৰয়োগবিধি এই দুয়োটা ভাষাত যথেষ্ট বেছি।

কৰ্ম আৰু সম্প্ৰদান কাৰকৰ বিভক্তি হিচাপে অসমীয়াত সাধাৰণতে /ক/ ব্যৱহৃত হয়। পূৰ্ববঙ্গৰ বাংলাতো একেটা ৰীতি প্ৰচলিত। কিন্তু বিশুদ্ধ বাংলাত সকলোতে কেৱল /কে/পোৱা যায়।

সম্বন্ধ কাৰকৰ বিভক্তি হিচাপে/ৰ/ অসমীয়া আৰু পূৰ্ববঙ্গৰ ভাষাৰ বিশেষত্ব, কিন্তু পশ্চিমবঙ্গৰ বিশুদ্ধ বাংলাত/এৰ,ৰ/ব্যৱহৃত হয়,/এৰ/স্বৰহীন ব্যঞ্জনৰ লগত আৰু/ৰ/ব্যঞ্জনান্ত আখৰৰ ক্ষেত্ৰত।

অধিকৰণত বাংলাৰ মূল বিভক্তি হ'ল/তে/, কিন্তু পূৰ্ববঙ্গৰ উপভাষাত আৰু অসমীয়াত/তে/ৰ ঠাইত অকল/ত/পোৱা যায়। এই/ত/ অসমীয়া আৰু পূৰ্ববঙ্গৰ উপভাষাৰ সকলো ঠাইত ব্যাপকভাৱে ব্যৱহৃত হয়। চৰ্যাপদতে প্ৰথমে এই/ত/ৰ ব্যৱহাৰ দেখা যায়। চৰ্যাপদ কাম ৰূপত নহ'লেও হয়তো কামৰূপৰ ওচৰ চুবুৰীয়া কোনো ঠাইত ৰচিত হৈছিল। ইয়াৰ "ৰাতি ভইলে কাম যাঅ" শীৰ্ষক বাক্যটিত (পদ সংখ্যা২) এই কথাৰ সমৰ্থন পোৱা যায়। উত্তৰ বঙ্গৰ ভাষাত এতিয়াও অধিকৰণত এই/ত/ৰ ব্যৱহাৰ অক্ষুন্ন আছে; কিন্তু পশ্চিমবঙ্গৰ আন ক'তো /ত/ৰ ব্যৱহাৰ নাই। শ্ৰীকৃষ্ণকীৰ্ত্তনতো আচৰিতভাৱে অধিকৰণত বহুলভাৱে এই/ত/ৰ ব্যৱহাৰ হৈছিল। কেনেকৈ শ্ৰীকৃষ্ণ কীৰ্ত্তনৰ সময়ত (পঞ্চদশ শতিকা) পশ্চিমবঙ্গৰ ভাষাত/ত/ আহি পৰিছিল ই আজিও ৰহস্যজনক হৈ আছে। যি নহওক, উত্তৰ বঙ্গ, অসম আৰু পূৰ্ববঙ্গক লৈ যে এটা অৰ্দ্ধচন্দ্ৰাকাৰ বৃহৎ ঠাই পাওঁ—সেইটোৱেই হ'ল অধিকৰণ/ত/অঞ্চল। এই কথাটো বিশেষকৈ মনত ৰাখিবলগীয়া।

৩. ক্ৰিয়াপদৰ গঠনত অসমীয়া আৰু পূৰ্ব বঙ্গীয় উপভাষাত একেটা নিয়ম দেখা যায়। এই দুটা ভাষাত অতীত কালত আছ্ ধাতু একেদৰে ৰূপপ্ৰাপ্ত হয় আৰু এইবিলাক ৰূপত ধাতুৰ মূল স্বৰৰ কেতিয়াও লোপ নহয়। যেনে—

পূৰ্ববঙ্গীয় উপভাষা	অসমীয়া
আছিলাম	আছিলোঁ

আছলা	আছিলা
আছল	আছিল।

কিন্তু পশ্চিমবঙ্গৰ বাংলাত এই ধাতু মূল স্বৰ/আ/ৰ ব্যৱহাৰ নাই। তাতে কেৱল/ছিলাম, ছিলে, ছিলেন/আদি হয়।

অসমীয়া আৰু পূৰ্ববঙ্গীয় উপভাষাত উত্তম পুৰুষৰ ভৱিষ্যত কালত/ব/ ৰঠাইত /ম/হয়। কিন্তু পশ্চিম বঙ্গত/ব/ অক্ষুন্ন থাকে।

পূ. ব. উপভাষা	অসমীয়া	পশ্চিম ব. বাংলা
অইমু	হম	হব
কইৰ্মু	কৰিম	কৰিব/কৰব
পইড়মু/পড়মু	পঢ়িম	পড়িব/পড়ব
পাইৰ্মু/পাৰমু	পাৰিম	পাৰিব/পাৰব
যাইমু	যাম	যাব।

একেদৰে উভয় ভাষাত তৃতীয় পুৰুষৰ ভৱিষ্যত কালত/বে/ৰ ঠাইত /ব/ হয়।

পূ. ব. উ.	অস.	প. ব. ৰ
অইব	হব	হবে
কৰ্ব	কৰিব	কৰিবে/কৰ্বে
যাইব	যাব	যাবে।

এনেদৰে বিষ্ণুপ্ৰিয়া মণিপুৰীতো অসমীয়া আৰু পূৰ্ববঙ্গীয় উপভাষাৰ নিচিনা/ ব/হয়। কিন্তু 'ধেয়ান' বুলি কাছাৰৰ এটা অচিনাকি ভাষাত বাংলাৰ নিচিনা/বে/ হয়। এয়া কেনেকৈ সম্ভৱ হ'ল কোৱা টান।

অসমাপিকা ক্ৰিয়াৰ গঠনত/ইয়া/এটা গুৰুত্বপূৰ্ণ বিভক্তি। অৱহট্ট ভাষাত ইয়াৰ প্ৰথম ব্যৱহাৰ পাওঁ, পিছত চৰ্যাপদত বিভক্তিটোৰ যথেষ্ট ব্যৱহাৰ হয়। পৰৱৰ্ত্তী কালত শ্ৰীকৃষ্ণ কীৰ্ত্তন আৰু শঙ্কৰদেৱ মাধৱদেৱ আদি প্ৰসিদ্ধ কবি লেখকৰ ৰচনাত/ইয়া/যথেষ্ট ব্যৱহৃত হৈছিল। কিন্তু বৰ্তমান অসমীয়াত/ইয়া/ৰ ঠাইত কেৱল /ই/মাথোনহে পাওঁ। একেদৰে পশ্চিমবঙ্গৰ বাংলাতো /ইয়া/ৰ ঠাইত/ই/ ব্যৱহৃত হয়। চৰ্যাপদত অৱশ্যে/ই/ৰ ব্যৱহাৰ আছিল। শ্ৰীকৃষ্ণ কীৰ্ত্তনতো আছিল; শঙ্কৰদেৱ মাধৱদেৱৰ ৰচনাতো আছিল। পৰৱৰ্ত্তী কালৰ বাংলা কাব্যত/ই/আৰু/ ইয়া/ উভয়ৰ সমান সমান ব্যৱহাৰ হৈছিল, আনকি ঊনবিংশ শতিকা পৰ্যন্ত বাংলা কাব্য কবিতাত এই/ই/ৰ ভালেমান ব্যৱহাৰ আছিল। এতিয়া/ই/বাংলাৰ পৰা সম্পূৰ্ণ লুপ্ত, কিন্তু পূৰ্ববঙ্গৰ উপভাষাত/ই/এতিয়াও আছে/অৱশ্যে তাত/ইয়া/ৰ ব্যৱহাৰও আছে। অৰ্থাৎ পূৰ্ববঙ্গত/ই/আৰু/ইয়া/দুয়োটা বিভক্তিয়ে ব্যৱহাৰ হয়।

৪. শব্দাৱলী অৰ্থাৎ আভিধানিকতাৰ ক্ষেত্ৰতো দুয়োটা ভাষা অঞ্চলৰ ভাষাৰ মাজত যথেষ্ট সাদৃশ্য আছে। প্ৰথমতে শব্দাৱলী বুলিলে সৰ্বভাৰতীয় আৰ্য শব্দই বুজিব লাগিব। বাংলা, অসমীয়া আদি ভাষাবোৰ যিহেতু ভাৰতীয় আৰ্যভাষা সম্প্ৰদায়ভুক্ত, সেই হেতুকে এই দুটা ভাষাৰ মূলতে আৰ্য্য শব্দাৱলী থাকিব আৰু থকাটোহে স্বাভাৱিক আৰু এই আৰ্যশব্দাৱলী আন আন নব্য ভাৰতীয় আৰ্য ভাষাত যেনেকৈ ৰূপ পাইছে বাংলা, অসমীয়াতো ঠিক তেনেকৈ ৰূপ পাইছে। কিন্তু

এইবিলাক শব্দ আমাৰ আলোচনাৰ বিষয় নহয়। আমাৰ আলোচনাৰ বিষয় হ'ল এই ধৰণৰ শব্দ যিবিলাকক আমি দ্বিতীয় পৰ্য্যায়ৰ শব্দাৱলী বা Secondary vocabulary বুলি ক'ব পাৰি। এইবিধ শব্দাৱলী এই অঞ্চলটোতেই গঠিত হৈছে আৰু এই শব্দাৱলীৰ লগত আন আন ঠাইৰ শব্দাৱলীৰ আকৃতি বা অৰ্থৰ মিল নাই। এই সন্দৰ্ভতে আৰু এটা কথা মনত ৰাখিব লাগিব যে এই দ্বিতীয় পৰ্য্যায়ৰ শব্দাৱলীৰ কিন্তু ভাৰতীয় আৰ্য্যমূলৰ পৰাহে আঞ্চলিক ৰীতি অনুসৰি গঠিত হৈছে, বেলেগ কোনো উৎসৰ পৰা গঠিত হোৱা নাই। দ্বিতীয় পৰ্য্যায়ৰ এই শব্দাৱলীৰ ব্যৱহাৰত পূৰ্ব বঙ্গীয় উপভাষা আৰু অসমীয়াৰ মাজত আচল সাদৃশ্যটো দেখা যায়। কথাটো এইদৰেও পৰিস্কাৰ কৰি কব পাৰি যে পূৰ্ববঙ্গৰ বাংলা উপভাষা আৰু অসমীয়াত এই পৰ্য্যায়ৰ যিবোৰ শব্দ পোৱা যায় সেইবিলাক আন ক'তো পোৱা নাযায়। আনকি পশ্চিম বঙ্গৰ বাংলাতো নহয়। এই শব্দাৱলী এই অঞ্চলত কেনেকৈ গঠিত হৈছিল আৰু ইয়াৰ পিছতে কি ধৰণৰ সামাজিক আৰু সাংস্কৃতিক ঘটনাবোৰ জড়িত আছিল তাৰ ব্যাখ্যা দিয়াৰ প্ৰয়োজন নাই। শব্দাৱলীৰ কিছু দৃষ্টান্ত দিয়া গ'ল—

পূ. ব. উপভাষা	অসমীয়া	প. ব. বাংলা
ইচা	মিছা	চিংড়ি
উৰি	উৰহি	সিম/ছিম
কইতৰ	কবুতৰ/পাৰ	পায়ৰা
কুইয়াৰ	কুঁহিয়াৰ	আখ
খড়ি/খৰি	খৰি	কাঠ
গাভুৰ	গাভৰু	ছোকৰা
জামিৰ	নেমু/জামিৰ	বাতাবি
টিয়াঁ	টিয়হ	শঁশা
পানি	পানী	জল
বগা	বগা	শাদা
বৰই	বগৰী	কুল
মাত	মাত	কথা
মনা	মোনা	থলে
ম্যাকুৰ	মেকুৰী	বিড়াল
লগে	লগে	সঙ্গে
হাচা	সঁচা	সত্যি

স্পষ্ট বুজা যায় এই শব্দবিলাকে প্ৰাচীন ভাৰতীয় শব্দমূলৰ পৰাহে উদ্ভৱ হৈছে। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল এই যে এই শব্দবিলাকক কেৱল এই অঞ্চলটোতহে দেখা গৈছে; আন আন অঞ্চলবিলাকত এনে ৰূপৰ সন্ধান পোৱা নাযায়।

বাক্যৰীতিগত সাদৃশ্য

শব্দাৱলীৰ নিচিনাকৈ বাক্যৰীতি আৰু বিশিষ্ট প্ৰয়োগ ৰীতিতো দুটা ভাষা অঞ্চলৰ মাজত এনেকুৱা বহু বিশিষ্টতা পৰিলক্ষিত হয়। অসমীয়াত কোৱা হয়

'ভাল পাওঁ', 'বেয়া পাওঁ', আদি বাক্য। পূর্ববঙ্গগো এইদৰে 'ভাল পাই', 'খাৰাপ পাই', 'আদি কোৱা হয়। উভয় ক্ষেত্ৰত 'পা' ধাতু নিষ্পন্ন ক্ৰিয়াৰ ব্যৱহাৰ হৈছে। কিন্তু পশ্চিম বঙ্গৰ ৰীতিটো সম্পূৰ্ণ বেলেগ। তাত 'ভাল বাসি', 'খাৰাপ লাগে', আদি কোৱা হয়। প্ৰকৃততে 'ভাল বাসা' শব্দটো অসমীয়া ভাষাত নাই। পূৰ্ব বঙ্গৰ ভাষাতো নাই। 'বাস' ধাতুৰ ব্যৱহাৰ কিন্তু চৰ্য্যাপদত আছে।

পশ্চিমবঙ্গৰ ভাষাত আছে 'দিতে হবে', 'কৰতে হবে', 'যেতে হবে' আদি ৰীতি। এই প্ৰয়োগৰ অসমীয়া ৰূপ হ'ব 'দিব লাগিব', 'কৰিব লাগিব', 'যাব লাগিব' আদি। সেইদৰে পূৰ্ব বঙ্গৰ ভাষাত হ'ব 'দিতে লাগব', 'কৰইতে লাগব', 'যাইতে লাগব' আদি।

তৃতীয় পুৰুষ বা প্ৰথম পুৰুষৰ সৰ্বনাম পদটো অসমীয়াত হ'ল পুংলিঙ্গত/সি/আৰু স্ত্ৰীলিঙ্গত/তাই/পূৰ্ব বঙ্গৰ বহু ঠাইত শব্দটোৰ পুংলিঙ্গ ৰূপ হ'ল/হে/ আৰু ইয়াতকৈ ডাঙৰ কথা শব্দটোৰ স্ত্ৰীলিঙ্গ পূৰ্ববঙ্গৰ বহু ঠাইত যেনে–কাছাড়, শ্ৰীহট্ট, চট্টগ্ৰাম আদিত অসমীয়াৰ নিচিনা/তাই/হয়। সৰ্বনাম পদত লিঙ্গভেদ পশ্চিমবঙ্গৰ ভাষাত ক'তো নাই।

অসমীয়া আৰু পূৰ্ব বঙ্গৰ উপভাষাত এনে আৰু বহু ধৰণৰ সাদৃশ্য আছে; সেইবিলাক তন্ন তন্ন কৰি ব্যাখ্যা কৰাৰ ঠাই ইয়াত নাই।

ভাষা দুটাৰ মাজত অনেক সাদৃশ্য পোৱা গ'ল তেনেকৈ বৈসাদৃশ্যও আছে। এই কথা আমি আগতেও কৈছোঁ। এতিয়া এই বৈসাদৃশ্যাবিলাক লৈ আমাৰ আলোচনা হ'ব।

ধ্বনিতাত্ত্বিক বৈসাদৃশ্য

যিবিলাক ধ্বনিলৈ উভয় ভাষাৰীতিৰ মাজত পাৰ্থক্য দৃষ্ট হয় সেই বিলাক এনেধৰণৰ ঃ

১. অসমীয়াত শব্দৰ আদি/আ/স্বৰ ধ্বনি বহু ঠাইত হ্ৰস্ব হৈ /অ/স্বৰলৈ পৰিবৰ্ত্তন হয়। ইয়াৰ ফলত নব্যভাৰতীয় আৰ্যৰ ক্ষতিপূৰক দীৰ্ঘীভৱন নামৰ প্ৰক্ৰিয়াটো ইয়াত তেনেকৈ প্ৰকট নহয়। দৃষ্টান্তঃ

অসমীয়া	বাংলা আদি ভাষা
চকা	চাকা
গছ	গাছ
পকা	পাকা
বতাহ	বাতাস
বজাৰ	বাজাৰ
ৰজা	ৰজা
তৰা	তাৰা
সঁচা	সাচ্চা (হাচা সাচা)

এনে অৱস্থাত পূৰ্ববঙ্গীয় উপভাষাৰ/আ/কেতিয়াও/অ/নহয়। এই কাৰণে ইয়াত পশ্চিম বঙ্গৰ বিশুদ্ধ বাংলাৰ নিচিনা ক্ষতিপূৰক দীৰ্ঘভৱন পুৰা মাত্ৰাত পোৱা যায়। ওপৰৰ সকলোবোৰ শব্দত পূৰ্ববঙ্গৰ ভাষাত/আ/অক্ষুন্ন আছে। অৱশ্যে উত্তৰ বঙ্গৰ জলপাইগুৰি আৰু কোচবিহাৰৰ বাংলা ভাষাত অসমীয়াৰ নিচিনা বহু

ক্ষেত্রত /আ/ৰ ঠাইত/অ/ দেখা যায়।

২. পূর্ব বঙ্গৰ মানুহে/ও/স্বৰক ভাল নাপায়; প্ৰায়বোৰ ক্ষেত্ৰতেই তেওঁলোকে/ও/ক/অ/নাইবা/উ/ কৰি লয়। অসমীয়াত কিন্তু এনেধৰণৰ পৰিবৰ্ত্তন কেতিয়াও নহয়।

পূ. বঙ্গ	অস.	প. বঙ্গ
অল্	ওল	ওল
চুৰ	চোৰ	চোৰ
বুদ	বোধ	বোধ
মক	মোক	মোকে
লুক	লোক	লোক
যগেন (ব্যক্তিনাম)	যোগেন	যোগেন।

৩. আগতে কোৱাৰ দৰে অপনিহিতি অসমীয়াৰ মূল বৈশিষ্ট্য নহয়। কিছুমান বিশেষ্য বিশেষণ আদি শব্দত অপিনিহিতিৰ ব্যৱহাৰ হয়। দুই চাৰিটা শব্দৰ বাহিৰে পশ্চিম বঙ্গৰ ভাষাতো অপনিহিতি নাই। কিন্তু অপনিহিতি পূর্ব বঙ্গৰ বাংলা উপভাষাৰ এটা অতি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। নব্য ভাৰতীয় আৰ্য্য ভাষা বিলাকৰ ভিতৰতে অকল পূৰ্ববঙ্গৰ উপভাষাতেহে এই ক্ৰিয়াটোৰ এনেকৈ বহুল ব্যৱহাৰ দেখা যায়। সঁচাকথা কবলৈ গ'লে ব্যঞ্জনান্ত যিকোনো /ই/বা/উ/ (আদি ব্যঞ্জনৰ বাহিৰে) অপিনিহিতিৰ নিয়মৰে স্থানচ্যুৎ হৈ আগুৱাই যায় আৰু এই ক্ষেত্ৰত বিশেষ্য বিশেষণ ক্ৰিয়া প্ৰভৃতি পদৰ ভিতৰতে কোনো প্ৰভেদ নাই।

৪. পূর্ব বঙ্গৰ ক'তো বিশুদ্ধ ব্যঞ্জন ধ্বনিৰ ব্যৱহাৰ নাই। ব্যঞ্জনধ্বনিবিলাক ইয়াত বহুল পৰিমানে পৰিবৰ্ত্তিত হৈছে। প্ৰথমতে মহাপ্ৰাণ ধ্বনিবোৰৰ মহাপ্ৰাণতা লুপ্ত হয় আৰু অল্পপ্ৰাণ ধ্বনিবোৰে মহাপ্ৰাণতাৰ দ্বাৰা আশ্ৰিত হয়। ফলস্বৰূপে/ক/ লুপ্ত হৈ/খ/ৰ দৰে আৰু /খ/ৰ মহাপ্ৰাণতা হ্ৰাসপ্ৰাপ্ত হৈ /ক/ ৰ দৰে অল্পপ্ৰাণ হৈ যায়। দৃষ্টান্ত :

কত > খথ	ঢাক > ডাক
খেত > কেত	ঢোল > ডুল
গোড়া > ঘুৰা	পান > ফান
টাকা > ঠাকা	ফাকি > পাখি
ঠাকুৰ > ঠাখুৰ	বোন > ভন
ডাক > ঢাক	ভাই > বাই

দ্বিতীয়তে বৰ্গীয় পঞ্চম ধ্বনিকেইটাৰ বাহিৰে সকলোবোৰ ব্যঞ্জনত একোটা ঘৰ্ষণ বা কম্পন আহি ধ্বনিবিলাকৰ এনেকৈ গ্ৰাস কৰি লয় যে সিবিলাকৰ চৰিত্ৰ সম্পূৰ্ণ আঁতৰি যায় আৰু সেইবিলাকক সম্পূৰ্ণ বেলেগ যেন লাগে। সঁচাকৈ কবলৈ হ'লে পূৰ্ববঙ্গীয় উপভাষাত প্ৰতিটো ব্যঞ্জনধ্বনিয়েই অস্পষ্ট। এই অস্পষ্টতাৰ কাৰণ অতিৰিক্ত একেটা কৰি উপাদানৰ দ্বাৰা ধ্বনিবোৰ আচ্ছাদিত হয়, কেতিয়াবা এনে অতিৰিক্ত উপাদানৰ সংখ্যা বৃদ্ধি পাই দুটা-তিনিটা পৰ্য্যন্ত হয়। যেনে— ঘোষবৎ মহাপ্ৰাণধ্বনিবিলাকৰ ক্ষেত্ৰত দেখা যায়। পূৰ্ববঙ্গীয় উপভাষাৰ নিয়ম অনুসৰি এই ধ্বনিকেইটা প্ৰথমতে অল্পপ্ৰাণ হয়, পাছত ঘৰ্ষণ

নাইবা কম্পনৰ দ্বাৰা আক্ৰান্ত হৈ শেষত পশ্চাৎকণ্ঠীয় ৰুদ্ধতাৰ (glottal stop বা glottal click) দ্বাৰা এনেকৈ আবদ্ধ হয় যে বাহিৰা মানুহৰ পক্ষে সেইবিলাক বুজি পোৱা আৰু উচ্চাৰণ কৰা অসম্ভৱ। Glottal Stop পূৰ্ববঙ্গীয় উপভাষাৰ এটা ডাঙৰ বৈশিষ্ট্য। এই বৈশিষ্ট্য পশ্চিমবঙ্গৰ বাংলাত নাই। Glottal Stop সিন্ধি আৰু পস্তু ভাষাত অলপ আছে, যদিও ভাৰতৰ আনবোৰ ভাষাত নাই। আচলতে এইটো আৰবী ভাষাৰ এটা প্ৰধান ধ্বনি। ধ্বনিটো কেনেকৈ পূৰ্ববঙ্গ আহি পালে আৰু তাৰ উপভাষাক প্ৰভাৱিত কৰি ললে সেই কথা কোৱা টান। Glottal stop সাধাৰণতে ঘোষবৎ মহাপ্ৰাণ ধ্বনিৰ লগত জড়িত কিন্তু বহু ঠাইত এইটো অঘোষ মহাপ্ৰাণ ধ্বনিবিলাককো আশ্ৰয় কৰে, আনকি কেতিয়াবা /হ/ ধ্বনিক সামৰি লয়। Glottal stop আহিলে ব্যঞ্জনৰ মহাপ্ৰাণতা বা /হ/ উপাদান লোপ পায়। দৃষ্টান্ত :

ঘি > গি	ঘোল > গুল।
ঝাল > জাল	ধান > দা'ন
ঝি > জি	ধোঁৱা > দু'য়া
ঢাক > ডা'ক	ভাই > বা'ই
ঢুলি > ডু'লি	ভিক্ষা > বি'ক্ষা।

আন্তৰ্জাতিক ধ্বনিতাত্ত্বিক বৰ্ণমালা অনুসাৰে Glottal stop চিহ্নিত কৰাৰ কাৰণে ফুটুকি বিহীন জিজ্ঞাসামূলক চিন ব্যৱহাৰ কৰা হয়। ঘৰ্ষণ, কম্পন আদিৰ কাৰণেও বেলেগ বেলেগ চিনৰ ব্যৱহাৰ হয়। ইয়াত আমি সেইবিলাক চিনৰ ব্যৱহাৰকৰা নাই; অকল Glottal stop টো বুজাবৰ কাৰণে উৰ্দ্ধকমাৰহে ব্যৱহাৰ কৰিছোঁ। ব্যঞ্জনধ্বনিবিলাকৰ বিকৃতি আৰু অবিশুদ্ধতাৰ কাৰণে পূৰ্ববঙ্গৰ উপভাষাক বাহিৰা মানুহে বুজি নাপায়। গতিকে তেওঁলোকৰ কাৰণে ভাষাটো অচিনাকি যেন লাগে। কিন্তু অসমীয়া ব্যঞ্জনধ্বনিবোৰৰ এনেকৈ কোনো বিকাৰ হোৱা নাই আৰু সেইবিলাক বেছিভাগ ঠাইত পুৰাপুৰি বিশুদ্ধ হৈ থকাত অসমীয়াৰ উচ্চাৰণ বাহিৰা মানুহৰ কাণত অচিনাকি যেন নালাগে। অৱশ্যে তালব্য ধ্বনিবিলাকৰ কথা বেলেগ। এইবোৰ ধ্বনি বিশুদ্ধ তালব্য ধ্বনি নহয় আৰু এইবোৰ ঘৃষ্টতাৰ দ্বাৰা আচ্ছন্ন। পূৰ্ববঙ্গৰ তালব্য ধ্ববিবোৰো একেই দৰে ঘৃষ্ট হোৱাত অসমীয়া আৰু পূৰ্ববঙ্গীয় উপভাষাৰ মাজত অকল এই ব্যঞ্জনধ্বনি কেইটাৰ ক্ষেত্ৰতেই সম্পূৰ্ণ সাদৃশ্য দেখা যায়। এই বিষয়ে আমি আগতেই আলোচনা কৰিছোঁ।

তালব্য বৰ্গৰ বাহিৰে অসমীয়া স্পৰ্শ ধ্বনিবিলাক পৰিষ্কাৰ। ক'তো মহাপ্ৰাণতাৰ লোপ বা আগম নহয় আৰু ঘৃষ্টতা বুলি কোনো অতিৰিক্ত আৱৰণ আহি তাক আচ্ছাদিত নকৰে। ইয়াতকৈ ডাঙৰ কথা অসমীয়াত Glottal stop বা click বুলি কোনো আঘাত নাই। ফলত অসমীয়া ভাষা উচ্চাৰণত যথেষ্ট পৰিস্কাৰ লাগে। কিন্তু বিশেষ মন কৰিবলগীয়া কথা হ'ল অসমীয়াত /ট/ বৰ্গীয় আৰু /ত/ বৰ্গীয় ধ্বনি নাই বুলি কোৱা হয় আৰু এই দুটা বৰ্গ মিলি এটা অদ্ভুত বৰ্গ alveolar বা মূৰ্ধাদন্ত্য ধ্বনিত পৰিণত হ'ল। এনে অভিমত মিছা নহয়। বহু ঠাইত বিশুদ্ধ /ট/ আৰু বিশুদ্ধ /ত/ ৰ মাজ-মূৰ এটা বেলেগ ধ্বনিহে উচ্চাৰিত

হয়। যেনে— টোপোলা, বাহিৰত আদি শব্দত কেতিয়াবা শুনা যায়। বিশুদ্ধ /ট/ বৰ্গ আৰু /ত/ বৰ্গৰ ধ্বনি অসমীয়াত নাই এইটো সঁচা নহয়। প্ৰকৃততে দুটা বৰ্গৰ অনুনাসিক /ণ/-ৰ বাহিৰে গোটেইকেইটা ধ্বনিয়ে অসমীয়াত আছে। উদাহৰণ—

ত : তুমি, ভাত, হাত আদি
থ : থলুৱা, থাকি, থুল-মূল আদি
দ : ৰ'দ আদি
ধ : ধন, ধনু, ধান আদি
ন : নতুন, নাই আদি
ট : টকা, কাঁইট, ৰুটি আদি
ঠ : উঠা, ঠাকুৰিয়া, ঠেং আদি
ড : ডকাইত, ডাঙৰ, ডেকা আদি
ঢ : ঢকুৱা, ঢাল, ঢেঁকি আদি।

অসমীয়াত /ট/ আৰু /ত/ বৰ্গৰ ধ্বনিবিলাকে বিশুদ্ধতাৰে ৰক্ষিত আছে, কিন্তু ইয়াত নতুন এই দুটা বৰ্গৰ মাজত আৰু এটা তৃতীয় বৰ্গৰ ব্যঞ্জনধ্বনিৰ সৃষ্টি হৈছে। এইটোকেহে আমি মূৰ্দ্ধাদন্ত্য বুলি কব পাৰোঁ।

৫. বিশুদ্ধ কণ্ঠ্য /হ/ ধ্বনি অসমীয়াত বিশুদ্ধতাৰে ৰক্ষিত, কিন্তু পূৰ্ববঙ্গীয় উপভাষাত ধ্বনিটো সদায় /অ/ হৈ যায় আৰু লগতে এটা Glottal আঘাত আহি এই /অ/-ক চেপি ধৰে। ফলত ধ্বনিটোৰ বিশুদ্ধতা একেবাৰে নষ্ট হয়। যেনে—

অৰিণ < হৰিণ
অ'য় < হয়
আ'ত < হাত
আ'তী < হাত
মআ'মানৱ < মহামানৱ

অসমীয়াত /হ/ কেতিয়াও এনেদৰে পৰিবৰ্তন নহয়।

ৰূপতাত্ত্বিক বৈসাদৃশ্য

দুয়োটা ভাষাৰ ভিতৰত এইকেইটা মূল পাৰ্থক্য পৰিলক্ষিত হয় :

১. বহুবচন : পশ্চিমবঙ্গৰ আদৰ্শ বাংলাত বহুবচনৰ প্ৰধান দুটা প্ৰত্যয় হিচাপে পাওঁ /ৰা/ আৰু গুলি, গুলা, গুলী/। এই দুয়োটা প্ৰত্যয়ে পূৰ্ববঙ্গৰ উপভাষাত ব্যৱহৃত হয় (বঙ্গৰ বাহিৰে এই দুটা প্ৰত্যয়ৰ ব্যৱহাৰ দেখা নাযায়) আৰু ক'তো ইয়াৰ কোনো ব্যতিক্ৰম নাই। অৱশ্যে পূৰ্ববঙ্গৰ উপভাষাত অতিৰিক্ত কেইটামান থলুৱা প্ৰত্যয় আছে। যেনে— /আন, আইন, ইগুন, গুইন, গো, পান/ আদি। এইবিলাকে কেৱল বিকল্প হিচাপে কাম কৰে আৰু ঠায়ে ঠায়ে মাত্ৰ ব্যৱহৃত হয়। সেই কাৰণে এইবিলাকৰ ব্যৱহাৰ যথেষ্ট সীমাবদ্ধ। পক্ষান্তৰত /ৰা/ আৰু /গুলি/ সকলো ঠাইতেই ব্যাপকভাৱে দেখা যায়। /ৰা/ প্ৰত্যয়ৰ প্ৰয়োগ প্ৰথমে শ্ৰীকৃষ্ণ কীৰ্ত্তনতেই হৈছিল। যেনে— আহ্মাৰা, তোহ্মাৰা। ইয়াৰ পাছত লিখিত গ্ৰন্থবোৰত /ৰা/-ৰ ব্যৱহাৰ ক্ৰমশ বৃদ্ধি পাইছিল আৰু অষ্টাদশ শতিকাৰ পৰাই অতি ব্যাপকভাৱে ব্যৱহৃত হৈ আহিছে। /গুলি/ অষ্টাদশ

শতিকাৰ প্ৰথমে দেখা যায়। উনবিংশ শতিকাত ইয়াৰ দুটা বিকল্পৰূপ /গুলা/ আৰু /গুলো/-ৰ সৃষ্টি হয়। এতিয়া আদৰ্শ বাংলাত এই তিনিটা ৰূপেই প্ৰচলিত আছে। আৰু এটা প্ৰত্যয় /দিগ/-ৰ অষ্টাদশ শতিকাত সৃষ্টি হৈছিল। এতিয়া এইটো সংক্ষিপ্ত হৈ /দে/-ৰ ৰূপ লৈছে। অসমীয়াত এই প্ৰত্যয় বিলাকৰ ব্যৱহাৰ নাই।

অসমীয়া বহুবচনৰ মূল কেইটা হ'ল 'বোৰ', 'বিলাক', আৰু 'হঁত'। প্ৰথম দুটাৰ উৎপত্তিৰ কাৰণ অজ্ঞাত। অৱশ্যে বহুতে সংস্কৃত/বহুল/-ৰ পৰা /বিলাক/-ৰ জন্ম হৈছে বুলি কয়। /হঁত/আহিছে /সন্ত হন্ত/-ৰ পৰা ইয়াৰ বাহিৰে আৰু এ^: প্ৰত্যয় /লোক/ কেৱল সৰ্বনাম পদত কেতিয়াবা ব্যৱহৃত হয়। মন কৰিবলগীয়া যে এই চাৰিটা প্ৰত্যয় পূৰ্ববঙ্গৰ ক'তো নচলে। অকল /লোক/ হিন্দীত বহুবচনৰ প্ৰত্যয় হিচাপে ব্যৱহৃত হয়। প্ৰত্যয়টো চৰ্যাপদত প্ৰথম দেখা গৈছিল।

প্ৰাচীন অসমীয়াত আৰু কেইটামান প্ৰত্যয় আছিল যেনে– 'সব', 'সকল', 'গণ', 'চয়', 'বিস্তৰ', 'মেল' আদি। কিন্তু এইবিলাক প্ৰাচীন ভাৰতীয় আৰ্য্য শব্দ আৰু বহুবচনৰ অৰ্থে এইবিলাক আন আন ভাষাৰ সৈতে পশ্চিমবঙ্গৰ আদৰ্শ বাংলাতো যথেষ্ট ব্যৱহাৰ হৈছিল, এতিয়াও হয়। চৰ্যাপদতো এইবিলাকৰ আছিল।

প্ৰাচীন অসমীয়াতো /ৰা/ প্ৰত্যয়ৰ ব্যৱহাৰ হৈছিল। শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আদি মহাপুৰুষীয়া লেখকসকলৰ ৰচনাত নিৰ্দিষ্ট কিছুমান শব্দত এই /ৰা/-ৰ ব্যৱহাৰ পোৱা যায়। যেনে— /তোৰাসৱ, তাৰাসৱ, যাৰাসব/আদি/ এইবিলাক সৰ্বনাম পদ। অৰ্থাৎ কেইটামান সৰ্বনাম পদতহে এই /ৰা/ প্ৰাচীন অসমীয়াত ব্যৱহৃত হৈছিল। অষ্টাদশ শতিকাৰ পৰা এনে ব্যৱহাৰ নাইকিয়া হৈ যায়।

অৱশ্যে কামৰূপী উপভাষাত বহুবচনৰ প্ৰত্যয় হিচাপে এতিয়াও /হামৰা/ পাওঁ। এইটো /হাম/-ৰ সৈতে /ৰা/ যুক্ত হৈ গঠিত হৈছে বুলি অনুমান কৰিব পাৰি। কিন্তু এই প্ৰত্যয়টো কেৱল ব্যক্তিনাম আৰু পাৰিবাৰিক সম্বন্ধযুক্ত শব্দতেই ব্যৱহাৰ হয়। যেনে— ৰামহামৰা (ৰাম আৰু তেওঁৰ লগৰীয়া), বাপহামৰা (বাপেক আৰু তেওঁৰ লগৰীয়া), বাপহামৰা (বাপেক আৰু তেওঁৰ লগৰীয়া) ইত্যাদি।

কামৰূপীত /গিলা, গিলাক, গিলান/বহুবচনৰ প্ৰত্যয় হিচাপে ব্যৱহাৰ কৰা হয়। এইবিলাকৰ লগত বাংলা/গুলা, গুলি, গুলো/ আদিৰ এটা সম্পৰ্কআছে বুলি অনুমান কৰিব পাৰি।

আদৰ্শ বাংলাৰ দৰে পূৰ্ববঙ্গীয় উপভাষাত সৰ্বনাম 'আমি' আৰু 'তুমি' একবচনতহে ব্যৱহৃত হয়। অসমীয়াত তুমি বাংলাৰ নিচিনা একবচনত ব্যৱহৃত হয় যদিও তাত 'আমি' কিন্তু বহুবচন, একবচনত 'মই'। সঁচাকৈ কবলগীয়া হ'লে 'আমি' বহুবচনেই হ'ব লাগে, কিয়নো এইটো বহুবচনৰ পৰাহে আহিছে— সংস্কৃত অস্মাভি অহ্মাহি অহিম/আহিম আমি। গতিকে 'আমি' বহুবচন হিচাপে শুদ্ধ। বাংলাত কিন্তু এইটো বহুবচনৰ ৰূপত 'আম্‌ৰা' হৈছে— যিটো আচলতে বহুবচনৰ দ্বৈত প্ৰয়োগ। অসমীয়া বহুবচন 'তোমালোক' সেইদৰে বহুবচনৰ দ্বৈত প্ৰয়োগ।

২. কাৰক : বিভক্তি ৰূপ : কৰ্ম আৰু সম্প্ৰদান কাৰকত অসমীয়া বিভক্তি সাধাৰণতে হৈছে /ক/। দুই এঠাইত /কে/। বাংলাত এইক্ষেত্ৰত কেৱলমাত্ৰ /কে/ ব্যৱহৃত হয় আৰু সেই অনুসৰি পূৰ্ববঙ্গৰ উপভাষাত /কে/-ৰ ব্যৱহাৰ হয়। অৱশ্যে তাত /ক/-ৰ ব্যৱহাৰো হয়। কিন্তু সিমান বেছি নহয়। আৰু পূৰ্ববঙ্গত /ৰে/ বুলি এটা নতুন বিভক্তি এই দুয়োটা কাৰকত খুব চলে কিন্তু অসমীয়াত এইটো সম্পূৰ্ণ অজ্ঞাত।

তৃতীয় বিভক্তিটো অসমীয়া আৰু বাংলাৰ পৰা লুপ্ত হৈছে। এই বিভক্তিৰ ঠাইত কেইটামান অনুসৰ্গ /দ্বাৰা/, /দি/ ব্যৱহৃত হয়। অসমীয়া আৰু বাংলা উভয়তে /দ্বাৰা/ ব্যৱহৃত হ'লেও /দিয়া/ কেৱল বাংলা আৰু /দি/ কেৱল অসমীয়াত পোৱা যায়। প্ৰাচীন অসমীয়াত অৱশ্যে /দিয়া/ আছিল। কিন্তু কেৱল পূৰ্ববঙ্গত এতিয়া /দি/ আৰু /দিয়া/ আছে।

পঞ্চমী বিভক্তিৰ অনুসৰ্গ ৰূপত বাংলা আৰু অসমীয়াৰ মাজত যথেষ্ট নতুনত্ব দেখা যায়। সাধু বাংলাত /হইতে, থাকিয়া/ আৰু চলতি বাংলাত/হতে, থেকে/ ৰূপৰ ব্যৱহাৰ হয়। পূৰ্ব বঙ্গত কিন্তু ধ্বনিবিকাৰৰ কাৰণে সাধুৰূপৰ কিছুমান সালসলনিৰ ফলত /হইতে > অইতে/ আৰু /থাকিয়া > থাইক্যা তাইক্যা হৈ যায়। আৰু সৰ্বতে এই দুইটা অনুসৰ্গ ব্যৱহৃত হয়। প্ৰাচীন অসমীয়াত /হইতে-ৰ পূৰ্বৰূপ /হন্তে/ আছিল যদিও এতিয়া অনুসৰ্গটো বা ইয়াৰ আধুনিক ৰূপ /হৈতে/ অসমীয়াত নাই। তাৰ পৰিবৰ্তে /পৰা/ বুলি এটা নতুন অনুসৰ্গ আৱশ্যিকভাৱে সকলো ঠাইত ব্যৱহৃত হয়।

৩. ক্ৰিয়া প্ৰত্যয় : বাংলা উত্তম পুৰুষ অতীত কালৰ বিভক্তিটো হ'ল /আম/। যেনে— সাধুভাষাত /কৰিলাম, খাইলাম, পড়িলাম/ আৰু চলতি ভাষাত /কৰলাম, খেলাম, পড়লাম/ আদি। পূৰ্ববঙ্গৰ উপভাষাত এই বিভক্তিটো অক্ষুণ্ণ আছে ; অৱশ্যে কেৱল সাধুৰূপটোহে তাত আছে, চলতি ৰূপ পূৰ্ববঙ্গীয় উপভাষাত নাই। ভৱিষ্যত কালতো পূৰ্ববঙ্গীয় উপভাষাত একেটা বিভক্তি ঠায়ে ঠায়ে ব্যৱহৃত হয়। যেনে— /কৰিবাম, খাইবাম, পড়িবাম/ আদি। অসমীয়াত অতীত কালত উত্তম পুৰুষৰ বিভক্তিটো হৈছে /ও, উ/ যেনে /কৰিলোঁ, কৰিলু, খালোঁ, পঢ়িলোঁ/ আদি। মধ্য বাংলাৰ শ্ৰীকৃষ্ণ কীৰ্ত্তনতো /উ, ও/ আছিল। যেনে-- /কৰিলোঁ, দিলোঁ, পাইলোঁ/আদি। বৰ্তমান বাংলা আৰু পূৰ্ববঙ্গৰ উপভাষাৰ পৰা বিভক্তিটো সম্পূৰ্ণ লুপ্ত হৈছে।

বাংলা দ্বিতীয় এটা অতীত কাল আছে। ইয়াত নিত্য অতীত বা ঐতিহাসিক অতীত বুলি কোৱা হয়। এই অতীত কালটো বুজাবৰ কাৰণে সাধাৰণ অতীত /ল/-ৰ ঠাইত /ত/ প্ৰত্যয়ৰ ব্যৱহাৰ হয় আৰু এই /ত/ প্ৰত্যয়টোৰ সৈতে পুৰুষবাচক বিভক্তিবোৰ যুক্ত হৈ সম্পূৰ্ণ ৰূপটো গঠন কৰে, তেনে উত্তম পুৰুষত /তাম/ মধ্যম পুৰুষত /তে, তেন/ আৰু প্ৰথম পুৰুষত /ত, তেন/ আদি। কিন্তু এনেকুৱা কোনো বিভক্তি অসমীয়াত নাই। তাৰ পৰিবৰ্তে বেলেগ এক ধৰণৰ নিত্য অতীত ইয়াত ব্যৱহৃত হয় আৰু তাৰ প্ৰত্যয়টো সম্পূৰ্ণ ভিন্ন। এই প্ৰত্যয়টো হ'ল /হেঁতেন/। সামান্য অতীত ক্ৰিয়াৰূপৰ লগত এইটো যুক্ত হৈ এই বিশেষ অতীত ক্ৰিয়াটো গঠিত হয়। আৰু ইয়াত পুৰুষৰ কোনো ভেদাভেদ

নাই অৰ্থাৎ সকলো পুৰুষতেই /হৈঁতেন/ প্ৰত্যয়টো অবিকৃতভাৱে ব্যৱহৃত হয়। যেনে— /কৰিলেহৈঁতেন, দিলেহৈঁতেন, পৰিলেহৈঁতেন/ আদি। আচলতে এইটো এটা অনুসৰ্গ আৰু ইয়াৰ উৎস হ'ল প্ৰাচীন/হন্তে/।

বাংলা ক্ৰিয়াৰ এটা সম্মানিক বা honourific ৰূপ আছে; ই মধ্যম আৰু প্ৰথম পুৰুষত ব্যৱহৃত হয়। এই সম্মানিক ৰূপটো বুজাবৰ কাৰণে সাধাৰণ ক্ৰিয়াৰূপটোৰ লগত /উন, এন/ প্ৰত্যয় যুক্ত হয়। প্ৰত্যয়টো প্ৰাচীন ভাৰতীয় আৰ্য /অন্তু, অন্তি/-ৰ পৰাহে আহিছে। প্ৰত্যয়টো অথবা সঁচাকৈ কবলগীয়া হ'লে প্ৰত্যয় দুটা চৰ্যাপদ আৰু শ্ৰীকৃষ্ণকীৰ্ত্তন যথেষ্ট পৰিমাণে ব্যৱহৃত হৈছিল। এতিয়া অনুজ্ঞাত /উন/ আৰু অনিৰ্দিষ্ট ভাৱত /এন/ ব্যৱহৃত হয়। পূৰ্ব বঙ্গৰ ভাষাত দুটা ভাৱৰ কাৰণেই কেৱল /এন/ পোৱা যায়, /উন/-ৰ ব্যৱহাৰ নাই। অসমীয়াত মধ্যম পুৰুষতহেকেৱল সম্মানিক অৰ্থটো আছে আৰু ইয়াৰ কাৰণে যি প্ৰত্যয়টোৰ ব্যৱহাৰ হয় সি সদায় /ক/; যেনে— /কৰক/ /দিয়ক/, /লওক/ আদি। সম্মানিক হিচাপে বঙ্গৰ ক'তো /ক/ প্ৰত্যয়ৰ চল নাই। যেনেকৈ অসমীয়াত /উন, এন/ নাই।

বাংলা ভাষাত বৰ্তমান আৰু অতীত ক্ৰিয়াৰ ঘটমান আৰু পুৰাঘটিত ৰূপৰ গঠনত দুটা প্ৰত্যয়ৰ প্ৰয়োজন হয়— এটা হ'ল কৃদন্ত /হৈতে/ আৰু আনটো সহায়ক ক্ৰিয়া /আছে/। ইয়াৰ ফলত 'কৰ্' ধাতুৰ ৰূপবিলাক হ'ব এনেধৰণৰ : উত্তম পুৰুষ— কৰিতেছি/ কৰিতেছিলাম, মধ্যম পুৰুষ— কৰিতেছ/ কৰিতেছিলেন/ কৰিতেছিলেন, প্ৰথম পুৰুষ— কৰিতেছে/কৰিতেছিল/ কৰিতেছিলেন। পূৰ্ববঙ্গীয় উপভাষাতো এই একেটা নিয়ম আৰু ৰূপবিলাক ঠিক ওপৰৰ সাধুভাষাৰ দৰে। ইয়াৰ বিপৰীতে অসমীয়াত কৃদন্ত /ইতে/-ৰ ঠাইত অতীত ৰূপ /ইয়া/-ৰ কেৱল /ই/ ৰূপহে থাকিব আৰু লগতে বাংলাৰ নিচিনা / আছ/-ৰ সহায়ক ক্ৰিয়া হিচাপে যুক্ত হ'ব। ফলত অসমীয়া ৰূপবোৰ হ'ব : উত্তম পুৰুষ— কৰি আছোঁ/কৰি আছিলোঁ, মধ্যম পুৰুষ— কৰি আছা/কৰি আছিলা, প্ৰথম পুৰুষ— কৰি আছে/ কৰি আছিল।

বাংলা তুমৰ্থক অসমাপিকা বা infinitive ইতে/তে-ৰ সহযোগত গঠিত হয়। কিন্তু অসমীয়া infinitive-ৰ প্ৰত্যয় /ইব/, /ইতে/ বা তে নহয়। পূৰ্ববঙ্গৰ উপভাষাত বাংলাৰ অনুৰূপ হয়। উড়িয়াতো এই /ইব/ প্ৰত্যয় দি infinitive-ৰ গঠন হয়। প্ৰাচীন অসমীয়াতো যথেষ্ট পৰিমাণে /ইতে/-ৰ ব্যৱহাৰ হৈছিল।

পূৰ্ববঙ্গৰ উপভাষাত অতিৰিক্ত এটা ভৱিষ্যৎ কাল আছে। ইয়াক /ইত/ অন্তক ভৱিষ্যত কাল বুলি কব পাৰি। বাংলা, অসমীয়া, উড়িয়া আদি মাগধী প্ৰাকৃতজাত ভাষা কেইটাত এটা কৰিহে ভৱিষ্যত পাওঁ। এইয়া /ব/ ভৱিষ্যত আৰু ক'তো ইয়াৰ কোনো সলনি নাই। পূৰ্ববঙ্গত এই /ব/ ভৱিষ্যতটো আছে; তাৰ উপৰি দ্বিতীয় এটা ভৱিষ্যতৰ ব্যৱহাৰ হয়। সেইটো হ'ল /ত/ অন্তক ভৱিষ্যত। উদাহৰণ স্বৰূপে—

আমি কৰইমু	আমি কৰ্তাম
তুমি কৰবা	তুমি কৰতা
সে কৰইব	সে কৰত।

এনে ভবিষ্যত ক'তো নাই। বাংলা নিত্য অতীতৰ /ইত/ প্ৰত্যয়টো পূৰ্ববঙ্গীয় উপভাষাৰ এই ভৱিষ্যত গঠনত যুক্ত হৈছে বুলিহে কব পাৰি।

ৰাক্যগঠনগত বৈসাদৃশ্য

বাক্য গঠনৰ ৰীতিত অসমীয়া আৰু পূৰ্ববঙ্গীয় উপভাষাৰ মাজত কিছু বৈসাদৃশ্য আছে। এনে এটা বৈসাদৃশ্য হ'ল বাক্যত নেতিবাচক প্ৰত্যয়ৰ অৱস্থান। ভাৰতীয় আৰ্য্যভাষাত নেতিবাচক প্ৰত্যয়টো হৈছে /ন/ বা /না/। অসমীয়া আদি ভাষাত নেচিবাচক প্ৰত্যয় হ'ল /ন/ আৰু বাংলা আদিত /না/। কিন্তু প্ৰত্যয়টোৰ আকৃতিগত পাৰ্থক্যতকৈ ডাঙৰ পাৰ্থক্য হ'ল বাক্যৰ ভিতৰতে ইয়াৰ অৱস্থান। অসমীয়াত ক্ৰিয়াৰ ঠিক আগত বহে আৰু ক্ৰিয়াৰ আদি স্বৰৰ লগত সমীভূত হয়। যেনে— নকৰে, নাযায়, নিদিয়ে, নুশুৱে আদি। বাংলা নেতিবাচক প্ৰত্যয় /না/ কিন্তু মূল ক্ৰিয়াৰ ঠিক পাছত বহে। যেনে— কৰেনা, যায়না, দেয়না, হবেনা, খাবেনা আদি। পূৰ্ববঙ্গৰ উপভাষাতো এইদৰে নেতিবাচক প্ৰত্যয় ক্ৰিয়াৰ পাছত বহে। এইটোৱেই বাংলা আৰু বাংলা উপভাষাবিলাকৰ ৰীতি। অকল চট্টগ্ৰামৰ উপভাষাত দুই-এঠাইত এই ৰীতিৰ ব্যতিক্ৰম দেখা যায়। অৰ্থাৎ তাত নেতিবাচক প্ৰত্যয়টো ক্ৰিয়াৰ পাছত নবহি আগত বহে। ইয়াক এটা সৰু ব্যতিক্ৰম বুলিহে গণ্য কৰিব লাগিব।

সকলো ভাৰতীয় আৰ্যভাষাত নেতিবাচক প্ৰত্যয় ক্ৰিয়াৰ আগত বহে; যেনেকৈ অসমীয়া বহে। কিন্তু এটা ব্যতিক্ৰম আছে। সেয়া হৈছে বাংলাত ইটো ক্ৰিয়াৰ পাছত বহে। অৱশ্যে /নাই/ সকলো ভাৰতীয় আৰ্য্য ভাষাত ক্ৰিয়াৰ পাছত বহে। যেনে—

অসমীয়া : তেখেত ঘৰলৈ অহা নাই।
বাংলা : তিনি ঘৰে আসেন নাই।
উড়িয়া : সে ঘৰঠাৰে আসে নাই।
হিন্দী : উন্‌হোনে ঘৰমে আয়া নেহী।

দেখা গ'ল যে বাক্য কেইটাত কেৱল অতীত কালৰ অৰ্থহে প্ৰকাশ পাইছে। দ্বিতীয়তে আচলতে /নাই/। এটা নেতিবাচক প্ৰত্যয় নহয়; ই নেতিবাচক প্ৰত্যয়যুক্ত এটা সম্পূৰ্ণ ক্ৰিয়াৰূপ হৈহে ইয়াত বৰ্তমান। ইয়াৰ প্ৰাচীন ৰূপ সংস্কৃত আছিল। /ন + অস্তি = নাস্তি/ ; ইয়াৰ পৰা প্ৰাকৃতত আহিল/নত্থি/ আৰু তাৰপৰা নব্য ভাৰতীয় আৰ্য্যত হ'ল /নাত্থি নাহি নাই। গতিকে নাই ক্ৰিয়াৰ পাছত বহাত নিয়মৰ উলঙ্ঘা হৈছে বুলি ভাবিব নেলাগে।

ইয়াত আৰু এটা কথা আছে। ওপৰৰ বাক্যকেইটাত ব্যৱহৃত /আহা, আসেন, আসে, আয়া / আদি ৰূপবিলাক আচলতে সম্পন্ন ক্ৰিয়াৰূপ নহয়, ক্ৰিয়া বিশেষণহে। গতিকে তাৰ পিছত বাক্যৰ নিয়ম অনুসৰি ক্ৰিয়া বহিব পাৰে আৰু এই ক্ৰিয়াটো যদি নেতিবাচক ক্ৰিয়া হয় তেন্তে ক্ষতি নাই। ওপৰৰ বাক্য কেইটাত ঠিক সেইটোহে হৈছে। অৱশ্যে বাংলা— /আসে/প্ৰকৃততে সম্পূৰ্ণ ক্ৰিয়া।

ওপৰত দাঙি ধৰা আলোচনা আৰু দৃষ্টান্তৰ দ্বাৰা এইটো ভালদৰে প্ৰতিপন্ন কৰা হৈছে যে পূৰ্ববঙ্গীয় উপভাষা আৰু অসমীয়াৰ মাজত যেনেকৈ বহুত

সাদৃশ্য আছে, তেনেকৈ বৈসাদৃশ্যও অনেক আছে। অৱশ্যে সাদৃশ্যতকৈ বৈসাদৃশ্যৰ সংখ্যা আৰু সেইবিলাকৰ গুৰুত্বও তুলনামূলকভাৱে অধিক।

গ্ৰন্থ নিৰ্দেশ

কে. এল. বৰুৱা : আৰ্লি হিষ্টৰি অব্ কামৰূপ, গুৱাহাটী, ১৯৬৬।

এছ. কে. চেটাৰ্জী : অৰিজিন অ্যাণ্ড ডেভেলাপমেন্ট অফ বেঙ্গলি লেঙ্গুৱেজ, তিনিখণ্ড, লণ্ডন ১৯৭০-৭১।

ইউ. এন. গোস্বামী : এ ষ্টাডি অফ কামৰূপী : এ ডায়ালেক্ট অফ অ্যাসমিজ, গুৱাহাটী-১৯৭০।

জি. এ. গ্ৰিয়াৰ্ছন : লিঙ্গুইচটিক সাৰ্ভে অফ ইণ্ডিয়া, ৫ম খণ্ড, নিউ দিল্লী ১৯৬৭-৬৮।

বি. কাকতি : অ্যাসামিজ, ইট্স্ ফৰমেসান অ্যাণ্ড ডেভেলেপমেন্ট, গুৱাহাটী-১৯৭২।

এছ. এছ. তুঙ্গ : বেঙ্গলি অ্যাণ্ড আদাৰ ৰিলেটেট ডায়ালেক্টস অফ সাউথ আসাম, ১৯৯৫।

বি. ডি. বিদ্যাবিনোদ : শ্ৰীহট্টীয়া কথ্যভাষা, সিলেট, ১৩৩৬ বঙ্গাব্দ।

অসমীয়া আৰু কাৰবি ভাষা : এটি তুলনামূলক অধ্যয়ন

ড০ অৰ্পণা কোঁৱৰ

ভাৰতৰ উত্তৰ-পূব অঞ্চলত অৱস্থিত অসমৰ প্ৰধান ভাষা হ'ল অসমীয়া। ই ভাৰতীয় সংবিধান স্বীকৃত এটা ৰাজ্যিক ভাষা। অসমীয়া ভাষাৰ মূল হৈছে পৃথিবীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ইন্দো-ইউৰোপীয় পৰিয়ালৰ অন্তৰ্গত ভাৰতীয় আৰ্য্য ভাষা। ভাৰতীয় আৰ্য্যভাষাৰ পৰাই নব্য ভাৰতীয় আৰ্য্য ভাষা সমূহৰ সৃষ্টি হৈছে। অসমীয়া ভাষাও এই নব্য ভাৰতীয় ভাষা সমূহৰে অন্তৰ্গত এটা ভাষা। অসমীয়া ভাষা কেৱল অসমৰে এমুঠি মানুহৰ ভাষা হৈ থকা নাই। এই ভাষাক উত্তৰ পূৰ্বাঞ্চলৰ উমৈহতীয় ভাষা ৰূপে ব্যৱহাৰ কৰি আছে। এই খিনিতে ড০ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে দিয়া এটা মন্তব্যৰ কথা উল্লেখ কৰিব পাৰি। 'পূৰ্বাঞ্চলৰ বহু ভাষা ভাষীলোকৰ উমৈহতীয় ভাষাটোৱে অসমীয়া, গতিকে তাকেই তেওঁলোকে সকলো ক্ষেত্ৰতে ব্যৱহাৰ কৰিছিল।'[১] পূৰ্বাঞ্চলত বসবাস কৰি বিভিন্ন জনগোষ্ঠীৰ নিজা নিজা ভাষা আছে যদিও বহুতো লোকে পূৰ্বৰ নিজৰ নিজৰ ভাষা ত্যাগ কৰি অসমীয়া ভাষাকে মাতৃভাষা ৰূপে গ্ৰহণ কৰিছে আৰু কিছুমানে শিক্ষা দীক্ষা, ব্যৱসায় বাণিজ্য আদিৰ ক্ষেত্ৰত অজনজাতীয় লোকৰ সৈতে ভাবৰ আদান প্ৰদান কৰোঁতে অসমীয়া ভাষাকে দ্বিতীয় ভাষা ৰূপে ব্যৱহাৰ কৰিছে। এনেদৰে অসমীয়া আৰু জনজাতীয় লোকৰ ভাষাসমূহৰ উভয়তে আত্মীয়কৰণৰ মাজেদি বহুতো উপাদান সোমাই পৰিছে। অসমীয়া ভাষাই প্ৰাকৃত আৰু অপভ্ৰংশ স্তৰ বাগৰি জন্ম লাভ কৰোঁতে লৌকিক সংস্কৃত ভাষাই প্ৰভাৱ বিস্তাৰ কৰিছে। অন্যহাতেদি অসমীয়া ভাষাৰ ওপৰত থলুৱা অনাৰ্য্য ভাষাবোৰৰ প্ৰভাৱ পৰিছে। বংশ পৰম্পৰা আৰু সংস্কৃত ভাষাৰ লগত পৰস্পৰ ঘনিষ্ঠতালৈ চাই অসমীয়া ভাষাৰ গঠন সংস্কৃতৰ ভাষা গঠনৰ দৰে একে হব লাগিছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় সংস্কৃত আৰু অসমীয়া ভাষাৰ গঠনৰ মাজত মিলতকৈ বহুক্ষেত্ৰত অমিলহে পোৱা যায়।[২] যিহেতু প্ৰাকৃত স্তৰৰ ভাষাই সংস্কৃতৰ লগত বিশেষ ঘনিষ্ঠ যোগাযোগ ৰখা নাছিল। প্ৰাকৃত স্তৰত ভাষা বহু সৰলীকৰণ হ'ল। তাৰপৰা অপভ্ৰংশ স্তৰতো আৰু সৰলীকৰণৰ ফালে গতি কৰি আধুনিক স্তৰত নব্য ভাৰতীয় ভাষা সমূহৰ সৃষ্টি হয়। এই উদ্ভৱৰ সময়ছোৱাত অসমীয়া ভাষাৰ ওপৰত উত্তৰ পূব অঞ্চলত বসবাস কৰি থকা বাসিন্দা সকলৰ মাত কথাৰ প্ৰভাৱ পৰিবলৈ ধৰে। আৰ্য্যমূলীয় আৰু অন্যহাতেদি থলুৱা ভাষাৰ প্ৰভাৱে অসমীয়া ভাষাৰ গঠনত যথেষ্ট প্ৰভাৱ পেলাই ধ্বনিগত, ৰূপগত, বাক্যগত আদি সকলো দিশতে এক সুকীয়া বৈশিষ্ট্যৰে গঢ় লৈ উঠিল। ঠিক তেনেদৰে অসমীয়া ভাষাৰ প্ৰভাৱো থলুৱা ভাষা সমূহত পৰা পৰিলক্ষিত

হয়। ফলত অসমীয়া আৰু থলুৱা জনজাতীয় ভাষা বিলাকৰ গঠনৰ দিশত কিছুমান একে বৈশিষ্ট্য পৰিলক্ষিত হয়।

কাৰবি সকল অসমৰ থলুৱা জনজাতি। নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা এই লোকসকল মঙ্গোলীয় গোষ্ঠীৰ লোক আৰু ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ বিশাল অংশত আবৰি থকা বৃহৎ তিবতবৰ্মী ভাষা পৰিয়ালৰ অন্তৰ্গত। মাইকৈ কাৰবিসকল অসমৰ মাজ মজিয়াত অৱস্থিত কাৰবি আংলং জিলাত বসবাস কৰে। তদুপৰি অসমৰ ভৈয়াম অঞ্চলৰ কামৰূপ, নগাওঁ, গোলাঘাট আদি জিলাতো কাৰবি ভাষী লোক পোৱা যায়। অসমৰ বাহিৰেও নগাৰাজ্য, মেঘালয় আদি ঠাইতো দুই এখন কাৰবি লোকৰ গাঁও পোৱা যায়।

অসমীয়া ভাষা আৰু জনজাতীয় লোক সকলৰ ভাষা সমূহৰ মূল উৎস ভিন্ন হলেও দীৰ্ঘ দিন ধৰি একে ঠাইতে বসবাস কৰি থকাৰ ফলত একে জলবায়ু, একে ভৌগোলিক পৰিবেশ, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক পৰিবেশত ডাঙৰ দীঘল হোৱা বাবে পৰস্পৰৰ আদান প্ৰদান আৰু সমন্বয় সাধনে দুয়োটা ভাষাৰ বিকাশ আৰু গঠনত যথেষ্ট প্ৰভাৱ পেলাইছে। অন্যান্য জনজাতি লোকসকলৰ দৰে কাৰবি সকলেও অসমীয়া ভাষাৰ সৈতে দীৰ্ঘদিন ধৰি যথেষ্ট সম্পৰ্ক ৰক্ষা কৰি আহিছে। তেওঁলোক ক'ৰ পৰা আহি প্ৰথমে ক'ত বাস কৰিছিল এই সন্দৰ্ভত নিৰ্ভৰযোগ্য তথ্য দাঙি ধৰিব নোৱাৰিলেও দুই এখন বুৰঞ্জীয়ে অসমীয়া ভাষীৰ সৈতে কাৰবি সকলৰ সম্পৰ্ক প্ৰায় ১৭ শতিকাৰ পৰা চলি আছিল এই কথা উল্লেখ কৰিছে। জয়ধ্বজ সিংহৰ ৰাজত্ব কালত নগাওঁ জিলাৰ ৰহাত বিহলীয়া নামে ঠাইত বাৰ ঘৰ মান কাৰবি লোক বাস কৰিছিল।৩ আহোম ৰাজত্বৰ কালৰে পৰা কাৰবি লোকসকল আহোম ৰজাৰ বশ্যতা স্বীকাৰ কৰি অসমত বসবাস কৰি আছে। এনেদৰে দীৰ্ঘদিন ধৰি অসমৰ মাটিত অসমীয়া ভাষী আৰু কাৰবি ভাষী লোক সহ-অৱস্থান কৰি অহাৰ ফলস্বৰূপে উভয়ৰে আত্মীয়কৰণৰ মাজেদি ভাষাৰ অৱদান সোমাই পৰিছে। আনকি কাৰবি সকলে নিজৰ মাজতে কাৰবি ভাষা ব্যৱহাৰ কৰে আৰু অসমীয়া ভাষী বা অনা কাৰবি লোকৰ লগত ভাৱৰ আদান প্ৰদান কৰোঁতে অসমীয়া ভাষাক দ্বিতীয় ভাষা হিচাপে ব্যৱহাৰ কৰে। তদুপৰি শিক্ষা গ্ৰহণৰ ক্ষেত্ৰতো অসমীয়া ভাষাকে শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰি আহিছে। ফলত অসমীয়া ভাষাৰ গঠন ৰীতিত অসমীয়া ভাষাৰ অৱদান যথেষ্ট পৰিমাণে সোমাই পৰিছে। বিশেষকৈ তিব্বতবৰ্মী গোষ্ঠীৰ ভাষা সমূহৰ লগত অসমীয়া ভাষাৰ ভাষিক অৱদান ইমানেই বেছি যে সময়ত কোনটো ভাষাৰ মূল উপাদান আছিল এই কথাটো বিচাৰি উলিওৱাত অসুবিধা হৈ পৰে। ঠিক তেনেদৰে কাৰবি আৰু অসমীয়া ভাষাৰ ধ্বনি, ৰূপ, বাক্য আদি দিশত যদি তুলনা কৰি চোৱা হয় তেন্তে দুয়োটা ভাষাৰ ভাষাতাত্ত্বিক দিশত সাদৃশহে বেছি পৰিলক্ষিত হয়। তলত দুয়োটা ভাষাৰ মাজত থকা ভাষাতাত্ত্বিক দিশৰ সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰি এটি চমু আলোচনা যুগুত কৰা হৈছে।

ধ্বনি তাত্ত্বিক ঃ

অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি আঠোটা। যেনে— ই, এ', এ, উ, ও, অ'

অ। কাৰবি ভাষাতো সাতোটা বিশিষ্ট স্বৰ ধ্বনি পোৱা যায়। যেনে— ই, এ', এ, অ, অ' উ, আ। অসমীয়া ভাষাৰ দৰে। /এ'/ আৰু /অ'/ এই দুটা বিশিষ্ট স্বৰধ্বনি। এই দুয়োটাৰ ধ্বনিৰ ব্যৱহাৰ অসমীয়া ভাষাৰ দৰে কাৰবি ভাষাত শব্দৰ অৰ্থৰ পাৰ্থক্য দেখা যায়। যেনে— অস, বেল, বে'ল (bell) কাৰবি- ফূ এ'ত (উজ্বল মুখ), ফূ এত (উঘালি পেলোৱা); অস, মহ, ম'হ, কাৰবি-অ'ছ' (সন্তান), অ'য় (সখি/বান্ধৱী)। কিন্তু অসমীয়া ভাষাৰ দৰে কাৰবি ভাষাত /ও/ ধ্বনি পোৱা নাযায়। এই ক্ষেত্ৰত দুয়োটা ভাষাৰ মাজত বৈসাদৃশ্য দেখা যায়। /আ/ স্বৰধ্বনিৰ বাহিৰে কাৰবি আৰু অসমীয়া দুয়োটা ভাষাতে উচ্চাৰণগত দীৰ্ঘস্বৰ নাই। কিন্তু শব্দৰ আৰ্থৰ পাৰ্থক্য ৰাখিবৰ বাবে হ্ৰস্ব আৰু দীৰ্ঘ দুয়োটা স্বৰধ্বনিয়ে লিখোঁতে ব্যৱহাৰ কৰা হয়। কাৰবি ভাষাত বলাঘাতৰ বাবে /ই/ আৰু /উ/ উচ্চাৰণ ঈ আৰু ঊ কেতিয়াবা দীৰ্ঘ হয়। যেনে— কি (পাচফাল) ফী (আইতা), আৰু (ধোঁৱা দিয়া) আৰূ (মিকিৰ মাহৰ নাম)। এই বলাঘাত (Stress)ক ড০ উপেন্দ্ৰ নাথ গোস্বামীয়ে সুৰ বুলি কৈছে।৪ ড০ গোস্বামীৰ মতে একেধৰণৰ শব্দৰ ক্ষেত্ৰত উচ্চ আৰু নিম্ন এই সুৰ দুটা লক্ষ্য কৰা যায় আৰু সুৰ অনুসৰি অৰ্থৰ পাৰ্থক্য ঘটে। যেনে— ফূ (মুৰ), ফূঁ (ককা), মেক (চকু), মেৰ্ক (ঘা)। সাধাৰণতে খুব কম শব্দতহে এনে সুৰ পৰিলক্ষিত হয়। এইটো সুৰ বুলি কোৱাতকৈ বলাঘাত বুলি কোৱাহে বেছি যুক্তিকৰ হব। তিব্বতবৰ্মী অন্যান্য ভাষাৰ দৰে কাৰবি ভাষাত এই সুৰৰ বৈশিষ্ট্য দেখা নাযায়। ৰংবং তেৰাঙে 'কাৰবি লামতাছাম'ত সুৰৰ কথা উল্লেখ কৰা নাই। কাৰবি ভাষাত হ্ৰস্ব আৰু দীৰ্ঘ স্বৰধ্বনিৰ ভিতৰত কোনো পাৰ্থক্য নাই যদিও বলাঘাত পৰা শব্দবোৰত (ঈ/ আৰু/ঊ/ এই দীৰ্ঘ স্বৰধ্বনি দুটা কাৰবি লামতাছামত লিপিবদ্ধ কৰা হৈছে। যেনে— ছ'পী 'ছোৱালী', বিথী 'পান', বি 'বিল', বী 'ছাগলী', ৰু 'চেপা'; ৰূ 'পূৰ্বপুৰুষ/জকা', অসমীয়া ভাষাৰ বচনভঙ্গীতো বলাঘাত পৰা দেখা যায়। যেনে-

তুমি ইয়াত কি কৰিছা ? (প্ৰশ্নসূচক সাধাৰণ বাক্য)।

তুমি ইয়াত কিঁ কৰিছা ? (আদেশসূচক)

তুমি ´ক'লৈ যোৱা? (প্ৰশ্নসূচক)

তুমি ক'লৈঁ যোৱা? (আদেশসূচক)

অসমীয়া ভাষাত অল্পপ্ৰাণ নিয়ত/ ক,গ, ত,দ, প ব/ মহাপ্ৰাণ অনিয়ত/খ, ঘ, থ, ধ, ফ, ভ/ অনিয়ত ঘৃষ্ট/স, য, ষ, হ/ নাসিক্য /ম, ন, ঙ/ পাশ্বিক /ল/ , কম্পিত /ৰ/, অৰ্ধস্বৰ /য়, ৱ/ মুঠ ২৩টা ব্যঞ্জন ধ্বনি পোৱা যায়। কাৰবি ভাষাতো অল্পপ্ৰাণ নিয়ত- /প, ব, ত, দ, ক/ মহাপ্ৰাণ নিয়ত— ফ, থ, খ।, অনিয়ত উষ্ম ধ্বনি। চ, ছ, জ/, নাসিক্য— ম, ন, ঙ। পাশ্বিক /ল/, তাড়িত / ৰ/, অৰ্ধস্বৰ /য়, ৱ/-মুঠ ১৯টা ব্যঞ্জনধ্বনি পোৱা যায়। কাৰবি ভাষাত সঘোষ অল্পপ্ৰাণ /গ/ আৰু সঘোষ মহাপ্ৰাণ ধ্বনি/ ধ, ভ, ঘ/ উচ্চাৰণ নহয়। অসমীয়া ভাষাৰ পৰা অহা এই কেইটা ধ্বনি যুক্ত শব্দবিলাক কাৰবি ভাষাত ব্যৱহাৰ কৰোঁতে ধ্বনিগত পৰিবৰ্তন হোৱা দেখা যায়। যেনে—

গ > ক　　অস গৰা > কৰা।

ঘ > ক, খ　　অস ঘৰ > কহৰ।

অস ঘন্টা > খন্টা।
ধ > দ অস ধন > দহন।
ভ > ধ অস ভেলেকি > বেলেকি।
ভাল > বাল।

অসমীয়া ভাষাৰ উচ্চাৰণৰ দৰে কাৰবি ভাষাত উষ্ম ধ্বনিৰ উচ্চাৰণ পোৱা নাযায়। অসমীয়া ভাষাত উষ্ম ধ্বনি মুক্ত কৰা শব্দ বিলাকত উষ্ম ধ্বনি /হ/ ধ্বনিলৈ পৰিবৰ্ত্তন হৈছে। যেনে—

শ > হ অস. শিয়াল > হিজাই।
স > হ অস. সংসাৰী > হংহাৰী।
সুমথিৰা > হমচিৰা।

কাৰবি ভাষাৰ এটা প্ৰধান বিশেষত্ব হ'ল /চ/ আৰু /ছ/ এই ধ্বনি কেইটা কাৰবি ভাষাত সুকীয়া ৰূপে উচ্চাৰণ হয়।। চ। ধ্বনি তালব্য ধ্বনি ৰূপে উচ্চাৰণ হয়। এই দুয়োটা ধ্বনিৰ উচ্চাৰণ শব্দৰ অৰ্থৰ পাৰ্থক্য নিৰ্ণয় কৰে। যেনে— চক (যথেষ্ট), ছক (ধান), চৰ (হুল), ছৰ (বাসিন্দা)।

অসমীয়া ভাষাৰ দৰে কাৰবি ভাষাতো /ঙ/, /য়/, /ৱ/ এই কেইটা ধ্বনি শব্দৰ আদি অৱস্থানত ব্যৱহাৰ নহয়। কাৰবি ভাষাৰ অন্য এটা বিশেষত্ব হ'ল শব্দৰ আদি অৱস্থানত পাশ্বিক। ল। ধ্বনি ব্যৱহাৰ নহয়। অসমীয়া ভাষাৰ পৰা লোৱা শব্দ বিলাকত শেষত থকা ল > ই হয়। যেনে—

অস. কপাল > কা. কপাই
নাঙল > নাঙই।
নাৰিকল > নাৰিকই।

অসমীয়া ভাষাৰ নিজা লিপি আছে। কিন্তু কাৰবি ভাষাৰ নিজা লিপি নাই। কাৰবি সকলে অসমীয়া লিপি বা পূৰ্বী লিপিত (আধুনিক পূৱ ভাৰতৰ লিপি) প্ৰাথমিক পৰ্য্যায়ৰ কিতাপ পত্ৰ অসমীয়া লিপিতে প্ৰকাশ কৰিছে। আনকি কাৰবি ভাষাত ৰচিত লৌকিক গীতমাত, সাধুকথা, ফকৰা যোজনা, কবিতা আদি অসমীয়া লিপিতে প্ৰকাশ কৰি উলিয়াইছে। আজিকালি কাৰবি ভাষাত প্ৰাথমিক পৰ্য্যায়ৰ দুই এখন পাঠ্যপুথি ৰোমক লিপিত ছপা হৈ ওলাইছে। কিন্তু কাৰবি লোক সকলে ৰোমক লিপিত লিখা পাঠ্যপুথি হৃদয়ঙ্গম কৰিব পৰা নাই। কাৰবি ভাষাত উচ্চাৰিত নোহোৱা ধ্বনিও শব্দৰ অৰ্থৰ পাৰ্থক্য ৰাখিবৰ বাবে দুই এটা অসমীয়া আখৰ ব্যৱহাৰ কৰিছে। যেনে— ঈ, ঊ, ভ, ইত্যাদি। এনে আখৰ যুক্ত কিছুমান শব্দ 'কাৰবি লামতাছাম'ত পোৱা যায়। দুয়োটা ভাষাতে ওচৰা-ওচৰিকৈ ব্যৱহাৰ হোৱা দ্বিস্বৰ আৰু ত্ৰিস্বৰ ধ্বনি পোৱা যায়। ঠিক সেইদৰে দুয়োটা ভাষাতে ওচৰা-ওচৰিকৈ থকা দুটা সংযুক্ত ব্যঞ্জন ধ্বনি আৰু তিনিটা ব্যঞ্জন ধ্বনি পোৱা যায়।

ৰূপতাত্বিক ঃ

অসমীয়া ভাষাৰ ৰূপতাত্বিক গঠনৰ এক সুকীয়া বৈশিষ্ট্য আছে। মূল সংস্কৃত ভাষাৰ দৰে এই ভাষা ব্যাকৰণগত (Grammatical) নহয়। ই এটা স্বাভাৱিক জীৱন্ত ভাষা (natural language)[৬]। সংস্কৃতিৰ সংশ্লেষাত্মক (Synthetic) গঠন

পৰিহাৰ কৰি অসমীয়াই বিশ্লেষণাত্মক (analytical) ৰূপ গ্ৰহণ কৰিছে। অসমীয়া ভাষা ৰূপান্তক (Infectional)[৭] **। অসমীয়া ভাষাৰ দৰে কাৰবি ভাষাটো অলপ ৰূপাত্মক (Semi-Infectional) ।**

শব্দ গঠন ঃ

অসমীয়া ভাষাৰ শব্দবোৰ বহু অব্যয়যুক্ত (Polly Sylabic)। কাৰবি ভাষাৰ বিশেষ্য শব্দবোৰ এটা ৰূপ আৰু বহুৰূপ এই দুটা ৰূপ পোৱা যায়। দুয়োটা ভাষাৰ শব্দবোৰক (Word Classes) সব্যয় আৰু অব্যয় এই দুটা ভাগত ভাগ কৰিব পাৰি। সব্যয় শব্দবোৰক বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, ক্ৰিয়া-বিশেষণ আদি ভাগত ভগাব পাৰি। সব্যয় শব্দবোৰ ৰূপান্তৰ। অব্যয় শব্দোবোবক ৰূপান্তৰ কৰিব নোৱাৰি। এই শব্দবোৰে কেৱল বাক্যগঠন প্ৰক্ৰিয়াতহে সহায় কৰে। এইবাবে এই শব্দবোৰ বাক্যতত্ত্ব (Sytax) ৰ ভিতৰুৱা।

অসমীয়া ভাষাত বিশেষ্য, বিশেষণ শব্দ আৰু ধাতুৰূপৰ লগত প্ৰত্যয়ৰ সংযোগত নতুন নতুন শব্দ সাধন কৰা হয়। ঠিক তেনেদৰে কাৰবি ভাষাতো ক্ৰিয়াৰূপৰ লগত প্ৰত্যয় যোগ কৰি বিশেষ্য আৰু বিশেষণ সব্দ গঠন কৰা হয়। যেনে—

অসমীয়া ঃ—

ফুল + আম = ফুলাম
ল'ৰা + আলি = ল'ৰালি
ফুল + অনি = ফুলনি
মুৰ্খ + আমি = মূৰ্খামি
কান্ধ + উৱা = কান্দুৱা
খা + অন = খাৱন
ৰান্ধ + অনি = ৰান্ধনি

কাৰবি ঃ

কে + কিম = কেকিম 'সজা কাৰ্য'
কে + দাম = কেদাম 'যোৱা কাৰ্য'
কা + থিন = কাথিম 'মৰা কাৰ্য্য'
কে + ইক = কেইক 'কলা'
কে + মি = কেমি 'নতুন'
কে + এত = কেএত, 'হালধীয়া'

মৌলিক শব্দবোৰৰ আগত বা পিচত প্ৰত্যয় সংযোগ কৰিও শব্দৰ আকাৰ বৃদ্ধি কৰা হয়। প্ৰত্যয় যোগ হোৱাৰ পাছত শব্দবোৰৰ কোনো পদ পৰিবৰ্ত্তন (inflectional) নহয়। যেনে—

কাৰবি ঃ কে + চ'ল' = কেচ'ল 'খাইছে'
কে্ + চিমুন = কেং চিমুন 'ভৰিৰ আঙুলি'
আৰনাম + আদান = আৰনাম আদান 'দেৱতাৰ দান'

কাৰবি ভাষাত শব্দ গঠনৰ এটা প্ৰধান বিশেষত্ব হ'ল দুটা শব্দ যোগ কৰোঁতে শব্দ দুটাৰ আদি অক্ষৰ বিলুপ্তি ঘটাই এটা নতুন শব্দ গঠন কৰা হয়।

যেনে—

আৰণি + কেচি = নিচি 'পশ্চিম'
আৰলং + কেচৰ = লংচৰ 'নিজৰা'

লিঙ্গ :

অসমীয়া ভাষা আৰু কাৰবি ভাষাৰ লিঙ্গ ব্যাকৰণগত নহয়। দুয়োটা ভাষাতে লিঙ্গ দুটা পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ। লিঙ্গ নির্ণয়ৰ ক্ষেত্রত সংস্কৃত ভাষাৰ দৰে ব্যাকৰণে ঠিক কৰি নিদিয়ে। উভয় ভাষাতে লিঙ্গ স্বাভাৱিক, অর্থাৎ মতা বুজালে পুংলিঙ্গ আৰু মাইকী বুজালে স্ত্রীলিঙ্গ। অৱশ্যে মতা-মাইকী উভয়কে বুজোৱা কিছুমান উভয় লিঙ্গ শব্দ আছে। সাধাৰণতে অসমীয়া ভাষাত উচ্চ খাপৰ জীৱ বুজোৱা শব্দৰ ক্ষেত্রতহে লিঙ্গ নির্ণয় কৰা হয়। কেচু, পোক, পৰুৱা, পতঙ্গ, সাপ, ভেকুলী আদি কীট-পতঙ্গৰ ক্ষেত্রত লিঙ্গ বিচাৰ কৰা নহয়।

লিঙ্গ পৰিবর্তনৰ নিয়ম :

(১) সম্বন্ধ বাচক শব্দৰ ক্ষেত্রত দুয়োটা ভাষাতে পুৰুষ আৰু স্ত্রী বুজোৱা ভিন ভিন শব্দ প্রয়োগ কৰি লিঙ্গ নির্ণয় কৰা হয়।

অসমীয়া		কাৰবি	
পুঃ	স্ত্রীঃ	পুঃ	স্ত্রীঃ
ককা	আইতা	ফু	ফী
ককাই	বৌ	ইক	তেপী
বোপাই/পিতা	আই	প'	পেই
মোমাই	মামী	অং	নী
ল'ৰা	ছোৱালী	অছ'	অছ'মা

(২) অসমীয়া ভাষাত পুংলিঙ্গ বাচক শব্দৰ পাচত স্ত্রীপ্রত্যয় -ঈ, -অনী, -নী, -ৰী আদি যোগ কৰি লিঙ্গ নির্ণয় কৰা হয়। কাৰবি ভাষাতো অৱশ্যে উভয়লিঙ্গ বুজোৱা শব্দৰ পাচত -প (পুৰুষ বুজাবলৈ) আৰু -পী (স্ত্রী বুজাবলৈ) প্রত্যয় যোগ দিয়া হয়। যেনে—

অসমীয়া :	পুঃ	স্ত্রী
	নিলাজ	নিলাজী
	বান্দৰ	বান্দৰী
	কমাৰ	কমাৰনী
	কলিতা	কলিতানী
	কলা	কালৰী
	ডেকা	ডেকেৰী

কাৰবি

আৰলেং	(মানুহ)	আৰলেংপ'	আৰলেংপী
ছ'	(সন্তান)	ছ'প	ছ'পী
জিৰ	(বন্ধু)	জিৰপ'	জিৰপী

(৩) মূল শব্দৰ আগত মতা আৰু মাইকী শব্দ ব্যৱহাৰ কৰি দুয়োটা ভাষাত লিঙ্গ নির্ণয় কৰা হয়। এই নিয়ম তিব্বতধর্মী ভাষা পৰিয়ালৰ সকলোবোৰ

ভাষাতে পোৱা যায়। যেনে—

অস.	মতা মানুহ	মাইকী মানুহ
	মতা কুকুৰা	মাইকী কুকুৰা

উভয় লিঙ্গ বুজোৱা প্ৰাণীবাচক শব্দৰ লগত নিৰ্দ্দিষ্ট বাচক প্ৰত্যয় যোগ কৰি লিঙ্গ নিৰ্ণয় কৰা হয়। যেনে—

অস.	কুকুৰাটো	কুকুৰাজনী
	মানুহজন	মানুহজনী
	ল'ৰাটো	ছোৱালীজনী/ল'ৰাজনী
	গৰুটো	গৰুজনী

কাৰবি ভাষাতো ইতৰ প্ৰাণীৰ ক্ষেত্ৰত মতা বুজাবলৈ 'আল' আৰু মাইকী বুজাবলৈ আপী' মূল শব্দৰ পাচত প্ৰয়োগ কৰি লিঙ্গ নিৰ্ণয় কৰা হয়। যেনে—

চাইনং-আল	' 'মতা গৰু'	চাইনং আপী	'মাইকী গৰু'
বি আল'	'মতা ছাগলী'	বি আপী	'মাইকী ছাগলী'
মেথান আল'	'মতা কুকুৰ'	মেথান আপী	'মাইকী কুকুৰ'

কিন্তু পোহনীয়া চৰাই বুজোৱা শব্দৰ ক্ষেত্ৰত আ- প্ৰত্যয়ংশ আতৰাই কেৱল- ল' আৰু -পী যোগ দিয়া হয়। যেনে—

ৱ 'চৰাই' ৱল' 'মতা কুকুৰা' ৱপী 'মাইকী কুকুৰা'

বচন :

অসমীয়া আৰু কাৰবি ভাষাৰ বচন ব্যাকৰণগত নহয়। দুয়ো ভাষাতে বচন দুটা— একবচন আৰু বহুবচন। অসমীয়া ভাষাত বিশেষ্যৰ একোটা বচন নিৰপেক্ষ ৰূপ থাকে। এই বচন নিৰপেক্ষ ৰূপৰ লগ একবচনাত্মক প্ৰত্যয় যেনে— টো, খন, -জন, -জনী, -জনা, গৰাকী, পাট, ছটা আদি যোগ কৰা হয়। ঠিক তেনেদৰে বচন নিৰপেক্ষ ৰূপ লগত বহু বচনাত্মক প্ৰত্যয় যেনে— লোক, বোৰ, বিলাক, জাক, মখা, আদি যোগ কৰি বহুবচন কৰা হয়। যেনে— তোমালোক, তোমালোক, মানুহবোৰ, সৰুবোৰ, ল'ৰাবিলাক ইত্যাদি। সাধাৰণতে জাক, মখা আদি বহুবৰ্চনাত্মক প্ৰত্যয় ইতৰ প্ৰাণীৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। যেনে— গৰু জাক, গৰু মখা ইত্যাদি।

কাৰবি ভাষাতো বচন নিৰপেক্ষ ৰূপৰ লগত বহুবচন বুজোৱা প্ৰত্যয়বোৰ যোগ কৰি বহুবচন কৰা হয়। যেনে— তুম, হেই-হুই, -হোৰ, মখা ইত্যাদি। সাধাৰণতে -তুম প্ৰত্যয় মানুহৰ ক্ষেত্ৰত ব্যৱহাৰ কৰে। -হেইহুৰ -হোৰ, আদি প্ৰত্যয় ইতৰ প্ৰাণীৰ আৰু অপ্ৰাণীবাচক শব্দৰ ক্ষেত্ৰত ব্যৱহাৰ কৰি বহুবচন গঠন কৰা হয়। যেনে— ৱ হেইহুই (চৰাইবোৰ) আৰলেং হেইহুই (শিলবোৰ), ছেৰুন আহোৰ (শিয়ালবোৰ) ইত্যাদি। -মখা প্ৰত্যয় অসমীয়াৰ দৰে কাৰবি ভাষাটো মানুহৰ ক্ষেত্ৰত প্ৰয়োগ কৰে। যেনে— মণিত আ মখা (মানুহৰ দল)। এই মখা প্ৰত্যয় অসমীয়া ভাষাৰ পৰা কাৰ্বিলৈ আহিছে। তদুপৰি অসমীয়া -বোৰ প্ৰত্যয়ৰ পৰা -হোৰ প্ৰত্যয় অহা বুলি অনুমান কৰিব পাৰি।

পুৰুষ :

অসমীয়া আৰু কাৰবি দুয়োটা ভাষাতে পুৰুষ তিনিটা প্ৰথম পুৰুষ, দ্বিতীয়

পুৰুষ আৰু তৃতীয় পুৰুষ। দুয়োটা ভাষাতে সৰ্বনাম পুৰুষ বাচক শব্দবোৰ গঠনৰ ক্ষেত্ৰত সাদৃশ্য পৰিলক্ষিত হয় যদিও দুয়োটাৰ মাজত বৈসাদৃশ্য দেখা যায়। অসমীয়া ভাষাত প্ৰথম পুৰুষৰ একবচন আৰু বহুবচনৰ সৰ্বনাম শব্দৰ ৰূপ বেলেগ বেলেগ। দ্বিতীয়া আৰু তৃতীয় পুৰুষৰ একবচন ৰূপৰ লগত বহুবনাত্মক প্ৰত্যয় যোগ কৰি বহুবচন কৰা হয়। তৃতীয় পুৰুষ একবচনৰ ৰূপত লিঙ্গভেদে বেলেগ বেলেগ সৰ্ব্বনাম শব্দ ব্যৱহাৰ কৰা হয়। দ্বিতীয় আৰু তৃতীয় পুৰুষ সৰ্ব্বনাম শব্দ-ৰূপত তুচ্চাৰ্থ আৰু মান্যাৰ্থত বেলেগ বেলেগ শব্দ ব্যৱহাৰ কৰা হয়। যেনে—

	একবচন	বহুবচন
প্ৰথম পুৰুষ	মই	আমি
দ্বিতীয় পুৰুষ	তই (তুচ্চ)	তহঁত
	তুমি (মান্যাৰ্থত)	তোমালোক
	আপুনি (মান্যাৰ্থত)	আপোনালোক
তৃতীয় পুৰুষ	সি/তাই	সিহঁত
	ই/এই (তুচ্চাৰ্থত)	ইহঁত
	তেওঁ (মান্যাৰ্থত)	তেওঁলোক

অসমীয়া ভাষাত এই সৰ্বনাম শব্দ বিলাকৰ প্ৰত্যেকৰে একোটাইত তিৰ্য্যক ৰূপ পোৱা যায়। এই বিলাকৰ লগত বিভক্তি, প্ৰত্যয় আদি যোগ কৰা হয়। যেনে—

মই	মো	মোৰ
তই	তো, ত	তোৰ, তহঁত
তুমি	তোমা	তোমাৰ, তোমালোক
আমি	আমা	আমাৰ, আমালোক
আপুনি	আপোনা	আপোনাৰ, আপোনালোক
সি	তা	তাৰ, সিহঁত
ই	ইয়া	ইয়াত
যি	য	যাৰ

কাৰবি ভাষাতো প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষৰ সৰ্বনাম শব্দৰ একবচনত এটাকৈ ৰূপ পোৱা যায়। এই ৰূপ বিলাকৰ লগত বহুবচন বুজোৱা 'তুম' প্ৰত্যয় যোগ কৰি বহুবচন ৰূপ কৰা হয়। ই প্ৰত্যেক তিব্বতধৰ্মী পৰিয়ালৰ ভাষাৰ বৈশিষ্ট্য। তদুপৰি তিব্বতধৰ্মী ভাষাবোৰত অসমীয়া ভাষাৰ দৰে তৃতীয় পুৰুষত লিঙ্গভেদে বেলেগ বেলেগ সৰ্বনাম ৰূপ ব্যৱহাৰ নহয়। অসমীয়া ভাষাৰ দৰে কাৰবি ভাষাত তুচ্চাৰ্থত আৰু মান্যাৰ্থত সৰ্বনাম শব্দৰ বেলেগ বেলেগ ৰূপ ব্যৱহাৰ নহয় যদিও মান্যাৰ্থত সাধাৰণতে অপৰিচিত লোকৰ বা পৃথক কুলৰ ব্যক্তিৰ লগত কথা পাতোঁতে সৰ্বনাম ৰূপ বিলাকৰ লগত -লি প্ৰত্যায়ংশ ব্যৱহাৰ হয়। যেনে—

	একবচন	বহুবচন
প্ৰথম পুঃ	নে 'মই	নেতুম 'আমি'

	নেলি (মান্য) 'মই'	নেলি তুম 'আমি'
দ্বিতীয় পুঃ	নাং 'তই'	নাংতুম 'তহঁত'
	নাংলি (মান্য) আপুনি	নাংলিতুম 'আপোনালোক'
তৃতীয় পুঃ	আলাং সি/তাই	আলাং তুম 'তহঁত'
	আলাংলি (মান্য) তেওঁ	আলাংলিতুম 'তেওঁলোক'

দুয়োটা ভাষাতে প্ৰাণী, অপ্ৰাণী, মানৱ, ইতৰ, বস্তুৰ আকাৰ আকৃতি, ওজন, পৰিমাণ, সংখ্যা আদি বুজাবলৈ সংখ্যা নিৰ্ণায়ক নিৰ্দ্দিষ্ট বাচক আৰু অনিৰ্দ্দিষ্ট বাচক প্ৰত্যয়ৰ ব্যৱহাৰ আছে। গণিব পৰা প্ৰাণী বা বস্তুৰে সৈতে বহিলে আৰু শ্ৰেণীসূচক (Classifier) নিৰ্দ্দিষ্ট বাচক আৰু ওজনৰ অথবা জুখিব পৰা বস্তুৰ সৈতে বহিলে তাক পূৰণসূচক (qualifier) অনিৰ্দ্দিষ্ট বাচক প্ৰত্যয় বোলা হয়। অসমীয়া ভাষা আৰু কাৰবি ভাষাত এই দুয়োবিধ প্ৰত্যয়ৰ ব্যৱহাৰ আছে। কাৰবি ভাষাত এই সংখ্যা নিৰ্ণায়ক নিৰ্দ্দিষ্টবাচক প্ৰত্যয়বোৰ সংখ্যা বুজোৱা শব্দৰ আগত আৰু অসমীয়া ভাষাৰ পাচত বহে। যেনে : মনিত, বাংহিনি 'মানুহ দুজন', 'ইংনাৰ জন থ্ৰি' 'চাৰিটা হাতী', 'ৰ'তি পুম ফ', 'কণী পাঁচটা' 'ইংপ্ৰিম হংনি' 'বেজী দুডাল', কাকত পাকনি' 'কাগজ দুখিলা', 'প্ৰি ফ্লাকনি' বেঁত দুচঁতা', লেক ছাংথম 'তিনিডাল মণি', লুন জিৰথম 'তিনিশাৰী গীত' ইত্যাদি।

অসমীয়া আৰু কাৰবি ভাষাত বস্তুৰ আকৃতি বা ৰূপ নিৰ্দ্ধাৰণ কৰা শব্দটো সংখ্যা নিৰ্ণায়ক শব্দৰ সৈতে লগ লাগি কেতিয়াবা বিশেষ্য পদটোৰ আগত বহুৱাইও বাক্য গঠন কৰা হয়। এনে ক্ষেত্ৰত কাৰবি ভাষাত বিশেষ্য শব্দৰ আগত আ-প্ৰত্যয় যোগ কৰা হয়। যেনে—

জনফ আফাক	'পাচটা গাহৰি'
জন ক্ৰেহিনি আ-অক	'বাৰটা মাছ'
চমনি আ-মপি	'দুজোপা গছ'
পাক্ চিৰকেপ টাৰি	'নখন কটাৰী'

অসমীয়া ভাষাৰ অনিৰ্দ্দিষ্ট প্ৰত্যয় মান, ছেৰেক, দিয়েক আদি সংযোগৰ দৰে কাৰবি ভাষাতো -পেনাং বাক, -মেনাং আদি অনিৰ্দ্দিষ্ট বাচক প্ৰত্যয়ৰ সংযোগত বস্তুৰ পৰিমাণ নিৰ্ণয় কৰা হয়। যেনে—

কিতাপ মেনাং	'কিছুমান কিতাপ'
লাং মেনাং	'বহুত কিতাপ'
মনিত পেনাং বাক	'জনচেৰেক মানুহ'

কাৰক ঃ

অসমীয়া আৰু কাৰবি দুয়োটা ভাষাতে বিশেষ্য আৰু সৰ্বনাম শব্দ বিলাকৰ ৰূপ কৰা হয়। প্ৰথমা, দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, পঞ্চমী, ষষ্ঠী, সপ্তমী আদি বিভক্তিবোৰ শব্দবিলাকৰ সৈতে সংযোগ কৰা হয়। কাৰক বোৰত বিভক্তিবোৰ সংযোগ কৰি ব্যৱহাৰিক মৰ্ম বিচাৰ কৰা হয়। বিভক্তি সংযুক্ত পদবোৰে সদায় ক্ৰিয়া পদৰ লগত সম্পৰ্ক স্থাপন কৰে তাকে কাৰক বোলা হয়।

দুয়োটা ভাষাতে ছটা কাৰক— কৰ্ত্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান, অধিকৰণ কাৰক পোৱা যায়। সম্বন্ধ বুজাবলৈ যোগ দিয়া বিভক্তিয়ে পোনপটীয়াকৈ ক্ৰিয়াপদৰ

লগত সম্বন্ধ দেখুৱা নাই যদিও দুয়োটা ভাষাতে সম্বন্ধ পদটোক কাৰক বাচক পদৰ শ্ৰেণীত ধৰা হৈছে। অসমীয়া ভাষাত সাধাৰণতে কাৰকৰ সম্পৰ্ক নিৰ্ণয় কৰিবলৈ দুটা উপায় অৱলম্বন কৰা হয়—

(১) শব্দ বিভক্তি প্ৰয়োগৰ দ্বাৰা

(২) শব্দ বিভক্তিৰ পাচত পৰসৰ্গ যোগ কৰি।

কাৰবি ভাষাত বিভিন্ন কাৰক নিৰ্ণয় কৰিবলৈ তিনিটা বিভক্তিহে প্ৰয়োগ কৰে। কৰ্ত্তা, সম্বন্ধ আৰু অধিকৰণ কাৰকত কোনো বিভক্তি ব্যৱহাৰ নহয়। কৰ্ম আৰু নিমিৰ্ত্ত কাৰকত -ফান বিভক্তি আৰু কৰণ অপাদান কাৰকত -পেন বিভক্তি প্ৰয়োগ কৰা হয়। সম্বন্ধ পদ নিৰ্ণয় কৰিবলৈ প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষৰ একবচনৰ ৰূপৰ বাহিৰে বাকী সকলো পুৰুষ বা বচনত কৰ্ম পদটোৰ আগত আ-প্ৰত্যয়াংশ যোগ কৰা হয়। দুয়োটা ভাষাতে শব্দ ৰূপ বিলাক এনেধৰণৰ—

কাৰক	সংখ্যা	একবচন	বিভক্তি চিহ্ন	বহুবচন
কৰ্ত্তা	১মা অসঃ	মই, মানুহে	এ	আমি, মানুহবোৰে
	কাঃ	নে, মনিত		নেতুম, মনিত আহোৰ
কৰ্ম	২য়াঃ অসঃ	মোক, মানুহক	অক, ক	আমাক, মানুহবোৰক
	কাঃ	নেফান, মনিত ফান	ফান, আফান	নেতুম আফান, মনিত আহোৰ আফান।
কৰণ	৩য়া অসঃ	মোৰে, মানুহেৰে	ৰে, এৰে	আমাৰে, মানুহবোৰৰে,
	কাঃ	নেপেন, মনিত পেন	পেন	নেতুম পেন, মনিত আহোৰ পেন।
নিমিত্ত	৪ৰ্থী অসঃ	মোলৈ, মানুহলৈ	লৈ, অলৈ	আমালৈ, মানুহবোৰলৈ
	কাঃ	নে ফান, মনিত ফান,	ফান, আফান	নেতুন আফান, মনিত আহোৰ আফান।
অপাদান		৫মী অ.	মোৰ পৰা, মানুহৰ পৰা	৬ষ্ঠী অৰ, ৰ+ পৰা (পৰসৰ্গ আমাৰ পৰা, মানুহবোৰৰ পৰা
	কা.	নেপেন, মনিত পেন	পেন	নেতুম পেন, মনিত আহোৰ পেন।
সম্বন্ধ	৬ষ্ঠী	অসঃ মোৰ, মানুহৰ	ৰ	আমাৰ, মানুহবোৰৰ।
	কাঃ	নে, মনিত		নেতুম, মনিত আহোৰ।
অধিকৰণ		৭মী অসঃ মোত, মানুহত	অত, ত	তোমাত, মানুহবোৰত
	কাঃ	নে, মনিত		নেতুম, মনিত আহোৰ

বিশেষণ—

অসমীয়া ভাষাৰ বিশেষণ বুজোৱা শব্দ বিলাক হৈছে বগা, ৰঙা, ভাল, বেয়া,

পকা, টেঙা ইত্যাদি। কিন্তু কাৰবি ভাষাত বিশেষণ পদ গঠন কৰোঁতে মূল শব্দৰ আগত কে-কি-কা-প্ৰত্যয় যোগ কৰা হয়। সাধাৰণতে কাৰবিত বিশেষণ পদটো বিশেষ্য পদটোৰ পাচত বহে। যেনে—

পে কেলক	'বগা কাপোৰ'
থাৰে কেমেন	'পকা আম'
ত'মন কাংছাম	'চেঁচা বতাহ'
লাং কাৰ্অম	"কুহুমীয়া পানী"

ক্ৰিয়া পদৰ গঠন ঃ

দুয়োটা ভাষাতে ক্ৰিয়া গঠন প্ৰণালী অতি সাধাৰণ। কালৰ পাৰ্থক্য বুজাবলৈ ধাতুৰ পাচত বিভক্তি যোগ কৰা হয়। একেটা কালৰ ক্ৰিয়াপদৰ বিভিন্ন কাৰ্য্যৰ বিভিন্ন অৱস্থাক দশা (aspect) বোলা হয়। ভাৱ আৰু কাল অনুযায়ী দুয়োটা ভাষাতে ক্ৰিয়াৰ ৰূপ সলনি হয়। অসমীয়া ভাষাত পুৰুষ অনুযায়ী ক্ৰিয়াৰূপ সলনি হয়। কিন্তু কাৰবি ভাষাত পুৰুষ, বচন, লিঙ্গ অনুযায়ী ক্ৰিয়াৰ ৰূপ সলনি হয়।

অসমীয়া ভাষাত তিনিটা কাল আৰু দশা বুজোৱাৰ অৱস্থা আছে। যেনে—

(১) বৰ্তমান কাল (ক) স্বৰূপ বৰ্তমান।

(২) অতীত কাল (ক) পূৰ্ণ ভূত কাল।

(৩) ভৱিষ্যত কাল।

অসমীয়া ভাষাত বৰ্ত্তমান কাল বুজাবলৈ ধাতুৰ লগত ওঁ, অ/আ, এ এই তিনিটা পুৰুষবাচক চিন বা বিভক্তি প্ৰয়োগ কৰা হয়। বৰ্ত্তমান কাল বুজাবলৈ কালসূচক প্ৰত্যয় ব্যৱহাৰ নহয়। যেনে— মই কৰোঁ, তই কৰ/তুমি কৰা/আপুনি কৰে, সি কৰে/তেওঁ কৰে/তই কৰে।

অতীত আৰু ভৱিষ্যত কাল বুজাবলৈ পুৰুষ বাচক বিভক্তি আৰু কালসূচক প্ৰত্যয় যোগ কৰা হয়। যেনে—

অতীত—

ধাতু + দশা + কাল + পুৰুষ

মই কৰিছিলোঁ— কৰ + ই'ছ + ই'ল + ওঁ

তুমি কৰিছিলা— কৰ + ই'ছ + ই'ল + আ

সি কৰিছিলে— কৰ + ই'ছ + এ

ভৱিষ্যত

ধাতু + দশা + কাল + পুৰুষ

মই কৰিম = কৰ + ই'ম + ০ + ০

তুমি কৰিবা = কৰ + ই'ব + ০ + আ

সি কৰিব = কৰ + ই'ব + ০ + ০

কাৰবি ভাষাতো তিনিটা কাল আৰু দশা বুজোৱা বিভিন্ন অৱস্থা পোৱা যায়।

(১) বৰ্ত্তমান কাল — নিত্য বৰ্ত্তমান, পূৰ্ণ বৰ্ত্তমান

(২) অতীত কাল — সাধাৰণ অতীত, সাম্ভাব্য, স্বৰূপ ভূত।

(৩) ভৱিষ্যত কাল — সাধাৰণ ভৱিষ্যত (সময় সাপেক্ষে)

কাল অনুযায়ী ক্ৰিয়া ৰূপত যোগ হোৱা বিভক্তিবোৰৰ এখন তালিকাতলত দিয়া হ'ল—

কাল+দশা	প্ৰথম পুৰুষ	দ্বিতীয় পুৰুষ	তৃতীয় পুৰুষ
নিত্য বৰ্ত্তমান নে + লি	-০ ইক (সম্মানসূচক)	-০ ইক	-০ ইক
স্বৰূপ বৰ্ত্তমান	কে -ল' বম -ল' বম -লাং	কে -ল' বম -ল' বম-লাং	কে -ল' বম -ল' বম -লাং
পূৰ্ণ বৰ্ত্তমান	ইক -এত -ল' তাং ল'	ইক -এত -ল' তাং ল'	ইক -এত -ল' তাং ল'
অতীত	ল'	ল'	ল'
সম্ভাব্য ভৱিষ্যত	আপাত ল' জি আপাত ল' জি	আপাত ল' জি আপাত ল' জি জি	আপাত ল' জি আপাত ল'
ভৱিষ্যত (সময় সাপেক্ষে)	জি (দেৰিকৈ) প' (সোনকালে	জি প'	জি প'

পাচনি ক্ৰিয়া :

অসমীয়া ভাষাত আনক পাচি কোনো কাম কৰোঁৱা বুজাবলৈ মূখ্য ধাতুৰ পাচত -আ, -ওমা, -উআ আদি প্ৰত্যয় যোগ কৰি পাচনি ক্ৰিয়া ৰূপ গঠন কৰা হয়। যেনে?

—মাঃ/পহ + আ = পঢ়া
/কৰ + আ = কৰা
—ওআঃ / কৰ + ওআ = কৰোৱা
—উআঃ / কান্দ + উআ = কন্দুৱা
/নাচ +উআ = নচুৱা

কাৰবি ভাষাতো পাঁচনি অৰ্থত মূল ক্ৰিয়াৰূপৰ আগত পা-, পি-, পে- প্ৰত্যয় যোগ কৰা হয়। পা- প্ৰত্যয়ৰ সংযোগত ক্ৰিয়া মূল ৰূপৰ আদি অক্ষৰ লোপ পায়। যেনে—

পা— পা+ আৰকক = পাৰকক 'ঠাই সৰোৱাওঁ'
পা + ইংছিপ = পাংছিপ 'সোহোঁৱাওঁ
পা + ক্ৰেম = পাক্ৰেম 'কাম কৰোৱা'
পে— পে+ চ' = পেচ 'খুৱাওঁ'
পে + লুম = পেলুম 'গোৱাওঁ'
পি- পি + থি = পিথি 'মৰোৱাওঁ'
পি + ৰইদেত্ = পিৰইদেত্ 'ধ্বংস কৰাওঁ'

নঞর্থক বাচক প্ৰত্যয় ঃ

দুয়োটা ভাষাতে ইতিবাচক, নেতিবাচক আদি বুজাবলৈ কিছুমান শব্দ প্ৰয়োগ কৰা হয়। যেনে– অস ঃ আছে, কা ঃ 'দ'; অস ঃ হয়, কাঃ কালাং; অস. নাই, কা. 'আৰে'; অস. নহয়, কা. কালি।

মোৰ পইচা আছে	নে ৰেদেং পইচা দ'।
মোৰ পইচা নাই	নে ৰেদেং পাইচা আৰে।
এইটো মোৰ ছাতি (হয়)	লা নে নুদেং কালাং।
এইটো মোৰ ছাতি নহয়	লা নে নুদেং কালি।

তদুপৰি দুয়োটা ভাষাতে নঞর্থবাচক প্ৰত্যয় যোগ কৰা হয়। অসমীয়াত 'ন-প্ৰত্যয় যোগ সদায় ক্ৰিয়া ৰূপৰ আগত যোগ হয় আৰু ধাতুটোৰ প্ৰথম স্বৰধ্বনি অনুযায়ী 'ন'- স্বৰধ্বনি পৰিবৰ্ত্তন হয়। যেনে–

ন- খা- ওঁ = নাখাওঁ।
ন- শুন- ওঁ = নুশুনোঁ।
ন- দি + ওঁ = নিদিওঁ।

কাৰবি ভাষাতো -এ আৰু -ৰি প্ৰত্যয় ক্ৰিয়া ৰূপৰ পাচতহে যোগ কৰা হয়। -এ প্ৰত্যয় যোগ হোৱা পাচত ক্ৰিয়াৰূপ আদি বৰ্ণটো পুনৰ প্ৰত্যয়টোৰ লগত যোগ হয়। যেনে–

-এ	ক্লেম 'কৰা	ক্লেম - ক্লে -এ	= ক্লেমক্লে 'নকৰা'
	দাম 'যোৱা'	দাম -দ -এ =	দামদে 'নোযোৱা
	ই 'পিন্ধা'	ইএ	'নিপিন্ধা'
	এ 'চোৱা	এএ	'নোচোৱা'
-ৰি	ক্লেম 'কৰা'	ক্লেমৰি	'নকৰা'
	জুন 'পিখোৱা	জুনৰি 'পি নোখোৱা'	

দুয়োটা ভাষাতে প্ৰশ্নবোধক শব্দ প্ৰয়োগ কৰি প্ৰশ্ন কৰা হয়। অসমীয়া ভাষাত নেকি, নে, কাৰবিত 'মা' যোগ কৰি কৰা হয়। যেনে–

চাহ খাবা নেকি?	ছা জুনজি মা?
গাওঁবুঢ়াজন আছেনে?	কাং বুঢ়া আবাং দ'মা?

কোন 'ক'মাত', কিমান 'ক' আন', কোনফালে 'ক'পু', কি 'ক'পি', ক'ত 'ক'দাত', আদি অসমীয়া আৰু কাৰবি ভাষাত প্ৰশ্নবোধক শব্দ ব্যৱহাৰ কৰা হয়। যেনে–

তোমাৰ নাম কি?	নাংলি মেন ক'পি ল'?
তোমাৰ গাওঁ কোনখন?	নাংলি ৰং ক'মাত ল'?

অসমীয়া আৰু কাৰবি ভাষাৰ বাক্যতত্ত্বৰ, পৰিসৰ অতি বিস্তৃত। দুয়োটা ভাষাতে অৰ্থ অনুসৰি ইতিবাচক, নেতিবাচক, প্ৰশ্নবোধক, আদেশসূচক, ভাৱবোধক আদি বাক্য পোৱা যায় আৰু গঠনৰ ফালৰ পৰাও উদ্দেশ্য-বিধেয়, সৰল, যৌগিক, জটিল আদি বাক্য পোৱা যায়। যেনে–

ইতিবাচক– মই মাছ খাওঁ – নে অক চ'।
নেতিবাচক– মই ভয় নকৰোঁ – নে ফে ৰে ৰে।

প্ৰশ্নবোধক—	ইয়াত স্কুল আছেনে?	—	লাদাক স্কুল দ'মা?
আদেশসূচক—	তুমি ইয়ালৈ আহাঁ	—	নাংলি ৱাং ইক থা।
ভাববোধক—	হায়! ল'ৰাটো পানী পৰিল	—	মাই! অ'ছ' জাংমত ল'।
সৰল—	মই ভাত খালোঁ	—	নে আন চ'ল।
যৌগিক—	ভাত খাই উঠি মই যাম	—	নে আন চ'দেতপেন ৱাৱল'।
জটিল—	যদি তুমি অহা মই বজাৰলৈ যাব পাৰিম	—	নাং ৱাং আছন্তে নে বজাৰ দামলংজি।

শব্দগত :

অসমীয়া ভাষীসকলৰ লগত ভৈয়ামবাসী কাৰবি সকলৰ দীঘদিনীয়া সম্পৰ্কৰ ফলস্বৰূপে দুয়োটা ভাষাৰে শব্দ উভয়তে সোমাই পৰিছে। ফলত দুয়োটা ভাষাতে অসংখ্য শব্দৰ সাদৃশ্য দেখা যায়। কালিৰাম মেধিয়ে তেওঁৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' নাম গ্ৰন্থত কিছুমান ঠাইৰ নাম আৰু নদীৰ নাম বুজোৱা শব্দ কাৰবি ভাষাৰ পৰা অসমীয়ালৈ আহিছে বুলি উল্লেখ কৰিছে।৮ উদাহৰণস্বৰূপে— কলং, কপিলী, কাকডোঙা, লামডিং, লংণিত, লংচলিএত, লংলে, লংৰি, লাংছিন, আমতং, বৈঠালাচু, হামৰেন, হাওৰাঘাট, লংকা, ডকমকা, ৰংখা ইত্যাদি। লাংমানে কাৰবি ভাষাত পানী বুজায়। ৰং মানে কাৰবি ভাষাত গাওঁ। কাৰবি লোকসকলে বাস কৰা গাঁৱৰ নাম শাক-পাচলি, ফলমূল, পশুপক্ষী, জান-জুৰি বুজোৱা কাৰবি শব্দেৰে ৰখা হয়। যেনে— লফাৰ, বেংআৰং, জাংফাং, আৰং, ৰংবং পথাৰ, ৰংহাং, তেৰণগাওঁ, তেৰাংগাওঁ, দিলিচাং, টেংকেৰালাচং, বৈঠালাংচু, ছাৰপে আৰং, উমচেৰা ইত্যাদি। তদুপৰি চিলনীজান, বোকাজান, চুঙাজান, সৰিয়হজান, বালিজান আদি 'জান' লগলগাই সৃষ্টি কৰা কাৰবি গাওঁৰ নাম সম্ভৱতঃ অসমীয়া লোকে দিয়া।

দৈনন্দিন জীৱনৰ ব্যৱহাৰ হোৱা বহুতো অসমীয়া শব্দ কাৰবি ভাষাত সোমাই পৰিছে। এই শব্দবিলাক কাৰবিসকলে ব্যৱহাৰ কৰোঁতে নিজা উচ্চাৰণঙ গঢ় দিছে। ফলত ধ্বনি পৰিবৰ্ত্তন হোৱা দেখা যায়। যেনে— অ'চা (ওজা, আঙ্কুৰ), বাতা (বতা), তকিন (টোকোন), তাকেৰী (তাকুৰী), বিদি (বুদ্ধি),ৰাইক (ৰাক্ষস), থিৰ (স্থিৰ), নকছা (নক্সা) ইত্যাদি। কাৰবি ভাষাত /গ, ঘ, ধ/ এই কেইটা ধ্বনিৰ উচ্চাৰণ নহয়। অসমীয়া ভাষাৰ পৰা শব্দবিলাকত এই ধ্বনি কেইটা পৰিবৰ্ত্তন হৈছে। যেনে— গ > ক, ঘ > ক, খ; ধ > দ; ভ > প, বচ গৰা > কৰা; গাধ > কাদ; গুৰু > কুৰু; বগৰী > বকৰী; ঘৰ > কহৰ; ঘঁড়ী > কৰী; ঘণ্টা > খণ্টা; ধন > দহন; ৰভা > ৰবা; লাভ > লাপ ইত্যাদি। অসমীয়া ভাষাৰ শেষত 'ল' ধ্বনি যুক্ত শব্দ বিলাকত কাৰবিত 'ল' ঠাইত 'ই' ব্যৱহাৰ হয়। যেনে— কপাল > কপাই, নাৰিকল > নাৰিকই, নাঙল > নাঙই, পিতল > পিতই ইত্যাদি। উষ্ম ধ্বনি /শ, ষ, স/ ধ্বনি যুক্ত শব্দ বিলাক কাৰবিত 'হ' লৈ পৰিবৰ্ত্তন হৈছে। যেনে— সুমথিৰা > হমচিৰা, সমান > হমান, শাৰী > হাৰি, শত্ৰু > হতুৰ ইত্যাদি। অসমীয়া শব্দ কিছুমান কাৰবি ভাষাত ব্যৱহাৰ কৰোঁতে শব্দৰ আগত 'আ' - যোগ কৰা দেখা যায়। যেনে— থগ > আথগ, দান > আদান, যুগ > আযুগ, দিন > আদি, ধৰম > আধৰম ইত্যাদি। কাবৰি ভাষাত

বহু বিদেশী ভাষাৰ শব্দও ব্যবহাৰ হোৱা দেখা যায়। এই বিদেশী ভাষাৰ শব্দবোৰ অসমীয়া ভাষাৰ মাজেদিই কাৰবি ভাষালৈ অহাৰ অুমান কৰিব পাৰি। বঙলাৰ পৰা বৰফ, জেলেপী, ময়দা, হিন্দীৰ পৰা কাকতৱালা, থয়লা, হাইজা, ৰপটিৱালা, ইংৰাজীৰ পৰা কাপপ্লেট, কাৰপেট, জিব্ৰা (জেব্ৰা), কিলাত (গিলাচ), কুদাম (গুদাম, স্কুল (স্কুল), ইংৰাজী, পাৰ্চি- আৰবীৰ পৰা আইন, আদালত, উকিল, কলম, খাজানা, দলিল, দোৱাত, দুকান (দোকান), জিলা, মেপ, পাইজামা, হকিম, হিচাব ইত্যাদি। চীনা ভাষাৰ পৰা চা (চাহ), চিনি (চেনি), বাদাম, পৰ্তুগীজৰ পৰা আলমাৰী, কফি, কামিজ, চাবুন (চাবোন), চাবি, ফিতা, বুটাম ইত্যাদি। এই বিদেশী শব্দবিলাক অসমীয়া আৰু কাৰবি দুয়োটা ভাষাতে প্ৰায় একেদৰে ব্যৱহাৰ হয়। এই বিলাকৰ উপৰিও দুয়োটা ভাষাত নিজা কিছুমান শব্দ আছে।

ভাষা-সংস্কৃতিৰ বিচাৰ-বিশ্লেষণত অসমীয়া ভাষা-সংস্কৃতি আৰু জনজাতীয় ভাষা-সংস্কৃতি সমূহৰ মাজত প্ৰভেদ বিচাৰি উলিওৱাত যথেষ্ঠ অসুবিধা হয়। জাতিগত আৰু ভাষাগত ভাৱে কাৰবি আৰু অসমীয়া দুয়োটা ভাষাই সুকীয়া সুকীয়া যদিও দীৰ্ঘদিনীয়া সম্পৰ্কৰ বাবেই উভয়ৰে মাত কথা উভয়তে মিলি যাবলৈ বাধ্য হৈছে। দুয়োটা ভাষাৰ মাজত থকা ভাষাগত উপাদান সমূহৰ মিল অমিল বিচাৰ কৰি অধ্যয়নৰ যোগেদি পোহৰলৈ আনিলেহে অসমীয়া ভাষী আৰু কাৰবি ভাষী উভয়ে উপকৃত হ'ব আৰু দুয়োটা ভাষীৰ মাজত সমন্বয় আৰু সংগতি স্থাপন কৰাত সহায়ক হ'ব।

প্ৰসঙ্গ :

১। ডঃ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী : অসম দেশৰ ভাষা (প্ৰবন্ধ) : নতুন দিন (১ম বছৰৰ ১ম সংখ্যা আগষ্ট, ১৯৯০ চন)।
২। ডঃ গোলোক চন্দ্ৰ গোস্বামী : অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, পৃ : ২৪
৩। লক্ষ্মী দেৱী : আহোম টাইবেল ৰিলেচন, পৃঃ ১৪৮
৪। ডঃ উপেন্দ্ৰ নাথ গোস্বামী : ভাষা বিজ্ঞান, পৃঃ ৯৫
৫। ৰংবং তেৰাং : কাৰবি লামতাছাম, পৃঃ ১২০
৬। ডঃ ভগৱান মৰল : অসমীয়া ভাষাৰ বৈশিষ্ট্য (প্ৰবন্ধ) অসম সাহিত্য সভা পত্ৰিকা, অষ্টচত্বাৰিংশ বছৰ ১ম সংখ্যা ১৯৯২, পৃ. ৭৯
৭। ডঃ গোলোক চন্দ্ৰ গোস্বামী : প্ৰাগোক্ত, পৃ. ৭৯
৮। কালিৰাম মেধি : অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব, পৃ (iiix)

গ্ৰন্থপঞ্জী :

১. কোৱঁৰ, অৰ্পণা : ভাষা সাহিত্য অধ্যয়ন, ১৯৯৫.
২. গোস্বামী, গোলোক চন্দ্ৰ : অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, ১৯৯৩
৩. গোস্বামী, উপেন্দ্ৰ নাথ : ভাষা বিজ্ঞান, ১৯৭৬
৪. ঐ : অসমীয়া ব্যাকৰণ, ১৯৮১।
৫. তেৰাং ৰংবং : কাৰবি লামতাছাম, ১৯৭৪।
৬. ঐ : কাৰবি অসমীয়া পাঠ, ১৯৮০।
৭. তেৰাং ৰংবং : কাৰবি লামকুক, ১৯৬৭।
তেৰণ লংকাম
৮. মেধি কালিৰাম : অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব, ১৯৩৬।

ইংৰাজী :

৯. Kakati, Banikanta : Assamese : Its Formation and Development, 1962
১০. Goswami, S.N. : Studies in Sino-Tibetan Llanguage, 1988.
১১. Jeypoul, V.V. : Karbi Grammar, 1967
১২. Devi, L. : Ahom Tribal Relation, 1968.

বৈদিক ভাষা

বৈদিক ভাষাৰ ব্যুৎপত্তি — এক পৰ্য্যালোচনা

ড° নলিনীদেৱী মিশ্ৰ

মন্ত্ৰ আৰু ব্ৰাহ্মণক একেলগে বেদ বোলে। ভাৰতীয় পৰম্পৰাত প্ৰাচীন কালৰ পৰা ঋক, সাম, যজু আৰু অথৰ্ব নামৰ চাৰিখন সংহিতা আৰু ইয়াৰ অন্তৰ্গত ঐতৰেয়, ছান্দোগ্য, শতপথ, গোপথ, তৈত্তিৰীয় প্ৰভৃতি ব্ৰাহ্মণ সাহিত্য পোৱা যায়। মন্ত্ৰ বা সংহিতা বুলিলে বেদৰ সূক্ত, স্তব, স্তুতি, আশীৰ্বচন প্ৰভৃতিক বুজায়। এই মন্ত্ৰৰ বিবিধ আলোচনা, বিবিধ যাগযজ্ঞৰ প্ৰক্ৰিয়াৰ বিৱৰণ প্ৰভৃতি ব্ৰাহ্মণ গ্ৰন্থত প্ৰত্যক্ষ হয়। ভাৰতীয় সংস্কৃতিৰ কীৰ্তিস্তম্ভস্বৰূপ এই সাহিত্যই বিশ্ব সাহিত্যৰ দৰবাৰত যথেষ্ট সমাদৰ লাভ কৰিছে।

বৈদিক সাহিত্যত ব্যৱহৃত হোৱা ভাষাই বৈদিক ভাষা। এই ভাষা সংস্কৃত ভাষাৰ পূৰ্ববৰ্ত্তী এক অতি চহকী ভাষাৰূপে বিদ্বৎ সমাজত স্বীকৃতি লাভ কৰিছে। ঋগ্বেদত উল্লেখ আছে যে দেৱতাসকলে এই ভাষাৰ সৃষ্টি কৰিছিল।[১] এই ভাষা ছন্দাত্মক ভাষাৰূপেও সুপ্ৰসিদ্ধ। ধৰ্মক সাক্ষাৎ দৰ্শন কৰা ঋষিসকলৰ মুখৰপৰা নিৰ্গত হৈছিল ঋগ্বেদাদি শাস্ত্ৰৰ ভাষা। সেয়েহে এই ভাষা ঋষিসকলৰ ভাষাৰূপে বিবেচিত হৈছিল আৰু এই ভাষাৰ প্ৰয়োগক আৰ্য প্ৰয়োগ বোলা হৈছিল। ভাষাতত্ত্ববিদসকলে প্ৰাচীন ইণ্ডো-ইৰাণীয় ভাষাৰ সৈতে এই ভাষাৰ সামঞ্জস্য থকা বুলি মন্তব্য কৰিছে। প্ৰখ্যাত প্ৰাচ্যতত্ত্ববিদ পণ্ডিত এম্. ভিণ্টাৰনিৎসে[২] এই ভাষা সম্বন্ধে এইদৰে স্বকীয় মত প্ৰকাশ কৰিছে— ‘ ‘সংকীৰ্ণাৰ্থত প্ৰাচীন ভাৰতীয় সাহিত্যৰ ভাষাক, বেদৰ গানসমূহক, প্ৰাৰ্থনা আৰু যাদুমন্ত্ৰৰ ভাষাক কেতিয়াবা ‘প্ৰাচীন ভাৰতীয় ভাষা’ আৰু কেতিয়াবা ‘বৈদিক ভাষা’ বুলি অভিহিত কৰা হয়। সম্ভৱতঃ এই ভাষাৰ আটাইতকৈ উৎকৃষ্ট নাম হৈছে ‘ভাৰতীয় উচ্চ ভাষা’। এই ভাষা এপিনে যেনেকৈ কথিত অপভ্ৰংশ ভাষাৰ ওপৰত প্ৰতিষ্ঠিত আছিল আনপিনে এই ভাষা জনগণৰ প্ৰিয়ও নাছিল। এই ভাষা আছিল পুৰোহিত শ্ৰেণীৰ মাজত এটা যুগৰ পৰা আন এটা যুগলৈ প্ৰেৰিত হোৱা এক সাহিত্য বিষয়ক ভাষা আৰু ইচ্ছাপূৰ্বকভাৱে আৰ্যপ্ৰয়োগৰ দ্বাৰা এই ভাষাৰ সংৰক্ষণ কৰা হৈছিল।”

ভাষা শব্দটো সংস্কৃত ‘ভাষ্’ ধাতুৰ পৰা আহিছে। এই ধাতুৰ অৰ্থ হৈছে ‘কথা কোৱা’। ভাষ্ ধাতুৰ সৈতে ‘অ’ প্ৰত্যয় লগলগাই ভাষা শব্দৰ উৎপত্তি হৈছে। এই শব্দই ব্যক্তবাণীক বুজায়। ভাষ্ ধাতুৰপৰা এইদৰে ভাষা শব্দৰ উৎপত্তি হোৱাকে ভাষা শব্দৰ ব্যুৎপত্তি বোলা হয়। ব্যুৎপত্তি আৰু নিৰ্বচন দুটা সমাৰ্থক শব্দ।

ধৰ্ম আৰু ব্ৰহ্মতত্ত্ব প্ৰতিপাদক বৈদিক ভাষাৰ বিভিন্ন বৈশিষ্ট্য উপলব্ধি কৰি বৈদিক ঋষি আৰু মনীষীসকলে প্ৰাচীন কালৰ পৰাই এই ভাষাৰ ব্যুৎপত্তি

সম্পৰ্কত বিশেষ যত্ন লোৱা পৰিলক্ষিত হয়। ব্যুৎপত্তিকৰণৰ এনে যত্ন গ্ৰীক ভাষাতো প্ৰত্যক্ষ হয়। গ্ৰীচ দেশত প্ৰথমতে ভাষাৰ ব্যুৎপত্তিকৰণক দৰ্শনৰ এক বিষয় হিচাপে ধৰা হৈছিল। অৱশ্যে পিছলৈ ই এটা তুলনামূলক ভাষা অধ্যয়নৰ অন্তৰ্গত এক বিষয়লৈ ৰূপান্তৰিত হয়।

বৈদিক ভাষাৰ সমান্তৰালভাৱে যে লৌকিক ভাষাৰো প্ৰচলন আছিল সেয়া নিৰুক্ত গ্ৰন্থৰ[৩] লেখক পণ্ডিত যাস্কই একাধিকবাৰ উল্লেখ কৰিছে। বৈদিক ভাষাৰ ব্যুৎপত্তিৰ প্ৰথম নিদৰ্শন ব্ৰাহ্মণ গ্ৰন্থত পোৱা যায়। জৈমিনীসূত্ৰৰ ভাষ্যকাৰ প্ৰসিদ্ধ আচাৰ্য শাবৰে স্পষ্টভাৱে প্ৰকাশ কৰে যে ব্ৰাহ্মণ সাহিত্যৰ বিভিন্ন বিষয়ৰ ভিতৰত নিৰ্বচন বা ব্যুৎপত্তিও এক অন্য বিষয় আছিল। আচাৰ্য্য শাবৰৰ[৪] এনে উক্তিয়ে ব্ৰাহ্মণ গ্ৰন্থৰ ৰচনা কালৰ পৰাই নিৰ্বচনে সাহিত্যৰ বিষয়ৰূপে স্বীকৃতি লাভ কৰা সূচায়। বৈদিক যুগৰ শেষৰ পিনে যিবোৰ উপনিষদ সাহিত্য বিৰচিত হৈছিল সেইসমূহ এই বিষয়টোৱে বিশেষ প্ৰসাৰ লাভ কৰিব পৰা নাছিল। কেৱল বেদ ব্যাখ্যা কৰাৰ যি পৰম্পৰাগত বিভিন্ন শাখা আছিল সেই শাখাবোৰৰ প্ৰচাৰৰ আৰু বেদ ব্যাখ্যাকাৰসকলৰ হাতত পৰিহে ব্যুৎপত্তি নামৰ বিষয়টোৱে যথেষ্ট প্ৰসিদ্ধি লাভ কৰে। মহৰ্ষি যাস্কই তেওঁৰ নিৰুক্ত নামৰ গ্ৰন্থত এনে বহু প্ৰাচীন বেদৰ ব্যাখ্যাকাৰৰ আৰু আচাৰ্য্যৰ নাম উল্লেখ কৰে। সেইসকলৰ ভিতৰত কৌৎস, ঔৰ্ণবাভ, ঔদুম্বৰায়ণ, শাকটায়ণ আৰু শাকপূণিৰ নাম উল্লেখযোগ্য। এইসকল আচাৰ্য্যৰ বিভিন্ন মতক যাস্কই কেতিয়াবা খণ্ডণ কৰা আৰু কেতিয়াবা সমৰ্থন কৰা দেখা যায়।

ব্ৰাহ্মণ গ্ৰন্থত পৰিদৃষ্ট হোৱা বৈদিক শব্দৰ ব্যুৎপত্তিসমূহ যথেষ্ট সৰল আছিল। ঐতৰেয় ব্ৰাহ্মণত 'তানূনপপ্ত্ৰ' শব্দৰ ব্যুৎপত্তি কৰিবলৈ গৈ লেখক মহীদাস ঐতৰেয়ই এইদৰে মন্তব্য কৰিছে[৫], 'যিহেতু ৰজা বৰুণৰ ঘৰত পুত্ৰাদি শৰীৰ থৈ আজ্য বা ঘি স্পৰ্শ কৰি কৰ্মৰ শপথ লোৱা হয়, সেয়েহে সেই কৰ্মানুষ্ঠানক 'তানূনপপ্ত্ৰ বোলা হয়।' শৰীৰ ৰক্ষা কৰি যজ্ঞানুষ্ঠান সম্পাদিত হোৱা বাবে যজ্ঞৰ এনে নাম হবলৈ পালে।

'পুৰোডাশ'[৬] নামৰ শব্দৰ ব্যাখ্যা প্ৰসঙ্গত এইখন গ্ৰন্থতেই কোৱা হৈছে যে দেৱতাসকলে সোমৰূপ আহুতি সৃষ্টি কৰাৰ আগতেই এইবিধ আহুতিৰ সৃষ্টি কৰিছিল। সেয়ে ই 'পুৰোডাশ' নামেৰে প্ৰসিদ্ধ হ'ল। 'আজ্য'[৭] নামৰ আন এটা শব্দৰ উৎপত্তি দেখুৱাবলৈ গৈ লেখক মহীদাস ঐতৰেয়ই সুন্দৰভাৱে প্ৰকাশ কৰিছে যে দেৱতাসকলে আজ্য নামৰ শস্ত্ৰৰ (স্তোত্ৰৰ) দ্বাৰা জয়লাভ কৰি ৰাতিপুৱা অনুষ্ঠিত হোৱা সোমাভিষক যাগত অংশগ্ৰহণ কৰিছিল। যিহেতু দেৱতাসকলে আজ্য নামৰ শস্ত্ৰৰ দ্বাৰা জয়লাভ কৰিছিল আৰু তাৰপিছত সোমাভিষৱ যাগলৈ আহিছিল সেয়ে সেই শস্ত্ৰৰ নামৰ আজ্য ৰখা হৈছিল। শতপথ ব্ৰাহ্মণতো বৈদিক শব্দৰ ব্যুৎপত্তি সৰ্বত্ৰ পৰিলক্ষিত হয়। উক্ত গ্ৰন্থত পৰিদৃষ্ট হোৱা শব্দৰ ব্যুৎপত্তিসমূহৰ ভিতৰত নিম্নোক্ত ব্যুৎপত্তিকৰণ মনকৰিবলগীয়া। 'অয়ং[৮] বৈ পৱিত্ৰং যো হয়ং পৱতে' অৰ্থাৎ এয়ে সেই পৱিত্ৰ ৰিয়ে শুদ্ধ কৰে। শুদ্ধ কৰা অৰ্থ প্ৰকাশক 'পূ' ধাতুৰ পৰা পৱিত্ৰ শব্দৰ ব্যুৎপত্তি প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ উপৰি "স যদিদং সৰ্বং বৃত্বা শিশ্যে তস্মাদ্

বৃত্রো নাম।" অর্থাৎ সকলো আবৰি শুইছিল বাবেই বৃত্ৰৰ তেনে নাম ৰখা হৈছিল বুলি একেখন ব্ৰাহ্মণ গ্ৰন্থত বৰ্ণিত আছে। ইয়াত অৰ্থ প্ৰকাশক 'বৃ' ধাতুৰপৰা বৃত্ৰ শব্দটোৰ ব্যুৎপত্তি দেখুওৱা হৈছে।

ব্ৰাহ্মণ গ্ৰন্থত পৰিদৃষ্ট হোৱা শব্দৰ এনেধৰণৰ ব্যুৎপত্তিসমূহৰ পৰা বুজা যায় যে ব্ৰাহ্মণকাৰসকলে অতি সহজ-সৰলভাৱে শব্দৰ ব্যুৎপত্তিৰ যত্ন কৰিছিল। ব্ৰাহ্মণ গ্ৰন্থসমূহত বৈদিক শব্দৰ ব্যাখ্যা কৰাটো ব্ৰাহ্মণকাৰসকলৰ এটা নিয়মত পৰিণত হৈছিল বুলি ক'লেও অত্যুক্তি কৰা নহয়। সাধাৰণতে ক্ৰিয়াপদৰ অৰ্থৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই শাস্ত্ৰৰ নিৰ্বচন কৰা হৈছিল বুলি অনুমান কৰা যায়।

ইণ্ডো-ইৰাণীয় ভাষাসমূহৰ ভিতৰত সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন স্বৰূপ ঋগ্বেদত নিৰ্বচন শব্দৰ উল্লেখ প্ৰত্যক্ষ নহয়। অৱশ্যে এই বেদত নিবচনা[৯] আৰু নিবচনম্[১০] নামৰ দুটা শব্দৰ উল্লেখ আছে। বেদভাষ্যকাৰ আচাৰ্য্য সায়নে উপৰোক্ত শব্দ দুটাৰ ব্যাখ্যা প্ৰসঙ্গত মন্তব্য কৰিছে যে নিবচনা মানে সম্পূৰ্ণকৈ ক'বলগীয়া আৰু নিবচনম্ মানে স্তুতিযোগ্য হোৱা। 'নিৰ্'পূৰ্বক 'বচ্' ধাতুৰ লগত ভাৱবাচ্যত 'অনট্' প্ৰত্যয় যোগহৈ নিৰ্বচন শব্দটো গঠিত হৈছে। এই শব্দই সম্পূৰ্ণভাৱে অৰ্থ প্ৰকাশ কৰা বুজায়। এই শব্দৰেই কৃদন্তৰূপ 'নিৰুক্তম্'। নিৰ্ পূৰ্বক 'ৱচ' ধাতুৰ লগত 'ক্ত' প্ৰত্যয় যোগ হৈ এই শব্দটো গঠিত হৈছে। বচ্ ধাতুৰ অৰ্থ কথা কোৱা। 'নিৰুক্ত' শব্দৰ প্ৰথম উল্লেখ সামবেদীয়[১১] ছান্দোগ্য উপনিষদত পোৱা যায়। এইখন উপনষদত বৰ্ণিত হৈছে যে "স বা এষ আত্মা হৃদি তস্যৈতদেব নিৰুক্তং হৃদ্যমিতি তস্মাদ্ হৃদয়ম হৰ হৰ্বা। এবং বিৎ স্বৰ্গং লোকমেতি।" অৰ্থাৎ এয়ে সেই আত্মা হৃদয়ত থাকে। এওঁ হৃদয়ত থাকে এইটো ইয়াৰ ব্যুৎপত্তি। এইদৰে হৃদয় শব্দ সিদ্ধ হয়। (সেই) মহান আত্মা হৃদয়ত থকা বুলি যিসকলে জানে তেওঁলোকে সদায় স্বৰ্গলৈ যায়। ঋগ্বেদীয় কৌষীতকি ব্ৰাহ্মণতো উল্লেখ আছে যে যিকোনো কথা উচ্চ স্বৰেৰে কোৱাকে[১২] 'নিৰুক্ত' বোলা হয়। ব্ৰাহ্মণ গ্ৰন্থত সৃষ্টিকৰ্তা প্ৰজাপতিক একাধিকবাৰ অপৰিমিত আৰু অনিৰুক্ত বুলি অভিহিত কৰা[১৩] পৰিলক্ষিত হয়।

অতি প্ৰাচীন কালৰ পৰা ঋষি পৰম্পৰাত বিভিন্ন ধৰণে বেদ ব্যাখ্যা কৰাৰ যত্ন কৰা হৈছিল। বেদত সন্নিৱিষ্ট হৈ থকা বিভিন্ন বিষয়ৰ ব্যাখ্যা কৰাৰ মহান প্ৰয়াসে এক অনন্য সাহিত্যসম্ভাৰৰ জন্ম দিছিল। বেদৰ অৰ্থ বুজি নোপোৱা লোকসকলৰ বাবেই বেদৰ প্ৰসিদ্ধ ব্যাখ্যাকাৰসকলে বিভিন্ন ব্যাখ্যামূলক গ্ৰন্থ প্ৰণয়ন কৰিছিল। বেদৰ ব্যাখ্যামূলক এই মহান সাহিত্যৰাজিক 'বেদাঙ্গ' বোলা হৈছিল। আচাৰ্য্য সায়নে ঋগ্বেদৰ ভাষ্য কৰা সময়ত 'বেদাঙ্গ গ্ৰন্থৰ সৃষ্টি সম্পৰ্কত এইদৰে মন্তব্য কৰে। '[১৪]অতি গম্ভীৰস্য বেদস্যাৰ্থমববোধয়িতুং শিক্ষাদীনি ষড়ঙ্গানি প্ৰবৃত্তানি।' অৰ্থাৎ অতি গম্ভীৰ তত্ত্বপ্ৰতিপাদক বেদৰ অৰ্থ বুজোৱাত শিক্ষা প্ৰভৃতি ছয় বেদাঙ্গ প্ৰবৃত্ত হৈছিল। এইটো স্পষ্ট যে বেদৰ অঙ্গৰূপ এই সাহিত্যই বেদৰ অৰ্থ বুজাত বিশেষভাৱে সহায় কৰে। বেদৰ অৰ্থ প্ৰকাশক এই সাহিত্যৰাজিয়ে সূত্ৰ সাহিত্যৰূপেও বিদ্বৎ সমাজত স্বীকৃতি লাভ কৰিছিল। এই সাহিত্যৰ অন্তৰ্গত ছয়খন বেদাঙ্গ শাস্ত্ৰ যথাক্ৰমে শিক্ষাকল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ। বৈদিক ছন্দময়ী বাক্যৰ সলনি এই সাহিত্যত চুটি বাক্যৰ

প্ৰয়োগ কৰা দেখা যায়। শিক্ষা নামৰ বেদাঙ্গ গ্ৰন্থত বৈদিক ভাষাৰ বৰ্ণ, স্বৰ, মাত্ৰা প্ৰভৃতি বিস্তৃতভাৱে বৰ্ণিত হৈছে। দ্বিতীয় বেদাঙ্গ 'কল্প'ত বৈদিক যাগযজ্ঞৰ বিস্তৃত বৰ্ণনা প্ৰত্যক্ষ হয়। ব্যাকৰণ নামৰ তৃতীয় বেদাঙ্গত বৈদিক তথা সংস্কৃত ভাষাৰ প্ৰকৃতি, প্ৰত্যয়, সন্ধি, সমাস প্ৰভৃতিৰ বিভিন্ন নীতি-নিয়ম বৰ্ণিত হৈছে। নিৰুক্ত নামৰ চতুৰ্থ বেদাঙ্গ গ্ৰন্থত বৈদিক ভাষাৰ ব্যুৎপত্তি প্ৰদৰ্শন কৰা হৈছে। পঞ্চম বেদাঙ্গখন হ'ল ছন্দ। এই বেদাঙ্গ শাস্ত্ৰত বেদৰ ছন্দ বিষয়ক নানান আলোচনা পোৱা যায়। জ্যোতিষ নামৰ ষষ্ঠ বেদাঙ্গ শাস্ত্ৰত বেদত নিহিত হৈ থকা জ্যোতিষ বিষয়ক বৰ্ণনা পোৱা যায়।

'নিৰুক্ত' নামৰ চতুৰ্থ বেদাঙ্গৰ একমাত্ৰ উপলভ্য গ্ৰন্থখন হৈছে মহৰ্ষি যাস্ক প্ৰণীত 'নিৰুক্ত' নামৰ গ্ৰন্থ। খৃষ্টপূৰ্ব অষ্টম-সপ্তম শতিকাৰ পণ্ডিত মহৰ্ষি যাস্কই বৈদিক শব্দ ৰাশিৰ ব্যাখ্যা কৰিবলৈ 'নিৰুক্ত' গ্ৰন্থখন প্ৰণয়ন কৰে। গ্ৰন্থৰ আৰম্ভণিতে তেখেতে কয় যে বৈদিক পৰম্পৰাত ইতিমধ্যে সংগৃহীত হৈ থকা শব্দৰাশি তেওঁ তেওঁৰ গ্ৰন্থত পুনৰ[১৫] বিশদভাৱে ব্যাখ্যা কৰিব। আচাৰ্য যাস্কৰ এনে উক্তিয়ে স্পষ্ট কৰি দেখুৱায় যে প্ৰাচীন ভাৰতত বেদৰ বিভিন্ন সম্প্ৰদায়ত নিৰাধাৰ জ্ঞানৰ পূজাৰীসকলে বেদৰ শব্দবোৰ একাদিক্ৰমে সংগ্ৰহ কৰিছিল। বৈদিক ঋষি আৰু আচাৰ্যসকলৰ আশাশুধীয়া চেষ্টাৰ ফলত বৈদিক 'শব্দকোষ'ৰ সৃষ্টি হৈছিল। এনে এখন শব্দকোষ আছিল 'সমাম্নায়'। বেদৰ প্ৰসিদ্ধ ভাষ্যকাৰ স্কন্দস্বামীয়ে মন্তব্য কৰে যে গো শব্দেৰে আৰম্ভ হৈ দেৱ-পত্নী শব্দেৰে শেষ হোৱা যি বৈদিক শব্দৰে সংগ্ৰহ সেয়ে সমাম্নায়। পণ্ডিত যাস্কই সমাম্নায়ক নিঘণ্টু বুলিও জনা যায় বুলি নিৰুক্ত গ্ৰন্থত উল্লেখ কৰে।[১৬] চতুৰ্বেদ ভাষ্যকাৰ মনীষী সায়নে ভাৰতীয় পৰম্পৰাত দশখন নিঘণ্টু গ্ৰন্থ থকাৰ উল্লেখ কৰিছে।[১৭] ভাৰতীয় শব্দকোষৰ ভঁৰাল স্বৰূপ নিঘণ্টু গ্ৰন্থ পঞ্চাধ্যায় সম্বলিত আছিল। এইখন নিঘণ্টু গ্ৰন্থৰ প্ৰণেতা মহামুনি কশ্যপ আছিল বুলি জনা যায়। ইয়াত প্ৰধানভাৱে বেদৰ একাৰ্থবাচক, দ্ব্যৰ্থবাচক আৰু দেৱতাবিষয়ক শব্দৰাশি একাদিক্ৰমে উল্লিখিত হৈছে। কোনো কোনো পণ্ডিতে নিঘণ্টু গ্ৰন্থত উল্লিখিত হোৱা বৈদিক শব্দৰ সংখ্যা ১৭৬৫টা বুলি মন্তব্য কৰে। সেই শব্দবোৰৰ মাত্ৰ ৩৫০টা শব্দহে আচাৰ্য্য যাস্কই ব্যাখ্যা কৰে। নিৰুক্ত গ্ৰন্থত উক্ত তিনিবিধ শব্দৰ আধাৰত তিনিটা প্ৰকৰণ সন্নিৱিষ্ট কৰা হৈছে আৰু একাদিক্ৰমে সেই শব্দৰাশিৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। 'নিৰুক্ত' শব্দৰ ব্যাখ্যা কৰি আচাৰ্য্য সায়ণে কয় যে য'ত শব্দৰাশি অৰ্থ প্ৰকাশ কৰাত নিৰপেক্ষভাৱে উক্ত হৈছে সেয়ে নিৰুক্ত। নিৰুক্ত গ্ৰন্থৰ ভাষ্যকাৰ পণ্ডিত দুৰ্গই উক্ত পদটোৰ ব্যাখ্যা প্ৰসঙ্গত এইদৰে কয়, বেদৰ মন্ত্ৰৰ ভিতৰত নিহিত হৈ থকা অৰ্থক পৰোক্ষভাৱে বা অতিপৰোক্ষভাৱে[১৮] ব্যক্ত কৰাকে নিৰ্বচন (নিৰুক্ত) বোলা হয়। ঋগ্বেদ প্ৰাতিশাখ্য গ্ৰন্থৰ ব্যাখ্যাকাৰ আচাৰ্য্য বিষ্ণুমিত্ৰই নিৰুক্ত শব্দৰ ব্যাখ্যা এনেদৰে আগবঢ়ায়–পদ বিশ্লেষণ, বৈদিকমন্ত্ৰ আৰু বৈদিকদেৱতাৰ অৰ্থ যাৰ দ্বাৰা নিৰূপণ কৰা হয় সেয়ে 'নিৰুক্ত'।[১৯] যদিও আচাৰ্য্য যাস্কই তেওঁৰ গ্ৰন্থত নিৰুক্ত শব্দৰ উল্লেখ কৰা নাই তথাপিও তেওঁ তেওঁৰ গ্ৰন্থৰ দ্বিতীয় অধ্যায়ৰ আৰম্ভণিতে 'অথ নিৰ্বচনম্' বুলি কৈ বৈদিক শব্দৰ নিৰ্বচন বা ব্যুৎপত্তিৰ নীতি নিৰ্দেশনা একাদিক্ৰমে উল্লেখ কৰিছে।

মহৰ্ষি যাস্কই স্পষ্টভাৱে প্ৰকাশ কৰে যে[২০] যিবোৰ বৈদিক শব্দ উদাত্তাদি স্বৰ আৰু সংস্কাৰযুক্ত হৈ থাকে আৰু যিবোৰ শব্দত ধাতুৰ উল্লেখ থাকে প্ৰকৃততে তেনেবোৰ শব্দৰহে ব্যাখ্যা কৰা যুক্তিসঙ্গত। সংস্কাৰ শব্দই ব্যাকৰণৰ নিয়ম অনুসৰি শব্দৰ পিচত প্ৰকৃতি প্ৰত্যয় যোগ হোৱা বুজায়। এনেবোৰ শব্দ ব্যাকৰণৰ নিয়ম অনুসৰিয়েই ব্যাখ্যা কৰা উচিত। পণ্ডিত যাস্কই জানিছিল যে শব্দ সাধাৰণতে তিনি প্ৰকাৰৰ থাকে। যেনে—প্ৰত্যক্ষক্ৰিয় শব্দ, প্ৰকল্পক্ৰিয় শব্দ আৰু অবিদ্যমানক্ৰিয় শব্দ। যিবোৰ শব্দত ধাতুৰ স্পষ্ট উল্লেখ থাকে তেনেবোৰ শব্দ প্ৰত্যক্ষক্ৰিয়। যেনে—হাৰক, পাচক ইত্যাদি। যিবোৰ শব্দত ধাতুৰ স্পষ্ট উল্লেখ নাথাকে অথচ ব্যাখ্যা কৰাৰ সময়ত ধাতু কল্পনা কৰি লব লগা হয় তেনেবোৰ শব্দক প্ৰকল্পক্ৰি বোলা হয়। যেনে—গো, অশ্ব ইত্যাদি। আনহাতে যিবোৰ শব্দত ধাতু বা ক্ৰিয়াৰ উল্লেখ নাথাকে আৰু সেই ক্ৰিয়া অনুমানো কৰা নাযায় তেনেবোৰ শব্দক অব্যুৎপন্ন শব্দ বা অবিদ্যমানক্ৰিয় বোলা হয়। যেনে—ডিত্থ, ডবিত্থ, অৰবিন্দ প্ৰভৃতি বৈদিক শব্দ। নিৰুক্ত শাস্ত্ৰত প্ৰধানভাৱে প্ৰত্যক্ষক্ৰিয় শব্দবোৰহে ব্যাখ্যা কৰা উচিত বুলি কোৱা হৈছে।[২১] এনেদৰে বৈদিক শব্দৰ ব্যুৎপত্তি কৰোঁতে শব্দ যেতিয়া অৰ্থৰ অনুগামী নহয় তেতিয়া অৰ্থ তৎপৰ হৈ কোনো বৃত্তি বা ভাৱৰ তুল্যতাৰ দ্বাৰা তেনে শব্দৰ ব্যুৎপত্তি কৰাত যত্নপৰ হ'ব লাগে। এনেদৰে[২২] ব্যুৎপত্তি কৰোঁতেও যদি অৰ্থ প্ৰকাশ নহয় তেন্তে স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ মাজত থকা পাৰস্পৰিক সাদৃশ্যৰ দ্বাৰা নিৰ্বচন কৰা উচিত। এনেক্ষেত্ৰত ব্যাকৰণগত নিয়ম অনুসৰি প্ৰকৃতি প্ৰত্যয় বিবেচনা কৰি নিৰ্বচন কৰাৰ প্ৰয়োজনীয়তা নাথাকে। যিহেতু[২৩] শব্দৰ অৰ্থ বিশেষে প্ৰবৃত্তিৰ কাৰণ বহু সেয়ে শব্দ সংশয়াচ্ছন্ন হয়। এনেবোৰ শব্দৰ নিৰ্বচন প্ৰকৃতি প্ৰত্যয়ৰ যোগৰ দ্বাৰা সম্ভৱ নহয়। ইয়াৰ[২৪] উপৰি শব্দৰ ব্যুৎপত্তি প্ৰকাশ কৰিবলৈ হ'লে প্ৰয়োজন অনুসৰি শব্দৰ পিছৰ বিভক্তি সমূহৰো সালসলনি কৰিব পৰা যায়। 'হৃৎসু শোকৈঃ' বাক্যত হৃৎসু শব্দই হৃদয়ানি বুজাইছে। ইয়াত দ্বিতীয়াৰ্থে সপ্তমী বিভক্তিৰ প্ৰয়োগ পৰিলক্ষিত হয়। ইয়াত দ্বিতীয়াৰ্থে সপ্তমী বিভক্তিৰ প্ৰয়োগ পৰিলক্ষিত হয়। কেতিয়াবা শব্দৰ ব্যুৎপত্তিকৰণত ধাতুৰ কেৱল প্ৰথম অংশহে থাকে। 'প্ৰত্তম'[২৫] এটা বৈদিক শব্দ। এই শব্দটো প্ৰদত্তম্ শব্দৰ পৰা প্ৰকাশ পাইছে। প্ৰ পূৰ্বক 'দা' ধাতুৰ পিছত 'ক্ত' প্ৰত্যয় যোগ হৈ গঠিত হোৱা 'প্ৰদত্তম্' শব্দৰ 'দা' ধাতুৰ 'দ'কাৰ 'ত'-কাৰলৈ পৰিবৰ্ত্তিত হয় আৰু প্ৰত্যয় যোগ হোৱাৰ পিছত এই 'ত'কাৰহে থাকে। কেতিয়াবা শব্দৰ ব্যাখ্যা কৰোঁতে ধাতুগত প্ৰথম বৰ্ণৰ লোপ কৰিব লগা হয়। ব্যুৎপত্তিৰ এনে প্ৰণালীক মহৰ্ষি যাস্কই 'আদিলোপ[২৬] আখ্যা দিছে। 'স্ত' নামৰ বৈদিখ পদটি অস্ ধাতুৰ পিছত তস্ বিভক্তি যোগ হৈ সিদ্ধ হৈছে। ইয়াত ধাতুগত আদি বৰ্ণ আকাৰৰ বিলোপ কৰা হৈছে। সেইদৰে[২৭] ক্ৰিয়াৰ অন্ত্যবৰ্ণ আৰু উপধা বৰ্ণ লোপ কৰিও বৈদিক শব্দৰ ব্যাখ্যা কৰিব পৰা যায়। ব্যুৎপত্তি কৰাৰ এনে নিয়মক অন্ত্যলোপ আৰু উপধা লোপ বোলা হয়। এনেদৰে ব্যুৎপন্ন হোৱা বৈদিক শব্দৰ উদাহৰণ হৈছে গত্বা, গতম্, জগ্মুঃ, জগ্মতুঃ প্ৰভৃতি শব্দ। যেতিয়া ধাতুৰ যিকোনো এটা বা দুটা বৰ্ণৰ লোপ কৰি শব্দৰ উৎপত্তি দেখুৱায়লগীয়া হয় তেতিয়া ব্যুৎপত্তিকৰণক

মহৰ্ষি যাস্কই 'বৰ্ণলোপ' আখ্যা দিছে।[২৮] তত্ত্বা, যামি, তৃচ প্ৰভৃতি বৈদিক শব্দ এনেধৰণে গঠিত হৈছে। বৈদিক শব্দৰ ব্যুৎপত্তি প্ৰদৰ্শন কৰিবলৈ যিদৰে ধাতুগত বৰ্ণৰ লোপ কৰিব লগা হয়, ঠিক সেইদৰে ধাতুগত বৰ্ণৰ বিকাৰো কৰিব লগা হয়। বিকাৰ শব্দই এটা বৰ্ণ আন এটালৈ পৰিবৰ্তিত হোৱা বুজায়। নিৰুক্ত গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত এনেদৰে শব্দ ব্যাখ্যা কৰাৰতিনিটা নিয়মৰ উল্লেখ আছে। যথাক্ৰমে[২৯] আদি বিপৰ্য্যয়, আদ্যন্তবিপৰ্য্যয় আৰু অন্তব্যাপত্তি। এনেধৰণে ব্যুৎপন্ন হোৱা বৈদিক শব্দবোৰৰ ভিতৰত জ্যোতিঃ, ঘনঃ, বিন্দুঃ, স্তোকা সিকতা ওঘ প্ৰভৃতি শব্দ উল্লেখযোগ্য। কেতিয়াবা ধাতুগত বৰ্ণৰ আগত বা পিছত অইন বৰ্ণৰ আগম কৰিও বৈদিক শব্দৰ ব্যাখ্যা কৰা হয়। এনে নিয়মৰ নাম 'বৰ্ণোপজন'।[৩০] আস্থৎ দ্বাৰঃ প্ৰভৃতি বৈদিক শব্দ উক্ত নিয়মৰ দ্বাৰা ব্যুৎপন্ন হৈছে। ধাতুৰ মাজত কোনো বৰ্ণৰ ব্যৱধান নোহোৱাকৈ যদি কোনো অন্তঃস্থ বৰ্ণ থাকে তেন্তে তেনে ধাতুৰ পৰা দুই ধৰণে শব্দৰ উৎপত্তি হোৱা দেখুৱাব পৰা যায় বুলি মহৰ্ষি যাস্কই উল্লেখ কৰে।[৩১] এনে এটা ধাতু হৈছে 'যজ্'। 'যজ' ধাতুই যাগ কৰা বুজায়। এই ধাতুৰ পৰা 'যষ্টা' আৰু 'ইষ্ট' নামৰ দুটা শব্দৰ উৎপত্তি হ'ব পাৰে। যদি দেখা যায় যে ব্যাকৰণৰ নিয়ম অনুসৰণ কৰি কোনো শব্দৰ অৰ্থ সাধন কৰা সম্ভৱ হৈ নুঠে তেন্তে সম্প্ৰসাৰণৰূপ প্ৰণালী[৩২] অৱলম্বন কৰি হলেও বৈদিক শব্দৰ নিৰ্বচন কৰিব লাগে। উদাহৰণ স্বৰূপে 'কুচৰ' শব্দৰ উল্লেখ কৰিব পৰা যায়। এই পদৰ অন্তৰ্গত 'উ' বৰ্ণটো সম্প্ৰসাৰণযোগ্য বৰ্ণ। ইয়াৰ সম্প্ৰসাৰিত বৰ্ণ হৈছে 'ব'। 'কুচৰ' শব্দৰ ব্যাখ্যা কৰিলে ক্বায়ং ন চৰতি বুলি ক'লেহে যুক্তিসঙ্গত হয়। সম্প্ৰসাৰণযোগ্য বৰ্ণ সম্বন্ধে এই গৰাকী আচাৰ্যই এইদৰে মন্তব্য কৰে যে সম্প্ৰসাৰণযোগ্য বৰ্ণ থকা ধাতুবোৰৰো কেৱল কিছু সংখ্যকৰহে সম্প্ৰসাৰণগত নিৰ্বচন পৰিলক্ষিত হয়। এনে কেতবোৰ শব্দ হৈছে ঊতিঃ, মৃদুঃ, পৃথুঃ, পৃষতঃ প্ৰভৃতি। বৈদিক কৃদন্ত পদবোৰৰ ব্যুৎপত্তি দেখুৱাবলৈ কেৱল যে বৈদিক ধাতুৰহে প্ৰয়োজন তেনে কোনো নিৰ্দ্দিষ্ট নিয়ম নাই। প্ৰয়োজন সাপেক্ষে বৈদিক শব্দৰ ব্যুৎপত্তি প্ৰকাশ কৰিবলৈ লৌকিক ধাতুৰো সহায় লব পৰা যায়। আচাৰ্য্য যাস্কই উল্লেখ কৰে যে দমুনাঃ আৰু ক্ষেত্ৰসাধ নামৰ বৈদিক শব্দ দুটাৰ ব্যাখ্যা লোক প্ৰসিদ্ধ দম্ আৰু সাধ্ ধাতুৰ পৰা[৩৩] কৰিব পৰা যায়। সেইদৰে প্ৰয়োজন অনুসৰি বৈদিক ধাতুৰ পৰাও লৌকিক শব্দৰ নিৰ্বচন কৰাত কোনো বাধা নাই। উষ্ণং আৰু ঘৃতম্ নামৰ লোক প্ৰসিদ্ধ শব্দ দুটাৰ বৈদিক ধাতু 'উষ্' (দহন) আৰু 'ঘৃ'ৰ পৰা[৩৪] ব্যুৎপন্ন হৈছে। প্ৰয়োজন অনুসৰি বৈদিক শব্দৰ ব্যুৎপত্তি সাধনত ঠাই বিশেষে শব্দৰ প্ৰয়োগ ভিন্ন হোৱাটো লক্ষ্য কৰা যায়। প্ৰসঙ্গক্ৰমে আচাৰ্য্য যাস্কই কোন কোন দেশত ধাতুৰ তিঙন্ত ৰূপৰ প্ৰয়োগ হয় আৰু কোন কোন দেশত ধাতুৰ কৃদন্ত ৰূপৰ প্ৰয়োগ হয় সেয়া উল্লেখ কৰিছে[৩৫]। তেখেতে উল্লেখ কৰে যে বৈদিক 'শৱ' ধাতুৰ তিঙন্ত ৰূপৰ প্ৰয়োগ কম্বোজ নামৰ শীত প্ৰধান দেশত প্ৰত্যক্ষ হয়। এই দেশত 'শৱতি' ক্ৰিয়াই 'গচ্ছতি' অৰ্থাৎ 'যায়' ৰূপ অৰ্থ প্ৰকাশ কৰে। সেই ধাতুৰ কৃদন্তৰূপ 'শৱ' শব্দৰ প্ৰয়োগ আৰ্য্য ভূমিত পৰিদৃষ্ট হয়। এনে[৩৬] আন দুটা শব্দ হৈছে 'দাতি' আৰু 'দাত্ৰম্'। প্ৰাচ্যৰ জনপদসমূহত 'দাতি' নামৰ

তিঙন্ত পদে 'কাটে' ৰূপ অৰ্থ প্ৰকাশ কৰে। কিন্তু উত্তৰ দিশৰ দেশত 'দা' ধাতুৰ কৃদন্ত ৰূপ 'দাত্ৰম্' (কটা যন্ত্ৰ) শব্দৰ প্ৰয়োগ পৰিদৃষ্ট হয়।

পণ্ডিত যাস্কই উপৰুক্ত নিয়মসমূহ অৱলম্বন কৰি বৈদিক কৃদন্ত পদৰ ব্যুৎপত্তিকৰণৰ নিৰ্দেশ দিয়ে। কিন্তু সংস্কৃত ভাষাৰ যিবোৰ তদ্ধিতান্ত আৰু সমাসান্ত পদ সেইবোৰৰ ব্যুৎপত্তি প্ৰদৰ্শন কৰাৰ অইন কেতবোৰ নিয়ম তেওঁ উল্লেখ কৰে। তেখেতে প্ৰকাশ কৰে যে একপদী আৰু বহুপদী তদ্ধিতান্ত আৰু সমাসান্ত শব্দবোৰৰ প্ৰথমতে স্বকীয় অৰ্থ নিৰূপন কৰি পিছত প্ৰতিটো স্বতন্ত্ৰ পদৰ একাদিক্ৰমে ব্যাখ্যা কৰা যুক্তিসঙ্গত। একপদী তদ্ধিতান্ত শব্দৰ উদাহৰণ হৈছে দণ্ড্যঃ। এই শব্দটো ব্যাখ্যা কৰিবলৈ গৈ মহৰ্ষি যাস্কই প্ৰকাশ কৰে যে দন্ড্যঃ পুৰুষ মানে দণ্ডপাবলগীয়া বা দণ্ডৰ দ্বাৰা অভিযুক্ত হোৱা ব্যক্তি। দণ্ড পদটো ধাৰণ কৰা অৰ্থ প্ৰকাশক দদ্ ধাতুৰপৰা ওলাইছে। প্ৰসঙ্গত তেওঁ শব্দটোৰ প্ৰয়োগ থকা লৌকিক বাক্যৰ উল্লেখ কৰে। সেয়া হৈছে 'অক্ৰূৰো দদতে মাণিম্' অৰ্থাৎ ৰজা অক্ৰূৰে মণি ধাৰণ কৰিছিল। ঔপমন্যৰ নামৰ এগৰাকী প্ৰসিদ্ধ আচাৰ্যই উপৰোক্ত পদটো দমনাৰ্থক 'দম্' ধাতুৰ পৰা ওলাইছে বুলি নিজৰ অভিমত প্ৰকাশ কৰে। অথবা গৰ্হিত কাম কৰা হেতুকে দণ্ড পাবলগীয়া অৰ্থতো উপৰোক্ত পদটোৰ ব্যৱহাৰ পৰিলক্ষিত হয়। এইদৰে নিৰুক্ত গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত তদ্বিতান্ত আৰু সমাসান্ত পদৰ ব্যুৎপত্তিকৰণৰ এক সুসংহত আৰু শৃংখলাবদ্ধ প্ৰণালী লিপিবদ্ধ কৰা হৈছে। আচাৰ্য্য যাস্কই প্ৰসঙ্গক্ৰমে মন্তব্য কৰে যে সাধাৰণতে বৈদিক মন্ত্ৰ প্ৰভৃতিত উচ্চাৰিত হোৱা শব্দহে ব্যাখ্যা কৰা উচিত। প্ৰকৰণ বৰ্জিত শব্দৰ উৎপত্তি দেখুওৱা অতি কঠিন কাম। যিবোৰ অব্যুৎপন্ন বৈদিক শব্দ প্ৰত্যক্ষ কৰা যায় সেইবোৰ শব্দৰ ব্যুৎপত্তিগত অৰ্থ অৰ্থ প্ৰকাশ কৰোঁতে বহু ক্ষেত্ৰত শব্দৰ প্ৰাসঙ্গিকতাই ব্যুৎপত্তিকৰণত যথেষ্ট সহায় কৰে।

বৈদিক শব্দৰ ব্যুৎপত্তিকৰণত অনুসৰণ কৰিবলগীয়া উপৰোক্ত নিয়মাৱলীৰ উল্লেখ প্ৰসিদ্ধ বৈয়াকৰণিক ভট্টোজীদীক্ষিতে[৩৭] ৰচনা কৰা বৈয়াকৰণ সিদ্ধান্ত কৌমুদী গ্ৰন্থত প্ৰত্যক্ষ হয়। তেখেতে উল্লেখ কৰে যে বৰ্ণৰ আগম, বিপৰ্য্যয়, বিকৃতি আৰু বৰ্ণৰ নাশ কৰি কিছুমান শব্দৰ ব্যাখ্যা কৰিব পৰা যায়। এনেদৰে সিদ্ধ হোৱা শব্দকেইটা হৈছে হংসঃ, সিংহ, গূঢ়োত্মা আৰু পৃষোদৰম্। নিৰুক্ত গ্ৰন্থৰ ব্যাখ্যাকাৰ পণ্ডিত দুৰ্গইও বৈদিখ শব্দৰ ব্যুৎপত্তিকৰণৰ উপৰোক্ত নিয়মাৱলী স্বীকাৰ কৰিছে।

নিৰুক্ত গ্ৰন্থত পৰিদৃষ্ট হোৱা নিম্নোক্ত দুটা শব্দৰ নিৰ্বচনৰে বিষয়টোৰ পৰ্য্যালোচনা সামৰিব বিচৰা হৈছে।

ক) বৃক্ষ নামৰ শব্দটো আচাৰ্য্য যাস্কই এইদৰে ব্যাখ্যা কৰে বৃক্ষো ব্ৰশ্চনাদ্, বৃত্বা ক্ষাংতিষ্ঠতীতি বা। অৰ্থাৎ ছেদনাৰ্থক ব্ৰশ্চ্ ধাতুৰ পৰা বৃক্ষ শব্দ ওলাইছে। অথবা পৃথিৱীক (ক্ষাং) আবৰি আছে বাবেই এই শব্দৰ এনে নাম।

খ) 'বৃত্ৰো বৃণোতেবা বৰ্ত্ততেৰ্বা বৰ্দ্ধতেৰ্বা যদ্বৃণোত্তদ্ বৃত্ৰস্য বৃত্ৰত্বমিতি বিজ্ঞায়তে, যদবৰ্ত্তত তদ্ বৃত্ৰস্য বৃত্ৰয়মিতি বিজ্ঞায়তে, যদবৰ্দ্ধত তদ্ বৃত্ৰস্য বৃত্ৰত্বমিতি বিজ্ঞায়তে।'

অৰ্থাৎ বৃত্ৰ শব্দটো 'বৃ' ধাতুৰ পৰা অথবা 'বৃৎ' ধাতুৰ পৰা অথবা 'বৃধ্' ধাতুৰ পৰা নিষ্পন্ন হয়। যিহেতু আচ্ছাদিত কৰে অথবা যিহেতু বিচৰণ কৰে আৰু যিহেতু বৃদ্ধি পায়, সেয়ে 'বৃত্ৰ'ৰ তেনে নাম হৈছিল বুলি ব্ৰাহ্মণ গ্ৰন্থত বৰ্ণিত আছে।

---

১. ঋগ্বেদ ঃ ৮-১০০-১১ — "দেবীং বাচমজনয়ন্ত দেবাঃ"
২. উিণ্টাৰনিৎস, এম্ ঃ 'এ হিষ্টৰী অব্ ইণ্ডিয়ান লিটাৰেচাৰ' ভূমিকা, পৃ. ৩৫-৩৬
৩. নিৰুক্ত ঃ ১-২-১-৮ ; ২-১-১-৬।
৪. জৈমিণীসূত্ৰৰ শাবৰ ভাষ্য ঃ ২-১-৩৩
৫. ঐতৰেয় ব্ৰাহ্মণ— ১-৪-৭ "তদ্ যদ্ বৰুণস্য ৰাজ্ঞো গৃহে তনূ সংন্যদধত তত্ তানূনপ্ত্ৰম্ অভৱৎ। তত্ তানূনপ্ত্ৰস্য তানূনপত্ৰত্বম্।"
৬. ঐতৰেয় ব্ৰাহ্মণ — ২-৩-৫, 'পুৰো বা এতান্ দেৱা অক্ৰত। যত্ পুৰোডাশাস্তত্ পুৰোডাশানাং পুৰোডাশত্বম্'।
৭. ঐতৰেয় ব্ৰাহ্মণ— ২-৫-৪, 'তে বৈ প্ৰাতৰাজ্যেৰেবাজয়ন্ত আয়ন্ যদা জ্যৈৰেবাজয়ন্ত আয়ন তদাজ্যানামাজ্যত্বম্।'
৮. শতপথ ব্ৰাহ্মণ— ১-১-৩-১ ; ১-১-৩-৪।
৯ ঋগ্বেদ, ৪-৩-১৬ ১০. ঋগ্বেদ, ৫-৪৭-৫
১১, ছান্দোগ্য উপনিষদ-৮-৩-৩।
১২. কৌষীতকি ব্ৰাহ্মণ, ১-৫ ; ৩-৬
১৩. ঐতৰেয় ব্ৰাহ্মণ, ২/১৭, কৌ. ব্ৰা. ১১/৭, তৈ. ব্ৰা. ১-৩-৮-৫, শ. ব্ৰা. ১-১-১-১৩
১৪. ঋগ্বেদ ভাষ্য ভূমিকা, পৃ. ২৫ (বৈদিক সংশোধন মণ্ডলৰ দ্বাৰা সম্পাদিত ঋগ্বেদ)।
১৫. নিৰুক্ত, ১-১, ওঁ সমাম্নায়ঃ সমাম্নাতঃ। স ব্যাখ্যাতব্যঃ।
১৬. নিৰুক্ত, ১-১, তমিমং সমাম্নায়ং নিঘণ্টৱ ইত্যাচক্ষতে।
১৭. ঋক্বেদ ভাষ্যভূমিকা— পৃ. ২৮ (বৈদিক সংশোধন মণ্ডলৰ দ্বাৰা সম্পাদিত)
১৮. নিৰুক্ত—২য় অধ্যায়
১৯. ঋগ্বেদ প্ৰাতিশাখ্য, ভূমিকা, পৃ.৪
২০. নিৰুক্ত, ২/১/২
২১. নিৰুক্ত, ২/১/৩
২২. নিৰুক্ত, ২/১/৪
২৩. নিৰুক্ত. ২/১/৫
২৪. নিৰুক্ত. ২/১/৬
২৫. নিৰুক্ত. ২/১/৭
২৬. নিৰুক্ত. ২/১/৮
২৭. নিৰুক্ত. ২/১/৯
২৮. নিৰুক্ত, ২/১/১২, ১৩
২৯. নিৰুক্ত, ২/১/১৪, ১৫, ১৬
৩০. নিৰুক্ত, ২/২/২
৩১. নিৰুক্ত, ২/২/৩
৩২. নিৰুক্ত, ২/২/৪
৩৩. নিৰুক্ত, ২/২/৬
৩৪. নিৰুক্ত, ২/২/৭
৩৫. নিৰুক্ত, ২/২/৮,৯,১০
৩৬. নিৰুক্ত, ২/২/১১
৩৭. বৈয়াকৰণ সিদ্ধান্ত কৌমুদী—১০৩৪ (পা. সূত্ৰ ৬—৩—১০৯)

প্রাসঙ্গিক পুথি

১। ঋক্ সংহিতা ঃ বৈদিক সংশোধনমণ্ডলৰ দ্বাৰা প্ৰকাশিত।
২। ঐতৰেয় ব্ৰাহ্মণ ঃ ড° সুধাকৰ মালবীয়ৰ দ্বাৰা সম্পাদিত তথা অনূদিত।
৩। শতপথ ব্ৰাহ্মণ ঃ সায়নাচাৰ্য্য আৰু হৰিস্বামী ভাষ্য সম্বলিত।
৪। কৌষীতকি ব্ৰাহ্মণ
৫। ছান্দোগ্য উপনিষদ
৬। ঋগ্বেদ ভাষ্যভূমিকা
৭। মহৰ্ষি যাস্ক প্ৰণীত নিৰুক্ত
৮। ঋগ্বেদ প্ৰাতিশাখ্যম্
৯। এ হিষ্টৰী অব্ ইণ্ডিয়ান লিটাৰেছাৰ এম্ ভিন্টাৰনিৎস্।

বৈদিক ভাষাৰ বৈশিষ্ট্য

ড° মঞ্জুলা দেৱী

বৈদিক ভাষা বুলিলে আমি সমগ্ৰ বৈদিক সাহিত্যত ব্যৱহৃত হোৱা ভাষাৰ কথাই বুজোঁ। বেদ শব্দই প্ৰধানকৈ মন্ত্ৰ আৰু ব্ৰাহ্মণগ্ৰন্থক বুজায়।[১] মন্ত্ৰৰদ্বাৰা বেদৰ সংহিতা গ্ৰন্থসমূহৰ কথা কোৱা হৈছে। ব্ৰাহ্মণ গ্ৰন্থসমূহৰ ভিতৰত আৰণ্যক আৰু উপনিষদ সাহিত্যকো অন্তৰ্ভূক্ত কৰা হৈছে। ব্ৰাহ্মণ গ্ৰন্থৰাজিৰ শেষভাগক আৰণ্যক আৰু আৰণ্যকৰ শেষভাগক উপনিষদ বোলা হয়। এতেকে বেদ বুলিলে মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰ উপনিষদ্— এই চাৰি প্ৰকাৰ সাহিত্যক বুজায়। ঋক্, যজুঃ, সাম আৰু অথৰ্ব— এইকেইখন হৈছে বেদৰ সংহিতা গ্ৰন্থ। ঋগবেদৰ অন্তৰ্গত ব্ৰাহ্মণগ্ৰন্থ দুখন— ঐতৰেয় আৰু কৌষীতকি। আৰণ্যকগ্ৰন্থ দুখনো হ'ল ঐতৰেয় আৰু কৌষীতকি আৰণ্যক। ঐতৰেয় উপনিষদ আৰু কৌষীতকি উপনিষদ্ ঋগ্‌বেদৰ অন্তৰ্গত উপনিষদ্‌গ্ৰন্থ।

এতেকে ঋগ্‌বেদ বুলিলে ইয়াৰ অন্তৰ্গত মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ্‌সমূহক বুজায়। তেনেদৰে যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদৰো অন্তৰ্গত মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ্‌গ্ৰন্থ আছে। ইয়াৰ উপৰিও বেদাংগসমূহকো বৈদিক সাহিত্যৰ অন্তৰ্ভূক্ত কৰা হৈছে। ষড়্ বেদাংগ হৈছে— শিক্ষা, কল্প, নিৰুক্ত, ব্যাকৰণ, ছন্দ আৰু জ্যোতিষ। এই ছয় বেদাংগক বেদৰ ছটা অংগৰূপে গণনা কৰা হৈছে।[২] অংগৰ লগত অংগীৰ সম্বন্ধেৰে বেদাংগৰ লগত বেদৰ সম্বন্ধয়ো এইটোকে সূচায় যে বেদাংগক বাদ দি বৈদিক সাহিত্যৰ অস্তিত্ব অৰ্থহীন। এতেকে বৈদিক ভাষা বুলিলে সংহিতাভাগৰ পৰা আৰম্ভ কৰি বেদাংগ সাহিত্যলৈ প্ৰয়োজ্য হোৱা ভাষাকে বুজা যায়। গতিকে বৈদিক সাহিত্য বুলিলে বিশাল সাহিত্যৰাজিক বুজায়। এই বৈদিক সাহিত্যৰাশি কোন কালত ৰচিত হৈছিল এই লৈ পণ্ডিতসকলে বিভিন্ন মত পোষণ কৰিছে। বৈদিক সাহিত্যসমূহৰ সৃষ্টি যে কোনো এটা বিশেষ কালত হৈছিল— এই কথা ক'ব নোৱাৰি। মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদসমূহৰ উৎপত্তি হৈছিল ভিন ভিন কালত। বিভিন্ন যুক্তিৰ সমৰ্থনত পণ্ডিতসকল একমত হৈছে যে বেদৰ সংহিতা ভাগৰ সৃষ্টি হৈছিল ছয় হাজাৰ খ্ৰীষ্টপূৰ্বত, ব্ৰাহ্মণ আৰু আৰণ্যকৰ সূচনা হৈছিল খ্ৰীষ্টপূৰ্ব তিনি হেজাৰ বছৰত আৰু উপনিষদ সাহিত্যৰ সৃষ্টি হৈছিল খ্ৰীষ্টপূৰ্ব ডেৰ হাজাৰ বছৰত। বৈদিক সাহিত্যৰ অন্তৰ্গত পৰৱৰ্ত্তী সাহিত্যৰ (বেদাংগ সাহিত্যৰ) প্ৰকাশ হৈছিল এক হাজাৰ বছৰত। এতেকে সম্পূৰ্ণ বৈদিক যুগটো ছয় হাজাৰ খ্ৰীষ্টপূৰ্বৰ পৰা এক হাজাৰ খ্ৰীষ্টপূৰ্ব বুলি ঠাৱৰ কৰিব পাৰি।[৩]

এই নাতিদীৰ্ঘ আলোচনাটিত বৈদিক সাহিত্যৰ ভাষাৰ বিষয়ে যৎসামান্য আভাস দিবলৈ প্ৰয়াস কৰা হৈছে। বৈদিক ব্যাকৰণৰ তথ্যসমূহৰ আলমত এই কথাখিনি আগবঢ়োৱা হৈছে।

কোনো এক প্ৰকাৰৰ সাহিত্য অধ্যয়ন কৰিবলৈ হ'লে প্ৰথমতে সেই ভাষাৰ ব্যাকৰণ জ্ঞান আয়ত্ত কৰিব লাগিব। একেই ধৰণেৰে বৈদিক সাহিত্য অধ্যয়নৰ উদ্দেশ্যেও বৈদিক ব্যাকৰণৰ জ্ঞান অপৰিহাৰ্য। সেয়েহে পাণিনীয় শিক্ষাত 'মুখং ব্যাকৰণং স্মৃতম্', অৰ্থাৎ ব্যাকৰণক বেদৰ মুখ বুলি অভিহিত কৰিছে।

ব্যাকৰণ পদৰ অৰ্থ হৈছে ব্যাকৃত কৰা, ব্যক্ত কৰা, বিস্তাৰিত কৰা। অখণ্ড অৰ্থাৎ অব্যাকৃত ৰূপত থকা পদৰাশিক যাৰদ্বাৰা ব্যাকৃত কৰা হয় তাকেই ব্যাকৰণ বোলে। 'ব্যাক্ৰিয়ন্তে ব্যুৎপাদ্যন্তে শব্দা অনেনেতি ব্যাকৰণম্' বুলি ব্যাকৰণ পদৰ ব্যুৎপত্তি দেখুওৱা হৈছে। ব্যাকৰণ শাস্ত্ৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে কাত্যায়ন প্ৰণীত বাৰ্তিক গ্ৰন্থত এনেদৰে কৈছে— 'ৰক্ষোহাগমলঘ্বসন্দেহাঃ প্ৰয়োজনম্।' অৰ্থাৎ ৰক্ষা, উহ, আগম, লঘুতা আৰু অসন্দেহ— এই পাঁচোটাৰ বাবে ব্যাকৰণ শাস্ত্ৰৰ প্ৰয়োজন। পতঞ্জলিয়ে তেওঁৰ ৰচিত মহাভাষ্যৰ পস্পশাহ্নিকত এই বাৰ্তিক বহলাই ব্যাখ্যা কৰিছে। ৰক্ষা অৰ্থাৎ বেদৰ ৰক্ষাৰ কাৰণে ব্যাকৰণৰ প্ৰয়োজন। বেদৰ পদৰাশিৰ ব্যুৎপত্তিগত অৰ্থ, প্ৰকৃতি, প্ৰত্যয়, লোপ, আগম আদিৰ বোধ হ'লেহে বেদৰ অধ্যয়ন সম্ভৱপৰ হয়। উহ হৈছে মন্ত্ৰগত পদৰ ৰূপান্তৰকৰণ। মন্ত্ৰগত পদবিলাকৰ ৰূপান্তৰকৰণ কৰিবলৈ ব্যাকৰণ শাস্ত্ৰৰ অধ্যয়ণৰ প্ৰয়োজন। যজ্ঞৰ বিনিয়োগৰ সময়ত মন্ত্ৰগত পদবোৰৰ ৰূপান্তৰ কৰিবলগীয়া হ'লে নিজেই সেইটো বিচাৰ কৰি ঠিক কৰি ল'বলগীয়া হয়। নিত্য বেদ (আগম) অধ্যয়ন অৰ্থাৎ স্বাধ্যায়ৰ কাৰণে ব্যাকৰণ জ্ঞানৰ প্ৰয়োজন হয়। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য বালকসকলে উপনীত হোৱাৰ পিছত নিতৌ বেদ অধ্যয়ন কৰাটো কৰ্ত্তব্য আছিল। সংক্ষেপ (লঘু) উপায়েৰে ভাষাৰ জ্ঞান আহৰণ কৰিবলৈ ব্যাকৰণ শাস্ত্ৰৰ প্ৰয়োজন। ব্যাকৰণ শাস্ত্ৰত শব্দ-ৰাশিৰ জ্ঞান অতি সংক্ষেপতে সূত্ৰকাৰে নিবদ্ধ কৰি হৈছে। সন্দেহ নিবাৰণৰ (অসন্দে হৰ) উদ্দেশ্যেও ব্যাকৰণ শাস্ত্ৰৰ জ্ঞান অপৰিহাৰ্য্য। বিশেষকৈ বেদৰ স্বৰ প্ৰয়োগৰ জ্ঞান নাথাকিলে অৰ্থবোধত সন্দেহ জন্মে। স্বৰৰ সবিশেষ জ্ঞান থাকিলেহে বেদৰ অৰ্থবোধ সম্ভৱ হয়। এনেবিলাক প্ৰয়োজন পূৰাবৰ নিমিত্তে ব্যাকৰণ শাস্ত্ৰৰ আৱশ্যকতা আছে।

বৈদিক বা বেদ সম্বন্ধীয় ব্যাকৰণৰ আলোচনা কৰিছে মহৰ্ষি পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ীগ্ৰন্থত।* বৈদিক আৰু লৌকিক-সংস্কৃত ভাষাৰ দুটা ভাগ। এই দুয়ো ভাগৰে ব্যাকৰণসম্বন্ধীয় সূত্ৰসমূহ প্ৰায় চাৰি হাজাৰ (৪০০০) সূত্ৰত ৰচনা কৰি পাণিনিয়ে আঠোটা অধ্যায়ত বিভক্ত কৰিছে অষ্টাধ্যায়ীগ্ৰন্থ। 'বেদ' বুজাবলৈ পাণিনিয়ে 'ছন্দস্'[৪] শব্দ সঘনাই ব্যৱহাৰ কৰিছে। বৈদিক ব্যাকৰণৰ বৈশিষ্ট্যসমূহৰ ভিতৰত উপসৰ্গৰ প্ৰয়োগ উল্লেখনীয়। সাধাৰণতে প্ৰ, পৰা, অপ, সম্ আদি কুৰিটা উপসৰ্গ ধাতুৰ আগত ব্যৱহৃত হয়[৫] যেনে— প্ৰভৃৰতি (প্ৰ-ভৃ-লট্‌তি), পৰাজয়তে (পৰা-জি-লট্‌তে) অপগচ্ছতি (অপ-গম্-লট্‌তি), সংস্কৰোতি (সম্-কৃ-লট্‌তি) ইত্যাদি। বৈদিক সাহিত্যতো ধাতুৰ ঠিক আগত উপসৰ্গৰ প্ৰয়োগ হয়। যেনে— 'ধিয়ো বিশ্বা বি ৰাজতি।[৬] ইয়াত বি ৰাজতি ক্ৰিয়াপদত বি উপসৰ্গ ৰাজ্ ধাতুৰ আগত প্ৰযুক্ত হৈছে। কিন্তু বেদত উপসৰ্গসমূহ ধাতুৰ পিছতো ব্যৱহৃত হয় বুলি পাণিনিয়ে সূত্ৰবিধান কৰিছে।[৭] উদাহৰণস্বৰূপে 'জয়েম সং যুধি স্পৃধঃ।[৮] ইয়াত সংজয়েম ক্ৰিয়াপদটোৰ ব্যৱহাৰৰ সলনি জয়েম সং ব্যৱহৃত

হৈছে। সম্ উপসৰ্গৰ ধাতুৰ পিছত প্ৰয়োগ হৈছে। বেদত ভালেকেইটা শব্দৰদ্বাৰা ব্যৱহৃত হৈয়ো উপসৰ্গ আৰু ধাতুৰ প্ৰয়োগ হ'ব পাৰে।[৯] উদাহৰণস্বৰূপে 'এন্দ্ৰ সানসিং ৰয়িং সজিত্বানং সদাসহম্। ৱৰ্ষিষ্ঠমূতয়ে ভৰ।।'[১০] উল্লিখিত ঋক্‌টিত এন্দ্ৰ পদত সন্ধিবদ্ধ হৈ থকা আ উপসৰ্গৰ লগত ভৰ ক্ৰিয়াৰ সম্বন্ধ মন কৰিবলগীয়া। 'আভৰ' ক্ৰিয়াপদটিৰ আ উপসৰ্গ আৰু ভৰ ক্ৰিয়াপদটি ইন্দ্ৰ, সানসিম্ আদি পদৰদ্বাৰা বিযুক্ত হৈ আছে।

লৌকিক সংস্কৃতত ব্যৱহৃত হোৱা তুমুন্ প্ৰত্যয়ৰ সলনি বৈদিক ভাষাক সে, সেন্, অসে, অসেন্, ক্সে, কসেন, অধ্যৈ, অধ্যৈন্, কধ্যৈ, কধ্যৈন্, শধ্যৈ, শধ্যৈন্, তবৈ, তৱেঙ আৰু তৱেন্ প্ৰত্যয়ৰ ব্যৱহাৰ হয়।" উভয় ক্ৰিয়াৰ কৰ্ত্তা একে হ'লে নিমিত্ত অৰ্থবোধক ধাতুৰ পিছত তুমুন্ প্ৰত্যয় হয়। যেনে— সঃ প্ৰাতঃ ভ্ৰমিতুং গচ্ছতি। ইয়াত ভ্ৰম্ ধাতুৰ যোগত তুমুন প্ৰত্যয় যোগ হৈ 'ভ্ৰমিতুম্' পদটি সাধিত হৈছে। বেদত তুমুনৰ অৰ্থত সে, সেন্, অসে, অসেন্ আদি প্ৰত্যয়ৰ ব্যৱহাৰ হয়। উদাহৰণ স্বৰূপে 'অস্মে শতং শৰদো জীৱসে ধা........১২, ইয়াত জীৱিতুম্ পদৰ সলনি জীৱসে (জীৱ্ + অসেন্) পদৰ ব্যৱহাৰ হৈছে। আকৌ 'তা ৱামেষে ৰথানামু ৰ্ৱীং গব্যূতিমেষাম্'১৩ মন্ত্ৰটিত লৌকিকত ব্যৱহৃত হোৱা এতুম্ পদৰসলনি এষে (ই + সেন্) পদটি সাধিত হৈছে। ঠিক তেনেদৰে লৌকিকত প্ৰয়োগ হোৱা ৱক্তুম্ পদৰ সলনি ৱক্ষে (বচ্ + সে), আহেৰতুম্ পদৰ পৰিবৰ্ত্তে আহুৱধ্যৈ (আ– হ্বে + কধ্যৈ), পাতুম্ পদৰ ঠাইত পিৱধ্যৈ (পা + শধ্যৈন্), দাতুম্ পদৰ সলনি দাতৱৈ (দা + তৱৈ), কৰ্ত্তুম্ পদৰ পৰিবৰ্ত্তে কৰ্তৱে (কৃ + তৱেন্) প্ৰভৃতি পদৰ ব্যৱহাৰ হয় বৈদিক সাহিত্যত। প্ৰয়ৈ, ৰোহিষ্যৈ, অৱথিষ্যৈ, দৃশে, বিখ্যে একেইটা তুমুন্‌বাচক পদৰ বেদত নিপাতনে সিদ্ধি হয়।[১৪] লৌকিক সাহিত্যত এইকেইটা পদৰ ৰূপ হয় যথাক্ৰমে প্ৰয়াতুম্, ৰোঢুম্, অব্যথিতুম্, দ্ৰষ্টুম্ আৰু বিখ্যাতুম্।

ধাতুৰ পিছত ব্যৱহাৰ হোৱা দহোটা বিভক্তিক পাণিনিয়ে 'দশ লকাৰ বুলি কৈছে। এই দশলকাৰ হ'ল— লট্, লিট্, লুট্, লৃট্, লেট্, লোট্, লঙ্, লিঙ্, লুঙ্ আৰু হুঙ্। এইকেইটাৰ ভিতৰত পঞ্চম লকাৰ লেটৰ প্ৰয়োগ হয় কেৱল বৈদিক সাহিত্যতহে। লৌকক সংস্কৃতত বিধি, নিমন্ত্ৰণ, আমন্ত্ৰণ, অধীষ্ট, সংপ্ৰশ্ন আৰু প্ৰাৰ্থনা— এনেবোৰ অৰ্থত ধাতুৰ পিছত বিধিলিঙ্ হয়।[১৫] কিন্তু বেদত এনেবিলাক অৰ্থত ধাতুৰ পিছত লেট্ হয়।[১৬] উদাহৰণ স্বৰূপে 'মা নো মৰ্তা অভিদ্ৰুহন্........[১৭] এই ঋক্‌টিত অভিদ্ৰুহন্ প্ৰাৰ্থনা অৰ্থত বিধিলিঙৰ ঠাইত লেট্ হৈছে। সায়ণাচাৰ্য্যই অভিদ্ৰুহন্ তিঙন্ত পদটিৰ অৰ্থ কৰিছে 'অভিতো দ্ৰুহং মা কুৰ্য্যু।'[১৮] একেকে মূল মন্ত্ৰটিত প্ৰাৰ্থনা অৰ্থত বিধিলিঙৰ ঠাইত লেট্ ব্যৱহৃত হৈছে।

লৌকিক সংস্কৃতত (ভূত সামান্যে) লুঙ্[১৯], অনদ্যতনে লঙ্[২০], পৰোক্ষে লিট্[২১] এই সূত্ৰকেইটাৰ দ্বাৰা লুঙ্ লঙ্ আৰু লিটৰ ব্যৱহাৰৰ ক্ষেত্ৰত কালবিশেষৰ নিৰ্দেশ কৰা হৈছে। (ভূতসামান্যে) লুঙ্ অৰ্থাৎ সামান্য অতীত কাল বুজাবলৈ লুঙ্ বিভক্তিৰ প্ৰয়োগ হয়। অনদ্যতনে লঙ্ অৰ্থাৎ অনদ্যতন অতীত কাল বুজালে লঙ্ বিভক্তি হয়। আগৰ ৰাতিৰ শেষ প্ৰহৰৰপৰা দিনটোকে ধৰি

পিছৰ ৰাতিৰ প্ৰথম প্ৰহৰ পৰ্য্যন্ত যিখিনি সময় তাকে অদ্যতন বোলে।[২২] ন অদ্যতন অনদ্যতন। অৰ্থাৎ অদ্যতন বিৰ্বৰ্জিত কাল বুজালে লঙ্ বিভক্তি হয়। পৰোক্ষে লিট্ অৰ্থাৎ বক্তাৰ অপ্ৰত্যক্ষ ক্ৰিয়া সূচালে লিট্ বিভক্তি হয়। কিন্তু বেদত নিৰ্দ্দিষ্ট কাল বিশেষত ব্যৱহাৰ হোৱাৰ উপৰিও সকলো কালতে লুঙ্, লঙ্ আৰু লিটৰ ব্যৱৰহাৰ হয়। উদাহৰণ স্বৰূপে 'দেৱো দেৱেভিৰাগমত্[২৩] এই মন্ত্ৰ ভাগত লোটৰ অৰ্থত লুঙ্ হৈ আগমত্ পদ সিদ্ধ হৈছে। আগচ্ছতু এনেহে হ'ব লাগিছিল আগমত্ পদৰ সলনি-লৌকিক সংস্কৃতিৰ নিয়ম অনুসাৰে। আকৌ 'ইদং তেভ্যো-হকৰং নমঃ'[২৪] এই মন্ত্ৰভাগত 'অকৰম্' পদত লঙ্ বিভক্তি হৈছে বৰ্ত্তমান কালত। ইয়াত 'অকৰম্' 'কৰোমি' এনে অৰ্থহে বুজা যায়। বৰ্ত্তমান কালত লিট্ বিভক্তিৰ প্ৰয়োগ হৈছে 'ইন্দ্ৰেণ সং হি দৃক্ষসে সংজগ্মানো অবিভ্যুষা'[২৫] ঋকৰ সংজগ্মানঃ পদত। 'সংগচ্ছমানঃ' পদৰ সলনি 'সংজগ্মানঃ' পদ ব্যৱহৃত হৈছে। লিটৰ সলনি বেদত কানচ্ আৰু ক্বসু প্ৰত্যয়ৰ ব্যৱহাৰ হয়।[২৬] আলোচ্য 'সংজগ্মানঃ' পদটিত সম্পূৰ্বক গম্ধাতুত কানচ্ প্ৰত্যয়ৰ যোগত সাধিত হৈছে।

লৌকিক সংস্কৃতত মা (মাঙ) আৰু মাস্ম পদৰ যোগত লুঙ্ আৰু লঙৰ অকাৰ লুপ্ত হয়।[২৭] যেনে— মা ভূৎ দুঃখম্। মাস্ম ভৱৎ শোকঃ। কিন্তু বেদত মাঙ্ পদৰ প্ৰয়োগ নহ'লেও বিকল্পে অকাৰ আৰু আকাৰৰ লোপ হয়। আকৌ মাঙ্ পদৰ প্ৰয়োগ হ'লেও অকাৰ আৰু আকাৰৰ লোপ নহয়।[২৮] উদাহৰণ স্বৰূপে 'মেঘং জুষন্ত ৱহ্নয়ঃ'[২৯] মন্ত্ৰাংশত অজুষন্ত ক্ৰিয়াপদৰ সলনি 'জুষন্ত' ক্ৰিয়াপদৰ ব্যৱহাৰ হৈছে। লঙ্ বিভক্তিৰ কাৰণে আগম[৩০] হোৱা অকাৰ লোপ পাইছে।

কিছুমান ধাতুৰ ব্যৱহাৰৰ ক্ষেত্ৰত বেদত কিছু ব্যতিক্ৰম আছে। উদাহৰণ স্বৰূপে হৃ আৰু গ্ৰ্ ধাতুৰ ৰূপত বেদত হৰ ঠাতি ভৰ আদেশ[৩১] হয়।[৩২] যেনে—'বৰ্ষিষ্ঠমূতয়ে ভৰ'[৩৩] ইয়াত লৌকিকত ব্যৱহৃত হোৱা 'হৰ' ক্ৰিয়াপদৰ সলনি বেদত 'ভৰ'ৰ ব্যৱহাৰ হৈছে। তেনেদৰে 'ন হ্যস্যা নাম গৃভ্ণামি'[৩৪] মন্ত্ৰভাগত ব্যৱহৃত হোৱা গৃভ্ণামি পদৰ লৌকিকত ৰূপ হয় গৃহ্লামি। শ্ৰু, শৃণু, পৃ, কৃ আৰু বৃ ধাতুৰ লোট্ বিভক্তিৰ হি ঠাইৰ ধিৰ আদেশ হয়।[৩৫] যেনে— 'তেষাং পাহি শ্ৰুধী হৱম।'[৩৬] '......পাহি শৃণুধী গিৰঃ'[৩৭] 'ৰায়স্পূৰ্ধি.........।'[৩৮] 'উৰুকৃদুৰুণস্কৃধি।'[৩৯] '.......সত্ৰাদাৱন্নপা ৱৃধি।'[৪০] লৌকিক সংস্কৃতত শ্ৰুধীৰ[৪১] ঠাইত শৃণু, শৃণুধীৰ ঠাতি শৃণু, পূৰ্ধিৰ সলনি পিপৃহি, কৃধিৰ পৰিবৰ্ত্তে কুৰু আৰু ৱৃধিৰ ঠাইত বৃণু ৰূপ হয়।

সুপ্ বিভক্তিৰ ক্ষেত্ৰতো বেদত কিছু বৈসাদৃশ্য দেখা যায়। অবৰ্ণান্ত প্ৰাতিপদিকৰ ক্ষেত্ৰত প্ৰথমা বিভক্তিৰ বহুবচন জসৰ পিছত অসুক্ আগম হয়।[৪২] অসুকৰ অস্ থাকে। যেনে— দেৱাসঃ,[৪৩] জনাসঃ,[৪৪] সোমাসঃ[৪৫], মত্সৰাসঃ[৪৬], পূতাসঃ[৪৭] ইত্যাদি। লৌকিক সংস্কৃতত উপৰ্য্যক্ত পদবিলাকৰ ক্ৰমে দেৱা, জনা, সোমা, মত্সৰাঃ, পূতাঃ আদি ৰূপ হয়। অকাৰান্ত প্ৰাতিপদিকৰ ক্ষেত্ৰত লৌকিক সংস্কৃতত তৃতীয়া বিভক্তিৰ বহুবচন ভিসৰ ঠাতি ঐস্ আদেশ হয়।[৪৮] যেনে— দেৱ+ভিস্ = দৈৱৈঃ, পূৰ্ব+ভিস্=পূৰ্বৈঃ। বেদত 'বহুলং ছন্দসি'[৪৯] এই সূত্ৰদ্বাৰা

এই নিয়মৰ ব্যতিক্ৰম ঘটিছে। বেদত অকাৰান্ত প্ৰাতিপদিকৰ ভিসৰ ঠাইত ঐস্ আদেশ নহয়। যেনে—অগ্নিঃ পূৰ্বেভিৰ্ঋষিভিৰীড্যো[৫০] 'দেৱো দেৱেভিৰাগমত্।[৫১]

লৌকিক সংস্কৃতত ব্যৱহৃত হোৱা একমাত্ৰ বিশিষ্ট হ্ৰস্ব স্বৰবৰ্ণ আৰু দ্বিমাত্ৰাবিশিষ্ট দীৰ্ঘ স্বৰবৰ্ণৰ উপৰিও বেদত ত্ৰিমাত্ৰা বিশিষ্ট প্লুতস্বৰৰ প্ৰয়োগ হয়। প্লুত স্বৰ বুজাবলৈ দীৰ্ঘস্বৰৰ পিছত তিনি (৩) সংখ্যা লিখি সেই বৰ্ণৰ প্লুতত্ব দেখুওৱা হয়। আ৩, ঈ৩, ঋ৩, এ৩, ঐ৩, ও৩ ঔ৩— এই সাতোটা প্লুতস্বৰ। বিশেষকৈ যজ্ঞ প্ৰক্ৰিয়াত বেদৰ মন্ত্ৰসমূহত প্লুতস্বৰৰ প্ৰয়োগ হয়। উদাহৰণস্বৰূপে যজ্ঞস্থলীলৈ দেৱতাৰ আৱাহন কালত আবহ পদৰ প্ৰয়োগ হ'লে আবহ পদৰ প্ৰথম স্বৰৰ প্লুতস্বৰ হয়।[৫২] যেনে— 'অগ্নিমাভৱহ।'[৫৩]

লৌকিক সংস্কৃতৰ লগত বৈদিক সংস্কৃতৰ আন এটি বিশেষ পাৰ্থক্য এই যে বৈদিক সংস্কৃতত স্বৰৰ প্ৰয়োগ আছে। বেদৰ ছন্দোময় অংশৰ উপৰিও যজুৰ্বেদৰ গদ্যাত্মক অংশত আৰু গদ্যত ৰচিত শতপথ আৰু তৈত্তিৰীয় ব্ৰাহ্মণত স্বৰৰ প্ৰয়োগ পৰিলক্ষিত হয়। স্বৰৰ জ্ঞান নাথাকিলে বেদপাঠ অশুদ্ধ হয় আৰু বৈদিক পদসমূহৰ অৰ্থবোধ নহয়। বেদত ব্যৱহৃত তিনিটা স্বৰ হ'ল— উদাত্ত, অনুদাত্ত আৰু স্বৰিত। স্বৰৰ উত্থান হ'ল উদাত্ত।[৫৪] উদাত্ত স্বৰক প্ৰকৃতি স্বৰ বুলিও কোৱা হয়। য'ত স্বৰৰ উত্থান নাই সেয়া হ'ল অনুদাত্ত স্বৰ।[৫৫] নিঘাত স্বৰ বুলিলেও অনুদাত্ত স্বৰকে বুজায়। স্বৰিত স্বৰ হ'ল উদাত্ত আৰু অনুদাত্তৰ সমাহাৰ।[৫৬] উদাত্ত স্বৰতকৈও সামান্য উৰ্দ্ধলৈ উঠি ক্ৰমশঃ অনুদাত্তৰ ফালে যেতিয়া গতি কৰে সেয়াই স্বৰিত স্বৰ। বেদৰ মন্ত্ৰত চিহ্নেৰে স্বৰ বুজোৱা হয়। ঋগ্বেদৰ প্ৰথম মণ্ডলৰ প্ৰথম সূক্তৰ প্ৰথম মন্ত্ৰৰ প্ৰথম পদ অগ্নিমীড়ে। ইয়াত বৰ্ণৰ তলত সমান্তৰাল চিনেৰে অনুদাত্ত স্বৰ বুজোৱা হৈছে। বৰ্ণৰ ওপৰৰ লম্ব সদৃশ চিনেৰে স্বৰিত স্বৰ বুজোৱা হৈছে। উদাত্ত স্বৰ বুজাবলৈ কোনো চিনৰ ব্যৱহাৰ নহয়। কিন্তু সকলোবোৰ চিহ্নহীন স্বৰেই উদাত্ত স্বৰ নহয়। স্বৰিত স্বৰৰ পিছত অনুদাত্ত থাকিলে সেয়া প্ৰচয় স্বৰ হয়।[৫৭] প্ৰচয় স্বৰক ঐকশ্ৰুত্যও বোলা হয়। প্ৰচয় স্বৰ বুজাবলৈও কোনো চিন দিয়া নহয়। অগ্নিমীড়ে পদত গ্নিৰ ইকাৰত উদাত্ত স্বৰ আৰু ´ড়েৰ একাৰত প্ৰচয় স্বৰ হৈছে। স্বৰ প্ৰয়োগৰ বিধি সম্বন্ধে পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী/গ্ৰন্থত সূত্ৰসমূহৰ অৱতাৰণা কৰিছে। স্বৰৰ জ্ঞান নাথাকিলে বেদৰ পদবিলাকৰ যথাৰ্থ অৰ্থৰ অনুধাৱন নহয়। এই সম্পৰ্কে পতঞ্জলিয়ে মহাভাষ্যৰ 'পস্পশাহ্নি'কত এটি শ্লোকত কৈছে—

'দুষ্ট : শব্দঃ স্বৰতো ৱৰ্ণতো ৱা
মিথ্যাপ্ৰয়ুক্তো ন তমৰ্থমাহ।
স ৱাগ্‌ৱজ্ৰো য়জমানং হিনস্তি
য়থেন্দ্ৰ শত্ৰুঃ স্বৰতোহপৰাধাত্।।'

অৰ্থাৎ (মন্ত্ৰ উচ্চাৰণ কৰোঁতে) যদি স্বৰৰ বা বৰ্ণৰ বিজুটি ঘটি শব্দ দোষযুক্ত হয় তেনেহ'লে তাৰ অনৰ্থক প্ৰয়োগ হয় আৰু অভীপ্সিত ফল লাভ নহয়। দোষযুক্ত শব্দৰ উচ্চাৰণে বজ্ৰস্বৰূপ হৈ যজমানৰ অনিষ্ট কৰে। 'ইন্দ্ৰশত্ৰু' পদটোত স্বৰৰ বিসংগতিৰ কাৰণে বৃত্ৰ ইন্দ্ৰৰদ্বাৰা নিহত হৈছিল।

'ইন্দ্ৰশত্ৰু' পদটো লৈ এটা আখ্যায়িকা আছে তাৰ তাৰ পৰাই বেদত স্বৰৰ

যথাৰ্থ প্ৰয়োগৰ বিষয়ে সুন্দৰ ধাৰণা হয়।

'ইন্দ্ৰশত্ৰু' পদটোত শত্ৰু বোলোঁতে ঘাতকৰ অৰ্থ বুজোৱা হৈছে। 'ইন্দ্ৰঃ শত্ৰুঃ যস্য সঃ' (ইন্দ্ৰ শত্ৰু হৈছে যাৰ) এনে অৰ্থ প্ৰকাশ কৰিলে 'ইন্দ্ৰশত্ৰু' পদটো বহুব্ৰীহিসমাসবদ্ধ বৈ আদ্যুদাত্ত হয়।[৫৮] 'ইন্দ্ৰস্য শত্ৰুঃ' (ইন্দ্ৰৰ শত্ৰু) বুজালে তৎপুৰুষ সমাসৰ গুণত 'ইন্দ্ৰশত্ৰু' পদত অন্তত উদাত্ত হয়।[৫৯] বৃত্ৰাসুৰৰ পিতাকে ইন্দ্ৰশশত্ৰুৰ্বধস্ব (ইন্দ্ৰৰ শত্ৰু বৃদ্ধিপ্ৰাপ্ত হওক) বুলি ইন্দ্ৰৰ প্ৰতি আক্ৰোশতে বৃত্ৰাসুৰৰ বলবৃদ্ধিৰ কাৰণে প্ৰাৰ্থনা কৰিছিল। কিন্তু তেওঁ 'ইন্দ্ৰশত্ৰু' পদত অন্তত উদাত্ত স্বৰ ব্যৱহাৰ নকৰি আদিত উদাত্ত স্বৰ ব্যৱহাৰ কৰি স্তুতি কৰাত ইন্দ্ৰঃ শত্ৰু (ঘাতকঃ) যস্য সঃ এনে অৰ্থত 'ইন্দ্ৰশত্ৰু' পদৰ অপব্যৱহাৰত ইন্দ্ৰৰ হাতত বৃত্ৰাসুৰৰ মৃত্যু হয়। গতিকে স্বৰ প্ৰয়োগৰ ব্যাঘাতে বিৰুদ্ধ অৰ্থ প্ৰকাশ কৰে। লৌকিক সংস্কৃতত বক্তাৰ অভিপ্ৰায়লৈ লক্ষ্য কৰিহে এনে সমাসবদ্ধ পদবিলাকৰ অৰ্থৰ অনুধাৱন কৰা হয়।

'সৰ্বে ৱিধয়শ্ছন্দসি ৱিকল্প্যন্তে' অৰ্থাৎ সকলো বিধিৰে বেদত বিকল্প ৰূপ হয় বুলি বাৰ্তিক গ্ৰন্থত কাত্যায়নে কৈছে।

বৈদিক ভাষাৰ অতবোৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাটো দুৰূহ! সেয়েহে বৈদিক ভাষাৰ ব্যাকৰণগত কিছু বৈশিষ্ট্যৰ বিষয়ে থোৰতে কিছু কথা উল্লেখ কৰা হ'ল।

১। ক) মন্ত্ৰব্ৰাহ্মণাত্মক শব্দৰাশিৰ্বেদঃ।

— সায়ণাচাৰ্য্যৰ ঋগ্‌ভাষ্যভূমিকা

খ) মন্ত্ৰব্ৰাহ্মণয়োৰ্বেদনামধেয়ম্।

—আপস্তম্বশৌতসূত্ৰ, ২৪-১-৩১

২। ছন্দ : পাদৌ তু ৱেদস্য হস্তৌ কল্পোহথ পঠ্যতে।
জ্যোতিষাময়নং চক্ষুৰ্নিৰুক্তং শ্ৰোত্ৰমুচ্যতে।।
শিক্ষা ঘ্ৰাণং তু ৱেদস্য মুখং ৱ্যাকৰণং স্মৃতম্।
তস্মাৎ সাংগমধীত্যৈৱ ব্ৰহ্মলোকে মহীয়তে।।

—পাণিনীয় শিক্ষা, ৪১, ৪২

৩। দ্ৰষ্টব্য, যোগীৰাজ বসু, বেদৰ পৰিচয়, পৃ. ১৮০-১৮৬

*আলোচ্য প্ৰৱন্ধটিত ব্যাকৰণৰ সমূহ সূত্ৰ অষ্টাধ্যায়ীৰ পৰা লোৱা হৈছে।

৪। ক) ছন্দসি লুঙ্‌লঙ্‌লিটঃ, ৩-৪-৬

খ) ছন্দসি লিট, ৩-২-১০৫

গ) বহুলং ছন্দসি, ৭-১-১০

৫। তে প্ৰাগ্‌ধাতোঃ, ১-৪-৮০

৬। ঋগ্‌বেদ, ১-৩-১২

৭। ছন্দসি পৰেঽপি, ১-৪-৮১

৮। ঋগ্‌বেদ, ১-৮-৩

৯। ৱ্যৱহিতাশ্চ, ১–৪–৮২

১০। ঋগ্‌বেদ, ১–৮–১

১১। তুমৰ্থে সেসেনসেঽসেন্ক্সে কসেনধ্যৈ অধ্যৈনকধ্যৈকধ্যৈন্ শধ্যৈশধ্যৈন্তৱৈতৱেঙ্‌তৱেনঃ ৩-৪-৯

১২। ঋগ্‌ৱেদ, ৩-৩৬-১০

১৩। পূৰ্বোক্ত গ্ৰন্থ, ৫–৬৬–৩

১৪। ক) প্ৰয়ৈ ৰোহিষ্যৈ অব্যথিষ্যৈ, ৩-৪-১০

খ) দৃশে বিখ্যে চ, ৩-৪-১১
১৫। বিধিনিমন্ত্রণামন্ত্রণাধীষ্ট সংপ্রশ্ন প্রার্থনেষু লিঙ্, ৩-৩-১৬১
১৬। লিঙর্থে লেট্, ৩-৪-৭
১৭। ঋগ্বেদ, ১-৫-১০
১৮। সায়ণাচার্য্যের টীকা, যথোক্ত স্থান
১৯। ৩-২-১১০
২০। ৩-২-১১১
২১। ৩-২-১১৫
২২। অতীত রাত্রেরন্ত্যয়ামেন আগামিরাত্রে রাদ্যয়ামেন সহিতো দিবসঃ অদ্যতন ইতি লুঙ্সূত্রভাষ্যে কৈয়টে স্থিতম্।— পরোক্ষ লিট্ সূত্রের বালমনোরমা টীকা, সিদ্ধান্ত কৌমুদী
২৩। ঋগ্বেদ, ১-১-৫
২৪। পূর্বোক্ত গ্রন্থ, ১০-৮৫-১৭
২৫। পূর্বোক্ত গ্রন্থ, ১-৬-৭
২৬। লিটঃ কানজ্বা, ৩-২-১০৬
২৭। ন মাঙ্যোগে, ৬-৪-৭৪
২৮। বহুলং ছন্দস্যমাঙ্যোগহপি,৬-৪-৭৫
২৯। ঋগ্বেদ, ১-৩-৯
৩০। প্রকৃতি (ধাতু আর প্রাতিপদিক) বা প্রত্যয়ত অতিরিক্ত বর্ণর উপস্থিতিকে আগম বোলে।
৩১। প্রকৃতি বা প্রত্যয়র বি ৰূপ পৰিবৰ্ত্তন তাকে আদেশ বোলে।
৩২। হৃগ্রহোর্ভশ্ছন্দসি, বার্তিকসূত্র
৩৩। ঋগ্বেদ, ১-৮-১
৩৪। পূর্বোক্ত গ্রন্থ, ১০-১৪৫-৪
৩৫। শ্রুশৃণুপৃকৃবৃভ্যশ্ছন্দসি, ৬-৪-১০২
৩৬। ঋগ্বেদ, ১-২-১
৩৭। পূর্বোক্ত গ্রন্থ, ৮-৮৪-৩
৩৮। পূর্বোক্ত গ্রন্থ, ১-৩৬-১২
৩৯। পূর্বোক্ত গ্রন্থ, ৮-৭৫-১১
৪০। পূর্বোক্ত গ্রন্থ, ১-৭-৬
৪১। মূল শ্রুধি আরু পৃণুধি পদ, দুর্যাত দীর্ঘ প্রয়োগ হৈছে 'অন্যেষামপি দৃশ্যতে' (৬-৩-১৩৭) সূত্রর দ্বারা।
৪২। আজ্জসেরসুক্, ৭-১-৫০
৪৩। ঋগ্বেদ, ১-১৯-৩, ৬
৪৪। পূর্বোক্ত গ্রন্থ, ২-১২-১, ২, ৩, ৪
৪৫। পূর্বোক্ত গ্রন্থ, ১-৫-৫
৪৬। পূর্বোক্ত গ্রন্থ, ১-১৫-১
৪৭। পূর্বোক্ত গ্রন্থ, ১-৩-৪
৪৮। অতো ভিস ঐস্, ৭-১-৯
৪৯। ৭-১-১০
৫০। ঋগ্বেদ, ১-১-২
৫১। পূর্বোক্ত গ্রন্থ, ১-১-৫
৫২। ব্রূহিপ্রেষ্য শ্রৌষড় বৌষডাবহানামাদে :, ৮-২-৯১
৫৩। তৈত্তিরীয় ব্রাহ্মণ, ৩-৫-৩-২
৫৪। উচ্চৈরুদাত্ত :, ১--২৯
৫৫। নীচৈরনুদাত্তঃ, ১-২-৩০
৫৬। সমাহার : স্বরিতঃ, ১-২-৩১
৫৭। স্বরিতাত্ সংহিতায়ামনুদাত্তানাম্, ১-২-৩৯
৫৮। বহুব্রীহৌ প্রকৃত্যা পূর্বপদম্, ৬-২-১
৫৯। সমাসস্য, ৬-১-২২

আৰ্য্য-ভিন্ন ভাষা আৰু অন্যান্য

বড়ো ভাষাৰ অৰ্থতত্ত্ব

শ্ৰীপ্ৰিয়দিনী ব্ৰহ্ম

ভাষা এটাত যিমানেই বিচিত্ৰ উপাদান নাথাকক, স্থূল দৃষ্টিত ভাষাত প্ৰধানতে ধ্বনি, গঠনপ্ৰণালী আৰু অৰ্থ সাধাৰণভাৱে এই তিনিটা উপাদান আছে। এইবিলাক স্তৰে স্তৰে যথাক্ৰমে সৰুৰ পৰা ডাঙৰলৈ লানি নিচিগাভাৱে খাপ খাই থাকে। এই প্ৰতিটো স্তৰত নিম্ন পৰ্য্যায়ৰ পৰা উচ্চ পৰ্য্যায়লৈ সম্বন্ধ থকাৰ দৰে ক্ৰমে নিম্নস্তৰৰ পৰা উচ্চ স্তৰলৈ সম্বন্ধ আৰু অৰ্থৰ লগতো সিহঁতৰ প্ৰণালীগত বান্ধোন আছে। সেইকাৰণে আপাতদৃষ্টিত ইয়াক বিশৃংখল যেন লাগিলেও ইয়াৰ উচ্চাৰিত ধ্বনি, ধ্বনি বিন্যাস, ৰূপগঠন, ৰূপসংযোগ আৰু অৰ্থ প্ৰতিপাদনৰ কৌশল ইমানেই ৰীতিসঙ্গত আৰু প্ৰণালীবদ্ধ যে নিম্নতম কিবা এটা প্ৰকৃতি (aspect) যদি উলিয়াব পৰা যায় তাৰ পিছৰ প্ৰকৃতি কি হ'ব তাক নিৰ্ণয় কৰিব পাৰি। তদুপৰি, কোনো এটা অংশত কোনো এটা উপাদান বা কাৰ্যক্ৰমক এটা নিয়মত উপস্থাপিত কৰিব পাৰিলেই এই বিধি অনুযায়ী আনফালে কি হ'ব তাক সহজেই সূচোৱা যায়।

ভাষা অধ্যয়নত ভাষাবিজ্ঞানীসকলে ধ্বনিবিজ্ঞান, ৰূপবিজ্ঞান আৰু অৰ্থবিজ্ঞানৰ নিচিনা সূত্ৰ আৰু প্ৰক্ৰিয়া উদঘাটন কৰি ইয়াৰ জৰিয়তে ভাষা বিশ্লেষণ কৰে। ভাষা বিশ্লেষণৰ প্ৰকৃত অৰ্থই হৈছে বৈজ্ঞানিক সূত্ৰ আৰু প্ৰক্ৰিয়াৰে ভাষাবিলাকত থকা বিশেষ বিশেষ উপাদানবিলাক চিহ্নিত কৰি সিহঁতৰ বিশিষ্ট গুণ, ধৰ্মক উদঙাই দিয়া আৰু তুলনাৰ মাজেদি সিহঁতৰ মাজত সাদৃশ্য আৰু বৈসাদৃশ্য দেখুৱাই শ্ৰেণীবিভাগ কৰি সৰ্বশেষত এটা ভাষাৰ স্বৰূপ দাঙি ধৰা। তুলনা বা বিভিন্ন ভাষাৰ উত্থাপনৰ মাজেদি এটা ভাষাৰ চাৰিত্ৰিক বৈশিষ্ট্য উদঙাই যেতিয়া ভাষাবৈজ্ঞানিক বৰ্ণনাৰ ক্ৰম অনুযায়ী বিশ্লেষণ কৰা যায় সেয়ে সেই ভাষাৰ ধ্বনিতত্ত্ব বা ৰূপতত্ত্ব বা অৰ্থতত্ত্ব।

ৰূপতত্ত্ব বা গঠন বিষয়ক বৰ্ণনাত ভাষাক ক্ষুদ্ৰৰ পৰা ক্ষুদ্ৰতমলৈ ভাগ ভাগ কৰি বিশ্লেষণৰ দ্বাৰা ইয়াৰ গাঁথনি দেখুৱাব পৰা যায়। ই এটা অবয়বী আকাৰ মাত্ৰ। কিন্তু অৰ্থক তেনেদৰে বিশ্লেষণ কৰিব নোৱাৰি। অৰ্থবিশ্লেষণত শব্দৰ লগত অৰ্থৰ সম্পৰ্ক দেখুৱাবলৈ যাওঁতে অধিক বহল পৰিসৰত শব্দৰ লগত বস্তুৰ কি ধৰণৰ সম্পৰ্ক, বক্তা আৰু শ্ৰোতাৰ বস্তুৰ প্ৰতি থকা জ্ঞান আৰু ধাৰণা, কওঁতাৰ প্ৰজ্ঞা আৰু কথা কোৱাৰ পৰিবেশক ব্যক্তিগত ধাৰণা, অভিজ্ঞতালব্ধ জ্ঞান আৰু মনোবৈজ্ঞানিক দিশৰ পৰা ব্যাখ্যা কৰিবলগীয়া হয়। অৱশ্যে এইবিলাক দেহত প্ৰাণ সঞ্চাৰ হোৱাৰ দৰে গঠন প্ৰণালীৰ আঁহে আঁহে সঞ্চাৰিত হৈ আছে। সেইকাৰণে কাত্যায়ন, পতঞ্জলি, ব্যাস আদি ভাৰতীয় পণ্ডিতসকলে অৰ্থক ভাষাৰ সাৰভাগ বুলি কৈছিল। তেওঁবিলাকে কৈছে শব্দ

আৰু অৰ্থৰ যি সম্বন্ধ সেই সম্বন্ধ শাশ্বত। ভাষা শিকা, শিকোৱা আৰু ইয়াৰ সাধাৰণ চৰ্চাত বিভিন্ন যুগৰ ভাষা বিজ্ঞানী, দাৰ্শনিক পণ্ডিত, গ্ৰন্থকাৰ, নৃতত্ত্ববিদ আৰু সমাজতাত্ত্বিক সকলে প্ৰথমেই অৰ্থৰ প্ৰতি আকৃষ্ট হৈ নিজা নিজা দৃষ্টিকোণেৰে অৰ্থ বিশ্লেষণ কৰি অৰ্থৰ যোগেদিয়েই কেনেকৈ ভাষাৰ তাত্ত্বিক সৌন্দৰ্যক বুজিবলৈ চেষ্টা কৰিছিল ইয়াৰ এক দীঘলীয়া বুৰঞ্জী ভাষাবিজ্ঞানত আছে। ১৯ শতিকাত আধুনিক ভাষা বিজ্ঞানত ভাষাবিশ্লেষণ অধিক বস্তুনিষ্ঠ আৰু পদ্ধতিমূলক হোৱাৰ ফলত অৰ্থ অধ্যয়নৰ বিশেষ দৃষ্টিভঙ্গী ইয়াত নাছিল। এই শতিকাৰ শেষ ভাগত বিশ্লেষণ পদ্ধতিৰ ক্ৰমবিকাশ, আন আন বিষয় আৰু মনস্তাত্ত্বিক ফালৰ পৰা ভাষা বিশ্লেষণক প্ৰগাঢ় কৰিবলৈ অৰ্থতত্ত্বক ভিত্তি কৰাৰ ফলত সমাজ ভাষাবিজ্ঞান, মনো ভাষাবিজ্ঞান আদি নতুন নতুন শাখা প্ৰশাখাৰে আধুনিক ভাষা বিজ্ঞান বিস্তাৰিত হৈছে।

ধ্বনি বৰ্ণতাত ৰূপৰ বা ৰূপৰ বৰ্ণনাত ধ্বনিৰ প্ৰাসঙ্গিকতা আহে কিন্তু ধ্বনি, ৰূপ বা ভাষাৰ কোনো এটি অংশৰ বৰ্ণনাত অৰ্থবিশ্লেষণৰ প্ৰাসঙ্গিকতা আহিব পাৰে, নাহিবও পাৰে। ইয়াৰ কাৰণ এয়ে যে ভাষা প্ৰণালীবদ্ধ হোৱা কাৰণে নিয়মীতভাৱে চলি অহা বৰ্ণনাত যদি অৰ্থ অনুভূতি আহে বা অৰ্থই পক্ষপাতিতা কৰে তেন্তে সেইমতে বৰ্ণনা কৰিব নোৱাৰিব পাৰে বা এটা শুদ্ধ বস্তুও ভাষাবিজ্ঞানৰ মতে অশুদ্ধ হ'ব পাৰে। সেইকাৰণে কিছুমান পণ্ডিত সম্প্ৰদায়ে ভাষা বৰ্ণনাত অৰ্থক বাদ দিছিল। বৰ্ণনামূলক ভাষাবিজ্ঞানত এইটো দেখুৱা হয় যে শব্দৰ (sound) লগত ভাৱ সদায় থাকে, গতিকে শব্দই ভাৱক সূচায়, ভাৱটো সূচিত অৰ্থাৎ ভাৱটোয়ে যিটো বস্তুক সূচায় ই অৰ্থবোধক বা কিবা এটা ইংগিত প্ৰকাশক। শব্দ আৰু ভাৱ লগ লাগি শব্দৰূপ গঠন হয়। ইয়াত শব্দৰূপ আৰু বস্তুৰ লগত প্ৰত্যাক্ষসম্পৰ্ক নাই। অৱশ্যে ব্লুমফিল্ডৰ মতে শ্ৰোতা আৰু বক্তাৰ বস্তু সম্বন্ধে জ্ঞান থাকিব লাগিব। বিশ্লেষণমূলক ভাষাবিজ্ঞানত বিশেষ পদ্ধতিৰ দ্বাৰা প্ৰধান প্ৰধান অংশীভূত উপাদান বিলাকক উলিয়াই সিহঁতৰ লগত যথাস্থানত অৰ্থক স্থিৰ কৰে। সেইমতে ইয়াকে কব পাৰি যে ধ্বনি, ধাৰণা আৰু বস্তু কোনোটোৱেই ভাষা নহয়। পদ্ধতিৰ দ্বাৰা শব্দৰূপ বা আন কিবা মাধ্যমৰ যোগেদি যি ভাব প্ৰকাশ পায় ই অৰ্থপূৰ্ণ হ'লেই সি ভাষা। ভাষা অৰ্থপূৰ্ণ।

যিবিলাক ভাষা আকৃতিৰ ফালৰ পৰা এটা পৰিয়ালৰ সেইবিলাক ভাষাৰ গঠনত মিল হ'লেও বহুত নিজা নিজা বৈশিষ্ট্যও আছে। কিন্তু অৰ্থৰ ফালৰ পৰা তুলনা কৰিলে এনে শ্ৰেণীবিভাগত সম্পূৰ্ণৰূপে মিল থকা দুটা ভাগ নাই বুলি ক'ব পাৰি। অৰ্থৰ মাজেদি যি নিজস্ব বৈশিষ্ট্য পোৱা যায় সেয়ে ভাষা বিলাকৰ মাজত ভিন্নতা আনে। ভাষাক স্বকীয়তা প্ৰদান কৰিছে এই অৰ্থতত্ত্বইহে। বড়ো ভাষা চীন তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত তিব্বতবৰ্ম্মী সুৰীয়া ভাষা। গঠনৰ ফালৰ পৰা আৰু কিছু পৰিমাণে অৰ্থতো ডিমাছা, গাৰো, ৰাভা আদি কিছুমান ভগ্নীভাষাৰ লগত ইয়াৰ মিল আছে। তেনেকুৱা ভাষাবিলাকৰ মাজত অৰ্থৰ যি মিল সেইটো কেইটামান মৌলিক শব্দসম্ভাৰৰ ভিতৰতে সীমাবদ্ধ। ভাষা পৰিয়াল পোন প্ৰথম এইভাৱেই ঠাৱৰ কৰা হৈছিল। ভাষা ভেদে নিজা নিজা বস্তু, ভাৱ, ধাৰণা, অৱস্থা, ৰুচি, সোৱাদ আদিক নিজা নিজা জ্ঞান, দৃষ্টি আৰু অনুভৱেৰে

বেলেগ বেলেগ উপায়, প্ৰকাশ কৌশল ভাৱভঙ্গী, আকাৰ ইঙ্গিত আৰু ইচ্ছাৰে (মনোভাৱ, গুৰুত্ব, আগ্ৰহ ইত্যাদি) অৰ্থপ্ৰকাশ কৰাৰ দৰে বড়ো ভাষাৰো নিজাবস্তু, ভাৱ, ধাৰণা আদিক প্ৰকাশ কৰাৰ নিজা কৌশল আছে। এই ভাষাত এটা ৰূপৰ লগত উচ্চ বা নিম্ন সুৰ এটা থাকিলে এটা শব্দ হয়। ই এটা মুক্ত শব্দ। গতিকে ইয়াত এটা মাত্ৰ অৰ্থ আছে; যেনে—হা 'মাটি', দৈ পানী, মাই ধান অৰ জুই ইত্যাদি। এই বস্তুবিলাকক কি কাৰণত হা, দৈ, মা, অৰ কোৱা হৈছে তাক যুক্তি আৰু ব্যাখ্যাৰে বিচাৰি পোৱা নাযায়। কিন্তু কিছুমান সৰল আৰু যৌগিক অৰ্থবিলাক বেলেগ ধৰণে প্ৰকাশ কৰা হয়।

বিভিন্ন ভাষা পৰিয়ালৰ শব্দ গঠন সাধাৰণতে দুই ধৰণে পোৱা যায়। চীন তিব্বতীয় পৰিয়ালৰ ভাষা বিলাকত শব্দৰ উপাদানবিলাক পৃথক হৈ থাকে যাক ভাষা বিজ্ঞানত বিশ্লেষণাত্মক বোলা হয়। সেয়েহে বড়োভাষাত অৰ্থবিলাক বেলেগ বেলেগ শব্দ বহুৱাই প্ৰকাশ কৰে। সেইবিলাক অলপ পৰিবৰ্তন হৈ অৰ্থ সম্প্ৰসাৰণ ঘটে আৰু একাদিক্ৰমে বহি যায় যেনে—দৈমা বা দৈ + বিমা='নদী', দৈসা বা দৈ + মাসা='জান, জুৰি'। এই ভাষাত 'বিমা' মানে মাক আৰু ফিফা' মানে সন্তান বা সৰু। কিন্তু ব্যৱহাৰত সিহঁতক বস্তু বা প্ৰাণীৰ ডাঙৰ সৰু, প্ৰধান, আচল ইত্যাদি অৰ্থ বুজাবলৈ ব্যৱহাৰ কৰে। অসমীয়া প্ৰভৃতি অন্যান্য সংস্কৃত মূলীয় ভাষাত শব্দৰ বান্ধন আছে কাৰণে এটা শব্দই এটা মাথো স্পষ্ট অৰ্থত প্ৰয়োগ হ'ব পাৰে। কিন্তু বড়োভাষাত এনে কিছুমান শব্দ আছে যি এটা অৰ্থৰ ওপৰত আঁউজি আন এটা অৰ্থত প্ৰয়োগ হয়। উদাহৰণ স্বৰূপে—জা-'ৰঙা হোৱা', সীম–'ক'লা হোৱা আদি শব্দবিলাক গ-বৰ্ণৰ লগত প্ৰয়োগ হ'লেহে ই একোটা ৰং বুজোৱা শব্দ সূচায়। যেনে—গীজা—ৰঙা, গীসীম—ক'লা ইত্যাদি। ইয়াত গ–বৰ্ণৰ একো অৰ্থ নাই। দুটা অৰ্থবোধক শব্দৰো প্ৰয়োগ বড়োত আছে। যেনে—জাগ্ৰা মানে যাওঁতাজন আৰু খোৱাবস্তু। সিহঁতৰ পাৰ্থক্য দেখুৱাব লাগিলে প্ৰত্যেকৰে পাচত প্ৰাণী আৰু বস্তুৰ নাম দিব লাগিব। যেনে জাগ্ৰা মানসি—খাওঁতা, জাগ্ৰামুৱা—খোৱাবস্তু। মৌলিক বস্তু আৰু প্ৰাণী বুজোৱা শব্দবিলাক বেলেগ ধৰণে ব্যৱহাৰ কৰা হয় য'ত এটা বস্তু বুজোৱা এটা শব্দক মূল কৰি লৈ ইয়াৰ লগত আন আন গুণ অৱস্থা বুজোৱা শব্দ যোগ দি দি সেই বস্তুৰ গুণ অৱস্থাক বুজোৱা হয়; যেনে : হাখৰ-'খাল', হামা–'আচল মাটি', হাৰান-'শুকান মাটি' ইত্যাদি। সান–'সূৰ্য্য' শব্দেৰে একেদৰেই সময় বুজায়। গণনাত সংখ্যাবাচক শব্দৰ একেদৰেই সময় বুজায়। গণনাত সংখ্যাবাচক শব্দৰ লগত 'মীন' ব্যৱহাৰ কৰা হয়। যেনে : মীনদে 'এটা', মীননৈ 'দুটা' ইত্যাদি। সেইদৰে পৰিমাণ বুজাবলৈ পাত্ৰ বুজোৱা শব্দৰ প্ৰয়োগ হয়। আৰু গীবাং 'বহুত' শব্দৰ বাং ৰূপটো লৈ ইমান বুজোৱা এমে এফাৰ লগত যোগ দি যেনে এমেবাং, এফাবাং 'ইমান তিমান' ইত্যাদি শব্দৰ গঠন কৰা হয়। চকুৰ আগত থকা বস্তুক আং আ 'মই' আৰু চকুৰ আঁৰ হোৱা বস্তু বা ঘটনাক তৃতীয় পুৰুষ বি 'সি'ৰে বুজোৱা হয়। অঙ্গ প্ৰতঙ্গ বুজোৱা শব্দ যেনে- আফিং 'ভৰি', আখাই 'হাত' বিমুং পিঠি, বিবু 'ভুৰু' ইত্যাদি। এই ভাষাত কুশ্ৰী ধুনীয়া, চৰিত্ৰবান-চৰিত্ৰহীন, চেতনা, ইচ্ছা আদি বুজোৱা শব্দ নাই। সেইকাৰণে মীজাং ভাল শব্দৰ লগত বেলেগ শব্দ

যোগ দি বিভিন্ন ভাৱমূলক অৰ্থ বুজোৱা হয়। যেনে নাইনীমাজাং-'দেখাতভাল', জানীমাজাং 'খাবলৈ ভাল', আখুমীজাং 'ভালস্বভাৱ'। সেইদৰে গীসী মন শব্দৰ লগত বেলেগ অৰ্থৰ শব্দ যোগদি যেনে গীসী জানায় 'ইচ্ছা', গীসাহী 'মন দিয়া', গীসী জনায় 'মনবহা' ইত্যাদি শব্দৰ গঠন হয়।

অনুকাৰ শব্দবিলাক বস্তু ঠেকাখোৱাৰ শব্দ, বতাহ, বৰষুণ, পানীৰ শব্দ, জন্তুৰ মাত আদি বুজোৱা শব্দ। যেনে-থং থং বস্তুৰ শব্দ, হৌ হৌ বতাহৰ শব্দ, ৰৌ ৰৌ বৰষুণৰ শব্দ, ৰা ৰা পানী বোৱা, ফৌ ফৌ কুকুৰৰ মাত ইত্যাদি। নিৰ্দিষ্টতাবাচক শব্দবিলাকৰ নিজা অৰ্থ নাই। সেইবিলাক সংখ্যাবাচক শব্দৰ লগত যোগ হৈ বস্তুৰ বেলেগ বেলেগ আকাৰ বুজায়। যেনে-থংসে এডাল, (টান গোটা বস্তু), দালাবসে—এটুকুৰা (চেপেটা বস্তু), দীংসে এডাল (লেহুকা বস্তু) ইত্যাদি। লিঙ্গ বুজাবলৈ হ'লে মতা কুকুৰা আৰু মাইকী কুকুৰা বুজোৱা যথাক্ৰমে জৌলা, জী শব্দৰে মানুহ, চৰাই আৰু কীট পতঙ্গৰ মতা মাইকীৰ প্ৰভেদ দেখুৱায়। ইয়াৰ উপৰিও সৌৱান-খ্ৰি আ-ই থকা বিশ্লেষণ শব্দ, বুন্দা বুন্দি, ফানথা-ফানথি যোগ দি লিঙ্গ বুজোৱা হয়।

বিশ্লেষণাত্মক ভাষাবিলাকৰ প্ৰধান বৈশিষ্ট্য হৈছে 'পুনৰুক্তি' (reduplicating) যিটো বড়ো ভাষাত বেছিকৈ পোৱা যায়। ইয়াত ধুনীয়া, ভাল, ওচৰ, দূৰ আৰু কাম কৰা বুজোৱা বা জোৰ দিয়াত সকলো সময়ত সকলো শব্দতে দুটা বা তিনিটা শব্দ আনকি কেবাটাও শব্দ দীঘলকৈ বাৰে বাৰে যোগ কৰাও দেখা যায়। যেনে—সিখ-কাঢ়িব খোজা, ফুফ্লা ফুফ্লি ফুটফুটীয়া বগা, জাৰৌ ৰৌ তেজাল, মাওলু মাওলা-কাম কৰাৰ অভ্যাস ইত্যাদি। আকৌ অসমীয়াৰ দৰে না-সা-'মাছ টাছ', ঔংখাম থৌংখাম ভাত চাত আদিও পোৱা যায়। অসমীয়াৰ পৰা অহা শব্দ বড়োত বেলেগ অৰ্থ হয়-যেনে চৰ্চা > সৌৰসা—যত্ন কৰা বোধ বীৰ শাস্তি। বড়োৰ শব্দ সংযোজন (collection) সমূহ বস্তুৰ প্ৰকৃতি আৰু কাৰ্য অনুযায়ী হব পাৰে। যেনে—সাহা ফুদুং চাহ কৰা (ইয়াত পাঁচনি ক্ৰিয়া হৈছে।) ন'লু 'ঘৰ সজোৱা', খুন্দুংলু 'সূতা কটা' (দুয়োটাতে এটা ক্ৰিয়াই বহিছে), সি দা কাপোৰ বোৱা', মুসুখা দা 'মূৰ্ত্তি গঢ়া', (এটা ক্ৰিয়াই বহিছে), ঔংখাম খুৰ 'ভাত বঢ়া', হা-খুৰ-মাটি খন্দা, (ইয়াত ভাতটো খান্দি উলিওৱাৰ অৰ্থ বুজাইছে)।

এই ভাষাত কিছুমান সৰু সুৰা টুকুৰা টুকুৰি উপাদান আছে যিবিলাকৰ নিজা অৰ্থ আৰু সুৰ নাই কিন্তু সিহঁতৰ প্ৰকাশিকা শক্তি বৰ প্ৰখৰ। সিহঁতক কোনো এটা শব্দৰ লগত সহযোগ কৰিলেহে অৰ্থ স্পষ্টভাৱে প্ৰকট হয়। যেনে ল', বৌ সী, লা, গ্ৰীণ, জেন, ফা ইত্যাদি। ইয়াত দুটাৰ অৰ্থ দেখুওৱা হ'ল আংল—কেৱল মই, জা জেন—'খাবলৈ আৰম্ভ কৰা'। এনেকুৱা ধৰণৰ শব্দবিলাক কিছুমান মৌলিক আৰু কিছুমান বেলেগৰ পৰা ফালি অহা। ফালি অহা বিলাক ক্ৰিয়াৰ লগত যোগ হৈ বিভিন্ন কাৰ্য বুজায়, যেনে—দান-কটা দান + স্লিং +গ্লেং + দী +হাব, +দাও, +খাও = ইয়াৰ অৰ্থ যথাক্ৰমে পিচলি যোৱাকৈ, বেঁকাকৈ, দকৈ, ওপৰৰ ফালে, ফালি যোৱাকৈ কটা। তিব্বত বৰ্মী ভাষাবিলাকত 'কাট' শব্দটো বিভিন্ন সঁজুলিৰ লগত বিভিন্ন অৰ্থ হয়। ইয়াৰে বড়োৰ উদাহৰণৰ পৰা দান 'কাট' সিখাজৌং দান—দাৰে কাট, সন ফান সনজৌং সন—খন্টিৰে কাট, খদালজৌং

জীং কোৰেৰে কাট। সঁজুলি বাৰ্ত্তা হ'লে 'দান' শব্দটো 'বৌ' হয়; যেনে–দাবায়া বৌবায়–কটাৰীয়ে কাটিছে।

এই ভাষাত আৰু, যে, যিজন বুজোৱা শব্দ নাই। এইবিলাক বেলেগ ধৰণেৰে বুজোৱা হয়। লিখিত সাহিত্যত অসমীয়াৰ দৰে কৰিলেও ইয়াৰ আচল ব্যৱহাৰ তলত দিয়াৰ দৰেহে হয় ৰামবী আংবী মাংনী–ৰাম আৰু মই যাম। এই ভাষাৰ শব্দাৰ্থবিলাক বেছিভাগেই নিৰ্দিষ্টতাবাচক হয়। সেয়েহে সম্বন্ধসূচক শব্দ যেনে–ফা, দা, গৈ ইত্যাদিয়ে ১ম পুৰুষ আ, ২য় পুৰুষ নীংবা নীম আৰু ৩য় পুৰুষ বি-বা মিৰ লগত লগ হৈ স্বতন্ত্ৰভাৱে মা, দেউতা, বাইদেউৰ নিচিনাহৈ এইদৰেহে হয়–আফা (মোৰ) দেউতা, বিদা (তাৰ) ককায়েক, নীমব (তোমাৰ) বায়েৰা ইত্যাদি।

একোটা সত্য ঘটনা আৰু এটা বস্তুকে লৈ বিভিন্ন সাহিত্য সৃষ্টি কৰাৰদৰে আন আন ভাষাৰ নিচিনা বড়ো ভাষাৰ পটন্তৰ, যোজনা, দৃষ্টান্ত, উপমাত নিজা প্ৰকাশভঙ্গী আৰু অৰ্থৰে নিজা জ্ঞান, দৃষ্টি, মূল্যবোধ, সৌন্দৰ্যবোধ ফুটি উঠে। অসমীয়াৰ দৰে চকুকলৈ যেনে মেগন মানে চকু মেগনাও গীনাং 'ধুনীয়া', মেগন সা চকু চৰহা ইত্যাদি। পতন্টৰ দৃষ্টান্তৰ উদাহৰণ যেনে–'মানসিয়া থেয়ী খগায়াও', 'মৈয়া মৈয়ী আগানাও' মানুহ মৰে কৈ, হৰিণ মৰে নিজৰ খোজ চিনৰ কাৰণে, 'না সান্দা বিগুব গৈয়া, 'গৈজাৰং য়ৈআ আখল গৈয়া' ছন্দা মাছৰ বাকলি নাই, দুখীয়া বিলাকৰ চৰিত্ৰ ভাল নহয়। সেইদৰে উপমাতো ধুনীয়া ৰূপ, গুণ, অঙ্গ প্ৰতঙ্গৰ সৌন্দৰ্য বুজোৱা শব্দ পোৱা যায়। যেনে–খানাই ৰামবাং–ঘন চুলি টাৰি, বিখা ফাংদাং উঠন বুকু, জানজি সেৰে–লাহী কঁকাল, বাইলংলং–লাহীগঠন, থেংগনগন–বেছি ক্ষীণ, খীমথা-থা–শকত দীঘল, লদ্ৰামদ্ৰায়-শকত, চিকুন নোহোৱা ইত্যাদি। বড়ো ভাষাত তুলনাতো ভিন্নতা আছে। সাধাৰণতে আনে ধুনীয়া মুখমণ্ডলক পূৰ্ণিমাৰ জোন আৰু চিকচিকিয়া দাঁতক ডালিমৰ গুটিৰ লগত তুলনা কৰিলে বড়োবিলাকে মুখক তৰাপাতৰ লগত, জোঙা নাকক কাঁইটৰ লগত আৰু মাংস বহুল ভৰিৰ কলাফুলক বাঁহৰ গাজৰ লগত তুলনা কৰে।

সময়ৰ অগ্ৰগতিৰ লগে লগে এনেবোৰ শব্দৰ অৰ্থৰো পৰিবৰ্তন হৈ গৈ থাকে। নতুন বস্তুৰ ব্যৱহাৰ আৰু আৱিস্কাৰৰ লগত নতুন শব্দ আৰু অৰ্থৰ সৃষ্টি হয়। কেতিয়াবা অশ্লীল, গ্ৰাম্য অব্যৱহৃত বস্তু বুজোৱা শব্দ লোপ পায়। তাৰ পৰিবৰ্তে নতুন অৰ্থৰ সংকেত থকা পুৰণি শব্দই ব্যৱহৃত হয়।

গ্ৰন্থপঞ্জী

1. General Linguistics : An Introductory Survey R. H. Robins.

2. An Introductory Text Book of Linguistics and Thonetics–R.L. Varshney.

মিচিং ভাষাৰ শব্দসম্ভাৰ

ড০ কৈলাশ চন্দ্ৰ তালুকদাৰ

শব্দসম্ভাৰ হৈছে ভাষাৰ প্ৰাণ স্বৰূপ তথা অৰ্থবহ সুকীয়া গোট। মৌখিকভাবে উচ্চাৰিত অৰ্থবহ শব্দ সমষ্টিক কোনো ভাষিক জনগোষ্ঠীয়ে স্ব-ভাষাৰ নিজস্ব ভাব প্ৰকাশৰ বাহন হিচাপে ব্যৱহাৰ কৰে। প্ৰয়োজনৰ তাগিদাত কোনো ভাষালৈ নতুন নতুন শব্দৰ আগমন ঘটিব পাৰে বা নিতান্ত মৌলিক শব্দও কালক্ৰমত লুপ্ত হ'ব পাৰে। উন্নত ভাষাবোৰৰ ভেটি এক সুদৃঢ় শব্দ সম্ভাৰেৰে নিৰন্ধিত হৈ থকা দেখা যায়। কোনো ভাষাই ইয়াৰ প্ৰত্নৰূপৰ পৰা অবিকৃত ভাবে কিছুমান শব্দ বহন কৰি অনাৰ উপৰিও প্ৰান্তীয় জনগোষ্ঠীৰ লগত সঘন সম্পৰ্কৰ ফলস্বৰূপেও স্বতঃস্ফূৰ্ত্তভাৱে ভালেমান শব্দ গ্ৰহণ কৰে আৰু পৰৱৰ্ত্তী স্তৰত এই শব্দবোৰৰ লগত আৱশ্যক অনুযায়ী প্ৰত্যয়াদিৰ সংযোগ ঘটাই বিভিন্ন দিশত ন ন শব্দশৃঙ্খল সৃষ্টি কৰে। এই ধৰণে বিভিন্ন প্ৰক্ৰিয়াৰে কোনো এটা ভাষালৈ অহা শব্দবোৰৰ জন্ম, বিকাশ, পৰিৱৰ্ত্তন, শব্দাগম, শব্দলুপ্তি আদিয়েই ভাষাটোৰ শব্দসম্ভাৰ।

বৃহৎ চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ ভাষাবোৰৰ দৰে ইয়াৰ অন্তৰ্গত তিব্বতবৰ্মী প্ৰধান ভাষাগোষ্ঠীৰ ভিতৰৰা উত্তৰ অসম শাখাৰ ভাষাবোৰৰ ভিতৰৰে মিৰি বা মিচিং ভাষাটোও ভাষাতাত্ত্বিক সকলোবোৰ দিশৰ পৰাই চহকী বুলি ক'ব পৰা যায়। চীনৰ হোৱাংহো আৰু ইয়াংচিকিয়াং নদীৰ উজনি উপত্যকা ভূখণ্ডৰ পৰাই তিব্বধৰ্মীয় গোষ্ঠীবোৰৰ প্ৰব্ৰজন ঘটে আৰু মূল ভূখণ্ডৰ পৰা অসমলৈকে প্ৰব্ৰজনৰ এই সুদীৰ্ঘ পথ পৰিক্ৰমাত মিচিং জনগোষ্ঠীয়েও সংস্কৃতিৰ অন্যান্য সমলৰ লগতে লগতে নিজস্ব ভাষাৰ শব্দ সম্ভাৰৰ ক্ষেত্ৰত তিব্বতীয়, হিমালয়ী তথা অৰুণাচলৰ আদী, নিচি প্ৰভৃতি ভগ্নী ভাষাবোৰৰ পৰা শব্দ সংগ্ৰহৰ স্বাক্ষৰ বহন কৰি ভাষাটোক গতিশীলতা প্ৰদান কৰিছে। স্বগোত্ৰীয় ভাষাবোৰৰ পৰা এনেদৰে সমল সংগ্ৰহ কৰাৰ উপৰিও অসমত বৃহৎ অসমীয়াভাষী জনগোষ্ঠীৰ মাজে মাজে বসতি স্থাপন তথা সঘন মিলা-মিছা আৰু ভাৱ-ভাষাৰ আদান প্ৰদানৰ অনিবাৰ্য্য কাৰণ বসতঃ বহুতো অসমীয়া শব্দ মৌলিক তথা সামান্য ভগ্ন ৰূপত মিচিং ভাষাত ব্যৱহাৰ হৈ ভাষাটোক স্বমহিমান্বিত কৰি তুলিছে। বৃহৎ অসমীয়া সমাজখনৰ অংশীদাৰ স্বৰূপে নিজৰ গোষ্ঠীৰ বাহিৰত সামূহিক যোগাযোগৰ ক্ষেত্ৰত অসমীয়া ভাষাকে প্ৰধানতঃ ব্যৱহাৰ কৰাৰ ফলস্বৰূপে এই ভাষাত ব্যৱহৃত অনেক ভাৰতীয় আৰু অ-ভাৰতীয় শব্দ মিচিং ভাষাতো প্ৰয়োজনৰ খাতিৰত সোমাই পৰিছে। শিক্ষা-দীক্ষা, আইন, শাসন, বেপাৰ-বাণিজ্য আদিৰ প্ৰত্যক্ষ যোগাযোগৰ ফলতো বহুতো ভাৰতীয় তথা অ-ভাৰতীয় শব্দ মিচিং ভাষাত প্ৰৱেশ কৰি ভাষাটোৰ প্ৰকাশভঙ্গীক অধিক শক্তিশালী কৰি তুলিছে। পূৰ্বোক্ত মৌলিক, ঋণকৃত দেশী আৰু বিদেশী শ্ৰেণীৰ শ্ৰেণীভুক্ত কৰিব

নোৱাৰা অবৰ্গীকৃত ভালেমান শব্দ মিচিং ভাষাত আছে। উক্ত অ-বৰ্গীকৃত শ্ৰেণীৰ শব্দসম্ভাৰ হ'ল স্থানবাচক আৰু নদীৰ নাম বাচক শব্দ, শঙ্কৰ শব্দ, মিশ্ৰ শব্দ, যৌগিক শব্দ (Compound word), প্ৰতিধ্বন্যাত্মক শব্দ, ধ্বন্যাত্মক শব্দ আৰু ক্ৰমিক সংখ্যাবাচক শব্দ।

এইটো লক্ষণীয় যে অসমৰ প্ৰায়বোৰ জনজাতীয় ভাষাৰে নিজাকৈ লিপি নথকা হেতু অধিক অগ্ৰগতি লাভ কৰা কেইটামান ভাষাই অসমীয়া লিপি (পূৰ্বীলিপি নামেৰেও জনা যায়), দেৱনাগেৰী লিপি আৰু ৰোমক লিপিৰে সংশ্লিষ্ট ভাষাবোৰ লিখাৰ প্ৰচেষ্টা চলাইছে যদিও লিখিত ৰূপত সন্দেহ আৰু সংশয় বৰ্ত্তমান আঁতৰা নাই। মিচিং ভাষাটোকো অসমীয়া আৰু ৰোমক লিপিৰে লিখাৰ চেষ্টা কৰা হৈছে আৰু কিছু সুফলো পোৱা গৈছে। মিচিং ভাষাৰ ভাষাতাত্ত্বিক প্ৰায়বোৰ দিশত সমানে চিন্তা চৰ্চা হোৱা নাই বুলিয়েই ক'ব পাৰি আৰু সেই দিশবোৰৰ ভিতৰত প্ৰায় একাষৰীয়াকৈ বৈ যোৱা এটা প্ৰধান দিশ হৈছে মিচিং শব্দ ভাষাৰ শব্দ সম্ভাৰৰ ওপৰত ভাষাবৈজ্ঞানিক আলোচনা। দৰাচলতে মিচিং জাতি আৰু তেওঁলোকৰ ভাষা সংক্ৰান্তৰ বিষয়ে নিশ্চিতভাৱে জানিবলৈ কোনো প্ৰামাণিক তথা লিখিত ইতিহাস পোৱা নাযায় গতিকে ভাষা সাহিত্যৰ দিশতো ঐতিহাসিক সমলৰ অভাৱত অনুসন্ধান, গৱেষণা আদি প্ৰাথমিক পৰ্য্যায়তে আছে।

মিচিং ভাষাৰ শব্দ সম্ভাৰৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে এই ভাষাটোৰ মূল কি ভাষা আছিল আৰু বৰ্তমান প্ৰচলিত মিচিং শব্দবোৰৰ প্ৰাচীন কোনো মূল ভাষাৰ পৰা বিকৃত ভাৱেই হওক বা অবিকৃত ভাবেই হওক আহিছে নেকি ইত্যাদি কথাবোৰ নিসন্দেহে মিচিং জাতিৰ উদ্ভৱ, প্ৰব্ৰজনৰ ইতিহাস, বিকাশ, সংস্কৃতি, সাংস্কৃতিক বিনিময় আদিৰ ইতিহাসৰ লগত জৰিত। মিচিং সকলৰ আদি বাসস্থান আৰু প্ৰব্ৰজনৰ ইতিহাস নিসন্দেহে তিব্বত-বৰ্মী গোষ্ঠীৰ মূল বাসস্থান তথা প্ৰব্ৰজনৰেই ইতিহাস।

গ্ৰীয়াৰ্চনে১ ভাষাতাত্ত্বিক অধ্যয়নৰ তথা বিশ্লেষণৰ পৰা চীন-তিব্বতী ভাষিক গোষ্ঠীৰ মূল ভূ-খণ্ডৰ পৰা প্ৰব্ৰজনৰ সংক্ৰান্তত একাদিক্ৰমে তিনিটা ধাৰাৰ কথা উল্লেখ কৰিছে। সেই কেইটাৰ ভিতৰত প্ৰথম দলটোৰ প্ৰব্ৰজন ঘটে প্ৰাগৈতিহাসিক কোনো সময়ত। দ্বিতীয় দলভূক্ত তিব্বতবৰ্মী গোষ্ঠীটোৱে প্ৰথমে তিব্বত আৰু তাৰ পিছত ভাৰতবৰ্ষলৈ বিস্তৃত হয়, যাৰ সঠিক সময় জনা নাযায়। তৃতীয় দলভূক্ত শ্যাম-চীন গোষ্ঠীয়ে খৃষ্টীয় ৬ষ্ঠ শতিকাত প্ৰব্ৰজন কৰে আৰু ইয়াৰ পিছত অনুক্ৰমে কাচীন গোষ্ঠীয়ে প্ৰব্ৰজন কৰে। গতিকে অনুমান কৰিব পাৰি যে তিব্বত-বৰ্মী গোষ্ঠীটোৰ প্ৰব্ৰজন ঘটিছিল প্ৰাগৈতিহাসিক আৰু ৬ষ্ঠ শতিকাৰ মাজৰ কোনো সময়ত আৰু এই গোষ্ঠীভূক্ত উত্তৰ অসম শাখাৰ জনগোষ্ঠীবোৰে তেওঁলোকৰ বৰ্তমানৰ বাসভূমিলৈ খৃষ্টীয় শতিকাৰ আৰম্ভণিৰে পৰা প্ৰব্ৰজন আৰম্ভ কৰে। প্ৰব্ৰজনৰ উক্ত সময়ছোৱাৰ ভিতৰত তিব্বতীয় কোনো কোনো জনগোষ্ঠীৰ পৰা কিছু ভাষিক উপাদানো লৈ অহাটো সন্দেহৰ বাহিৰত নহয়। গ্ৰীয়াৰ্চনে২ মিচিমি, আদী (আবৰ), মিচিং (মিৰি), নিচি (ডফলা), আপাটানি হ্রুছু (অকা) আদি ভাষা অধ্যয়ণ কৰি এই ভাষাবোৰক ইণ্ডো-চীন

গোষ্ঠীৰ তিব্বত-বৰ্মী শাখাৰ উত্তৰ-অসম উপ শাখাত অন্তৰ্ভূক্ত কৰিছে। তেওঁ এইটোও দেখুৱাইছে যে উত্তৰ অসম শাখাৰ ভাষাবোৰ হৈছে তিব্বতীয় আৰু হিমালয়ী শাখাৰ উপ-ভাষাবোৰৰ সৈতে কুকি-চীন, বড়ো-নগা আৰু কাচীন ভাষাৰ মাজৰ যোগসূত্ৰ স্বৰূপ। গতিকে তেওঁ সিদ্ধান্ত কৰিছিল যে উত্তৰ-অসম-শাখাৰ জনগোষ্ঠীবোৰ সুকীয়া ভাৱেই বসবাস কৰিছিল আৰু তিব্বত-বৰ্মী গোষ্ঠীৰ বিভিন্ন সময়ত বৈ অহা প্ৰব্ৰজনৰ প্ৰতিটো চাকনৈয়াই এই গোষ্ঠীটোক টোৱাই নিয়াৰ লগতে ভাষাৰ ওপৰতো তেওঁলোকৰ চিহ্ন এৰি আহিছিল। গ্ৰীয়াৰ্চনৰ এই পৰ্য্যবেক্ষণৰ পৰা অনুমান কৰিব পাৰি যে মিচিং ভাষাত বৰ্ত্তমানো প্ৰচলিত হৈ থকা সমগোত্ৰীয় তিব্বত-বৰ্মী ভাষা-ভাষীৰ অন্যান্য ভাষিক লক্ষণৰ লগতে শব্দভাণ্ডাৰলৈও তেতিয়াই কিছু শব্দ প্ৰবেশ ঘটিছিল। মিচিং ভাষাৰ লগত সাদৃশ্য থকা কেইটামান তিব্বতী শব্দ হৈছে— নি (তিব)~আমি (মিচিং) = মানুহ, লাক (তিব.) ~ আলাক (মিচিং) = হাত, মিক (তিব.)~আমিক (মিচিং) = চকু, চিহ্/চি (তিব.)~আচি (মিচিং) =পানী, লাম (তিব.)~লামতী (মিচিং) = ৰাস্তা, পথ। ইয়াৰোপৰি হিমালয়ী উপভাষাৰবোৰৰ দুই এটা শব্দৰ উপস্থিতিয়ে ওপৰোক্ত যুক্তিকেই প্ৰতিপন্ন কৰে।

আলেকজেণ্ডাৰ মেকেঞ্জিৰ৩ মতে অকা আৰু ডফলা জাতিত এটাই আৰু আবৰ আৰু মিৰি জাতিৰ লগত লক্ষীমপুৰ জিলাৰ উত্তৰে থকা পাহাৰ লানিত বাস কৰিছিল........ নিসন্দেহে তেওঁলোক মূলতঃ একে ঠাইৰপৰাই প্ৰব্ৰজন কৰিছিল আৰু তেঁলোকৰ বস্তু সংস্কৃতিৰ বহুতো দিশত থকা সাদৃশ্যই এইটোৱে প্ৰতীয়মান কৰে যে উক্ত জনজাতিবোৰ একেটা মূলৰ পৰাই বিভিন্ন সময়ৰ ব্যৱধানত অগাপিছাকৈ প্ৰব্ৰজন কৰিছে। পৰৱৰ্ত্তী সময়ত অহা আবৰ (আদী) সকলৰ মাজত পূৰ্বৰ বৰ্ব্বৰতা তথা জীৱন ধাৰণৰ প্ৰাচীন পদ্ধতি বিৰাজমান কিন্তু একে মূলৰ মিৰিসকলৰ ভৈয়ামৰ লগত বাধাহীন সম্পৰ্ক তথা মানব সভ্যতাৰ অৱদান স্থায়ী বসতিৰ অভ্যাসে তেওঁলোকক অধিক উন্নত কৰি তুলিছে। মেকেঞ্জিৰ উক্ত মতামতৰ ওপৰত নিৰ্ভৰ কৰি অনুমান কৰিব পাৰি যে হ্ৰুছু, নিচি, আদী, মিচিং ইত্যাদি উত্তৰ অসম শাখাৰ ভাষাবোৰৰ মূল সম্ভৱতঃ এটাই আছিল আৰু মূলতঃ একে ঠাইৰ হলেও একেটা দিশেৰে বিভিন্ন সময়ত প্ৰব্ৰজন কৰা হেতু সময়ৰ ব্যৱধানত প্ৰতিটো গোষ্ঠীৰে ভাষাৰ বিভিন্ন দিশত পৰিবৰ্ত্তন সাধিত হৈছিল আৰু তেনেদৰে পূৰ্বৰ উমৈহতীয়া মূল ভাষাটোৰ অস্তিত্ব প্ৰায় বিলোপ হৈ গোষ্ঠী কেইটাৰ মাজত নিজা নিজা গোষ্ঠীগত নামেৰে একোটা নিৰ্দ্দিষ্ট ভাষাত পৰিণত হৈছিল। অন্যহাতে এই ভাষাবোৰৰ মাজত পূৰ্বৰ একাকীত্বৰ স্বাক্ষৰ হিচাপে ধ্বনিগত, ৰূপগত তথা শব্দ ভাণ্ডাৰৰ দিশত উমৈহতীয়া মিল কিছুমান বৈ গৈছিল। বৰ্তমান মিচিংভাষাত থকা আদী, নিচি, আপাটানি আদিৰ সদৃশ শব্দৰ উপস্থিতি ওপৰোক্ত কাৰণতেই হোৱাটো সম্ভৱ। কথাখিনিৰ অধিক স্পষ্টতাৰ কাৰণে কিছু আদী আৰু নিচি শব্দ সমতুল্য মিচিং শব্দৰ লগত দেখুৱা হ'ল—

আদী		মিচিং	অৰ্থ	আদী		মিচিং	অৰ্থ
দলু	~	দলুং	গাঁও	আম	~	আম	ধান

ন্যিল	~	মিলবং/মিলং	পুৰুষ	আম্বিন	~	আম্বুন	চাউল
ন্যিমে	~	মিমে/নেং	স্ত্ৰী	তাপে	~	তাপা	ৰঙালাউ
আও	~	আও	পুত্ৰ	বায়ম	~	বায়ম	বেঙেনা
আওন্যিমে	~	অমে/অম্মে	কন্যা	তালাপ	~	তালাব	পিয়াঁজ
আব	~	বাবু	পিতৃ	তাকে	~	তাকে	আদা
আনী	~	আনী	মাতৃ	তাবে	~	তাবাদ	কুঁহিয়াৰ
আজেন	~	আঃজন	বন্ধু	আদিন	~	আদু'ন	মাংস
ন্যি	~	তানি/আমি	মানুহ	আল	~	আল	নিমখ
য়ামে	~	য়ামে	ল'ৰা	তি-নাম	~	তু'নাম পি	খোৱা কাৰ্য্য
তুক্কো	~	তুক্তা/তুপ্তা	কপাল	ৰাম-নাম	~	ৰাম-নাম	জ্বৰ
নাপ্পা	~	নাপ্পাং	মুখ	চ-নাম	~	চঃনাম/চঃমান	নাচ
আন্যিক	~	আমিক	চকু	নি-তম	~	নিঃতম	গীত
ন্যোৰু	~	য়েৰুং	কান	উৰম	~	উৰম	দেৱতা/ভূত
আইয়ু	~	আঃয়ী	দাত	ইকি	~	ইংকি	কুকুৰ
আলাক	~	আলাক	হাত	চবিন	~	চবেন	ছাগলী
আকি	~	আকি	পেট	পৰক	~	পৰক/পৰগ/পেৰগ	কুকুৰা চৰাই
ইঃ	~	ইঃ	তেজ	পেজাব	~	পীজাব	হাঁহ
আলাপ	~	আলাব	পাখি	মানচুৰি	~	মেনচুৰুং	শিয়াল
কবা	~	কবং	জখলা	কবু	~	কীবুং	এন্দুৰ
দুম্পা	~	দুম্পাং	গাৰু	তাতিক	~	তাতু'গ/তাতু'ক	ভেকুলি
চিপাৰ	~	কিংপাৰ	উৰাল	ঙই	~	অঙ	মাছ

খৃষ্টীয় শতিকাৰ আৰম্ভণিৰ অব্যৱহিত পূৰ্ব্ববৰ্ত্তী আৰু পৰৱৰ্ত্তী সময়ত লিখা গ্ৰীক আৰু ৰোমান প্ৰাচীন সাহিত্য বিশেষকৈ পীলানীৰ 'নেচাৰেল হিষ্টৰী', টোলেমিৰ 'জিঅ'গ্ৰাফি', 'পেৰিপ্লাচ অব ইৰিথ্ৰিয়ান চি' আদি গ্ৰন্থত উত্তৰ-পূৱ ভাৰতৰ বাসিন্দা সকলৰ নাম আৰু বাসস্থান সম্পৰ্কে মেৰিডিয়নেলচ্, মেৰিডিয়েম, অচ্মিৰা, আবৰীমন্, আবালী, অৰ্ব্ৰচুলে আদি শব্দেৰে উল্লেখ কৰিছে আৰু সিবোৰেই উত্তৰ-পূৱ ভাৰতৰ জনজাতি আবৰ, মিৰি, মিচিমি, অকা আদি জনজাতি বুলি অনুমান কৰিব পৰা যায়। ড০ সুনীতি কুমাৰ চেটাৰ্জীয়ে অনুমান কৰে যে সম্ভৱতঃ খৃষ্টপূৰ্ব ২০০০ চন মানৰ পৰা উত্তৰ-পশ্চিম চীনৰ হোৱাংহো আৰু ইয়াং চিকিয়াং নদীৰ উপত্যকাৰ পৰা বৃহৎ মঙ্গোলয়দ গোষ্ঠী ক্ৰমে দক্ষিণ-পশ্চিম দিশলৈ বিতাৰিত হ'বলৈ আৰম্ভ কৰে। উত্তৰ অসম শাখাৰ জনজাতি— আবৰ, অকা, ডফলা, মিৰি আৰু মিচিমি সকল পলমকৈ প্ৰব্ৰজন কৰিছিল আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰৰ পাহাৰী অঞ্চলত বসতি স্থাপন কৰাৰ সময়ত উপত্যকাৰ সমতলীয় অঞ্চলত ইতিমধ্যেই বড়ো জনগোষ্ঠীৰ বসতি গঢ়ি উঠিছিল। ওপৰোক্ত দৃষ্টিভঙ্গীৰ পৰা অনুমান কৰিব পাৰি যে পাহাৰীয়া জীৱন যাত্ৰাৰ সময়তেই ওচৰ-চুবুৰীয়া বড়ো গোষ্ঠীৰ লোক সকলৰ লগত মিচিং সকলৰ চেগা-চোৰোকাকৈ সম্পৰ্ক ঘটিছিল আৰু অসমৰ ভৈয়াম

অঞ্চললৈ স্থায়ীভাৱে অহাৰ পিছত সেই যোগাযোগ কিছু সুদৃঢ় হৈছিল। মিচিং ভাষাত থকা বড়ো-কছাৰী, দেউৰী, মিকিৰ (লালুং), মণিপুৰী আদি ভাষাৰ শব্দাৱলীৰ উপস্থিতিয়ে এই অনুমানক কিছু বাস্তৱতা প্ৰদান কৰে।

নৃতাত্ত্বিক ডেল্টন৫, ডেনি৬ আদি পণ্ডিতে মতামত পোষণ কৰে যে উত্তৰ অসম শাখাৰ জনগোষ্ঠীবোৰৰ শাৰিৰীক গঠনৰ লগত চীনৰ কিছুমান জনজাতিৰ মিল থকাৰ উপৰিও পূৱ-তিব্বতী জনগোষ্ঠীৰ লগতো মিল আছে। বস্তু সংস্কৃতিৰ দিশলৈ লক্ষ্য কৰি হেইমেনডৰ্ফে৭ দেখুৱাইছে যে পূৱ তিব্বতী 'আমডোপা' জনজাতিয়ে শ্বাস-প্ৰশ্বাস বন্ধ কৰি জীৱ বধ কৰা কাৰ্য্যৰ লগত উত্তৰ অসম শাখাৰ জনজাতি সকলৰ উক্ত পদ্ধতিৰ মিল আছে আৰু উত্তৰ-পূৱ সীমান্তলৈকে তীব্বতৰ পৰা সংস্কৃতিৰ ঢল বৈ অহাৰ ক্ষেত্ৰত তেওঁ নিসন্দেহ হৈছে। উত্তৰ অসম শাখাৰ জনগোষ্ঠীৰ মাজত প্ৰচলিত কৃষি পদ্ধতি তথা চাংঘৰ সাজি বাস কৰা পদ্ধতিৰ লগত দক্ষিণ-পূৱ এচিয়াৰ জনজাতি সকলৰ একে দিশৰ পদ্ধতিগত হুবহু মিল দেখা যায়। দক্ষিণ-পূৱ এচিয়াৰ লগত থকা সম্পৰ্কৰ বিষয়টো আৰু অধিক স্পষ্ট হয় ৰাডেল৮ৰ মন্তব্যৰ পৰা। তেওঁ লক্ষ্য কৰে যে সন্তান জন্মৰ সময়ৰ মিচিং পুৰুষ (পিতৃ) সকলে পালন কৰা ক্ৰিয়া কলাপে (couvade) মাতৃপ্ৰধান অষ্ট্ৰিক সমাজৰ লগত মিচিং সকলৰ প্ৰাচীন সম্পৰ্কৰ চিহ্ন বহন কৰে। ইয়াৰোপৰি মিচিং সকলৰ মাজত থকা কেঁচা তামোল খোৱা প্ৰথা আৰু ডেকা চাং বা মুৰংঘৰৰ সংস্কৃতি দক্ষিণ-পূব এচিয়াৰ অষ্ট্ৰিক গোষ্ঠীৰ পৰা আহৰণ কৰাৰ সম্ভাৱনীয়তা আছে। বৰ্ত্তমানেও মিচিং ভাষাত থকা অষ্ট্ৰিক গোষ্ঠীৰ খাচী আৰু কোল-মুণ্ডা ভাষাৰ দুই এটা শব্দৰ উপস্থিতিয়ে ওপৰোক্ত দৃষ্টিভঙ্গীক অধিক সবল কৰে।

ড০ গুইৎ৯ই মন্তব্য কৰে যে উত্তৰ অসম শাখাটোৰ জনগোষ্ঠীসকল বৃহৎ মঙ্গোলয়দ গোষ্ঠীৰ এটা সুকীয়া শাখা, যিটোৱে উত্তৰ পশ্চিম চীনৰ পৰা প্ৰব্ৰজন আৰম্ভ কৰিছিল আৰু অসমৰ পাৰ্বত্য এলেকাত এটা উপ শাখা এৰি থৈ মূল প্ৰব্ৰজনৰ সোঁতটো ইণ্ডোনেচীয়াৰ ফাললৈ আগবাঢ়ি গৈছিল। অসমৰ উক্ত উপ-শাখাটোৰ প্ৰতিনিধি হিচাবে মিচিং, নগা, বড়ো আদি জনজাতি সকলক পোৱা যায়। পণ্ডিতসকলৰ পৰ্যবেক্ষণবোৰ চালিজাৰি চালে এই কথা প্ৰতীয়মান হয় যে উত্তৰ অসম শাখাৰ জনজাতিবোৰ বৃহৎ মঙ্গোলয়দ গোষ্ঠীৰ পেলিওমঙ্গোলিকাচ শাখাৰ লোক, যাৰ প্ৰাচীন সভ্যতা উত্তৰ-পশ্চিম চীনৰ হোৱাংহো আৰু ইয়াংচিকিয়াং নদীৰ উপত্যকাত বিয়পি আছিল। তেওঁলোকৰ শাৰীৰিক গঠন, ভাষা আৰু অন্যান্য সাংস্কৃতিক উপাদানে দক্ষিণ চীনৰ কেতবোৰ থলুৱা জনজাতিৰ লগত সাদৃশ্য দেখুৱাৰ লগতে পূব-তিব্বতৰ থলুৱা জনজাতি খাপ্পা, মেন্দ্ৰা, আমডোপা আদিৰ লগত নিকট সম্পৰ্ক প্ৰদৰ্শন কৰিছিল।

খৃষ্টীয় প্ৰথম শতিকাৰ কিছু আগৰে পৰাই অসমলৈ আৰ্য্য (ককেচীয় গোষ্ঠী) লোকৰ প্ৰব্ৰজন হোৱা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। আৰ্য্যসকলৰ আগমনৰ পূৰ্বৰে পৰা মঙ্গোলীয় প্ৰজাতিৰ লোকসকল অসমত বসবাস কৰি আছিল। তুলনামূলকভাৱে সকলো ফালেদি উন্নত আৰ্য্য সকলে আৰ্যেতৰ প্ৰায়বোৰ দিশকে দ্ৰুত আৰ্য্যীকৰণ কৰিবলৈ আৰম্ভ কৰিছিল আৰু দশম শতিকামানৰ পৰা ই

অধিক প্ৰবল হৈছিল আৰু বহুলাংশে কৃতকাৰ্য্য হৈছিল। আৰ্য্যগোষ্ঠীৰ প্ৰব্ৰজনৰ লগে লগেই অসমত তেওঁলোকে বহন কৰি অনা সংস্কৃত ভাষা চৰ্চা হ'বলৈ ধৰে আৰু এই ভাষা তুলনামূলকভাৱে জনজাতীয় ভাষা সমূহতকৈ উন্নত পৰ্য্যায়ৰ আছিল, গতিকে অনাৰ্য্যমূলীয় কোচ, কছাৰী, বৰাহী আদি বিদ্যোৎসাহী নৃপতিসকলে সংস্কৃতজ্ঞ পণ্ডিতসকলৰ হতুৱাই শাস্ত্ৰাদি প্ৰণয়ন কৰোৱাইছিল আৰু পিছলৈ অনাৰ্য্য প্ৰায়বোৰ গোষ্ঠীৰেই ধৰ্ম প্ৰধানতঃ হিন্দু হৈ পৰিছিল। মঙ্গোলীয় প্ৰজাতিৰ অইন গোষ্ঠীৰ লগতে মিচিং সকলেও বহু পূৰ্বৰে পৰা অসমত বসবাস কৰি থকাৰ হেতু আৰ্য্যভাষা সংস্কৃত তথা তদ্ভৱ অসমীয়া ভাষাৰ শক্তিশালী প্ৰভাৱৰ পৰা হাত সাৰি থাকিব পৰা নাছিল যাৰ ফলত ভাষিক তথা ধৰ্মীয় আচাৰ-নীতি বহুলাংশে গ্ৰহণ কৰিব লগাত পৰিছিল। ফলস্বৰূপে এক বৃজন পৰিমাণৰ অসমীয়া ভাষাত ব্যৱহৃত তৎসম আৰু তদ্ভৱ শব্দও অবিকৃত তথা সামান্য বিকৃত ভাৱে মিচিং ভাষাত ব্যৱহৃত হৈ আহিছে।

দৰাচলতে মিচিং ভাষাৰ লগত অৰুণাচলৰ আদি ভাষাৰ সম্পৰ্ক ওচৰ। অন্যহাতে ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে তিব্বত তথা হিমালয়ী শাখাৰ ভাষাবোৰৰ লগতো মিচিং ভাষাৰ কৰবাত কৰবাত সাদৃশ্য ওলায়। সমগোত্ৰীয় এই ভাষাবোৰৰ লগত মিচিং ভাষাৰ তুলনামূলক অধ্যয়ন অবিহনে মিচিংভাষাৰ কোনো প্ৰত্নৰূপ উদ্ধাৰ সম্ভৱ নহয়। মিচিংসকলৰ ধাৰ্মীয়গীত আবাং বোৰৰ প্ৰাচীনতা তথা দুৰ্বোধ্য কিছুমান শব্দৰ সঠিক বিচাৰ বিশ্লেষণ কৰিব পাৰিলে তাৰ মাজতো এই ভাষাৰ পত্নৰূপৰ সন্ধেদ হয়তো পোৱা যাব পাৰে। মিচিং ভাষাৰ প্ৰত্ন ৰূপৰ সংক্ৰান্তত সন্দেহ আৰু সংশয় জড়িত হৈ থাকিলেও এইটো নিশ্চিত যে সুকীয়া গোট হিচাপে প্ৰব্ৰজন কৰা মিচিং সকলে বৰ্ত্তমানো প্ৰচলিত তেওঁলোকৰ 'তানি আগম' (মানৱ ভাষা অৰ্থাৎ মিচিং ভাষা)টো মৌখিকভাৱেই কঢ়িয়াই আনিছিল আৰু সময়ৰ প্ৰয়োজন তথা প্ৰবেশ ঘটিছিল। মিচিংসকল জাতিত এটাই হলেও তেওঁলোকৰ মাজত অয়ান, পাগৰ, দীলু, দাম্বুক, চা-য়াং, ময়িং, চামুৱা আদি গোত্ৰ আছে। শদিয়াৰ পৰা ভৰলীলৈকে এই বিস্তৃত ভূ-খণ্ডত উক্ত মিচিং গোত্ৰ সমূহ সিঁচৰিতভাবে বসবাস কৰাৰ ফলত প্ৰধানতঃ কৃষিজীৱি মিচিং সকলে তেওঁলোকৰ গোত্ৰসমূহৰ ভিতৰতে পাৰস্পৰিক আদান প্ৰদানৰ বাবে কাচিৎহে সময় উলিয়াব পাৰে যাৰ ফলত উক্ত গোত্ৰ সমূহৰ মাজত কিছু ভাষিক বিশেষত্বই গঢ় লৈ উঠিছে। অয়ান, পাগৰ, দীলু, দাম্বুক এই কেইটা গোত্ৰৰ মিচিং ভাষাটো প্ৰায় একে। ময়িং আৰু চামুৱাং মিচিং ভাষাটোও কঠন ভঙ্গীত একে কিন্তু ওপৰোক্ত গোটটোৰ লগত কিছু বৈসাদৃশ্য দেখা যায়। অন্যহাতে চায়েঙীয়া মিচিং ভাষাটোৱে ওপৰোক্ত দুয়োটা গোটৰ পৰা কিছু পৃথকতা দেখুৱাৰ লগতে অৰুণাচলৰ আদীভাষাৰ লগতহে ওচৰ সম্পৰ্ক দেখুৱায়। মিচিং সকলৰ অন্যান্য গোত্ৰৰ তুলনাত চায়াং সকল বহুপিছতহে অসমলৈ আহে বুলি মিচিং বিশেষজ্ঞ পণ্ডিতসকলে ভাবে গতিকে চায়াঙ সকলৰ ভাষাৰ তেনে বৈশিষ্ট্যত আচৰিত হ'ব লগা একো নাই। অন্যহাতে তেমাৰ, বঙ্কোৱাল, বিহিয়া আৰু বেবেজীয়া আদি মিচিং গোত্ৰ সমূহে ভঙা অসমীয়াকে ব্যৱহাৰ কৰে যদিও মিচিং ভাষাৰ বেচিভাগ শব্দই এই ভাষাত

ব্যৱহাৰ হয়। ওপৰোক্ত মিচিং-অসমীয়া ভাষীসকলৰ ব্যতিৰেকে সকলোবোৰ গোত্ৰৰে উমৈহতীয়া লক্ষণবোৰ একে আৰু একেটা মিচিং ভাষাকে ব্যৱহাৰ কৰে। গতিকে উমৈহতীয়া মিচিং ভাষাটোত ব্যৱহৃত শব্দ ভাণ্ডাৰকে মিচিং ভাষাৰ মৌলিক শব্দ সম্ভাৰ হিচাপে গণ্য কৰিলে নিশ্চয় সংশয় আৰু দ্বিমত নাথাকে।

মিচিং শব্দভাণ্ডাৰক পদ্ধতিগত ভাবে আলোচনাৰ সুবিধাৰ কাৰণে তলত দিয়া ধৰণে ভাগ কৰিব পৰা যায়—



মিচিং মৌলিক শব্দ সম্ভাৰ : মিচিং সকলৰ ভিতৰত পাগৰ, দীলু, চায়াং, অয়ান ইত্যাদি ছটা গোত্ৰ আছে, প্ৰত্যেক গোত্ৰৰে কঠনভঙ্গীত কিছু সুকীয়াত্ব পৰিলক্ষিত হলেও সকলো কেইটা গোত্ৰই একেটা মিচিংভাষাকে ব্যৱহাৰ কৰে আৰু সকলোবোৰ গোত্ৰৰে মাজত ব্যৱহৃত হোৱা শব্দ সম্ভাৰেই মিচিং ভাষাৰ মৌলিক শব্দ সম্ভাৰ। মৌলিক শব্দ কিছুমানৰ লগতে বুজাৰ সুবিধাৰ বাবে অৰ্থ সমূহ লগতে দিয়া হ'ল—

অঃস্ৰ (সূতা), অতুং (বাঁহৰ চুঙা), অঙ (মাছ), অক্ক (কি?), অউড (ওখ), অম্মাং (সন্তান), অৰি (ধনীয়া), অৰ্পন (কাষত), আচিন (কলিজা), আচি (পানী), আচুক (বিচনা), আৰ্পি´ (অন্তৰ/মন), আম্বুন (চাউল), আইঅ (জিভা), আঞ্ৰুক (স্তন/বুকু), আয়ানে (মৰমীয়াল), আৰাং (কোঠা/ভিতৰ), আবৃগ আগেৰ (কৃষিকৰ্ম্ম), আৰী (আৰু), ইয় (নকৰিবা), ইবতকা (সহায়), ইদূল (সময়মতে), ইদুমচুনীক (সহায়কাৰী), ইদাগ্‌জাই (অনুসৰণ), ইকি (কুকুৰ), ইকিআৰী (পোৱালি কুকুৰ), ইৰব্‌ত (আৰম্ভ কৰা), ইপুন্‌ত (শেষ কৰা), ইবনী (পথ প্ৰদৰ্শক), ইছ (ইয়াত), ইচিং (কাঠ), ইৰ্বত (গাধোৱা), ইৰ্দাগ (জ্ঞানী), ইৰচুনাম (গাধোৱা), ইৰ্ৰে (জাকজমক), ই:ত (খুন্দা মাৰা), উমী/ইমি (জুই), উয়ু (দেৱতা), উচা:ত (পোহা), উদাগ (সোৱাদ/জুতি), এগে (মেখেলা), এঙে (কচু), এয়েগ (গাহৰি), এচাৰ (বতাহ), এ:বাদ (ফলৱতী), ঔদী (সেইটো) ঔকুম (ঘৰ), বাত (পৰিস্কাৰ কৰা), বা:ত (পোৱা/সাতোঁৰা), বাঙ্ক (ভেকুৰি তিতা), পাত (কটা), পা:ত (পোৱা), প:ল (চন্দ্ৰ), পিনকাং (পইতা ভাত), প: পূৰ (পখিলা), পৰিক (বিদ্যালয়), পাঃ তাং (হ্ৰদ/বিল), পীদং (বৰষুণ), তা:ত (ককা), তায়ুগ (ওকণি),

তুপ্‌তা (কপাল)।

মিচিং ঋণকৃত শব্দ : কোনো ভাষাৰ শব্দ উৎপত্তি যিদৰে হয় তেনেদৰে প্ৰায়ে বিভিন্ন পৰিবেশত পৰিবৰ্ত্তনো হয়। মানুহৰ জীৱন ধাৰণৰ পদ্ধতি যিমানেই জটিল হৈ পৰিছে সিমানেই মানুহে নতুন নতুন ধাৰণা অধিক সহজবোধ্য কৰিবলৈ নতুন নতুন শব্দৰ সৃষ্টি কৰিছে বা অইন ভাষাৰ পৰা শব্দ গ্ৰহণ কৰিছে। ভাষাৰ এই ধাৰ কৰা ৰীতি স্বত:স্ফূৰ্ত। প্ৰয়োজনৰ খাতিৰত মিচিং ভাষাত সোমাই পৰা শব্দৰ সংখ্যা উলাই কৰিব পৰা বিধৰ নহয়। মিচিং ভাষাৰ তুলনাত ইয়াৰ ভগ্নী ভাষা আদী আৰু নিচি ভাষাত ঋণকৃত শব্দৰ পয়োভৰ নাই বুলি ক'ব পাৰি। অসমীয়া ভাষী লোকসকলৰ লগত পাৰস্পৰিক আদান প্ৰদানৰ ফলস্বৰূপে মিচিং ভাষাৰ পৰা অসমীয়ালৈ আৰু অসমীয়া ভাষাৰ পৰা মিচিং ভাষালৈ কিছু শব্দ গম হোৱাৰ উপৰিও অসমীয়া ভাষাত ব্যৱহাৰ হোৱা হিন্দী, ইংৰাজী, বঙালী, আৰবী,পাৰ্চী মূলজ শব্দ মিচিং ভাষাতো স্বত:স্ফূৰ্ত ভাৱে সোমাই পৰিছে। অন্যহাতেদি ওচৰ চুবুৰীয়া জনজাতীয় বড়ো, মণিপুৰী, দেউৰী, খাচী আদি ভাষাৰ সাদৃশ্যমূলক কিছু শব্দ মিচিং ভাষাত পোৱা যায়। উক্ত শ্ৰেণীৰ শব্দবোৰ অনুক্ৰমে দেখুৱাবলৈ যত্ন কৰা হ'ল—

অসমীয়া ভাষাৰ লগত প্ৰত্যক্ষ যোগাযোগৰ ফলত আহৰিত শব্দাৱলী :

যিহেতু মিচিং ভাষাত মহাপ্ৰাণ বৰ্ণ উচ্চাৰিত নহয় আৰু তেনে ক্ষেত্ৰত কিছু ব্যতিক্ৰমৰ বাহিৰে বৰ্ণমালা অনুসৰি প্ৰত্যেক মহাপ্ৰাণ বৰ্ণৰে আগৰ আখৰটোহে উচ্চাৰিত হয়; গতিকে উচ্চাৰিত অসমীয়া শব্দবোৰকো সেই ৰীতিমতে সজাই লোৱা দেখা যায়। শিক্ষিত মিচিং লোকৰ ক্ষেত্ৰত তেনে বিভ্ৰাট হোৱা দেখা নাযায়। অসমীয়া তেনে কিছু শব্দৰ উদাহৰণ তলত দিয়া হ'ল—

(মি) ইন্দুৰ ‹ সিন্দুৰ (অস), (মি) ইলিকাং ‹ শিলিখা (অস), (মি) ইচৰ ‹ ঈশ্বৰ (অস), (মি) উদুবুদু ‹ হুদু (অস), (মি) উৰং ‹ উৰহ (অস), এচাৰি (মি) ‹ এচাৰি (অস), (মি) কউ ‹ কুলি (অস), (মি) কতিয়া ‹ ক'ঠিয়া (অস), (মি) কদম ‹ কদম (অস), (মি) কানি ‹ কানি (অস), (মি) কুজুলি ‹ খ'জুলি (অস), (মি) কুন্দনা ‹ খুন্দনা (অস), (মি) কেতেকী ‹ কেতেকী ফল (অস), কে'ৰে'লাং (মি) ‹ কেৰেলা (অস), কইনা (মি) ‹ ক'ইনা (অস), (মি) অতৰু ‹ শত্ৰু (অস), (মি) অময় ‹ সময় (অস), (মি) অমৃতাং ‹ অমিতা (অস), (মি) অবমৰী ‹ সোৱনশিৰি (অস), (মি) আকৰ ‹ আখৰ (অস), (মি) আগৰ ‹ সাগৰ (অস), (মি) আঙুতি ‹ অঙ'ঠি (অস), (মি) আমলকি ‹ আমল'খি (অস), (মি) বাতি ‹ বাতি (অস), (মি) আল ‹ হাল (অস), (মি) অলদিয়াং ‹ হাল'ধীয়া (অস), (মি) আলি/আলু ‹ আলু (অস), (মি) ইকৰাং < ইকৰা (অস), (মি) গুংগুং ‹ গগনা (অস), (মি) গন্টি ‹ ঘ'টি (অস), (মি) গ:ৰু ‹ গৰু (অস), (মি) গৰছীয়া ‹ ঘৰ'চীয়া (অস), গাইকুন্তা ‹ ঘাই খুটা, (মি) গাকুৰ ‹ গাখীৰ (অস) গাগৰি ‹ গাগ'ৰী (অস), (মি) গাংবুৰা ‹ গাওঁবুঢ়া (অস), (মি) গুকাই ‹ গোসাই (অস), (মি) গুৰ ‹ গুড় (অস), (মি) গুৰে ‹ ঘোড়া (অস), (মি) গুলি ‹ গুলী (অস), (মি) গুআল ‹ গোৱাল (অস), (মি) গৰকীয়া ‹ গৰ'খীয়া (অস), (মি) যন্তৰ ‹ যঁতৰ (অস), (মি) যদি ‹ য'দি (অস), (মি) জাউবন ‹ জাউবন (অস), (মি) জামু ‹ জামু (অস), (মি) জুঙলি ‹

জোঙালি (অস), (মি) তুলাং < তে'ল (অস), (মি) তুলাচনি < তুলাচ'নী (অস), (মি) তুলি < তুলী (অস), (মি) দতুৰাং < ধ'তুৰা (অস), (মি) দলং < দলং (অস), (মি) দালিম < ডালিম (অস), (মি) দুপৰীয়াং < দুপ'ৰীয়া, (অস), (মি) দুলি < ধুলি (অস), (মি) দেগ < দেশ (অস), (মি) দই< দৈ (অস), (মি) নাঙৰ < নাহৰ (অস), (মি) নাঙল < নাঙল (অস), (মি) নাপিত < নাপিত (অস), (মি) নামগৰ নামঘৰ (অস), (মি) নাৰিকল < নাৰিকল (অস), (মি) নাৰেং (নাৰেং < নাৰেং (অস), (মি) পদুমাপ্পুন < পদুম ফুল (অস), (মি) পাৰং < পাৰ (অস), (মি) পিতাং < পিঠা (অস), (মি) পিতিকাং < পিতিকা (অস), (মি) পিৰতবী < পৃথিৱী (অস)।

হিন্দী ভাষাৰ পৰা অহা শব্দ :

(মি) উস্তিৰাং < সুম'থিৰা (অ) < শন্তৰা (হি), (মি) কামিচ < কামিজ (অ) < কামিজ (হি), (মি) কিতাপ < কিতাপ (অ) < কিতাব (হি), (মি) আদ্লি < আধ'লী (অ)< আধলি (হি), (মি) আস্তুৰি < হাথুৰী(অ) < হথৌৰী (হি), (মি) আৰচি < আচী (অ) < আছী (হি), (মি) ইকি < সিকি (অ) < শিকি (হি), (মি) জুত্তা < জোঁতা (অ) < জুতা (হি), (মি) তুলকি < অ তুল'সী (অ) < তুলসী (হি), (মি) পদিনং < প'দিনা (অ) < পুদিনা (হি), (মি) বাল্তিং < বাল্টি (অ) < বাল্টি (হি), (মি) ৰুতি/উতি < ৰুটি (অ) < ৰোটি (হি)।

বঙলা ভাষাৰ পৰা অহা শব্দ :

(মি) তেকেৰাং < থেকেৰা (অ) < থৈকোল (বঙ), (মি) পলু < প'লু (অ) < পলু (বঙ), (মি) বতালি < বটালী (অ) < বাটালি (বঙ),(মি) বলুকাইয়া < ভ'লুকা (অ) < ভালুক্ বাস (বঙ), (মি) চেনি < চেনি (অ) < চিনি (বঙ), (মি) আতাং (এটা/আঠা (অ) < আঠা (বঙ), (মি) দমৰাং < দমৰা (অ) < দামড়া (বঙ), (মি) বেপাৰ্ পাৰ্নাম < বেপাৰ (অ) < ব্যাপাৰ (বঙ), (মি) পকা অকুম < পকাঘৰ (অ) < পোকা ঘৰ (বঙ), (মি) অকণ < ওখোন (অ) < উকুন বাৰি (বঙ)।

অন্যান্য মঙ্গোলীয় যোগসূত্ৰৰ ফলত অহা শব্দ :

বড়ো-কছাৰী :

(মি) আয় < আয়াঁই (ব-ক) (শাহুআই), (মি) আগ্রিও (আনিয়) < আনাঁই (ব-ক) = মোমাই, (মি) গুয়েং গয় (ব-ক)= তামোল, (মি) < য়া < উৱা (ব-ক) = বাহ, (মি) গুদা/গুদুং < গুদং (ব-ক) = গৰম, (মি) লা < লা (ব-ক) = লোৱা, (মি) ঙ < আঙ্ (ব-ক) = বাহী, (মি) যন্তৰ < যেন্থেৰ (ব-ক) = যঁতৰ, (মি) পাগুৰি < ফাউগ্ৰি (ব-ক) = পাগুৰী, (মি) কবিৰ < ক'ফি (ব-ক) = কবি, (মি) কতাল < খাম্থল (ব-ক) = কঠাল, (মি) জকলা < জাঙ্খ্লা (ব-ক) = জখলা।

দেউৰী :

(মি) < আ < যুৱা (দে)=বাহ, (মি) য়উআ < য়ায়ং (দ্যে = মা, (মি) বাঃ বু < বাবা (দে)= পিতা, (মি) কাই < কাই (দে) =ডাঙৰ ভাই, (মি) বাই < বাই (দে) = ডাঙৰ ভনী, (মি) চম্পা < চ্ছাপা (দে)= ঔ টেঙা, (মি) গুৱে/গুৱেং< গুই (দে) = তামোল, (মি) ৌজুক < উয়ু (দে) = চুঙা, (মি) মেনজেগ < মৈই (দে) = ম'হ, (মি) আৰীন < মিৰ (দে) = কাহী, (মি) গাদুদুম্পাং < গাদু (দে) = গাৰু, (মি) মেনচুৰুং < মেচুৰু (দে) = শিয়াল, (মি) তামিক < চুতামি (দে) = মাখি, (মি) চা চা < চান্ চান্ (দে) = বাৰু বাৰু।

মণিপুৰী ঃ

(মি) মি/আমি ‹ আমি ‹ মি = মানুহ, (মি) ইঃ ‹ ই (ম) = তেজ, (মি) উমু/উমী ‹ মুই (ম) = জুই, (মি) আচ/আচি ‹ ইচিং (ম) = পানী, (মি) ‹ চুঙ ‹ চিং (ম) = জঙ্ঘল/গছ, (মি) তুং ‹ আতুং (ম)= চুঙা, (মি) আমিক ‹ মিত (মে) = চকু, (মি) আক ‹ আমুক (ম) = এক, (মি) আঞি ‹ আনি (ম)= দুই, (মি) আউম ‹ আহুম (ম) = তিনি, (মি) আঙঙ ‹ মাঙঙ (ম) =পাচ, (মি) তায়ুং হোয়ুং (ম) = মাখি, (মি) ন ‹ নাং (ম) = তই, তুমি, আপুনি, (মি) অংঙ ‹ ঙা (ম) = মাছ, (মি) অকুম/একুম ‹ য়ুম (ম) = ঘৰ, (মি) ‹ আ ‹ উৱা/অউৱা (ম) = বাহ

মিকিৰ (কাৰ্বি) ঃ

(মি) কুমদং ‹ কাদম (কা) ধন্যবাদ, (মি) ‹ লুং ‹ আলং (কা) = শিল, (মি) আঞি ‹ আনি (কা) = মোমাই, (মি) আমিক ‹ আমেক (কা)= চকু, (মি) অঙ ‹ অক (কা) = মাছ, (মি) ন ‹ নাং (কা) = তুমি, (মি) তাঃত ‹ আতা (কা) = ককা, (মি) তাতৃক ‹ চাৰতিকা (কা) = ভেকুলী, (মি) মেনচাকং মিচুৰুং (কা) = শিয়াল, (মি) ইকি ‹ হিক্ (কা) = কুকুৰ।

খাচী/কোল-মুণ্ডা ঃ

(মি) লাতুম - লাতুম (কো-মু) = লাটুম (কো-মু) = লাটুম, এবিধ খেলৰ যতন, লাতম (খা)

(মি) আজেং জেং জেং (খা) = দায়, জগৰ, (মি) চাকলাং চহ্থাং (খা) চকলা টেঙা (অস) = এই নামেৰে এবিধ টেঙা (চহ্ (খা) = ফল + থাং (খা) = টেঙা/বেচি টেঙা (মি) আম আতৰ/আটা (কো-মু) = ককা, (মি) কাই কাকা (কো-মু) = ডাঙৰ ভাই।

ঋণকৃত শব্দভাণ্ডাৰৰ দ্বিতীয় লানি শব্দৰ মূল বৰ্হিভাৰতীয় ভাষা অৰ্থাৎ ইউৰোপীয় ভাষাৰ ভিতৰৰ ইংৰাজী ভাষাৰ পৰাই মিচিংসকলৰ আধুনিক পৃথিৱীখনৰ লগত সম্পৰ্ক স্থাপনৰ ফলস্বৰূপে বহু শব্দৰ আগমণ ঘটিছে। ইউৰোপীয় মুলোম্ভৱ ভাষা পৰ্তুগীজ, ফ্ৰান্স, ডাটচ আদি ভাষাৰ কিছু শব্দও মিচিংভাষাত অপৰিৱৰ্তিত আৰু কিছু পৰিৱৰ্তিত ৰূপত পোৱা যায়। ওপৰোক্ত শব্দৰাজি পোনপতীয়াকৈ মিচিং ভাষালৈ অহাৰ সম্ভাৱনাত কৈ অসমীয়া ভাষাৰ যোগেদিহে সৰবৰাহ হোৱাৰ সম্ভাৱনীয়তা আছে। এই ধৰণৰ শব্দ সমূহৰ তালিকা তলত দিয়াৰ চেষ্টা কৰা হ'ল—

ইংৰাজী ভাষাৰ পৰা সৰবৰাহ ঃ

(মি) কাৰাচিন ‹ কেৰাচিন (অস) ‹ কেৰচিন (ইং), (মি) তিং ‹ টিন (অস) ‹ টিন (ইং), (মি) ৰেল/লেৰ/লেল ‹ ৰেল (অস) ‹ ৰেইল (ইং), (মি) চাৰকেল/চাইকেল (অস) ‹ চাইকেল (ইং), (মি) তাবুল ‹ টেবুল/টেবিল (অস) ‹ টেবল্ (ই) (মি) বিস্কুদ ‹ বিস্কুট (অস) ‹ বিস্কিট (ইং), (মি) আপেল ‹ আপোল (অস) এপেল (ইং), (মি) অপিচ ‹ অ'ফিচ (অস) ‹ অফিচ (ইং), (মি) ইণ্টাৰবিঙ ‹ ইণ্টাৰভিউ (অস) ‹ ইণ্টাৰভিউ (ইং), (মি) গবৰমেন ‹ গভৰমেণ্ট (অস) ‹ গভৰ্ণমেণ্ট (ইং), (মি) এপইনমেন ‹ এপইনমেণ্ট্ (অস) ‹ এপ্লইণ্ট্মেণ্ট (ইং), (মি) ইনকাম ‹ ইনকাম (অস) ‹ ইনকম (ইং), (মি) এৰিয়া ‹ এৰিয়া (অস) ‹

এৰিয়া (ইং), তাউন (মি) ‹ টাউন (অস) ‹ টাউন (ইং), (মি) ডিষ্টিক ‹ ডিষ্ট্ৰিক্ট (অস) ডিষ্ট্ৰিক (ইং), (মি) নতিচ ‹ ন'টিচ/নোটিচ (অস) ‹ নোটিচ (ইং), পিল/ফিল (মি) ‹ ফিল/ফিল্ড (অস) ‹ ফিল্ড (ইং), (মি) বুৰ্ড ‹ বোৰ্ড (অস) ‹ ব'উৰ্ড (ইং), (মি) ৰচিত ‹ ৰ'চিদ/ৰিচিপ(অস) ‹ ৰিচিপ্ট (ইং) (মি) ৰেকড/ৰেকৰ্ড ‹ ৰেকৰ্ড (অস) ‹ ৰেকৰ্ড (ইং), (মি) এৰেচ ‹ এৰেষ্ট (অস) ‹ এৰেষ্ট (ইং), (মি) কেম ‹ কোম/কেম্প (অস) ‹ কেম্প (ইং)।

পৰ্তুগীজ ভাষাৰ পৰা সৰবৰাহ ঃ

(মি) পিন ‹ পিন (অস) ‹ পিন (প), (মি) চাবুন ‹ চাবোন (অ) ‹ চাবন (পৰ্তু), (মি) আতা ‹ আটা (অস) ‹ আটা (প), (মি) আলমাৰি ‹ আলমাৰি (অ) আলমিৰাহ (প), (মি) কামিচ ‹ কামিজ/কামিচ (অস) ‹ কামিজ (প), (মি) চাবি ‹ ছবি (অস) ‹ ছাবি (প), (মি) কিৰানি ‹ কেৰাণী/কেৰেণী (অ) ‹ কেৰানী(প), (মি) উতি/ৰুতি ‹ ৰুতি (অ) ‹ ৰোতি (প), (মি) বিচকুদ ‹ বিস্কুট (অস) ‹ বিস্কুট (প), (মি) বুতাম ‹ বুটাম (অস) ‹ বোটন (প)

ফ্ৰান্সভাষাৰ পৰা ঃ

(মি) কাৰতিচ ‹ কৰ্তিজ (অ) ‹ কৰ্টৰীজ (ফ্ৰা), (মি) কুপন ‹ কুপন (অ) ‹ কুপন (ফ্ৰা)।

ডাটচ ভাষাৰ পৰা ঃ

(মি) ইচকা ‹ ইস্কা (অস) ‹ ইচকাপন (ডা), (মি) ৰইটন ‹ ৰ'হিত্তন (অ) ‹ ৰহিট্টন (ডা), (মি) অৰতন ‹ হৰ্ত্তন (অ) ‹ হৰ্ত্তন (ডা)।

আৰবী-ফাৰ্চী মূলীয় শব্দৰ পৰা ঃ

(মি) আজিৰাং ‹ হাজিৰা (অ) ‹ হাজাৰ (আ-ফা), (মি) আচলি ‹ আছলি/আছল (অস) ‹ আছলি (আ-ফ), পটল ঃ (মি) ‹ পটলুং (অ) ‹ পটলুন (আ-ফা), (মি) জাগা ‹ জাগা (অ) ‹ জাগা (আ-ফা), (মি) উকিল ‹ উকীল (অ) ৱকিল (আ-ফা), (মি) পকিৰ ‹ ফ'কিৰ (অ) ‹ ফকিৰ(া-ফা), (মি) আজাৰ ‹ হাজাৰ/হেজাৰ (অ) ‹ হাজাৰ (আ-ফা), (মি) কামান ‹ কামান (অ) ‹ কামায়ন (আ-ফা), (মি) জিলা ‹ জিলা (অ) ‹ জিল্লা (আ-ফা), (মি) কাজনা ‹ খাজনা (অ) ‹ খাজনা (আ-ফা), (মি) মউজা ‹ মৌজা (অ) ‹ মউজা (আ-ফা),(মি) পিঅন ‹ পিয়ন (অ) ‹ পিয়ন (আ-ফা), (মি) দলিল ‹ দ'লিল (অ) ‹ দলিল (আ-ফা)।

মিচিংভাষাৰ অ-বৰ্গীকৃত শব্দ সম্ভাৰ ঃ

মিচিং ভাষাত একধৰণৰ শব্দ আছে, যিবোৰক একেলগে কোনোএটা বিশেষ শ্ৰেণীভূক্ত কৰিব নোৱাৰি আৰু প্ৰত্যেক বিধেই একো একোটা সুকীয়া শ্ৰেণী। আলোচনাৰ অধিক সুবিধাৰ কাৰণে গোটেই কেইটা শ্ৰেণীকে একেলগে অ-বৰ্গীকৃত শব্দসম্ভাৰৰ শ্ৰেণীভূক্ত কৰা হৈছে। এই ধৰণৰ অবৰ্গীকৃত শ্ৰেণী সমূহৰ উল্লেখ পূৰ্বতে কৰি অহা হৈছে। তলত প্ৰতিবিধৰে উদাহৰণ দিয়া হ'ল—

শঙ্কৰ শব্দ ঃ

(মি) জেপগৰি জেপঘ'ড়ী (অ), (মি) মমবাতি মমবাতি (অ), (মি) ৰেলগাৰি ৰে'লগাড়ী (অ), টিকিটগৰ (মি) টিকটঘৰ (অ), (মি) এদমাস্তৰ হেড়মাষ্টৰ (অ), (মি) আতবজাৰ হাটবজাৰ (অ), (মি) পেপাৰআলা পেপাৰৱালা (অ), (মি)

বিক্স্রাব্রালা বিক্স্রাব্রালা (অ), (মি) পাকিবাজ ফাকিবাজ (অ), (মি) দগাৰবাবু ডাক্তৰ বাবু (অ), (মি) পুলিচ্চায়েব পুলিহ চাহাব (অ), (মি) এননুট হেণ্ডনোট (অ), (মি) আৰীম বাতি কাহী-বাতি (অ)।

মিশ্র শব্দ ঃ

মিচিং ভাষাত মিশ্র শব্দৰ সংখ্যা যথেষ্ঠ। এই শ্রেণীৰ শব্দ, দুটা সুকীয়া অর্থযুক্ত শব্দৰ সংযুতি বা দ্বিত্বত্বৰ ফলত সাধিত হয়।

(মি) লাগনী < আলাক (হাত) + আনী (বুঢ়া) = বুঢ়া আঙুলি,

(মি) লীনী < আলী (ভৰি) + আনী (বুঢ়া) = ভৰিৰ বুঢ়া আঙুলি, সেইদৰে—

লাগঞি (দুখন হাত), লীচৃগ (ভৰিৰ চামৰা), মিক্কে (বাও চকু), মিগ্‌বৃগ (সোচকু), মিক্কেৰে (কেৰা চকুৱা), মিকচি (চকুপানী), ল: মৃগ (ভগা হাড়), গেৰ্‌চাং (কর্ম আৰম্ভ), গেৰঙাব (কর্ম শেষ কৰা), দিন্‌চান (শুকান মাংস), আমৰুগ (মুকলি পথাৰ), মঃ নু (নতুন মাটি), চিলেঃ (শীতল পানী), চিশু (গৰম পানী), য়েগ্‌ব (মতা গাহৰি), য়েগ্‌নে (মাইকী গাহৰি), কি:ব (মতা কুকুৰ), কি: নে (মাইকী কুকুৰ), ঙচান (শুকান মাছ)।

ধ্বন্যাত্মক শব্দ ঃ

এই শ্রেণীৰ শব্দবোৰ প্রাণীবাচক আৰু অ-প্রাণীবাচক উৎসৰ পৰা সৃষ্ট শব্দৰ অনুকৰণত দুটা একেজাতীয় শব্দৰ সংযুতিৰ ফলত সৃষ্টি হয়। এই বিধ শব্দৰ দ্বিতীয় অংশটো প্রথম অংশটোৰ সদৃশ আৰু প্রথম অংশটোৰ অর্থ অধিক স্পষ্ট কৰিবলৈ ব্যৱহৃত হয়। মিচিং ভাষাত থকা এই শ্রেণীৰ শব্দ তলত দিয়া হ'ল—

(মি) কীৰ কীৰ কেৰ কেৰ (অস), (মি) গীৰ গীৰ ঘৰ্ ঘৰ্ (অস), (মি) তৃৰ তৃৰ কুলু কুলু/জিৰ জিৰ (অ), (মি) কুৰুং কাৰাং কুৰাংকাৰাং (অ), গুৰুং গাৰাং ঘৰং ঘৰং (অ), (মি) বীৰাংবীৰাং টপাটপ (অ), (মি) তাৰংতাৰাং তাৰংতিৰিং (অ — কামৰূপী), (মি) কুংকুৰাৰাং কুৰুংকুৰুং (অ), (মি) বুঃ বু হো হো (অ), (মি) কুৰ্ কুৰ্ কুৰ কুৰ্ (অ), (মি) তুৰ তুৰ তু তু তু (অ)।

প্রতিধ্বন্যাত্মক শব্দ ঃ

প্রতিধ্বন্যাত্মক শব্দ দুটা সুকীয়া শব্দৰ সংযোগত সাধিত হয়। প্রথম শব্দটোৰ অর্থ থাকে আৰু দ্বিতীয়টোৰ কোনো অর্থ নাথাকে কিন্তু ইয়াৰ সংযোগত অর্থ অধিক স্পষ্ট হয়। মিচিং ভাষাত প্রচলিত কেইটামান এনেধৰণৰ শব্দ হ'ল—

(মি) অঙ অনুপ ~ মাছ তাছ (অস), (মি) অকুম ৰেক ~ ঘৰ চৰ (অস), (মি) চজেৰ চয়েৰ ~ চুচৰি বাগৰি (অস), (মি) < বৃগ এবেগ ~ সোলোক ধিলা (অ), (মি) < বৃগ বীক ~ সোলোক ধোলোক (অ), (মি) লুমু লুচু ~ আবোল তাবোল (অ), (মি) লুমু লুচু ~ আবোল তাবোল (অ), (মি) মুকংআতৃ ~ টকা-সিকা/ধন-বিত্ত (অ), (মি) অয়ুঙঅগে ~ ত'ৰি তৰকাৰী (অ), (মি) তানি তাৱৰ ~ মানুহ দুনুহ (অ), (মি) নীমৃনীৰুং তৰুতৃণ (অ), (মি) বীদুগাচৰ ~ কাপোৰ কানি (অ), (মি) দলুচুমঞ ~ গাওঁ গিয়াতি (অ), (মি) লমতী পীদুং ~ আলি প'দুলি (অ), (মি) ককাং ~ ল'ৰা ছোৱালী (অ), (মি) লঙ-পৰাপী ~দিন দুপৰ (অ)।

যৌগিক শব্দ সম্ভাৰ :

চেংঙ লেংঙ (গছ-লতিকা), দ:মুৰ য়িআৰি (শিলাবৃষ্টি), পাঁদং চাৰ (বতাহ-বৰষুণ), আমংআচি (মাটি-পানী), আপংআপিন (মদে ভাতে), দনাম তৃনাম (খোৱা-পিয়া), আনে মুৰকং (সোন ৰূপ), কে:দি বাঁলাঙ (আম কঠাল), উগন গালুক (ধুতি চোলা), গালুক গাচৰ (চোলা কাপোৰ), উগন এগে (মেখেলা চাদৰ), গাঁনাম বমনাম (পিন্ধা উৰা), তাতপ কাপ (যিমান দূৰ), আবৃন আমে (সৰু ডাঙৰ), তাপুম তাৰি (পোক পৰুৱা), আলি আয়ী (ফুল ফল), আবাঁম বাতি (কাহী বাতি), অঙী বৃৰ (সোদৰ ভাই), নাঁং অম্যাঙ (পৰিয়াল পৰিজন), নাঁংমিলবং (পুৰুষ তিৰোতা), আপিন অয়ৃঙ (ভাত আঞ্জা)।

মিচিংভাষাত স্থানবাচক আৰু নদীৰ নাম বাচক শব্দভাণ্ডাৰ :

মুৰকং চেলেক (মুৰকং = ধন + চেলেক = চাপৰি) = ধন সোনৰ চাপৰি।

ধেমাজি জিলাৰ পূৱত অসম-অৰুণাচল প্ৰদেশৰ সীমাত অৱস্থিত এখন ঠাইৰ নাম আৰু পূৰ্ব্বোত্তৰ সীমান্ত ৰেলৱেৰ ৰঙিয়া জংচনৰ পৰা ৰেগু হৈ উক্ত ঠাইত একে নামেৰে শেষ ষ্টেচনটো অৱস্থিত। জনশ্ৰুতি মতে মানৰ আক্ৰমণৰ সময়ত উক্ত ঠাইৰ পৰা ধন সম্পত্তি এৰি থৈ মানুহ দিহা-দিহি পলাই আহিছিল, গতিকে বহুদিন পিছত সেই ঠাইত নতুনকৈ বসতি আৰম্ভ হোৱা মানুহে য'তে ত'তে ধন-সোন পাইছিল আৰু ঠাই টুকুৰাৰ নাম হৈছিল 'মুৰকংচেলেক' অৰ্থাৎ ধন সোনৰ ঠাই।

নামচিং (শুকানমাছৰ গুৰি)

উক্ত নামেৰে এখন মিচিং গাওঁ।

তেলাম (চিতী = হাতী + লাম = ৰাস্তা/পথ) = হাতী অহাযোৱা কৰা বন্য ৰাস্তা।

তেলাম চিলাপথাৰ মহকুমাৰ পৰা পূৱত অৱস্থিত এখন ঠাইৰ নাম আৰু উক্ত ঠাইতে অৱস্থিত ৰেলৱে ষ্টেচনটোৰ নাম। আগতে উক্ত ঠাই জঙ্গলেৰে পৰিপূৰ্ণ আছিল আৰু চাৰিওপিনে হাতী যোৱা ৰাস্তাহে আছিল গতিকে মৌখিক পৰম্পৰাগত ভাৱেই এই নাম।

পাছিঘাট (পাচি = আদিসকলৰ এটা গোত্ৰৰ নাম + ঘাট = নদী পাৰ হোৱা ঘাট)

পাছিঘাট অৰুণাচল প্ৰদেশৰ পূব ভাগত চিয়াংনদীৰ পাৰত অৱস্থিত এখন ঠাইৰ নাম। আদি সকলৰ 'পাছি গোত্ৰটো সম্ভৱতঃ প্ৰব্ৰজনৰ শেষ পৰ্য্যায়ত বিয়াং নদীৰ এই ঠাইখিনিৰেই পাৰ হৈ বসতি স্থাপন কৰিছিল।

'কবোঘাট'

কবোঘাট অৰুণাচল প্ৰদেশৰ পশ্চিম চিয়াং জিলাত অৱস্থিত। ইয়াৰ ওচৰতে অসমৰ শদিয়া উপসংমণ্ডলৰ অন্তৰ্গত চৈখোৱাঘাট অৱস্থিত।

'মিংমাং' (মিংমাং = সপোন/অদৃশ্য/দৃষ্টিৰ বাহিৰ)

মিংমাং এখ মিচিং ঠাইৰ নাম আৰু একে ঠাইতে অৱস্থিত ৰেলৱে আস্থান। এইবোৰৰ উপৰিও আৰু কেইখনমান মিচিং ঠাইৰ নামবাচক শব্দ হ'ল ক্ৰমে— অবনৰিমুক, বিলমুক, দিকৌ মুক, জেংৰাই মুক, লুইতমুক, দিয়িং মুক,

চেকাইমুক, চিংদাংমুক, দিমৌ, দনহিৰি মুক, বুৰুলি, জামজিং ইত্যাদি।

কিছু সংখ্যক নদীৰ নামবাচক শব্দও মিচিং ভাষাত পোৱা যায়। মিচিং সকলে 'পানী' বুজাবলৈ 'আচি' শব্দ ব্যৱহাৰ কৰে আৰু এই শব্দৰ পিছত প্ৰত্যয় বা পৰসৰ্গ যোগ হ'লে পূৰ্বপ্ৰত্যয় 'আ' প্ৰায়ে লোপ হয় আৰু মূল হিচাপে 'চি' (পানী বাচক) থাকেগৈ। গতিকে 'চি' ৰে আৰম্ভ হোৱা নদীৰ নামবাচক শব্দবোৰেই প্ৰধানকৈ মিচিং ভাষাত পোৱা যায়। তলত কেইটামান তেনে শব্দ উল্লেখ কৰা হ'ল—

'চিয়াং'

দিহিং নদীৰ উজনি অংশৰ নামেই 'চিয়াং', বৰ্তমান অৰুণাচল প্ৰদেশত।

'চিচিৰি'

অৰুণাচল প্ৰদেশৰ পূৱ চিয়াং জিলাৰ মাজেৰে বৈ অহা দিহং নদীৰ উত্তৰৰ অংশটোৰ নামেই চিচিৰি।

'চিয়ম'

অৰুণাচল প্ৰদেশৰ আলঙৰ চিয়াং নদীৰ নাম চিয়ম।

'চিচি'

লক্ষীমপুৰ জিলাৰ এখন নদীৰ নাম।

'চিলে' (আচি = পানী + লে:নে = ঠাণ্ডা) = ঠাণ্ডা পানী

মুকং চেলেকৰ উত্তৰে অৱস্থিত এখন নদী আৰু এখন ঠাইৰ নাম।

'চিমীন' (চিমীন = পহু) = পহু থকা ঠাই।

ধেমাজি জিলাৰ অন্তৰ্গত এখন নদী আৰু এখন ঠাইৰ নাম। চিমীন চাপৰি নামৰ ঠাই টুকুৰাত সম্ভৱতঃ আগতে পহু পোৱা গৈছিল।

মিচিং ভাষাৰ ক্ৰমিক সংখ্যাবাচক শব্দ :

মিচিং ভাষাত একৰ পৰা দহলৈকে সুকীয়া সংখ্যাবাচক শব্দ পোৱা যায়। 'আ' আৰু 'অৃ' উপসৰ্গ অনুক্ৰমে '—ক', '—ন্‌ঞিও', '—উম', —'পি', '—ঙ', '--কীং' আৰু —'য়িং সংখ্যাবাচক মূলৰ লগত যোগ হয়। এঘাৰৰ পৰা উনৈশলৈকে সংখ্যাবোৰ বুজাবলৈ উক্ত শব্দবোৰৰ মাজত '—লাং' যোগ হয়। তলত কেইটিমান মিচিং ভাষাত ব্যৱহৃত শুদ্ধ সংখ্যাবাচক শব্দ দিয়া হ'ল—

আক (এক), আন্‌ঞিও (দুই), আউম (তিনি), আপ্লি (চাৰি), আঙুঙ (পাচ), আক্কেং/আক্কে (ছয়), কৃনৃদ (সাত), পিঞিও (আঠ), কনাং (ন), য়িং য়িং (দহ), অৃয়িংকলাংআক (আয়ি— ক- লাং- আক) = এঘাৰ,

অৃয়িংকলাং আপ্লি, অৃয়িংকলাং আংঙ, য়িয়িঞিও (বিশ), য়িঞিওকলাংআক, য়িপিকালাং আঞিও, য়িঙ (পঞ্চাশ), য়িঙকলাং আক, য়িকীং (ষাঠি), য়িংকীংকলাংআক, নৃয়িং (সত্তৰ), নৃয়িকলাংআক, ঞিয়িং (আশী), নায়িংকলাংআক, লৃংক (এশ), লৃয়িং (হাজাৰ), লৃলিং (নিযুত) ইত্যাদি।

সহায়ক গ্ৰন্থপঞ্জী :

১। Imperial Gajetter of India. India Empire (1881). vol. I

২। Grierson, G.A. Linguistic Survey of India, vol-III, P. I

৩। Mackenzie, A. History of Relations of the Government with the Hill Tribes of

the North East Frontier of Bengal (Calcutta-1884) Chap-VI.

৪। Chaterjee, S.K. The place of Assam in the History and Civilization of India.

৫। Dalton, E.T.- Descriptive Ethnology of Bengal, Calcutta-1872

৬। Dani, A.H. – Pre-history of Eastern India (Calcutta-1970)

৭। Haimendorf, C.V.F.– The Apatanis and their neighbours (London-1962)

৮। Waddell, L.A.- The Tribes of the Brahmaputra Valley (1900), Delhi-1975.

৯। Guha, B.S. An Outline of Racial Ethnology of India (Calcutta-1937)

১০। Needham, J.F. Outline Grammar of the Shayang Miri language (Shillong-1885)

১১। Pegu, N.C. The Mishing of the Brahmaputra Valley (Dhemaji-1981)

১২। পায়াং কটকী, সোনাৰাম– মিৰিজাতিৰ বুৰঞ্জী (লক্ষীমপুৰ- ১৯৩৫)

১৩। কাগুয়ুং, ভৃগুমুণি (সম্পা)– মিচিং সংস্কৃতিৰ আলেখ্য (গুৱাহাটী- ১৯৮৯)

১৪। পাদুন, নাহেন্দ্ৰ– মিচিং অসমীয়া পাঠ (যোৰহাট- ১৯৮৯)

১৫। ঐ – অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি (শিৱসাগৰ- ১৯৮৮)

১৬। অসম সাহিত্য সভা (নাহেন্দ্ৰ পাদুন, সম্পাদক)– ভাষাৰ তত্ত্ব-কথা।

লোকভাষা প্ৰসঙ্গ

ড০ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী

মানৱ সংস্কৃতিৰ অন্যতম শ্ৰেষ্ঠ সম্পদ ভাষা। ভাষাৰ মাধ্যমেৰেই মানৱ-সভ্যতাৰ বিস্তৃতি ঘটে। কিয়নো অন্যান্য জীৱ-জন্তুৰ দৰে আদিম মানুহেও মনৰ ভাল-বেয়া, আনন্দ-হতাশা, আকাঙ্খা-অৱসাদ আদি ভাব বিনিময়ৰ বাবে বিবিধ উপায় অৱলম্বন কৰিবলৈ গৈ মুখেৰেও নানা শব্দাদি উচ্চাৰণ কৰিছিল। তাৰেই তাৎপৰ্য্যপূৰ্ণ পৰিণতি হ'ল বাগ্‌ধ্বনিৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰকাশৰ জৰিয়তে ঠন্ ধৰি উঠা মুখৰ ভাষা। সমাজ আৰু সভ্যতা ভেদে এই ভাষাবো সুকীয়া সুকীয়া ৰূপ দেখিবলৈ পোৱা যায়। সেই ভাষাকেই নানা উপায়ে আঁকি স্থায়ী ৰূপ দিয়াৰ চেষ্টা কৰা বাবেই চিত্ৰলিপিৰ পৰা আৰম্ভ কৰি অক্ষৰ লিপিৰ বিকাশ ঘটিছে। এইদৰে ভাষা চিৎকাৰ-ইঙ্গিতৰ মাজত জন্ম লাভ কৰি ক্ৰমবিকাশৰ পথত নানা বাধা-নিষেধৰ মাজেৰে সৰকি আহি বহু স্তৰ ভেদ কৰি লিখিত ৰূপ লাভ কৰিছে। দৰাচলতে ভাষাৰ বিকাশৰ প্ৰধান ক্ষেত্ৰ দুটাঃ অলিখিত তথা কথিত আৰু লিখিত তথা শিষ্ট। ভাষাৰ সৃষ্টি মূলতে মুখত, কথাত তথা উক্তিৰ মাজত। ইয়াৰ কিন্তু নানা ৰকমৰ পৰিৱৰ্তন ঘটি আছে। সেই পৰিৱৰ্তনৰ ঘাই কাৰণ ভৌগোলিক অৱস্থান। যেতিয়া সেই পৰিৱৰ্তনৰ মাত্ৰা সামান্য অৰ্থাৎ কম তেতিয়া তাক কোৱা হয় উপভাষা আৰু সেই পৰিৱৰ্তনৰ মাত্ৰাধিক্য ঘটিলে তাক কোৱা হয় ভাষা। কম কম পাৰ্থক্য থকা কথিত ভাষাৰূপবোৰ কোনো এটা ভাষাৰ ক্ষেত্ৰৰ ভিতৰতে আবদ্ধ একো একোটা উপভাষা অৰ্থাৎ বহল ক্ষেত্ৰটোত প্ৰচলিত মাত কথাৰ সামগ্ৰিক ৰূপটোৰ ভিতৰৰে বস্তু বাবে সৰু সৰু ক্ষেত্ৰৰ মাজৰ কথিত উক্তি বা বাচন হ'ল উপভাষা আৰু সেই কেউটা সম সুৰীয়া উপভাষাক সাৱটি থকা বহল ক্ষেত্ৰটোৰ কথিত উক্তি বা বাচনেই হ'ল ভাষা। মূলতে সেই ভাষা এখন সমাজত মানুহৰ মুখতেই প্ৰবৰ্তি বহু কাল সেইদৰে প্ৰচলিত হৈ অহাৰ পিছত কিছু শৃঙ্খলাবদ্ধ হৈ শিষ্ট ৰূপ পৰিগ্ৰহ কৰি লিখিত গণ্ডীৰ মাজত সোমাই মোহনীয় হৈ পৰে আৰু সেই সমাজখনৰ ধ্যান-ধাৰণাৰ বাহক হৈ পৰে। এই পৰিৱৰ্তন আৰু পৰিবৰ্ধন ঘাইকৈ দেখিবলৈ পোৱা যায় ভাষাৰ ধ্বনিৰীতি, ৰূপতত্ত্ব, আন ভাষাৰ লগত যোগাযোগ তথা সংস্পৰ্শ আৰু বাক্যতত্ত্বৰ মাজত। এইদৰে দেখা যায় যে ভাষা আৰু উপভাষা এই দুয়োৰে জন্মৰহস্য সমসুৰীয়া।

ভাষাবিদ সকলে ভাষা আৰু উপভাষা সম্পৰ্কে ব্যক্তিগত বিচাৰ বুদ্ধি অনুসৰি সংজ্ঞা বা সূত্ৰ দিয়াৰ চেষ্টা কৰিছে। সেই বিলাকৰ মাজত কিছু কিছু পাৰ্থক্য চকুত পৰে যদিও তাত এটা সাধাৰণ লক্ষণ দেখিবলৈ পোৱা যায়। সেই সাধাৰণ লক্ষণৰ বাবেই উপভাষাৰ লগত সেই একেটা অঞ্চলৰ ব্যাপক পৰিধিৰ ভাষাৰ সাদৃশ্য পোৱা যায়। আচলতে ইয়াৰ মূল কাৰণ ভৌগোলিক; ৰাজনৈতিক

কাৰণো নোহোৱা নহয়। প্ৰাকৃতিক বাধা তথা ব্যৱধানৰ বাবে বিস্তৃত একেটা ভাষাৰ মাজতেই কিছু কিছু পাৰ্থক্য গঢ় লোৱাৰ দৰে ৰজা তথা শাসন কৰ্তাৰ পৃষ্ঠপোষকতাৰ বাবেও ভাষাৰ তাৰতম্য ঘটে। সেই উপভাষাৰ সীমা নিৰ্ধাৰণ কৰাটো এটা জটিল সমস্যা। কিয়নো সীমান্তত ওচৰা ওচৰিকৈ গঢ় লোৱা দুয়োটা উপভাষাৰেই কিছু কিছু ৰীতি-নিয়মৰ সান মিহলি ঘটা দেখা যায়। যদিও উপভাষাৰ পাৰ্থক্য দূৰত্ব অনুসৰি স্পষ্ট হৈ পৰে আচলতে সীমান্ত ভাগত সেই দূৰত্বৰ মাত্ৰা কমি আহে বাবে পাৰ্থক্যও হ্ৰাস পায়। গতিকে উপভাষাৰ পাৰ্থক্যৰ এই গতিলৈ চাই ইয়াক নিয়মিত আৰু অনিয়মিত দুটা ভাগত ভগোৱা হয়। আকৌ মানুহৰ জাতি তথা সম্প্ৰদায় অনুসৰিও ভাষাৰ উচ্চাৰণ, কথনভঙ্গী, শব্দগঠন আদিত প্ৰভাৱ পৰে আৰু সম্প্ৰদায় বিশেষেও সিবিলাকৰ পাৰ্থক্য ওলাই পৰে। আনকি বৃহত্তৰ গুৱাহাটীৰ জালুকবাৰী গাড়ীগাঁও অঞ্চলৰ কথিত অসমীয়াৰ লগত উজান বজাৰ অঞ্চলৰ কথিত অসমীয়াৰ পাৰ্থক্য দেখা যায়। সেইদৰে একেটা সম্প্ৰদায়ৰে উচ্চ, মধ্যবিত্ত আৰু অতি নিম্নমধ্যবিত্ত মানুহৰ মাজতো ভাষাৰ কথ্যৰীতিত পাৰ্থক্য ওলাই পৰে। ইয়াৰ মূল কাৰণ সামাজিক আৰু অৰ্থনৈতিক শ্ৰেণীবোধ। এনেকৈয়ে আঞ্চলিক উপভাষাৰ দৰে সামাজিক উপভাষাৰ অস্তিত্ব এটা মন কৰিব লগীয়া কথা। এই সকলো শ্ৰেণীৰ কথিত ভাষাৰ সাদৃশ্যাদিৰ মাজত ঠন্ ধৰি উঠা কথনভঙ্গীৰ ভাষিক ৰূপটো আকৌ উল্লিখিত ঔপভাষিক লোকৰ মাজত পাৰস্পৰিক আলাপ-আলোচনা বা কথা-বাৰ্তাত ব্যৱহৃত ভাষা। সাধাৰণভাৱে শিক্ষিত, নগৰীয়া আৰু উচ্চ বা মধ্যবিত্ত লোকৰ সচৰাচৰ কথিত ভাষাকেই ভাষাৰ শিষ্ট ৰূপ বুলি কোৱা হয়। পঢ়া-শুনাৰ উপৰিও সামাজিক ভাৱে ব্যৱহৃত এই ভাষাক বিশেষ মৰ্য্যাদা দিয়া হয়। আনহাতে উক্ত শ্ৰেণীৰ লগত বিচ্ছিন্ন গাওঁ অঞ্চলৰ মানুহৰ ঘৰুৱা জীৱনৰ ভাষাই হ'ল লোকভাষা, আৰু এই দুটাৰ মাজত ব্যৱহৃত ভাষাকেই কোনো কোনোৱে জনভাষা আখ্যা দিব খোজে। ইয়াৰ পৰা দেখা যায় যে ভাষা তথা শিষ্টভাষাৰ ভেটি উপভাষা; কোনো এটা উপভাষাক আশ্ৰয় কৰিহে শিষ্টভাষাই গা টঙাব পাৰে। সেই উপভাষাৰেই আঞ্চলিক বৈশিষ্ট্য অটুট ৰাখি শিক্ষিত লোকৰ সাধাৰণীকৰণৰ প্ৰতিও আওকাণ কৰি প্ৰবৰ্তাই ৰখা ভাষাটোৱে লোকভাষা। লোকভাষাৰ ভাষিক ৰূপটোত শিক্ষিত চামৰ ভাষাই বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। লোকভাষা কামৰূপ আৰু গোৱালপাৰা অৰ্থাৎ নামনি অসমত বহু বৈচিত্ৰ্যৰে ভৰা। সেইদৰে বৰ্তমানৰ বাংলাদেশতো ই এক অতি আকৰ্ষণীয় বিষয়। ক্ষেত্ৰ বা প্ৰচলিত অঞ্চল হিচাপে বিচাৰ কৰিলে লোকভাষাৰ গণ্ডী ঠেক বুলি কব পাৰি। নাটক, উপন্যাস আদিত সময় গতিকে চৰিত্ৰমুখত লোকভাষাৰ প্ৰয়োগ কেতিয়াবা কেতিয়াবা হয় যদিও লিখোঁতে শিষ্ট ভাষাৰ বানান ৰীতিয়ে সেই লোকভাষাৰ চৰিত্ৰ নষ্ট কৰি পেলায়। কিয়নো বক্তাৰ মুখত ফুটি ওলোৱা উচ্চাৰণমতে বানান লিখা নহয়, কৃত্ৰিমতা আৰোপ কৰা হয়। এই অহৈতুক সচেতনতাই উপভাষাৰ অঞ্চলৰ কথিত ৰূপটোৰ যিদৰে ক্ৰমশঃ পাৰ্থক্যবোৰ নাইকিয়া কৰি আনে সেই একেদৰে লোকভাষাৰ গ্ৰাম্যতাৰ লোপপ্ৰৱণতাও মানুহৰ মাজত প্ৰকট ৰূপ লয়। আচলতে ভাষাৰ প্ৰকাশভঙ্গীৰ সৌন্দৰ্য্য আৰু

ৰহস্য কথনভঙ্গীৰ অকৃত্ৰিম ৰূপটোত অতি জীৱন্তভাৱে প্ৰকাশ পায়। পৰিৱৰ্তনশীল জগতত বিজ্ঞানৰ দ্ৰুত গতিত সকলোতে আজি কেৱল বিৱৰ্তন, মানুহৰ মুখৰ মাত-কথাটো সেই বিৱৰ্তনে সক্ৰিয় ৰূপ ধাৰণ কৰিছে।

'লোকভাষা' কথাষাৰ উপভাষা বা শিষ্টভাষাৰ তুলনাত নতুন যেন লাগিলেও আচলতে ইয়াৰ অস্তিত্ব যথেষ্ট প্ৰাচীন। ইয়াৰ সাধাৰণ অৰ্থ 'লোকমুখৰ ভাষা'। প্ৰশ্ন হ'ল এই 'লোক' বুলিলে কোনবিলাক মানুহৰ কথা সূচায়? এওঁলোক সাধাৰণ মানুহ, এওঁলোকে জন্ম সূত্ৰেই নাইবা পৰিৱেশসূত্ৰে চৌদিশে প্ৰচলিত কথিত ভাষাকে মাতৃভাষাৰূপে আয়ত্ত কৰে। সেই স্বভাৱজাত প্ৰবৃত্তিৰ অধীনতে অতি সহজে সেই কথ্য ভাষাৰ ওপৰত তেওঁৰ দখল আহি পৰে। সেই কথ্যভাষাকে লোকভাষা বোলে। এই লোকভাষাকে আঞ্চলিক ভাষাও বোলা যাব পাৰে। সেইপিনৰ পৰা লোকভাষা গাঁৱত যিদৰে গঢ় লৈ উঠে নগৰতো একেদৰে গঢ় লৈ উঠা স্বাভাৱিক; কিন্তু নগৰৰ লোকভাষা নানা ভাষাৰ উপাদানেৰে সান মিহলি হৈ সি এটি অলংকৃত ৰূপত ঠন্ ধৰি উঠা বাবেই ভাষাটোৱে সৰ্বজন মান্য শিষ্টৰূপ লয়। আনহাতে গাওঁমুখী আঞ্চলিক ভাষাত তেনে মিশ্ৰণৰ যথেষ্ট অভাৱ। যি দুই এটা আন ভাষাৰ উপাদান থাকে সেয়া বহুকাল ধৰি থকা বাবে অঞ্চলটোৰ একপ্ৰকাৰ নিজস্ব উপাদান ৰূপেই পৰিগণিত হয়। লোকভাষাৰ এই দুটা ৰূপ স্পষ্টঃ নগৰৰ সভ্যতাপুষ্ট অঞ্চলৰ লোকমুখৰ ভাষা আৰু গাঁৱৰ পুৰণি আচৰণৰ মাজত থকা লোকমুখৰ ভাষা। 'লোকভাষা' কথাষাৰেৰে পণ্ডিতসকলে বাহিৰৰ প্ৰভাৱমুক্ত গাঁৱৰ লোকমুখৰ ভাষাকেহে বুজাব খোজে। তুলনামূলকভাৱে ই অধিক মৌলিক, আৰু ঐতিহ্যৰ পিনৰ পৰাও আকৰ্ষণীয়; ইয়াক বাহিৰৰ প্ৰভাৱেও লৰচৰ কৰিব নোৱাৰে।

লোকভাষা ভাষাবিজ্ঞানৰ নীতি মিয়মৰ পিনৰ পৰা বিচাৰ কৰিলে ইয়াক কেৱল Folkspeech ৰূপে নধৰি সমাজ উপভাষা বা Sociolect বুলিলেহে বেছি অৰ্থবহ বুলি কব পাৰি। সামাজিক নানা কাৰণত সুকীয়া সুকীয়া সম্প্ৰদায়, উপজাতি বা গোষ্ঠীৰ মানুহৰ মাজত পৰম্পৰাগতভাৱে ধাৰাবাহিক হিচাপে লোকভাষা জীয়াই থাকে। নগৰকেন্দ্ৰী সমাজ-সংস্কৃতিৰ মাজত ভাষাই কৃত্ৰিমতাৰ মাজত সুকীয়া ৰূপ লয়; তাত ভাষাৰ গোষ্ঠীসত্তা বা সাম্প্ৰদায়িক সচেতনতা লোপ পায়। কিয়নো সেইখন ক্ষেত্ৰত লোকভাষা ভাষীসকল সামাজিক ঐক্যৰ প্ৰতিহে অধিক মনযোগী হৈ পৰে; স্বভাৱতে তেওঁলোকৰ মনলৈ সমাজৰ বৃহত্তৰ স্বাৰ্থৰ কথা আহি পৰে আৰু সেই সমাজ-আনুগত্যৰ আগত লোকভাষাৰ গোষ্ঠী-আনুগত্য টিকিব নোৱাৰে। গতিকে বৃহত্তৰ স্বাৰ্থৰ আগত লোকভাষাৰ ক্ষুদ্ৰ গণ্ডীৰ আদৰ্শ লোপ পায়।

বহুতেই ভাবে যে লোকভাষা আৰু উপভাষাৰ মাজত পাৰ্থক্য ক'ত? দুয়োটা বস্তু একেই যেন লাগে। আচলতে ইহঁতৰ মাজত পাৰ্থক্য আছে। লোকভাষাৰ প্ৰয়োগত উপভাষাৰ দৰে আঞ্চলিক সীমাবদ্ধ কোনো ক্ষেত্ৰ নাই। লোকভাষাৰ নিজস্ব সংস্কৃতি নিৰ্ধাৰিত গোষ্ঠী চেতনাই মুখ্য কথা, আৰু তাৰ ওপৰত সেই সমাজৰ এটা অনুশাসনো আছে। সেইদৰে লোকভাষাৰ কোনো ব্যক্তিক ৰূপ নাথাকে; কিন্তু উপভাষাৰ ক্ষেত্ৰত ব্যক্তিকৰূপ অৰ্থাৎ idiolect অৰ

অস্তিত্ব মন কৰিবলগীয়া। অৱশ্যে কেতিয়াবা লোকভাষাতো উপভাষাৰ প্ৰভাৱত দুই এটা ব্যক্তিৰ ৰূপ দেখা যায়। ই এটা ব্যতিক্ৰমহে, স্বাভাৱিক বৈশিষ্ট্য নহয়। সামাজিক স্তৰত উপভাষাক বিশেষ মৰ্য্যাদা দিয়া নহয়। উপভাষাৰ লগৰ লোকভাষাৰ সম্পৰ্ক কিন্তু অস্বীকাৰ কৰা নাযায়। ভাষাৰ স্তৰ বিন্যাসত লোকভাষাৰ ঠাই উপভাষাতকৈ তলৰ স্তৰত। সেই পিনৰ পৰা চালে ওপৰৰ পৰা ক্ৰমে তলৰ স্তৰলৈ ভাষাৰ স্তৰ বিভাগ এনেধৰণৰ— মান্যভাষা বা শিষ্টভাষা, জনভাষা, লোকভাষা। উপভাষাৰ তুলনাত লোকভাষাৰ প্ৰচলনত অধিক বাধাৰ সৃষ্টি হয়। লোক সাহিত্যৰ দিস্তান, ফকৰা, গীত-পদ, নিচুকনি গীত আদিত লোককথাৰ উপাদান বহু থাকে। লোকভাষা সম্পৰ্কে সমাজ-ভাষাবিজ্ঞানী সকলে বহু পৰিস্থিতিৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছে। সামাজিক পটভূমিৰ প্ৰতি সচেতন দৃষ্টি ৰাখি লোক সাহিত্যৰ ভাষাতাত্ত্বিক গঢ়-গঠন আৰু নিৰ্মাণ-কৌশল বিচাৰ কৰা দৰ্কাৰ। এই ক্ষেত্ৰত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যৰীতি আৰু শব্দসম্ভাৰ এই চাৰিটা বিষয়ৰ ঘাইকৈ বাক্যৰীতি আৰু শব্দসম্ভাৰৰ বিশ্লেষণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা দৰ্কাৰ। কিয়নো লোকসাহিত্যৰ মূল ভেটি আঞ্চলিক কথ্যৰীতি হোৱা বাবে তাত ধ্বনিতত্ত্বগত বৈচিত্ৰ্যৰ উপৰিও ৰূপতত্ত্বগত সৰলতা মাত্ৰাধিকৰূপত চকুত পৰে। লোকসাহিত্যৰ ভাষাত বাক্যৰীতি আৰু শব্দৰ পৰিৱৰ্তনত সমাজ মনস্তাত্ত্বিক দিশটো মন কৰিবলগীয়া। তদুপৰি লোকসাহিত্যৰ ভাষা কথ্যাভাষাৰীতিৰ আশ্ৰয়ত জীয়াই থাকে আৰু জীৱনৰ গতি ধাৰাৰ লগত সঙ্গতি ৰক্ষা কৰি প্ৰচলিত হৈ থাকে বাবে বিবিধ উপাদান নিজস্ব ভঙ্গীৰে আহৰণ কৰি লয়। ফলত শব্দসম্ভাৰৰ নিজস্ব দৃষ্টিৰে শব্দৰ সাল সলনি ঘটে তথা নতুন ৰূপ লয়। আঞ্চলিক তথা উপভাষাৰ লগত লোকভাষাৰ সম্পৰ্ক এটা থকা বুলি অনুমান হয় যদিও আচলতে এই দুটাৰ কিন্তু একে অৰ্থত ব্যৱহাৰ নহয়।

আঞ্চলিক ভাষাৰ লগত লোকভাষাৰ যোগাযোগ থাকিলেও এই ক্ষেত্ৰত লোকসমাজ আৰু লোকসংস্কৃতিৰ প্ৰভাৱ অধিক শক্তিশালী। লোক সংস্কৃতিবিদসকলে লোকভাষাৰ বিচাৰত লোকনিৰুক্তি, নিষেধ আৰু সংস্কাৰ বা অন্ধতা আদি প্ৰক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। লোকভাষাৰ আঞ্চলিক আৰু বিশেষ সমাজ আশ্ৰিত গণ্ডীবদ্ধতা এক স্বাভাৱিক লক্ষণ। তাৰ মাজতো লোক সাহিত্যৰ ভাষাত নিৰ্বিশেষ সংকল্প ফুটি ওলায়। লোকভাষা কোনো বিশেষ সম্প্ৰদায়ৰ মাজত সীমাবদ্ধ হলেও তাৰ মাজেৰেই এটা সাৰ্বজনীন মনস্তত্ত্ব প্ৰকাশ পায় আৰু সেই গুণটোৱে তাক বিশ্বজনীন লোকসংস্কৃতিৰ লগত সংলগ্ন কৰে। উদাহৰণ স্বৰূপে অসমীয়াত 'বাৰ' শব্দটো দিনৰ নামৰ লগত যিকোনো প্ৰসঙ্গত যিকোনো সামাজিক স্তৰৰ প্ৰসঙ্গমুক্ত হৈয়ো ব্যৱহৃত হ'ব পাৰে। যেনে— সোমবাৰ, বুধবাৰ, শনিবাৰ; আকৌ এবাৰ, দুবাৰ, বহুবাৰ। আনহাতে 'বাৰবেলা' শব্দটোৱে এটা বিশেষ দিনৰ কথা বুজায়। 'বাৰ'ৰ প্ৰসঙ্গবদ্ধ প্ৰয়োগত লোক মনস্তত্ত্ব প্ৰকাশ পায়; ই লোক মানসৰ এটা অমঙ্গলৰ কথা সূচায়। সেইদৰে নিষেধ বা tabu আৰু অন্ধবিশ্বাস বা superstitionঅৰ কথাও লোকভাষাত নানা শব্দৰ মাজত প্ৰকাশ হোৱা দেখা যায়। যিকোনো লোকসাহিত্যৰ ভাষাত এনেকুৱা আঞ্চলিক ভেদ আৰু সামাজিক

অন্ধসংস্কাৰৰ প্ৰকাশ দেখা যায়। লোকসাহিত্যৰ ভাষাত লোকভাষাৰ উপাদানৰাজি কিদৰে চিহ্নিত হ'ব তাক নিৰ্ধাৰণ কৰা দৰ্কাৰ। লোক সাহিত্যৰ ভাষিক সংকেত অৰ্থাৎ linguistic code অত যেনেকুৱা পৰিৱৰ্তনেই নহওক সি যথাৰ্থতে লোক প্ৰকৰণ বা folkregister ৰূপে গণ্য হ'ব। অৱশ্যে সেই ভাষাত লোকভাবনা তথা সমাজৰ বিশ্বাস আৰু সমাজ মনস্তত্ত্ব ফুটি ওলাব লাগিব।

সম্প্ৰতি 'লোকভাষা' কথাষাৰৰ অৰ্থসংকোচ ঘটি গাঁও অঞ্চলৰ লোকভাষাই প্ৰকৃত লোকভাষা কথাষাৰৰ ঐতিহ্য বহন কৰে বুলি বহুতৰে ধাৰণা। কোনোৱে আকৌ লোক সাহিত্যৰ ভাষাকে লোকভাষা বুলিব খোজে। আচলতে লোকসাহিত্যৰ অন্তৰ্গত লোকগীত, লোককথা আদিত লোকভাষাৰ প্ৰয়োগ বেছি। তাৰ মাজতো লোকসাহিত্য সংগ্ৰহ কৰোঁতাসকলে লোকভাষাক গুৰুত্ব নিদিয়ে। তেওঁলোকে লিপিবদ্ধ কৰোঁতে ব্যক্তিগত ভাবে সেই ভাষাৰ ওপৰত কিছু হস্তক্ষেপ কৰে। হুবহু লোকভাষা সংগ্ৰহ কৰিবলৈ বহুখিনি সংকোচ কৰে। লোকভাষাত শব্দৰ উচ্চাৰণত বিকৃতি ঘটা দেখা যায়, যুক্তব্যঞ্জনৰ উচ্চাৰণতো নানা বিভ্ৰাট-বিকৃতি ঘটে, শব্দগঠনত ভাষাৰ নীতি-নিয়মৰ প্ৰতি উদাসীন হোৱা দেখা যায়। লোকভাষাৰ শব্দ সম্ভাৰত সমাজ ভাষা বিজ্ঞানৰ ভালেমান লোকনিৰুক্তিৰ সন্ধান পোৱা যায়। লোকভাষাৰ অধ্যয়ন তথা বিচাৰ-বিশ্লেষণ সহজ কাম নহয়।

কোনো উপভাষাৰ অন্তৰ্গত একাধিক লোকভাষা প্ৰচলিত হোৱা দেখা যায়। লোক সাহিত্যৰ ভাষাত উপভাষাৰ প্ৰয়োগ ঘটে, আৰু তাৰ মাজতেই বিশেষ বিশেষ লোকভাষাৰ সম্ভেদ পোৱা যায়। আনকি বিখ্যাক গ্ৰন্থতো নাটকীয় সংলাপৰ মাজত ভাষাৰ লৌকিক ৰূপ যেনে, উপভাষা, লোকভাষাৰ উপাদান সোমাই থকা দেখিবলৈ পোৱা যায়। উপভাষাৰ সকলো লক্ষণ অটুট থকা দেখিবলৈ পোৱা যায়। উপভাষাৰ সকলো লক্ষণ অটুট থকা লিখিত সাহিত্যৰ অভাৱ; অৱশ্যে লোকসাহিত্যৰ সংকলনত ইয়াৰ ব্যতিক্ৰম ঘটা দেখা যায়। তাতো শিষ্ট বা মান্য ভাষাৰ অনুকৰণ প্ৰবণতা চকুত পৰে। লোকসাহিত্যৰ প্ৰকৃত বিচাৰ-বিশ্লেষণত লোকভাষাৰ স্বৰূপ ওলাই পৰে। তাৰবাবে প্ৰতিবিধ লোকসাহিত্য পৃথক পৃথক ভাৱে বিশ্লেষণ কৰা দৰ্কাৰ। তেনে অধ্যয়নত উপভাষা আৰু লোকভাষাৰ পাৰ্থক্যও ওলাই পৰিব। কিয়নো লোকসাহিত্য অলিখিত উপভাষাৰ এক ৰূপকৰ্ম। লোকসাহিত্যৰ পৰিসৰো যথেষ্ট বিশাল। লোকভাষায়ো প্ৰকাশ মাধ্যমৰূপে তাত বহু অৰিহণা যোগায়। এই ক্ষেত্ৰত উপভাষাৰো যথেষ্ট জ্ঞান থকা দৰ্কাৰ। সেইদৰে মিশ্ৰভাষাৰ ধাৰণাও দৰ্কাৰ। লোকভাষা আচলতে কোনো বৃহৎ ভাষা সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত। তদুপৰি ই নিজকে পৃথকৰূপতো প্ৰৱৰ্তাই ৰাখিব পাৰে। কিয়নো লোককেন্দ্ৰিক শক্তিৰ প্ৰভাৱ প্ৰতিটো লোকভাষাই শব্দগত, বাক্যৰীতি আৰু ৰূপতাত্ত্বিক স্তৰত স্বকীয়তা অটুট ৰাখে।

এইদৰে আলোচনা কৰিলে বিশেষকৈ সমাজ ভাষাবিজ্ঞানত ভাষাৰ প্ৰধান তিনিটা স্তৰ ওলাই পৰে। সেয়া হ'ল ক্ষুদ্ৰ ক্ষুদ আঞ্চলিক ভাষা বা লোকভাষা, উপভাষা আৰু সৰ্বজনমান্য শিষ্টভাষা। সেই শিষ্টভাষাই হ'ল লিখিত সাধু ভাষাৰ

স্বৰূপ। লোকভাষাই প্ৰাথমিক স্তৰ, উপভাষাৰ স্থান মধ্যস্তৰত, তাৰ পৰৱৰ্তী তথা উৰ্ধত থকা তৃতীয় স্তৰৰ ভাষাই হ'ল শিষ্টভাষা। ভাষাৰ মূলভেটি নিৰ্মাতা হ'ল আঞ্চলিক তথা লোকভাষা, উপভাষায়ো কিছু ইন্ধন যোগায়। দৰাচলতে লোকভাষাকে যি কোনো ভাষাৰ সুদৃঢ় ভেটি নিৰ্মাতা আখ্যা দিব পাৰি। সমাজ ভাষাবিজ্ঞানৰ চিন্তা চৰ্চাত লোকভাষা এক অত্যন্ত অপৰিহাৰ্য্য বিষয়। অসমীয়া ভাষাৰ গভীৰ অধ্যয়নত বিবিধ উপভাষাৰ লগতে ভিন্ ভিন্ এলেকাৰ লোকভাষাৰ অস্তিত্ব ওলাই পৰিব। অৱশ্যে সেই অধ্যয়ন যথেষ্ট শ্ৰম সাপেক্ষ আৰু ব্যয়সাপেক্ষও। তেনে অধ্যয়নে বহু ভাষা কথিত বৃহত্তৰ পূৰ্বাঞ্চলৰ মাজত এটা ঐক্যভাবৰ আবেগিক সম্পৰ্ক স্থাপন কৰিব বুলি অনুমান হয়।

ভাষাতাত্ত্বিক মিতব্যয়িতা

(অসমীয়া, বঙলা, উৰিয়া আৰু হিন্দী ভাষাৰ প্ৰসংগত)

ড° ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

১.০ আগকথা

'অৰ্থনীতি'ত থকাৰ নিচিনাকৈ 'ভাষাবিজ্ঞানতো 'মিতব্যয়িতা'[১] বা 'অল্পায়াস ৰীতি' বুলি কথা এষাৰ আছে। মানুহে কেৱল টকা পইচাৰ ক্ষেত্ৰতে নহয়, ব্যৱহাৰিক জীৱনৰ সকলো ক্ষেত্ৰতে মিতব্যয়িতা অৱলম্বন কৰিবলৈ প্ৰয়াস কৰে। চাৰিওফালে ভাল পকা ৰাস্তা থাকিলেও সেইবাটে নগৈ মানুহে ঘাঁহনি বা বনজংগলৰ মাজেৰে লুংলুঙীয়া পোন বাট উলিয়াই লয়। খোৱা মেজত বা খেল পথাৰত কথা-বতৰা পাতোঁতে মানুহে বাক্যৰ ঠাইত বাক্যাংশ, আৰু বাক্যাংশৰ ঠাইত শব্দ ব্যৱহাৰ কৰে। মানুহে বাৰু কিয় এনে কৰে? সময় বচাবৰ কাৰণে আৰু অযথা নিজৰ শক্তিক্ষয় নকৰিবৰ কাৰণে, নহয়নে বাৰু? ভাষা প্ৰয়োগৰ ক্ষেত্ৰত মানুহে যুগ যুগান্তৰৰ পৰা এনে ধৰণৰ ভাষাতাত্ত্বিক মিতব্যয়িতা অৱলম্বন কৰি আহিছে আৰু তাৰ ফলত ভাষাত নানা ধৰণৰ পৰিবৰ্তন ঘটিছে।

আমি সকলোৱে জনা ইংৰাজী ভাষাটোতে ভাষাতাত্ত্বিক মিতব্যয়িতাৰ ঢেৰ প্ৰমাণ পোৱা যায়। বৃটিছ ইংৰাজীৰ colour আৰু behaviour শব্দ আমেৰিকান ইংৰাজীত color আৰু behavior হৈছে; bridegroom, advetisement, mathematics আৰু madam শব্দ ক্ৰমে groom, ad, maths আৰু mam হৈছে I shall বাক্য I'll হৈছে। ইংৰাজী অভিধানৰ শেষৰ ফালে দিয়া abbreviation বা সংক্ষিপ্ত ৰূপবোৰ ভাষাতাত্ত্বিক মিতব্যয়িতা বা চমুকৰণৰ বাজে আন একো নহয়। অসমীয়া, বঙলা, উৰিয়া আদি আৰ্যমূলীয় ভাৰতীয় ভাষাসমূহতো ভাষাতাত্ত্বিক মিতব্যয়িতাৰ উদাহৰণ তেনেই তাকৰ নহয়। প্ৰকৃত পক্ষে অসমীয়া আদি ভাষাসমূহত অনাৰ্যমূলীয় প্ৰভাৱ বুলি সন্দেহ কৰাবা কৈ অহা বহুত কথাকে প্ৰভাৱ বুলি সন্দেহ কৰা বা কৈ অহা বহুত কথাকে ভাষাবৈজ্ঞানিক মিতব্যয়িতা নামৰ সাৰ্বজনীন সিদ্ধান্ত (theory)ৰ পৰিপ্ৰেক্ষিতত ব্যাখ্যা কৰিব পৰা যায়।

২.০ ভাষাতাত্ত্বিক মিতব্যয়িতাৰ প্ৰসাৰ আৰু প্ৰকাৰ

অসমীয়া আদি আৰ্যমূলীয় ভাৰতীয় ভাষাসমূহৰ বিভিন্ন স্তৰত ভাষাতাত্ত্বিক মিতব্যয়িতাৰ পৰিপ্ৰকাশ দৃষ্টিগোচৰ হয়। সেই স্তৰকেইটা হ'ল : ১। লিখনবিধি (orthography) ২। ধ্বনিতত্ত্ব, ৩। ৰূপতত্ত্ব আৰু ৪। বাক্যবিন্যাস। অসমীয়া, বঙলা, উৰিয়া আৰু হিন্দী ভাষাৰ সহায়ত ওপৰত উল্লেখ কৰা স্তৰসমূহ থৰচি মাৰি আলোচনা কৰিব পৰা যায়।

৩.০ লিখনবিধি সম্পৰ্কীয় মিতব্যয়িতা

লিখনবিধিৰ ক্ষেত্ৰত ভাৰতীয় জনসাধাৰণে যুগ যুগান্তৰৰ পৰা মিতব্যয়িতা বা অল্লায়াস ৰীতি অনুসৰণ কৰি আহিছে। এই স্তৰৰ মিতব্যয়িতা হৈছে সুচিন্তিত ভাৱে সাধিত আৰু আন প্ৰকাৰ হৈছে জনমানসৰ দ্বাৰা অজানিতে কৃত (folk economy)[২] ষাঠিৰ দশকত মুদ্ৰালিখন যন্ত্ৰৰ উদ্ভাৱনৰ পৰিপ্ৰেক্ষিতত সৰ্বভাৰততে বানান সৰলীকৰণৰ এটা ঢৌ উঠিছিল। অসমত ডঃ বিৰিঞ্চি কুমাৰ প্ৰমুখ্যে পণ্ডিতসকলে সেই সময়ত অসমীয়া বানানৰ ক্ষেত্ৰত এক ধৰণৰ সুচিন্তিত পৰিবৰ্তন আনে। সেই পৰিবৰ্তনসমূহ বহুলাংশে আজিলৈ থাকি গৈছে। অসমীয়াৰ নিচিনাকৈ অন্য ভাৰতীয় ভাষাসমূহতো এই ধৰণৰ সুচিন্তিত মিতব্যয়িতাৰ দ্বাৰা সাধিত পৰিবৰ্তনৰ প্ৰমাণ দেখা যায়। আন প্ৰকাৰৰ মিতব্যয়িতা মূলতঃ উচ্চাৰণৰ কাঠিন্য দূৰ কৰিবলৈ অথবা লিখাৰ কষ্ট লাঘব কৰিবলৈ জনসাধাৰণে জান নেজানকৈ পূৰ্ব বিবেচনা অবিহনে আচৰণ কৰে। অসমীয়া আৰু হিন্দী ভাষাত দুয়ো প্ৰকাৰৰ মিতব্যয়িতাৰ উদাহৰণ প্ৰচুৰ পৰিমাণে দেখা যায়।

৩.১ তিনিটা ব্যঞ্জনৰ যুক্তাক্ষৰত দ্বিত্ব ব্যঞ্জনৰ প্ৰয়োগ পৰিহাৰ

ষাঠিৰ দশকৰ আগৰ অসমীয়া বানানৰ গঢ় বহুলাংশে সংস্কৃতৰ আৰ্হিৰ আছিল। সংস্কৃতৰ নিচিনাকৈ অসমীয়াতো এনেকুৱা বহুতো বানান আছিল য'ত এটা দ্বিত্ব ব্যঞ্জন আন এটা ব্যঞ্জনৰ লগত লগ লাগি তিনিটা ব্যঞ্জনৰ যুক্তাক্ষৰ হয়। এনে ক্ষেত্ৰত দ্বিত্ব পৰিহাৰ কৰি দুটা ব্যঞ্জনৰ যুক্তাক্ষৰ লিখাৰ পৰম্পৰা ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° মহেশ্বৰ নেওগ আদি পণ্ডিতসকলে প্ৰতিষ্ঠা কৰি থৈ গ'ল। ই ভাষাতাত্বিক মিতব্যয়িতাৰ বাদে আন একো নহয়। তলত তাৰ কেইটামান উদাহৰণ দিয়া হ'ল।

১ ক) /কাৰ্য্য/→/ কাৰ্য/
খ) /সূৰ্য্য/→/সূৰ্য/
২ ক) /পৰ্ব্বত/→/পৰ্বত/
খ) /গন্ধৰ্ব্ব/→/গন্ধৰ্ব

(১)ত দুটা 'য'ৰ ঠাইত এটা 'য' আৰু (২)ত দুটা 'ব'ৰ ঠাইত এটা 'ব'ৰ ব্যৱহাৰ কৰা হৈছে। এনে ধৰণৰ সৰলীকৰণ বঙলা আৰু উৰিয়াতো সাধিত হৈছে।

৩.২ একে বৰ্ণৰ বিভিন্ন প্ৰতীকৰ ঠাইত একে প্ৰতীকৰ ব্যৱহাৰ ঃ

পুৰণি অসমীয়া, বঙলা আৰু উৰিয়াত এনে কিছুমান যুক্তাক্ষৰ আছিল য'ত একেটা ব্যঞ্জন বৰ্ণ বিভিন্ন প্ৰতীকৰ সহায়ত লিখা হৈছিল। সৰলীকৰণৰ হোতাসকলে সকলো বানানতে এনে ধৰণৰ যুক্তাক্ষৰ একে ধৰণে লিখাৰ ৰীতি প্ৰচলন কৰিলে। যেনে,—

৩ ক) /অঙ্ক/→/অংক/
খ) /শঙ্খ/→/শংখ
গ) /সঙ্গ/→/সংগ/

একেটা 'ঙ' ধ্বনি বুজাবলৈ আগতে ভিন ভিন প্ৰতীক ব্যৱহাৰ কৰা হৈছিল; তেনে ভিন ভিন প্ৰতীকৰ ঠাইত সকলোতে কেৱল 'ং' লিখিবলৈ লোৱাটো সুচিন্তিত ভাষাতাত্ত্বিক মিতব্যয়িতাৰ প্ৰমাণ।

৩.৩ 'ৱ'ৰ ঠাইত 'ব' লিখাৰ প্ৰমাদ

অসমীয়া 'ৱ' আখৰটো 'ব' আখৰৰ সম্প্ৰসাৰণ মাথোন, 'ব'ৰ তলত এটা হেলনীয়া সাঁচ টানি 'ৱ' লিখা হয়। 'ৱ' লিখিব লাগিলে মূল 'ব' আখৰটো কিছু পৰিমাণে সৰুকৈ লিখিব লাগে। সেয়ে 'ৱ' আখৰটো লিখিবলৈ 'ব' আখৰতকৈ জটিল। মানুহে লিখনৰ মিতব্যয়িতা বা অল্পায়াস প্ৰৱণতাৰ কাৰণে বহুত সময়ত 'ৱ'ৰ ঠাইত 'ব' লিখাৰ প্ৰমাদ কৰে। এই প্ৰমাদ এতিয়া ইমান ব্যাপক হবলৈ ধৰিছে যে পৰম্পৰা সূত্ৰে (by convention) ভুলকে এতিয়া শুদ্ধ যেন লগা হৈছে। যেনেকৈ 'কাকতী' শব্দৰ বিকল্পে 'কাকতি' শব্দ পৰম্পৰা সূত্ৰে নিপাতনত সিদ্ধ)। তলৰ উদাহৰণ কেইটালৈ চোৱা যাওক।

৪ ক) /দেৱ/→★/দেব/

খ) /অৱশ/→★/অবশ/

গ) /আহ্বান/→★/আহ্বান/

ঘ) /অভাৱ/→★/অভাব/

ঙ) /নীৰৱ/→★/ নীৰব

৩.৪ হিন্দীত সকলো বৰ্গীয় নাসিক্য বৰ্ণৰ ঠাইত অনুস্বাৰ (ं)ৰ প্ৰয়োগ

হিন্দী লিখন ৰীতিত মিতব্যয়িতাৰ প্ৰয়োগৰ এটা অতি সাধাৰণ উদাহৰণ হৈছে যুক্তাক্ষৰত সকলো বৰ্গীয় নাসিক্য বৰ্ণৰ ঠাইত অনুস্বাৰৰ প্ৰয়োগ। হিন্দীৰ বিশিষ্ট পণ্ডিতসকলে এটা সময়ত সিদ্ধান্ত কৰিলে যে (ঙ), (ञ), (ণ), (ন) আৰু (ম) বৰ্ণই যদি একে বৰ্গৰ অন্য ব্যঞ্জনৰ লগত লগ লাগি যুক্তাক্ষৰ গঠন কৰে তেতিয়া বিভিন্ন নাসিক্য বৰ্ণ নিলিখি তাৰ ঠাইত সকলোতে অনুস্বাৰ () ব্যৱহাৰ কৰা হব। ই নিসন্দেহে এটা সুচিন্তিত মিতব্যয়িতাৰ চানেকি। তলৰ উদাহৰণ কেইটালৈ চোৱা যাওক।

৫ ক) /কসকন/ কংকন/

খ) /পসচম/ /পংচম/

গ) /কণ্টক/ / কংটক/

ঘ) /সন্তান/ /সংতান/

ঙ) /সম্পন্ন/ /সংপন্ন/

পাঁচটা ভিন ভিন নাসিক্য বৰ্ণৰ ঠাইত ()ৰ প্ৰয়োগে যুক্তাক্ষৰসমূহ কম আয়াসতে লিখিব পৰা কৰিছে।

৪.০ ধ্বনিতাত্ত্বিক মিতব্যয়িতা

অসমীয়া ভাষাত ধ্বনিতাত্ত্বিক মিতব্যয়িতাৰ বহুতো নমুনা দেখিবলৈ পোৱা যায়। তাৰে কিছুমান আগৰ পৰিচ্ছেদত উল্লেখ কৰা লিখন ৰীতি সম্পৰ্কীয় মিতব্যয়িতাৰ লগত ৰজিতা খোৱা বিধৰ। আন কিছুমান এতিয়াও মৌখিক স্তৰতে

সীমাবদ্ধ; লিখন ৰীতিত তাৰ প্ৰতিফলন পৰা নাই। বঙলা আৰু উৰিয়া ভাষাতো ধ্বনিতাত্ত্বিক মিতব্যয়িতাৰ উদাহৰণ বিৰল নহয়।

৪.১ দীৰ্ঘ স্বৰধ্বনিৰ বিলোপ

অসমীয়া, বঙলা আৰু উৰিয়া তিনিওটা ভাষাতে লিখন ৰীতিত হ্ৰস্ব আৰু দীৰ্ঘ স্বৰবৰ্ণৰ ব্যৱহাৰ আছে। কিন্তু কওঁতে কোনোটো ভাষাতে এই ভেদ ৰক্ষা কৰা নহয়। হ্ৰস্ব আৰু দীৰ্ঘ দুই প্ৰকাৰ স্বৰ ধ্বনিৰ ঠাইত কেৱল স্বৰধ্বনিৰ উচ্চাৰণ তিনিওটা ভাষাতে একে বুলি ধৰিব পাৰি।

৫। ক) পাণি / পানী > পানি 'hand', 'water'

খ) কুল / কূল > কুল 'caste', bank of a river'

গ) ভু / ভূ > ভু 'idea', 'earth'

এইবোৰ নিসন্দেহে উচ্চাৰণগত মিতব্যয়িতাৰ চানেকি।

৪.২ অসমীয়াত (ৱ) ধ্বনিৰ ঠাইত (ব) ধ্বনিৰ ব্যৱহাৰ

উচ্চাৰণৰ ফালৰপৰা (অ) বা (আ) ধ্বনিৰ উচ্চাৰণ স্থানলৈ তড়িৎ গতিত সংক্ৰমণ কৰিব লাগে। কাজেই এই ধ্বনিৰ উচ্চাৰণ জটিল। এক বৃজন সংখ্যক অসমীয়া ভাষী লোকে সেয়ে (ৱ)ৰ ঠাইত (ব) ব্যৱহাৰ কৰে। এতিয়া কিছুমান শব্দৰ ক্ষেত্ৰত (ৱ)ৰ ঠাইত বিকল্পে (ব) উচ্চাৰণ কৰা হয়, আন কিছুমান শব্দত আকৌ (ৱ)ৰ ঠাই (ব)ই প্ৰায় দখল কৰিয়েই পেলাইছে। তলৰ উদাহৰণ কেইটালৈ চোৱা যাওক।

৬ ক) /জীৱ জগত/~/ জীব জগত/

খ) /জীৱন/~/জীবন/

গ) /যুৱক/~/যুবক/

ঘ) /সেৱক/~/সেবক/

ঙ) /মহাদেৱ/~/মহাদেব/

ওপৰৰ উদাহৰণবোৰত মাজত দিয়া (~) চিনে বিকল্প আৰু (→) চিনে পৰিবৰ্তন সূচাইছে। এই শব্দবিলাক লিখোঁতে ঠিকে লিখিলেও কওঁতে বহুতে 'ৱ'ৰ ঠাইত 'ব' উচ্চাৰণ কৰে।

৪.৩ অসমীয়াত (য়) ধ্বনিৰ ঠাইত (য)ৰ ব্যৱহাৰ

অসমীয়া (য়) ধ্বনিও (ৱ) ধ্বনিৰ নিচিনাই এটা অৰ্দ্ধস্বৰ। ইয়াৰ উচ্চাৰণত জিভাখনে (ই) ধ্বনিৰ উচ্চাৰণ স্থানৰপৰা (অ) বা (আ) ধ্বনিৰ উচ্চাৰণ স্থানলৈ সংক্ৰমণ কৰিব লাগে। সেই কাৰণে ইয়াৰ উচ্চাৰণ (য) ধ্বনিতকৈ কঠিন, বিশেষকৈ শব্দৰ আৰম্ভণিত। সেয়ে (য়) (ল্য) ধ্বনিৰে আৰম্ভ হোৱা বহুত সংস্কৃত

মূলীয় শব্দত অসমীয়া মানুহে (য়)ৰ ঠাইত (য) উচ্চাৰণ কৰে। যেনে—

৭। ক) /যোগ/zog/ (ইয়াৰ বিপৰীতে 'বিয়োগ' শব্দত (য়) আছে)

খ) /যম/zom /

গ) /যদু/zodu/

ঘ) /যামিনী/zamini/

কঠিন অৰ্দ্ধস্বৰ (য়)ৰ ঠাইত সহজ ব্যঞ্জন (য)ৰ উচ্চাৰণ ধ্বনিতাত্ত্বিক মিতব্যয়িতাৰ চানেকি মাথোন।

৫.০ ৰূপতাত্ত্বিক মিতব্যয়িতা

অসমীয়া আৰু উৰিয়া দুয়োটা ভাষাতে ৰূপতাত্ত্বিক মিতব্যয়িতাৰ উদাহৰণ অপৰ্যাপ্ত। এই মিতব্যয়িতা বা অল্পপ্ৰয়াসৰ প্ৰমাণ শব্দৰূপ আৰু ধাতুৰূপ উভয় ক্ষেত্ৰতে দৃষ্টিগোচৰ হয়।

৫.১ অসমীয়া আত্মীয়তাবাচক শব্দত পুৰুষবিভক্তি লোপ

অসমীয়া ভাষাত আত্মীয় স্বজনৰ লগত সম্পৰ্ক বুজোৱা শব্দবিলাকৰ পুৰুষবাচক বিভক্তি লগ লগা এটা অভিনৱ নিয়ম।৩ 'মা', 'দেউতা', 'ককাইদেউ', 'শহুৰ', 'শাহু' আদি শব্দই প্ৰথম, দ্বিতীয় বা তৃতীয় পুৰুষৰ লগত সম্পৰ্কৰ সূচনা কৰিব লাগিলে বেলেগ ৰূপ পৰিগ্ৰহ কৰে। সংস্কৃতীয়া শব্দ আৰু 'ভাইটি' আৰু 'ভনীটি' শব্দৰ বাহিৰে আন সকলো আত্মীয়তাবাচক শব্দই এনে ধৰণে ৰূপ সলনি কৰে। যেনে,—

৮। ক) /দেউতা / 'মোৰ দেউতা' / শহুৰ / 'মোৰ শহুৰ'

খ) /দেউতা-ৰা / 'তোমাৰ দেউতাৰা', / শহুৰ-এৰা / 'তোমাৰ শহুৰেৰা'

গ) /দেউতা-ক/ 'তাৰ/তাইৰ দেউতাক'/শহুৰ-এক/'তাৰ/তাইৰ শহুৰেক'

ওপৰত দিয়া দুটা হেলনীয়া আঁচৰ মাজত দিয়া ৰূপবোৰে সিহঁতৰ আগত 'মোৰ', 'তোমাৰ', 'তাৰ' আদি সম্বন্ধ শব্দৰ ব্যৱহাৰ নোহোৱাকৈও সেই সেই সৰ্বনামৰ লগত সম্পৰ্কৰ সূচনা কৰে। আকৌ, সিহঁতৰ আগত সম্বন্ধ শব্দবোৰ ব্যৱহাৰ কৰিলেও সম্বন্ধবাচক পুৰুষ বিভক্তিবোৰ যোগ কৰিব লাগে। তলৰ বাক্য দুটালৈ চোৱা যাওক।

৯। ক) / তেওঁ তোমাৰ দেউতাৰা নেকি ?/

খ) / তেওঁ তাইৰ দেউতাক নেকি) /

ইয়াত সম্বন্ধ শব্দ (genetive form) 'তোমাৰ' আৰু 'তাইৰ' ব্যৱহাৰ কৰা সত্বেও 'দেউতা' শব্দৰ ৰূপান্তৰ হৈ 'দেউতাৰা' আৰু 'দেউতাক' হৈছে। আত্মীয়তাবাচক শব্দৰ লগত যোগ হোৱা পুৰুষবাচক বিভক্তিৰ অৰ্থ ইমানেই সুস্পষ্ট যে সম্বন্ধ শব্দ (genitive form)ৰ ব্যৱহাৰ নকৰিলেও কোন পুৰুষৰ লগত সম্পৰ্কৰ সূচনা কৰা হৈছে সেই কথা আপোনা-আপুনি ওলাই পৰে। তলৰ বাক্য দুটালৈ চোৱা যাওক।

১০. ক) / দেউতাৰা ঘৰত আছে নে ? /
খ) / দেউতাক ঘৰত নাই। /

১০ (ক) বাক্যত {-ৰা} বিভক্তিৰ সংযোগে এইটো স্পষ্ট কৰি দিছে যে যাক সোধা হৈছে তেওঁক বক্তাই 'তুমি' বুলিব পাৰে আৰু /দেউতাৰা/ মানে 'তোমাৰ দেউতাৰা' বুজাইছে। ১০(খ) বাক্যত {ক} বিভক্তিৰ সংযোগে একেদৰে এইটো নিশ্চিত কৰি দিছে যে /দেউতাক/ মানে, বক্তাৰ নিজৰ নহয়, 'ইহঁতৰ' অৰ্থাৎ 'ল'ৰা-ছোৱালীহঁতৰ দেউতাক'।

ওপৰত দেখুওৱা ধৰণৰ আত্মীয়তাবাচক শব্দৰ বিভিন্ন পুৰুষত কৰা শব্দৰূপ নিসন্দেহে জটিল। সেয়ে মানৱ মনে এই ধৰণৰ জটিলতা বৰ্জন কৰি ৰূপতাত্ত্বিক পোনবাট (short cut) উলিয়াই লব বিচাৰে। মানৱ মনে প্ৰশ্ন কৰে, যদি বাক্যত (উদাহৰণ স্বৰূপে ৯ক) 'তোমাৰ' আদি সম্বন্ধ শব্দ ব্যৱহাৰ কৰি কাৰ লগত আত্মীয় সম্পৰ্ক আছে সেই কথা সূচোৱা হয়, তেনেহলে 'দেউতা' আদি শব্দৰ লগত আকৌ পুৰুষবাচক বিভক্তি লগ লগোৱাটো পুনৰাবৃত্তি নহয়নে ? এইটো অমিতব্যয়ী নহয় নে ? বোধহয় এই যুক্তিৰ বলতে আজিৰ ডেকাচামে আত্মীয়তাবাচক শব্দ (kinship term) সমূহৰ পুৰুষবাচক শব্দৰূপ কোনো কোনো ক্ষেত্ৰত বৰ্জন কৰিবলৈ বিচাৰিছে। যদি কোনোবাই তিনিআলিৰ মূৰত নতুন পুৰুষৰ কথোপকথন শুনে তেন্তে তলত দিয়া ধৰণৰ বাক্য নিসন্দেহে শুনিবলৈ পাব।

১১। ক) / তোমাৰ মা ঘৰত নাই নেকি ?/
খ) / তোৰ বাইদেউ বৰ মৰমিয়াল।/
গ) / তাইৰ মোমাইদেউ আহিছে।/

ইয়াত তলত আঁচ টনা শব্দবিলাকত সম্বন্ধবাচক পুৰুষ বিভক্তি লগ লগা নাই। এনে ধৰণৰ বিভক্তি-বৰ্জিত আত্মীয়তাবোধক শব্দৰ ব্যৱহাৰ ৰূপতাত্ত্বিক মিতব্যয়িতাৰ বাহিৰে একো নহয়। এই ধৰণৰ সংক্ষেপকৰণক অশুদ্ধ বুলি ঘোষণা কৰিব নোৱাৰি; কাৰণ, বাটে-ঘাটে কোনো শ্ৰোতাই এনে ধৰণৰ কথোপকথনক ভুল বুলি আপত্তি দৰ্শোৱা শুনা নাই। অৰ্থমূলক পুনৰাবৃত্তি নাই, তাত নতুন পিৰিৰ ডেকাচামেও এনে ধৰণৰ পুৰুষবাচক বিভক্তি বৰ্জনৰ ভুল নকৰে। (১০খ)ৰ নিচিনা বাক্যত তেওঁলোকে কেতিয়াও (-ক) বিভক্তিৰ বৰ্জন নকৰে; কাৰণ, তেনে বাক্যত 'তাৰ', 'তাইৰ' বা 'তেওঁৰ' শব্দ থাকি পুনৰাবৃত্তিৰ সূচনা কৰা নাই। কাজেই (১১)ত দিয়া বাক্যসমূহৰ দৰে বাক্য ব্যৱহাৰ কৰিলে নতুন পিৰিৰ ডেকা গাভৰুক 'ভাষাটো বিজতৰীয়া কৰা' বুলি অভিযুক্ত কৰিব নোৱাৰি। সমকালীন অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰিবলৈ গলে ওপৰত কোৱা ধৰণৰ সংক্ষেপকৰণক স্বীকাৰ কৰিবই লাগিব। ব্লখ আৰু ট্ৰেগাৰে৪ বহুদিন আগতেই এই কথা দৃঢ়তাৰে কৈ গৈছে যে ভাষা এটা কেনেকৈ কব লাগে সেই কথা সেই ভাষা-ভাষী লোকসকলে নিজে নিজেই ঠিক কৰে। কোনো ব্যাকৰণকাৰে সেই বিষয়ে ৰায় দিব নোৱাৰে। ব্যাকৰণকাৰে ভাষাক অনুসৰণ কৰিব লাগে। ভাষাই ব্যাকৰণকাৰক অনুসৰণ নকৰে।

৫.২ অসমীয়াত গন্তব্যস্থানবাচক (–লৈ) বিভক্তি লোপ

অসমীয়াত সাধাৰণতে 'যোৱা' আৰু 'অহা' ক্ৰিয়াৰ গন্তব্যস্থান হিচাপে ব্যৱহাৰ হোৱা শব্দৰ লগত (–লৈ) বিভক্তি যোগ হয়। কিন্তু নতুন পিৰিৰ ডেকা গাভৰুৱে এই (–লৈ) বিভক্তি বৰ্জন কৰি ৰূপতাত্ত্বিক মিতব্যয়িতা অৱলম্বন কৰা দেখা যায়। আজিকালি বাটে ঘাটে সকলো ঠাইতে তলত দিয়া ধৰণৰ বাক্য শুনা যায়।

১২। ক) /মই যোৰহাট গৈ আছোঁ।/

খ) /তাই ঘৰ গৈছে।/

বাক্যৰ পটভূমিয়েই যিহেতু এইটো স্পষ্ট কৰি দিয়ে যে 'যোৰহাট' আৰু 'ঘৰ' গন্তব্যস্থান, এই শব্দবোৰত পুনৰ বিভক্তি প্ৰয়োগ কৰাৰ প্ৰয়োজন নাই বুলি তেওঁলোকে ভাবে।

৫.৩ উৰিয়াত সম্বন্ধ-বিভক্তি (genitive inflection) লোপ

উৰিয়াত সাধাৰণতে শব্দত (–ৰ) যোগ কৰি সম্বন্ধকাৰকৰ ৰূপ কৰা হয়। উৰিয়াত যিহেতু ধাৰক (nossessor) সৰ্বনাম বা বিশেষ্য পদ সদায় ধৃত (nossessed) বিশেষ্য পদ সদায় ধৃত (nossessed) বিশেষ্য পদৰ আগত বহে, শব্দ ক্ৰমৰ পৰাই এইটো স্বৰূপ সিদ্ধ (redundant) যে আগত বহা পদটো সদায় ধাৰক। সেয়ে আধুনিক উৰিয়াত এই ধাৰক পদত সম্বন্ধ (genetive) কাৰকৰ বিভক্তি বৰ্জন কৰাৰ প্ৰৱণতাই দেখা দিছে। আধুনিক উৰিয়াত তলত দিয়া ধৰণৰ পৰিবৰ্তন এতিয়া সৰ্বজনগ্ৰাহ্য।

১৩। ক) /মামুঙ্কৰ ঘৰ/→/মামু ঘৰ/ 'uncle's house'

খ) /তাৰ বহি/→/তা বহি/ 'his book'

গ) /স্কুলৰ পড়িয়া/→/স্কুল পড়িয়া/'the field of the schoold'

ঘ) /ঘৰৰ কথা/→/ঘৰ কথা/ 'a matter of the family'

উৰিয়া ভাষাত এনেধৰণৰ সম্বন্ধকাৰকৰ বিভক্তি (–ৰ)ৰ বিলোপ ৰূপতাত্ত্বিক মিতব্যয়িতা বা সংক্ষেপকৰণৰ চানেকি।

৫.৪ উৰিয়াত অতীত কালৰ ক্ৰিয়াৰ স্বৰ মধ্যস্থিত /-ৰি-/লোপ

উৰিয়া ভাষাত অতীত কালৰ ক্ৰিয়াপদৰ স্বৰ মধ্যস্থিত -ৰি-ধ্বনি লোপ হোৱা এটা সাধাৰণ কথা। লিখোঁতে ইয়াক লিখিলেও কওঁতে প্ৰায় সকলো বক্তাই ইয়াক উহ্য ৰাখে। তলত কেইটামান মাত্ৰ উদাহৰণ দিয়া হ'ল।

১৪। ক) /মৰিলি/→/মলি/'I am as though dead'

খ) /কৰিলি/ কলি/ "I did'

গ) /কৰিলে/→/কলে/ 'he did"

৫.৫ অসমীয়াত নিমিত্তাৰ্থক (লৈ) প্ৰত্যয় লোপ

আধুনিক অসমীয়াত নিমিত্তাৰ্থক ক্ৰিয়াপদৰ (–লৈ) ক্ৰিয়া বিভক্তি লোপ হোৱাৰ প্ৰবণতাই দেখা দিছে। সাধাৰণতে ইচ্ছাবোধক ক্ৰিয়াপদৰ আগত থকা নিমিত্তাৰ্থক ক্ৰিয়াৰ ক্ষেত্ৰত এনে হয়। নিমিত্তাৰ্থক ক্ৰিয়া পদত যিহেতু প্ৰথমে (–ইব) লগ লাগি সূচনা দিয়ে যে ই সমাপিকা ক্ৰিয়া নহয় (আৰু যিহেতু

সামৰ্থ্যবোধক ক্ৰিয়াৰ আগতো সাধাৰণতে (–ইব)যুক্ত অসমাপিকা ক্ৰিয়াহে বহে)৫, তাত আকৌ (–লৈ) যোগ কৰাটো অতিৰিক্ত কথা যেন হে লাগে। সেই কাৰণে বক্তাই প্ৰায়ে নিমিত্তাৰ্থক (–লৈ) উহ্য ৰাখি মিতব্যয়িতা প্ৰদৰ্শন কৰে। তলৰ উদাহৰণ কেইটালৈ চোৱা যাওক।

১৫। ক) /মই যাবলৈ খোজোঁ/→/মই যাব খোজোঁ।/

খ) /তাই আহিবলৈ বিচাৰে।/→/তাই আহিব খোজে।/

গ) /তই তালৈ যাবলৈ নেলাগে।/→/তই তালৈ যাব নেলাগে।/

৬.০ বাক্য বিন্যাস-জনিত মিতব্যয়িতা

ভাষাৰ আন সকলো স্তৰতকৈ বাক্য বিন্যাসৰ স্তৰত ভাষাতাত্বিক মিতব্যয়িতাৰ পৰিপ্ৰকাশ বেছি পৰিস্ফুট। এনেকি আধুনিক ৰূপান্তৰস্ফোট ব্যাকৰণৰ চৰ্চা কৰোঁতাসকলেও এই কথাৰ আলোচনা কৰিছে। তেওঁলোকে সঘনাই আলোচনা কৰা বিষয়টো হ'ল পুনৰাবৃত্ত শব্দ উহ্য কৰি বাক্যৰ সংক্ষেপকৰণ বা gapping।

৬.১ পুনৰাবৃত্ত শব্দৰ লোপ যোগে বাক্য সংকোচ

ইংৰাজীৰ নিচিনাকৈ অসমীয়াতো পুনৰাবৃত্ত শব্দ বিশেষকৈ ক্ৰিয়াপদ উহ্য কৰি বাক্য চুটি কৰাৰ নিয়ম আছে। তলৰ উদাহৰণ কেইটালৈ চোৱা যাওক।

১৬। ক) /কাইলৈ বাইদেউ আহিব আৰু পৰিহিলৈ পেহী আহিব।/

→/কাইলৈ বাইদেউ আৰু পৰহিলৈ পেহী আহিব।/

খ) /যদু আহিল আৰু সি পিৰালিত বহিল।/

→/যদু আহিল আৰু পিৰালিত বহিল।/

এনে ধৰণে শব্দ লোপ কৰি বাক্য চুটি কৰাৰ পৰম্পৰা উৰিয়া, বঙলা আৰু হিন্দী ভাষাতো অপৰ্যাপ্ত।

৬.২ 'যদি' যুক্ত যুগ্ম বাক্যৰ সৰলীকৰণ

অসমীয়া, বঙলা আৰু উৰিয়া ভাষাত 'যদি' যুক্ত যৌগিক বাক্য চমুৱাই সৰল বাক্যলৈ ৰূপান্তৰ কৰা এটা অতি সাধাৰণ নিয়ম। 'যদি' যুক্ত যৌগিক বাক্যত সদায় দুটা উপবাক্য বা clause থাকে আৰু প্ৰতিটো clauseতে একোটা পূৰ্ণৰূপৰ ক্ৰিয়া থাকে। ইহঁতৰ প্ৰয়োজনীয় পুৰুষ আৰু কালত ৰূপ হয়। দুয়োটা উপবাক্যৰ কৰ্তাৰ পুৰুষ বেলেগ বেলেগ হলে ক্ৰিয়াৰ ৰূপো বেলেগ বেলেগ হয়। যেনে,–

১৭। ক) /তুমি যদি আহা মই যাম।/

১৮। ক) /তেওঁ যদি আহিলহেঁতেন মই গলোঁহেঁতেন।/

১৯। ক) /মই যদি কলোঁহেঁতেন তেওঁ শুনিলেহেঁতেন।/

এই বাক্যবোৰৰ তলত আঁচ টনা ক্ৰিয়াবোৰ বিভিন্ন পুৰুষ আৰু কালত ৰূপ হৈছে। ইহঁতৰ সলনি (–ইলে) প্ৰত্যয়ান্ত কৃদন্ত পদ ব্যৱহাৰ কৰিলে 'যদি' শব্দৰো প্ৰয়োজন নোহোৱা হয় আৰু বাক্যবোৰো চুটি আৰু সৰল হয়। তেনে কৰিলে ওপৰৰ বাক্যবোৰ এনে হব :

১৭। খ) /তুমি আহিলে মই যাম।/

১৮। খ) /তেওঁ আহিলে মই গলোঁহেঁতেন।/

১৯। খ) /মই কলে তেওঁ শুনিলেহেঁতেন।/

উৰিয়া আৰু বঙলা ভাষাতো এই ধৰণৰ বাক্যবোৰ অবিকল একে ধৰণে সংক্ষেপ কৰিব পাৰি। এইবোৰ নিসন্দেহে বাক্য বিন্যাসগত মিতব্যয়িতাৰ আৰ্হি।

৬.৩ পৰোক্ষ উক্তিৰ সৰলীকৰণ

ব্যৱহাৰিক জীৱনত আমি কেতিয়াবা আনে কোৱা কথা উদ্ধৃতি দি কব বা লিখিব লাগে। তেনে পৰিস্থিতিত আমি প্ৰায়েই কওঁ :

২০। ক) /তেওঁ কলে বোলে তেওঁ নাযায়।/

২১। ক) /তুমি কৈছিলা যে তুমি নাহা।/

(২০ক) আৰু (২১ক) বাক্যৰ গঠন নিসন্দেহে জটিল। অন্তঃস্থিত (embedded) বাক্যৰ কৰ্তা আৰু ক্ৰিয়াৰ পুৰুষ সলনি কৰিব লাগে। এনে ধৰণৰ বাক্যৰ ভাব চমুকৈ প্ৰকাশ কৰাৰ সুন্দৰ নিয়ম এটা অসমীয়াত আছে। প্ৰধান (matrix) বাক্যৰ ক্ৰিয়া আৰু অন্তঃস্থিত বাক্যৰ কৰ্তা উহ্য কৰি, সংযোজক অব্যয় 'বোলে' ব্যৱহাৰ কৰি বাক্যবিন্যাসজনিত মিতব্যয়িতা অৱলম্বন কৰা প্ৰায়েই দেখা যায়। তেতিয়া (২০ক) আৰু (২১ক) বাক্য দুটাই তলত দিয়া ধৰণৰ সংক্ষিপ্ত ৰূপ পৰিগ্ৰহ কৰিব।

২০। খ) /তেওঁ বোলে নাযায়।/

২১। খ) /তুমি বোলে নাহা।/

মন কৰিবলগীয়া যে 'হেনো' অব্যয়ে 'বোলে'ৰ ঠাই দখল কৰিব পাৰে। 'হেনো' যুক্ত পৰোক্ষ উক্তত বক্তব্যৰ সত্যাসত্যৰ কাৰণে বক্তা দায়ী নহয়। যেনে—

২২। /তেওঁ হেনো সন্ত্ৰাসবাদী আছিল।/

ইয়াৰ অৰ্থ এয়ে যে এইটো শুনা কথাহে যে 'তেওঁ' সন্ত্ৰাসবাদী আছিল; তেওঁ সন্ত্ৰাসবাদী নহবও পাৰে; এইটো বক্তাৰ নিজৰ জ্ঞানৰ গোচৰৰ কথা নহয়।

বঙলা ভাষাতো ওপৰত বৰ্ণনা কৰা ধৰণৰ পৰোক্ষ উক্তিৰ সৰলীকৰণ পদ্ধতি আছে। অসমীয়াত য'ত 'বোলে' বা 'হেনো' হয়, বঙলাত তাত 'নাকি' হয়। (২০) আৰু (২১) বাক্য বঙলাত ক্ৰমে (২৩) আৰু (২৪)ৰ নিচিনা হয়।

২৩) /উনি বললেন যে উনি যাবেন না।/

→/উনি নাকি যাবেন না।/

২৪। /তুমি বলছিলে যে তুমি আসবে না।/

→/তুমি নাকি আসবে না।/

৭.০ মোখানি

ওপৰৰ আলোচনাৰ পৰা এইটো সহজে প্ৰতীয়মান হয় যে প্ৰায়বোৰ ভাষাৰে প্ৰায় সকলো স্তৰতে 'ভাষাতাত্ত্বিক মিতব্যয়িতা' বা 'অল্পায়াস ৰীতি'ৰ প্ৰতিফলন ঘটে। ইয়াৰ ফলতে নানা ভাষাত, নানান সময়ত আৰু নানান স্তৰত নানান পৰিবৰ্তন সাধিত হৈছে। ই এক সাৰ্বজনীন প্ৰক্ৰিয়া। কোনো এটা ভাষাৰ কোনো এটা স্তৰত সাধিত কোনো এটা পৰিবৰ্তনৰ ধাৰা ব্যাখ্যা কৰিবৰ কাৰণে ততালিকে ওচৰৰ চুবুৰীয়া ভাষাৰ প্ৰভাৱ বিচাৰিবলৈ যোৱাটো এটা বিভ্ৰান্তিকৰ, দুৰ্বল প্ৰয়াস। আকৌ তাকে কৰিবলৈ যাওঁতে, গভীৰলৈ নগৈ, দুটা এটা উপৰুৱা সাদৃশ্যৰ ভিত্তিত সিদ্ধান্তত উপনীত হবলৈ যোৱাটো সম্পূৰ্ণ বিজ্ঞান অসম্মত কথা। তাকে

নকৰি, ভাষাৰ প্ৰতিটো পৰিবৰ্তনকে সূক্ষ্মাতিসূক্ষ্ম দৃষ্টিভংগীৰে পৰ্যবেক্ষণ কৰি, মনঃস্তত্ব আৰু ভাষাৰ সাৰ্বজনীন ধৰ্মৰ পৰিপ্ৰেক্ষিতত বিশ্লেষণ কৰিবৰ প্ৰয়াস কৰিলেহে আমি সত্যত উপনীত হ'ব পাৰিম। অধিকৰো অধিক ভাষাৰ পটভূমিত অপৰ্যাপ্ত উদাহৰণৰ পৰিপেক্ষিতত পৰীক্ষা নিৰীক্ষা কৰি চাব পাৰিলে 'ভাষাতাত্বিক মিতব্যয়িতা' বা 'অল্পায়াস ৰীতি'য়ে পৃথিৱীৰ ভাষাসমূহৰ সময়ে সময়ে হোৱা পৰিবৰ্তন ব্যাখ্যা কৰিব পৰা এটা সাৰ্থক সূত্ৰ বা viable theoryৰ ৰূপ পৰিগ্ৰহ কৰিব বুলি আশা কৰা যায়।

টীকা

১। জীপচ নামৰ ভাষাবৈজ্ঞানিক এজনে পোন প্ৰথমে 'ভাষাতাত্বিক মিতব্যয়িতা'ৰ ধাৰণা দিয়ে। ইয়াক সেয়ে 'জীপচৰ নিয়ম' (Zipf's Law) বুলি জনা গৈছিল। পিছত হাইমেন নামৰ পণ্ডিত এজনে ইয়াক 'ভাষাতাত্বিক উন্মেষ বা মিতব্যয়িতা (linguistic motivation or economy) বুলি নামিত কৰে। Craft-এ লিখিছে, 'the hidden assumption for the connection between frequency and zero expression is the principle that people will shorten the linguistic expression that are used most commonly for economy, that is, to simplify their linguistic utterances '
হকেটে (১৯৭৬ : p 110, p 288) ও ভাষাবিজ্ঞানত মিতব্যয়িতা নীতিৰ কথা উল্লেখ কৰিছে।

২। এই শব্দগুচ্ছ 'folk etymology'ৰ আৰ্হিত গঢ়া হৈছে।

৩। অসমীয়া আত্মীয়তাবোধক শব্দৰ বিভিন্ন পুৰুষত ৰূপ হোৱাটো বহুতে তিব্বত-বৰ্মীয় ভাষাৰ প্ৰভাৱ বুলি ভ্ৰান্ত মত পোষণ আৰু প্ৰকাশ কৰি আহিছে। কিছুমানে কাকতি (১৯৬২)ক উদ্ধৃত কৰি দাবী কৰে যে এই প্ৰণালীটো কাশ্মিৰী, পাঞ্জাবী আৰু লাহাণ্ডী ভাষাৰ লগত অবিকল মিলে। এইটো শুদ্ধ নহয়। এই প্ৰবন্ধকাৰে অলপতে ও. এন. কাউল নামৰ কাশ্মিৰী আৰু পাঞ্জাবী পণ্ডিত এজনৰ লগত আলোচনা কৰি পাইছে যে এই ভাষা দুটাত 'তোমাৰ' 'তেওঁৰ' আদি সৰ্বনামৰ সংক্ষিপ্তৰূপহে আত্মীয়তাবোধক শব্দৰ আগফালে লগ লাগে। এই প্ৰক্ৰিয়া বড়ো আদি তিব্বত বৰ্মীয় ভাষাৰ নিচিনা। অসমীয়াত সম্বন্ধ বুজোৱা পুৰুষ-বিভক্তিবিলাক সদায় আত্মীয়তাবোধক শব্দবোৰৰ পিছফালে সুকীয়াকৈ লগ লাগে আৰু এই বিভক্তিবোৰ কোনো সৰ্বনামৰ সংক্ষিপ্ত ৰূপ নহয়। অসমীয়াৰ এই প্ৰণালী সম্পূৰ্ণ নিজস্ব।

৪। ব্লখ আৰু ট্ৰেগাৰে (১৯৪২) সকলোকে প্ৰত্যয় নিয়াব পৰাকৈ লিখিছে। 'ভাষা এটা কেনেদৰে কোৱা উচিত তাক নিৰ্ণয় কৰাৰ অধিকাৰ ব্যাকৰণকাৰৰ নাই; বৰং ভাষা এটা কেনেদৰে কোৱা হয় তাৰ বস্তুনিষ্ঠ বৰ্ণনা তুলি ধৰাটোহে বৰ্ণনাত্মক ব্যাকৰণকাৰৰ কাম।'

৫। অসমীয়াত অনুমতিসূচক ক্ৰিয়াপদৰ আগত বহা অসমাপিকা (–ইব) প্ৰত্যয়ান্ত ক্ৰিয়াপদ (যেনে, 'তাই আহিব পাৰে' বাক্যত 'আহিব') নিমিত্তাৰ্থক ক্ৰিয়াপদৰ দৰে যেন লাগে। কিন্তু ইয়াত (–লৈ) লোপ হোৱাৰ কোনো প্ৰমাণ নাই।

References

Bloch, B and Trager G 1942 : Outline of Linguistic Analysis, Baltimore, Waverley Press.

Craft, William 1990 : Typology and Universals. Cambridge, Cambridge University Press.

Haiman, John 1985 : Natural Syntax, Cambridge, Cambridge University Press.

Hocket, C. F. 1976 3rd Indian Edition. A couse in Modem Linguistics, Delhi, Macmillan Company.

Kakati, Banikanta 1962 : Assamese— Its Formation and Development, edited by G. C. Goswami, Guwahati, Lawyers Book Stall.

Padun, Nahendra (ed) 1993 : Bhasar Tatvakatha, Sibsagar.

Zipf, George 1935. The Psychology of Language : An introduction to dynamic Philology Cambridge, Mass, MIT Press

বড়ো ভাষা ঃ এটি আলোকপাত

ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য

বড়ো চীন তিব্বতীয় বা তিব্বত চীনীয় ভাষা পৰিয়ালৰ এক জীৱন্ত ভাষা। বড়ো মাতৃভাষা ৰূপে অসম, পশ্চিমবংগৰ কাষৰীয়া অঞ্চল, বাংলাদেশ, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড, অৰুণাচল আদিত ব্যৱহৃত হয়। বড়োসকল ওচৰ চুবুৰীয়া অসমীয়া আৰু বঙলাভাষী লোকসকলৰ মাজত বড়ো, বড়ো কছাৰী (ভৈয়ামৰ কছাৰী) বা কছাৰীৰূপে জনাজাত। অন্যান্য জনজাতীয় নামৰ নিচিনাকৈ 'বড়ো' শব্দটোৱে বুজায় 'এজন মানুহ' নাইবা গোষ্ঠীটোৰ এজন পুৰুষ; যাৰ সমতুল্য 'বৰোক' (Borok) মানে 'এজন মানুহ'ৰ প্ৰকাশ টিপ্ৰা (Tipra) ভাষাত পোৱা যায়। বৃটিছ ভাষাবিদ S. N. Wolfenden ৰ মতে শব্দটোৰ অৰ্থ হৈছে 'ভৈয়াম অঞ্চলৰ অধিবাসী বা সন্তান'। G. A. Grierson যে এইসকলক Rev. S. Endleৰ Grammar (1884 A.D.) ৰ আধাৰত 'বড়', 'বড়ো' অথবা 'ভৈয়ামৰ কছাৰী' ৰূপে বৰ্ণাইছে।

বড়ো ভাষা চীন তিব্বতীয় ভাষা পৰিয়ালৰ ডিমাছা অথবা ডিমাছা কছাৰী (পৰ্বতীয় কছাৰী) গাৰো, তিৱা, তিপ্ৰা, কোচ, ৰাভা, হাজং ইত্যাদি ভাষাৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্কিত। দেউৰী, মিচিং, মেইতেই কাৰ্বি আৰু যথেষ্ট সংখ্যক নগা কুকি ভাষাৰ লগত ইয়াৰ নিলগীয়া সম্পৰ্ক আছে। পশ্চিমবঙ্গৰ জলপাইগুৰি জিলা আৰু বাংলাদেশৰ কিছু অঞ্চলত বাস কৰা বড়োসকলক ইয়াৰ কাষৰীয়া বঙলা ভাষী লোকসকলে মেছ বোলে। এইটো মনত ৰখা উচিত যে Rev. Endle যে তেওঁৰ 'Outline Grammar of the Kachari (Bara) language as spoken in the district Darrang, Assam in 1884 A.D.' খন লিখিছিল মূলতঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ মধ্য অঞ্চলত প্ৰচলিত কথ্যভাষাৰ ওপৰত ভিত্তি কৰি।

G. A. Grierson ৰ দ্বাৰা সম্পাদিত 'Linguistic survey of India' (1901) প্ৰধানকৈ Endle J. D. Anderson ইত্যাদিৰ পৰা আহৰিত সমলৰ ওপৰত ভিত্তি কৰি সম্পাদনা কৰা। আমাৰ গৱেষণাকালীন কালছোৱাত (১৯৫১-১৯৬৪) আমি বড়োভাষাৰ বহুতো ঔপভাষিক তাৰতম্য পাইছিলোঁ আৰু উত্তৰ গোৱালপাৰাৰ উপভাষাৰ ওপৰত ভিত্তি কৰি আমাৰ বিশ্লেষণ 'A Descriptive Analysis of the Boro Language' নামৰ গৱেষণা গ্ৰন্থখনত উল্লেখ কৰিছিলোঁ, যিখন গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৭৭ চনত প্ৰকাশ কৰিছিল। আমি বড়ো ভাষাৰ চাৰিটা পৃথক অঞ্চল চিহ্নিত কৰি লৈছিলোঁ। সেই কেইটা হ'ল উত্তৰ-পশ্চিম, দক্ষিণ-পশ্চিম, উত্তৰ, মধ্য আৰু দক্ষিণ অসম উপভাষা অঞ্চল।

জাতিগত ভাৱে বড়োসকল মঙ্গোলীয় (কিৰাট) নাইবা ইন্দো মঙ্গোলীয় বা ইন্দো তিব্বতীয় গোষ্ঠীৰ। তেওঁলোকে যুগ যুগ ধৰি অষ্ট্ৰিক, দ্ৰাবিড় আৰু নৰ্ডিক আৰ্যসকলৰ সংসৰ্গত বাস কৰিছিল। এইসকল গোষ্ঠীৰ মাজত হোৱা সামাজিক

আৰু সাংস্কৃতিক আদান প্ৰদানৰ ফলস্বৰূপে ১৯ শতিকাৰ আদিভাগৰ পৰা ইন্দো অসমীয়া জাতিৰ উত্তৰণৰ পথ প্ৰশস্ত হৈছিল। পশ্চিম, পূৰ্ব্ব আৰু দক্ষিণ অঞ্চলৰ বড়োসকল, যিসকলক যথাক্ৰমে কোচ, চুতীয়া আৰু ডিমাছা ৰূপে জনা যায়, মিলি সকলো বড়োৱে ৰাজকীয় গৌৰৱোজ্জ্বল অতীত আছে যাক বুৰঞ্জীৰ পাতত পোৱা যায়। শেষৰ জনা ডিমাছা কছাৰী ৰজা গোবিন্দ চন্দ্ৰ নিহত হৈছিল ১৮৩০ খ্ৰীষ্টাব্দত আৰু তেওঁৰ ৰাজ্য বৃটিছ শাসনৰ অন্তৰ্ভুক্ত হৈছিল। গোবিন্দচন্দ্ৰৰ মুখ্য সেনাপতি তুলাৰাম সেনাপতিয়ে ১৮৫৪ খ্ৰী. লৈ কছাৰী ৰাজ্যৰ একাংশ শাসন কৰিছিল। চীন তিব্বতীয় বড়োভাষীসকলৰ প্ৰাক্ ঐতিহাসিক আৰু ঐতিহাসিক সময়ৰ বিস্তাৰিত ৰূপৰ আলোচনালৈ নগৈ, আমি বড়োসকলক তিব্বতীয়, ব্ৰহ্মদেশীয় আৰু চীনা সকল আৰু কলা, সংগীত, নৃত্য, সাহিত্য আৰু সংস্কৃতিত তেওঁলোকৰ স্বকীয় অৱদানেৰে গঢ়লৈ উঠা চীনীয় তিব্বতীয় পৰিয়ালৰ এক প্ৰধান ভাষীৰূপে গণ্য কৰিব পাৰোঁ। বড়োৰ লগত সম্পৰ্ক ৰাখি চীনীয় তিব্বতীয় ভাষাক G. A. Grier son, S.K. chattergi, Robert shafer, paul K. Benedict আদিয়ে তেওঁলোকৰ লিখনিত শ্ৰেণীবিভাগ কৰি দেখুৱাইছে। বড়ো আৰু অন্য সমজাতীয় ভাষাৰ উৎপত্তিমূলক সম্বন্ধ উলিওৱাটো সম্ভৱ হ'ব যদিহে এই ভাষা সমূহৰ তুলনাত্মক আৰু ভাষা কালানুক্ৰমিক বিজ্ঞান অধ্যয়ন সম্পূৰ্ণ কৰিব পৰা যাব। বড়ো আৰু গাৰো ভাষাৰ কালানুক্ৰমিক বিজ্ঞান আৰু শব্দ সাংখিকী বিচাৰৰ পৰা Robbins Burling আৰু এই প্ৰৱন্ধকাৰে ১৯৫৬ চনত এইটো পাইছিল যে প্ৰায় ২০০০ বছৰ আগতে বড়ো আৰু গাৰো ভাষা, ইটোৱে সিটোৰ পৰা বিচ্ছিন্ন হৈছিল যাৰ মূল আছিল এক পৈত্ৰিক ভাষা। সাদৃশ্য বিচাৰে দেখুৱাই যে বড়ো আৰু ডিমাছা ভাষা পৰস্পৰে পৰস্পৰৰ পৰা প্ৰায় ১৫০০ বছৰ আগতে পৃথক হৈছিল। এইদৰে ডিমাছা ভাষা গাৰোতকৈ বড়ো ভাষাৰ বেছি ওচৰৰ। চীনীয় তিব্বতীয় ভাষাৰ আৰু বিস্তাৰিত অধ্যয়নে বৰ্গীকৰণৰ এক নিৰ্দ্দিষ্ট সূচী তৈয়াৰত সহায় কৰিব।

ভাৰতবৰ্ষৰ ১৯৯১ চনৰ লোক পিয়ল মতে, অসমৰ বৰ্তমানৰ ২৩ খন জিলাৰ মুঠ জনসংখ্যা হ'ল ২ কোটি ২৩ লাখ। ১৯৭১ চনত অসমৰ লোকসংখ্যা আছিল ১ কোটি ৪৬ লাখ। বড়োভাষী লোকৰ সংখ্যা অসমত আছিল প্ৰায় ৫,৩৩,৭১৩ জন। যথেষ্ট সংখ্যক সূচকৰ পৰা আহৰিত ক্ষেত্ৰ সমল আৰু বিশেষকৈ প্ৰয়াত ভবেন নাৰ্জ্জীৰ কথ্য উত্তৰ গোৱালপাৰাৰ (এতিয়াৰ কোকৰাঝাৰ) উপভাষাৰ পৰা বড়ো ভাষাক ৬টা স্বৰধ্বনি ক্ৰমে ই, উ, এ, অ', অৗ, আ আক্ষৰিক স্বৰধ্বনি অক্ষৰ হিচাবে সুৰৰ লক্ষণ উচ্চ, মধ্য, নিম্ন নাইবা নিৰপেক্ষ যিটোৱেই প্ৰয়োজনীয় তাৰ লগত জড়িত কৰি আমি বৰ্ণনা কৰিছোঁ। অৗ এটি বহলকৈ মেলা ওঁঠ দুটাৰ দ্বাৰা উচ্চাৰিত কেন্দ্ৰীয় মধ্য স্বৰ, যিটো ইন্দো অসমীয়া বা বঙালী কথনৰীতিৰ দিশৰ পৰা বেলেগ। সম্মুখ আৰু পশ্চস্থিতিৰে ই (i) উ (u) হ'ল উচ্চ সুৰ বিশিষ্ট আৰু উদ্ধৃত স্থিতিত এ অ' মধ্য হিচাপে উচ্চাৰিত হয়। আ হ'ল বিস্তৰ পৰিসৰযুক্ত কেন্দ্ৰীয় নিম্ন স্বৰধ্বনি। এই ছটা আক্ষৰিক স্বৰধ্বনিৰ উপৰিও বড়ো ভাষাত ১৩টা ব্যঞ্জন ধ্বনি আৰু ৩টা অনাক্ষৰিক অৰ্দ্ধস্বৰ পোৱা যায়। সেইবোৰ যথাক্ৰমে ph ফ, th থ, kh খ, b

ব, d দ, gগ, mম, nন, nঙ sচ জ z rৰ lল আৰু hহ wৱ yয় এই সৰ্ব্বমুঠ ২২টাক খণ্ডীয় বিশিষ্ট ধ্বনি ৰূপে জনা যায়। ইয়াত তিনিটা সন্ধি আছে; সেয়া হ'ল সংবৃত, বিবৃত, সীমান্তিকা (terminal)। যথাক্রমে দুটা বিশিষ্ট ধ্বন্যাত্মক অক্ষৰ, দুটা বিশিষ্টধ্বন্যাত্মক শব্দ আৰু দুটা বিশিষ্ট ধ্বন্যাত্মক উপবাক্য। এটা অক্ষৰেই হ'ল বৰ্ণনাত্মক বিশ্লেষণৰ আদি বিন্দু। উচ্চ, মধ্য, নিম্ন আৰু নিৰপেক্ষ এই চাৰিওটা সুৰেই এটা অক্ষৰত থাকিব পাৰে। সীমান্তিক সংগমৰ (Terminal juncture) পূৰ্ববৰ্ত্তী অক্ষৰৰ সংগী হোৱা চাৰিটা বিৰাম আছে। এইবোৰক তড়িৎ আৰোহন (steep rise), ধিমা আৰোহন (non steep rise) তড়িৎ অৱৰোহন (steep fall), ধিমা অৱৰোহন (non step fall) আৰু নিৰপেক্ষ বোলা হয়। বিশিষ্ট ধ্বন্যাত্মক লিখনত, এই চাৰিওটা বিৰামক নিম্ন উল্লিখিত বিৰাম চিহ্নেৰে নিৰ্দেশ কৰা হয় : ! ? . ; , । সুৰৰ চিহ্ন ১২৩০ নাইবা স্বৰ কেন্দ্ৰৰ সলনি বিশেষক চিহ্নেৰে সুবিধানুসাৰে নিৰ্দেশ কৰিব পৰা যায়। এইদৰে বড়োৰ উচ্চাৰিত বাক্যত পূৰ্ববৰ্তী নীৰৱতা এটি বিৰাম আৰু সীমান্তিক সংগমেৰে বিভক্ত অনিৰপেক্ষ সুৰ এটিৰ সৈতে এটা হ'লেও বিশিষ্ট ধ্বন্যাত্মক অক্ষৰ আছে। ধ্বনিতাত্ত্বিক গঠনৰ বিশদ বিৱৰণলৈ নোযোৱাকৈ কিছু উদাহৰণ দাঙি ধৰা হ'ল—১ফায় 'হাতৰ তলুৱাৰে আঘাত কৰা'; ২ ফায় 'আহা'; থায় 'তেজ', ৩ ফায় 'মৰা', জা 'খা', ৩জা 'হ', ০ ছি১খ্লা 'কুমাৰী'; ১ খু০ৱা 'নোসোমা'; ০ খুৱা 'কুঁৱলী', ১ নীং 'তই', ২ নীংথাং 'তুমি', ২নীং১থাং 'তুমি যোৱা', ২নীং ৩থাং 'তুমি জীয়াই থাকা'; ১ হাঃ 'এইটো কি :' ১ হা 'ভূমি';২নীং২হা 'তুমি ৰেপি ৰেপি কাটা', ২নীং১বী লীং২ আং১বী ১লীং০গীন 'তুমি ফটিকা খোৱা', 'ময়ো ফটিকা খাম' ২নীং২থাং ১ৱা ২ আং১বী ১থাং০গীন 'যদি তুমি আহা তেতিয়া মই যাম।'

বড়ো ভাষাৰ বৈশিষ্ট্যমূলক সুৰৰ সম্পৰ্কত ধ্বনিগত বৈশিষ্ট্য বোৰ আহৰণ কৰিবলৈ হ'লে বড়ো ভাষা ভাষীলোকৰ প্ৰত্যক্ষ সহায়ৰ আৱশ্যক হ'ব। নামবাচক বহুবচনাত্মক প্ৰত্যয় আৰু ব্যক্তিবাচক সম্বন্ধ বাচক পৰসৰ্গবোৰে বিশেষ্য, সৰ্বনাম আদিৰ ক্ষেত্ৰত যিবোৰ ৰূপগত ধ্বনিতাত্ত্বিক পৰিৱৰ্তনৰ সূচনা কৰে আৰু তাৰ ফলস্বৰূপে সমীভৱন, স্বৰভক্তি, স্বৰলোপ, বৰ্ণবিপৰ্যয় আদিৰ সৃষ্টি কৰে, সেয়া শব্দাৰ্থবিজ্ঞানৰ আকৰ্ষণীয় বিষয়। উদাহৰণ স্বৰূপে 'নীংছীৰনিফ্ৰায়' (তোমালোকৰ পৰা) শব্দমালাৰ সলনি 'নীং ছিনিফ্ৰায়' হয়গৈ। আকৌ 'বিছিনি' (তেওঁলোকৰ পৰা)ৰ ঠাইত 'ফিছিনি' হয়।

বড়ো ভাষাৰ ৰূপতাত্ত্বিক গঠনৰ ক্ষেত্ৰত সৰ্বনামৰ পিছত ব্যুৎপত্তিমূলক বহুবচনাত্মক, কাৰক নিৰ্দেশক আৰু সীমান্তিকা প্ৰত্যয় বা পৰসৰ্গ সংযোগ হয়। সংখ্যাবাচক শব্দৰ আগত নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয় আৰু কাৰক প্ৰত্যয় সীমান্তিকা প্ৰত্যয়ৰ পিছত লগ লাগে।

ক্ৰিয়াৰ আগত নেতিবাচক উপসৰ্গ, ব্যুৎপত্তিমূলক উপসৰ্গ যোগ হয় আৰু পাছৰ ফালে ব্যুৎপত্তিবোধক পৰসৰ্গ, সমাপিকা ক্ৰিয়াবাচক পৰসৰ্গ যোগ হয় আৰু অন্যান্য প্ৰত্যয় যোগ হয়। বিশেষণৰ ক্ষেত্ৰত তাৰতম্য বুজাবলৈ তুলনাত্মক আৰু উৎকৃষ্টতা মূলক প্ৰত্যয় সংযোগ কৰাৰ ব্যৱস্থা আছে। ক্ৰিয়াৰ মূলক ধাতু

বোলে আৰু এই ধাতুৰ আগত গ—বাচক আৰু ম—বাচক উপসৰ্গ যোগ হৈ বিভিন্ন পদ্ধতিৰে বিশেষণ গঠিত হয়। বিশেষণৰ পিছত এবিধ প্ৰত্যয় যোগ হৈ ক্ৰিয়া বিশেষণৰ প্ৰয়োগ হয়। ক্ৰিয়া বিশেষণবোৰ নিয়মিত (Regular) আৰু অনিয়মিত (irregular) এই দুই ধৰণৰ হ'ব পাৰে।

বড়ো বাক্যতত্ত্ব বৰ জটিল যদিও ইয়াক খণ্ডবাক্য পদ্ধতি বা বাক্যাংশৰ ধৰণেৰে আলচ কৰিব পাৰি। কেতিয়াবা জতুৱা ঠাঁচে খণ্ডবাক্য, বাক্যাংশ তথা বাক্যৰ অৰ্থত হ্ৰস্ব দীৰ্ঘ ঘটায়। বাক্যবোৰক কেন্দ্ৰগামী বা বিকেন্দ্ৰীভূত পদ্ধতিৰেও ব্যাখ্যা কৰিব পাৰি। ভাৰতীয় আৰ্যভাষা অসমীয়া, বঙালী বাক্যৰীতিৰ সৈতে বড়ো আৰু বড়োৰ সমগোত্ৰীয় ভাষাবোৰৰ তুলনাত্মক তথা বৈষম্যমূলক আলোচনা কৰিব পাৰি। ইতিপূৰ্বে J. D. Anderson, B. Kakati আৰু K.R. Medhi আদিয়ে এই বিষয়ে কিছু আলোচনা কৰিছে। তলত কেইটামান বড়ো ভাষাৰ ৰূপগত আৰু বাক্যৰীতিমূলক উদাহৰণ দাঙি ধৰা হ'ল—

মানছিয়া ওঁংখাম জাদীং 'মানুহজনে ভাত খাইছে'।

আংনি আফা আৰৌ নোংনি নোমফা ফৈইগোন্না? 'তোমাৰ দেউতা আৰু মোৰ দেউতা আহিবনে?

বিথাঙা ছাহে অন্‌ছুলা মানছি—'তেখেত এজন মৰমীয়াল লোক'।

বে গাংছে বিজাব—'এইখন এখন কিতাপ'।

মানসিয়া গাজি—মানুহজন বেয়া।

নোংনি গাহাম আৰৌ মোজাং না? 'তোমাৰ শৰীৰ মন ভালনে?'

ছি গাওমি ছালায়া খাঙা–'চোৰৰ জিভা চুটি'।

হা গুৰৌয়াও মাউজিখিয়ৌ–'মাটি কোমল হলে, মেকুৰীয়ে লাদে' (সজ লোক বিপদত পৰে)।

বড়ো ভাষাৰ বৰ্তমান নিজা কোনো লিপি নাই। কলা গুৰু বিষ্ণুপ্ৰসাদ ৰাভাই আমাক কোৱা মতে, তেওঁ ডিমাপুৰৰ পৰা সংগ্ৰহ কৰা কিছুমান দেওধাই লিপি বড়ো আৰু ডিমাছা সকলৰ মাজত আছিল। কিছুমান কাৰণত দেওধাই লিপি প্ৰচলিত নহ'ল। বড়ো ধৰ্মীয় আৰু লোক সাহিত্য সমূহ প্ৰাচীন অসমীয়া বুৰঞ্জীত বিধৃত হৈ আছে। বৃটিছ শাসনৰ সময়ত, খৃষ্টিয়ান মিছনেৰী আৰু বৃটিছ বিষয়াসকলে গ্ৰন্থ ৰচনা আদি ইংৰাজীত ৰোমান লিপিৰ সহায়ত লিখিছিল। ১৮৪৭ চনৰ পৰা ভালেসংখ্যক পণ্ডিতে ইংৰাজী, বড়ো, অসমীয়া আৰু বঙালী ভাষাত বিভিন্ন গ্ৰন্থ আৰু গৱেষণা পত্ৰ লিখি বড়ো ভাষা সাহিত্য আৰু সংস্কৃতিলৈ বৰঙণি যোগাইছে। D. N. S. Bhat ৰ 'বড়ো শব্দমালা' মধুৰাম বড়োৰ সহায়ত ১৯৬৮ চনত পুনাৰ পৰা প্ৰকাশিত হৈছিল। সত্তৰৰ দশকত বন্ধুৰাম কছাৰী, ৰাজেন্দ্ৰ লাল নাৰ্জাৰী আদিয়ে প্ৰাথমিক পৰ্যায়ৰ পাঠ্যপুথি প্ৰস্তুত কৰিছিল। অসম চৰকাৰে সত্তৰৰ দশকত বড়ো অধ্যুষিত অঞ্চলত বিশেষকৈ কোকৰাঝাৰত অসমীয়া লিপিত বড়ো ভাষাৰ প্ৰৱৰ্তন কৰিছিল। ১৯৬৮ চনত মাধ্যমিক পৰ্যায়ত আৰু ১৯৭২ চনত উচ্চ মাধ্যমিক পৰ্যায়ত বড়ো ভাষা প্ৰৱৰ্তন কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰাক বিশ্ববিদ্যালয় পৰ্যায়ত ১৯৭৬ চনত আৰু স্নাতক পৰ্যায়ত ১৯৭৮ চনত বড়ো ভাষাক আধুনিক ভাৰতীয়

ভাষাৰ অন্তৰ্ভুক্ত কৰে। কোকৰাঝাৰ জিলা আৰু ওদালগুৰি মহকুমাত ব্যৱহাৰৰ অৰ্থে ১৯৮৪ চনত অসম চৰকাৰে বড়ো ভাষাক দ্বিতীয় সহযোগী ভাষাৰূপে স্বীকৃতি দিছিল। ১৯৫২ চনৰ ১৬ নৱেম্বৰত স্থাপিত হোৱা বড়ো সাহিত্য সভাই দেৱনাগেৰীক লিপিৰূপে গ্ৰহণ কৰিছিল যদিও পিছলৈ তেওঁলোকে ৰোমান লিপিৰহে পোষকতা কৰিছিল। ১৯৯৬ চনৰ ৮ জানুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত (MIL) বড়ো ভাষাৰ স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। বড়ো ভাষাত বিভিন্ন সাহিত্য ৰচনাৰ লগতে গৱেষণা দিশতো অগ্ৰগতি লাভ কৰা দেখা গৈছে।

বড়ো সম্বন্ধবাচক শব্দ

মধুৰাম বড়ো

সম্বন্ধবাচক শব্দবোৰ পৰিয়াল আৰু পৰিয়ালৰ লগত সম্বন্ধ থকা ব্যক্তিৰ মাজত প্ৰয়োগ কৰা হয়। তথাপি গাঁৱৰ বা সমাজৰ ব্যক্তিসকলৰ মাজতো আপোন ভাব ৰাখিবলৈ আৰু সন্মান প্ৰদৰ্শন কৰিবলৈ পৰিয়ালৰ লগত সম্বন্ধ নথকা ব্যক্তিসকলৰ মাজতো এনে সম্বন্ধবাচক শব্দবোৰৰ প্ৰয়োগ কৰা হয়।

সম্বন্ধবাচক শব্দবোৰ বৈবাহিক সূত্ৰৰ পৰাই স্বাভাৱিকতে আৰম্ভ হৈছিল। পৰিয়ালৰ পিতৃ-মাতৃ আগলৈ পূৰ্ব পুৰুষ আৰু পিছলৈ সন্তান-সন্ততিকে ধৰি বংশলতাৰ মাজত এনে সম্বন্ধবাচক শব্দ প্ৰচলিত হয়। তাৰ উপৰিও নিজৰ পুত্ৰ জীয়ৰীৰ বিবাহ পাতি বেলেগ পৰিয়ালৰ লগত নতুন সম্বন্ধ পাতিলেও সম্বন্ধবাচক শব্দৰ প্ৰয়োগ হয়। আনকি সখী, বন্ধু আদি কৰিও এটা পৰিয়ালৰ লগত আনটো পৰিয়ালৰ মাজত সম্বন্ধ হ'লে এনে সম্বন্ধবাচক শব্দৰ প্ৰয়োগ কৰা হয়।

পিতৃপ্ৰধান আৰু মাতৃপ্ৰধান সমাজৰ মাজত এনে সম্বন্ধবাচক শব্দবোৰৰ সূত্ৰ বেলেগ বেলেগ ধৰণে আৰম্ভ হয়। পিতৃ প্ৰধান জাতিয়ে অন্যঘৰৰ ছোৱালী আৰু মাতৃ প্ৰধান জাতিয়ে অন্য পৰিয়ালৰ ল'ৰাক বিয়া কৰাই আনে। পিতৃ প্ৰধান অসমীয়া জাতিৰ মাজতো কেতিয়াবা ঘৰ জোঁৱাই ৰখা বা ঢোকা থকাৰ ব্যৱস্থা আছে। এইটো মাতৃপ্ৰধান জাতিৰ এটা নিজস্ব বৈশিষ্ট্য। মাতৃপ্ৰধান জাতি খাচিয়া আৰু গাৰোসকলৰ মাজত সম্বন্ধবাচক শব্দৰ সূত্ৰ পিতৃপ্ৰধান জাতি অসমীয়াৰ বংশসূত্ৰ বা বংশলতাৰ সৈতে একে নহয়। গতিকে সম্বন্ধবাচক শব্দবোৰ নিশ্চয় দুয়ো সমাজত বেলেগ বেলেগ ধৰণে আৰম্ভ হোৱাটো স্বাভাবিক। দক্ষিণ ভাৰতৰ দ্ৰাবিড়সকল হিন্দুগোষ্ঠীৰ যদিও আৰ্থিক দায়বদ্ধতাৰ কাৰণে নিজৰ বায়েকৰ ছোৱালী অৰ্থাৎ ভাগিনীয়েকৰ বিয়া কৰোৱা দেখা যায়। ইচলাম ধৰ্মত নিজৰ খুৰাক, জেঠাক, মোমায়েক, সখীয়েকৰ ল'ৰাছোৱালীৰ মাজতো বৈবাহিক সম্বন্ধ ঘটে। তেনেক্ষেত্ৰত সম্বন্ধবাচক শব্দ পিতৃপ্ৰধান জাতিৰ হলেও এনে দায়বদ্ধতাৰ মাজত সম্পন্ন হোৱা বিয়াৰ পিছত নিজৰ ভিনিহিয়েক, খুৰাক, খুৰীয়েক, মোমায়েক, মামীয়েকক সেই ডেকা-গাভৰুয়ে কি বুলি সম্বন্ধ ধৰি মাতিব সেইটো নিশ্চয় অনুমেয়। এনেকৈয়ে বহুতো নতুন নতুন যৌগিক সম্বন্ধবাচক শব্দৰ সৃষ্টি হয়। দক্ষিণ ভাৰতত ভিনিহি শহুৰ বিপৰীতে খুলখালী জোঁৱাই ইত্যাদি শব্দৰ জন্ম হোৱাটো অনুমেয়। বহুতো জনজাতীয় মঙ্গোলীয় গোষ্ঠীৰ মাজত নিজৰ ককায়েকৰ পত্নী অৰ্থাৎ বৌয়েকক সামাজিক আৰু আৰ্থিক দায়বদ্ধতাৰ কাৰণে বিয়া কৰায়। তাৰপিছত পূৰ্বৰ সম্বন্ধবাচক শব্দ পিছলৈ কেনে হ'ব তাক অনুমান কৰা যায়। আকৌ বহুতো মাতৃ প্ৰধান জাতি যেনে খাচিয়া আৰু গাৰোৰ মাজত মাতৃপ্ৰধান ৰূপ লোপ পাবলৈ লৈছে; তেনেক্ষেত্ৰত তেওঁলোকৰ মাজতো সম্বন্ধবাচক শব্দৰ ক্ৰমে পৰিবৰ্তন হোৱাটো স্বাভাৱিক।

অসমীয়া সমাজ জীৱনতো ভাইশহুৰ বা দাদাশহুৰ, মোমাই শহুৰ, ভাগিন জোঁৱাই, বৰজনা, বৰদেউতা, সৰুদেউতা এইবোৰ সম্বন্ধবাচক শব্দ পিছৰ কালৰ সৃষ্টি। সমাজৰ পৰিবৰ্তনৰ লগে লগে এনে যুৰীয়া বা যৌগিক নতুন নতুন সম্বন্ধবাচক শব্দৰ সৃষ্টি হোৱাটো স্বাভাৱিক।

বড়োসকল বৰ্তমান পিতৃপ্ৰধান জাতি। কিন্তু বহুতে ক'ব খোজে যে অন্যান্য মঙ্গোলীয় জাতিৰ দৰে এওঁলোকো হয়তো মাতৃপ্ৰধান জাতিয়ে আছিল। যিয়ে নহওক, বড়ো বা অন্যান্য মঙ্গোলীয় গোষ্ঠীৰ মাজত দাদা শহুৰ, ভাগিন জোঁৱাই, ভাই বোৱাৰী এনে যুৰীয়া বা যৌগিক সম্বন্ধবাচক শব্দ পোৱাটো কঠিন। সম্বন্ধবাচক শব্দবোৰ পোনপটীয়া। তেওঁলোকৰ মতে বিয়া মানে ল'ৰা ছোৱালী আহি পৰিয়ালৰ ভিতৰত এটা নতুন সদস্য ভৰ্তি হোৱা। গতিকে পৰিয়ালৰ অন্যান্য সদস্যৰ দৰে নতুনকৈ সোমোৱা জোঁৱাই বা বোৱাৰী এক পৰিয়ালৰ দৰে মিলি যোৱা আবুৰৰ প্ৰয়োজন নাই! অসমীয়া বা অন্য সমাজতো তেনে প্ৰতিবন্ধকতাৰ কাৰণেই বোৱাৰীৰ সদস্য ভৰ্তিত সামাজিক ভেদ থাকি যায় কাৰণেই ওৰণি লোৱা বা পৰ্দা প্ৰথাৰ সৃষ্টি হৈছিল নতুবা শহুৰ বোৱাৰী, ভাই শহুৰ-ভাই বোৱাৰীৰ মাজত ওচৰা ওচৰি হোৱাৰ, মুখামুখি হৈ কথা পতাত সামাজিক বাধাৰ সৃষ্টি হৈছিল। বড়ো বা অন্য জনজাতীয় সমাজত তেনে সামাজিক প্ৰাচীৰ বৰ কটকটীয়া নহয় এনে উদাৰতা আৰু সাম্য ভাবৰ কাৰণেই নতুবা একে পৰিয়ালৰ সভ্য হিচাবে স্বীকৃতি দিয়াৰ বাবেই।

বড়ো আৰু অসমীয়া সমাজত শহুৰেকৰ যিমান সম্মান, মোমায়েকৰ যিমান সম্মান, ভাগিনিয়েকৰো সিমানেই সম্মান। বড়ো বা অন্য জনজাতীয় লোকৰ ভাষাত তেনে সম্মান সম্বন্ধবাচক শব্দৰ জৰিয়তে প্ৰকাশ পায়। বড়োসকলে তেনে সম্মানীয় ব্যক্তিসকলৰ বাবে বহুবচনান্ত বিভক্তিৰ চিন ব্যৱহাৰ কৰে। যেনে-– বিহাউছী (শহুৰ), জাৱাইছী (জোঁৱাই), বানীয়ছী (ভাগিন), (মোমাই) আমাছী ইত্যাদি। 'ছী' শব্দটো সৰ্বনামৰ পিছত ব্যৱহাৰ হোৱা বিভক্তিৰ চিন 'ছীৰ' অপভ্ৰংশ ৰূপ যেনে— বিছীৰ (সিহঁত), নীংছীৰ (তহঁত তোমালোক), বি (সি, তেওঁ), নীং (তই, তুমি) নাইবা তাৰ পিছতো আৰু এটা বহুবচনান্ত বিভক্তিৰ চিন 'মীন' ব্যৱহাৰ কৰা হয়। যেনে— বিহাউছীমীন (শহুৰহঁত), জাৱাইছীমীন (জোঁৱাইহঁত) আদি শব্দ বহুবচন হ'লেও সম্মানাৰ্থে একবচনৰেই অৰ্থ প্ৰকাশ কৰে। বড়ো ভাষাত অসমীয়াৰ দৰে আই, পিতা, দাদা এনেধৰণৰ প্ৰাকৃতিক বা স্বাভাৱিক বা সুকীয়া সম্বন্ধবাচক শব্দ প্ৰায়ে নাথাকে আই (মা), বানায় (ভাগিন) ইত্যাদি কেইটামান শব্দৰ বাহিৰে বড়ো ভাষাত তেনে সম্বন্ধসূচক শব্দ নাই। এই ভাষাত সম্বন্ধবাচক শব্দবোৰ সৰ্বনামৰ প্ৰসঙ্গত সৃষ্টি কৰি লোৱা হয়। এনে শব্দবোৰ মুক্তৰূপ (free monepheme) হে। ফা, দা ইত্যাদি বদ্ধৰূপবোৰৰ কোনো অৰ্থ থাকিলেও সেইবোৰ সম্পূৰ্ণাঙ্গ বা মুক্তৰূপ নহয় কাৰণে সেইবোৰ স্বপ্ৰকাশ্য নহয়। গতিকে সেইবোৰ বড়ো ভাষাত সম্বন্ধবাচক শব্দ নহয় কিন্তু সম্বন্ধবাচক ৰূপহে (morpheme) দা বদ্ধৰূপৰ অৰ্থ পিতৃত্বৰ সম্বন্ধ, দা বদ্ধৰূপে জ্যেষ্ঠ ভাতৃত্বৰ অৰ্থ প্ৰকাশৰ ইঙ্গিত দিয়ে। তেনে বদ্ধৰূপৰ আগত ব্যক্তিবাচক সৰ্বনাম বা সিহঁতৰ হ্ৰস্বৰূপ সংযোগ কৰি বড়ো সম্বন্ধবাচক শব্দবোৰ গঠন কৰা

হয়; যেনে— আং (মই)=ফা = আ (আং)=ফা-আফা=মোৰ পিতা; নীং + ফা-নীম (নীং) =ফা-নীম্ফা = তোমাৰ পিতা; বি = ফা = বিফা/ফিফা = তাৰ/তেওঁৰ পিতাক ইত্যাদি। গতিকে দেখা যায় বড়ো সম্বন্ধবাচক শব্দবোৰ ব্যক্তিবাচক সৰ্বনামৰ প্ৰত্যেকটোক লৈ এটা প্ৰাসঙ্গিক অৰ্থ প্ৰকাশ কৰি লৈ গঠন কৰা হয়। যেনে— আং অৰ্থ মই, গতিকে আংফা- আফা =মোৰ পিতা, নীং + ফা - নীম (নীং) + ফা - নীম্ফা = তোমাৰ পিতা, বি (সি, তাই, তেওঁ) = ফা =বিফা/ফিফা = তাৰ, তাইৰ, তেওঁৰ পিতা ইত্যাদি। প্ৰায় সকলোবোৰ সম্বন্ধবাচক শব্দই তেনেদৰে গঠিত হয়। গতিকে পিতা, মাতা, দাদা তেনে উমৈহতীয় বা স্বাভাৱিক অৰ্থ বড়ো ভাষাত প্ৰায় নাই বুলিবই পাৰি। সেইকাৰণে বড়োভাষী এজনক পিতা, মাতা ইত্যাদি শব্দ অসমীয়া বা ইংৰাজী শব্দৰ প্ৰতিশব্দ সুধিলে প্ৰথমে থমকি ৰৈ চিন্তা কৰিব, প্ৰসঙ্গটো কাৰ সোধোতাৰ নে কওঁতাৰ, নে কোনো অনুপস্থিত ব্যক্তিৰ (তৃতীয় পুৰুষৰ)।

বড়ো ভাষাত ব্যক্তিবাচক প্ৰথম, দ্বিতীয়, তৃতীয় পুৰুষাৰ্থক প্ৰসৰ্গ বহাৰ দৰে অসমীয়া ভাষাতো সম্বন্ধবাচক শব্দৰ পিছত প্ৰথম পুৰুষত শূন্য প্ৰসৰ্গ, যেনে— পিতা, দ্বিতীয় পুৰুষত পিতাৰ (তুচ্ছাৰ্থ), পিতাৰা (সমনীয়), তৃতীয় পুৰুষৰ পিতাক ইত্যাদি পৰসৰ্গ ব্যৱহাৰ হয়। এই প্ৰথা বড়ো বা অন্য তিব্বত বৰ্মী ভাষাৰ প্ৰভাৱত পৰি সম্ভৱ হ'ব পাৰে। উক্ত শব্দবোৰ বৰ্ণনাত্মক সাধাৰণ; কিন্তু কিছুমান সম্বন্ধবাচক শব্দ আছে যিবোৰ বড়ো ভাষাত কেৱল সম্বোধন অৰ্থতহে প্ৰয়োগ কৰিব পৰা যায়।

প্ৰথম পুৰুষৰ সৈতে সম্বন্ধ থকা শব্দবোৰহে সাধাৰণতে সম্বোধনবোধক সম্বন্ধবাচক শব্দ; যেনে— আফা-হে পিতা, আদা-হে ককাই ইত্যাদি। ব্যক্তিবাচক সৰ্বনাম প্ৰসৰ্গৰূপে ব্যৱহাৰ কৰি গঠিত নোহোৱা সুকীয়া শব্দবোৰো সম্বোধন বুজোৱা সম্বন্ধবাচক শব্দৰূপে ব্যৱহাৰ কৰা যায়; যেনে— আই-হে মা, বানায়ছী— হে ভাগিন, মামাইছী— হে মোমাই ইত্যাদি। যাৰ সৈতে মুখামুখিকৈ কথা ক'ব নোৱাৰি সেইবোৰ শব্দ সম্বোধনত ব্যৱহাৰ কৰা নাযায়; যেনে— বিহাউছী = হে শহুৰ, বিহাউফীৰ-শহুৰ দেউ, বীৰাই ফীৰ = শহুৰ। কিন্তু বীৰাহ শব্দৰ অৰ্থ বুঢ়া আৰু ফাৰ মানে বহুত। তাৰ সলনি আপোনত্ব অথবা সম পৰ্যায়ৰ সম্বন্ধ ধৰি মাতিব পৰা শব্দ -হে পিতা শব্দ সম্বোধনত ব্যৱহাৰ কৰা হয়। এনে প্ৰয়োগ অসমীয়া ভাষাত বড়ো ভাষাত আগৰে পৰা প্ৰচলিত এই প্ৰথাৰ পিছৰ কালত হোৱা যেন অনুমান হয়। কাৰণ, বড়ো সমাজত সাম্যভাৱ বা সমান অধিকাৰ, উদাৰতা বা মুক্ত প্ৰয়োগ আগৰে পৰা বিৰাজ কৰি আহিছে।

বড়ো সমাজত যাৰ সৈতে ধেমালি কৰিব পৰা যায়, ল'ৰা বা ছোৱালীৰ ক্ষেত্ৰত বৈবাহিক সম্বন্ধ ঘটিব পাৰে; যেনে— ভিনিহি খুলশালী আৱশ্যক হ'লে নবৌয়েক দেওৰেক, বয়স মিলিলে ককা বা আইতাকৰ সৈতে নাতিনী বা নাতিৰ মাজত। সেয়েহে এনেকুৱা সম্বন্ধত ভাষাৰ যোগসূত্ৰও মিলি যায়। বড়ো ভাষাৰ সম্বন্ধবাচক শব্দৰ লগত অসমীয়াৰ পাৰ্থক্য আছে। উদাহৰণ স্বৰূপে বড়ো ভাষাত যি দুটা পৰিয়ালৰ মাজত বৈবাহিক সম্বন্ধ ঘটিব সেই দুটাৰ ল'ৰা আৰু ছোৱালীৰ ভিনিহি খুলখালী সম্বন্ধই এই যোগসূত্ৰত একে পুৰুষৰ শাৰীতে আৰু

বৈবাহিক সম্বন্ধ পতাৰ সাম্ভাব্যৰ কথা ইঙ্গিত দিয়ে। অৰ্থাৎ স্বামীৰ ভায়েকে ছোৱালীৰ নিজৰ ভনীয়েকৰ বিয়া কৰাব পাৰে। পত্নীৰ ভায়েকে বিপৰীত পৰিয়ালৰ ননদক বিয়া কৰাব পাৰে। এনেকুৱা সম্বন্ধসূচক শব্দ বড়োত থাকিলেও অসমীয়াত নাই। এইদৰে সমাজ বিজ্ঞানত বা সমাজ ভাষা বিজ্ঞানৰ মতে সম্বন্ধবাচক শব্দবোৰ সমাজ ভেদে বেলেগ বেলেগ।